228



2

राष्ट्रीय मुक्त विद्यालयी शिक्षा संस्थान

# অসমীয়া
# মাধ্যমিক পাঠ চয়ন

## असमी माध्यमिक पाठ्यक्रम

## 2

राष्ट्रीय मुक्त विद्यालयी शिक्षा संस्थान

Printed on 70 GSM NIOS Water Mark Paper.

© **National Institute of Open Schooling**

Reprint :August, 2017 (2,000 copies)

Published by the Secretary, National Institute of Open Schooling, A-24/25, Institutional Area, Sector-62, NOIDA-201309 and Printed at M/s Gopsons Papers Limited A-2&3, Sector-64, NOIDA, Uttar Pradesh.

# কৃতজ্ঞতা জ্ঞাপন

ৰাষ্ট্ৰীয় মুক্ত বিদ্যালয়ৰ কতৃপক্ষই এই খণ্ড অসমীয়া পাঠ্যপুথিত নিম্নলিখিত ৰচনা সমূহ প্ৰকাশৰ বাবে অনুমতি দিয়াৰ বাবে স্বনামধন্য লেখক-লেখিকা সকল আৰু সংশ্লিষ্ট প্ৰকাশক গোষ্ঠীৰ ওচৰত আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছে।

| *ৰচনা* | *লেখক / লেখিকাৰ নাম* |
|---|---|
| কছাৰী বীৰ তুলাৰাম সেনাপতি | বেণুধৰ শৰ্মা |
| ৰবৰুৱাৰ গাত চ'তৰ বিহু | লক্ষ্মীনাথ বেজবৰুৱা |
| লুকু ডেকা ফুকনৰ দেশভক্তি | নকুল চন্দ্ৰ ভূঞা |
| মোৰ দেশ | হীৰেণ ভট্টাচাৰ্য্য |
| প্ৰতিশোধ | মহিম বৰা |
| গড়গাওঁ | বিনন্দ চন্দ্ৰ বৰুৱা |

## শিকাৰুসকলৰ প্ৰতি উপদেশ

### ভূমিকা ঃ

ৰাষ্ট্ৰীয় মুক্ত বিদ্যালয়ৰ 'অসমীয়া পাঠমালা'ৰ এইটো দ্বিতীয় খণ্ড। ইয়াত পুৰণি অসমীয়াত লিখা শংকৰদেৱৰ এটা কবিতা পঢ়িবলৈ পাবা। লগতে এটা বুৰঞ্জীমূলক জীৱনী আৰু আন বুৰঞ্জীমূলক নাটকীয় দৃশ্যও পঢ়িবলৈ পাবা। 'ওজাপালি' আৰু 'ভাৰতৰ বৈচিত্ৰ্যৰ মাজত ঐক্য' প্ৰবন্ধই তোমাৰ সাংস্কৃতিক জ্ঞানৰ টোপলাটো শকত কৰি তুলিব। বেজবৰুৱাৰ লেখাই তোমাক হাস্য-ব্যঙ্গৰ আনন্দ দান কৰিব আৰু সম্পাদকলৈ লিখা চিঠিৰ জৰিয়তে ৰাজহুৱা স্বাৰ্থ ৰক্ষা কৰাৰ প্ৰয়াসৰ আভাস দিব। একে বহাতে দীঘলীয়া লেখা একোটা পঢ়িবলৈ তোমাৰ সময় নহবও পাৰে অথবা দীঘলীয়া লেখাৰ বিষয়বস্তু তুমি একেবাৰতে পঢ়ি মনত ৰাখিব নোৱাৰিবও পাৰা। সেয়ে প্ৰতিটো লেখকে কম পক্ষেও দুটা ভাগত ভগাই এই পাঠমালাত সন্নিবিষ্ট কৰা হৈছে। প্ৰতিটো পাঠৰ আৰম্ভণিতে প্ৰসিদ্ধ লিখকসকলৰ পৰিচয় দিয়া হৈছে আৰু পাঠাংশৰ শেষত কথাখিনি পুনৰ চমুকৈ আলোচনা কৰা হৈছে। এই আলোচনাখিনি শ্ৰেণীত শিক্ষকে ছাত্ৰ-ছাত্ৰীক বুজাই কোৱা কথাখিনিৰ নিচিনাই । ইয়াৰ পিছত এই পাঠাংশৰ ওপৰত কিছু প্ৰশ্ন দিয়া হৈছে। প্ৰশ্নবোৰ প্ৰথমে মুখে মুখে উত্তৰ কৰিবা, তাৰ পাছত লিখি উলিয়াবা। একে ধৰণে এই খণ্ড পঢ়ি তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ কৰি যাবা। তাৰ পাছত আকৌ নানা ধৰণৰ প্ৰশ্ন দিয়া হৈছে। কিছুমান প্ৰশ্ন বস্তুনিষ্ঠ, বাকী বেছিভাগেই মনোধৰ্মী। বস্তুনিষ্ঠ প্ৰশ্নৰ ভিতৰত শব্দ সম্ভাৰ, ব্যাকৰণ, বাক্য গঠন, যতি চিন আদি সম্পৰ্কীয় প্ৰশ্ন আছে। সেইবোৰ উত্তৰ কৰিলে তুমি যথেষ্ট আমোদ পাবা। মনোধৰ্মী প্ৰশ্নবোৰ বেছিভাগেই পাঠৰ বিষয়বস্তু সম্পৰ্কীয় আৰু বৰ্ণনাত্মক, কিছুমান মাত্ৰ চিন্তা বা অনুমান কৰি লিখিব লগীয়া। এইবোৰ উত্তৰ কৰিলে তোমাৰ জ্ঞান বাঢ়িব আৰু বুদ্ধিৰ তীক্ষ্ণতা বাঢ়িব। শেষৰ ফালে তুমি পঢ়িব পৰা অতিৰিক্ত দুই এখন কিতাপৰ নাম দিয়া আছে। উত্তৰ সংকেতত চমু প্ৰশ্নবোৰৰ উত্তৰ দি থোৱা হৈছে। নিজৰ উত্তৰ সেইবোৰৰ লগত মিলাই তুমি নিজৰ ভুল শুদ্ধৰ বিচাৰ কৰিব পাৰিবা।

### সাহিত্যৰ প্ৰকাৰভেদ আৰু তাৰ লগত পৰিচিতি ঃ

প্ৰত্যেক ভাষাতে সাহিত্যৰ নানা প্ৰকাৰভেদ আছে যেনে - কবিতা, গল্প, ভ্ৰমণ কাহিনী, চিঠি আদি। এই খণ্ডত সন্নিবিষ্ট পাঠসমূহৰ জৰিয়তে তুমি সাহিত্যৰ আন কেইটামান ৰূপৰ লগত পৰিচিত হোৱাৰ সুযোগ পাবা। নাটক কেনেকৈ লিখা হয়, হাস্য-ব্যঙ্গাত্মক ৰচনাৰ বিশেষত্ব কি আৰু ব্যক্তিগত চিঠিৰ তুলনাত ৰাজহুৱা চিঠিৰ আৰ্হি আৰু বিষয়বস্তু কেনেকৈ বেলেগ হয় সেই কথাও জানিবলৈ পাবা। গৱেষণা মূলক প্ৰবন্ধ সাধাৰণ চিন্তামূলক বা বৰ্ণনাত্মক প্ৰবন্ধতকৈ যে বেলেগ সেই কথা ওজাপালি সম্পৰ্কীয় প্ৰবন্ধৰ পৰা জানিবলৈ পাবা।

### ভাষা ঃ

সাহিত্যৰ প্ৰকাৰভেদে ভাষাও বেলেগ বেলেগ ধৰণৰ হয়। কবিতাৰ ভাষা গল্পতকৈ বেলেগ, গল্পৰ ভাষা নাটকতকৈ বেলেগ ইত্যাদি। এই পাঠাংশ পঢ়িলে তুমি কবিতাৰ ভাষা কেনে ছন্দোবদ্ধ আৰু লয়যুক্ত হয়, নাটকৰ ভাষা কেনে ধৰণৰ সংলাপ প্ৰধান আৰু স্পন্দিত হয়, ঐতিহাসিক জীৱনৰ ভাষা কেনে জতুৱা হয় বলীষ্ঠ হয়, সংস্কৃতি বিষয়ক ৰচনা কেনে বৰ্ণনাত্মক হয়, ৰাজহুৱা হাস্য-ব্যঙ্গাত্মক লেখাৰ ঢং আৰু শব্দাবলী কেনেকৈ আন লেখাতকৈ বেলেগ হয় তাৰ চানেকি দেখিবলৈ পাবা। এই পাঠসমূহত তুমি যথেষ্ট জতুৱা শব্দ আৰু খণ্ডবাক্যৰ প্ৰয়োগ দেখিবলৈ পাবা। মাজে মাজে প্ৰবচন আৰু পটন্তৰৰো ব্যৱহাৰ দেখিবলৈ পাবা। তুমি সেইবোৰৰ প্ৰয়োগ

মন কৰিবা আৰু তোমাৰ কথাত অথবা লেখাত সেইবোৰৰ প্ৰয়োগ কৰিবলৈ যত্ন কৰিবা। এই লেখাবোৰত বেছিভাগতে জটিল, দীঘলীয়া বাক্য ব্যৱহাৰ কৰা হৈছে। তেনে বাক্যবোৰৰ গাঁথনি মন কৰিবা।

**কথন অভ্যাস :**

এই খণ্ডত থকা পাঠবোৰ পঢ়ি তুমি বহুতো নজনা কথা জানিবলৈ পাবা। সেইবোৰ কথা তুমি লগৰ সমনীয়াৰ লগত আলোচনা কৰিবা। ঘৰৰ অন্য মানুহৰ লগতো তোমাৰ ভাললগা কথাবোৰ আলোচনা কৰিব পাৰিলে সেয়ে তোমাৰ কথন বিদ্যা শক্তিশালী কৰি তুলিব। কবিতাকেইটা তুমি আবৃত্তি কৰিবলৈ শিকিবা।

**পঠন :**

প্ৰতিটো পাঠেই তুমি কম পক্ষেও দুবাৰকৈ পঢ়িবা। পঢ়োতে যতি চিন অনুসৰণ কৰিবা। গতিকে বেছিঅ'ৰ বাতৰি পঢ়াৰ সমান কৰিবলৈ যত্ন কৰিবা। পাঠৰ প্ৰতিটো অংশ ভালকৈ পঢ়িলে তলত দিয়া প্ৰশ্নবোৰ পঢ়ি প্ৰশ্নবোৰৰ উত্তৰ কৰিবৰ যত্ন কৰিবা। অংশ ভিত্তিক প্ৰশ্নবোৰৰ উত্তৰ কৰা শেষ হলে, পাঠটো আকৌ এবাৰ পঢ়িবা, সাৰাংশটোও পঢ়ি লবা। পিছত শেষৰ ফালে দিয়া বিভিন্ন ধৰণৰ প্ৰশ্নবোৰৰ উত্তৰ কৰিবা। মনত ৰাখিবা শুদ্ধ উত্তৰ কৰিব নপৰাটো ভালকৈ পঢ়িবলৈ নোৱাৰাৰ ওপৰত নিৰ্ভৰ কৰে। ভাল লগা অংশবিলাক বাৰে বাৰে পঢ়িবা। তোমাৰ ইচ্ছা অনুসৰি সৰব বা নীৰব যি কোনো ধৰণৰ পঠন অভ্যাস কৰিবা।

**লিখন :**

পাঠত দিয়া প্ৰশ্নবোৰৰ উত্তৰ একাদিক্ৰমে আৰু নিয়মিত লিখি গলে তোমাৰ লিখন অভ্যাস পুৰঠ হব। উত্তৰবোৰ লিখোঁতে পাঠৰ পৰা হুবহু নকল কৰি নাযাবা অথবা মনত ৰাখি মুখস্থ লিখি নাযাবা। পাঠৰ কথাবোৰ বুজি লৈ নিজৰ শব্দব্যৱহাৰ কৰি নিজৰ ভাষাৰে লিখিবা। সম্ভৱ ঠাইত পাঠত থকা শব্দৰ সলনি তাৰ প্ৰতিশব্দ ব্যৱহাৰ কৰিবা। এটা পাঠত পোৱা জতুৱা শব্দবোৰ অন্য পাঠৰ প্ৰশ্নোত্তৰ লিখোঁতে ব্যৱহাৰ কৰিবৰ যত্ন কৰিবা। তোমাৰ আইতাৰা বা ককাদেউতাৰ মুখত শুনা খণ্ডবাক্য বা পটন্তৰ তুমি ব্যৱহাৰ কৰিবৰ চেষ্টা কৰিবা।

**বোধজ্ঞান :**

পাঠৰ কথাবোৰ মনত ৰাখি সেইবিষয়ে তুমি আনৰ আগত কব পাৰিলে বা তাৰ ওপৰত প্ৰশ্নবোৰ লিখিত ভাৱে কৰিব পাৰিলে পাঠবোৰ বোধগম্য হোৱা বুলি বুজিব পৰা যাব।

**জতুৱা শব্দাৱলীৰ চৰ্চা :**

এই খণ্ড পাঠত তুলনামূলকভাৱে অলপ পুৰণি লেখকৰ লিখক সকলৰ লেখা সন্নিবিষ্ট কৰা আছে; যেনে শ্ৰীশ্ৰীশংকৰদেৱ, বেণুধৰ শৰ্মা, লক্ষ্মীনাথ বেজবৰুৱা আৰু নকুল চন্দ্ৰ ভূএঞা। এই লেখা সমূহত থকা জতুৱা শব্দাৱলীৰ প্ৰয়োগ মন কৰিবা। এইবোৰত কিছুমান নিভাঁজ অসমীয়া শব্দ আছে, যিবোৰৰ প্ৰয়োগ আজিকালিৰ বাতৰি কাকত আলোচনী আদিত নাই। পঢ়োতে সেই শব্দবোৰৰ তলত তুমি দাগ দি যাবা আৰু লিখোঁতে তুমি সেই শব্দবোৰ প্ৰয়োগ কৰিবৰ যত্ন কৰিবা।

**ছাত্ৰ-ছাত্ৰীৰ ক্ৰিয়া কলাপ :**

এই খণ্ডত দিয়া কবিতা দুটা বাৰে বাৰে পঢ়ি তাৰ আনন্দ উপভোগ কৰিবৰ যত্ন কৰিবা। তাত সন্নিবিষ্ট

উপন্যাসমূহ পঢ়োঁতে তলত আচ দি যাবা; তোমাৰ মন চুই যোৱা শাৰীবোৰ মুখস্থ কৰিবা। পুৰণি অসমীয়া গদ্যবোৰ কেনে আছিল তাৰ আভাস দিবলৈহে কথা ভাগৱত আৰু বুৰঞ্জীৰ পৰা চয়ন কৰা পাঠ দুটা ইয়াত সংযোগ কৰা হৈছে। তাত থকা শব্দাৱলী বাক্যৰ গাঁঠনি বুজিলেই হ'ব; এই লিখন ৰীতি তুমি অনুসৰণ কৰিব নেলাগে। 'কম্পিউটাৰ' সম্পৰ্কীয় লেখাটো তোমাৰ সাধাৰণ জ্ঞান বঢ়াবৰ কাৰণে দিয়া হৈছে। আজিকালি নগৰৰ চুকে কোণে কম্পিউটাৰৰ প্ৰশিক্ষণ কেন্দ্ৰ হৈছে। সম্ভৱ হ'লে কোনো কেন্দ্ৰত গৈ কম্পিউটাৰৰ সাধাৰণ ব্যৱহাৰ শিকিবা। মানৱ অধিকাৰ সম্পৰ্কে কি জানা দহজনক বুজাই ক'বৰ যত্ন কৰিবা।

<u>এচাইনমেণ্ট</u> ঃ

এই পাঠ্যক্ৰমত 'এচাইনমেণ্ট' এটা গুৰুত্বপূৰ্ণ অংশ। তুমি এচাইনমেণ্টবোৰ সময়মতে কৰি ঘূৰাই পঠিয়াবা। 'এচাইনমেণ্ট'বোৰ কৰিবৰ যত্ন কৰি তোমাৰ নুবুজা কথাবোৰ বুজাত সহায় হব। এচাইনমেণ্টবোৰ পেলাই নাৰাখিবা। তুমি হয়তো দুই এটা কথা নাজানিব পাৰা; সেইবুলি তুমি হতাশ নহবা। তোমাৰ ঘাটিখিনি হয়তো পিছৰ পাঠটো পঢ়িলে পূৰণ হব।

<u>শেষ কথা</u> ঃ

তুমি জানা মুক্ত বিদ্যালয়ৰ পাঠ্যক্ৰমত শিক্ষক নাই। এই পাঠমালাই পাঠ্য, এই পাঠমালাই শিক্ষক। পাঠমালা আৰু তুমি এই দুটাই এই শিক্ষা ব্যৱস্থাৰ মূল। গতিকে তুমি নিজৰ ওপৰত ভৰসা ৰাখিবা; একাগ্ৰতা আৰু নিষ্ঠা সহকাৰে পাঠবোৰ পঢ়িবা। দেখিবা, তোমাৰ জ্ঞান অন্যান্য বিদ্যালয়ত পঢ়া ছাত্ৰছাত্ৰীতকৈ কোনোগুণে কম নহয়।

* * * * *

# অসমীয়া পাঠ্যক্ৰম

*গাঁথনি*


1.1 পাতনি আৰু উদ্দেশ্যাৱলী

1.2 লিখক পৰিচিতি

1.3 মূলপাঠ

1.31 মুদ্ৰিত প্ৰতিলিপিৰ প্ৰথম ভাগ : শব্দাৰ্থ

1.32 আলোচনা

1.33 প্ৰশ্নাৱলী (চুটি প্ৰশ্ন)

1.34 মুদ্ৰিত প্ৰতিলিপিৰ দ্বিতীয় ভাগ : শব্দাৰ্থ

1.35 আলোচনা

1.36 প্ৰশ্নাৱলী (চুটিপ্ৰশ্ন)

1.37 মুদ্ৰিত প্ৰতিলিপিৰ তৃতীয় ভাগ : শব্দাৰ্থ

1.38 আলোচনা

1.39 প্ৰশ্নাৱলী (চুটিপ্ৰশ্ন)

1.4 মূলপাঠৰ সাৰাংশ কবিতাটোৰ মূলভাৱ আৰু কাব্যিক সৌন্দৰ্য

1.5 চমু টোকা : সাংস্কৃতিক সংজ্ঞাসহ

1.6 সাধাৰণ অনুশীলনী

1.61 বাক্য বা পৰিচ্ছেদ ক্ৰম অনুযায়ী সজোৱা

1.62 পাঠভিত্তিক মন্তব্যবোৰৰ শুদ্ধ অশুদ্ধ বিচাৰ কৰ

1.63 খালী ঠাই পূৰণ কৰা

1.64 এটা শব্দত প্ৰকাশ কৰা বা শব্দৰ অৰ্থ

1.64 ইটোৰ সৈতে সিটো মিলোৱা (matching)

1.66 সমাৰ্থক, দ্ব্যৰ্থক, বিপৰীতাৰ্থক আৰু নানাৰ্থক শব্দ দিয়া

1.67 সন্ধি কৰা আৰু ভঙা

1.68 খণ্ডবাক্য আৰু জতুৱা ঠাঁচ আদি

1.69 সৰল বাক্য, জটিল বাক্যৰ পৰিবৰ্তন কৰা

1.6.10 পাঠভিত্তিক চমু প্ৰশ্ন

1.6.11 সৃষ্টিধৰ্মী প্ৰশ্ন

1.7 চমু প্ৰশ্নৰ উত্তৰ সংকেত

1.8 অতিৰিক্ত পঠন উপদেশ

1.9 ছাত্ৰ-ছাত্ৰীক প্ৰশ্ন কৰিবলৈ দিয়া সংকেত


* * * * *

(প্ৰথম খণ্ড)

# সূচীপত্ৰ


| পাঠ নং | শিৰোনামা | লেখক | পৃষ্ঠা নং |
|---|---|---|---|
| 18. | কাকুতি | শ্ৰীমন্ত শংকৰদেৱ | ১ |
| 19. | কছাৰী বীৰ তুলাৰাম সেনাপতি | বেণুধৰ শৰ্মা | ১০ |
| 20. | অসমৰ ওজাপালি অনুষ্ঠান | ভৃগুমোহন গোস্বামী | ২৬ |
| 21. | বৰবৰুৱাৰ গাত চ'তৰ বিহু | লক্ষ্মীনাথ বেজবৰুৱা | ৪৮ |
| 22. | লুকু ডেকা ফুকনৰ দেশভক্তি | নকুল চন্দ্ৰ ভূঞা | ৬১ |
| 23. | ভাৰতৰ বৈচিত্ৰ্যৰ মাজত ঐক্য | তাৰিণী কান্ত গোস্বামী | ৮৪ |
| 24. | বণ্যপ্ৰাণী আৰু ইয়াৰ সংৰক্ষণ | বিপুল কুমাৰ বৰুৱা | ১০১ |
| 25. | সম্পাদকলৈ চিঠি | গোপীকান্ত তালুকদাৰ | ১১৭ |
| 26. | মোৰ দেশ | হীৰেণ ভট্টাচাৰ্য্য | ১২৫ |
| 27. | খৰাং বতৰ, বানপানী আৰু অসম (সম্পাদকীয়) | ভৃগুমোহন গোস্বামী | ১৩৭ |
| 28. | কম্পিউটাৰ | সংগৃহীত | ১৪৫ |
| 29. | প্ৰতিশোধ | মহিম বৰা | ১৫৯ |
| 30. | গড়গাওঁ | বিনন্দ চন্দ্ৰ বৰুৱা | ১৭৫ |
| 31. | মানৱ অধিকাৰ | সুৰেন্দ্ৰ মোহন ঠাকুৰীয়া | ১৯২ |
| 32. | লতাকটা বন | সংগৃহীত | ২১০ |
| 33. | শৰৎ বৰ্ণনা | বৈকুণ্ঠ নাথ ভাগৱত ভট্টাচাৰ্য্য | ২২৫ |
| 34. | সংক্ষেপন লেখন প্ৰণালী | | ২৩৮ |
| 35. | ভাব সম্প্ৰসাৰণ লেখন পদ্ধতি | | ২৪০ |

গোট 18

# কাকূতি (বৰগীত)

ৰচনা ঃ শ্ৰীমন্ত শঙ্কৰদেৱ

## 18.1 পাতনি আৰু উদ্দেশ্যাৱলী

আগৰ খণ্ড দুটাত তুমি আধুনিক অসমীয়া কবিতাৰ লগত পৰিচিত হৈছা। এইবাৰ এটা পুৰণি অসমীয়া ভাবাত লিখা কবিতাৰ সোৱাদ পাবা। এই কবিতাটো প্ৰকৃততে এটা গীত; ইও যেনে-তেনে গীত নহয়, বৰগীত। তোমাৰ হয়তো বৰগীত কাক বোলে জানিবৰ মন গৈছে। মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱে ৰচনা কৰা গীতখিনিক বৰগীত বোলে। এই গীত, গীতৰ ভিতৰত 'বৰ' অৰ্থাৎ শ্ৰেষ্ঠ, সেই অৰ্থত বৰগীত। বৰগীতবোৰ ওখ নৈতিক আৰু আধ্যাত্মিক ভাবৰ ওপৰত প্ৰতিষ্ঠিত। বিষয় বস্তুৰ ফালৰ পৰা প্ৰায়খিনি বৰগীতেই শ্ৰীকৃষ্ণৰ ওপৰত আধাৰিত।

এই বৰগীতটো পঢ়িলে তুমি জানিবলৈ পাবা ঃ

- ◆ পুৰণি অসমীয়া আধ্যাত্মিক কবিতাৰ বিষয় বস্তু কেনে আছিল?
- ◆ পুৰণি অসমীয়া কবিতাৰ ছন্দ কেনে আছিল?
- ◆ পুৰণি অসমীয়া শব্দচয়ন কেনে আছিল, বিশেষকৈ সৰ্বনাম আৰু ক্ৰিয়াপদবোৰ কেনে আছিল?
- ◆ সেই সময়ৰ অসমীয়া বানান বা আখৰ জোঁটনি কেনে আছিল?
- ◆ উচ্চাৰণ ৰীতি কেনে আছিল?
- ◆ গীতত কেনে ধৰণে 'ৰাগ' বা সুৰ সঞ্চাৰ কৰা হৈছিল, আৰু
- ◆ মহাপুৰুষ শংকৰদেৱে ৰচনা কৰা বৰগীত কেনে আছিল?

## 18.2 লেখক পৰিচিতি

এই বৰগীতটিৰ ৰচক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে 1449 খৃষ্টাব্দত বৰ্তমান নগাওঁ জিলাৰ বৰদোৱাত জন্ম গ্ৰহণ কৰে। তেওঁ এপিনে ধৰ্ম গুৰু আৰু আনপিনে সাহিত্য গুৰু। তেওঁ অসমত নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰে। তেওঁ ধৰ্ম প্ৰচাৰৰ মাধ্যম হিচাপে গীত, নাট, কাব্য ৰচনা কৰে। এই ৰচনাবোৰৰ কাহিনী আৰু তত্বকথা প্ৰধানকৈ গীত, ভাগৱত পুৰাণ, বিষ্ণু পুৰাণ, হৰিবংশ, ৰামায়ণ আদি সংস্কৃত গ্ৰন্থৰ পৰা লৈছিল। 'কীৰ্ত্তন-ঘোষা' মহাপুৰুষ গৰাকীৰ সাহিত্যিক প্ৰতিভাৰ উজ্জ্বল নিদৰ্শন। 'হৰিশ্চন্দ্ৰ উপাখ্যান', 'ৰুক্মিণী হৰণ' আদি তেওঁৰ কাব্য। 'কেলিগোপাল' 'কালিয় দমন', 'ৰুক্মিণী হৰণ', 'পাৰিজাত হৰণ' আদি তেওঁৰ নাট। শংকৰদেৱ আৰু মাধৱদেৱে ৰচনা কৰা 'বৰগীত' সমূহ অসমৰ ক্লাছিকেল বা ধ্ৰুপদী সংগীত। 'কাকুতি' নামৰ এই বৰগীতটো 'বৰগীত' নামৰ সংকলন খনৰ পৰা লোৱা হৈছে।

1568 খৃষ্টাব্দত প্ৰায় ছয়কুৰি বছৰ বয়সত কোচবেহাৰত শংকৰদেৱে নৰদেহ ত্যাগ কৰে।

## 18.3 মূল পাঠ

### 18.3.1 মূলপাঠৰ মুদ্ৰিত প্ৰতিলিপি

**ৰাগ-শ্ৰী**

**ধ্ৰুং** ঃ- গোপালে কি গতি কৈলে, গোবিন্দে কি মতি দিলে

নাথ বিফলে বয়স সব গেলৰে।

**পদ** ঃ-

এ ভৱ গহন বন আতি মোহ পালে ছন্ন

তাতে হামু হৰিণা বেড়াই।

ফান্দিলো মায়াৰ পাশে কাল ব্যাধে ধায়া আসে

কাম ক্ৰোধ কুত্তা খেদি খাই।।

**শব্দাৰ্থ**

কাকুতি (বি) ঃ মিনতি, লাবৌ

কৈলে (ক্ৰি) ঃ কৰিলে

নাথ (বি) ঃ গৰাকী, প্ৰভু

ছন্না (বিণ) ঃ আবৃত্ত

ভৱ (বি) ঃ সংসাৰ, জগৎ

গহন (বি) ঃ গভীৰ, দুৰ্গম

বেড়াই (ক্ৰি) ঃ ঘূৰি ফুৰোঁ

হামু (সৰ্ব) ঃ মই, আমি

ফান্দিলো (ক্ৰি) ঃ বান্ধ খালোঁ

কাল (বি) ঃ যম, মৃত্যু, সময়

ধায়া (ক্ৰি) ঃ খেদি আহি

হৰাইলা চেতন হৰি নজানো কি মতে তৰি

শুনিতে দগধ ভৈল জীৱ।

লোভ মোহ দুহোঁ বাঘ দণ্ডতে নাখাড়ে লাগ

ৰাখু ৰাখু সদাশিৱ।।

পলাইতে নেদেখো সন্ধি দিনে দিনে দৃঢ়বন্দী

ভৈলো মন্দ মনৰ যুগুতি।

তুৱা হৰি লাগো গোড় মোৰ মায়া পাশ ছোড়

শংকৰ কৰয় কাকুতি।।

দগধ (বিণ) : পুৰি যোৱা
নাখাড়ে (ক্রি) : এৰি নিদিয়ে
পলাইতে (ক্রি) : পলাবলৈ
যুগুতি (বি) : যুক্তি
গোড় (বি) : ভৰি, চৰণ
সন্ধি (বি) : সুৰুঙা
মন্দ (বিণ) : বেয়া
তুৱা (সর্ব) : তোমাৰ
পাশ (বি) : বন্ধন, বাঁচ
দুহোঁ (বি) : দুয়ো
ছোড়-(ক্রি) : এৰিদে

## 14.3.2 আলোচনা

'কাকুতি বৰগীত'টো পঢ়িলে তুমি তাত কিছুমান অপৰিচিত শব্দ পাবা। সেইবোৰ হ'ল— কৈলে, গেলৰে, ছন্ন, হায়ু, বেড়াই, ফান্দিলো, ধায়া, কুত্তা, দুহোঁ, নখাড়ে, ৰাখু, তুৱা আদি। এই শব্দবোৰ পশ্চিমা হিন্দীৰ ভগা-ছিগা টুকুৰা। আনহাতে মতি, বন, মোহ, হৰিণা, কাল, কাম, ক্রোধ, খাই জীৱ, লোভ, মোহ, নেদেখো, সন্ধি, দিনে দিনে, মনৰ মায়া এই শব্দবোৰৰ লগত তুমি নিশ্চয় পৰিচিত। এই শব্দবোৰৰ কিছুমান শংকৰদেৱে প্রতীক হিচাপে ব্যৱহাৰ কৰিছে। তদুপৰি একক ব্যঞ্জনাৰে শেষহোৱা শব্দবোৰৰ স্বৰান্ত উচ্চাৰণ মন কৰিবা। এই বৰগীতটোৰ মাজেৰে শংকৰদেৱে পাৰমাৰ্থিক তত্ত্ব প্ৰকাশ কৰিবলৈ বিচাৰিছে।

## 14.3.3 পাঠ ভিত্তিক প্ৰশ্নাৱলী

এতিয়া আহা আমি পাঠটোৰ ওপৰত কিছু চমু প্ৰশ্ন আলোচনা কৰো—

১। 'বিফলে বয়স সব গেলৰে।' ইয়াত কবিয়ে 'বয়স' শব্দেৰে কি বুজাব বিচাৰিছে?

২। 'আতি মোহ পাশে ছন্ন'ৰ অৰ্থ কি?

৩। কবিয়ে নিজকে কাৰ লগত তুলনা কৰিছে?

৪। ব্যাধক কাৰ লগত তুলনা কৰিছে?

৫। 'কুত্তা' বুলি কবিয়ে কিহক বুজাইছে?

৬। 'লোভ, মোহ' এই দুয়োটাক কবিয়ে কি বুলি কৈছে?

৭। 'লোভ, মোহ'ৰ পৰা ৰক্ষা কৰিবলৈ কবিয়ে কাক মাতিছে?

৮। কবিয়ে শেষত কাৰ ওচৰত শৰণ বা আশ্ৰয় লৈছে?

৯। কাকুতি বৰগীতটো কি ৰাগত বন্ধা আছে?

১০। কবিৰ দৃষ্টিত 'সদাশিৱ' আৰু 'হৰি' একে নে বেলেগ?

## 18.4 মূল পাঠৰ সাৰাংশ

এই সংসাৰ এখন দুৰ্গম বননি। মোহৰ এনাজৰিৰে কবিক বন্ধা আছে। তেওঁ হৰিণা হৈ এই সংসাৰ বনত ভ্ৰমিছে। এই হৰিণাক দেখি ব্যাধৰূপী যমে খেদি আহিছে। তাতে আকৌ কুকুৰ সদৃশ কাম-ক্ৰোধে তেওঁক আক্ৰমণ কৰিছে। এই কাৰ্য্য দেখি তেওঁৰ বুদ্ধি হত হৈছে। আনহাতে লোভ-মোহ স্বৰূপ দুটা বাঘে তেওঁক খেদি ফুৰিছে। উপায়ন্তৰ হৈ সদাশিৱক তেওঁ ৰক্ষা কৰিবলৈ আহ্বান কৰিছে। দিন যিমানে গৈ আছে তেওঁ সংসাৰৰ মায়া মোহত বেছি আৱদ্ধ হৈছে। শেষত কবিয়ে হৰিৰ ওচৰ চাপি তেওঁক মায়া শূন্য কৰিবলৈ কাকুতি জনাইছে।

## 18.5 কাব্যিক সৌন্দৰ্য্য

কাকুতি কবিতাত কবিয়ে কেইবাটাও ৰূপক ব্যৱহাৰ কৰিছে। তাৰ ফলত কবিতাটোৰ সৌন্দৰ্য প্ৰকাশ পাইছে। এই সংসাৰক দুৰ্গম বননি আৰু এই বননিত তেওঁ হৰিণা হৈ ভ্ৰমণ কৰা কল্পনা সুন্দৰ হৈছে। মৃত্যুক ব্যাধৰ লগত, লোভ-মোহক

বাঘৰ লগত, কাম-ক্ৰোধক কুকুৰৰ লগত তুলনা কৰা ছবিখনে আমাৰ মন আকৰ্ষণ কৰে। প্ৰতীকধৰ্মী শব্দৰ ব্যৱহাৰে কবিতাটোৰ সৌন্দৰ্য্য বঢ়াইছে। কবিতাটোত পৰ্য্যাপ্ত পৰিমাণে ব্যৱহাৰ কৰা ব্ৰজাৱলী শব্দই কবিতাটোৰ লালিত্য বঢ়াইছে। কিছুমান সংস্কৃতীয়া শব্দৰ মাজত স্বৰধ্বনি সুমুৱাই ভাঙি লিখাত লয়যুক্ত হৈ পৰিছে। অনুপ্ৰাস অলংকাৰৰ প্ৰয়োগে কবিতাটো শ্ৰুতিমধুৰ কৰি তুলিছে।

## 18.6 চমুটোকা

**(ক) ব্ৰজবুলি, ব্ৰজাৱলী ভাষা** ব্ৰজবুলি বৈষ্ণৱসকলে সৃষ্টি কৰা এটা কৃত্ৰিম ভাষা। ই মৈথিলী ভাষাৰ লগত অসমীয়াৰ সংমিশ্ৰণ। ব্ৰজাৱলী ভাষাৰ প্ৰধান উপাদান হ'ল মৈথিলী আৰু অসমীয়া; কিন্তু পশ্চিমা হিন্দী ৰূপো ঠায়ে ঠায়ে পোৱা যায়। বংগদেশ আৰু উৰিষ্যাৰ বৈষ্ণৱ কবিসকলেও কৃষ্ণ বিষয়ক গীত ৰচনা কৰোতে ব্ৰজাৱলী ভাষা ব্যৱহাৰ কৰিছে। শ্ৰীকৃষ্ণৰ ব্ৰজধামৰ লীলা প্ৰকাশৰ মাধ্যম বুলিয়েই এই কৃত্ৰিম ভাষাক ব্ৰজাৱলী ভাষা বোলা হয়। শংকৰদেৱ আৰু মাধৱদেৱৰ প্ৰায়খিনি বৰগীতৰে ভাষা ব্ৰজবুলি।

**(খ) ৰূপক** উপমিতক উপমানৰ লগত অভেদ কল্পনা কৰাক অৰ্থাৎ উপমিতক উপমান ৰূপে আৰোপ কৰাকে ৰূপক অলংকাৰ বোলে; উদাহৰণ---

*এতিয়া কৰিলে কাল ধেমালিত হানি,*
*বিদ্যা-ধন উপাৰ্জন কৰিবা কাহানি?*

**(গ) অনুপ্ৰাস অলংকাৰ** শুনিবলৈ শুৱলা হোৱাকৈ একে ধ্বনিকে ওচৰা-ওচৰিকৈ থকা দুই বা ততোধিক শব্দৰ বিশেষকৈ শব্দৰ অন্তত পুনৰাবৃত্ত কৰাকে অনুপ্ৰাস বোলে; উদাহৰণ —

*'মোহদানন্দ কন্দ পৰমানন্দ*
*নন্দ নন্দন বনচাৰী।'*

এই উদাহৰণৰ 'ন্দ' ধ্বনিটো প্ৰতিটো শব্দৰ অন্তত পুনৰাবৃত্ত হৈছে।

**(ঘ) পুৰণি অসমীয়া সৰ্বনাম** পুৰণি অসমীয়া সৰ্বনাম আৰু আধুনিক অসমীয়া সৰ্বনামৰ মাজত কিছু প্ৰভেদ আছে। আধুনিক অসমীয়া সৰ্বনাম, মই, তুমি, ক'ত আদি সৰ্বনামৰ সলনি পুৰণি অসমীয়া হামু, তুবা, কৈত আদি সৰ্বনাম পদ ব্যৱহাৰ হৈছিল।

## 18.7 সৃষ্টিধৰ্মী অনুশীলনী

এতিয়া তুমি ওপৰৰ পাঠটোৰ কিছু প্ৰশ্নৰ উত্তৰ কৰা :-

১১। বৰগীত কাক বোলে ?

১২। পাঠটোৰ কবিৰ চমু পৰিচয় এটি দাঙি ধৰা ?

১৩। পাঠটোৰ সাৰমৰ্ম বুজাই এটি আলচ যুগুত কৰা।

১৪। 'লোভ মোহ দুহোঁ বাঘ সততে নছাড়ে লাগ
বাখু বাখু সদাশিৱ।'
- উক্ত চৰণটোৰ ভাৱ বহলাই লিখাঁ।

১৫। বৰগীতটোৰ কাব্যিক সৌন্দৰ্য্যৰ এটি আভাস দাঙি ধৰা।

## 18.8 ব্যাকৰণগত অনুশীলনী

### 18.8.1 খালী ঠাই পূৰণ কৰা :-

এতিয়া কবিতাটোত থকা কেইটামান খালী ঠাই আছে, সেইবোৰ পূৰণ কৰি দেখুৱাঃ-

১৬। গোপালে কি গতি ———
গোবিন্দে কি ——— দিলে।

১৭। এ ভৱ ——— বন
আতি মোহ পাশে———

১৮। তুৱা হৰি —— গোড়

মোৰ মায়া পাশ——

18.8.2 **প্ৰতিশব্দ বিচাৰ**

পূৰণি শব্দৰ আধুনিক প্ৰতিশব্দ দিয়া ঃ

১৯। (ক) হামু, (খ) বেড়াই, (গ) নছাড়ে, (ঘ) মন্দ, (ঙ) পাশ, (চ) ছোড়, (ছ) ভেল, (জ) কৈলে, (ঝ) শুনিতে, (ঞ) কৰয়

**দ্ব্যৰ্থক শব্দেৰে বাক্য গঠন**

২১। তলত দিয়া শব্দ কেইটাৰ মূল সংস্কৃত ৰূপ কি লিখা ঃ—

(ক) দগধ, (খ) যুগুতি, (গ) ভকতি, (ঘ) জনম

18.9 **ওপৰৰ চমু প্ৰশ্নৰ উত্তৰ সংকেত**

**১। ইয়াত 'বয়স' শব্দই 'আয়ুস' বুজাইছে।**

**২। 'অতি মোহ পাশে ছন্ন' মানে হ'ল মোহৰ জৰিৰে কট্‌কটীয়াকৈ বান্ধ খাই থকা।**

**৩। কবিয়ে নিজকে হৰিণাৰ লগত তুলনা কৰিছে।**

**৪। কবিয়ে ব্যাধক যম বা মৃত্যুৰ লগত তুলনা কৰিছে।**

৫। 'কুত্তা' বুলি কবিয়ে কাম-ক্ৰোধক বুজাইছে।

৬। লোভ মোহক কবিয়ে দুটা বাঘৰ লগত ৰিজাইছে।

৭। লোভ মোহৰ পৰা ৰক্ষা কৰিবলৈ কবিয়ে সদাশিৱক মাতিছে।

৮। কবিয়ে শেষত প্ৰভু সদাশিৱৰ ওচৰত আশ্ৰয় লৈছে।

৯। বৰগীত কবিতাটো 'শ্ৰী' ৰাগত বন্ধা আছে।

১০। কবিৰ দৃষ্টিত সদাশিৱ আৰু হৰি একেজনা, বেলেগ নহয়।

১১ নম্বৰৰ পৰা ১৫ নম্বৰ প্ৰশ্নলৈ উত্তৰ দিয়া নাই।

১৬। কৈলে, মতি

১৭। গহন, ছন্ন

১৮। লাগো, ছোড়

১৯। (ক) হামু — মই, আমি, (খ) বেড়াই — ঘূৰি ফুৰা

(গ) নাছাড়ে— এৰি নিদিয়ে। (ঘ) মন্দ— বেয়া

(ঙ) পাশ— জৰি (চ) ছোড়— এৰি দিয়া

(ছ) ভৈল— হ'ল (জ) কৈলে— কৰিলা

(ঝ) শুনিতে — শুনি (ঞ) কৰয়— কৰে।

## 18.10 অতিৰিক্ত পঠন উপদেশ

তুমি পাঠটোৰ লগত সাদৃশ্য থকা কিছু অতিৰিক্ত পাঠ পঠন কৰি আনন্দ লাভ কৰিব পাৰা। লগতে এই তিনিখন পুথিও পঢ়িব পাৰাঃ—

১। শংকৰদেৱ আৰু মাধৱদেৱ ৰচিত 'বৰগীত'

২। ড° মহেশ্বৰ নেওঁগ ৰচিত 'শ্ৰীশ্ৰী শংকৰদেৱ'

৩। ড° বাণীকান্ত কাকতিদেৱৰ প্ৰবন্ধ 'বৰগীত'
( 'পুৰণি অসমীয়া সাহিত্য' পুথিত আছে )

## 18.11 ছাত্ৰ-ছাত্ৰীক প্ৰশ্ন কৰিবলৈ দিয়া সংকেত

তুমি ওপৰৰ আলোচনাখিনি পঢ়ি বৰগীত সম্পৰ্কে কিছু ধাৰণা কৰিব পাৰিছা ? ইয়াতকৈও তুমি বেছি জানিবলৈ বিচাৰিব পাৰা। তোমাৰ মনত বহু প্ৰশ্ন উদয় হ'ব পাৰে, গতিকে তেনে ধৰণৰ কৌতূহলজনক প্ৰশ্ন তুমি লিখি আমালৈ পঠিয়াব পাৰা।

গোট 19

# কছাৰী বীৰ তুলাৰাম সেনাপতি

ৰচনা ঃ বেণুধৰ শৰ্মা

## 19.1 পাতনি আৰু উদ্দেশ্যাৱলী

আগৰ প্ৰবন্ধবোৰত তুমি বৰ্তমান সময়ৰ লেখকৰ লেখা পঢ়িবলৈ পাইছা। এই পাঠৰ জৰিয়তে পুৰণি চাম অসমীয়া লেখকৰ লেখাৰ লগত পৰিচিত হ'বা। বিষয় বস্তুৰ ফালৰ পৰাও এই লেখাটো অনন্য। এইটো এটা বুৰঞ্জীমূলক প্ৰবন্ধ। এই প্ৰবন্ধৰ ৰচয়িতা স্বনামধন্য বেনুধৰ শৰ্মা। তেওঁৰ ৰচনাশৈলীৰ এটা সুকীয়া বৈশিষ্ট্য আছে। তেওঁৰ ৰচনাৰীতি পঢ়ি সোৱাদ লবহে পাৰি, সেই ৰীতি নিজাকৰি লও বুলি ল'ব নোৱাৰি। সময়ৰ সোঁতত হেৰাই যাব ধৰা শব্দ, পটন্তৰ, যোজনা, খণ্ডবাক্য আদি তেওঁ তেওঁৰ লিখনিৰ মাজেৰে ধৰি ৰাখিছিল। বেণুধৰী গদ্যত সংস্কৃতীয়া শব্দৰ প্ৰাদুৰ্ভাব কম। বাক্যবোৰ প্ৰায়ে দীঘল আৰু জটিল। উপস্থাপন ৰীতি যথেষ্ট শক্তিশালী। আলোচ্য বিষয়ে পাঠকক সহজে প্ৰত্যয় নিয়াব পাৰে। সাধাৰণ মানুহৰ চকুত ন পৰা কিন্তু বুৰঞ্জীৰ পাতত উজ্জ্বল হৈ থকা বিখ্যাত লোকৰ জীৱন-কাহিনী কেনেকৈ ৰচনা কৰিব পাৰি তাৰ পৰিচয় 'কছাৰী বীৰ তুলাৰাম সেনাপতি'ৰ জীৱনীটোৱে দিছে।

**শব্দাৰ্থ**

অনন্য (বিণ) ঃ অসাধাৰণ

প্ৰত্যয় (বি) ঃ পতিয়ন

এই পাঠ পঢ়িলে তুমি

- বুৰঞ্জীৰ পাতত সোমাই থকা জীৱনী অধ্যয়ন কেনে ৰসাল সেই কথা ভালদৰে বুজি পাবা,
- জীৱনী যে কেৱল এটা জীৱনৰ অভিলেখ বা ৰেকৰ্ড নহয়, ই ইতিহাসো তাৰ স্বাক্ষৰ এই পাঠত দেখিবলৈ পাবা।
- জীৱনী পাঠৰ যোগেদি সাহিত্যৰ সোৱাদ কেনেকৈ লব পাৰি তাৰো

আভাস পাবা,

- বুৰঞ্জীৰ জাবৰৰ পাচিৰ পৰা তুলাৰাম সেনাপতিৰ নিচিনা দৃঢ় সংকল্পৰ লোকক কেনেকৈ বিচাৰি উলিয়াব পাৰি তাৰ সমুজ্জ্বল উদাহৰণ পাবা আৰু

- পুৰণিচাম অসমীয়া সাহিত্যিকৰ জতুৱা অসমীয়া গদ্যশৈলীৰ সুস্পষ্ট নিদৰ্শন পাবা।

## 19.2 লেখক পৰিচিতি

**বেণুধৰ শৰ্মা** ১৮৯৪ খৃষ্টাব্দৰ ১৫ নৱেম্বৰত শিৱসাগৰ জিলাৰ চাৰিঙত বেণুধৰ শৰ্মাৰ জন্ম। বেণুধৰ শৰ্মা একাধাৰে সাহিত্যিক, সাংবাদিক, বুৰঞ্জীবিদ, কংগ্ৰেছকৰ্মী আৰু স্বাধীনতা আন্দোলনৰ আগৰণুৱা ব্যক্তি আছিল। তেওঁ পুৰণি আৰু নতুনৰ মাজত সেতু সদৃশ আছিল। ১৯৫৬ খৃঃৰ ২৭ ডিচেম্বৰত ধুবুৰীত বহা পঞ্চবিংশ অসম সাহিত্য সভাৰ তেওঁ সভাপতি আছিল। তেওঁ 'কংগ্ৰেছৰ কাঁচিয়লি ৰ'দত' নামৰ পুথিখনৰ বাবে ১৯৬০ চনত সাহিত্য একাডেমীৰ বঁটা লাভ কৰিছিল।

তেওঁ ৰচিত কেইখনমান গ্ৰন্থ হ'ল— সাতাৰান ছাল, মংগলতিৰ কণ্ঠিমালা, গংগাগোবিন্দ ফুকন, মণিৰাম দেৱান, দুৰবীন, ৰাংপাতা, মৰমৰ কাৰেং, হেম গোস্বামী, ফুলচন্দন, কংগ্ৰেছৰ কাঁচিয়লি ৰ'দত ইত্যাদি।

১৯৮১ চনত ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত তেওঁৰ মৃত্যু হয়।

## 19.3 মূল পাঠ

### 19.3.1 মুদ্ৰিত প্ৰতিলিপিৰ প্ৰথম ভাগ

বৃটিছ-সংক্ৰমণৰ সময়ত যিজন সিংহ পুৰুষে ঠাউচেনচা বংৰৰ অন্তিম গৌৰৱৰ শেষ শলিতাডালি জ্বলাই আছিল সেইজনেই হৈছে তুলাৰাম সেনাপতি। নকৈ কি, তুলাৰাম নাম আজি অসমীয়া বুৰঞ্জীৰ জাবৰৰ পাচিত বিচাৰিলেহে পোৱা হয়। কিন্তু একাল আছিল যোতয়া এই তুলাৰামৰ সংকল্প, মনোবল, দৃঢ়তা, দুঃসাহসিকতা আৰু বুৰঞ্জী প্ৰেৰণাই শত্ৰু-মিত্ৰ সকলোৰে মনত বিভীষিকাৰ সঞ্চাৰ কৰিছিল। "ৰ, তোক তুলাৰাম তুলাৰাম দেখুৱাম' বোলা বীৰত্ব ব্যঞ্জক বচনষাৰবো গুৰি এই তুলাৰামেই। তুলাৰাম নামত আপামৰ মানুহে চঁক-খাইছিলেই নে বনৰ হাতীয়েও বোলে উত্তৰ-

**শব্দাৰ্থ**

সংক্ৰমন (বি) ঃ এঠাইৰ পৰা আনঠাইলৈ গমন

বিভীষিকা (বি) ঃ আতঙ্ক, ভয়ানক

আপামৰ (বি) ঃ থলত থকা

সেওমান (ক্ৰি) ঃ তলমূৰ কৰ

কষটি শিল (বি) ঃ সোণ পৰীক্ষা কৰা এবিধ ক'লা শীল

তুলাৰাম নামত আপামৰ মানুহে চঁক খাইছিলেই নে বনৰ হাতীয়েও বোলে উত্তৰ-কাছাৰত বাট এৰি দিছিল, এনেহে আছিল তুলাৰামৰ প্ৰতাপৰ ৰুদ্ৰতা। সেই ৰুদ্ৰতাৰ ওপৰত বিজয়ী বৃটিছৰ উচ্চ কৰ্তৃপক্ষয়ো সেও মানিবলীয়া হৈছিল। তুলাৰাম সেনাপতিৰ আত্ম-প্ৰতিষ্ঠা, উদ্যম আজিও কষটি শিল হৈ পৰি আছে। অসমীয়া জাতি মৰণৰ ফাললৈ কিমান ঢল লৈছে, সেই শিলেৰে পৰীক্ষা কৰিবৰ সময় পালেহি।

কছাৰী বুলি অসমীয়া জাতিৰ আগ-মগুহ ফেৰা কাটি নি, চুলিডালকে দুফাল কৰা বিদেশী বুৰঞ্জীবিদ্ নৃতত্ত্ববিদসকলে যিমানেই কি অসমীয়া জাতিৰ পৰা কছাৰীক নিলগ নকৰক কছাৰী মাত্ৰেই যে অসমীয়া তেজ-মগুহ তাক নুই কৰিবৰ ঠেকৰেই নাই। কছাৰীৰ দিমাচা নামটো কিম্বদন্তিত ব্ৰহ্মপুত্ৰৰ বংশ বুলি কোৱা আছে। বিশ্বনাথৰ প্ৰতাপপুৰীয়া ৰজাৰ ভাৰ্য্যা কুৰুষীৰ গৰ্ভত জন্ম গ্ৰহণ কৰা আৰিমত্তও এই ব্ৰহ্মপুত্ৰ কুলৰ ঔৰসজাত সন্তান বুলি কথিত আছে। জা-জলপান, চাউল, ডাৱৰ, ডাং, ডাব (ডাব কটাৰীৰ), দোং, ডিঙ্গি (নাও) আদি নিতৌ ঘৰুৱা-কথাত ব্যৱহাৰ হৈ থকা অসমীয়া শব্দ মূলত কছাৰী। নৈ নামৰ ভালেমান যে থলুৱা লোকেই দিয়া, তাক কোৱাৰ সকাম নাই। শদিয়াৰ কৌণ্ডিল্য বা কুণ্ডিল নগৰৰ নামো পূৰ্বতে হালালী বুলি সেই অঞ্চল-নিবাসী চুতীয়া-কছাৰীয়েই দিয়া।

গুৰিতে এটা হ'লেও, কছাৰীৰ ঠাল-ঠেঙুলি বহুত। তাৰ ভিতৰত লুইতপৰীয়া সংস্কৃতি গঢ় দিয়াত এই কেইটাই প্ৰধান ঃ বৰ্দৌচা, ধ্যান বা দেহান, লাঠোচা, পংলংচা, ঠাউচেন্‌চা, হাফালংচা, হা...চা। দেহান বা ধ্যান খেলটো একেবাৰে উজনিৰ পৰাই ওলাই অহা। তেজীমলা, পানেশৈ কাচনমতী, ফুলৰা-চতলাকে আদি কৰি আমাৰ মাজত থকা ভালেমান সাধুকথা এইটো খেলৰ পৰাই মুখে মুখে বাগৰি অহা। চৈখোৱা ৰাজমাই, টেঙাবাৰী, কাচমাৰী, শিলপুখুৰী, যোগীজান, ঢল, ধেমাজী প্ৰভৃতি ঠাইত দেহান কছাৰী গাঁৱৰ পুৰণি চিন এতিয়াও মাটিৰ তলত মাজে মাজে ওলাই থাকে। গতিকেই কছাৰী সংস্কৃতি সুকীয়া বুলি অসমীয়াৰ গাৰপৰা এৰুৱাই নিলেও, বুৰঞ্জীক চিঞৰাই এশবাৰ ক'ব লাগিব যে কছাৰীয়েইহে অসমীয়া সংস্কৃতিৰ ৰাজহাড়।

শিতানত অঁকা নামটোৱে আজি যাক স্মৰণ কৰিবলৈ ওলাইছোঁ, সেইজন উদ্যোগী পুৰুষ এই ঠাউচেনচা বংশৰপৰাই বাঢ়ি অহা। তেওঁৰ উপৰিপুৰুষ তাম্ৰধ্বজ ৰজাই বিশ্বনাথ খাটত 'কোৱা বগা হ'ব', লাউ তল যাব, শিল ওপঙিব, তথাপি আমাৰ কবুল নছাৰিব' বুলি পানীত হাত জুবুৰিয়াই শপত খাই, অসমীয়া জাতীয়তাত আপোনাক লীন নিয়াইছিল।

কাছাৰৰ শেহতীয়া স্বতন্ত্ৰ ৰজা কৃষ্ণচন্দ্ৰৰ ভাত ৰান্ধনি আছিল তুলাৰামৰ

আগ-মগুহ (বিণ) ঃ বুকুৰ ভিতৰত সৌফালে থকা কোমল এডোখৰ মগুহ; অবিচ্ছেদ্য অংগ; অতি আপোন।

ঠেক (বি) ঃ ধৰিবৰ চল; যুক্তি অৱলম্বন।

থলুৱা ঃ স্থানীয় মানুহ

চিঞৰাই (ক্ৰি) ঃ স্মৰণ কৰি

কবুল ঃ প্ৰতিজ্ঞা

নছাৰিব (ক্ৰি) ঃ এৰি নিদিব

স্বতন্ত্ৰ (বিণ) ঃ স্বাধীন

সুপকাৰ (বি) ঃ ৰান্ধনি

উপলুঙা কৰ (ক্ৰি) ঃ তাচ্ছিল্য কৰ

কোৱা (বি) ঃ কাউৰী



চাংমাই শাল (বি) ঃ ৰান্ধনি শাল

পিতৃদেৰেক কাশীচন্দ্ৰ। একে গোত্ৰীয় তেজৰ সম্বন্ধ থাকিলেহে কছাৰী ৰজাৰ চাংমাইশালত সুপকাৰ হ'ব পাৰে। তথাপি কাশীচন্দ্ৰক ৰজাৰ ভাত ৰান্ধনি বুলি বহুতে উপলুঙা কৰিছিল। কিন্তু, কৃষ্ণচন্দ্ৰৰ জ্ঞাতি বুলি কাশীচন্দ্ৰক ডাঙৰ মানুহ পাতি গ'ল। কৃষ্ণচন্দ্ৰ পিছত গোবিন্দচন্দ্ৰ যেতিয়া ৰজাহ'ল তেতিয়া তুলাৰামেও ৰাজপদ পাবৰ নিমিত্তে বৃটিছ কৰ্তৃপক্ষৰ ওচৰত প্ৰাৰ্থনা কৰিলে। কিয়নো কাছাৰ ৰাজপাটত উঠিবলৈ গোবিন্দ্ৰচন্দ্ৰৰ যেনে অধিকাৰ, তুলাৰামৰো উত্তৰাধিকাৰীৰূপে তেনে অধিকাৰ। কিন্তু গোবিন্দৰ ফলীয়া মানুহে তুলাৰামক নীহ বংশৰ বুলি তেওঁক পদে পদে হেয় কৰাবলৈ ধৰিলে। সেইবোৰ তুচ্ছ লগনীয়া কথাত তুলাৰামৰ নোম এডালো নলৰিল।

ৰাজবংশত কাশীচন্দ্ৰক বৰ ভক্তি কৰিছিল আৰু সেই অনুৰূপেই তুলাৰামকো সকলোৰে ভাল পাইছিল। গোবিন্দচন্দ্ৰৰ মনত ঈৰ্ষাভাৱ উদয় হোৱাত তলে তলে মানুহ লগাই তেওঁ কাশীচন্দ্ৰক এদিন মৰোৱাই পেলালে।

## 19.3.2 আলোচনা

কছাৰী বীৰ তুলাৰাম সেনাপতিয়ে ঠাউচেন্‌চা বংশৰ অন্তিম গৌৰৱৰ শেষ শলিতাডালি জ্বলাই আছিল। তুলাৰামৰ নাম অনেকে পাহৰি গৈছিল। বেণুধৰ শৰ্মাই এই জীৱনীটো নিলিখালৈকে তুলাৰামৰ জীৱনী বুৰঞ্জীৰ জাবৰৰ পাচিত সোমাই আছিল; কিন্তু এটা সময় আছিল, যেতিয়া তুলাৰামৰ নামটোৱে সকলোৰে মনত আতংকৰ সৃষ্টি কৰিছিল। তুলাৰামৰ সংকল্প, মনোবল, দৃঢ়তা, সাহস আৰু বুৰঞ্জী প্ৰেৰণাই শত্ৰু-মিত্ৰ সকলোৰে মনত আতংকৰ ভাৱ আনিছিল। উত্তৰ-কাছাৰত তুলাৰামৰ নামটো শুনিলে সকলো মানুহে চঁক খাই উঠিছিল। তুলাৰামৰ বীৰত্বৰ কথা লোক-প্ৰবাদত পটন্তৰ দিব লাগিলে কোৱা হৈছিল, 'ৰ' তোক তুলাৰাম তুলাৰাম দেখুৱাম'। তুলাৰাম সেনাপতিৰ আত্ম-প্ৰতিষ্ঠাৰ উদ্যম আজিও কষটি শিল হৈ আছে।

বিদেশী বুৰঞ্জীবিদ্ নৃতত্ত্ববিদ্‌সকলে কছাৰীক অসমীয়া জাতিৰ পৰা বেলেগ কৰি দেখুৱাইছে। কিন্তু বেণুধৰ শৰ্মাই কছাৰী মাত্ৰেই অসমীয়াৰ তেজ-মঙহ, কছাৰী সংস্কৃতি অসমীয়া সংস্কৃতিৰ ৰাজহাড় বুলি দৃঢ়ভাবে কৈ গৈছে। জা-জালপান, চাউল, ডাৱৰ, ডাং, ডাৱ(ডাব কটাৰীৰ), দোং, ডিঙ্গি (নাও) আদি ঘৰুৱা কথাত সদায় ব্যৱহাৰ কৰি অহা অসমীয়া শব্দবোৰ মূলতঃ কছাৰী বুলি তেওঁ দেখুৱাইছে। কছাৰীৰ দিমচা নামটো কিংবদন্তিত ব্ৰহ্মপুত্ৰৰ বংশ বুলি কোৱা হয়। বিশ্বনাথৰ প্ৰতাপপুৰীয়া ৰজাৰ ভাৰ্য্যা কুৰযীৰ গৰ্ভত আৰিমত্তই জন্ম গ্ৰহণ কৰিছিল। এই আৰিমত্তও ব্ৰহ্মপুত্ৰ কুলৰ ঔৰসজাত সন্তান বুলি কথিত আছে।

গুৰিত এটা হ'লেও পিছলৈ কছাৰীৰ ঠাল-ঠেঙুলি বাঢ়ি যায়। সেই ঠাল-ঠেঙুলিৰ ভিতৰত লুইতপৰীয়া সংস্কৃতি গঢ় দিয়াত বদৌচা, ধ্যান বা দেহান, লাঠোচা, ফংলংচা, ঠাউচেন্‌চা, হাফালংচা এই কেইটাই সহায় কৰিছে। দেহান বা ধ্যান খেলটো একেবাৰে উজনি অসমৰ পৰা ওলাই অহা ঠাল। লেখকৰ মতে আমাৰ মাজত চলি থকা তেজীমাল, পানচৈ, কাচনমতী, ফুলাবা-চতলা আদি সাধুকথা এই দেহান বা ধ্যান খেলৰ পৰাই মুখ বাগৰি আহিছে।

ঠাউচেন্‌চা বংশৰ পৰাই উদ্যোগী পুৰুষ তুলাৰাম সেনাপতি ওলাইছে। তুলাৰামৰ উপৰি পুৰুষ তাম্ৰধ্বজ ৰজাই অসমীয়া জাতীয়তাত নিজক লীন নিয়াবলৈ এইদৰে বিশ্বনাথ ঘাটত পানীত হাত জুবুৰিয়াই শপত খাইছিল, 'কোৰা বগা হ'ব, লাও তল যাব, শিল ওপঙিব, তথাপি আমাৰ কবুল নছাৰিব।' অৰ্থাৎ কাউৰী বগা হ'ব পাৰে, লাউ তল যাব পাৰে, শিল ওপঙিব পাৰে, তথাপি কছাৰীৰ প্ৰতিজ্ঞাৰ লৰচৰ নহয়।

কাছাৰৰ শেহতীয়া স্বাধীন ৰজা কৃষ্ণচন্দ্ৰৰ ভাত ৰান্ধনি আছিল, কাশীচন্দ্ৰ। কাশীচন্দ্ৰ আছিল তুলাৰামৰ পিতৃ। মনকৰিবলগীয়া কথা যে একে গোত্ৰীয় তেজৰ সম্বন্ধ থাকিলেহে কছাৰী ৰজাৰ ভাত ৰান্ধনি হ'ব পাৰিছিল। সেয়েহে কাশীচন্দ্ৰ ৰজা কৃষ্ণচন্দ্ৰৰ ভাত ৰান্ধনি হোৱালৈ চাই তেওঁ যে ৰাজকীয় বংশৰলোক, সেইটো প্ৰমাণিত হৈছিল।

কৃষ্ণচন্দ্ৰৰ পাছত গোবিন্দ চন্দ্ৰ ৰজা হয়। তেতিয়া তুলাৰামেও ৰাজপদ পাবৰ বাবে বৃটিচ কৰ্তৃপক্ষৰ ওচৰত প্ৰাৰ্থনা জনায়। কিয়নো, কাছাৰৰ ৰাজপদত উঠিবৰ বাবে গোবিন্দ চন্দ্ৰৰ যি অধিকাৰ আছিল, তুলাৰামৰো সেই অধিকাৰ আছিল। কিন্তু গোবিন্দ চন্দ্ৰৰ ফলীয়া মানুহে তুলাৰামৰ পিতৃ ভাত ৰান্ধনি আছিল বাবে নীহ বংশৰ বুলি তাচ্ছিল্য কৰিছিল। কিন্তু এনে কথাই তুলাৰামৰ গাৰ নোম এডালো লবাব পৰা নাছিল।

ৰাজবংশত তুলাৰামৰ পিতৃ কাশীচন্দ্ৰক বৰ ভক্তি কৰিছিল। সেইদৰে তুলাৰামকো সকলোৱে ভাল পাইছিল। সেইবাবে গোবিন্দ চন্দ্ৰৰ চকুৰ পোৰণি উঠিছিল আৰু গোবিন্দচন্দ্ৰই ষড়যন্ত্ৰ কৰি তুলাৰামৰ পিতৃ কাশীচন্দ্ৰক মৰোৱাই পেলাইছিল।

## 19.3.3 প্ৰথম পাঠ ভাগৰ প্ৰশ্নাৱলী

এতিয়া আহা, এই পাঠাংশৰ কিছু চুটি প্ৰশ্ন আলোচনা কৰোঁ!

১। 'ৰ, তোক তুলাৰাম তুলাৰাম দেখুৱাম' এই বীৰত্ব ব্যঞ্জক কথাষাৰৰ গুৰি কোন?

২। তুলাৰাম সেনাপতি কোন বংশৰ লোক ?

৩। তুলাৰাম সেনাপতিৰ আত্ম প্ৰতিষ্ঠাৰ উদ্যম আজিও কি হৈ পৰি আছে?

৪। কছাৰীৰ দিমাচা নামটো কিম্বদন্তিত কি বংশ বুলি কোৱা আছে?

৫। লেখকে অসমীয়া সংস্কৃতিৰ ৰাজহাড় কাক বুলিছে?

৬। কাছাৰৰ শেষতীয়া স্বতন্ত্ৰ ৰজা কোন?

৭। কৃষ্ণচন্দ্ৰৰ ভাত ৰান্ধনিজন কোন আছিল?

৮। কি থাকিলে কছাৰী ৰজাৰ চাংমাই শালত সুপকাৰ হ'ব পাৰিছিল?

৯। তুলাৰামে ৰাজপদ পাবৰ নিমিত্তে কাৰ ওচৰত প্ৰাৰ্থনা কৰিছিল?

১০। কোনে, কি কাৰণে তলে তলে মানুহ লগাই কাশীচন্দ্ৰক মৰোৱাই পেলাইছিল?

19.3.4 মূল পাঠ

## মুদ্ৰিত প্ৰতিলিপিৰ দ্বিতীয় ভাগ

'কাৰ্য্যং বা সাধয়েৎ শৰীৰং বা তাতয়েৎ' বুলি পিতৃহন্তাৰ প্ৰতিশোধ ল'বলৈ তুলাৰাম উঠি পৰি লাগিল, গোবিন্দচন্দ্ৰকো এসেকা দিবলৈ দৃঢ় প্ৰতিজ্ঞ হ'ল। তুলাৰামৰ অন্তৰত দেখা দিলে বংশমৰ্য্যাদা আৰু পূৰ্ব-পুৰুষসকলৰ স্মৃতিয়ে। কি আছিলোঁ-কি হ'লোঁ ভাবে তেওঁৰ মনত অহৰহ উখল-মাখল লগাবলৈ ধৰিলে। যি বংশই ডিমাপুৰ-মায়বঙত খনিকৰী বিদ্যাৰ বিভৱ সৃষ্টি কৰি গ'ল, যি বংশত তাম্ৰধ্বজ ৰজাই শতেক বাধা-বিঘিনি উপলঙ্ঘা কৰি আপোনাৰ গৌৰৱ অব্যাহত ৰাখিলে আৰু যাৰ বৰকুঁৱৰী চন্দ্ৰপ্ৰভাই পুতেক সুৰচন্দ্ৰৰ আমোলত ভুৱনেশ্বৰ বাচস্পতিৰ হতুৱাই 'নাৰদীয় পুৰা" লেখোৱাই মাতৃভাষাৰ সমৃদ্ধি বৃদ্ধি কৰিলে আৰু যাৰ মাজিউ কুঁৱৰী ৰাইচাওদিৰ পুতেক গম্ভীৰসিংহৰ পৰা চতুৰ্থ পুৰুষত পৰিছেহি, এনে

**শব্দাৰ্থ**

খনিকৰি বিদ্যা ঃ কাঠ, শিল, মাটি আদিৰে মূৰ্ত্তি গঢ়া বিদ্যা।

বিভৱ (বি) ঃ মহত্ব।

অহৰহ (ক্রি বিণ)ঃ সকলো সময়তে।

গৌৰৱোজ্জ্বল বংশৰ উত্তৰাধিকাৰী হৈ কোন সতে এতিয়া কাপুৰুষৰ হাত সাৰটি বহি থাকিব?

তেওঁ ঘৰে ঘৰে গৈ মানুহক বুজাবলৈ ধৰিলে যে কছাৰী শক্তি আৰু লোপ পাওঁ পাওঁ, ইমানতে ৰাইজে মূৰ নেদাঙিলে গোবিন্দচন্দ্ৰৰ স্বাৰ্থপৰতাই সৎ সৰ্বস্ব নাইকিয়া কৰিব। পৰশত্ৰু বৃটিছতকৈ কাষলতিৰ চুকত সোমাই থকা চিকৰাক আগেয়েই বধ কৰিব লাগিব। এইদৰেই উদগনি দি দি ৰাইজৰ সহায়েৰে গোবিন্দচন্দ্ৰৰ ছল-ছক্ৰান্ত আৰু কুটনীতিবোৰ এনেভাবেই মষিমূৰ কৰি আনিলে যে বৃটিছৰ পক্ষপাতী হৈ থকা সত্বেও ডেৰিদ স্কটে গোবিন্দচন্দ্ৰক, তুলাৰামক তেওঁৰ ৰাজ্যৰ এফাল দিব লাগে বুলি টানি অনুৰোধ কৰিলে। সিমানতো গোবিন্দচন্দ্ৰ সৈমান নহ'ল। লাহে লাহে গোবিন্দ হেন বিভীষণৰ ষড়যন্ত্ৰত পৰি তুলাৰামো ঘৰতে আলহী হ'বলগীয়া হ'ল। দিনক দিনে গোবিন্দৰ অন্যায়-অবিচাৰ, অসূয়া-অহংকাৰে তুলাৰামক তপত তেলত ভজাদি ভাজিবলৈ ধৰিলে। সেই আতাইতাই অৱস্থাত অকলৈয়ে তুলাৰামে উত্তৰ কাছাৰত জীয়া জুইৰ উদগৰণী ল'বলৈ ধৰিলে। তাৰ ফলত গোবিন্দচন্দ্ৰৰ ভিতৰি আশ্ৰয়দাতা ডেৰিদ স্কটে তৎমৎ নেপাই গোবিন্দচন্দ্ৰলৈ স্পষ্টভাৱে লিখি দিলে।

আতাইতাই ঃ অত্ৰাহি অৰ্থাৎ নিৰুপায়

উদগৰণি ঃ ভমককৈ প্ৰকাশ হোৱা

"শ্ৰীল শ্ৰীৰাজা গোবিন্দচন্দ্ৰ নাৰায়ণ মহদাৰ চৰিতেষু বিজ্ঞাপনঞ্চ নিবেদন— আপোনাৰ এলেকাত থকা শ্ৰী তুলাৰাম বৰ্মণৰ সৈতে আপোনাৰ সদায় খৰিয়াল নুগুছে। তুলাৰামে আমাৰ অনুমতি লৈ যি ঠাই দখল কৰি আছে তাত আপোনাৰ মানুহে সোমোৱা উচিত নহয়। আপুনি ক'তো উৎপাত কৰি নুফুৰিব।"

খৰিয়াল (বি) ঃ হাই কাজিয়া

স্কটে হস্তক্ষেপ কৰাত, ২২২৪ বৰ্গমাইল জোৰা কাছাৰৰ অঞ্চল এটাত তুলাৰাম স্বতন্ত্ৰ অধিকাৰী হ'ব পাৰিলে। ১৮২৯ চনৰ পৰা ১৮৩৪ চনলৈকে এই ডুখৰি ৰাজ্যতে তুলাৰাম সেনাপতিয়ে বৰ্মণ উপাধি লৈ স্বাধীনভাৱে জীৱন-নিৰ্বাহ কৰি আছিল। কিন্তু সোহাই-সোহাই দেশীয় অধিবাসীসকলৰ সাহ পিত মাৰি অনা বৃটিছৰ নীতিৰ ফলত তুলাৰামৰ ৰাজ্যৰ সীমা কোঁচ খাই আছিল। ১৮৩৪ চনৰ ৩ নৱেম্বৰ তাৰিখে তুলাৰামৰ লগত বৃটিছ প্ৰতিনিধিয়ে সন্ধি কৰি তেওঁৰ ৰাজ্য টুটাই আইন ১৮০০ বৰ্গমাইলৰ ভিতৰত ৰাখিলে। তথাপি শোকোতাকে মুকুতা ভাবি তুলাৰাম সেনাপতি বৰ্মণে তাতে ১৮৪৪ চনলৈকে আপুনি আপোন মনে স্বতন্ত্ৰীয়া হৈ অতীতৰ মানসম্ভ্ৰম ৰক্ষা কৰি আছিল। তাৰ পিছত তেওঁৰ শৰীৰ পৰি অহাত কাছমাৰীত থাকিবলৈ লয়। তাতে ১৮৫০ চনৰ ১২ অক্টোবৰ তাৰিখে ভাৰ্য্যা-পুত্ৰ-পৰিয়াল সকলোকে কন্দৰাই তুলাৰামে ইহ সংসাৰৰ পৰা বিদায় ল'লে।

সোহাই সোহাই ঃ সুহি সুহি

সাহপিত ঃ সাহস

টুটা (ক্রি) - কমা

শোকোতা (বি) ঃ তিতা মৰাৰ শুকাই থোৱা পাত

তুলাৰাম বুদ্ধিত যেনেকুৱা চতুৰ, সাহসত তেনেকুৱা দুৰন্ত, কাৰ্য্যকুশলতাত যেনেকুৱা সুন্দৰ আছিল, বংশগত ভাৰতীয় ধৰ্ম আৰু ঐতিহ্য ৰক্ষা কৰাতো তেনেকুৱা

অটল বিশ্বাসী আৰু নিছিদ্ৰৰূপে নিষ্ঠাবান আছিল। কাছমাৰী চুবুৰীত ভালেমান মন্দিৰ নিৰ্মাণ কৰাই তেওঁ প্ৰাচীন সংস্কৃতিৰো নিদৰ্শন ৰাখি থৈ গৈছে।

তুলাৰামৰ ভাষা অসমীয়া, আচাৰ-ব্যৱহাৰ আৰু শৰণ লোৱা গোসাঞো আছিল অসমীয়া। বৃটিছৰ সুলসুলীয়া অস্ত্ৰ প্ৰয়োগৰ ফলত, তুলাৰাম' সেনাপতিৰ বংশধৰসকল পানীত হাঁহ নচৰা অৱস্থাত পৰিল।

## 19.3.5 আলোচনা

তুলাৰামৰ পিতৃ কাশীচন্দ্ৰক গোবিন্দচন্দ্ৰই ষড়যন্ত্ৰ কৰি মৰোৱাই পেলোৱাত তুলাৰামে পিতৃহন্তাৰ প্ৰতিশোধ লবলৈ উঠি পৰি লাগে। 'হয় কাৰ্য্য সিদ্ধি হ'ব, নহয় শৰীৰ পতন হ'ব' এই ভাৱ তুলাৰামে ললে। তুলাৰামৰ অন্তৰত বংশমৰ্য্যাদা আৰু পূৰ্বপুৰুষৰ স্মৃতিয়ে দেখা দিলে। তুলাৰামৰ মনলৈ তেওঁৰ বংশত ডিমাপুৰ-মায়বঙত খনিকৰী বিদ্যাৰ বিভৱ স্মৃতি কৰাৰ কথা আহিল। তেওঁৰ মনলৈ তাম্ৰধ্বজ ৰজাই অনেক বাধা বিঘিনিৰ মাজেদি নিজৰ গৌৰৱ ৰক্ষা কৰাৰ কথা আহিল। তাম্ৰধ্বজৰ বৰকুঁৱৰী চন্দ্ৰপ্ৰভাই পুতেক সুৰচন্দ্ৰৰ ৰাজত্বত ভুৱনেশ্বৰ বাচস্পতিৰ হতুৱাই 'নাৰদীয় পুৰাণ' লেখোৱাই মাতৃভাষা আসমীয়াৰ উন্নতি সাধন কৰাৰ কথাও তুলাৰামৰ মনলৈ আহিল।

তুলাৰামে মানুহৰ ঘৰে ঘৰে গৈ গোবিন্দচন্দ্ৰৰ স্বাৰ্থপৰতাৰ কথা বুজালে। গোবিন্দচন্দ্ৰই কছাৰীশক্তি কিদৰে লোপ কৰি আনিছে সেইকথাও ৰাইজক বুজালে। পৰশক্ৰ বৃটিছতকৈ ঘৰৰ শত্ৰু বিভীষণ স্বৰূপ গোবিন্দচন্দ্ৰ বেছি ভয়াবহ। এইদৰে তুলাৰামে ৰাইজৰ সহায়ত গোবিন্দচন্দ্ৰৰ ছল-চক্ৰান্ত, আৰু কুটনীতিৰে মষিমুৰ কৰি আনিব ধৰিলে। তুলাৰামৰ বীৰত্ব আৰু প্ৰভাৱ ইমান বাঢ়ি আহিল যে বৃটিছ কৰ্তৃপক্ষয়ো তেওঁৰ ওচৰত সেও মানিব লগ হ'ল। সেয়েহে বৃটিছৰ পক্ষপাতী হৈ থকা সত্বেও ডেবিদ স্কটে গোবিন্দচন্দ্ৰৰ ৰাজ্যৰ এফাল তুলাৰামক দিবলৈ গোবিন্দচন্দ্ৰক টানি অনুৰোধ কৰিলে। এই অনুৰোদ গোবিন্দচন্দ্ৰই মানি নললে। দিনক দিনে গোবিন্দ চন্দ্ৰৰ অন্যায় অবিচাৰ আৰু বাঢ়ি আহিব ধৰিলে। গোবিন্দচন্দ্ৰৰ অসূয়া অহংকাৰে তুলাৰামক তপত তেলত ভজাদি ভাজিবলৈ ধৰিলে। উত্তৰ কাছাৰত তুলাৰামৰ শক্তি বাঢ়ি আহিল। এই শক্তি দেখি ডেবিদ স্কটে উপায়হীন হৈ গোবিন্দচন্দ্ৰলৈ এনে পত্ৰ লিখিব লগা হ'ল— "আপোনাৰ এলেকাত থকা শ্ৰীতুলাৰাম বৰ্মণৰ সৈতে আপোনাৰ খবিয়াল নুগুচে। তুলাৰামে আমাৰ অনুমতি লৈ যি ঠাই দখল কৰি আছে ,তাত আপোনাৰ মানুহে সোমোৱা উচিত নহয়। আপুনি ক'তো উৎপাত কৰি নুফুৰিব।"

এইদৰে ডেৰিদ স্কটে হস্তক্ষেপ কৰাত ২২২৪ বৰ্গমাইল জোৰা কাছাৰৰ অঞ্চল এটাৰ স্বতন্ত্ৰ অধিকাৰী হৈ পৰিছিল। ১৮২৯ চনৰ পৰা ১৮৩৪ চনলৈ তুলাৰামে 'বৰ্মণ' উপাধি লৈ এই অঞ্চলত স্বাধীনভাৱে জীৱন-নিৰ্বাহ কৰিছিল। বৃটিছে বুদ্ধি কৰি তুলাৰামৰ ৰাজ্যৰ সীমা ক্ৰমে কমাই আনিবলৈ চেষ্টা কৰিছিল। ১৮৩৪ চনৰ ৩ নৱেম্বৰত বৃটিছ প্ৰতিনিধিয়ে সন্ধি কৰি তুলাৰামৰ ৰাজ্য টুটাই ১৮০০ বৰ্গমাইল কৰিছিল। ১৮৪৪ চনলৈ তুলৰামে নিজৰ বীৰত্বৰে স্বতন্ত্ৰীয়া হৈ নিজৰ মান-সন্মান অটুট ৰাখি জীৱন চলাই আছিল। পাছলৈ তেওঁৰ বয়স ভাটি দিয়াত শৰীৰ দুৰ্বল হৈ পৰে। ১৮৫০ চনৰ ১২ অক্টোবৰত তুলাৰামৰ কাছমাৰীত মৃত্যু হয়।

তুলাৰাম বুদ্ধিত চতুৰ আৰু সাহসত দুৰন্ত আছিল। কাছমাৰীত তেওঁ ভালেমান মন্দিৰ নিৰ্মাণ কৰি অতীত সংস্কৃতি ৰক্ষা কৰিছিল। তুলাৰামৰ ভাষা অসমীয়া, আচাৰ ব্যৱহাৰ অসমীয়া, আৰু শৰণ লোৱা গোসাঁইয়ো অসমীয়া আছিল।

তুলাৰামৰ পাছৰ বংশধৰসকলে বৃটিছৰ চতুৰ শাসনত তিষ্ঠিব নোৱাৰি দুৰ্য্যোগ ভোগ কৰে।

## 19.3.6 দ্বিতীয় পাঠভাগৰ প্ৰশ্নাৱলী

এতিয়া আহা, এই পাঠাংশৰ কেইটামান চুটি প্ৰশ্ন আলোচনা কৰোঁ।

১১। সুৰচন্দ্ৰৰ আমোলত কোনে 'নাৰদীয় পুৰাণ' লিখিছিল?

১২। তুলাৰামক গোবিন্দচন্দ্ৰৰ ৰাজ্যৰ এফাল দিব লাগে বুলি কোনে টানি অনুৰোধ কৰিছিল।

১৩। ডেৰেদ স্কটে হস্তক্ষেপ কৰাত তুলাৰামে কিমান বৰ্গমাইল জোৰা কাছাৰৰ অঞ্চল এটাৰ স্বতন্ত্ৰ অধিকাৰী হ'ব পাৰিছিল?

১৪। তুলাৰামৰ কিমান চনত মৃত্যু হয়?

১৫। তুলাৰামে ক'ত ভালেমান মন্দিৰ নিৰ্মাণ কৰাই প্ৰাচীন সংস্কৃতিৰ নিদৰ্শন ৰাখি থৈ গৈছে?

১৬। তুলাৰামৰ ভাষা কি আছিল?

## 19.4 মূল পাঠৰ সাৰাংশ

কছাৰী বীৰ তুলাৰাম সেনাপতি ঠাউচেন্‌চা বংশৰ অন্তিম গৌৰৱৰ শেষ শলিতা। সংকল্প, মনোবল, দৃঢ়তা, দুঃসাহসিকতাৰ বাবে তুলাৰাম বিখ্যাত। তুলাৰামৰ নাম শুনিলেই সকলোৱে ভয় খাইছিল। এনেকি বিজয়ী বৃটিছৰ উচ্চ কৰ্তৃপক্ষয়ো তুলাৰামৰ প্ৰতাপত সেওঁ মানিছিল। তুলাৰাম সেনাপতিৰ আত্ম-প্ৰতিষ্ঠাৰ উদ্যম অসমীয়া জাতিৰ কষটি শিল স্বৰূপ।

বিদেশী বুৰঞ্জীবিদ্ নৃতত্ত্ববিদ্‌সকলে অসমীয়া জাতিৰ পৰা কছাৰীক নিলগ কৰি দেখুৱালেও কছাৰী মাত্ৰেই অসমীয়া তেজ-মঙহ। জা-জলপান,চাউল, ডাৱৰ, ডাং, ডাব (ডাব কটাৰীৰ ), দোং, ডিঙ্গি আদি সদায় ব্যৱহাৰ কৰা অসমীয় শব্দবোৰ মূলতঃ কছাৰী।

মূলত এটা হ'লেও, কছাৰীৰ ঠাল-ঠেঙুলি বহুত। লুইতপৰীয়া সংস্কৃতি গঢ় দিয়া সেই ঠালবোৰ হ'ল— বদৌচা, ধ্যান বা দেহান, লাটোচা, ফংলংচা, ঠাউচেন্‌চা, দাফালংচা, হাম্মুচা।

দেহান বা ধ্যান ঠালটো একেবাৰে উজনি অসমৰ পৰা ওলাই অহা। তেজীমলা, পানচৈ, ৰাচমতী, ফুলৰা-চতলাকে আদি কৰি আমাৰ মাজত প্ৰচলিত অনেক সাধুকথা এই ঠালটোৰ পৰাই ওলোৱা। গতিকে কছাৰী সংস্কৃতি অসমীয়া সংস্কৃতিৰ পৰা বেলেগ নহয়। বুৰঞ্জীৰ তথ্যৰ ভেটিত ক'ব লাগিব যে কছাৰীয়েইহে অসমীয়া সংস্কৃতিৰ ৰাজহাড়।

তুলাৰামৰ উপৰিপুৰুষ তাম্ৰধ্বজ ৰজাইয়ো অসমীয়া জাতীয়তাত নিজক লীন নিয়াই দিলে। কছাৰীৰ শেহতীয়া স্বাধীন ৰজা কৃষ্ণচন্দ্ৰৰ ভাত ৰান্ধনি আছিল তুলাৰামৰ পিতৃ কাশীচন্দ্ৰ। একে গোত্ৰীয় তেজৰ সম্বন্ধ থাকিলেহে কছাৰী ৰজাৰ ভাত ৰান্ধনি হ'ব পৰা নিয়ম আছিল। তথাপি কাশীচন্দ্ৰক ভাত ৰান্ধনি বুলি বহুতে উপলুঙা কৰিছিল। কৃষ্ণচন্দ্ৰৰ পাছত গোবিন্দচন্দ্ৰ যেতিয়া ৰজা হ'ল তেতিয়া তুলাৰামেও ৰাজপদ পাবলৈ উঠি পৰি লাগিল।

গোবিন্দচন্দ্ৰৰ ফালৰ মানুহে তুলাৰামক নীহ বংশৰ বুলি উপলুঙা কৰিলেও তুলাৰামৰ গাৰ নোম এডালো লৰাব পৰা নাছিল

গোবিন্দচন্দ্ৰই ষড়যন্ত্ৰ কৰি কাশীচন্দ্ৰক মৰোৱাই পেলোৱাত পিতৃহন্তা গোবিন্দৰ প্ৰতিশোধ লবলৈ তুলাৰাম উঠিপৰি লাগিল। তুলাৰামৰ অন্তৰত বংৰ মৰ্যাদা আৰু

পূৰ্বপুৰুষৰ বীৰত্বই দেখা দিলে। তেওঁৰ মনলৈ তাম্ৰধ্বজ ৰজাৰ গৌৰৱৰ কথা আহিল। বৰকুঁৱৰী চন্দ্ৰপ্ৰভাই পুতেক সুৰচন্দ্ৰৰ আমোলত ভুৱনেশ্বৰ বাচস্পতিৰ হতুৱাই 'নাৰদীয় পুৰাণ' লেখোৱাই মাতৃভাষা অসমীয়াৰ উন্নতি কৰা আদি কথা ভাবিলে।

তুলাৰাম কাপুৰুষ হৈ বহি নাথাকি গোবিন্দচন্দ্ৰৰ স্বাৰ্থপৰতাৰ বিৰুদ্ধে থিয় দিলে। তেওঁ মানুহৰ ঘৰে ঘৰে গৈ গোবিন্দচন্দ্ৰই কছাৰী শক্তি লোপ কৰি অনাৰ কথা বুজালে। পৰশত্ৰু বৃটিছতকৈ যে অধিক ভয়াবহ সেইকথা মানুহক বুজালে।

বৃটিছৰ পক্ষপাতী হৈ থকা সত্বেও ডেৱিদ স্কটে তুলাৰামৰ হৈ মাত মাতিলে। ডেৱিদ স্কটে গোবিন্দচন্দ্ৰলৈ স্পষ্টভাৱে লিখিলে, যে তেওঁলোকৰ অনুমতি লৈ তুলাৰাম বৰ্মণে যি ঠাই দখল কৰি আছিল, তাত গোবিন্দচন্দ্ৰৰ মানুহ সোমোৱা অনুচিত। স্কটে হস্তক্ষেপ কৰাত, ২২২৪ বৰ্গমাইল জোৰা কাছাৰৰ অঞ্চল এটাত তুলাৰাম স্বতন্ত্ৰ অধিকাৰী হ'ল। ১৮২৯ চনৰ পৰা ১৮৩৪ চনলৈকে এই ডোখৰ ৰাজ্যত তুলাৰাম সেনাপতি বৰ্মণ উপাধি লৈ স্বাধীনভাৱে আছিল। ১৯৫০ চনৰ ১২ অক্টোবৰ তাৰিখে তুলাৰামৰ মৃত্যু হয়।

তুলাৰাম বুদ্ধিত চতুৰ আৰু সাহসত দুৰন্ত আছিল। তেওঁ কাছমাৰী চুবুৰীত ভালেমান মন্দিৰ নিৰ্মাণ কৰাই প্ৰাচীন সংস্কৃতিৰ নিদৰ্শন এৰি থৈ গৈছে।

তুলাৰামৰ ভাষা অসমীয়া, আচাৰ ব্যৱহাৰ অসমীয়া আৰু শৰণ লোৱা গোসাঁইয়ো অসমীয়া আছিল। তুলাৰামৰ পাছৰ বংশধৰসকলে বটিছৰ চতুৰ শাসনত তিষ্ঠিব নোৱাৰি দুৰ্যোগ ভোগ কৰে।

## 19.5 চমুটোকা

**তাম্ৰধ্বজ** স্বৰ্গদেউ ৰুদ্ৰসিংহৰ (১৬৯৫-১৭১৩ চন) ৰাজত্ব কালত দাঁতিয়লীয়া কছাৰী ৰাজ্যৰ তাম্ৰধ্বজ ৰজা আছিল। ৰুদ্ৰসিংহই কছাৰী ৰাজ্য দখল কৰিবলৈ ১৭০৬ চনত সৈন্যৰ দল এটা পঠায়। তাম্ৰধ্বজে ভয় খাই খাচপুৰলৈ পলাই যায় আৰু তাৰে পৰা জয়ন্তীয়া ৰাজ্যৰ সহায় ভিক্ষা কৰে। কিন্তু জয়ন্তীয়া ৰজায়ো সুবিধা বুজি তাম্ৰধ্বজক বন্দী কৰে। তেতিয়া উপায়হীন হৈ তাম্ৰধ্বজে ৰুদ্ৰসিংহৰ সহায় বিচাৰে। আহোম সৈন্যই তাম্ৰধ্বজক উদ্ধাৰ কৰি বিশ্বনাথ ঘাটত ৰুদ্ৰসিংহৰ সন্মুখ কৰায়। এই সাক্ষাতৰ সময়তে তাম্ৰধ্বজে বিশ্বনাথ খাটত, পানীত হাত বুৰিয়াই এইদৰে শপত খাই ' কোৱা বগা হ'ব, লাউ তল যাব, শিল ওপঙিব, তথাপি আমাৰ কবুল নছাৰিব'

অসমীয়া জাতীয়তাত নিজক লীন নিয়াইছিল।

**ডেৱিদ স্কট** বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসন কালত **১৮২৩** চনত দক্ষিণে কাছাৰ আৰু চিলেটৰ পৰা উত্তৰত চিকিমলৈকে সমগ্ৰ পূব ভাৰতত গৰ্ণৰ জেনেৰেল এজেণ্ট হিচাপে ডেৱিদ স্কটক নিযুক্তি দিয়া হৈছিল। **১৮২৬** চনৰ ইয়াণ্ডাবু সন্ধিৰ পিছত অসমখনক কোম্পানীয়ে নিজৰ সাম্ৰাজ্যৰ ভিতৰুৱা কৰি লোৱাত ডেৱিদ স্কট অসমৰ অন্যতম প্ৰথম কমিচনাৰ হয়। **১৮৩১** চনৰ **২০** আগষ্টত তেওঁৰ **৪৫** বছৰ বয়সত মৃত্যু হয়।

## 19.6 সাধাৰণ প্ৰশ্নাৱলী

এতিয়া ওপৰৰ আলোচনাৰ ওপৰত নিৰ্ভৰ কৰি তুমি এই প্ৰশ্নকেইটাৰ উত্তৰ কৰিবলৈ চেষ্টা কৰা ঃ

১৭। মূলত কছাৰী কিন্তু নিতৌ ঘৰুৱা কথাত ব্যৱহাৰ হৈ থকা অসমীয়া শব্দকেইটা তোমাৰ পাঠাংশত থকা মতে লিখাঁ।

১৮। লুইত পৰীয়া সংস্কৃতিৰ গঢ় দিয়া কছাৰীৰ ঠাল-ঠেঙুলি কেইটাৰ নাম লিখাঁ?

১৯। তুলাৰামে গোবিন্দচন্দ্ৰৰ বিৰুদ্ধে গৈ কেনেদৰে কাছাৰৰ অঞ্চল এটাত স্বতন্ত্ৰ অধিকাৰী হ'ব পাৰিলে তাৰ বিৱৰণ এটা দিয়াঁ।

২০। ডেৱিদ স্কটে গোবিন্দচন্দ্ৰলৈ লিখা চিঠিখনৰ কথাখিনি তোমাৰ ভাষাত লিখাঁ?

২১। 'তুলাৰামৰ অন্তৰত দেখা দিলে বংশ মৰ্য্যাদা আৰু পূৰ্ব-পুৰুষসকলৰ স্মৃতিয়ো' এই উক্তিৰ মাজত সোমাই থকা কথাখিনি লিখাঁ?

## 19.6.1 খণ্ডবাক্য আৰু জতুৱা ঠাঁচৰ অনুশীলনী

তলত দিয়া জতুৱা খণ্ডবাক্যবোৰৰ অৰ্থ বন্ধনীৰ ভিতৰত দিয়া আছে। তুমি অৰ্থৰ লগত মিল ৰাখি খণ্ডবাক্য কেইটিৰে একোটি বাক্য ৰচনা কৰাঁ ঃ

২২। (ক) উঠি পৰি লগা (সকলো প্ৰকাৰে চেষ্টা কৰ)

(খ) উখল মাখল লাগ (আনন্দ মুখৰ হুলস্থূল লাগ)

(গ) নোম নলৰা (একো বিপদ কৰিব নোৱাৰা)

(ঘ) হাত সাৱটি থাক (কাম নকৰাকৈ নহি থাক)

(ঙ) তপত তেলত ভাজ ( অধিক দুখ দে)

(চ) সাহ পিত মাৰ (মনৰ সাহস মাৰ)

(ছ) শোকোতাকে মুকুতা ভাৱ (একো নোপোৱাতকৈ হাতত পোৱাখিনিকে বেছি বুলি ভাব)

(জ) পানীত হাঁহ নচৰা (অতি বিপদ হোৱা )

(ঝ) তৎ যৎ পা (উপায় পা)

(ঞ) পৰি আহ (দুৰ্বল হৈ আহ)

(ট) নুই কৰ (অস্বীকাৰ কৰ)

২৩। তলত দিয়া প্ৰতিটো যুৰীয়া শব্দৰ আৰ্হিত আৰু পাঁচটাকৈ শব্দ গঠন কৰাঁ ঃ-

(ক) জা-জলপান

(খ) সাহ-পিত

19.7 **সৃষ্টি ধৰ্মী প্ৰশ্ন**

এতিয়া তুমি ওপৰৰ পাঠটোত থকা আৰু আমি আলোচনা কৰা কথাখিনি পঢ়ি তলৰ প্ৰশ্ন কেইটাৰ উত্তৰ কৰাঁ।

২৪। সোণ পৰীক্ষা কৰিবলৈ ব্যৱহাৰ কৰা ক'লা শিলটোক কি শিল বোলে?

২৫। কোনখন পুথিৰ বাবে বেণুধৰ শৰ্মাই সাহিত্য একাডেমীৰ বঁটা পাইছিল?

২৬। পঞ্চবিংশ অসম সাহিত্য সভাৰ ধুবুৰী অধিবেশনৰ সভাপতি কোন আছিল?

২৭। কি সংস্কৃতিক বেণুধৰ শৰ্মাই অসমীয়া সংস্কৃতিৰ ৰাজহাড় বুলিছে।

২৮। ১৮৩১ চনৰ ২০ আগষ্টত ৪৫ বছৰ বয়সত কাৰ মৃত্যু হৈছিল?

২৯। তুলাৰাম কোন সম্প্ৰদায়ৰ লোক আৰু ক'ত তেওঁ শাসন বিস্তাৰ কৰিছিল?

৩০। তুলাৰামৰ প্ৰতাপৰ সাক্ষ্য বহন কৰা তিনিটা উদাহৰণ দিয়াঁ

৩১। 'এনে গৌৰবোজ্জ্বল বংশৰ উত্তৰাধিকাৰী হৈ কোন সতে এতিয়া হাত সাবটি বহি থাকিব? ' — ইয়াত উল্লেখ কৰা তিনিটা গৌৰৱময় দৃষ্টান্ত বৰ্ণনা কৰাঁ।

## 19.8 চমু প্ৰশ্নৰ উত্তৰ সংকেত

১। 'ৰ, তোক তুলাৰাম তুলাৰাম দেখুৱাম' এই বীৰত্ব ব্যঞ্জক কথাষাৰৰ গুৰি কছাৰী বীৰ তুলাৰাম সেনাপতি।

২। তুলাৰাম সেনাপতি ঠাউচেন্‌চা বংশৰ লোক।

৩। তুলাৰাম সেনাপতিৰ আত্ম-প্ৰতিষ্ঠাৰ উদ্যম আজিও কষটি শিল হৈ আছে।

৪। কছাৰীৰ দিমাচা নামটো কিম্বদন্তিত ব্ৰহ্মপুত্ৰৰ বংশ বুলি কোৱা আছে।

৫। অসমীয়া সংস্কৃতিৰ ৰাজহাড় কছাৰীক বুলিছে।

৬। কাছাৰৰ শেহতীয়া স্বতন্ত্ৰ ৰজা কৃষ্ণচন্দ্ৰ।

৭। কৃষ্ণচন্দ্ৰৰ ভাত ৰান্ধনি আছিল তুলাৰামৰ পিতৃদেৱক কাশীচন্দ্ৰ।

৮। একে গোত্ৰীয় তেজৰ সম্বন্ধ থাকিলে কছাৰী ৰজাৰ চাংমাই শালত সুপকাৰ হ'ব পাৰিছিল।

৯। তুলাৰামে ৰাজপদ পাবৰ নিমিত্তে বৃটিছ কৰ্তৃপক্ষৰ ওচৰত প্ৰাৰ্থনা কৰিছিল।

১০। গোবিন্দচন্দ্ৰৰ মনত ঈৰ্ষাভাৱ উদয় হোৱাত তলে তলে মানুহ লগাই কাশীচন্দ্ৰক মৰোৱাই পেলাইছিল।

১১। সুৰচন্দ্ৰৰ আমোলত ভুবনেশ্বৰ বাচস্পতিয়ে 'নাৰদী... পুৰাণ' লিখিছিল।

১২। তুলাৰামক গোবিন্দচন্দ্ৰৰ ৰাজ্যৰ এফাল দিব লাগে বুলি ডেভিদ স্কটে টানি অনুৰোধ কৰিছিল।

১৩। ডেভিদ স্কটে হস্তক্ষেপ কৰাত তুলাৰাম ২২২৪ বৰ্গমাইল জোৰা অঞ্চল এটাৰ স্বতন্ত্ৰ অধিকাৰী হ'ব পাৰিছিল।

১৪। তুলাৰামৰ ১৮৫০ চনত মৃত্যু হয়।

১৫। তুলাৰামে কাছমাৰী চুবুৰীত ভালেমান মন্দিৰ নিৰ্মাণ কৰাই প্ৰাচীন সংস্কৃতিৰ নিদৰ্শন এৰি থৈ গৈছে।

১৬। তুলাৰামৰ ভাষা অসমীয়া আছিল।

১৭ নম্বৰ প্ৰশ্নৰ পৰা ২৩ নম্বৰ প্ৰশ্নলৈ উত্তৰ তুমি নি... কৰা।

২৪। সোণ পৰীক্ষা কৰিবলৈ ব্যৱহাৰ কৰা ক'লা শিলটোক কষঁটি শিল বোলে।

২৫। 'কংগ্ৰেছৰ কাঁচিয়লি ৰ'দত' পুথিখনৰ বাবে বেণুধৰ শৰ্মাই সাহিত্য একাডেমীৰ বঁটা পাইছিল।

২৬। পঞ্চবিংশ অসম সাহিত্য সভাৰ ধুবুৰী অধিৱেশনৰ সভাপতি বেণুধৰ শৰ্মা আছিল।

২৭। বেণুধৰ শৰ্মাই কছাৰী সংস্কৃতিক অসমীয়া সংস্কৃতিৰ ৰাজহাড় বুলিছে।

২৮। ১৮৩১ চনৰ ২০ আগষ্টত ৪৫ বছৰ বয়সত ডেৱিদ স্কটৰ মৃত্যু হৈছিল।

২৯। কছাৰী সম্প্ৰদায়ৰ। কাছাৰৰ অঞ্চল এটাত।

৩০। তুলাৰামৰ সংকল্প, মনোবল আৰু দুঃ সাহসিকতা

৩১। কছাৰী সংস্কৃতি।

৩২। (ক) তুলাৰামৰ বংশত ডিমাপুৰৰ -মায়বঙত খনিকৰী বিদ্যাৰ বিভৱ সৃষ্টি কৰিছিল।

(খ) এই বংশৰ তাম্ৰধ্বজ ৰজাই অনেক গৌৰৱ অৰ্জন কৰিছিল।

(গ) ৰবকুঁৱৰী চন্দ্ৰপ্ৰভাই ভুবনেশ্বৰ বাচস্পতিৰ হতুৱাই 'নাৰদীয় পুৰাণ' লিখোৱাইছিল।

## 19.9 অতিৰিক্ত পঠন উপদেশ

তুমি বেণুধৰ শৰ্মাৰ সাহিত্যৰ অধিক সোৱাদ লবলৈ যদি বিচাৰা তেনেহ'লে 'বেণুধৰ শৰ্মাৰ ৰচনাৱলী' পঢ়ি চাব পাৰা। বেণুধৰ শৰ্মা সম্পৰ্কে বিষয়ে জানিবলৈ তুমি পণ্ডিত তীৰ্থনাথ শৰ্মাই ৰচনা কৰা 'বেণুধৰ শৰ্মা' নামৰ জীৱনী গ্ৰন্থ খন পঢ়িবা।

## 19.10 ছাত্ৰ-ছাত্ৰীক প্ৰশ্ন কৰিবলৈ দিয়া সংকেত

তোমাৰ এই পাঠাংশত তুমি যদি কিবা কথা বুজি পোৱা নাই তেনেহ'লে লিখিব পাৰা।

গোট 20

# অসমৰ ওজাপালি অনুষ্ঠান

ৰচনা ঃ ড' ভৃগুমোহন গোস্বামী

## 20.1 পাতনি আৰু উদ্দেশ্যাৱলী

ইতিমধ্যে তুমি কবিতা, গল্প, জীৱনী, দৈনন্দিন জীৱনৰ সমস্যাৰ ওপৰত লিখা প্ৰবন্ধ, ব্যৱহাৰিক জীৱনৰ ৰাজহ আৰু কাৰ্য্যালয় সম্পৰ্কীয় নথি-পত্ৰৰ চানেকি পঢ়িবলৈ পাইছা। এই প্ৰবন্ধৰ জৰিয়তে তোমাক আমাৰ সংস্কৃতিৰ মূল্যায়নমূলক বিষয় এটাৰ লগত পৰিচয় কৰি দিব খুজিছোঁ। এয়া হ'ল আমাৰ আপুৰুগীয়া অনুষ্ঠান ওজাপালি, তুমি হয়তো ওজাপালি সম্বন্ধে কিছু কথা জানাই। ই পাঁচ বা সাতজন লোকে পৰিবেশন কৰা গীত, নৃত্য আৰু অভিনয়ৰ অনুষ্ঠান। এই প্ৰবন্ধত ওজাপালি সম্পৰ্কে কিছু কথা আলোচনা কৰা হৈছে। তুমি হয়তো এইটোও লক্ষ্য কৰিছা যে এই প্ৰবন্ধৰ ষ্টাইল অৰ্থাৎ লিখাৰ ঢং আন প্ৰবন্ধতকৈ বেলেগ। কিয়নো ই এটা সংস্কৃতিমূলক প্ৰবন্ধ। এনে প্ৰবন্ধ পঢ়িলে আমাৰ বিষয় জ্ঞান বঢ়াৰ লগতে শব্দভাণ্ডাৰো চহকী হয়।

আপুৰুগীয়া (বিণ) ঃ পাবলৈ নোহোৱা।

এই পাঠ পঢ়িলে তুমি

- ওজাপালি অনুষ্ঠানৰ এটি বিৱৰণ পাবা,
- ওজাপালি অনুষ্ঠানৰ ইতিবৃত্তি জানিবা আৰু তাৰ ভিত্তি যে সৰ্বভাৰতীয় সেই কথা উপলব্ধি কৰিবা,
- ওজাপালি কেনে কাহিনীৰ ওপৰত আধাৰিত সেই কথা ভালদৰে জানিবা,
- তুমি অসমৰ গৌৰৱপূৰ্ণ, একাধাৰে গীত, নৃত্য আৰু অভিনয়ৰ সুসমন্বয়মূলক কলা শৈলী এটাৰ লগত চিনাকি হ'ব পাৰিবা,
- সংস্কৃতিৰ লগত জড়িত বহুত মূল্যবান শব্দ আৰু ধাৰণাৰ লগত পৰিচিত হবা,

## 20.2 মূল পাঠ

### 20.2.1 মুদ্ৰিত প্ৰতিলিপিৰ প্ৰথম ভাগ

#### প্ৰস্তাৱনা

'ওজাপালি' শব্দটোতে ইয়াৰ অৰ্থ আৰু তাৎপৰ্য্য নিহিত হৈ আছে। এই শব্দটো 'ওজা' আৰু 'পালি' এই শব্দ দুটা লগ লাগি গঠিত হৈছে। ওজাপালিৰ দল এটাত সাধাৰণতে এজন 'ওজা', এজন দাইনাপালি আৰু তিনিজন বা পাঁচজন 'সহায়ক পালি' থাকে। মুঠতে ওজাপালি দলটোত পাঁচজন বা সাতজন গায়ক থাকে। এই গায়কৰ দলটোত ওজাই দলপতি। দলপতিয়ে অংগী-ভংগী কৰি গীত-কথাখিনি সুৰ ধৰি গাই যায়, দাইনাপালিয়ে মাজে মাজে প্ৰশ্নৰ অৱতাৰণা কৰি জটিল কথাবোৰ ওজাক বহলাই কবলৈ বাধ্য কৰে, আন পালিসকলে গীতৰ ধুৰাটো বাদ্য বজাই তাল ধৰি নাচি নাচি বাৰে বাৰে দোহাৰে।

ধুৰা (বি) : গীতৰ দোহাৰ
দৃশ্য শ্ৰব্য (বি) : দেখা আৰু শুনা কাৰ্য
প্ৰাচীন (বিণ) : পুৰণি
পৰম্পৰাগত (বি) : অবিচ্ছিন্নভাৱে চলি অহা
কথকতা (বি) : কথকৰ কাৰ্য

ওজাপালি অনুষ্ঠানটো অসমৰ প্ৰাচীন দৃশ্য-শ্ৰব্য কলাশৈলী। ওজাপালি অনুষ্ঠানত গীত, নৃত্য আৰু অভিনয় এই তিনিওটা বস্তুৰ একত্ৰ সমাবেশ পৰিলক্ষিত হয়। ওজাপালিৰ বিষয়ে অধ্যয়ন কৰিবলৈ গ'লে ভাৰতৰ বিখ্যাত 'কথকতা পৰম্পৰা'ৰ কথাই প্ৰথমতে মনলৈ আহে, কিয়নো সৰ্বভাৰতীয় কথকতাৰ ওপৰত ভিত্তি কৰি ইয়াৰ বিকাশ ঘটিছে। দ্বিতীয়তে ভাৰতীয় দৃশ্য-শ্ৰব্য কলাশৈলীৰ ওপৰতো ই প্ৰতিষ্ঠিত।

ওজাপালিয়ে বিশেষকৈ ৰামায়ণ, মহাভাৰত আৰু পুৰাণৰ বিষয়-বস্তুৰ ওপৰত নিৰ্ভৰ কৰিলেও এই কলাশৈলীটো মৌখিক পৰম্পৰা হিচাপে প্ৰৱাহিত হৈ আহিছে। সেইবাবে স্পষ্টকৈ ক'ব পাৰি যে ই লোক পৰম্পৰাৰ ভিতৰৰ বস্তু। গ্ৰাম্য জীৱনৰ ধৰ্মীয় আৰু সামাজিক প্ৰয়োজন এই অনুষ্ঠানে বহুলাংশে পূৰণ কৰে। ওজাপালিয়ে মহাকাব্য আৰু পুৰাণৰ পৰা যি গীত পৰিবেশন কৰে, সি শ্ৰোতাসকলক জ্ঞান দিয়ে। বাসুদেৱ পূজা, মনসা পূজা বা দুৰ্গাপূজাৰ সময়ত গোৱা ওজাপালিৰ গীতে আমাৰ সামাজিক প্ৰয়োজন সাধন কৰে। সেইবাবে অসমৰ সমাজ সংস্কৃতিক জীৱনত (socio-cultural lift) ওজাপালিৰ এক বিশেষ স্থান আছে।

অভিনয় (বি) : নাটকত ভাও দিয়া কাৰ্য

ভাৰতীয় পৰম্পৰাগত সংগীতৰ ধাৰা অসমৰ ওজাপালিয়ে বহন কৰি আনিছে। ওজাপালিয়ে স্বকীয় অনুষ্ঠান বুলি দাবি কৰিব নোৱাৰাৰ প্ৰধান কাৰণ হ'ল ই নাট্যশাস্ত্ৰ আৰু অভিনয় দৰ্পণৰ ওপৰতো নিৰ্ভৰশীল। সেয়ে ওজাপালিক ভাৰতীয় সংগীতৰ এটা ধাৰা বুলি কলে বেছি যুক্তি সংগত হ'ব।

অসমৰ গাঁৱলীয়া জীৱনত ওজাপালিৰ সামাজিক ভূমিকা আছে। সেই বোৰক বহলকৈ এনেদৰে ভাগ কৰিব পাৰি— বিশ্ৰাম, শিক্ষা, সমাজনিয়ন্ত্ৰণ, সমাজ-ৰক্ষণ, প্ৰচাৰ মাধ্যম, সামাজিক প্ৰতিবাদ আৰু ধৰ্মীয় প্ৰয়োজন-সাধন ইত্যাদি।

ওজাপালিৰ গুৰি আৰু বিকাশ বিচাৰিব লাগিলে সৰ্বভাৰতীয় কথকতাৰ পৰম্পৰা বিচাৰিব লাগিব। লগতে ভাৰতৰ শাস্ত্ৰীয় আৰু দেশী সংগীতৰ অধ্যয়নৰো অতি প্ৰয়োজন। অসমৰ ওজাপালিৰ লগত সাদৃশ্য থকা অনুষ্ঠান ভাৰতৰ অন্যান্য ঠাইতো আছে।

শাস্ত্ৰীয় সংগীত (বি) : শাস্ত্ৰৰ ওপৰত নিৰ্ভৰশীল গীত।

পৰম্পৰা (বি) : অবিচ্ছিন্ন বা ধাৰাবাহিক ধাৰা।

কথকতা (বি) : কথকৰ কাৰ্য্য।

## কথকতাৰ পৰম্পৰা

'কথকতা'ৰ আক্ষৰিক অৰ্থ হ'ল 'কথক'ৰ কাৰ্য্য। আকৌ 'কথক' হ'ল গায়ক বা গায়কৰ দল। 'কথকে' নৃত্য-গীতৰ যোগেদি মূল মহাকাব্য বা পুৰাণৰ কাহিনী দৰ্শকৰ আগত আবৃত্তি কৰি পৰিবেশন কৰে। সেইবাবে কথকক আচলতে আবৃত্তি কাৰকহে বুলিব পাৰি।

কথকৰ কাৰ্য্য খুব সম্ভৱ গদ্য আৰু পদ্য উভয়তে হৈছিল। কিয়নো প্ৰাচীন মহাকাব্যত গদ্য আৰু পদ্য উভয়ৰে সংমিশ্ৰন পোৱা যায়। এই কথকতা-ৰীতিত আমি নাটকীয় উপাদানৰ সন্ধানো পাওঁ।

এইটোসুস্পষ্ট যে কথকতাৰ পৰম্পৰা হ'ল সৰ্ব ভাৰতীয় পৰম্পৰা। ই বিশাল ভাৰতবৰ্ষত পুৰণি কালত বিস্তৃত আছিল আৰু বৰ্তমানলৈ অখণ্ড পৰম্পৰা হিচাপে চলি আহিছে। এই কথকতাৰ পৰম্পৰা কেৱল মন্দিৰবোৰতে সীমিত নাছিল, ই গাওঁবোৰলৈও প্ৰসাৰিত হৈছিল।

কথক (বি) : গায়ক বা গায়কৰ দল।

কথকক দুটা ভাগত ভগাব পাৰি; (ক) পাঠক আৰু (খ) ধাৰক। পাঠকে কবিতা দোহাৰে আৰু ধাৰকে মানুহক শিক্ষা দিবলৈ দেশীয় ভাষাত তাক ব্যাখ্যা কৰে। এই কাৰ্য্য ওজাপালি অনুষ্ঠানত ওজা আৰু দাইনাপালিয়ে সম্পন্ন কৰি আহিছে।

## সূতৰ পৰম্পৰা

'সূত'ৰ আক্ষৰিক অৰ্থ হ'ল কবি, গায়ক আৰু আবৃত্তি কাৰক। সূতসকল কথকৰ লগত একে। কিয়নো কথকে যিদৰে আখ্যান আৰু ইতি হাস আবৃতি কৰে, তদ্ৰূপ সূতেও আখ্যান আৰু ইতিহাস আবৃত্তি কৰে। কথক আৰু সূত উভয়ে পৌৰাণিক কাহিনীৰ আবৃত্তিকাৰক। তেওঁলোক মহাকাব্য বা পুৰাণত থকা বিষয়বস্তু, গীতেৰে,

নাটকীয় স্বগত কথনেৰে নতুবা গদ্যেৰে ব্যাখ্যা কৰি শুনায়। সেয়েহে কথক আৰু সূতৰ মাজত ভালেখিনি সাদৃশ্য আছে। আন কথাত কবলৈ গ'লে সূতসকল হ'ল কথকতা পৰম্পৰাৰ পোনপটীয়া বাহক। সূতসকলৰ পৰম্পৰা বৈদিক সাহিত্যত আছে। কিয়নো ঋকবেদৰ বিশেষকৈ সংবাদ (সংলাপ) স্তোত্ৰৰ মাজত কথকতাই গুৰুত্ব ভূমিকা লাভ কৰিছিল।

প্ৰসাৰিত (বি) : বিস্তাৰিত

সূত (বি) : কবি, গায়ক আৰু আবৃত্তি কাৰক

সূত পৰম্পৰা মহাকাব্যৰ বীৰ-গাথা বা heroic poetry ৰ যোগেদি আৰম্ভ হয় বুলি অনুমান কৰিব পাৰি। প্ৰাৰম্ভিক বৈদিক সাহিত্য পুৰোহিত সম্বন্ধীয় আছিল। সেই বাবেই একশ্ৰেণী লোকৰ মাজতহে আবদ্ধ আছিল। ই সৰ্বসাধাৰণ লোকৰ মাজলৈ প্ৰসাৰিত হ'ব পৰা নাছিল। কিন্তু বৃত্তিমূলক কবি সূতসকলে মহাকাব্য বা পুৰাণৰ গীত গাবলৈ লোৱাৰ পৰা ই জনসাধাৰণৰ মাজতো জনপ্ৰিয় হৈ উঠিল। এইটো নিসন্দেহে ক'ব পাৰি যে সূত পৰম্পৰাটো কথকতা পৰম্পৰাৰ পৰাই ওলাইছে আৰু ওজাপালি কলাশৈলীটোও এই কথকতা আৰু সূত পৰম্পৰাৰ পৰাই নিঃসৃত হৈছে। এইটো ধৰি ল'ব পাৰি যে কথকে মহাকাব্যৰ যুগত সূত হিচাপে দেখা দিলে আৰু সূতসকলেই অৱশেষত ওজাপালি, ভাগৱতাৰ আৰু কথাৰচক আদি বিভিন্ন কলাশৈলীৰ ৰূপত পুনৰ দেখা দিলে।

## ওজাপালিৰ সময়

নাট্যপ্ৰবৃত্তি (বি) : নাটকীয় গুণ বা স্বভাৱ

ভৰতমুনিয়ে তেওঁৰে নাট্য-শাস্ত্ৰত উল্লেখ কৰা ওড্ৰমাগধী নাট্য প্ৰবৃত্তিৰ লগত ওজাপালি কলাৰীতিৰ ভালেখিনি সাদৃশ্য আছে। ভৰতমুনিয়ে উল্লেখ কৰা প্ৰাকজ্যোতিষে কামৰূপ বা প্ৰাচীন অসমকে বুজায়। নানান তথ্যৰ ভেটিত নিৰ্ভৰ কৰি ক'ব পাৰি যে খৃষ্টপূৰ্ব ১ম শতিকাৰ আগৰ পৰা প্ৰাচীন অসমত নাট্য প্ৰবৃত্তি এটাৰ প্ৰচলন আছিল। এই নাট্য প্ৰবৃত্তিয়ে গীত, নৃত্য আৰু বাদ্যক সামৰি লয়। ওজাপালি কলা ৰীতিত গীত, নৃত্য আৰু বাদ্যৰ সংযোগ আছে। সেয়ে খৃঃ পূঃ ১ম শতিকা বা তাৰ আগৰ পৰা অসমত ওজাপালি আছিল বুলি ক'ব পাৰি। আদি ৰূপত ওজাপালি অনুষ্ঠানৰ মাধ্যম সংস্কৃত আছিল (বিশেষকৈ বিবাহৰ ওজাপালি)। সময় বাগৰি যোৱাৰ লগে লগে নৱভাৰতীয় আৰ্য ভাষা জন্ম হোৱাত অসমীয়া ভাষাই ওজাপালিৰ পোনপটীয়া বাহন হৈ পৰিল।

## 20.2.2 আলোচনা

ওজাপালি অনুষ্ঠানটো অসমত পুৰণি কালৰ পৰা অবিচ্ছিন্নভাৱে প্ৰবাহিত

হৈ অহা এটা কলাশৈলী। এই অনুষ্ঠানৰ লগত গীত, নৃত্য আৰু অভিনয় সংযোগ হৈ আছে। ভাৰতৰ বিখ্যাত কথকতা পৰম্পৰাৰ লগত ওজাপালি অনুষ্ঠানটো জড়িত হৈ আছে। কথকতাৰ পোনপটীয়া অৰ্থ হ'ল কথকৰ কাৰ্য্য। কথক মানে হ'ল গায়ক বা গায়কৰ দল। কথকে নৃত্য-গীতৰ যোগেদি মূল মহাকাব্য অৰ্থাৎ সংস্কৃতত লিখা মহাকাব্য আৰু পুৰাণৰ কাহিনী দৰ্শকৰ আগত আবৃত্তি কৰিছিল। কথকক আমি আবৃত্তি কাৰকো বুলিব পাৰোঁ। কথকতাৰ পৰম্পৰা বিশাল ভাৰতবৰ্ষত বিয়পি আছিল। সেয়ে এই পৰম্পৰাই অসমতো প্ৰবেশ কৰিছিল। কথকতাৰ পৰম্পৰা প্ৰথমে মন্দিৰবোৰত আছিল যদিও পাছলৈ ই গাওঁবোৰলৈয়ো বিস্তাৰিত হয়।

কথকতাৰ পৰম্পৰা সূতসকলে কঢ়িয়াই আনে। কিয়নো সূতসকলো কবি, গায়ক, আৰু আবৃত্তি কাৰক। কথকে যেনেকৈ আখ্যান আৰু ইতিহাস আবৃত্তি কৰে তেনেকৈ সূতেও আখ্যান আৰু ইতিহাস আবৃত্তি কৰে। কথক আৰু সূত দুয়োটাই পুৰণি কাহিনী আবৃত্তিকাৰক। সেয়ে কথক আৰু সূতৰ মাজত ভালেখিনি মিল আছে। আনকথাত কবলৈ গ'লে সূতসকল কথকতা পৰম্পৰাৰ পোনপটীয়া বাহক। সূতসকলে মহাকাব্য বা পুৰাণৰ গীত গাবলৈ লোৱাৰ পৰা এই কাহিনী জনসাধাৰণৰ মাজত জনপ্ৰিয় হৈ পৰে।

এই আলোচনাৰ পৰা আমি জানিব পাৰিলোঁ যে সূত পৰম্পৰাটো কথকতা পৰম্পৰাৰপৰাই নিঃসৃত হৈছে। এই কথাখিনি আমি এনে ধৰণেও ভাবিব পাৰোঁ— কথকে মহাকাব্যৰ যুগত সূত হিচাপে দেখা দিলে আৰু সূতসকলেই অৱশেষত ওজাপালি, ভাগৱতাৰ আৰু কথাবাচক আদি কলাশৈলী ৰূপে দেখা দিলে।

আখ্যান (বি) - কাহিনী

ওজাপালিৰ সময় আমি নানান তথ্যৰ ভেটিত নিৰ্ভৰ কৰি খৃঃ পূঃ প্ৰথম শতিকা মানৰ পৰা আছিল বুলি ধৰিব পাৰোঁ। প্ৰথমে ওজাপালিৰ গীতৰ মাধ্যম আছিল সংস্কৃত, বিশেষকৈ বিয়াহৰ ওজাপালিৰ। কিন্তু যেতিয়া নৱভাৰতীয় আৰ্য্য ভাষাৰ জন্ম হ'ল, তেতিয়াৰ পৰা ওজাপালিৰো গীতৰ ভাষা অসমীয়া হৈ পৰিল।

## 20.2.3 প্ৰথম পাঠ ভাগৰ প্ৰশ্নাৱলী

এতিয়া আহা আমি এই পাঠাংশৰ কিছু প্ৰশ্ন আলোচনা কৰোঁ ঃ

১। কথকতাৰ পোনপটীয়া অৰ্থ কি?

২। কথক মানে কি?

৩। কথকতাৰ পৰম্পৰা ক'ত বিয়পি আছিল?

৪। কথকতাৰ পৰম্পৰা প্ৰথমে ক'ত আছিল আৰু পাছত ক'লৈ বিস্তাৰিত হয়?

৫। সূত পৰম্পৰাটো ক'ৰ পৰা ওলাইছে?

৬। অসমৰ ওজাপালি অনুষ্ঠানটো ক'ৰ পৰা নিঃসৃত হৈছে?

৭। প্ৰথমে ওজাপালিৰ গীতৰ মাধ্যম কি আছিল?

৮। ওজাপালিৰ সময় কিমান খৃষ্টপূৰ্ব বুলি আমি ধৰিব পাৰো?

## 20.2.4 মূল পাঠ

### মুদ্ৰিত প্ৰতিলিপিৰ দ্বিতীয় ভাগ

### দৃশ্য-শ্ৰব্য মাৰ্গী সংগীতৰ পৰম্পৰা

ওজাপালি অনুষ্ঠানটো, বিশেষকৈ বিয়াহুৰ ওজাপালি (ব্যাস সংগীত) নিসন্দেহে ভাৰতীয় দৃশ্য-শ্ৰব্য মাৰ্গী সংগীতৰ পৰম্পৰাৰ ওপৰত প্ৰতিষ্ঠিত। প্ৰাগজ্যোতিষ্য কামৰূপ (অৰ্থাৎ অসম) নৃত্য-গীতৰ দেশ বুলি জনা যায়।

দেখিবলৈ পোৱা যায় যে গীত, নৃত্য আৰু বাদ্য প্ৰথমে মন্দিৰৰ লগত (দেৱাগাৰং বাদ্যগীত প্ৰণাদৈ) সংযোজিত হৈ আছিল। ভাৰতীয় সংগীতো মন্দিৰক কেন্দ্ৰ কৰি প্ৰবাহিত হৈছিল। অসমৰ ক্ষেত্ৰতো ইয়াৰ ব্যতিক্ৰম দেখা নাযায়। ফুল-তুলসী, হোম আদিৰে পূজা কৰাতকৈ গীত, বাদ্য আৰু নৃত্যৰে ভগৱানক সহজে সন্তুষ্ট কৰিব পাৰি বুলি ভাৰতীয়সকলৰ বিশ্বাস। বাদ্য আৰু কণ্ঠ সংগীতৰ সহযোগত কৰা নৃত্য ঈশ্বৰ উপসনাৰ শ্ৰেষ্ঠ মাধ্যম। সেয়ে সংগীত উপাসনাৰ বস্তু।

প্ৰাগজ্যোতিষ্য কামৰূপত (পুৰণি অসম) বহু বছৰ আগৰ পৰাই মাৰ্গী সংগীতৰ পৰম্পৰা আছিল। প্ৰাকৃতিক আৰু ৰাজনৈতিক পৰিবৰ্তন আৰু অন্যান্য কাৰণত অসমৰ মাৰ্গী সংগীতৰ ধাৰাত বাধা জন্মিছিল; কিন্তু ওজাপালি অনুষ্ঠানৰ যোগেদি এই পৰম্পৰা অব্যাহত থাকিল। সেয়েহে ওজাপালিক ভাৰতীয় মাৰ্গী সংগীতৰ পৰম্পৰাৰ বস্তু বুলিব পাৰি।

ওজাপালি অনুষ্ঠানটো কথকতা আৰু মাৰ্গী কলাশৈলীৰ পৰা নিৰ্গত হোৱা কলাশৈলী।

**শব্দাৰ্থ**

মাৰ্গী সংগীত (বি) =উচ্চাংগ সংগীত

উপাসনা (বি) ঃ সেৱা, পূজা

ধাৰা (বি) ঃ পৰম্পৰা, গতি

অব্যাহত ঃ বাধাপ্ৰাপ্ত নোহোৱাকৈ

## দৃশ্য-শ্ৰব্য কলাশৈলী

অসমৰ দৃশ্য-শ্ৰব্য কলাশৈলী ওজাপালি অনুষ্ঠানটো অসমত অকলশৰীয়াকৈ হোৱা নোহোৱা-নোপোজা বস্তু নহয়, ইয়াৰো এটা সৰ্বভাৰতীয় ভিত্তি আছে। কিয়নো বৈদিক আৰ্য্যসকলৰ যোগেদি, মহাকাব্য আৰু পুৰাণৰ মাজেদি প্ৰাচীন অসমতো সাংস্কৃতিকৰণ বা শুদ্ধিকৰণ প্ৰথা সোমাই পৰিছিল। উত্তৰ ভাৰতৰ পৰা প্ৰাগজ্যোতিষ্য কামৰূপলৈ বৈদিক আৰ্যসকলৰ প্ৰব্ৰজনৰ সৈতে কথকতা ৰীতি আৰু মাৰ্গী কলাশৈলীৰ পৰম্পৰা অসমতো প্ৰৱেশ কৰে। সেয়ে আমি ধাৰণা কৰিব পাৰো যে ৰামায়ণ-সংগীত আৰু ব্যাস সংগীতৰ পৰম্পৰা ভাৰতৰ ভিতৰৰ পৰাই অসমত সোমাই পৰে আৰু ইয়াৰ পৰাই ওজাপালি অনুষ্ঠাটো সম্পূৰ্ণ নিজা কলাশৈলী ৰূপে গঢ় লয়। যিহেতু ওজাপালি অনুষ্ঠানটো সৰ্বভাৰতীয় একেটা উৎস পৰাই (common pool)ৰ পৰাই নিৰ্গত হোৱা, যিটোক ইতিমধ্যে সৰ্বভাৰতীয় কথকতা পৰম্পৰা বোলা হৈছে, সেয়ে ওজাপালি কলাশৈলীৰ লগত ভাৰতৰ বিভিন্ন ঠাইৰ কিছুমান দৃশ্য-শ্ৰব্য কলাশৈলীৰ সাদৃশ্য আছে।

নিৰ্গত - ওলোৱা, বাহিৰহোৱা

অসমৰ গোৱালপাৰা আৰু বংগদেশৰ কুশান গান, পশ্চিম বংগৰ পাঞ্চালি গান, মনিপুৰৰ মেইতেই জাগই, উৰিষ্যাৰ দাসকাঠিয়া আৰু পালাগান, উত্তৰ প্ৰদেশৰ আহ্লা, ভৰথৰী আৰু অহিৰ, মধ্যপ্ৰদেশৰ পুনৰম, পাঞ্জাব, জম্মু আৰু কাশ্মীৰৰ ভন্দ পথৰ, উত্তৰ ভাৰতৰ ৰামলীলা, মহাৰাষ্ট্ৰৰ পাৱাড়া, কৰ্ণাটকৰ যক্ষগান, কেৰলাৰ কুট্টু ইত্যাদি ভাৰতৰ দৃশ্য-শ্ৰব্য কলাশৈলীৰ অসমৰ ওজাপালিৰ লগত সাদৃশ্য আছে।

ওজাপালি অনুষ্ঠানটো এটা সৰ্বভাৰতীয় কলাশৈলীৰ ভিতৰৰ বস্তু, সেইবাবে ভাষা আৰু বৰ্ণনাকৌশলৰ ফালৰ পৰা ইয়াত স্থানীয় ৰূপ থাকিলেও ইয়াৰ মাজত সৰ্বভাৰতীয় বৈশিষ্ট্য বিদ্যমান।

## ওজাপালিৰ শ্ৰেণী বিভাগ

পাঠ, প্ৰসংগ, গঠন আৰু পৰিবেশনৰ ফালৰ পৰা ওজাপালিক কেবাটাও ভাগ, উপভাগত ভগাব পাৰি। কথকতা পৰম্পৰাৰ পৰা যিদৰে সূত আৰু চাৰণ পৰম্পৰাৰ বিকাশ ঘটিল, সেইদৰে সামাজিক আৰু ধৰ্মীয় কাৰ্য্য সাধনৰ বাবে কথকতা পৰম্পৰাৰ পৰা বিভিন্ন ওজাপালিৰ জন্ম হ'ল। কাহিনী পৰিবেশন কৰাই ওজাপালিৰ মুখ্য উদ্দেশ্য হ'লেও মনোৰঞ্জন বা অন্যান্য সামাজিক চাহিদা পূৰণ কৰাটোও ইয়াৰ আওতাৰ ভিতৰত পৰে।

গীতৰ বিষয় বস্তু অনুসৰি ওজাপালি অনুষ্ঠানটোক দুটা বহল ভাগত ভগাব

পাৰি ঃ

(ক) মহাকাব্য আশ্ৰিত ওজাপালি আৰু (খ) মহাকাব্য ভিন্ন অন্য-উৎস আশ্ৰিত ওজাপালি ।

## (ক) মহাকাব্য আশ্ৰিত ওজাপালি

মহাকাব্য আশ্ৰিত ওজাপালিৰ গীতে প্ৰধানকৈ মহাভাৰত আৰু ৰামায়ণৰ লগতে পুৰাণৰ কাহিনীকো সামৰে। এই ধৰণৰ গীত গোৱা ওজাপালিয়ে প্ৰধানকৈ বিষ্ণুকথাৰ বাহিৰে আগেয়ে অন্য বিষয়ক গীত নাগাইছিল। কিন্তু বৰ্তমান এনে ওজাপালিয়ে শাক্ত উপাদান থকা বন্দনা বা গীত গোৱা শুনা যায়। এই বিকাশ সম্পূৰ্ণৰূপে অৰ্বাচীন।

জাগৰ (বি) = দেৱ-দেৱীক জগোৱা কাৰ্য্য

তলত দিয়া মতে মহাকাব্য আশ্ৰিত ওজাপালি আকৌ কেইবাটাও উপভাগত ভগাব পাৰি; সেইবোৰ হ'ল—

অষ্টধাতু (বি) = আঠবিধ প্ৰধান ধাতু, যেনে সোণ, ৰূপ, তাম, ৰাং, সীহ, পিতল, লো আৰু তীখা।

১। ব্যাস সংগীত বা ব্যাসগোৱা ওজাপালি বা ব্যাসগোৱা ওজাপালি বা সভাগোৱা ওজাপালি,

ইষ্টদেৱতা (বি) = নিজৰ উপাস্য দেৱতা

২। ৰামায়ণ সংগীত বা ৰামায়ণ গোৱা ওজাপালি ,

৩। ভাউৰা বা ভাউৰীয়া বা ভাইৰা ওজাপালি,

৪। দুৰ্গাবৰী ওজাপালি,

৫। সত্ৰীয়া ওজাপালি বা বিয়হীয়া ওজাপালি,

৬। পাঞ্চালি বা দুলড়ি ওজাপালি।

এইবোৰৰ ভিতৰত ব্যাস সংগীতৰ ধাৰটোৱেই আটাইতকৈ প্ৰসিদ্ধ।

## (খ) মহাকাব্যভিন্ন অন্য উৎস আশ্ৰিত ওজাপালি

মহাকাব্যভিন্ন অন্য উৎস আশ্ৰিত ওজাপালি মহাকাব্য আশ্ৰিত ওজাপালিতকৈ বিষয় বস্তু, গঠন আৰু প্ৰসংগৰ ফালৰ পৰা সুকীয়া। এই শ্ৰেণী ওজাপালিয়ে সৰ্পদেৱী মনসাৰ বিষয়বস্তুৰ ওপৰত নিৰ্ভৰ কৰে।

এই শাখাৰ ওজাপালিক সাধাৰণতে 'মনসা সংগীত' বুলিও জনা যায়। কিয়নো এই শ্ৰেণী ওজাপালিয়ে জনপ্ৰিয়ভাৱে খ্যাত মনসা, বিষহৰি, পদ্মা, বৰহমানী বা বৰমানী অৰ্থাৎ সৰ্পদেৱীৰ গীত গায়। সৰ্পদেৱীক বন্দনা কৰিবলৈ গোৱা ধৰ্মীয় গীতবোৰকে মনসা সংগীত বুলিব পাৰি। মহাকাব্য ভিন্ন অন্য উৎস আশ্ৰিত ওজাপালিক বা মনসা সংগীতক কেইটামান উপবিভাগত ভাগ কৰিব পাৰি, যেনে,

১। সুকনানি ওজাপালি বা ৰংগোৱা ওজাপালি,

২। বিষহৰিৰ গান,

৩। মাৰে (মাৰৈ) পূজাৰ গান বা মাৰে গান আৰু

৪। পদ্ম পুৰাণৰ গান।

## 20.2.5 আলোচনা

এতিয়া আহা আমি মুদ্ৰিত প্ৰতিলিপিৰ দ্বিতীয় ভাগৰ কথা আলোচনা কৰোঁ।

ওজাপালি অনুষ্ঠানটো অসমৰ প্ৰাচীন কলাশৈলী বুলি আমি জানিব পাৰিলোঁ। এই কথাও জানিব পাৰিলোঁ যে এই কলাশৈলীটো ভাৰতীয় মাৰ্গী সংগীতৰ পৰম্পৰাৰ বস্তু। মাৰ্গী সংগীত মানে হ'ল উচ্চাংগ সংগীত। অসমক প্ৰাচীন কালত প্ৰাগজ্যোতিষ বা কামৰূপ নামেৰে জনা গৈছিল। প্ৰাগজ্যোতিষ বা কামৰূপৰ নৃত্য-গীতৰ কথা অসমৰ বাহিৰৰ মানুহেও জানিছিল। গীত, নৃত্য আৰু বাদ্য প্ৰথমে মন্দিৰবোৰৰ লগত জড়িত আছিল। অসম এই ক্ষেত্ৰত ব্যতিক্ৰম নাছিল। অসমৰ মাৰ্গী সংগীতৰ ধাৰাত সামাজিক আৰু ৰাজনৈতিক পৰিবৰ্তনৰ প্ৰভাৱ পৰিছিল; কিন্তু তথাপি ওজাপালিৰ যোগেদি এই মাৰ্গী সংগীতৰ ধাৰাটো প্ৰৱাহিত হৈ থাকিল। অসমৰ ওজাপালি অনুষ্ঠানটো কথকতা আৰু মাৰ্গী কলাশৈলীৰ লগত জড়িত হৈ থকা বস্তু। ওজাপালি অনুষ্ঠানটো অসমত সুকীয়াকৈ হোৱা নোহোৱা-নোপোজা বস্তু নহয়। ওজাপালিৰ এটা সৰ্বভাৰতীয় ভেঁটি আছে। বৈদিক আৰ্য্যসকলে উত্তৰ ভাৰতৰ পৰা প্ৰাগ্জ্যোতিষ-কামৰূপলৈ প্ৰবেশ কৰোঁতে কথকতা ৰীতি আৰু মাৰ্গী কলাশৈলীৰ পৰম্পৰা তেওঁলোকৰ লগতে অসমত প্ৰবেশ কৰে। সেয়ে এনে এটা ধাৰণা কৰিব পাৰি যে ৰামায়ণ সংগীত আৰু ব্যাস সংগীতৰ ধাৰাটো ভাৰতৰ ভিতৰৰ পৰাই অসমত সোমায় আৰু ইয়াৰ পৰাই বিকশিত হৈ ওজাপালি অনুষ্ঠানটো পিছলৈ সম্পূৰ্ণ নিজা কলাশৈলী ৰূপে গঢ় লৈ উঠে।

ওজাপালি অনুষ্ঠানটো সমগ্ৰ ভাৰতবৰ্ষৰ এটা সুঁতিৰ পৰাই ওলাইছে। এই সুঁতিটোকে আমি ইতিমধ্যে সৰ্বভাৰতীয় কথকতা বুলি কৈ আহিছোঁ। সেয়ে ওজাপালিৰ লগত ভাৰতৰ বিভিন্ন ঠাইৰ দৃশ্য-শ্ৰব্য কলাশৈলীৰ সাদৃশ্য থকা স্বাভাৱিক।

অসমৰ ওজাপালিৰ লগত সাদৃশ্য থকা ভাৰতৰ দৃশ্য-শ্ৰব্য কলাশৈলীৰ এইকেইটা নাম উল্লেখ কৰিব পাৰো— অসমৰ গোৱালপাৰা আৰু বংগদেশৰ কুশান গান, পশ্চিম বংগৰ পাঞ্চালি গান, মণিপুৰৰ মেইতেই জাগই, উৰিষ্যাৰ দাসকাঠিয়া আৰু পালাগান, উত্তৰ প্ৰদেশৰ আহ্লা আৰু ভৰথ মধ্যপ্ৰদেশৰ পুনৰথ, জম্মু আৰু কাশ্মীৰৰ ভন্দপথৰ, উত্তৰ ভাৰতৰ ৰামলীলা, মহাৰাষ্ট্ৰৰ পাৱাড়া, কৰ্ণাটকৰ যক্ষগান, কেৰলাৰ কুট্টু আদি।

এতিয়া আহো আমি ওজাপালি অনুষ্ঠানটোৰ শ্ৰেণী বিভাগ কৰোঁ। বিষয়বস্তু অনুসৰি ওজাপালি অনুষ্ঠানটোক আমি দুটা বহল ভাগত ভগাব পাৰোঁ; সেই দুটা হ'ল— (১) মহাকাব্য আশ্ৰিত ওজাপালি আৰু (২) মহাকাব্যভিন্ন অন্য উৎস আশ্ৰিত ওজাপালি।

মহাকাব্য আশ্ৰিত ওজাপালিক আকৌ ছয়টা ভাগত ভগাব পাৰি ঃ (১) ব্যাস সংগীত বা ব্যাহগোৱা ওজাপালি (২) ৰামায়ণ গোৱা ওজাপালি, (৩) ভাওৰীয়া বা ভাউৰা ওজাপালি, (৪) দুৰ্গাবৰী ওজাপালি, (৫) সত্ৰীয়া বা বিয়হীয়া ওজাপালি, (৬) পাঞ্চালি আৰু দুলড়ি ওজাপালি।

মহাকাব্যভিন্ন অন্য উৎস আশ্ৰিত ওজাপালি মহাকাব্য আশ্ৰিত ওজাপালিতকৈ বিষয়বস্তু, গঠন আৰু প্ৰসংগৰ সকলো ফালৰপৰা বেলেগ। এই ভাগৰ ওজাপালি গীতক মনসা সংগীতো বুলিব পাৰি। এই মনসা সংগীতক চাৰিটা ভাগত ভগাব পাৰি— (১) সুকন্নানি ওজাপালি বা ৰংগোৱা ওজাপালি, (২) বিষহৰিৰ গান (৩) মাৰে পূজাৰ গান বা মাৰেগান, আৰু (৪) পদ্ম পুৰাণৰ গান।

## 20.2.6 দ্বিতীয় পাঠভাগৰ প্ৰশ্নৱালী (চুটি প্ৰশ্ন)

এতিয়া আহা এই পাঠাংশৰ কিছু প্ৰশ্ন আলোচনা কৰোঁ।

৯। অসমক প্ৰাচীন কালত কি কি নামেৰে জনা গৈছিল?

১০। গীত, নৃত্য আৰু বাদ্য প্ৰথমে কিহৰ লগত জড়িত আছিল?

১১। বৈদিক আৰ্য্যসকলে উত্তৰ ভাৰতৰ পৰা প্ৰাগ্‌জ্যোতিষ,- কামৰূপলৈ প্ৰৱেশ কৰোতে তেওঁলোকৰ লগত কি ৰীতি আৰু পৰম্পৰা অসমত প্ৰৱেশ কৰে?

১২। অসমৰ ওজাপালিৰ লগত সাদৃশ্য থকা ভাৰতৰ দৃশ্য-শ্ৰব্য কলাশৈলী দুটাৰ নাম লিখাঁ।

১৩। বিষয় বস্তু অনুসৰি ওজাপালি অনুষ্ঠানটোক কি দুটা বহল ভাগত ভগাব পাৰোঁ?

১৪। কাহিনী পৰিবেশনৰ উপৰি ওজাপালি অনুষ্ঠানে আৰু কি কি কৰে?

## 20.2.7 মূল পাঠ

### মুদ্ৰিত প্ৰতিলিপিৰ তৃতীয় ভাগ

### ওজাপালি অনুষ্ঠানত ব্যৱহৃত বাদ্য যন্ত্ৰ

ব্যাহগোৱা ওজাপালিয়ে কেৱল ঘনযন্ত্ৰ ব্যৱহাৰ কৰে। এই ঘনযন্ত্ৰৰ ভিতৰত তাল আৰু নেপুৰ উভয়কে ধৰা হয়। ব্যাহগোৱা ওজাপালিয়ে দুয়োহাতে তাল বজায়। ওজাই তাল নবজায়।

ব্যাহগোৱা ওজাপালিয়ে ব্যৱহাৰ কৰা আন এবিধ ঘনযন্ত্ৰ হ'ল নেপুৰ। ইয়াক কেৱল ওজাইহে ভৰিত পিন্ধে। ওজাই দুয়োখন ভৰিতে নেপুৰ পিন্ধে আৰু ইয়াৰ দ্বাৰা সংগীতৰ তাল ৰক্ষা কৰে।

### তৌৰ্য্যত্ৰিক যন্ত্ৰ বা মুদ্ৰা

দৰং জিলাৰ ব্যাসপাৰাৰ দৈৱজ্ঞ ব্ৰাহ্মণসকলৰ ব্যাহগোৱা ওজাপালিয়ে কেৱল তৌৰ্য্যত্ৰিক যন্ত্ৰ বা মুদ্ৰা হাতত লব পাৰে। দৰঙী ৰজাৰ ঘৰত বিষ্ণু, শিৱ, আৰু দুৰ্গাৰ

**শব্দাৰ্থ**

আৱনদ্ধ (বি) = ছালেৰে আবৃত বাদ্য, ঢোল, আদি।

ঘনযন্ত্ৰ (বি) - তাল জাতীয় বাদ্য

জাগৰৰ গীত গাওতে ওজাই মুদ্রা হাতত লয়। দৰঙী ৰজাই এই মুদ্রা তেওঁলোকক প্রদান কৰিছিল। এই মুদ্রাযন্ত্ৰৰ কোনো সাংগীতিক ধ্বনি বা তাল নাই। ই কেৱল এটা প্রতীক।

এই মুদ্রাযন্ত্র অষ্ট ধাতুৰে নির্মিত। ব্যাহৰ ওজাই ইয়াক ইষ্টদেৱতা হিচাপে পূজা কৰে। মুদ্রাযন্ত্র লৈ গীত পৰিবেশন কৰিলে দুৰ্গাদেৱী সন্তুষ্ট হয় বুলি এটা লোকবিশ্বাস আছে।

সুকনানি বা মাৰে গোৱা ওজাপালিয়ে ঘনযন্ত্র আৰু ছালেৰে আবৃত আৱনদ্ধ উভয় যন্ত্ৰকে ব্যৱহাৰ কৰে। এইবিধ ওজাপালিয়ে খুটিতাল আৰু ভোৰতাল ব্যৱহাৰ কৰে। নিয়মমতে কাপোৰেৰে গঁঠা এডাল ৰচিৰে খুটি তাল দুপাত গঁঠা থাকে। ওজাই তাল নবজায়। সুকনানি ওজাপালিয়ে দুই হাতেৰে তাল নবজায়। কেৱল সোঁ-হাতেৰে তাল বজায়। ভোৰতাল পূজা আৰু দেওধনী নাচৰ ক্ষেত্রত ব্যবহাৰ কৰে; কিন্তু গীত আবৃত্তি কৰোতে ব্যৱহাৰ নকৰে।

সত্রীয়া ওজাপালিয়ে ব্যৱহাৰ কৰা তাল ব্যাহগোৱা ওজাপালিৰ তালৰ লগত একে ; কিন্তু এইবিধ তাল আয়তনত ব্যাহগোৱা ওজাপালিৰ তালতকৈ সৰু। ব্যাহগোৱা ওজাপালিৰ নিচিনা সত্রীয়া ওজাপালিও দুয়োখন হাতেৰে তাল বজায়। এইবিধ ওজাপালিতো পালিৰ বাহিৰে ওজাই তাল নবজায়।

মঞ্জিৰা (বি) – এবিধ খুটি তাল

পাঞ্চালি ওজাপালিত মঞ্জিৰা আৰু মৃদং উভয়কে ব্যবহাৰ কৰা হয়; কিন্তু দুলড়ি ওজাপালিয়ে কেৱল খুটিতালহে ব্যৱহাৰ কৰে।

মৃদং (বি) – গোলৰ আকৃতিৰ ঢোল জাতীয় বাদ্য

খঞ্জৰি (বি) – এটা মুখ খোলা আৰু আনটো মুখ [illegible] এবিধ সৰু বাদ্য

সুকনানি ওজাপালি আৰু মাৰে গান গোৱা ওজাপালি উভয়ে মনসা বা পদ্মাক জগোৱাৰ সময়ত দেওঁধনীয়ে নৃত্য কৰাৰ সময়ত জয়ঢোল বা মাদল ঢোল বজায়।

দুৰ্গাবৰী ওজাপালিয়ে কৰতাল আৰু খঞ্জৰি উভয়কে ব্যৱহাৰ কৰে।

## ওজাপালি অনুষ্ঠানত শাস্ত্রীয় ৰাগ-ৰাগিণী

ওজাপালি অনুষ্ঠানত ৰাগ-ৰাগিণীৰ প্রাধান্য আছে। সুকনানি ওজাপালিৰ তুলনাত ব্যাহগোৱা বা ব্যাসগোৱা ওজাপালি অধিক ৰাগ প্রধান। ব্যাসগোৱা ওজাপালি শাস্ত্রীয় ৰাগ-ৰাগিণীৰ ওপৰত প্রতিষ্ঠিত। দৰং আৰু কামৰূপৰ কোনো কোনো ঠাইত ৰাগ-ৰাগিণীক 'ঢেক' বুলিও ব্যৱহাৰ কৰে।

সুকন্যানি ওজাপালিত ৰাগ-ৰাগিণীৰ পৰম্পৰা একেবাৰে নুই কৰিব নোৱাৰি। দৰং জিলাৰ ওজাপালিৰ ওপৰত ব্যাহগোৱা ওজাপালিৰ ৰাগ-ৰাগিণীৰ প্ৰভাৱ পৰিছে। কামৰূপ জিলাৰ সুকন্যানি আৰু গোৱালপাৰাৰ মাৰে গান-গোৱা ওজাপালিৰ সংগীতত ৰাগৰ পৰিবৰ্তে সুৰৰ প্ৰাধান্যহে পৰিলক্ষিত হয়।

## সামৰণি

অসমৰ প্ৰাচীন সংগীত আৰু অভিনয়ৰ ধাৰা বহন কৰি লৈ অনা ওজাপালি অনুষ্ঠানটো এতিয়া দৰং, কামৰূপ, নলবাৰী, বৰপেটা আৰু গোৱালপাৰাৰ জিলাত আছে। সত্ৰীয়া ওজাপালি দুই এখন সত্ৰত জীৱন্ত ভাবে আছে যদিও ইয়াৰ প্ৰাচীন পৰম্পৰা প্ৰায় লুপ্ত হৈ আহিব ধৰিছে। ব্যাসৰ ওজাপালি কামৰূপত প্ৰায় লোপ পোৱা বুলিয়ে ক'ব পাৰি। দৰং জিলাত ব্যাসগোৱা আৰু সুকন্যানি ওজাপালিৰ প্ৰশিক্ষণ কেন্দ্ৰ গঢ়ি উঠিছে আৰু তাৰ ফলত এই দুয়োবিধ ওজাপালিয়ে প্ৰাচীন বৈশিষ্ট্য ৰক্ষা কৰিবলৈ সমৰ্থ হৈছে।

আধুনিক যুগৰ সংগীতৰ লগত ফেৰ মাৰিব নোৱাৰাৰ বাবে লগতে মানুহৰ ৰুচি সলনি হোৱাৰ বাবে ওজাপালি অনুষ্ঠানে দুৰ্যোগ ভোগ কৰিব লগাত পৰিছে; কিন্তু দুৰ্গা পূজা, মনসা পূজা, বিশ্বকৰ্মা পূজা, বাসুদেৱ পূজা আদি পূজাত ওজাপালিৰ পৰিবেশন এতিয়াও অব্যাহত আছে। অনাতাঁৰ আৰু দূৰদৰ্শনৰ সৌজন্যতো ওজাপালিৰ অনুষ্ঠানে এই আধুনিক যুগতো তিষ্ঠি থকাৰ প্ৰেৰণা পাইছে।

## 20.2.8 আলোচনা

এতিয়া ওজাপালি অনুষ্ঠানত ব্যৱহৃত বাদ্য-যন্ত্ৰ, ৰাগ-ৰাগিণী আৰু বৰ্তমান সময়ত ওজাপালিৰ স্থান সম্পৰ্কে আলোচনা কৰোঁ আহা। ওজাপালি অনুষ্ঠানত তাল-জাতীয় বাদ্যই প্ৰধানকৈ ব্যৱহাৰ কৰা হয়। ব্যাসগোৱা ওজাপালিয়ে তাল আৰু নেপুৰ ব্যৱহাৰ কৰে। তাল কোনো বিধ ওজাই নবজায়। পালিসকলেহে তাল বজায়। আনহাতে ব্যাসগোৱা, ভইৰা আৰু সত্ৰীয়া ওজাপালিয়ে দুয়োহাতে তাল বজায়; কিন্তু সুকন্যানি বা মাৰে গানগোৱা ওজাপালিয়ে কেৱল এখন হাতেৰে তাল বজায়। তেওঁলোকে সোঁ হাতেৰে তাল বজায়। মন কৰিবলগীয়া কথা যে দৰং জিলাৰ ব্যাসপাৰাৰ দৈবজ্ঞ ব্ৰাহ্মণসকলৰ ব্যাহগোৱা ওজাপালিৰ ওজাই তৌৰ্য্যত্ৰিক বা মুদ্ৰাযন্ত্ৰ নামৰ এবিধ যন্ত্ৰ হাতত লয়। এই মুদ্ৰা যন্ত্ৰ দৰঙী ৰজাৰ ঘৰত বিষ্ণু, শিৱ, আৰু দুৰ্গাৰ জাগৰৰ গীত গাওঁতে ওজাই হাতত লয়। এই মুদ্ৰাযন্ত্ৰৰ কোনো ধ্বনি বা তাল নাই।

ই এবিধ প্ৰতীক মাথোন।

সুকনানি ওজাপালি আৰু মাৰে গান গোবা ওজাপালি উভয়ে মনসা বা পদ্মাদেৱীক জগোৱাৰ সময়ত দেওধনীয়ে নৃত্য কৰোতে জয়ঢোল বা মাদল ঢোল বজায়।

ওজাপালি অনুষ্ঠানত ৰাগ-ৰাগিণীৰ প্ৰাধান্য আছে। সুকনানি ওজাপালিৰ তুলনাত ব্যাহগোৱা ওজাপালি অধিক ৰাগ প্ৰধান। ব্যাসগোৱা ওজাপালি শাস্ত্ৰীয় ৰাগ-ৰাগিণীৰ ওপৰত প্ৰতিষ্ঠিত।

মানুহৰ ৰুচি সলনি হোৱাৰ বাবে আৰু আধুনিক যুগৰ সংগীতৰ লগত ফেৰ মাৰিব নোৱাৰাৰ কাৰণে ওজাপালি অনুষ্ঠানৰ প্ৰভাৱ কিছু কমি আহিছে; কিন্তু দুৰ্গা পূজা, মনসা পূজা, বিশ্বকৰ্মা পূজা, বাসুদেৱ পূজা আদিত ওজাপালিয়ে বৰ্তমানো গীত পৰিবেশন কৰে।

## 20.2.9 তৃতীয় ভাগ পাঠৰ প্ৰশ্নাৱলী

### (চুটি প্ৰশ্ন)

এতিয়া আহা আমি মুদ্ৰিত প্ৰতিলিপিৰ তৃতীয় ভাগৰ চুটি প্ৰশ্ন আলোচনা কৰোঁ।

১৫। ওজাপালি অনুষ্ঠানত প্ৰধানকৈ কোনে ধৰণৰ বাদ্য ব্যৱহাৰ কৰা হয়?

১৬। ওজাপালি অনুষ্ঠানত কোনে তাল নবজায়?

১৭। কোন কোন ওজাপালিয়ে দুয়োখন হাতেৰে তাল বজায়?

১৮। কোন ওজাই তৌৰ্যত্ৰিক বা মুদ্ৰাযন্ত্ৰ হাতত লয়?

১৯। দেওধনীয়ে নৃত্য কৰোঁতে কোনে কেতিয়া জয়ঢোল বা মাদল ঢোল বজায়?

২০। সুকনানি ওজাপালিৰ তুলনাত কোন বিধ ওজাপালি অধিক ৰাগ প্ৰধান?

২১। ওজাপালি অনুষ্ঠানৰ প্ৰসাৰতা কি কাৰণে কিছু কমি আহিছে ?

## 20.3 মূল পাঠৰ সাৰাংশ

ওজাপালি অনুষ্ঠাটো অসমৰ প্ৰচীন দৃশ্য-শ্ৰব্য কলাশৈলী। ওজাপালিৰ লগত গীত, নৃত্য আৰু অভিনয় এই তিনিওটা বস্তু জড়িত হৈ আছে। ওজাপালি সৰ্বভাৰতীয় কথকতাৰ ওপৰত ভিত্তি কৰি বিকশিত হৈছে। এই অনুষ্ঠানে ৰামায়ণ, মহাভাৰত আৰু পুৰাণৰ কাহিনী গাই জনসাধাৰণক আমোদ দিয়ে। এই কলাশৈলীটো মৌখিক পৰম্পৰা হিচাপে প্ৰৱাহত হৈ আহিছে।

ভাৰতীয় পৰম্পৰাত সংগীতৰ ধাৰা অসমৰ ওজাপালিয়ে কঢ়িয়াই আনিছে। ওজাপালিয়ে নাট্যশাস্ত্ৰ আৰু অভিনয় দৰ্পণৰ ওপৰতো নিৰ্ভৰ কৰিছিল। সেইবোৰ ওজাপালিক ভাৰতীয় সংগীতৰ এটা ধাৰা বুলিবও পাৰি।

ওজাপালিৰ গুৰি সৰ্বভাৰতীয় কথকতা। ইয়াৰ বিকাশ সৰ্বভাৰতীয় কথকতাৰ পৰাই ঘটিছে। কথকতাৰ আক্ষৰিক অৰ্থ হ'ল কথকৰ কাৰ্য্য। এই কথক হ'ল গায়ক বা গায়কৰ দল। কথকে নৃত্য-গীতৰ যোগেদি মূল মহাকাব্য বা পুৰাণৰ কাহিনী দৰ্শকৰ আগত আবৃত্তি কৰি শুনায়। সেইবাবে কথকক আবৃত্তি কাৰকো বুলিব পাৰি। এই কথকতাৰ পৰম্পৰা বিশাল ভাৰতবৰ্ষত পুৰণি কালত বিয়পি আছিল আৰু বৰ্তমানলৈ অখণ্ড পৰম্পৰা হিচাপে চলি আহিছে।

কথকৰ দুটা ভাগ। এটা হ'ল পাঠক আৰু আনটো হ'ল ধাৰক। পাঠকে কবিতা বা গীত দোহাৰে আৰু ধাৰকে মানুহক শিক্ষা দিবলৈ দেশীয় ভাষাত তাক বুজাই দিয়ে। এই কাম ওজাপালি অনুষ্ঠানত ওজা আৰু দাইনাপালিয়ে কৰে। ওজাই মূল গীত শ্ৰোতাক গাই শুনায় আৰু দাইনাপালিয়ে শ্ৰোতাই নুবুজা কথাখিনি সহজ ভাষাত বুজাই দিয়ে।

সূত পৰম্পৰা কথকতা পৰম্পৰাৰ পৰাই ওলাইছে। সূতৰ আক্ষৰিক অৰ্থ হ'ল কবি, গায়ক আৰু আবৃত্তি কাৰক। কথকে যিদৰে কাহিনী আবৃত্তি কৰে, সেইদৰে সূতেও কাহিনী আবৃত্তি কৰে। সূতসকল কথকতা পৰম্পৰাৰ পোনপটীয়া বাহক। সূতসকলৰ পৰম্পৰা বৈদিক সাহিত্যত আছে। সূত পৰম্পৰা মহাকাব্যৰ বীৰগাথাৰ যোগেদি আৰম্ভ হয়। সূত পৰম্পৰাটো কথকতা পৰম্পৰাৰ পৰাই ওলাইছে আৰু ওজাপালি অনুষ্ঠানটোও এই কথকতা আৰু সূত পৰম্পৰাৰ পৰাই নিঃসৃত হৈছে। কথকে মহাকাব্যৰ যুগত সূত হিচাপে দেখা দিয়ে আৰু সূতসকলেই ওজাপালি, ভাগৱতাৰ আৰু কথাবচন আদি বিভিন্ন কলশৈলীৰ ৰূপ লয়।

ওজাপালি অনুষ্ঠানটো বিশেষকৈ বিয়াহৰ ওজাপালি (ব্যাস সংগীত) ভাৰতীয়

দৃশ্য-শ্ৰব্য মাৰ্গী কলাশৈলীৰ পৰম্পৰাৰ লগত জড়িত। প্ৰাগজ্যোতিষ,- কামৰূপ (পুৰণি অসম)ত বহু ব· ৰ আগৰ পৰাই মাৰ্গী সংগীতৰ ধাৰা এটা আছিল। প্ৰাকৃতিক আৰু ৰাজনৈতিক কাৰণত অসমৰ মাৰ্গী সংগীতৰ ধাৰাত বাধা জন্মে যদিও ওজাপালি অনুষ্ঠানৰ যোগেদি মাৰ্গী সংগীতৰ ধাৰাটো প্ৰৱাহিত হৈ থাকিল।

ওজাপালি অনুষ্ঠানটো ৰ্বভাৰতীয় একেটা উৎসৰ পৰাই নিৰ্গত হৈছে, যিটোক ইতিমধ্যে সৰ্বভাৰতীয় কথকতা পৰম্পৰা বোলা হৈছে। সেয়ে ওজাপালি অনুষ্ঠানৰ লগত ভাৰতৰ বিভিন্ন ঠাইৰ কলাশৈলীৰ সাদৃশ্য আছে, যেনে- অসমৰ গোৱালপাৰা আৰু বংগদেশৰ কুশান গান, পশ্চিম বংগৰ পাঞ্চালি গান, উৰিষ্যাৰ দাস-কঠিয়া আৰু পালনাম, উত্তৰ প্ৰদেশৰ আল্হা ভৰথৰী আৰু অহিৰ, মধ্যপ্ৰদেশৰ পুনৰম, জন্মু আৰু কাশ্মীৰৰ ভন্দপথৰ, উত্তৰ প্ৰদেশৰ ৰামলীলা, মহাৰাষ্ট্ৰৰ পাৱাড়া, কৰ্ণাটকৰ যক্ষগান, কেৰলাৰ কুট্টু আদি।

ভাষা আৰু বৰ্ণনা কৌশলৰ ফালৰ পৰা ওজাপালিত স্থানীয় ৰূপ থাকিলেও ইয়াৰ মাজত সৰ্বভাৰতীয় বৈশিষ্ট্য বিদ্যমান।

বিষয় বস্তু অনুসৰি ওজাপালি অনুষ্ঠানটোক দুটা বহল ভাগত ভগাব পাৰি ঃ

(১) মহাকাব্য আশ্ৰিত ওজাপালি আৰু (২) মহাকাব্যভিন্ন অন্য উৎস আশ্ৰিত ওজাপালি। ব্যাস সংগীত বা বিয়াহ গোৱা ওজাপালি, ৰামায়ণ সংগীত, ভাউৰা ওজাপালি, দুৰ্গাবৰী ওজাপালি, সত্ৰীয়া ওজাপালি, পাঞ্চালি আৰু দুলড়ি ওজাপালি মহাকাব্য আশ্ৰিত ওজাপালিৰ ভিতৰত পৰে। আনহাতে সুকনানি ওজাপালি, বিষহৰিৰ গান, মাৰে পূজাৰ গান, পদ্মপুৰাণৰ গান আদি মহাকাব্যভিন্ন অন্য উৎস আশ্ৰিত ওজাপালি।

ব্যাহগোৱা ওজাপালিয়ে ঘনযন্ত্ৰ ব্যৱহাৰ কৰে। এই ঘন-যন্ত্ৰৰ ভিতৰত তাল আৰু নেপুৰ উভয়কে ধৰা হয়। ব্যাহগোৱা ওজাপালিয়ে দুয়োহাতে তাল বজায়; কিন্তু ওজাই তাল নবজায়। সুকনানি ওজাপালিয়ে তাল আৰু ঢোলজাতীয় বাদ্য বজায়। সুকনানি ওজাপালিত পালিয়ে সোঁহাতেৰে তাল বজায়। এইবিধ ওজাপালিতো ওজাই তাল নবজায়। ব্যাহগোৱা ওজাপালিৰ দৰে সত্ৰীয়া ওজাপালিয়ে দুয়োখন হাতেৰে তাল বজায়। এই বিধ ওজাপালিতো পালিৰ বাহিৰে ওজাই তাল নবজায়।

সুকনানি ওজাপালিৰ তুলনাত ব্যাহগোৱা ওজাপালি অধিক ৰাগ প্ৰধান। ব্যাসগোৱা ওজাপালি শাস্ত্ৰীয় ৰাগ-ৰাগিণীৰ ওপৰত প্ৰতিষ্ঠিত।

## 20.4 সাংস্কৃতিক টোকা

**(১) দাসকাঠিয়া** দাসকাঠিয়া উৰিষ্যাৰ এটা জনপ্ৰিয় কলাশৈলী। দাসকঠিয়া হ'ল দুজনীয়া গায়কৰ দল। তাৰে প্ৰধান জনক গায়ক আৰু তেওঁক সহয় কৰোতাজনক পালিয়া বোলে। ওজাপালি অনুষ্ঠানত পালিয়ে ওজাক সহায় কৰাৰ দৰে দাসকঠিয়া কলাশৈলীতো পালিয়াই গায়কক সহায় কৰে।

**(২) পালাগান** উৰিষ্যাৰ পালাগান বা পালৰো ওজাপালিৰ লগত সাদৃশ্য আছে। ওজাপালিৰ দৰে পালাগানতো গায়ক থাকে। গায়কেই হ'ল দলটোৰ দলপতি। গায়কৰ সহায়কসকলক পালিয়া বুলি জনা যায় আৰু তেওঁলোকে তাল বজায়। পালিসকলৰ মাজৰ প্ৰধানজনক মুখ্যপালিয়া বা শিৰপালিয়া বোলে। তেওঁ গায়কৰ প্ৰধান সহায়ক আৰু গায়কে গীতৰ কিবা পাহৰিলে তেওঁ মনত পেলাই দিয়ে। তেওঁ গীতৰ অৰ্থ দৰ্শকক বুজাই দিয়ে।

**(৩) পাঞ্চালি গান** কথকতা পৰম্পৰাৰ ওপৰত প্ৰতিষ্ঠিত পশ্চিমবংগৰ পাঞ্চালিগান বৰ জনপ্ৰিয় কলাশৈলী। এই কলাশৈলীৰ গীতৰ বিষয়বস্তু ৰামায়ণ, মহাভাৰত নতুবা ভাগৱত পুৰাণৰ পৰা লোৱা হয়। তদুপৰি প্ৰয়োজন সাপেক্ষে স্থানীয় আৰু জনপ্ৰিয় কাহিনীও এই কলাশৈলীত পৰিৱেশন কৰে। অসমৰ ওজাপালি বিশেষকৈ পাঞ্চালি ওজাপালিৰ সৈতে বংগদেশৰ পাঞ্চালি গানৰ কিছু সাদৃশ্য আছে।

**(৪) পাৰড়া** মহাৰাষ্ট্ৰৰ পৰম্পৰাগত দৃশ্য-শ্ৰব্য কলাশৈলীৰ ভিতৰত পাৰড়া প্ৰাচীন ৰূপ। ৰজা আৰু ৰাজকুমাৰসকলৰ সাহসিক কাৰ্য্য কলাপবোৰ ইয়াত বৰ্ণিত হয়। পাৰাড়া শব্দৰ বুৎপত্তিগত অৰ্থ হ'ল বিদ্যানীজনৰ বীৰ কাৰ্য্যৰ বৰ্ণনা। ওজাপালিৰ দৰে ইও দলীয় নৃত্য-গীত। ইয়াৰ দলপতি জনক চহিৰ বুলি জনা যায়। ওজা আৰু চহিৰৰ মাজত ভালেখিনি সাদৃশ্য আছে।

**(৫) আহ্লা** মহাৰাষ্ট্ৰৰ পাৰাড়াৰ নিচিনাকৈ উত্তৰ প্ৰদেশ আৰু মধ্য প্ৰদেশত বীৰ-গাথাগোৱা আহ্লা কলাশৈলী আছে। এই অনুষ্ঠানটো অতি প্ৰাচীন অনুষ্ঠান। আহ্লা আৰু ওজাপালি উভয়ে ইয়াৰ বিষয়বস্তু পৰিবেশন আৰু গীতগোৱাৰ কৌশলৰ বাবে জনপ্ৰিয়তা লাভ কৰিছে। ওজাপালিৰ দৰে আহ্লাটোএটা দীঘলীয়া কাহিনী আবৃত্তি কৰা হয়।

**(৬) ভৰথৰী** উত্তৰ প্ৰদেশৰ ভৰথৰী কলাশৈলীয়ো সৰ্বভাৰতীয় কথকতা পৰম্পৰাৰ ওপৰত প্ৰতিষ্ঠিত। ওজাপালিৰদৰে ভৰথৰীয়ো দলীয় নৃত্য গীতৰ অনুষ্ঠান। উত্তৰ প্ৰদেশত বেলাড বা মালিতা ৰূপত থকা ৰজা ভৰথৰীৰ কাহিনী ভৰথৰী

কলাশৈলীয়ে বৰ্ণনা কৰে।

**(৭) অহিৰ** উত্তৰ প্ৰদেশৰ অহিৰ কলাশৈলীৰ গুৰিতেই বিখ্যাত কথকতা পৰম্পৰাই আছে। অহিৰ শব্দটো সংস্কৃত অভিৰম শব্দৰপৰা ওলাব পাৰে। ওজাপালি অনুষ্ঠানৰ দৰে অহিৰ কলাশৈলীতো নৃত্য, গীত, অভিনয় আৰু বাদ্যৰ সংযোগ আছে।

**(৮) ভন্দপথৰ** জন্মু আৰু কাশ্মীৰ আৰু পাঞ্জাবৰ ভন্দপথৰ (বোন্দ-পথৰ) ওজাপালি অনুষ্ঠানৰ নিচিনা পুৰণি কলাৰ পৰা চলি অহা নৃত্য-গীত আৰু অভিনয় কৰা কলাশৈলী।

**(৯) ৰামলীলা** সমগ্ৰ উত্তৰ ভাৰতত প্ৰচলিত জনপ্ৰিয় কলাশৈলীৰ ভিতৰত ৰামলীলা অন্যতম। ৰামলীলাৰ প্ৰধান বৈশিষ্ট্য হ'ল— ই কোনো এটা অঞ্চলতে সীমাবদ্ধ নহয়। ই প্ৰায়বোৰ অঞ্চলতে প্ৰদৰ্শিত হয়। উত্তৰ প্ৰদেশ, মধ্য প্ৰদেশ, হাৰিয়ানা, ৰাজস্থান, পাঞ্জাব আৰু বিহাৰ আদি হিন্দীভাষী ৰাজ্যত প্ৰচলিত নাটকীয় গুণ বিশিষ্ট কলাশৈলী হ'ল ৰামলীলা। বিষয়বস্তুৰ প্ৰসিদ্ধ, গঠন আৰু পৰিবেশনৰ ফালৰ পৰা ওজাপালিৰ ৰামলীলাৰ সৈতে ভালেখিনি সাদৃশ্য আছে।

**(১০) যক্ষগান** কৰ্ণাটকৰ দাঁতিকাষৰীয়া গাঁৱত প্ৰচলিত ধৰ্মীয় আৰু অতি আড়ম্বৰপূৰ্ণ যক্ষগানত গীত, নৃত্য, বাদ্য আৰু অভিনয়ত প্ৰাথমিক গুৰুত্ব দিয়া হয়। যক্ষগানৰ বিষয়বস্তু প্ৰায়ে মহাভাৰত, ৰামায়ণ আৰু ভাগৱত পুৰাণৰ পৰা গ্ৰহণ কৰে। যুদ্ধ-বিগ্ৰহ আদিৰ লগত সংযোগ থকা কাহিনীক ইয়াত প্ৰাধান্য দিয়ে। যক্ষগান গীত-বাদ্য আৰু নাটকীয় উপাদানেৰে সমৃদ্ধ কলাশৈলী। সেইকলাৰ পৰা ওজাপালিৰ যক্ষগানৰ লগত সাদৃশ্য আছে।

**(১১) কুট্টু** কেৰলাৰ দৃশ্য-শ্ৰব্য কলাশৈলী কুট্টুৰ সৈতেও ওজাপালিৰ সাদৃশ্য আছে। অসমৰ ওজাপালিৰ নিচিনাকৈ কুট্টু কলাশৈলীতো ৰামায়ণ মহাভাৰতৰ কাহিনী আবৃত্তি কৰে। কুট্টু অনুষ্ঠানৰ মুখ্য গায়ক হ'ল চাকিয়াৰ। ওজাৰ নিচিনাকৈ কুট্টুৰ গায়ক চাকিয়াৰে মুদ্ৰা আৰু তালৰাখি নৃত্য কৰে। গীতৰ বৰ্ণনা কৰিবলগীয়া অংশ আবৃত্তি আৰু ব্যাখ্যা কৰে।

**(১২) পুনৰম** মধ্যপ্ৰদেশৰ পুনৰম বৃত্তিধাৰী নৃত্য-গায়কৰ লগত ওজাপালিৰ সাদৃশ্য আছে। ওজাপালিৰ দৰে পুনৰম কলাশৈলীতো মহাভাৰতৰ কাহিনী আবৃত্তি কৰা হয়। পুনৰম এজন ব্যক্তিৰ দ্বাৰা প্ৰদৰ্শিত অনুষ্ঠান; কিন্তু এই এজন ব্যক্তিয়ে মহাকাব্যৰ অনেক চৰিত্ৰ উপস্থাপন কৰিব পাৰে।

**(১৩) মেইতেই জাগই** মণিপুৰৰ আড়ম্বৰপূৰ্ণ দৃশ্য-শ্ৰব্য কলাশৈলীৰ ভিতৰত

মেইতেই জাগ'ই' উল্লেখনীয় ভূমিকা আছে। বিখ্যাত লাইদাৰোৱা কলাশৈলীৰ ই এটা প্ৰধান অংশ। মেইতেই জাগইৰ ওজাপালিৰ লগত বিশেষকৈ নৃত্য কৌশলৰ প্ৰসংগৰ ''লৰ পৰা বৰ আচৰিত সাদৃশ্য আছে।

**(১৪) কুশান গান** অসমৰ গোৱালপাৰা আৰু বংগদেশৰ উত্তৰাঞ্চলৰ অতি জনপ্ৰিয় দৃশ্য-শ্ৰব্য কলাশৈলীৰ ভিতৰত কুশান গান অন্যতম। কুশানগানতো গীত, নৃত্য আৰু অভিনয় আছে। ৰামৰ কনিষ্ঠ পুত্ৰ কুশৰ পৰা কুশান শব্দটো ওলাইছে। গান শব্দই গীতক বুজয়। ওজাপালিৰ নিচিনাকৈ কুশানগানত মুখ্য গায়ক এজন থাকে; তেওঁক মূল বা মৌল আৰু গীতাল বা গীদাল বুলি জনা যায়। কুশান গানৰ গীতালৰ প্ৰধান সহায়কজনক দোহাৰি বা দোৱাৰি বুলি জনা যায়। গীতাল আৰু দোহাৰিৰ উপৰি কুশানগান দলটোত ১৫ ৰ পৰা ২০ জনলৈ সহায়ক থাকে। তেওঁলোকক 'পাইল' বুলি জনা যায়।

## 20.5 সাধাৰণ অনুশীলনী

এতিয়া তুমি তলৰ প্ৰশ্নকেইটাৰ উত্তৰ নিজে কৰিবলৈ চেষ্টা কৰাঁ ঃ

২২। ওজাপালিক ভাৰতীয় সংগীতৰ এটা ধাৰা কিয় বুলিব পাৰি লিখা?

২৩। কথকতা পৰম্পৰা বুলিলে তুমি কি বুজা আলোচনা কৰাঁ।

২৪। সূত পৰম্পৰা ক'ৰ পৰা নিঃসৃত হৈছে? সূত পৰম্পৰাৰ বিষয়ে তুমি কি জানা লিখাঁ।

২৫। কুশান গান, দাসকাঠিয়া, পালা গান, পাঞ্চালি গান, পুনৰম, পাৱাড়া, কুত্ৰৰ বিষয়ে একোটা চমুটোকা প্ৰস্তুত কৰা।

২৬। মহাকাব্য আশ্ৰিত ওজাপালিৰ ভাগ আৰু উপভাগ কেইটাৰ নাম লিখাঁ।

২৭। ওজাপালি অনুষ্ঠানৰ বাদ্যযন্ত্ৰৰ বিষয়ে তুমি কি জনা লিখাঁ।

২৮। ওজাপালি কলাশৈলীটো কি পৰম্পৰা হিচাপে প্ৰৱাহিত হৈ আছে?

২৯। নাট্যশাস্ত্ৰ আৰু অভিনয় দৰ্প' ' ওপৰত কোনবিধ ওজাপালিয়ে বিশেষকৈ নিৰ্ভৰ কৰিছিল?

৩০। পাঠক আৰু ধাৰকে কি কৰে?

৩১। অসমৰ মাৰ্গী সংগীতৰ ধাৰাত কি কাৰণত বাধা জন্মিছিল?

৩২। অসমৰ মাৰ্গী সংগীতৰ ধাৰা কি অনুষ্ঠানৰ যোগেদি প্ৰৱাহিত হৈ থাকিল?

**ব্যাকৰণগত অনুশীলনী**

৩৩। সন্ধি কৰা আৰু ভাঙা ঃ

| | |
|---|---|
| উচ্চ + অঙ্গ, | প্ৰাক + জ্যোতিষপুৰ |
| বহুলাংশে | ইত্যাদি |
| পাঠাংশ | |

**বাক্য ৰচনা কৰা ঃ**

| | |
|---|---|
| নোহোৱা-নোপোজা | আওতা |
| খুটি তাল | আপুৰুগীয়া |

## 20.6 চমু প্ৰশ্নৰ উত্তৰ সংকেত

১। কথকতাৰ পোনপটীয়া অৰ্থ হ'ল কথকৰ কাৰ্য্য।

২। কথক মানে হ'ল গায়ক বা গায়কৰ দল।

৩। কথকতাৰ পৰম্পৰা বিশাল ভাৰতবৰ্ষত বিয়পি ২,

৪। কথকতাৰ পৰম্পৰা প্ৰথমে মন্দিৰবোৰত বিয়পি আছিল আৰু তাৰ পাছত ই গাঁওবোৰলৈ বিস্তাৰিত হৈছিল।

৫। সূত পৰম্পৰাটো কথকতা পৰম্পৰাব পৰাই ওলাইছে।

৬। অসমৰ ওজাপালি অনুষ্ঠানটো কথকতা আৰু সূত পৰম্পৰাৰ পৰাই নিঃসৃত হৈছে।

৭। প্ৰথমে ওজাপালিৰ গীতৰ মাধ্যম সংস্কৃত আছিল।

৮। নানান তথ্যৰ ভেটিত ওজাপালিৰ সময় খৃষ্টপূৰ্ব প্ৰথম শতিকামানৰ পৰা আছিল বুলি ধৰিব পাৰোঁ।

৯। অসম প্ৰাচীন কালত প্ৰাগ্‌জ্যোতিষ বা কামৰূপ নামেৰে জনা গৈছিল।

১০। গীত, নৃত্য আৰু বাদ্য প্ৰথমে মন্দিৰবোৰৰ লগত জড়িত আছিল।

১১। বৈদিক আৰ্য্যসকলে উত্তৰ ভাৰতৰ পৰা প্ৰাগ্‌জ্যোতিষ কামৰূপত প্ৰৱেশ কৰোতে কথকতা ৰীতি আৰু মাৰ্গী কলাশৈলীৰ পৰম্পৰাও তেওঁলোকৰ লগতে অসমত প্ৰৱেশ কৰে।

১২। অসমৰ ওজাপালিৰ লগত সাদৃশ্য থকা ভাৰতৰ দৃশ্য-শ্ৰব্য কলাশৈলী দুটাৰ নাম হ'ল— (১) পশ্চিম বংগৰ পাঞ্চালি গান (২) উৰিষ্যাৰ দাসকাঠিয়া (৩) উত্তৰ প্ৰদেশৰ আহ্লা, ভৰথৰী ইত্যাদি।

১৩। বিষয় বস্তু অনুসৰি ওজাপালি অনুষ্ঠানটো যি দুটা বহল ভাগত ভগাব পাৰি সেই দুটা হ'ল (১) মহাকাব্য আশ্ৰিত ওজাপালি আৰু (২) মহাকাব্যভিন্ন অন্য উৎস আশ্ৰিত ওজাপালি।

১৪। কাহিনী পৰিবেশনৰ উপৰি ওজাপালিয়ে মনোৰঞ্জন আৰু অন্যান্য সামাজিক চাহিদা পূৰণ কৰে।

১৫। ওজাপালি অনুষ্ঠানত প্ৰধানকৈ তাল জাতীয় বাদ্যই ব্যৱহাৰ হয়।

১৬। ওজাপালি অনুষ্ঠানত ওজাই তাল নবজায়।

১৭। ব্যাহগোৱা, ভাইৰা আৰু সত্ৰীয়া ওজাপালিয়ে দুয়োহাতে তাল বজায়।

১৮। দৰং জিলাৰ ব্যাসপাৰাৰ দৈবজ্ঞ ব্ৰাহ্মণসকলৰ ব্যাহগোৱা ওজাপালিৰ ওজাই তৌৰ্য্যত্ৰিক বা মুদ্ৰাযন্ত্ৰ হাতত লয়।

১৯। সুকনানি ওজাপালি আৰু মাৰে গান গোৱা ওজাপালি উভয়ে মনসা বা পদ্মাদেৱীক জগোৱাৰ সময়ত দেওধনীয়ে নৃত্য কৰোতে জয়ঢোল বা মাদল ঢোল বজায়।

২০। সুকনানি ওজাপালিৰ তুলনাত ব্যাহগোৱা ওজাপালি অধিক ৰাগ প্ৰধান।

২১। মানুহৰ ৰুচি সলনি হোৱাৰ বাবে আৰু আধুনিক যুগৰ সংগীতৰ লগত ফেৰ মাৰিব নোৱাৰা কাৰণে ওজাপালি অনুষ্ঠানৰ প্ৰভাৱ কিছু কমি আহিছে।

২২ নম্বৰৰ পৰা ২৭ নম্বৰ প্ৰশ্নলৈ উত্তৰ তুমি নিজে কৰা।

২৮। ওজাপালি কলাশৈলীটো মৌখিক পৰম্পৰা হিচাপে প্ৰৱাহিত হৈ আছে।

২৯। নাট্যশাস্ত্ৰ আৰু অভিনয় দৰ্পণৰ ওপৰত বিশেষকৈ ব্যাসগোৱা ওজাপালিয়ে নিৰ্ভৰ কৰিছিল।

৩০। পাঠকে কবিতা বা গীত দোহাৰে আৰু ধাৰকে মানুহক শিক্ষা দিবলৈ দেশীয় ভাষাত তাক বুজাই দিয়ে।

৩১। প্ৰকৃতিক আৰু ৰাজনৈতিক কাৰণত অসমৰ মাৰ্গী সংগীতৰ ধাৰাত বাধা জন্মিছিল।

৩২। অসমৰ মাৰ্গী সংগীতৰ ধাৰা ওজাপালি অনুষ্ঠানৰ যোগেদি প্ৰবাহিত হৈ থাকিল।

## 20.7 অতিৰিক্ত পঠন উপদেশ

অসমৰ ওজাপালি অনুষ্ঠানৰ বিষয়ে তুমি অধিক কথা জানিবলৈ ড° নবীন চন্দ্ৰ শৰ্মা ৰচিত 'অসমৰ পৰিবেশ কলা ওজাপালি' গ্ৰন্থখন পঢ়িব পাৰা। এই পাঠ লিখকেৰ 'এ ষ্টাডি অব দি ওজাপালি আৰ্ট ফৰ্ম অব আসাম' খন পঢ়িবা।

## 20.8 ছাত্ৰ-ছাত্ৰীক প্ৰশ্ন কৰিবলৈ দিয়া সংকেত

তুমি এই পাঠত যিবোৰ কথা পঢ়িলা তাত কিবা যদি বুজি নোপোৱা কথা আছে তেনেহ'লে তুমি আমালৈ লিখিব পাৰা।

গোট নং 21

# বৰবৰুৱাৰ গাত চ'তৰ বিহু

ৰচনা ঃ লক্ষ্মীনাথ বেজবৰুৱা

## 21.1 পাতনি আৰু উদ্দেশ্যাৱলী

১৮৩৬ চনত অসমৰ স্কুল আৰু কাছাৰীৰ পৰা অসমীয়া ভাষা উঠাই দি বাংলা ভাষা প্ৰবৰ্তন কৰা হয়। পিছত আমেৰিকাৰ মিছনেৰীসকলৰ চেষ্টাত আৰু আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্ৰ গোস্বামী আদি এচাম শিক্ষিত অসমীয়াৰ আহোপুৰুষাৰ্থ সংগ্ৰামৰ ফলত ১৮৭৩ চনত অসমীয়া ভাষাই হেৰুওৱা সন্মান ঘূৰাই পায়। সেই সময়ত পাশ্চাত্যৰ ভাৱধাৰাৰে অনুপ্ৰাণিত হৈ, বাংলাৰ আৰ্হি চাই এচাম অসমীয়া পণ্ডিতে অসমীয়া সাহিত্যৰ ভঁৰাল টনকিয়াল কৰিবলৈ উঠি পৰি লাগে। ফলত ৰোমাণ্টিক ভাবধাৰাৰ নানা গল্প, উপন্যাস, কবিতা আৰু নাটকৰ সৃষ্টি হয়। এই সময়তে ইংৰাজী সাহিত্যৰ পপ, এডিচন, ফিল্ডিং, শুইফ্ট আদিৰ ব্যঙ্গ ৰচনাৰ আৰ্হিত অসমীয়া সাহিত্যতো ব্যঙ্গাত্মক, খুহুতীয়া ৰচনাৰ পৰম্পৰা প্ৰবৰ্তিত হয়। এই পৰম্পৰাৰ বাটকটকীয়া হ'ল লক্ষ্মীনাথ বেজবৰুৱা। এই পাঠত বেজবৰুৱাৰ 'বৰবৰুৱাৰ গাত চ'তৰ বিহু' নামৰ খুহুতীয়া ব্যঙ্গাত্মক ৰচনাখনি সন্নিবিষ্ট কৰা হৈছে। ৰচনাখনিত সেই সময়ৰ অধঃপতিত সমাজত হেৰাই যাব খোজা অসমীয়া সংস্কৃতিৰ অৱক্ষয়মান ছবি এটা ফুটাই তোলা হৈছে।

এই পাঠটি পঢ়িলে তুমি জানিবলৈ পাবা ঃ

- ব্যঙ্গাত্মক লেখাৰ বিষয়বস্তু আৰু ৰচনাশৈলী কেনেকুৱা,
- বেজবৰুৱাৰ ভাষা আৰু শব্দচয়ন কেনেকুৱা,
- সেইসময়ৰ সামাজিক মূল্যবোধ কেনেদৰে অৱক্ষয়মান হৈ গৈ আছিল,
- লেখকে বৰবৰুৱা ৰূপ লৈ কেনেকৈ পুৰণিকলীয়া মূল্যবোধৰ সংৰক্ষণ কৰিবলৈ বিচাৰিছিল,

◆ জটিল আৰু যৌগিক বাক্যৰীতিৰ প্ৰয়োগে ভাষা কেনেকৈ বলীষ্ঠ কৰি তোলে।

## 21.2 লেখক পৰিচিতি

এই ৰচনাখনিৰ ৰচক লক্ষ্মীনাথ বেজবৰুৱা। তেওঁৰ দেউতাক দীননাথ বেজবৰুৱা চৰকাৰী চাকৰিয়াল আছিল। বদলি হৈ নাবেৰে ডিবৰুলৈ (বৰ্তমান ডিব্ৰুগড়) গৈ থাকোতে, ডিব্ৰুগড়ৰ ওচৰত নাবৰ বুকুতেই লক্ষ্মীনাথৰ জন্ম হয়। শিৱসাগৰত তেওঁৰ বাল্য কালৰ শিক্ষা আৰম্ভ হয়। চাকৰিয়াল দেউতাক বিভিন্ন ঠাইলৈ বদলি হৈ থকাত তেওঁৰো পঢ়া শুনা স্থানৰ সঘন পৰিৱৰ্তন হয়। তেওঁ ১৮৮৬ চনত প্ৰবেশিকা পৰীক্ষা পাছ কৰে আৰু পিছত কলিকতাৰ পৰা বি এ উপাধি লাভ কৰে। তেওঁ এম. এ. আৰু বি. এল. অধ্যয়ন কৰে যদিও উপাধি নোলোৱাকৈয়ে পঢ়া জীৱনৰ সামৰণি মাৰিবলগা হয়। ১৮৯১ চনত তেওঁ বঙ্গ দেশৰ বিখ্যাত ঠাকুৰ পৰিয়ালৰ কন্যা প্ৰজ্ঞাসুন্দৰীক বিয়া কৰায়। পোনতে তেওঁ ভোলানাথ বৰুৱাৰ লগত ব্যৱসায়ত নামে আৰু শেষত উৰিষ্যাৰ সম্বলপুৰত নিজাকৈ কাঠৰ ব্যৱসায় কৰে। ১৯৩৮ চনত তেওঁ ডিব্ৰুগড়ত ইহলীলা সম্বৰণ কৰে।

বেজবৰুৱাৰ প্ৰায়বোৰ ৰচনাই হাস্যৰস সম্ভূত যদিও সেইবোৰ ৰচনা তত্ত্বগধূৰ আৰু ভাৱগধূৰ। কলিকতাত পঢ়ি থাকোতেই তেওঁ 'জোনাকী' কাকত প্ৰকাশত আগভাগ লয় আৰু 'বাঁহী' কাকত সম্পাদনা কৰে। তেওঁ সাহিত্যৰ আটাইবোৰ দিশতেই হাত ফুৰাইছিল। তেওঁৰ ৰচনাৱলী হ'ল ঃ কবিতাপুথি - 'কদমকলি'; গল্পপুথি 'সুৰভি' জোনবিৰি' 'কেহোঁকলি' ইত্যাদি; উপন্যাস- - 'পদুমকুঁৱৰী'; নাট –''জয়মতী, চক্ৰধ্বজ সিংহ', আৰু 'বেলিমাৰ'। ইয়াৰ বাহিৰেও তেওঁ 'চিকাৰপতি নিকৰপতি' 'নোমল আৰু পাচনি' আদি খুহতীয়া নাট কেইবাখনো ৰচনা কৰে। 'কৃপাবৰ বৰবৰুৱাৰ কাকতৰ টোপোলা', বৰবৰুৱাৰ বুলনি', 'বৰবৰুৱাৰ ভাবৰ বুৰবুৰণি' – আদি কেইবাখনো ব্যঙ্গাত্মক পুথি ৰচনা কৰে। 'জীৱন-সোঁৱৰণ', 'দীননাথ বেজবৰুৱাৰ জীৱনী', 'দিন-লেখা', 'পত্ৰ-লেখা আদি বেজবৰুৱা দেৱৰ জীৱনী সাহিত্যৰ চানেকি। অসমীয়া শিশু সাহিত্যৰ ভৰালত 'জুনুকা', 'বাখৰ', 'ককাদেউতা আৰু নাতিল'ৰা', 'বুঢ়ীআইৰ সাধু' আদি তেওঁৰ অতুলনীয় অৱদান। 'তত্ত্বকথা', 'শ্ৰীশ্ৰীশংকৰদেৱ আৰু মাধৱদেৱ চৰিত' আদি গধূৰ তত্ত্বমূলক পুথিও তেওঁ ৰচনা কৰে।

মুঠতে বেজবৰুৱাদেৱ একেধাৰে এগৰাকী ব্যঙ্গলেখক, চুটিগল্পৰ জনক, কবি, নাট্যকাৰ, গদ্যশিল্পী, সাংবাদিক, সমালোচক, শিশু-সাহিত্যিক আৰু পুৰণি

সাহিত্যৰ সমালোচক আছিল। এওঁৰ ৰচনাত অসমীয়া জাতিক জাতীয় প্ৰেৰণাৰে উদ্বুদ্ধ কৰাৰ প্ৰচেষ্টা দেখা যায়।

## 21.3 মূল পাঠ

### 21.3.1 মুদ্ৰিত প্ৰতিলিপিৰ প্ৰথম ভাগ

**বৰবৰুৱাৰ গাত চ'তৰ বিহু**

বোলোঁ বৰবৰুৱাৰ গাত আজি চ'তৰ বিহু লাগিছে। সেইদেখি তোমালোক অলপ আঁতৰি থাকা। বিহু গাত লাগিলে কি আৰু কেনে হয়, তোমালোকে নিশ্চয় জানা। নেজানিলে আচৰিত কথা আৰু মই নিৰুপায়। সি যি নহওক, জনা-নজনাৰ ভাৰ তোমালোকৰ গাত দি কওঁ যে আজি বৰবৰুৱাৰ গোটেইটো গাৰ নোমৰ গুৰিয়ে গুৰিয়ে বিহু-বতাহ সোমাই গাটো কিবা বোলে নে পিব্ পিৰাব লাগিছে। বতাহৰ লগত নিশ্চয় বিহুৰ ফাঁকুগুৰি মিহলি আছিল নতুবা বসন্তৰ হলেও অকল বতাহৰে ইমান প্ৰকোপ হোৱাটো টান। ক'লে কিজানি নপতিয়াবা কিন্তু কওঁ যে বৰবৰুৱাৰ গা আজি সাতখন আঠখন।

প্ৰথমতে বৰবৰুৱাৰ চ'তৰ বিহুৰ নাচোন এপাক নাচিবৰ মন গৈছে; কিন্তু সাহ নাই -- "দুখীয়া মানুহ কিনা।" নচাৰ বিপক্ষে এটা ডাঙৰ বিপদ এই যে বিহুনাচৰ থেকেৰা এফুলা কেনেবাকৈ ৰুচিগ্ৰস্তসকলৰ এৰাঁ গাখীৰত পৰিব লাগিলে সি ততালিকে কুচি ফাটিলেই সৰ্ব্বনাশ। কাটিলেই ধুন আৱাজ। বোলোঁ তেন্তে কৰা যায় কি? মাজতে বছৰেকৰ বিহুটো জানো ৰজা হবলৈ দিলে কিবা ভাল কাম হব? সেই দেখি কৃষ্ণক চিন্তি এই বাৰলৈ নাচনী বিহুৰ আন ৰং-ধেমালিকে কৰি মনটো তাপৰা যাওক বুলিছোঁ, যি থাকে কপালত।

আমাৰ দেশত বিহুত হেনো হাঁহকণী যুঁজায়। কিন্তু সেইটো কৰিবলৈ গলে বৰবৰুৱাক কিজানি তোমালোকে চহাকে বোলা বা? এই যুঁজত কিন্তু বৰবৰুৱা হবাৰ খুব সম্ভৱ কাৰণ তেওঁ যুঁজাবলৈ অনা 'কণীচয়' 'কণীগোলা' মাখন সদৃশ। কাষত থকা লোকৰ তলত 'আণ্ডাগোলাব' তাপ পাই সেই 'লাৱণ্যময়ী অণ্ডা অণ্ডানীচয়' গলি যাবলৈ এতিয়াই ধৰিছেই। এনেস্থলত এই বিহুত কণী যুঁজোৱা যায় কেনেকৈ? গতিকে এই বিহুত সিও স্থগিত।

এবাৰ ভাবিছিলো বোলোঁ, অসমত বিহুত ম'হ যুঁজোৱা প্ৰথা আছে যেতিয়া ম'হৰ অভাৱত মানুহ জনদিয়েককে ধৰি যুঁজাওঁ আৰু মাজতে পথাৰৰ বিৰিণা জোপাদেক মৰে যদি মৰক। কিন্তু নোৱাৰিলো কোনেও দেখোন ভালকৈ মুৰক্কে নাপাতে? নতুবা তোমালোকে চোৱাচোন -- মণ্ডলদেৰ ভোমকেবোলাৰে সৈতে হামদৈৰ 'কা-কা-কাইৰ বিশাৰদোহহং'- অক, নলবাৰীৰ নাঙলুচন্দ্ৰ দাসেৰে

**শব্দাৰ্থ :**

নিৰুপায় (বিণ) : উপায় নোহোৱা, উপায়হীন।

পিৰপিৰা (ক্রি) : সুৰসুৰা, গাত পৰুৱা আদি উঠাৰ নিচিনা অনুভৱ হ।

প্ৰকোপ (বি) : প্ৰবল ভাব, প্ৰকাশ বা কোব।

এফুলা (বি) : এটুকুৰা।

কুৰুচি (বি) : বেয়া বস্তু (বা সংস্কৃতিলৈ) হোৱা ৰুচি বা আকৰ্ষণ।

নপতিয়া (ক্রি) : বিশ্বাস নকৰ।

আবাজ (বি) : শব্দ।

তাপৰা (বিণ) : তাপ মৰা, মনক প্ৰবোধ দি ৰখা।

চহা (বিণ) : খেতিয়ক, হোজা।

কণীচয় (বি) : কণীবিলাক।

জোপাদেক (বি) : জোপা দিয়েক, কেইজোপামান।

পলাহবাৰী (বি) : পলাশবাৰী।

টেকেলীয়া (বিণ) : টেকেলিৰ নিচিনা।

নাওপেটা (বি): নাওৰ নিচিনা পেট যাৰ।

টংকৈ (ক্রি. বিণ) : গভীৰভাবে চিন্তা কৰি।

পঁচি (বি) : কড়িৰে খেলা একপ্ৰকাৰ খেল।

হনু (অব্য) : হেনো।

সৈয়া হৈ (ক্রি.বিণ) : সৈমান হৈ অৰ্থাৎ মিলিজুলি।

ভইব (বিণ) : ভব্য, নামজাদা।

ঘাই (বিণ) : প্ৰধান।

(বি) : মুখ্যজন, খেলৰ দলৰ প্ৰধানজন।

সৈতে পলাহবাৰী 'শয়নে গেবেলীৰ মালিকক, গহপুৰৰ ভোকান্দাইৰে সৈতে কলংপুৰৰ বাই-কমলিনীক আৰু বৰপেটাৰ 'টেকেলিপেটা গোবিন্দায়'ৰ টেকেলীয়া পেটেৰে সৈতে সৰুপেটা খোদ বৰুৱাৰ নাওপেটেৰ সৈতে এবাৰ তয়াময়া যুঁজ খনচেৰেক লগাই দিব পৰাহেঁতেন কি তামোচাটো আৰু কি মজাৰ ভাওনাটোৱেই হ'লহেঁতেন। পাঠক-পাঠিকা। আপোনালোকে দুয়ো দলে আজি অলপ টংকৈ চাওক। বিহুত পঁচি খেলে হনু। মোৰো মনটো যে নাই যোৱা এনে নহয়, কিন্তু ক'তা? তাৰ উপৰি কড়িও নাই । যি এজন দুজন লগৰীয়া পোৱা যায়, তেওঁলোকে সৈয়া হৈ নেখেলে, গাই গোটা পেটে ভঁৰাল হৈ খেলিবলৈহে ভাল পায়। বিশেষ তেওঁলোকে কড়ি গুৰি মাৰে, মই নাজানো। সেইদেখি হাৰি মৰোঁ। এই লগৰীয়া কেইজন যেনে খেলোৱাৰ তেনে কৰি। বৰ ভইব কৰি।

তেওঁলোকৰ কড়ি শব্দ আৰু ছাল -- মাহেকীয়া কাকত। তেওঁলোকে শব্দ এমুঠি লৈ উথলি থাকে, উথলি থাকে আৰু শেহত হাতত ঘাই পৰিলে, মাৰি দিয়ে। পদ্যত দহ ছয় পঁচি যায়, গুটি গজে, ছাল পকে, উঠে আৰু জিকে। আলাবাদু বৰবৰুৱাৰ কিন্তু সেই বিদ্যা নাহে, সেইদেখি তেওঁ হাৰে আৰু হাৰে। গতিকে এই বিহুত তেওঁৰ পঁচি খেলাও নহ'ল।

## 21.3.2 আলোচনা

বৰবৰুৱাৰ গাত চ'তৰ বিহু লাগিছে। অৰ্থাৎ তেওঁৰ মন উগুল-থুগুল হৈছে। সেয়ে তেওঁ সকলোৱে আৰ্তৰত থাকিবলৈ কৈছে। কাৰণ গাত বিহু লাগিলে মানুহৰ যে গাত তত্ নাইকীয়া হয় সেই কথা সকলোৱে জানে। বিহুৰ বতাহে বৰবৰুৱাৰ গাত পিৰপিৰণি তুলিছে।

সেয়ে প্ৰথমতে তেওঁ চ'তৰ বিহুৰ নাচোন এটিকে নাচিবলৈ মন কৰিলে। কিন্তু তেওঁৰ মনত সন্দেহ জাগিছে কিজানিবা, তেওঁৰ দৰে দুখীয়া এজনে নচা দেখিলে ভেমত থকাসকলে বেয়াই পায়। অৰ্থাৎ সেই সময়ৰ পৰাধীন অসমৰ নাগৰিক কিছুমানে পাশ্চাত্য সভ্যতাৰ আদব-কায়দাত মুগ্ধ হৈ নিজৰ কলা-কৃষ্টি পাহৰাৰ ভাও জুৰিছিল। গতিকে বৰবৰুৱাৰ ভয় জাগিছে এইসকলে (আমাৰ পুৰণিকলীয়া সংস্কৃতিৰ বাহক) এই নাচোনত দোষেই ধৰে। বহুতো ভাবি-চিন্তি তেওঁ এইবাৰলৈ নচাৰ হেঁপাহ পৰিত্যাগ কৰি বিহুৰ আন ধেমালিৰে মনত সান্ত্বনা লভিবলৈ সিদ্ধান্ত ল'লে।

বিহুত অসমীয়া সমাজত -- হাঁহকণী যুঁজাই ৰং-ধেমালি কৰে। বৰবৰুৱাৰো হাঁহকণীযুদ্ধ খেলিবলৈ বৰ মন গৈছিল। কিন্তু তাকে কৰিলে কিজানিবা লোকে তেওঁক গাৱলীয়া হোজা বুলি হাঁহে। তদুপৰি তেওঁৰ খেলিবলৈ বিচাৰি পোৱা কণী কেইটাও ঘোলা। সেয়ে খেলা নহ'ল।

বিহুত কোনো কোনো ঠাইত ম'হ যুঁজোৱাও হয়। কিন্তু আজিকালি ম'হ

পাবলৈ নাই বাবে বৰবৰুৱাদেৰে মানুহকে যুজাঁব খুজিছে। কিন্তু এই যুঁজ দিবলৈ কোনো প্রস্তুত নহয়। তেওঁ মঙ্গলদৈ, পলাশবাৰী, নলবাৰী, গহপুৰ, বৰপেটা, সৰুপেটা আদি ঠাইৰ মানুহক দুটা দলত ভাগ কৰি যুঁজাব খুজিছিল। অর্থাৎ তেওঁ ঘূণেধৰা সমাজখনত এক আলোড়ন সৃষ্টি কৰিব খুজিছিল। বিহুত অসমীয়া মানুহে পঁচি খেলে। বৰবৰুৱাৰ খেলিবলৈ মন গৈছিল যদিও তেওঁৰ কড়ী নাই বাবে খেলিব নোৱাৰিলে। খেলিবলৈ ওলোৱা লগৰীয়া কেইজনো স্বার্থপৰ। তেওঁলোকৰ লগত খেলিলৈ বৰবৰুৱা হাৰিব, সেয়ে তেওঁ পঁচি খেলাৰ পৰাও বিৰত হব লগা হ'ল।

হাঁহকণী যুঁজ, ম'হযুঁজ আৰু আন ৰং-ধেমালিৰ কথা বাদ দি বৰবৰুৱাই এইবাৰ বিহুৰ জলপান খোৱাৰ কথা উলিয়াইছে। বিহুত অসমীয়াই চিৰা-পিঠা, সান্দহ খায় আৰু আলহী অতিথিকো খুৱায়। আজি তাৰ মনটোত কপটতা সোমাইছে। মানুহৰ মাজত হিংসা-দ্বেষ, কাজিয়া-পেচাল বাঢ়িছে। বিহুৱে অসমীয়া সমাজলৈ কঢ়িয়াই আনিব লগা মৰম-প্রীতি, ডাঙৰলৈ সন্মানৰ ভাব একোৱেই নাইকীয়া হ'ল।

এই ৰচনাখনিৰ মাজেৰে লেখকে অসমীয়া জাতিটোৱে হেৰুৱাব খোজা কৃষ্টি-সংস্কৃতিৰ বাবে খেদ প্রকাশ কৰিছে।

## 21.3.3 প্রথম পাঠভাগৰ প্রশ্নাৱলী

১। 'বৰবৰুৱাৰ গাত চ'তৰ বিহু'ৰ পাঠটিৰ লেখক কোন?

..................................................................

২। বিহুৰ বতাহ গাত সোমোৱাত বৰবৰুৱাৰ গা কেনে কৰিব লাগিছিল?

..................................................................

৩। বিহু নাচক কিয় লেখকে খেকেঁৰাৰ লগত তুলনা কৰিছে?

..................................................................

৪। হাঁহকণী কোন সময়ত যুঁজোৱা হয়?

..................................................................

৫। ম'হৰ অভাৱত বৰবৰুৱাই কাক যুঁজাব বুলি ভাবিছিল?

..................................................................

৬। লেখকৰ মতে লগৰীয়াসকলৰ কড়ি আৰু ঢাল কি?

.............................................................................

৭। বৰবৰুৱা খেলত কিয় প্ৰায়েই হাৰে?

.............................................................................

## মূল পাঠ

### 21.3.4 মুদ্ৰিত প্ৰতিলিপিৰ দ্বিতীয় ভাগ

বিহুত বোলে সান্দহ, চিৰা-পিঠা খায়। বৰবৰুৱাৰ কিন্তু সেইবোৰ পাবলৈ নাই। যদি কোনোবাই কেতিয়াবা পাহৰি বৰবৰুৱালৈ কিবা আগবঢ়াইও বৰবৰুৱাৰ সান্দহৰ বাটিত ওলায় গালি চোবা, চিৰাৰ বাটিত হিংসাৰ কিবা, পিঠাৰ কাঁহীত মিছা দৈৰ এঠা, তিলৰ লাৰুত কিলৰ 'ঝাড়ু'। ঝাড়ু শব্দটো মিলাব নোৱাৰি অগত্যা ব্যৱহাৰ কৰিলোঁ।

এইবোৰ বেজাইৰ কথা নহয় নে? বিহু খাবলৈ গৈ দিয়নখোৱন ভাল হব জানো? এনে বেজাই পায়হে একেবাৰে ভাবোঁ যে ৰুদ্ৰ মুৰ্ত্তি ধৰোঁ। আৰু 'কৃষ্ণ চিন্তি' পৰশুৰাম কুণ্ডাটো খুবলি কৰোঁ, ব্ৰহ্মাপুত্ৰক ঢেঁকী কৰোঁ, হাতীমুৰা পৰ্ব্বত আৰু কামাখ্যা পৰ্ব্বত এই দুটাক কটৰা কৰোঁ, মৰোঁ, জীও-সোঁ-আধি কৰি, আৰু ৰাম বুলিয়া একো এটা বিচাৰি নাপালো 'যোৰহাট ষ্টেট ৰেলৱে'খনকে গৱৰ্ণমেণ্টক খুজিমাগি লৈ ঢেঁকীথোৰা কৰি লৈ অসমীয়াখনক অসমখনৰে সৈতে একেলগে এখুবলিকৈ খুন্দি সান্দহ-গুৰি কৰি দেৰগএগা কেৰিগুড় গোটাচেৰেক কিনি আনি সানি নিজেই বিহু খাই থওঁ। কিন্তু সানি খাবলে বাটি নাই। তাৰ উপৰি আৰু এটা মস্কিল আছে। হেৰা অসমীয়া। তোমালোকে বৰবৰুৱাক যিহকে কৰা, বৰবৰুৱাই তোমালোকক বৰ ভাল পায়। মুখতেই মুখ দি গোটেই পমি যায়। গতিকে তেওঁ ৰুদ্ৰ মূৰ্ত্তি সম্বৰণ কৰিবলৈ বাধ্য আৰু বিষ্ণু মূৰ্ত্তি সম্বৰণ কৰিবলৈকো অবাধ্য নহ'ল।

অসমীয়াই বিহুত ন-গামোচা কাপোৰ পিন্ধে। বৰবৰুৱাৰ কোনো নাই, যি গামোচা কাপোৰ বৈ তেওঁক দিয়ে। গতিকে তেওঁৰ অৱস্থা মন্দ হৈ তেওঁ বিহুচেৰা হোৱাৰ বাজে আন গতি নাই।

**শব্দাৰ্থ :**

খুবলি (বি) : শিলৰ খোল, য'ত ঢেঁকীথোৰা পৰি চাউল, হালধী আদি খুন্দে।

বেজাই (বি) : বেজাৰ।

ৰুদ্ৰমূৰ্ত্তি (বি) : শিৱৰ সংহাৰ মূৰ্ত্তি, অৰ্থাৎ অতি ক্ৰোধ প্ৰকাশ কৰা ৰূপ।

মৰো জীওঁ সোঁ-অধি কৰি (ক্ৰি.বিণ). প্ৰাণপণে।

কটৰা (বি) : যি দুটা কাণকটা খুটিৰ ওপৰত ঢেঁকীৰ ধুৰাটো থাকি ঢেঁকী দণ্ডাপৰা কৰাৰ সুবিধা কৰি দিয়ে।

কেৰিগুড় (বি) : টেকেলিত থোৱা গুড়।

মস্কিল (বি) : দিগদাৰী, অসুবিধা।

পমি (ক্ৰি): নৰম হৈ, সংকুচিত হৈ (আখৈ গৰম গাখীৰত দিলে যিটো হয়)

সম্বৰণ (বি): দমন, নিয়ন্ত্ৰণ।

মন্দ (বিণ): বেয়া।

বিহু চেৰা (বিণ): বিহুৰ বাহী অৰ্থাৎ বিহুলৈ কৰা বস্তু বিহুপাৰ হৈ গলে যিটো হয়।

### 21.3.5 আলোচনা

বিহুৰ দিনাখন মনে বিচৰা মতে একোকে কৰিব নোৱাৰি বৰবৰুৱাৰ বৰ খং উঠিল। খং উঠি তেওঁ ভাবিলে যে একেবাৰে ৰুদ্ৰমূৰ্ত্তি ধৰি গোটেই

অসমখনকে তেওঁ যেন সানি-পুতুকি বিহুৰ জলপান বনাই খাব। এই উদ্দেশ্যে বৰবৰুৱাই পৰশুৰাম কুণ্ডটোক খুবুলি বনাই, ব্ৰহ্মপুত্ৰক ঢেঁকী হিচাবে ব্যৱহাৰ কৰিব খুজিলে। হাতীমুৰা আৰু কামাখ্যা পৰ্ব্বতক কটৰা কৰি ঢেঁকীথোৰাৰ বাবে যোৰহাটৰ ষ্টেট ৰেলৱে'খনকে ঢেঁকীথোৰা কৰি ঢেঁকীৰে অসমীয়া জাতি আৰু অসমখনক একেলগে খুন্দি সান্দহগুৰি কৰি দেৰগঞা কেৰিগুড়েৰে সানি নিজেই বিহুৰ জলপান খাব খুজিছিল। কিন্তু কি হব? জলপান সানিবলৈ বৰবৰুৱাৰ বাটি এটাও নাই। সেয়ে তেওঁৰ এইফেৰা হেপাহো অথলে গ'ল। তদুপৰি বৰবৰুৱাই অসমীয়াক বৰ ভাল পায়। খঙতে এবাৰ ভাবিছিল যদিও, এইদৰে খুন্দি জাতিটোক নাইকীয়া কৰিবলৈ তেওঁৰ সৎ নগ'ল।

বিহুত ন-গামোচা কাপোৰ অসমীয়া সকলে লয়। কিন্তু গামোচা দিবলৈকো তেওঁৰ কোনো নাই। বৰবৰুৱাৰ দিন বেয়া; গামোচা নোলোৱাকৈ তেওঁৰ বিহু পাৰ হোৱাৰ উপক্ৰম হৈছে।

## 21.3.6 দ্বিতীয় পাঠভাগৰ প্ৰশ্নাৱলী

৮। বৰবৰুৱাই খোৱা বস্তুৰ বাটিত কি কি পায়?

..........................................................

৯। বৰবৰুৱাই কি কাৰণে ৰুদ্ৰমূৰ্তি ধাৰণ কৰাৰ কথা চিন্তা কৰিছিল?

..........................................................

১০। তেওঁ কাক 'খুবুলি'ৰ ক'ৰো বুলি ভাবিছিল?

..........................................................

১১। বৰবৰুৱাই কিহেৰে কটৰা কৰিবলৈ চিন্তা কৰিছিল?

..........................................................

১২। অসমখনৰে সৈতে কাক বৰবৰুৱাই খুন্দিব খুজিছিল?

..........................................................

১৩। ঢেঁকীথোৰা কিহক কৰিব খুজিছিল?

..........................................................

১৪। বৰবৰুৱাই অসমীয়াৰ বাবে কিদৰে পমি যোৱাৰ কথা কৈছে?

..........................................................

১৫। বিহুত অসমীয়াই কি পিন্ধে?

........................................

১৬। বিহুচেৰা বুলিলে কি বুজা?

........................................

21.4 **সাৰাংশ**

বিহু বিশেষকৈ চ'তৰ বিহু অতি আপোন। বিহুৰ বা লাগি অসমীয়া জাতিটোৰ গাত তত্ নাইকীয়া হয়। বৰবৰুৱাৰ গাতো বিহুৰ বা লাগিল। আনন্দত-উত্ৰাৱল হৈ তেওঁ এটি বিহুৰ নাচোন নাচিবলৈ ইচ্ছা কৰিলে। কিন্তু সেই সময়ত তথাকথিত পদমৰ্য্যাদাসম্পন্ন আত্মঅভিমানীলোকসকলে বিহুক গাৱঁলীয়া হোজা লোকৰহে বস্তু বুলি ভাবিবলৈ লৈছিল। সেয়ে আনৰ হাঁহিয়াতৰ পাত্ৰ হব বুলি তেওঁ বিহু নানাচিলে। বিহুত হাঁহকণী যুঁজ আৰু ম'হ যুঁজৰো খেলা হয়। বৰবৰুৱাই হাঁহকণী যুঁজ খেলিবলৈ ইচ্ছা কৰি দেখিলে যে তেওঁৰ কণীবোৰ ঘোলা। ম'হ যুঁজৰ বাবেও তেওঁৰ ম'হ নাই। সেয়ে তেওঁ মানুহৰ মাজতে যুঁজৰ আয়োজন কৰাৰ কথা চিন্তা কৰিলে। কিন্তু কোনেও যুঁজিবলৈ ৰাজি নহ'ল। বিহুত কোনো কোনো ঠাইত প'চি খেলে। বৰবৰুৱাৰ প'চি খেলিবলৈ কড়ি নাই আৰু তেওঁৰ খেলাৰ বুদ্ধিও নাই। কাৰণ তেওঁৰ লগৰীয়াসকল ইমানেই স্বাৰ্থপৰ যে তেওঁলোকে সময় বুজি চলে বলে কৌশলে খেলি অকল নিজেহে জিকাৰ কথা ভাবে; ন্যায় আৰু সততাৰ কথা চিন্তা নকৰে। অসমীয়া জাতিটোৰ সামাজিক মূল্যবোধৰ পতন ঘটিছে। ৰং-ধেমালি কৰি একতাৰ এনাজৰিৰে বান্ধ খাবলৈকো তেওঁলোকৰ সজ মানসিকতাৰ অভাৱ।

এইবোৰ কথাত খং উঠি বৰবৰুৱাই ৰুদ্ৰমূৰ্তি ধাৰণ কৰি গোটেই অসম আৰু অসমীয়া জাতিটোৰে চিনমোকাম নাইকীয়া কৰাৰ কথা চিন্তা কৰিবলৈ ধৰিলে। তেওঁ কল্পনাৰে ব্ৰহ্মপুত্ৰ নৈক ঢেঁকী, কামাখ্যা পাহাৰ আৰু হাতীমুৰা পাহাৰক কটৰা, পৰশুৰামকুণ্ডক খুবুলি আৰু যোৰহাটৰ 'ষ্টেট ৰেলৱে'ক ঢেঁকীথোৰা সাজি নিজ ইচ্ছা পূৰণ কৰিব খুজিছিল। এই ঢেঁকীত অসম আৰু অসমীয়াৰ খুন্দি সান্দহ গুড়ি বনাই বিহুৰ জলপান হিচাপে খাবলৈ ঠিৰাং কৰিলে। কিন্তু তেওঁ নোৱাৰিলে। কাৰণ সান্দহগুড়ি সানি খাবলৈ তেওঁৰ বাটি নাই। আচলতে বৰবৰুৱাই অসমীয়া আৰু অসমক অতি ভাল পায়। খঙৰ ভমকত তেওঁ এবাৰ জাতিটোকে খুন্দি ধ্বংস কৰিব বুলি ভাবিছিল যদিও ধ্বংস কৰিবলৈ তেওঁৰ মন নেযায়।

21.5

## টোকা

**সাতখন-আঠখন (হ)** ঃ আনন্দত উত্ৰাৱল হোৱা বুজায়। কোনো কথা বা কামৰ বাবে মনত বেছি আনন্দ লাগি কি কৰোঁ কি নকৰোঁ কৰা অৱস্থাকেই 'গা সাতখন আঠখন লগা' বুলি কোৱা হয়।

**থেকেৰা এফুলা** ঃ থেকেৰা এবিধ অতি টেঙা সোৱাদৰ ফল। ইয়াক সৰু সৰুকৈ কাটি ৰ'দত শুকাই ভৱিষ্যতৰ বাবে সাঁচি থোৱা হয়। তেনে টুকুৰা এটাকে থেকেৰা এফুলা বোলা হৈছে।

**হাঁহকণী যুঁজ** ঃ বিহুৰ সময়ত অসমৰ গাঁৱে-ভূঞে হাঁহকণী যুঁজোৱা হয়। কণীক কণীৰে খুন্দিওৱা হয়। যিজনৰ কণীটো ভাঙে তেওঁ হাৰে আৰু প্ৰতিপক্ষই কণীটো পায়।

**ম'হ যুঁজ** ঃ ডা-ডাঙৰীয়া আৰু ৰাইজৰ আমোদ-প্ৰমোদৰ কাৰণে বিহুত ম'হ যুঁজোৱা প্ৰথা অসমত বহুদিন আগৰে পৰা চলি আহিছে। যুঁজৰ ম'হক কেইবাদিনো খাবলৈ নিদিয়াকৈ ৰাখি ৰণ-থলীলৈ নিয়া হয়। ভোকৰ কোবত সিহঁতৰ খং চৰে। সিহঁতে এক তয়ামরা ৰণ কৰে। ফলত ঠেঙৰ তলৰ ঘাঁহ বন সমূলে উচ্ছন্ন হয়।

**"লাবণ্যময়ী আণ্ডা অণ্ডানীচয়** ঃ কমনীয়তা গুণ সম্পন্ন কণীবোৰ।

**'কা-কা-কাই'ৰ বিশাৰদোহহং** ঃ 'ক' বুলিব নোৱাৰা বিশাৰদ বা পণ্ডিত দুজন।

**শয়নে গেবেলী** ঃ শুই থকা শিয়াল অৰ্থাৎ এলেহুৱা।

**ভাওনা** ঃ শ্ৰীকৃষ্ণ আৰু তেওঁৰ অনুচৰ বৰ্গৰ আখ্যানক কেন্দ্ৰ কৰি শংকৰদেৱৰ এক প্ৰকাৰ নাট। শংকৰদেৱে ইয়াক সৃষ্টি কৰিছিল। অভিনয়ৰ প্ৰবৰ্তন কৰিছিল। তাক ভাওনা বোলে।

**পঁচি খেল** ঃ কড়িৰে খেলা এবিধ খেল।

**গাই গোটা, পেটে ভঁৰাল** ঃ স্বাৰ্থপৰ, আপোনপেটীয়া, প্ৰত্যেকে নিজকে লৈ ব্যস্ত।

| | | |
|---|---|---|
| **আলাবাদু** | ঃ | একো কামৰ যোগ্য নোহোৱা। অপাত্ৰ, আপচু, অশুৱনি। |
| **গালিৰ জেৰা** | ঃ | জেৰা বুলিলে 'সত্য উদঘাটনৰ বাবে পেঘেনিয়াই পেঘেনিয়াই প্ৰশ্ন শোধাকে বুজায়। ইয়াত গালিৰ জেৰা বুলি তিৰস্কাৰৰ খণ্ডত জ্বলি পকি উঠা ৰূপ। |
| **পৰশুৰাম কুণ্ড** | ঃ | ব্ৰহ্মকুণ্ড। জমদগ্নি ঋষিৰ পুত্ৰ পৰশুৰামে সেই কুণ্ডৰ পাৰ কাটি ব্ৰহ্মপুত্ৰ নদীক বোৱাই আনে। এই প্ৰবাদ অনুসৰি সেই কুণ্ডৰ নাম পৰশুৰামকুণ্ড হয়। |
| **হাতীমূৰা পৰ্ব্বত** | ঃ | কামৰূপ জিলাৰ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে অৱস্থিত এখন পৰ্ব্বত। এই পৰ্ব্বতখন দেখিবলৈ হাতীৰ মূৰ এটিৰ দৰে। |
| **কামাখ্যা পৰ্ব্বত** | ঃ | গুৱাহাটীত অৱস্থিত নীলাচল পৰ্ব্বতখনকে কামাখ্যা পৰ্ব্বত বোলা হয়। এই পৰ্ব্বতৰ ওপৰত শক্তিৰ অধিষ্ঠাত্ৰী কামাখ্যা দেৱীৰ মন্দিৰ অৱস্থিত। |

## 21.6 সাধাৰণ অনুশীলনী

### 21.6.1 কিছুমান পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ কৰি চোৱাচোন।

১৭। বৰবৰুৱাই কি কাৰণে বিহুৰ দিনাখন নাচিবৰ মন যোৱা সত্ত্বেও নাচিব নোৱাৰিলে।

১৮। বিহুৰ দিনাখন ম'হ যুঁজৰ ঠাইত বৰবৰুৱাই কাক যুঁজাব খুজিছিল? ইয়াৰ কাৰণ কি?

১৯। কি কাৰণে বৰবৰুৱাৰ বিহুৰ সান্দহ, চিৰা-পিঠা খোৱা নহ'ল?

২০। 'ৰুদ্ৰমূৰ্ত্তি' ধাৰণ কৰি বৰবৰুৱাই কি কৰিবলৈ মন মেলিছিল?

২১। "তাৰ উপৰি আৰু এটা মস্কিল আছে।" — এই মস্কিলটো কি?

২২। বৰবৰুৱাই অসম আৰু অসমীয়াক ঢেঁকীৰে খুন্দি 'সান্দহ গুড়ি বনাই খাব খোজাৰ অন্তৰালত তেওঁ দেশখনক বেয়া পোৱা কথাকে বুজাইছে নে? বুজাই লিখা।

২৩। "তেওঁ বিহুচেৰা হোৱাৰ বাজে আন গতি নাই।" — বৰবৰুৱাৰ কিয় এনে অৱস্থা হৈছিল ভালদৰে বুজাই লিখা।

## 21.6.2 ব্যাখ্যা কৰা

২৪। ক) ক'লে কিজানি নপতিয়াবা কিন্তু কওঁ যে বৰবৰুৱাৰ গা আজি সাতখন আঠখন।

খ) বৰপেটাৰ 'টেকেলিপেটা গোবিন্দায়ৰ টেকেলীয়া পেটেৰে সৈতে সৰুপেটাৰ খোদ বৰুৱাৰ নাওপেটেৰে সৈতে যুঁজ লগাই দিবপৰাহেঁতেন।

গ) বৰবৰুৱাৰ সান্দহৰ বাটিত ওলায় গালিৰ জেৰা, পিঠাৰ বাটিত মিঠা দৈৰ এঠা, তিলৰ লাৰুত কিলৰ ঝাডু।

ঘ) গতিকে তেওঁ ৰুদ্ৰমূৰ্তি ধাৰণ কৰিবলৈ বাধ্য আৰু বিষ্ণুমূৰ্তি সম্বৰণ কৰিবলৈকো অবাধ্য নহয়।

## 21.7 ব্যাকৰণগত অনুশীলনী

### 21.7.1 খালী ঠাই পূৰণ ঃ

**২৫। তলত দিয়া বাক্যবোৰৰ খালীঠাইবোৰ পাঠত থকা শব্দৰে পূৰণ কৰা ঃ**

(ক) প্ৰথমতে বৰবৰুৱাৰ চ'তৰ বিহুৰ ............. ............. নাচিবৰ মন গৈছে।

(খ) আমাৰ দেশত বিহুত হেনো ............. যুঁজায়।

(গ) বিহুত পঁচি খেলে .............।

(ঘ) তেওঁলোকৰ কড়ি শব্দ আৰু ঢাল ............. কাকত।

(ঙ) ............. শব্দটো মিলাব নোৱাৰি অগত্যা ব্যৱহাৰ কৰিলোঁ।

(চ) অসমীয়াই বিহুত ............. কাপোৰ পিন্ধে।

(ছ) গতিকে তেওঁৰ অৱস্থা ............. হৈ তেওঁ ............ হোৱাৰ .......... আন গতি নাই।

## 21.8 চমু প্ৰশ্নৰ উত্তৰ সংকেত ঃ

১। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা।

২। পিৰ্‌পিৰাব লাগিছিল।

৩। থেকেৰাই যেনেকৈ গাখীৰ ফটাই দৈ কৰে, বিহুৰ সংস্পৰ্শয়ো যেন পশ্চিমীয়া কৃষ্টিপ্ৰেমীসকলৰ ৰুচিবোধ বিকৃত কৰে।

৪। বিহুৰ সময়ত।

৫। মানুহক।

৬। 'শব্দ' হ'ল কড়ি, 'মাহেকীয়া বাতৰি' কাকত হ'ল ঢাল।

৭। শব্দৰ কড়ি হাতত লৈ মাহেকীয়া কাকতৰ ঢালত ছল চাই গুটি মেলি দিয়াৰ কৌশল বা বিদ্যা বৰবৰুৱাই নাজানে।

৮। অখাদ্য পায়, গালি, হিংসা, মিছা কথাৰ আৰু মাৰকিল।

৯। বিহুৰ দিনাখন মনৰ বেজাৰতে।

১০। পৰশুৰাম কুণ্ডক।

১১। কামাখ্যা পৰ্বত আৰু হাতীমূৰা পৰ্ব্বতক।

১২। অসমীয়াক।

১৩।যোৰহাট ষ্টেট ৰেলৱে'খনক.

১৪। মুখত মুখ থৈ পমি যাব।

১৫। ন-গামোছা কাপোৰ।

১৬। বিহুৰ সময়ত সম্পন্ন কৰিবলগা কৰ্মখিনি সময়মতে সম্পন্ন নোহোৱা।

(১৭-২৪ --- এইবোৰ মনোধৰ্মী প্ৰশ্ন। সেইবাবে উত্তৰ দিয়া হোৱা নাই।)

২৬. (ক) নাচোন / এপাক ।

(খ) হাঁহকণী ।

(গ) হুলু ।

(ঘ) মাহেকীয়া।

(ঙ) ঝাড়ু।

(চ) ন-গামোছা।

জ) মন্দ, বিহুচেৰা।

২৭। (ক) (আনন্দত উত্ৰাৱল হোৱা) --- পৰীক্ষাত প্ৰথম স্থান অধিকাৰ কৰি বীণাৰ গা সাতখন আঠখন হ'ল।

(খ) (গভীৰ ভাবে চোৱা) যি কোনো কাম কৰাৰ আগতে টংকৈ চাব লাগে।

**21.9** তুমি এই প্ৰবন্ধটো পঢ়াৰ পাছত যিবোৰ প্ৰশ্ন আৰু চমু প্ৰশ্নৰ উত্তৰ পালা তাৰ পৰা তোমাৰ মনত নিশ্চয় কিবা সন্দেহ হব পাৰে অথবা প্ৰবন্ধটোৰ বিষয়ে তুমি আন ধৰণেও চিন্তা চৰ্চা কৰিব পাৰা। সেয়ে তোমাৰ মনত যি কোনো ধৰণৰেই প্ৰশ্ন জাগিলে আমালৈ লিখি পঠিয়াবা। এনে কৰিলে এহাতে তোমাৰ বিষয়টোৰ ওপৰত জ্ঞান বাঢ়িব আনহাতে তুমি প্ৰশ্ন কৰিবলৈ শিকিবা আৰু নিজৰ অনুসন্ধিৎসু মনৰ পৰিচয় দিব পাৰিবা।

---- x ----

গোট নং 22

# লুকু ডেকা ফুকনৰ দেশভক্তি

ৰচনা ঃ নকুল চন্দ্ৰ ভূঞা

## 22.1 পাতনি আৰু উদ্দেশ্যাৱলী

'খ্ৰীষ্টীয় ত্ৰয়োদশ শতিকাত আহোমসকলে পূৱফালৰ পাটকাই পৰ্বত পাৰ হৈ আহি অসমত আহোম ৰাজ্য প্ৰতিষ্ঠা কৰে। সেইসময়ত অসমত বহুতো সৰু সৰু দেশীয় ৰাজ্যত সৰু-বৰ ৰজাই ৰাজত্ব কৰি আছিল। শক্তিশালী আহোম ৰজাসকলে এওঁলোকক জিনি 'বাৰকাঠী মাৰি একেকাঠী' কৰি অসম ৰাজ্য পাতে। এওঁলোকে নিজৰ ভাষা, ধৰ্ম সকলো ত্যাগ কৰি থলুৱা লোকসকলৰ লগত মিলি যায়। সেয়ে হয়তো এওঁলোকে ইয়াত ছশ বছৰ সগৌৰৱেৰে ৰাজত্ব কৰিবলৈ সমৰ্থ হৈছিল। চুকাফাই প্ৰতিষ্ঠা কৰা আহোম ৰাজবংশৰ শেষৰজনা স্বাধীন ৰজা আছিল চন্দ্ৰকান্ত সিংহ। এওঁৰ দিনতে অসমৰ স্বাধীনতাৰ বেলি ডুব যায়।

তোমাৰ পাঠ্যপুথিত অন্তৰ্ভুক্ত 'লুকু ডেকা ফুকনৰ দেশভক্তি' নামৰ এই পাঠটি নাট্যকাৰ নকুল চন্দ্ৰ ভূঞাদেৱে ৰচনা কৰা' চন্দ্ৰকান্ত সিংহ' নামৰ বুৰঞ্জীমূলক নাটখনৰ প্ৰথম অঙ্কৰ পঞ্চম পট। ইয়াত উচ্চ পদস্থ ৰাজবিষয়া সকলৰ মাজৰ ষড়যন্ত্ৰ আৰু তাৰ বিপৰীতে সাধাৰণ মানুহৰ স্বদেশ প্ৰেম, ৰাজভক্তি আদি গুণাৱলীৰ বৰ্ণনা পোৱা যায়। নাট্যাংশৰ নায়ক লুকু ডেকা ফুকন সাধাৰণ মানুহৰ মাজত থকা ৰাজভক্তি আৰু স্বদেশপ্ৰেমৰ এক জ্বলন্ত নিদৰ্শন।

এই নাট্যাংশ পঢ়াৰ পাছত তুমি তলত উল্লেখ কৰা বিষয়সমূহৰ জ্ঞান লাভ কৰি নিজ বোধশক্তিৰ উৎকৰ্ষ সাধন কৰিবলৈ আৰু প্ৰকাশ কৰিবলৈ সমৰ্থ হবা ঃ

- সমধৰ্মী নাটকীয় পদ্ধতিৰে লিখাৰ কৌশল -
- দেশৰ বুৰঞ্জীৰ জ্ঞান আহৰণ -

- সংলাপৰ ব্যৱহাৰ আৰু অভিনয়ৰ কৌশল আয়ত্ত -
- জাতীয় চেতনা আৰু স্বদেশৰ প্ৰতি তোমাৰ অনুৰাগ বৃদ্ধি -
- আমাৰ দেশৰ স্বাধীনতা তাৰ শাসনকৰ্তাসকলৰ স্বেচ্ছাচাৰিতা, স্বাৰ্থপৰতাৰ বাবেই যে লোপ পায় তাৰ সম্যক জ্ঞান -
- পৰিয়ালৰ মাজত বিবাদ বা অৰিয়াঅৰি কি দৰে সেই পৰিয়ালৰ বিনাশৰ কাৰণ হৈ পৰে তাৰ উপলব্ধি -
- খণ্ডবাক্য, জতুৱা ঠাঁচ আদি প্ৰয়োগৰ দ্বাৰা নিৰ্ভাঁজ আৰু শক্তিশালী অসমীয়া ভাষা লিখাৰ কৌশল

## 22.2 লেখকৰ পৰিচয় ঃ

'লুকু ডেকা ফুকনৰ দেশভক্তি' নামৰ তোমাৰ এই পাঠটি অসমৰ বিখ্যাত নাট্যকাৰ নকুল চন্দ্ৰ ভূঞাদেৱৰ ৰচনা। ভূঞাদেৱে ঘাইকৈ বুৰঞ্জীমূলক নাটকৰ মাজেৰেহে প্ৰতিভা প্ৰদৰ্শন কৰিছে যদিও সাহিত্যৰ অন্য দিশতো তেওঁ বহু মূল্যবান অৱদান আগবঢ়াইছে।

এইজনা নাট্যকাৰৰ ঘৰ শিৱসাগৰৰ চাৰিঙত। প্ৰৱেশিকালৈকে শিক্ষা লাভ কৰি এওঁ কেইবাঠাইতো চাকৰি কৰি শেষত চাহবাগিচাৰ মেনেজাৰ পদৰপৰা অৱসৰ গ্ৰহণ কৰে। ভূঞাদেৱে গল্প আৰু আন গদ্যপুথি ৰচনা কৰে যদিও প্ৰকৃততে এওঁ এজন নাট্যকাৰহে আছিল। এওঁ ৰচনা কৰা 'চন্দ্ৰকান্ত সিংহ', 'বদন বৰফুকন' আৰু 'বিদ্ৰোহীমৰাণ' এই তিনিখনতে আহোম ৰাজত্বৰ শেষছোৱা কালৰ ৰাজনৈতিক ধুমুহাৰ চিত্ৰ প্ৰকাশ পাইছে। বুৰঞ্জীৰ এটি নাৰী চৰিত্ৰক কেন্দ্ৰ কৰি ভূঞাদেৱে 'নুমলী কুঁৱৰী' নামৰ আন এখন বুৰঞ্জীমূলক নাট ৰচনা কৰে। এই নাটবোৰত অসমৰ স্বাধীনতাৰ বেলিমাৰ যোৱাৰ বেদনা বৰ কৰুণ ভাৱে প্ৰকাশ পাইছে। ভূঞাদেৱৰ বিহুগীতৰ সংকলন 'বহাগী' অসমীয়া সাহিত্যলৈ এক বহুমূলীয়া অৱদান। ইয়াৰ উপৰি তেওঁ অসমীয়া সাহিত্যৰ ভঁৰাললৈ চুটিগল্প আৰু জীৱনী সাহিত্যৰে মূল্যবান বৰঙণি থৈ গৈছে। চুটিগল্প সংকলন 'গল্পৰ শৰাই' আৰু জীৱনী গ্ৰন্থ' ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াৰ জীৱনী" উল্লেখযোগ্য।

## 22.3 মূলপাঠ

### 22.3.1 মুদ্রিত প্ৰতিলিপিৰ প্ৰথম ভাগ

যোৰহাট নগৰ — ৰাজকাৰেঙৰ সিংহদুৱাৰ

সময় —— ৰাতি পুৱাই পুৱাই আহিছে।

(নগৰীয়া বৰুৱাই (নঃ বৰুৱা) লৰালৰিকৈ বৰকাঁহ এখন বজাবলৈ ধৰে। বৰকাঁহৰ মাতত জনদিয়েক বিষয়া আৰু কিছুমান সৈন্যৰে সৈতে লুকু ডেকাফুকন বেগেৰে আহে।)

অনুচ্ছেদ ১। লুকু ঃ সাৱধান, এই পুৱতীয়া ৰাতি কাৰ আয়ুস শেষ হ'ল। কোনে টিংখং বজাই ৰণ আহ্বান কৰে? (আনফালৰ পৰা সসৈন্যে চন্দ্ৰকান্ত সিংহ আহে।)

চন্দ্ৰকান্ত ঃ আচৰিত, মুঠিৰ তৰোৱালত নৌ মামৰে ধৰোঁতেই কাৰ সাহ ইমান টিংখং বজায়?

নঃ বৰুৱা ঃ (আগবাঢ়ি) স্বৰ্গদেউ, দাসেই টিংখং বজাই অপৰাধ কৰিছোঁ। স্বৰ্গদেউ, ভয়ানক বিপদ, ভয়ানক বিপদ।

চন্দ্ৰকান্ত ঃ কি? তুমি টিংখং বজালা? কিয়?

নঃ বৰুৱা ঃ স্বৰ্গদেউ, চোৰৰ দৰে শত্ৰু আহি নগৰত সোমাইছে।

চন্দ্ৰকান্ত ঃ শত্ৰু? কোন শত্ৰু আহিছে?

নঃ বৰুৱা ঃ ৰুচিনাথ বুঢ়াগোহাঁয়ে বহুত দেশী-বিদেশী সৈন্য লৈ পুৰন্দৰ কোঁৱৰক সিংহাসন দিবলৈ আহিছে।

চন্দ্ৰকান্ত ঃ কি? ৰুচিনাথ আহিছে? তুমি ভুল কৰিছা। মই মাতি পঠিয়াইছিলোঁ সেইবাবে আহিছে।

নঃ বৰুৱা ঃ নহয় স্বৰ্গদেউ, সম্পূৰ্ণ যুদ্ধ সাজেৰে একেবাৰে শত্ৰুভাৱেৰে আহিছে — ইয়াত অলপো সন্দেহ নাই। মই নিজ চকুৰে ৰুচিনাথক সৈন্য-সামন্তৰে দেখি আহিছোঁ।

চন্দ্ৰকান্ত ঃ শত্ৰুভাৱে আহিছে। ৰুচিনাথ। (এনেতে নিলগত বৰটোপৰ ধ্বনি হয়।)

লুকু ঃ সেয়া বৰটোপৰ ধ্বনি। সঁচাকৈয়ে ৰুচিনাথ শত্ৰুভাৱেই

শব্দাৰ্থ ঃ

জনদিয়েক (বিণ.) - কিছুসংখ্যক

পুৱতীয়া ৰাতি (বি.) - ৰাতিপুৱাৰ আগমুহূৰ্ত, কাঁহিলি পুৱা

আয়ুসশেষ হোৱা (বি.) - মৃত্যু উপস্থিত হোৱা

টিংখং (বি.) - বৰকাঁহ, আগন্তুক যুদ্ধ বা বিপদৰ সংকেত।

ৰণ (বি) - যুদ্ধ

বৰটোপ (বি)- পিছফালে বাৰুদত জুই দি হিলৈ মাৰিবলৈ ব্যৱহাৰ কৰা ডাঙৰ নলী থকা যুদ্ধৰ অস্ত্ৰ।

তুৰন্তে (বিণ.)- তৎক্ষনাত,ততালিকে, শীঘ্ৰে।

বেগতে (বিণ.)- ততাতৈয়াকৈ, সোনকালে।

আহিছে। পলমৰ সময় নাই, স্বৰ্গদেউৰ আদেশ লাগে।

চন্দ্ৰকান্ত ঃ সঁচাকৈয়ে তেন্তে ৰুচিনাথ আজি মোৰ শত্ৰু।

লুকু ঃ স্বৰ্গদেউ।

চন্দ্ৰকান্ত ঃ ডেকাফুকন খন্তেক অপেক্ষা কৰা ( বিষয়াসকললৈ) বিষয়া, তোমালোকে তুৰন্তে ৰণৰ আয়োজন কৰি আহা; (নগৰীয়া বৰুৱালৈ) নগৰীয়া বৰুৱা, তুমি এতিয়াই নগৰত মোৰ আদেশ শুনাই দিয়া, প্ৰত্যেক বিষয়ায়ে নিজ নিজ সৈন্য লৈ সিংহদুৱাৰত উপস্থিত হওকহি। (ডেকাফুকনৰ বাহিৰে সকলো ওলাই যায়।) ডেকাফুকন, মই বেগতে আহিছোঁ। (ভিতৰলৈ) সোমাই যায়।)

## 22.3.2 আলোচনা

ৰুচিনাথ গোহাঞে বহুতো দেশী-বিদেশী সৈন্য লৈ যোৰহাট নগৰৰ ৰাজকাৰেঙৰ ফালে শত্ৰু হিচাবে আগবাঢ়ি আহে। তাকে দেখি নগৰীয়া বৰুৱাই টিংখং বজাই বিপদৰ সংকেত দিয়ে। লগে লগে এফালৰ পৰা লুকু ডেকাফুকন আৰু আনফালৰপৰা স্বৰ্গদেউ চন্দ্ৰকান্ত সিংহ সোমাই আহে। লুকুৱে সকলোকে সাৱধান বাণী শুনায়। মানৰ লগত হোৱা যুদ্ধ শেষ হোৱাৰ লগে লগে আন এখন যুদ্ধৰ ৰণশিঙা বাজি উঠাত ৰজা আচৰিত হয়। ৰাজ্য পৰিচালনাত সহায় কৰিবলৈ তেওঁ বৰং ৰুচিনাথক মাতিহে পঠাইছিল। সেয়ে তেওঁৰ সন্দেহ হৈছিল হয়তো ৰুচিনাথে শত্ৰুভাৱে নাহি মিত্ৰভাৱেহে আহিছিল। কিন্তু নগৰীয়া বৰুৱাৰ কথাত আৰু বৰটোপৰ শব্দত ৰুচিনাথ যে সচাঁকৈয়ে শত্ৰুভাৱে আহিছিল তাক তেওঁ বুজিব পাৰিলে। তেতিয়া স্বৰ্গদেউ চন্দ্ৰকান্ত সিংহই লুকু ডেকাফুকনক সেই ঠাইতে ৰৈ থাকিবলৈ কৈ, নগৰীয়া বৰুৱাক প্ৰত্যেক বিষয়াই যাতে নিজ নিজ সৈন্যসামন্ত লৈ ৰাজধানীৰ সিংহদুৱাৰত উপস্থিত হয় এই আদেশ দিবলৈ ক'লে। আনহাতে তেওঁ নিজেও প্ৰস্তুত হবলৈ ভিতৰলৈ সোমাই যায়।

## 22.3.3 প্ৰথম পাঠভাগৰ প্ৰশ্নাৱলী

১। টিংখং বজাই কি আহ্বান কৰা হয়?

২। পুৰতি নিশা কোনে টিংখং বজাইছিল?

৩। চন্দ্ৰকান্ত সিংহ কোন?

৪। চন্দ্ৰকান্ত সিংহৰ ৰাজত্বকালত কোন শত্ৰু চোৰৰ দৰে নগৰত সোমাইছিল?

৫। ৰুচিনাথ বুঢ়াগোহাঁই কোন আছিল?

৬। টিংখং বজোৱা শুনি কোনে সাৱধান বাণী শুনাইছিল?

৭। ৰুচিনাথ শত্ৰু ৰূপে অহা শুনি চন্দ্ৰকান্ত সিংহৰ কিয় সন্দেহ হৈছিল?

৮। বৰটোপ কি?

## 22.3.4 মুদ্ৰিত প্ৰতিলিপিৰ দ্বিতীয় ভাগ

অনুচ্ছেদ ২। লুকু ঃ ৰুচিনাথ আজি শত্ৰু। পূৰ্ণানন্দ বুঢ়াগোহাঁই — যি নিজৰ প্ৰাণ চন্দ্ৰকান্ত সিংহৰ বাবে আহুতি দিলে, তেওঁৰ পুতেক ৰুচিনাথ, চন্দ্ৰকান্ত সিংহক সিংহাসনৰপৰা নুমুৱাই পুৰন্দৰক বহুৱাবলৈ আহিছে। ইমান শক্তিঙ্গ অসম্ভৱ নহয়। ৰুচিনাথে জানে, ৰাজশক্তি মানে গচকি থৈ গৈছে। আজি নগৰত উপযুক্ত মন্ত্ৰী নাই, সেনাপতি নাই। ৰাজশক্তি আজি বলহীন।

(চন্দ্ৰকান্ত সোমাই আহে।)

চন্দ্ৰকান্ত ঃ ডেকাফুকন।

লুকু ঃ স্বৰ্গদেউ, আমাৰ দেহত শেষবিন্দু শোণিত থকালৈকে ৰুচিনাথ কাৰেঙত সোমাবহি নোৱাৰে। (এনেতে বৰটোপৰ ধ্বনি হয়।)

চন্দ্ৰকান্ত ঃ শত্ৰু আহি সিংহদুৱাৰ পায় পায়। কিন্তু, মোৰ কৰ্তব্য? উস' এনে বিপদত মন্ত্ৰী নাই মন্ত্ৰণা কৰিবলৈ।

লুকু ঃ স্বৰ্গদেউ, স্বৰ্গদেউ আদেশ দিয়ক, যাওঁ ততালিকে, ৰুচিনাথক আগ ভেটোগৈ।

চন্দ্ৰকান্ত ঃ ডেকাফুকনঙ্গ (অলসভাৱে)

লুকু ঃ স্বৰ্গদেউঙ্গ

চন্দ্ৰকান্ত ঃ শুনা। (কাণৰ ওচৰত ফুচ্‌ফুচাই কিবা কয়।)

লুকু ঃ স্বৰ্গদেউৰ যি আদেশ।

চন্দ্ৰকান্ত ঃ ডেকাফুকন, মোৰ ৰাজসিংহাসনৰ মৰ্য্যদা তোমাৰ হাতত গতালোঁ।

(এনেতে ধুম-ধাম হিলৈৰ শব্দ হয়, নগৰীয়া বৰুৱা সোমাই আহে)

নঃ বৰুৱা ঃ স্বৰ্গদেউ, স্বৰ্গদেউ, শত্ৰু নিচেই ওচৰ পালেহি। চাৰিওপিনে হিলৈৰ গুলী, বৰটোপৰ গুলীঙ্গ

(ওলাই যায়)

চন্দ্ৰকান্ত ঃ (অস্থিৰভাৱে) ডেকাফুকন, ডেকাফুকন।

(আকৌ হিলৈৰ শব্দ)

লুকু ঃ স্বৰ্গদেউ, সজ্জিত নাও ভোগদৈত বন্ধা আছে, এতিয়াই যাওঁক। শত্ৰু সেনা নিচেই ওচৰত। মই আৰু অপেক্ষা নকৰোঁ।

চন্দ্ৰকান্ত ঃ (কৰুণ দৃষ্টিৰে) ডেকা ফুকনঙ্গ

লুকু ঃ স্বৰ্গদেউ প্ৰাণ দিও নগৰ ৰক্ষা কৰিম। যাওক, যাওক, পলম নকৰিব। (আকৌ হিলৈৰ শব্দ)

চন্দ্ৰকান্ত ঃ (বিহ্বল হৈ) ডেকাফুকন, তুমিয়েহে মোৰ একমাত্ৰ বিপদৰ বন্ধু। মোৰ মান-মৰ্য্যাদা, সিংহাসন সকলো তোমাৰ ওপৰত নিৰ্ভৰ।

(নেপথ্যত ঃ জয় পুৰন্দৰ সিংহৰ জয়ঙ্গ জয় পুৰন্দৰ সিংহৰ জয় ঙ্গঙ্গ)

লুকু ঃ স্বৰ্গদেউ, স্বৰ্গদেউ যাওক, যাওক আৰু পলম নকৰিব। নিজক ৰক্ষা কৰক, ৰক্ষা কৰক।

চন্দ্ৰকান্ত ঃ ডেকাফুকন মই আহিলোঁ। মোৰ যথাসৰ্বস্ব তোমাৰ ওপৰত নিৰ্ভৰ। (যাওঁ নাযাওঁকৈ চন্দ্ৰকান্ত সিংহ ওলাই যায়। নগৰীয়া বৰুৱা বেগেৰে আহে।)

শব্দাৰ্থ ঃ

আহুতি (বি.) — বিসৰ্জন।
গচকি থৈ গৈছে (ক্ৰি.) -- দুৰ্বল কৰি থৈ গৈছে।
শোণিত (বি.) — তেজ।
কাৰেং (বি.) — ৰাজপ্ৰসাদ।
আগ ভেটো গৈ — বাধা দিওঁ গৈ।
অলসভাৱে (বিণ.) -- ক্লান্ত বা শ্ৰান্তভাৱে।
মৰ্য্যাদা (বি.) -- সন্মান।
হিলৈ (বি.) — বন্দুক।
যথা সৰ্বস্ব (বি.) — যি আছে সকলো।
বিপক্ষে (বি.) -- বিপৰীতে।
নেপথ্যত (বি.) -- ভাৱনা, নাটকত দৰ্শকে চকুৰে নেদেখা স্থান।
বিহ্বল (বিণ.) -- আতুৰ, ব্যাকুল শোক, ভয়ৰ দ্বাৰা বিতত।

## 22.3.5 আলোচনা

ৰুচিনাথ আজি শত্ৰুভাৱে কিয় আহিলে এই কথাকে লুকুৱে ভাবিবলৈ ধৰিলে। ৰুচিনাথ পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ পুতেক। পূৰ্ণানন্দই চন্দ্ৰকান্ত সিংহক ৰক্ষা কৰিবলৈকে নিজৰ প্ৰাণ আহুতি দিছিল। সেই ৰাজভক্ত পূৰ্ণানন্দৰ পুত্ৰ হৈ ৰুচিনাথে চন্দ্ৰকান্তক সিংহাসনৰপৰা নমাই পুৰন্দৰ সিংহক ৰাজপাটত বহুৱাবলৈ অহাতো লুকুৰ বাবে বৰ আচৰিত কথা। মানে আক্ৰমণ কৰি যোৱাৰ পাছত ৰাজশক্তি তেনেই দুৰ্বল। দেশত উপযুক্ত মন্ত্ৰী নাইবা সেনাপতি কোনো নাই। দেশৰ এনে এক বলহীন অৱস্থাত ৰুচিনাথে ৰজা ভঙা পতা কৰিবলৈ শত্ৰু হিচাপে ৰাজধানীলৈ আহিছে।

এনেতে চন্দ্ৰকান্ত লুকুৰ ওচৰলৈ আহে। তেওঁ বৰ অসহায়। চাৰিওফালে হিলৈ, বৰটোপৰ শব্দ। শত্ৰু আহি সিংহদুৱাৰ পাওঁ পাওঁ। এই সময়ত ৰজাৰ কৰ্তব্য কি -- উপদেশেইবা দিব কোনে?

লুকুৱে শত্ৰুক ভেটিবলৈ মাত্ৰ ৰজাৰ আদেশলৈ বাট চাই আছে। ৰজাক লুকুৱে ক'লে যে ভোগদৈ নৈত নাও সুসজ্জিত ভাৱে বান্ধি থোৱা আছে। গতিকে পলম নকৰি স্বৰ্গদেউ এতিয়াই পলাই যাব লাগে। লুকুৱে নগৰ ৰক্ষা কৰাৰ প্ৰতিশ্ৰুতি দিয়াত ৰজাই যাওঁ নাযাওঁকৈ ওলাই গ'ল। লুকুক একমাত্ৰ বিপদৰ বন্ধু বুলি স্বীকৃতি দি তেওঁ দেশৰ আৰু ৰাজসিংহাসনৰ মৰ্য্যাদা ৰক্ষাৰ ভাৰ দি গ'ল। ইপিনে বাহিৰত'জয় পুৰন্দৰ সিংহৰ জয়' ধ্বনিৰে মুখৰিত হৈ পৰিল। নগৰীয়া বৰুৱা বৰ ব্যস্তভাৱে ডেকাফুকনৰ ওচৰলৈ আহে।

## 22.3.6 দ্বিতীয় পাঠভাগৰ প্ৰশ্নাৱলী

৯। 'ৰাজশক্তি আজি বলহীন' -- এইষাৰ কাৰ উক্তি? কি কাৰণে ৰাজশক্তি বলহীন বুলিছে বুজাই লিখা।

১০। পূৰ্ণানন্দ বুঢ়াগোহাঁই কোন আছিল?

১১। "মোৰ ৰাজসিংহাসনৰ মৰ্য্যদা তোমাৰ হাতত গটালোঁ।" -- কোনে কাক ৰাজসিংহাসনৰ মৰ্য্যদা গটাইছিল?

১২। "তুমিয়েহে মোৰ একমাত্ৰ বিপদৰ বন্ধু।" -- এইষাৰ কাৰ উক্তি? 'বিপদৰ বন্ধু' বুলি কাক কৈছে?

১৩। লুকুৱে স্বৰ্গদেৱক কেনেকৈ ক'লৈ যাবলৈ অনুৰোধ কৰিছে?

১৪। চন্দ্ৰকান্ত সিংহৰ ৰাজধানীখন ক'ত অৱস্থিত আছিল আৰু ওচৰেদি কি নৈ বৈ গৈছিল?

## 22.3.7 মুদ্রিত প্ৰতিলিপিৰ তৃতীয় ভাগ

অনুচ্ছেদ ৩। নঃ বৰুৱা ঃ ডেকাফুকন, ডেকাফুকন বুঢ়াগোহাঁইৰ সৈন্যৰ আগত আমাৰ সৈন্য ৰ'বই নোৱাৰিলে। আহক, আহক কিবা এটা উপায় কৰকহি। (নঃ বৰুৱা ওলাই যায়।)

(এনেতে পূবফালে বেলি ওলাই পোহৰ হয়।)

লুকু ঃ এ্যাঁঙ্গ (বেগেৰে ওলাই যায়।)

(নঃ বৰুৱা আকৌ আহে।)

নঃ বৰুৱা ঃ আচৰিত, ৰুচিনাথে ইমান সৈন্য আনিছেঙ্গ নামনি অসমৰ প্ৰায় সকলো বিষয়া ৰুচিনাথৰ লগত। সকলোৱেই ৰজাৰ বিপক্ষে অস্ত্ৰ ধৰিছে। এই অন্তৰ্বিপ্লৱৰ শেষ ফল কি, কোনে জানে। (ওলাই যায়)

(আনফালৰপৰা লুকু আহে।)

লুকু ঃ নোৱাৰিলোঁ, নোৱাৰিলোঁ। চাৰিওফালে শত্ৰুসৈন্যই আগুৰি ধৰিছে। ইমান সোনকালে ৰাজ-বাহিনীৰ পৰাজয় হ'ল। (ঘনে ঘনে বৰটোপৰ ধ্বনি হয়।)

(নেপথ্যত ঃ জয় পুৰন্দৰ সিংহৰ জয়ঙ্গ জয় পুৰন্দৰ সিংহৰ জয়ঙ্গঙ্গ) আকৌ, আকৌ সেয়া শত্ৰুৰ জয়ধ্বনিঙ্গ আৰু ভাবিবৰ সময় নাই; পাৰিলে প্ৰচণ্ড অগ্নিত জাপ দি তাক নিবাৰণ কৰোঁ।

(লুকু যাব খোজে, সমুখৰপৰা কিছুমান সৈন্যেৰে জগন্নাথে আগভেটি ধৰি সোমাই আহে।)

অনুচ্ছেদ ৪। জগন্নাথ ঃ ক'লৈ পলাবা লুকু? সৈন্যসকলঙ্গ ততালিকে ৰাজকাৰেং লুট-পাট কৰ। চন্দ্ৰকান্ত সিংহক বন্দী কৰ। পলম নকৰিবি। আগবাঢ়, আগবাঢ়।

লুকু ঃ ৰাজদ্ৰোহী নৰাধমহঁত তৰোৱাল ল', তৰোৱাল ল'। ইমান নীচ তহঁত, চোৰৰ দৰে আহি ৰাজকাৰেং সোমাইছ।

জগন্নাথ ঃ চোৰ নহয় লুকু, প্ৰকৃত গিৰিহঁত। বাধা নিদিবা, বাধা দিলে তোমাৰ অমংগল।

লুকু ঃ মোৰ অমংগল সিংহাসনৰ নিমিত্তে, স্বৰ্গদেউৰ নিমিত্তে, দেশৰ নিমিত্তে, মোৰ অমংগল। হওঁক অমংগল তথাপি দেৱতাৰ মন্দিৰত পিশাচক সোমাবলৈ নিদিওঁ।

জগন্নাথ ঃ বেচ তেন্তে, নিজক ৰক্ষা কৰা।

(উভয়ে ৰণ কৰিবলৈ ধৰে, এনেতে কিছুমান সৈন্যেৰে ৰুচিনাথ সোমাই আহে।)

অনুচ্ছেদ ৫। ৰুচিনাথ ঃ বন্দী কৰা, বন্দী কৰা লুকুক। ছিঃ লুকুৰ লগত যুদ্ধ। সামান্য লুখুৰাসনৰ ল'ৰা সি. আজি ৰাজকাৰেং ৰক্ষা কৰেঙ্গ (কিছুমান সৈন্যাই লুকুক বন্দী কৰে।) লুকু ডেকাফুকন, নগৰত কি গোহাঁইৰ ল'ৰা কোনোৱেই নাই? সামান্য লুখুৰাসনৰ ল'ৰা এটাৰ ওপৰত ৰাজ নগৰৰ ভাৰঙ্গ কি অধঃপতনঙ্গ

লুকু ঃ ৰাজদ্ৰোহী ৰুচিনাথক পুঁজিলা। তুমিয়েই বুঢ়াগোহাঁইৰ ল'ৰা নোহোৱা নে? এতিয়া তুমি কি? সিংহাসনৰ বিপক্ষে ষড়যন্ত্ৰ কৰিছা?

ৰুচিনাথ ঃ সাৱধান লুকু, ক ততালিকে, তোৰ চন্দ্ৰকান্ত সিংহ ক'ত?

লুকু ঃ মই নকওঁ, মোক হত্যা কৰা, তাৰ পাছত মোৰ ৰজাক বিচাৰিবা। মই [illegible] গোহাঁইৰ ল'ৰাৰ দৰে অকৃতজ্ঞ, [illegible], ৰাজদ্ৰোহী নহওঁ, মই [illegible] লুখুৰাসনৰ ল'ৰা।

ৰুচিনাথ ঃ লুকু, জাননে তই কাৰ হাতত বন্দীঙ্গ

সাৱধানে কথা কবি? শুন লুকু, দুৰ্বল চন্দ্ৰকান্ত সিংহৰ ৰাজত্বত দেশত অশান্তি বিয়পিছে। যোগ্য ৰজা পুৰন্দৰ সিংহক বহুৱাই দেশত শান্তি আনিবলৈ আহিছো। নিজৰ আৰু দেশৰ যদি মংগল বাঞ্ছা কৰ, তুৰন্তে ক চন্দ্ৰকান্ত সিংহ ক'ত?

লুকু ঃ জানোঁ, জানোঁ, জানোঁ ৰুচিনাথ, দেশ যদি ধ্বংস

হ'বলৈ হয়, সিংহাসন যদি চূৰ্ণ হ'বলৈ হয়, চিৰ আৰাধনীয়া স্বাধীনতা যদি লুপ্ত হ'বলৈ হয়, তেন্তে তোমালোক গোহাঁই কেইঘৰৰ স্বেচ্ছাচাৰিতা, জঘন্য স্বাৰ্থপৰতাৰ ফলত। ৰুচিনাথঙ্গ এবাৰ অতীত বুৰঞ্জী মেলি চোৱা। দেশত যতবাৰ অন্তৰ্বিপ্লৱ হৈছে কেৱল তোমালোক গোহাঁই কেইঘৰৰ স্বাৰ্থপৰতাতে -- নহয় নে? আৰু আজি যি হৈছে, তোমাৰ কু-অভিসন্ধিতে নহয় নে? ৰুচিনাথ? এতিয়াও কওঁ, দেশৰ মংগলৰ নিমিত্তে ভুল সংশোধন কৰা।

ৰুচিনাথ : কি? মোৰ ভুল? ৰুচিনাথ বুঢ়াগোহাঁইৰ? সাৱধান লুকুঙ্গ শীঘ্ৰে ক, তোৰ চন্দ্ৰকান্ত সিংহ ক'ত?

লুকু : মই নকওঁ।

ৰুচিনাথ : নকৱ?

লুকু : নকওঁ, নকওঁ।

ৰুচিনাথ : নকৱ?

লুকু : নকওঁ?, নকওঁ, নকওঁ।

ৰুচিনাথ : সামান্য লুখুৰাসনৰ ল'ৰা, তোৰ ইমান অহংকাৰ? ৰুচিনাথ বুঢ়াগোহাঁইক অৱজ্ঞা কৰঙ্গঙ্গ সৈন্যসকল, লৈ যা, নিমিষতে প্ৰাণদণ্ড দেঙ্গ

(সৈন্যসকলে লুকুক টানি নিয়ে আৰু লুকুৱে উলটি কৈ যায়)

অনুচ্ছেদ ৬। লুকু : ৰুচিনাথ, ৰুচিনাথ, ৰজেদ্ৰোহী ৰুচিনাথ শুন, এই নীচ লুখুৰাসনৰ ল'ৰা লুকুৰ শেষ বাণী। আজি তই যি অন্তৰ্বিপ্লৱ আনি ৰাজকাৰেঙত সুমুৱালিহি, ভায়ে ভায়ে বিবাদ লগালিহি, এয়ে খাণ্ডৱদাহনত পৰিণত হ'ব। তই বিষম ভুল কৰিছঙ্গ এই ভুলত দেশ ছাৰখাৰ হ'ব। আহোম কুল ৰবি চিৰদিনলৈ মাৰ যাব। এতিয়াও সময় আছে ৰুচিনাথ ভুল সংশোধন কৰ। স্বৰ্গাদপি গৰীয়সী জননী জন্মভূমিক ধ্বংস নকৰিবি। ৰুচিনাথ, ৰুচিনাথ; (লুকুক টানি লৈ যায়। ৰুচিনাথে খঙেৰে লুকুৰ ফালে চাই থাকে। বাকীবিলাকে তলমূৰ কৰে।)

**শব্দাৰ্থ :**

অন্তৰ্বিপ্লৱ (বি.) – দেশৰ ভিতৰত হোৱা সশস্ত্ৰ দলাদলি।
নিবাৰণ (বি.) – বাধাকৰণ, মানাকৰণ।
ষড়যন্ত্ৰ (বি.) – চক্ৰন্ত, কু-অভিসন্ধি।
অকৃতজ্ঞ (বিণ.) – অশলাগী।
বিশ্বাসঘাতক (বিণ.) - বিশ্বাস কৰি কোৱা কথা প্ৰকাশ কৰোঁতা।
খাণ্ডৱদাহন (বি.) – সৰ্বব্যাপী ভয়ানক অগ্নিকাণ্ড।
আৰাধনীয় (বিণ.) — পূজা কৰিবলগীয়া।

## 22.3.8 আলোচনা

নগৰীয়া বৰুৱাই আহি লুকু ডেকা ফুকনক জনালে যে নামনি অসমৰ প্ৰায়বোৰ বিষয়াই ৰুচিনাথৰ লগত সসৈন্যে যোগ দিছে। এই বিৰাট সৈন্যবাহিনীৰ সমুখত আহোম সৈন্য ৰবই নোৱাৰিলে। ইফালে ৰাতি পুৱাবৰ হ'ল। কিবা এটা নকৰিলে ৰাজধানী ৰক্ষা কৰিব পৰা নাযাব। লুকুডেকাফুকনে আগবাঢ়ি গৈ শত্ৰুৰ লগত যুদ্ধ কৰি উভতি আহে। শত্ৰুৰ হাতত ৰাজবাহিনীৰ পৰাজয় হ'ল। চাৰিওফালে পুৰন্দৰসিংহৰ জয়ধ্বনি শুনা গ'ল। শেষবাৰৰ বাবে লুকু আগবাঢ়ি যাবলৈ ওলাওতে জগন্নাথ ঢেকীয়াল ফুকন সসৈন্যে আহি তেওঁক আগচি ধৰে। তেওঁ আহিয়ে ৰাজকাৰেং লুটপাত কৰিবলৈ সৈন্যসকলক আদেশ দিয়ে। লুকুৱে বাধা দিয়াৰ ফলত দুয়োৰে মাজত তুমুল ৰণ হয়। এনেতে ৰুচিনাথ আহি লুকুক বন্দী কৰে। ৰাজদ্ৰোহীতাৰ বাবে লুকুৱে ৰুচিনাথক নান ধৰণে তিৰস্কাৰ কৰে। ৰুচিনাথে লুকুক চন্দ্ৰকান্ত সিংহ ক'ত আছে তাৰ সম্ভেদ দিবলৈ কয়। লুকুৱে কিন্তু প্ৰাণ গলেও তেওঁৰ ৰজা ক'ত আছে তাক কবলৈ অস্বীকাৰ কৰে। নানা ধৰণে ভয় দেখুৱায়ো তেওঁৰপৰা ৰজাৰ বতৰা উলিয়াব নোৱাৰি ৰুচিনাথে লুকুক প্ৰাণদণ্ড দিবলৈ সৈন্যসকলক আদেশ দিয়ে। সৈন্যসকলে তেওঁক বধ্যভূমিলৈ টানি লৈ যায়।

## 22.3.9 তৃতীয় পাঠভাগৰ প্ৰশ্নাৱলী

১৫। জগন্নাথ কোন আছিল? তেওঁ কাক আগভেটি ধৰিছিলহি?

১৬। বুঢ়াগোহাঁইৰ সৈন্যৰ আগত আমাৰ সৈন্য ৰ'ব নোৱাৰাৰ কাৰণ কি?

১৭। "ৰুচিনাথঙ্গ ৰুচিনাথঙ্গ ৰাজদ্ৰোহী ৰুচিনাথ শুন, এই নীচ লুখুৰাসনৰ ল'ৰা লুকুৰ শেষ বাণীঙ্গ" – লুকু কোন? তেওঁৰ শেষবাণী কি আছিল?

১৮। নামনি অসমৰ প্ৰায়বোৰ বিষয়াই কাৰফালে যোগ দিছিল?

১৯। "দেৱতাৰ মন্দিৰত পিশাচক সোমাবলৈ নিদিওঁ।" –কথাষাৰ কোনে কৈছিল? 'পিশাচ' বুলি ইয়াত কাক বুজোৱা হৈছে?

২০। লুকু ডেকা ফুকন কাৰ হাতত বন্দী হৈছিল? বন্দী লুকুক ক'লৈ লৈ যোৱা হৈছিল?

## 22.4 সাৰাংশ

নামনি অসমৰ আহোম বিষয়া আৰু সৈন্য-সামন্তখিনি হাতত লৈ পূর্ণানন্দ বুঢ়াগোহাঁইৰ পুত্ৰ ৰুচিনাথে দুর্বল ৰজা চন্দ্রকান্ত সিংহক ৰাজসিংহাসনৰ পৰা আঁতৰাই পুৰন্দৰ কোঁৱৰক ৰাজপাটত বহুৱাবলৈ ৰাজধানী আক্রমণ কৰে। ৰাজশক্তি দুর্বল। ৰজাক মন্ত্রণা দিবলৈ মন্ত্রী নাই, বীৰ-সাহসী উচ্চ ৰাজবিষয়া নাই। চন্দ্রকান্ত সিংহ অসহায়। কিন্তু লুখুৰাসন নামৰ আহোমৰ সাধাৰণ ফৈদৰ ল'ৰা লুকু ডেকাফুকনে এনে সময়ত ৰজাৰ কাষত থাকি তেওঁক সাহস দিছে। লুকুৱে এনে বিপদত শেষটোপা ৰক্ত দেহত থকালৈকে ৰাজধানী ৰক্ষা কৰাৰ প্রতিশ্রুতি দি ৰজাক পলুৱাই পঠাই নিজৰ ৰাজভক্তিৰ পৰিচয় দিয়ে। বিদ্রোহী সৈন্যই লুকুক চন্দ্রকান্তৰ বতৰা নিদিয়া বাবে বন্দী কৰি প্রাণদণ্ড দিবলৈ বধ্যভূমিলৈ লৈ যায়। তথাপি লুকুৱে ৰজাৰ বতৰা শত্রুক নিদি নিজৰ ৰাজভক্তি আৰু স্বদেশপ্রীতি প্রদর্শন কৰে। বধ্যভূমিলৈ লৈ যোৱা সময়তো লুকুৱে উচ্চ বিষয়া আৰু ৰাজপৰিয়ালৰ মাজৰ অৰিয়াঅৰিক নিন্দা কৰি ৰাজভক্তি আৰু দেশভক্তিৰ গুণ গাই আন বিষয়াসকলক লাজত পেলাইছে।

## 22.5 টোকা

**নাটক আৰু ইয়াৰ প্ৰকাৰ ভেদ ঃ**

ৰঙ্গমঞ্চত অভিনয়ৰ বাবে উপযোগীকৈ ৰচনা কৰা এক বিশেষ লেখাকে নাটক বোলা হয়। নাটকত প্রধানকৈ চাৰিবিধ উপাদান থাকে — কাহিনী, চৰিত্ৰ, সংলাপ আৰু দ্বন্দ্ব। বাস্তৱমুখিতা আধুনিক নাটকৰ প্রধান লক্ষণ। বিষয়বস্তুৰ বিকাশ আৰু চৰিত্ৰও সৃষ্টি কৰা হয় বাস্তৱতাৰ প্রতি লক্ষ্য ৰাখিহে। বিষয়বস্তুৰ ফালৰ পৰা নাটকক তিনিভাগত ভগাব পাৰি ঃ (১) পৌৰাণিক (২) ঐতিহাসিক বা বুৰঞ্জীমূলক আৰু (৩) সামাজিক।

আমাৰ আলোচ্য পাঠটি বুৰঞ্জীমূলক বা ঐতিহাসিক নাট শ্ৰেণীৰ ভিতৰত পৰে। এইখিনিতে বুৰঞ্জীমূলক নাট কাক বোলে জানি থোৱা ভাল। বুৰঞ্জীমূলক নাটক ৰচনাৰ মূল অনুপ্রেৰণা হ'ল স্বদেশপ্রীতি আৰু অতীতৰ প্রতি শ্রদ্ধাশীল মনোভাব। অতীত ইতিহাসৰ শৌর্য্য-বীর্য্য আৰু গুণগৰিমাৰ পৰা অনুপ্রেৰণা লাভ কৰা প্রচেষ্টাৰ পৰাই বুৰঞ্জীমূলক নাটৰ উৎপত্তি। প্রসিদ্ধ চৰিত্ৰৰ কোনো দিশত বুৰঞ্জীয়ে পোহৰ নেপেলালেও বুৰঞ্জীমূলক নাটত সেইবোৰৰ চিত্ৰ অংকন কৰাৰ অধিকাৰ নাট্যকাৰৰ আছে। 'লুকু ডেকা ফুকনৰ দেশভক্তি' শীর্ষক নাট্যাংশৰ মূল চৰিত্ৰ লুকু সাধাৰণ লুখুৰাসন পৰিয়ালৰ ল'ৰা। বুৰঞ্জীত এই চৰিত্ৰটো কোনো দিশেই প্রতিফলিত হোৱা নাই। কিন্তু নাট্যকাৰে ইয়াত তেওঁৰ ৰাজভক্তি, স্বদেশপ্ৰেম আৰু বীৰত্বৰ ওপৰত আলোকপাত কৰিছে। চৰিত্ৰটিক মহীয়ান কৰি তুলিছে। যি যুগৰ কাহিনী লৈ বুৰঞ্জীমূলক নাট ৰচনা কৰা হয়

সেই যুগৰ সমাজখনৰ সামাজিক, সাংস্কৃতিক আদি জীৱনৰ চিত্র অংকন কৰাটো বুৰঞ্জীমূলক নাটৰ প্ৰধান বৈশিষ্ট্য।

**নগৰীয়া বৰুৱা** ঃ নগৰ পৰিচালনাৰ ভাৰপ্ৰাপ্ত বিষয়া।

**লুকু** ঃ লুখুৰাসনীয়া ঘৰৰ ডেকা ফুকন। চন্দ্ৰকান্ত সিংহৰ এজন অতি বিশ্বাসী ৰাজভক্ত বিষয়া আৰু এজন সাহসী স্বদেশপ্ৰেমী।

**চন্দ্ৰকান্ত সিংহ** ঃ আহোম ৰাজবংশৰ শেষৰজন স্বাধীন ৰজা। এওঁ বৰ দুৰ্বল আৰু সোৰোপা আছিল। ৰাজপৰিয়ালৰ অন্তৰ্বিপ্লৱ আৰু উচ্চ বিষয়া সকলৰ অৰিয়া-অৰিৰ ফলত যি সময়ত দেশত গৃহকন্দলে দেখা দিছিল তেনে এক অস্থিৰতাৰ সময়তে এইজনা কোঁৱৰ ৰজা হয়। সোলোক ঢোলোক হৈ পৰা ৰাজ সিংহাসন ৰক্ষা কৰিবলৈ এইজনা ৰজা অসমৰ্থ হৈ পৰিছিল। প্ৰজাক নিৰাপত্তা দিয়া দূৰৈৰ কথা, এওঁৰ নিজৰো নিৰাপত্তা নাছিল। ফলত এওঁৰ দিনতে আহোম ৰাজত্বৰ স্বাধীনতা লোপ পায়।

**ৰুচিনাথ** ঃ ৰুচিনাথ আহোম ৰজাসকলৰ অতি প্ৰতাপশালী বুঢ়াগোহাঁই পূৰ্ণানন্দৰ পুত্ৰ আছিল। পূৰ্ণানন্দৰ মৃত্যুৰ পাছত এওঁক বুঢ়াগোহাঁইৰ পদৱী লবলৈ আমন্ত্ৰণ জনাইছিল যদিও তেওঁ তাক প্ৰত্যাখ্যান কৰে। যিজনা বুঢ়াগোহাঁঞে আহোম স্বৰ্গদেউ চন্দ্ৰকান্ত সিংহৰ বাবে জীৱন আহুতি দিছিল, সেইজনা ব্যক্তিৰ পুত্ৰ হৈ ৰুচিনাথে চন্দ্ৰকান্তক সিংহাসনচ্যুত কৰিবলৈ ৰাজধানী আক্ৰমণ কৰিছিল। চন্দ্ৰকান্তৰ ঠাইত তেওঁ পুৰন্দৰ সিংহক ৰাজপাটত বহুৱায়।

**পুৰন্দৰ কোঁৱৰ** ঃ আহোমসকলৰ শেষৰজনা স্বৰ্গদেউ। এওঁৰপৰাই ইংৰাজসকলে অসমৰ শাসন ভাৰ নিজৰ হাতলৈ নিয়ে।

**মান** ঃ এটা দুৰ্দান্ত জাতি বাৰ্মা ৰাজ্যৰ।

**সিংহ দুৱাৰ** ঃ প্ৰধান দুৱাৰ। ৰাজকাৰেঙত সোমোৱাৰ প্ৰধান দুৱাৰ।

**টিংখং** ঃ বৰকাঁহ, আগন্তুক যুদ্ধ বা বিপদ আদিৰ সংকেত।

**জগন্নাথ ঃ** ভূতপূৰ্ব বুঢ়াগোহাঁই পূৰ্ণানন্দ সিংহৰ পুত্ৰ আৰু ৰুচিনাথ গোহাঁইৰ ভাতৃ।

**লুখুৰাসন ঃ** আহোমৰ এটি সাধাৰণ শ্ৰেণীৰ ফৈদ।

**গোহাঁইৰ ল'ৰা ঃ** উচ্চ বংশীয় আহোম পৰিয়ালৰ লোক।

**খাণ্ডৱদাহ ঃ** সৰ্বব্যাপী ভয়ানক অগ্নিকাণ্ড। অগ্নিদেৱতাৰ প্ৰীতিৰ অৰ্থে অৰ্জুনে খাণ্ডৱ বন দাহ কৰোঁতে এটা জীৱ জন্তুৰেও জুইৰ পৰা ৰক্ষা পৰা নাছিল।

## 22.6 সাধাৰণ অনুশীলনী

### 22.6.1 উপসৰ্গ বিচাৰ

তুমি পঢ়ি অহা ওপৰৰ পাঠটোত "পৰাজয়" শব্দটো পাইছা। 'পৰা + জয়' = 'পৰাজয়' শব্দটোৰ উৎপত্তি হৈছে। এই 'পৰা' এটা উপসৰ্গ। উপসৰ্গবোৰ সংস্কৃত। সেয়ে ই সংস্কৃত ধাতুৰ আগতহে ব্যৱহাৰ হয়। উপসৰ্গ ২০ টা। যেনে ঃ- প্ৰ, পৰা, অপ, সং (সম), নি, অব, অনু, নিৰ, দুৰ, বি, অধি, সু, উৎ, পৰি, প্ৰতি, অভি,, অপি, অতি, উপ আৰু আ। অসমীয়া ভাষাত নি, বি, আৰু অব এই তিনিটা মাথোন চলিত হৈ আছে। যেনে ঃ

নি ---- নিলাজ, নিমাত, নিজান।

বি ---- বিমোৰ, বিলগ, বিজোখ।

অব ---- ('অব' অসমীয়া ভাষাত প্ৰায়ে 'আও" হয়।)

আওমৰণ, আওবাট, আওহেলা। কিছুমানত 'অৱ' শব্দই বাহাল থাকে। যেনে ঃ অৱহেলা। কিছুমান সংস্কৃত শব্দ অতি পুৰণি কালৰ পৰাই অসমীয়া ভাষাত চলি আছে। সিহঁতক অসমীয়া শব্দ বুলি ধৰা হয়। এনে শব্দৰ লগত কেতিয়াবা সংস্কৃত উপসৰ্গ যোগ হয়।

উপসৰ্গবোৰ প্ৰধানকৈ তিনিটা অৰ্থত ব্যৱহাৰ হয় ঃ (১) একে অৰ্থত (২) বিপৰীত অৰ্থত আৰু (৩) বিশেষ অৰ্থত।

(১) নি + হত = নিহত; নি + করুণ = নিকৰুণ,

প্ৰ + দীপ = প্ৰদীপ আদি।

(২) পৰা + জয় = পৰাজয়; অপ + মান = অপমান আদি।

(৩) প্ৰ + মূল্য = প্ৰমূল্য, বি + শুদ্ধ = বিশুদ্ধ আদি।

তোমাৰ কৰণীয় ঃ

২১। ওপৰত উদাহৰণ নিদিয়া, অথচ তুমি জানা, এনে উপসৰ্গ যোগ দি তুমি ৫ টা বাক্য লিখিবলৈ যত্ন কৰা।

২২। তলত দিয়া শব্দবোৰত কি কি উপসৰ্গ যোগ হৈছে বাছি উলিওৱা ঃ

(ক) অধিকাৰ।

(খ) পৰিচয়।

(গ) অভিশাপ।

(ঘ) পৰাধীন।

(ঙ) অপমান।

## 22.6.2 বিপৰীতাৰ্থ বিচাৰ

২৩। এই পাঠত 'শত্ৰু' শব্দটো পাইছা। ইয়াৰ বিপৰীতাৰ্থক শব্দ 'মিত্ৰ'। তলত পাঠটোৰ পৰাই কেইটামান শব্দ দিয়া হ'ল। তুমি সিবোৰৰ বিপৰীত শব্দ বিচাৰি উলিয়াই লিখা ঃ

| | |
|---|---|
| (ক) অসম্ভৱ | (ঝ) পলম |
| (খ) উপযুক্ত | (ঞ) জয় |
| (গ) শেষ | (ট) ওলায় |
| (ঘ) ততালিকে | (ঠ) নামনি |
| (ঙ) মৰ্য্যাদা | (ড) উপায় |
| (চ) অস্থিৰ | (ঢ) মান |
| (ছ) ওচৰত | (ণ) ৰাতি |
| (জ) কৰুণ | (ত) উপস্থিত। |

## 22.6.3 যতি বা বিৰাম চিহ্ন প্ৰয়োগ বিচাৰ ঃ

"জানো, জানো, জানো ৰুচিনাথ, দেশ যদি ধ্বংস হ'বলৈ হয়, সিংহাসন

যদি চূৰ্ণ হ'বলৈ হয়, চিৰ আৰাধনীয়া স্বাধীনতা যদি লুপ্ত হবলৈ হয়, তেন্তে, তোমালোক গোহাঁই কেইঘৰৰ স্বেচ্ছাচাৰিতা, জঘণ্য স্বাৰ্থপৰতাৰ ফলতঙ্গ"

-- ওপৰৰ কথাখিনিলৈ মন কৰিলে দেখা পাবা যে ইয়াত কেইবা ঠাইতো ক'মা (,) আৰু শেষত দাড়ি (।) দিয়া হৈছে। আমি কোনো পাঠ পঢ়োতে বা কবিতা আবৃত্তি কৰোঁতে তাক সুখপাঠ্য বা শ্ৰুতিমধুৰ কৰিবলৈ অথবা কোনো অৰ্থত জোৰ দি বুজাবলৈ ঠায়ে ঠায়ে বিৰাম লওঁ। য'ত বিৰাম ল'বলগা হয় তাৰ সংকেত দিবলৈ লিখোঁতে বিৰাম চিহ্ন বা যতি ব্যৱহাৰ কৰোঁ। ওপৰত উনুকিয়াই অহা ক'মা বা দাড়িও সেই যতি বা বিৰাম চিহ্নহে। য'ত অলপ সময় বিৰাম লোৱা হয় তাক অৰ্দ্ধযতি বা অৰ্দ্ধ বিৰাম বোলা হয়। ক'মা(,), ক'লন (ঃ) আদি অৰ্দ্ধ বিৰামৰ চিন। য'ত পঢ়োতে অৰ্দ্ধ বিৰামত কৈ বেছি সময় ল'ব লাগে তাক পূৰ্ণযতি বা পূৰ্ণ বিৰাম বোলা হয়। দাড়ি (।), প্ৰশ্নবোধক (?) চিহ্ন আদি পূৰ্ণ বিৰামৰ চিন।

২৪। এতিয়া তলত দিয়া বাক্যটোৰ উপযুক্ত স্থানত তুমি নিজে বিৰাম চিহ্ন দিয়া।

কিন্তু কালৰ কি লীলা বদনচন্দ্ৰ হ'ল দেশদ্ৰোহী অদূৰদৰ্শী কূটাশাল আৰু স্বাৰ্থপৰ পূৰ্ণনন্দই নাম পালে স্বদেশপ্ৰেমিক চিন্তাশীল কাৰ্য্যপ্ৰিয় আৰু অসাধাৰণ ৰাজনীতিজ্ঞ পুৰুষ

## খালী ঠাই পূৰণ

২৫। তলৰ বাক্যবোৰৰ খালী ঠাই সমূহ পাঠৰ আধাৰত পূৰণ কৰা ঃ

(ক) কোনে .............. বজাই ৰণ আহ্বান কৰে?

(খ) স্বৰ্গদেউ, .............. দৰে শত্ৰু আহি নগৰত সোমাইছে।

(গ) ৰুচিনাথে জানে ৰাজশক্তি .............. গচকি থৈ গৈছে।

(ঘ) উস্, এনে বিপদত মন্ত্ৰী নাই .............. কৰিবলৈ

(ঙ) এই .............. শেষ ফল কি, কোনে জানেঙ্গ

## এটা শব্দত প্ৰকাশ

আৰ্হি বাক্য ঃ ৰজাৰ প্ৰতি দ্ৰোহ যিয়ে আচৰণ কৰে তেওঁ 'ৰাজদ্ৰোহী'।

২৬। এইদৰে আৰ্হি বাক্য চাই তুমি তলৰ বাক্য কেইটা এটা শব্দত প্ৰকাশ কৰা। শব্দবোৰ পাঠটোতে পাবা।

(ক) ৰজাৰ প্ৰতি ভক্তি বা আনুগত্য যাৰ

(খ) যাক বিশ্বাস কৰিব নোৱাৰি।

(গ) যিয়ে আনৰ উপকাৰৰ কথা পাহৰি যায়।

(ঘ) দেশৰ প্ৰতি ভক্ত যিজন

(ঙ) যিয়ে অকল নিজৰ স্বাৰ্থৰ কথাকে ভাৱে।

## সন্ধি

২৭। তলৰ শব্দ কেইটাৰ সন্ধি ভাঙা ঃ

| | |
|---|---|
| নগৰীয়া | যথাসৰ্বস্ব |
| জনদিয়েক | অমঙ্গল |
| পুৰতীয়া | সংশোধন |
| সিংহদুৱাৰ | অধঃপতন |

## নানাৰ্থ বিচাৰ

'জাপ দি' --- শব্দৰ অৰ্থ জপিয়াই পৰা। কিন্তু ইয়াত আন এটা অৰ্থও আছে; যেনে ঃ ভাঁজ দিয়া বা মোটোকাই দিয়া। ব্যৱহাৰ অনুসৰিহে অৰ্থ ভিন্ ভিন্ হয়। ইয়াকে নানাৰ্থক শব্দ বোলা হয়। 'জাপ দি' শব্দটোনো কেনেকৈ বেলেগে বেলেগে ব্যৱহাৰ কৰিব পাৰি দুটা বাক্যৰ দ্বাৰা দেখুওৱা হ'ল ঃ

----- সি পানীত জাপ দি মৰিল।

----- কাগজখন সৰু কৈ জাপ দি লোৱা।

'যাওঁ' এটা ক্ৰিয়া পদ। ই প্ৰথম পুৰুষৰ লগত সংগতি দেখুৱায়। কিন্তু দুবাৰ ব্যৱহাৰ হ'লে বেলেগ অৰ্থ বুজায়; যেনে -- 'এতিয়া স্বাধীনতা ৰবি অস্ত যাওঁ যাওঁ'।

২৮। এতিয়া তুমি তেনে পাচঁটা শব্দ বেলেগ বেলেগ অৰ্থত ব্যৱহাৰ কৰি দেখুওৱা।

(ক) ফল (খ) গুৰ্ণ (গ) নৌ (ঘ) টোপ (ঙ) বেচ

## 22.7 পাঠভিত্তিক বৰ্ণনাত্মক বা সৃষ্টিধৰ্মী প্ৰশ্নাৱলী

২৯। নেতৃ কোন? তেওঁৰ শেষ বাণী কি আছিল?

৩০। পাঠৰ আধাৰত স্বৰ্গদেউ চন্দ্ৰকান্ত সিংহৰ ৰাজত্ব কালৰ বিষয়ে এটি চমু পৰিচয় দিয়া।

৩১। লুকুৱে দেশ ধ্বংস হোৱাৰ কাৰণ কি কি দৰ্শাইছে।

**৩২। ব্যাখ্যা কৰা ঃ**

(ক) "হওঁক অমঙ্গল তথাপি দেৱতাৰ মন্দিৰত পিশাচক সোমাবলৈ নিদিওঁ।"

(খ) এই অন্তৰ্বিপ্লৱৰ শেষ ফল কি, কোনে জানে?

(গ) "উস্, এনে বিপদত মন্ত্ৰী নাই মন্ত্ৰণা কৰিবলৈ।"

(ঘ) "এবাৰ অতীত বুৰঞ্জী মেলি চোৱা।"

(ঙ) "আজি এই যি অন্তৰ্বিপ্লৱ আনি ৰাজ কাৰেঙত সুমুৱালিহি, ভায়ে ভায়ে বিবাদ লগালিহি, এয়ে খাণ্ডৱদাহনত পৰিণত হ'ব।"

(চ) "স্বৰ্গাদপি গৰীয়সী জননী জন্মভূমিক ধ্বংস নকৰিবি।"

৩৩। লুকু ডেকাফুকনৰ ৰাজভক্তি আৰু দেশভক্তি পাঠটোৰ মাজেৰে কিদৰে প্ৰকাশ পাইছে আলোচনা কৰা।

৩৪। চন্দ্ৰকান্ত সিংহই লুকুডেকাফুকনক দেশ ৰক্ষাৰ ভাৰ কিয় দিব লগা হৈছিল?

৩৫। সাধাৰণ বংশৰ আহোম প্ৰজা হোৱা সত্বেও লুকুৱে তেওঁৰ গাত নথকা কি দোষ সেইসময়ৰ উচ্চ বংশজাত গোহাঁইসকলৰ গাত থকা বুলি কৈছিল?

৩৬। ৰুচিনাথৰ পৰা প্ৰাণদণ্ডৰ হুকুম পোৱাৰ পাছতো লুকুৱে তেওঁক কি কৈ গৰিহনা দিছিল?

৩৭। ৰুচিনাথ সন্মুখলৈ অহাৰ পূৰ্বে লুকুৰ কাৰ লগত ভেটাভেটি হৈছিল? তেওঁক লুকুৱে কি কৈছিল?

৩৮। ৰজা হিচাপে চন্দ্ৰকান্তৰ চৰিত্ৰ আলোচনা কৰা।

৩৯। এই পাঠৰপৰা তুমি কি শিকিলা?

## 22.8 চমু প্ৰশ্নৰ উত্তৰ সংকেত ঃ

ওপৰৰ পাঠটোৰ চমু প্ৰশ্নসমূহৰ উত্তৰ তলত দিয়া হ'ল। তুমি পোনতে

নিজে কৰা উত্তৰৰ লগত মিলাই চোৱা আৰু নিমিলিলে শিকি লোৱা। দীঘলীয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়া হোৱা নাই।

১। যুদ্ধ আহ্বান কৰা হয়।

২। চন্দ্ৰকান্ত সিংহৰ ৰাজত্বকালৰ নগৰীয়া বৰুৱাই।

৩। চন্দ্ৰকান্ত সিংহ অসমৰ শেষজনা স্বাধীন ৰজা।

৪। ৰুচিনাথে।

৫। অসমৰ মহামন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ পুত্ৰ।

৬। লুকু ডেকাফুকনে।

৭। কাৰণ, তেওঁ ৰুচিনাথক মাতি পঠাইছিল।

৮। ডাঙৰ হিলৈ।

৯। লুকু ডেকাফুকনৰ উক্তি। মানে গচকি যোৱা বাবে ৰাজশক্তি দুৰ্বল হৈ পৰাত ৰুচিনাথে ৰাজধানী আক্ৰমণ কৰাৰ বাবে।

১০। পূৰ্ণানন্দ সিংহ অসমৰ ৰাজমন্ত্ৰী আছিল-- যিয়ে চন্দ্ৰকান্ত সিংহৰ বাবে প্ৰাণ আহুতি দিছিল।

১১। চন্দ্ৰকান্ত সিংহই লুকু ডেকাফুকনক ৰাজসিংহাসনৰ মৰ্য্যাদা গতাইছিল।

১২। চন্দ্ৰকান্ত সিংহৰ। লুকু ডেকাফুকনক।

১৫। জগন্নাথ আহোম ৰজাৰ মন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ পুত্ৰ আৰু ৰুচিনাথ গোহাঁইৰ ভাতৃ আছিল।

১৬। উত্তৰ দিয়া।

১৭। স্বৰ্গদেউ চন্দ্ৰকান্ত সিংহৰ ডেকাফুকনধাৰী এজন ৰাজবিষয়া। তেওঁ স্বৰ্গদেউৰ একমাত্ৰ বিপদৰ বন্ধু। ৰুচিনাথে যি অন্তৰ্বিপ্লৱ আনি ৰাজকাৰেঙত সুমালে, ভাই-ভাইৰ মাজত যি কন্দল লগালে ইয়ে এদিন খাণ্ডৱ দাহনত পৰিণত হৈ আহোমৰ স্বাধীনতা চিৰকাললৈ অন্ত পেলাব। সেয়ে তেওঁ সময় থাকোতে ৰুচিনাথক নিজ ভুল সংশোধন কৰিবলৈ সকিয়াই দিছিল -- এয়ে লুকুৰ শেষ বাণী।

১৮। নামনি অসমৰ প্ৰায়বোৰ বিষয়াই ৰুচিনাথৰ ফালে যোগ দিছিল।

১৯। লুকুয়ে। ৰুচিনাথক 'পিশাচ' বুলিছিল।

২০। লুকু ডেকাফুকন ৰুচিনাথৰ হাতত বন্দী হৈছিল। তেওঁক সৈন্যসকলে বধ্যভূমিলৈ লৈ গৈছিল।

২১। সাধাৰণ অনুশীলনীত অব, পৰা নি, বি, প্ৰ, আপ --- এই কেইটা উপসৰ্গৰ উদাহৰণ তুমি পাই আহিছা। কুৰিটা উপসৰ্গৰ উক্ত ছয়টা বাদ দি বাকী কেইটাৰ -- উদাহৰণ তলত দিয়া হ'ল। ঃ

সং + যোগ = সংযোগ

অনু + শীলন = অনুশীলন।

নিৰ +গুণ = নিৰ্গুণ।

দুৰ + গতি = দুৰ্গতি।

অধি + কাৰ = অধিকাৰ

সু + দৰ্শন = সুদৰ্শন

উৎ + নতি = উন্নতি

পৰি + চয় = পৰিচয়

প্ৰতি + কাৰ = প্ৰতিকাৰ

অভি + শাপ = অভিশাপ

অপি + ধান = অপিধান

অতি + শয় = অতিশয়

উপ+ যুক্ত = উপযুক্ত

আ + ভৰণ = আভৰণ

২২। অধিকাৰ — অধি + কাৰ

পৰিচয় — পৰি + চয়

অভিশাপ — অভি + শাপ

পৰাধীন — পৰা + অধীন

অপমান— অপ + মান

২৩। (ক) সম্ভৱ

(খ) উপযুক্ত

(গ) আদি, আৰম্ভণি

(ঘ) লাহে লাহে

(ঙ) অমৰ্য্যাদা

(চ) সুস্থিৰ

(ছ) নিলগত / দূৰৈত

(জ) অকৰুণ,

(ঞ) সোনকালে

(ট) নোলায় / সোমায়

(ঠ) উজ্জ্বলি

(ড) নিৰুপায়

(ঢ) অপমান

(ণ) দিন

(ত) অনুপস্থিত।

২৪। কিন্তু কালৰ কি লীলা, বদনচন্দ্ৰ হ'ল দেশদ্ৰোহী, অদূৰদৰ্শী আৰু স্বাৰ্থপৰজ্ঞ পূৰ্ণানন্দই নাম পালে স্বদেশপ্ৰেমিক, চিন্তাশীল, কাৰ্য্যপ্ৰিয় আৰু অসাধাৰণ ৰাজনীতিজ্ঞ পুৰুষ।

২৫। (ক) টিংখং

(খ) চোৰৰ

(গ) মানে

(ঘ) মন্ত্ৰণা

(ঙ) অন্তৰ্বিপ্লৱ

২৬। (ক) ৰাজভক্তি

(খ) অবিশ্বাস্য

(গ) অকৃতজ্ঞ

(ঘ) দেশভক্ত

(ঙ) স্বাৰ্থপৰ

২৭। নগৰ + ঈয়া

জনদিয়া + এক

পুৰতি + ঈয়া

সিংহ + দুৱাৰ

যথা + সৰ্বস্ব

নি + বাৰণ

ন + মঙ্গল

সং + শোধন

অধঃ + পতন।

২৮। ফল-- আম এবিধ সুস্বাদু ফল।

মনোযোগ দি পঢ়িলেহে পৰীক্ষাত ভাল ফল পাব পাৰি।

গুণ-- নিমপাতৰ কেইবাটাও গুণ আছে।

ছোৱালীজনীয়ে বৰ শুৱলা সুৰ এটি গুণ গুণাই আছে।

নৌ-- ভাৰতৰ নৌ- বাহিনী বৰ শক্তিশালী।

ৰাতি নৌ -পুৱাওতে সি বিচনাৰ পৰা উঠিল।

টোপ-- ধানৰ টোপবোৰত নিগনি সোমাই বৰকৈ অনিষ্ট কৰিলে।

ভজা মাছবোৰ দেখি মেকুৰীজনীয়ে দুৱাৰৰ পাছত টোপ লৈ আছে।

বেচ-- সময় থাকোতেই আলুবোৰ বেচ, নহলে পাছত একেবাৰে বেয়া হৈ যাব।

মহিমৰ লিখা খিনি বেচ ভাল হৈছে।

২৯, ৩০, ৩১, ৩২, ৩৩, আৰু ৩৪ নং প্ৰশ্নৰ উত্তৰ দিয়া হোৱা নাই।

৩৫। অকৃতজ্ঞ, বিশ্বাসঘাতক, ৰাজদ্ৰোহী

৩৬। লুকুৱে ৰুচিনাথক 'ৰাজদ্ৰোহী' বুলি সম্বোধন কৰি কৈছিল যে তেওঁ যি অন্তর্বিপ্লৱ আনি ৰাজকাৰেঙত সুমুৱালে, ভায়ে ভায়ে যি বিবাদ লগালে সিয়ে এদিন খাণ্ডৱদাহনত পৰিণত হব। ৰুচিনাথৰ এই ভুলৰ বাবেই দেশ ছাৰখাৰ হ'ব। আহোম ৰাজত্বৰ গৌৰৱ চিৰদিনলৈ মাৰ যাব। সেয়ে তেওঁ ৰুচিনাথক ভুল সংশোধন কৰিবলৈ আৰু জন্মভূমিক ধ্বংস নকৰিবলৈ সকিয়াই দিছিল।

৩৭। জগন্নাথৰ লগত। লুকুৱে তেওঁক 'ৰাজদ্ৰোহী নৰাধম' বুলি সম্বোধন কৰিছিল। নীচ, চোৰৰ দৰে আহি ৰাজধানী আক্ৰমণ কৰাৰ বাবে গৰিহণা দি যুদ্ধৰ বাবে হাতত তৰোৱাল তুলি লবলৈ আহ্বান জনাইছিল।

৩৮ আৰু ৩৯ নং প্ৰশ্নৰ উত্তৰ দিয়া হোৱা নাই।

## 22.9 ছাত্ৰী-ছাত্ৰীৰ প্ৰতি অতিৰিক্ত পঠন উপদেশ

নাটকীয় ৰস আচ্ছাদনৰ বাবে, নাটকৰ বিষয়ে বেছিকৈ জানিবলৈ বিশেষকৈ অসমৰ বুৰঞ্জীমূলক নাট সম্পৰ্কে জানিবলৈ তুমি তলত উল্লেখ কৰা নাটসমূহ পঢ়িবা।

(১) চন্দ্ৰকান্ত সিংহ আৰু বদন বৰফুকন------ নকুল চন্দ্ৰ ভূঞা

(২) চক্ৰধ্বজ সিংহ ------ ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা

(৩) লাচিত বৰফুকন --- পদ্মনাথ গোহাঁই বৰুৱা

## 22.10 ছাত্ৰ-ছাত্ৰীক প্ৰশ্ন কৰিবলৈ দিয়া উপদেশ

এই পাঠটো পঢ়িলে তোমাৰ মনত নিশ্চয় কিছু প্ৰশ্ন জাগিব পাৰে। নাটখনত উল্লেখ থকা বিভিন্ন চৰিত্ৰৰ বিষয়ে নাইবা বুৰঞ্জীমূলক কাহিনীটোৰ বিষয়ে নিজানবীয়াকৈ চিন্তা-চৰ্চা কৰিব পাৰা। তদুপৰি সংকেতৰ বিষয়েও তোমাৰ মনত খোকোজা লাগিব পাৰে। মনৰ সেই সন্দেহ আঁতৰাবলৈ তুমি আমালৈ লিখিবা।

--------- x ----------

গোটনং 23

# ভাৰতৰ বৈচিত্র্যৰ মাজত ঐক্য

ৰচনা ঃ তাৰিণী কান্ত গোস্বামী

## 23.1 পাতনি আৰু উদ্দেশ্যাৱলী

প্রতিজন নাগৰিকৰে নিজৰ দেশৰ ভূ-প্রকৃতি, মানৱ-গোষ্ঠী, ভাষা-সংস্কৃতি আদিৰ বিষয়ে এটি থূল মূল ধাৰণা থকা প্রয়োজন। মানুহৰ মন সদা বিকাশমুখী। নিজৰ দেশৰ বিষয়ে থকা সুস্থ ধাৰণাই এনে বিকাশত সহায় কৰে। এই প্রবন্ধত ভাৰতবৰ্ষৰ ভৌগোলিক পৰিস্থিতি লোক-গোষ্ঠী আৰু ভাষা-সাহিত্য, সংস্কৃতি সম্পৰ্কে চমুকৈ আলোচনা কৰা হৈছে। সময়ৰ সোঁতত এই মহান সংস্কৃতিৰ ক্রমবিকাশ ঘটি বিচিত্র ৰূপ পৰিগ্রহণ কৰিছে যদিও সেইবোৰৰ মাজেৰে অন্তঃশলীলা ৰূপত প্ৰৱাহিত হৈ সকলোকে এক কৰি বান্ধি ৰাখিব পৰা ঐক্যৰ বিষয়ে প্রবন্ধটোত স্পষ্ট কৰি তোলাৰ প্রয়াস কৰা হৈছে।

এই প্রবন্ধটো পঢ়িলে তুমি –

- ভাৰতবৰ্ষৰ বিষয়ে সামগ্রীক ভাৱে কিছু কথা জানিব পাৰিবা,
- ভাৰতীয় সংস্কৃতি যে ঐক্যৰ সংস্কৃতি সেই বিষয়ে ধাৰণা লাভ কৰিব পাৰিবা,
- ভাৰতৰ ভাষা সমূহৰ অৱস্থিতি, স্থান আৰু সমাজত সেইবোৰৰ ভূমিকা সম্পৰ্কে বুজিব পাৰিবা,
- ইতিহাসে ঢুকি পোৱাৰ আগৰে পৰা মানুহৰ প্ৰব্ৰজনৰ প্ৰৱাহে কেনেকৈ মানৱ জাতিৰ মাজত সংমিশ্ৰণ ঘটাইছে আৰু সেই সংমিশ্ৰণৰ ফল স্বৰূপে কেনেকৈ নতুন নতুন জাতিৰ সৃষ্টি হৈছে সেই বিষয়ে থূলমূলকৈ জানিব পাৰিবা,
- বিভিন্ন জনগোষ্ঠীৰ আচাৰ-ব্যৱহাৰ, সাজ-পাৰ খোৱা-লোৱা, নৃত্য-

গীত আদি বিনিময়ৰ যোগেদি কেনেকৈ সৰ্বভাৰতীয় হৈ পৰিছে সেই কথা বুজি পাবা,

- ধৰ্মগুৰু আৰু মহাপুৰুষসকলে কেনেকৈ মৈত্ৰী মন্ত্ৰেৰে আমাক এক কৰি ৰাখিছে তাকো জানিবলৈ পাবা।

## 23.2 মূলপাঠ

### 23.2.1 মুদ্ৰিত প্ৰতিলিপিৰ প্ৰথম ভাগ

আমাৰ জনমভূমি ভাৰতবৰ্ষ এখন বৈচিত্ৰ্যপূৰ্ণ দেশ। ইয়াৰ ভৌগোলিক অবস্থান, বিভিন্ন সময়ত প্ৰৱাহিত হোৱা নানা জাতি, ধৰ্ম, ভাষা, আচাৰ-ব্যৱহাৰ কলা-সংস্কৃতি কঢ়িয়াই অনা জনস্ৰোতে এই দেশক বিচিত্ৰতা প্ৰদান কৰিছে। কেইবাহাজাৰ বছৰৰ পূৰ্বতে এটা সময়ত পৃথিৱীৰ বহু দেশ জ্ঞানৰ পোহৰ লাভ কৰাৰ পৰা বঞ্চিত আছিল। তেতিয়াই ভাৰতবৰ্ষই দৰ্শন বিজ্ঞান, সাহিত্য, সুকুমাৰ-কলা আদি সকলো বিষয়তে জ্ঞানৰ উচ্চ শিখৰত নিজকে সু-প্ৰতিষ্ঠিত কৰিব পাৰিছিল। প্ৰাচীন সভ্যতাৰ প্ৰভাৱে সমুজ্জ্বল এই দেশ সেইবাবেই পৃথিৱীৰ সমগ্ৰ দেশৰে অগ্ৰণী আৰু প্ৰেৰণাৰ কেন্দ্ৰ স্বৰূপ।

ভাৰতৰ ভৌগোলিক অৱস্থিতি বৈচিত্ৰ্য পূৰ্ণ। এফালে যেনেকৈ সু-উচ্চ পৰ্বতমালা তেনেকৈ আনফালে সুগভীৰ সাগৰ-মহাসাগৰ। এফালে বিস্তীৰ্ণ সমতল ভূমি আনফালে বিশাল মালভূমি; এফালে দ্বীপমালা, আনফালে হ্ৰদ-জলাশয়। অঞ্চল বিশেষে একোটা সময়ত ডেই-পুৰি নিয়া গ্ৰীষ্মৰ প্ৰবলতা, আন সময়ত প্ৰচণ্ডশীলতাৰ ঠেঁটুৱৈ ধৰা তীব্ৰতা। তেনেকৈ এফালে মৌচুমীৰ নেৰা-নেপেৰা বৰষুণ আৰু ধুমুহাৰ তাণ্ডৱ, আনফালে আকৌ বিস্তীৰ্ণ মৰুভূমিৰ উত্তপ্ত শুষ্কতা আৰু জলাভাৱ। এনে পৰস্পৰ বিৰোধী ভৌগোলিক আৰু প্ৰাকৃতিক পৰিবেশে এই দেশক বিশিষ্টতা প্ৰদান কৰিছে।

ভাৰতীয় মানুহৰ জাতি বা গোষ্ঠীগত ভিন্নতাও বিশেষ তাৎপৰ্য্যপূৰ্ণ। ভাৰতৰ আদিম অধিবাসীসকল হ'ল বৰ্তমানৰ অনুসূচিত জনজাতিসকল। এওঁলোকে পৰ্বতৰ গুহা, গছৰ খোৰোঙ বা জঙ্গলত বাস কৰিছিল। পিচলৈ তেওঁলোকৰ সতি-সন্ততিসকল বাহিৰলৈ ওলাই আহি ঘৰ দুৱাৰ সাজি মধ্যপ্ৰদেশ, বিহাৰ, ওড়িশা আদি ৰাজ্যত খোপনি পুতি থাকিবলৈ লয়। এওঁলোক হ'ল- কোল, মুণ্ডা, কুৰুখ, চাওতাল আদি। ভাৰতলৈ আহি থিতাপি লোৱা সু-প্ৰাচীন মানৱ গোষ্ঠীটো হ'ল দ্ৰাবিড়সকল। বৰ্তমান দক্ষিণ ভাৰতৰ তামিল, তেলেগু কান্নাড়ীগা, মালয়ালী আদি লোকসকল এই গোষ্ঠীৰে উত্তৰ পুৰুষ। দ্ৰাবিড়সকলৰ অগা-পিচাকৈ চীনমহাদেশৰ পৰা অহা তিব্বত-বৰ্মী গোষ্ঠীৰ জনস্ৰোত

এৰা-ধৰাকৈ ভাৰতৰ পূব মূৰেদি সোমাই উত্তৰ পূব ভাৰতৰ হিমালয়ৰ পাদদেশত বিয়পি পৰিছিল। তেওঁলোক হ'ল মিজো, মাৰ, মেইতেই, নাগা, মিচিং, বড়ো-কছাৰি, ডফলা, চিংফৌ আৰু ভুটিয়া, গাৰোৱালী, কুমায়ূনী আদি পাহাৰী জাতি।

ঐতিহাসিক সূত্ৰৰ খেও ধৰি আমি পাওঁ যে দ্ৰবিড়সকলে পোনতে ভাৰতৰ উত্তৰ-পশ্চিম অঞ্চলত বসবাস কৰিছিল। সেই সময়তে প্ৰায় ৪০০০ বছৰ পূৰ্বে ইণ্ডো- ইউৰোপীয় জনগোষ্ঠীৰে আৰ্য্য নামে শাখা এটি উত্তৰ পশ্চিম দিশেদি ভাৰতত প্ৰৱেশ কৰে। তেওঁলোকে দ্ৰাবিড়সকল দক্ষিণ ভাৰতলৈ খেদি পঠিয়ায় আৰু পঞ্জাৱকে ধৰি ক্ৰমে গোটেই উত্তৰ-পূব ভাৰত দখল কৰি তাতে নিগাজী হয়। এওঁলোকে সমাজৰ মানুহক নিজস্ব যোগ্যতাৰ ভিত্তিত ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, আৰু শূদ্ৰ এই চাৰিটা বৰ্ণত ভাগ কৰে। আৰ্য্যসকলৰ শাৰীৰিক গঠন আৰু ভাষা-সংস্কৃতি আনতকৈ পৃথক আছিল।

আৰ্য্যসকলৰ পাছতো ভাৰতবৰ্ষলৈ পৃথিৱীৰ চৌ-দিশৰ পৰা মানুহৰ সোঁত অবাৰিত গতিত বৈয়ে আছে। আৰ্য্যসকলে ভাৰতত খোপনি পুতি লোৱাৰ পাছত এচিয়া আৰু ইউৰোপৰ পৰা অহা কেবাটাও পৰাক্ৰমী গোটে ভাৰতত ৰাজ্য স্থাপন কৰাৰ প্ৰমাণো বুৰঞ্জীত পোৱা যায়। সেইসকলৰ মাজত শক, কুশান, পাঠান, মোগল, পৰ্তুগীজ, ইংৰাজ, ফৰাচী আদিয়ে প্ৰধান। পূব ফালৰ পাটকাই পাহাৰ চেৰাই ব্ৰহ্মদেশৰ পৰা অহা টাই ফৈদৰ লোকসকলে ত্ৰয়োদশ শতিকাৰ পৰাই অসমত আহোম ৰাজ্য প্ৰতিষ্ঠা কৰাৰ ঘটনা ইতিহাস প্ৰসিদ্ধ। এই বিজেতাসকলৰ সৰহভাগেই ভাৰতবৰ্ষক আপোন কৰি লৈ আন ভাৰতীয়ৰ লগত মিলি গৈছিল।

ধৰ্মীয় ক্ষেত্ৰতো ভাৰতীয়সকলৰ মাজত বৈচিত্ৰ্য বিৰাজমান। ইয়াৰ লোকসকলে হিন্দু, বৌদ্ধ, জৈন, শিখ, ইছলাম, খৃষ্টান আদি ধৰ্মক আঁকোৱালি লৈ সুকীয়া আচাৰ- নীতি পালন কৰি সমাজ ব্যৱস্থাত বিচিত্ৰতা প্ৰদান কৰিছে। সেই অনুৰূপে অঞ্চল বিশেষে মানুহৰ সামাজিক ৰীতি-নীতি, চাল-চলন, বেশ-ভূষা, খাদ্য-পেয়, ৰুচি সকলোতে সংমিশ্ৰনৰ চাপ আহি পৰিছে। মুছলমানৰ প্ৰিয় খাদ্য চিমাই; মোগলাই পৰঠা, বিৰিয়ানী, দক্ষিণ ভাৰতৰ ইদলী-দোচা, উত্তৰ ভাৰতৰ তণ্ডুৰী, ঘুগুনি আজি ভাৰতৰ সকলো ঠাইতে জনপ্ৰিয়।

## 23.2.2 আলোচনা

প্ৰথম খণ্ডটিত ভাৰতবৰ্ষৰ বিভিন্ন দিশত চকু পৰা বৈচিত্ৰ্যসমূহৰ বিষয়ে চমু আলোচনা দাঙি ধৰা হৈছে। কেতিয়াবা পৰস্পৰ বিৰোধী বা হয়তো একেবাৰে নতুন ৰূপত দেখা দিয়া এই দেশৰ ভূ-প্ৰকৃতিৰ ভিন্নতা বিশেষভাবে মন কৰিবলগীয়া। তেনেকৈ মন কৰিবলগীয়া এই দেশৰ জনগোষ্ঠীৰ জীৱন

**শব্দাৰ্থ ঃ**

খোপনি-পোত -- থাকিবলৈ লোৱা, থিয় হোৱা।

কুৰুখ -- এটা সৰু গোষ্ঠীৰ নাম।

উত্তৰ পুৰুষ -- পিচৰ পিৰি, সতি-সন্ততি।

এৰা ধৰাকৈ -- মাজে মাজে।

পাদদেশ -- পাহাৰৰ নামনি।

নিগাজী -- স্থায়ী।

অবাৰিত -- বাধাহীন।

গোট -- জনগোষ্ঠীৰ সৰু দল।

টাই -- এটা জাতি। অসমৰ পূবফালে থকা টাইলেণ্ড দেশৰ মানুহ। আহোমসকল পূৰ্বতে সেই গোষ্ঠীৰ লোক।

বিৰাজমান -- চকুত পৰা, দেখাপোৱা।

খেও ধৰ -- সম্পৰ্ক ৰাখি, সহায় লৈ আগবঢ়া।

সুকীয়া -- বেলেগ।

ৰুচি -- ভাল লগা ভাব জুতি, ইচ্ছা।

ধাৰাৰ নানাৰূপ। প্ৰাক্ঐতিহাসিক কালৰে পৰা প্ৰকৃতিৰ লগত অঙ্গাঙ্গী ৰূপে বসবাস কৰা কোল, মুণ্ডা, চাওতালসকলৰ জীৱন ধাৰণৰ প্ৰণালী আৰু কালৰ ক্ৰমবিবৰ্তনৰ মাজেৰে দলে দলে আহি থিতাপি লোৱা নানা জাতিৰ লোকৰ মাজত অমিল হোৱাটো অতি স্বাভাৱিক। তাৰ পাছত অহা আৰ্যসকলৰ সু-শৃঙ্খলিত সমাজ ব্যৱস্থাৰ হেঁচাই পৰস্পৰক প্ৰভাৱিত কৰে। পাৰস্পৰিক এনে প্ৰভাৱৰ ফল স্বৰূপে জন-জীৱনৰ সকলো দিশতে -- যেনে ধৰ্ম, চাল-চলন, আচাৰ-ব্যৱহাৰ, বেশ ভূষা আদিতহে সমিল-মিল ঘটিছে। তাকে এই খণ্ডটিত বহলাই আলোচনা কৰা হৈছে।

## 23.2.3 প্ৰথম পাঠ ভাগৰ প্ৰশ্নাৱলী

১। ভাৰতবৰ্ষ কিহৰ বলত অন্য দেশৰ প্ৰেৰণাৰ কেন্দ্ৰ হৈছিল?

২। ভাৰতৰ ভৌগোলিক আৰু প্ৰাকৃতিক পৰিবেশ কেনেকুৱা?

৩। ভাৰতৰ আদিম অধিবাসীসকল কোন? তেওঁলোকৰ সতি-সন্ততিসকলৰ বৰ্তমান কোন কোন ঠাইত পোৱা যায়?

৪। তামিলসকল কোন গোষ্ঠীৰ মানুহ? সেই গোষ্ঠীৰে আন সকলৰ মানুহৰ নাম জানানে?

৫। আৰ্য্যসকল কোন পিনেদি ভাৰতত সোমায়?

৬। আৰ্যসকলে সমাজৰ লোকসকলক কেনেভাবে ভাগ কৰিছিল?

৭। আৰ্য্যসকলৰ পাছত ভাৰতলৈ আহি কোন কোন জাতিয়ে শাসনৰ বাঘজৰী হাতত লয়?

৮। ভাৰতবৰ্ষত কি কি ধৰ্মৰ লোক বাস কৰে?

৯। ধৰ্মগত সহিষ্ণুতা কি কি ক্ষেত্ৰত প্ৰকাশিত হোৱা দেখা যায়?

১০। বৰ্ণ-বিভাজনৰ আধাৰ কি আছিল?

## 23.2.4 মূল পাঠ

### মুদ্ৰিত প্ৰতিলিপিৰ দ্বিতীয় ভাগ

ভাৰতৰক বিচিত্ৰতা দান কৰা উপাদানসমূহৰ ভিতৰত ভাষাও অন্যতম। ১৯৬০ চনৰ জনগণনাৰ প্ৰতিবেদন অনুসৰি ভাৰতত ১৬৫২ টা ভাষা কোৱা হয়। তাৰ ভিতৰত অসমীয়া, বঙলা, হিন্দী, মাৰাঠী, ওড়িয়া, তামিল, তেলেগু

আদিকে ধৰি মুঠ ১৮ টা সংবিধান স্বীকৃত ভাষা আছে। এই ভাষাসমূহৰ প্ৰশিক্ষণৰ বাবে ভাৰত চৰকাৰে পাতি দিয়া সাতটা ভাষা কেন্দ্ৰত প্ৰতি বছৰে শ শ প্ৰশিক্ষণাৰ্থীয়ে মাতৃভাষা ভিন্ন অন্য এক ভাৰতীয় ভাষা শিকি আমাৰ ভাষিক সমন্বয়ৰ বুনিয়াদ নিকপকপীয়া কৰিছে। অঞ্চলভেদে প্ৰতিটো ভাষাৰেই সুকীয়া সুকীয়া স্থানীয় বৈশিষ্ট্যও আছে। ভাষাৰ নিচিনাকৈ কলা-সংস্কৃতিও অঞ্চল বিশেষে ভিন্ ভিন্। একেদৰে সাহিত্য আৰু লোক কথাৰো পটভূমি, চৰিত্ৰাঙ্কন আৰু সুৰ বেলেগ বেলেগ। এই ভাষা, কলা, সংস্কৃতি আৰু সাহিত্যৰ ভিন্নৰঙী আৰু ভিন্নৰূপী সমাবেশে ভাৰতবৰ্ষক বাৰেবৰণীয়া ফুলেৰে নদন-বদন এখনি মনোৰম ফুলনিত পৰিণত কৰিছে।

এনেবোৰ বৈচিত্ৰ্যৰ কথা ভাবিলে স্বাভাৱিকতে এটা প্ৰশ্ন মনলৈ আহে, - ইমানবোৰ আঞ্চলিক, ভাষিক, ধৰ্মীয় বা সাংস্কৃতিক বৈষম্য থকা সত্বেও বহুকাল ধৰি এই বিৰাট ভূ-খণ্ডৰ লোক এক ভাৰতীয় হৈ আছে কেনেকৈ? কি এনে অদৃশ্য শক্তিয়েনো সমগ্ৰ ভাৰতবাসীক এক কৰি বান্ধি ৰাখিছে? একেআষাৰে এই প্ৰশ্নৰ উত্তৰ দিয়া দুৰূহ। পৰিস্থিতিক গভীৰভাৱে চালি জাৰি চাই ইয়াৰ কাৰণসমূহ তলত আলোচনা কৰা, ধৰণে ফঁহিয়াই দেখুৱাব পাৰি।

পৰ্বত-ভৈয়াম, নৈ-বিল-সাগৰ, সমভূমি-মালভূমি আৰু উপত্যকা বেষ্টিত ভাৰতৰ প্ৰকৃতিৰ মোহনীয় সৌন্দৰ্যই যুগ যুগ ধৰি বিদেশী পৰ্য্যটকক আকৰ্ষণ কৰি আহিছে। চালে চকু ৰোৱা এই বিনন্দীয়া সৌন্দৰ্য্যৰ হাতবাউলিক জানো কোনোবাই আওকাণ কৰিব পাৰে? আনহাতে এই দেশৰ উৰ্বৰ ভূমি আৰু অমূল্য সম্পদৰ আকৰ্ষণকে উপেক্ষা কৰাৰ ক্ষমতা বিদেশী ব্যৱসায়ীসকলৰ নাই। সেইদেখি নিজৰ দেশক পাহৰি এই দেশকে আপোন বুলি সাৰটি লৈ ই দেশৰ সমাজ, সংস্কৃতি, ভাষাৰ মাজত নিজকে মিলাই দিছে।

দ্বিতীয়তে, এই দেশ ঋষিমুনিৰ দেশ, তপস্বী সাধকৰ দেশ। বাল্মীকি, ব্যাস, বশিষ্ঠ, বিশ্বামিত্ৰ আদি ত্ৰি-কালজ্ঞ ঋষিসকলৰ আবিৰ্ভাৱ হৈছিল এই দেশতে। ভগৱান বুদ্ধ, মহাবীৰ, শঙ্কৰাচাৰ্য্য, ৰামানন্দ, কবীৰ, নানক, শঙ্কৰদেৱ, চৈতন্য আদি মহাপুৰুষসকলে ত্যাগৰ মন্ত্ৰ, উদাৰতাৰ বাণী আৰু আধ্যাত্মিকতাৰ আদৰ্শ প্ৰচাৰ কৰি শান্তিৰ পথ ৰচনা কৰি থৈ গৈছে। তেওঁলোকৰ মতে সকলো প্ৰাণী ভগৱানৰে অংশ, সেয়ে সকলো ভাই ভাই। এই মহামন্ত্ৰেৰে অনুপ্ৰাণিত হৈ সমস্ত ভাৰতবাসী 'সমত্ব' পাহৰি আপোন ভাই-ভনীৰ দৰে সকলোৰে লগত মিলিজুলি থাকিবলৈ লৈছে। ভাৰতবৰ্ষতে ৰচিত গীতা- ভাগৱতৰ মূল বক্তব্যও সেয়ে -- "একং সৎ বিপ্ৰাঃ বহুধা বদন্তি।"

তৃতীয়তে, যিবোৰ উপাদানে বিভিন্ন দিশত বিচিত্ৰতা দান কৰিছে সেইবোৰেই আকৌ ঐক্যৰ সেঁতুও নিৰ্মাণ কৰিছে --- যেন ই বহুৰঙী সূতাৰে বৈ উলিওৱা এখনি ফুলাম গামোচাহে। হিন্দু, মুছলমান, খৃষ্টান আদি লোকসকলৰ

শব্দাৰ্থ ঃ

উপাদান -- সমল, সামগ্ৰী।

প্ৰতিবেদন -- বিবৰণ, (report)

সমন্বয় -- মিল।

বুনিয়াদ -- ভেটি।

নিকপকপিয়া -- শক্তিশালী, জোৰ থকা

পটভূমি -- ভেটি, পৃষ্ঠভূমি, পৰিস্থিতি

সমাবেশ -- ভিতৰলৈ যোৱা, একেলগে থকা।

বাৰেবৰণীয়া -- ভিন্নৰঙী, নানা ৰং বিশিষ্ট।

নদন-বদন -- ভৰপূৰ।

পৰিণত -- সলনি, পৰিবৰ্তন।

বৈষম্য -- বিৰোধ, অমিল।

দুৰূহ -- কঠিন, জটিল।

চালি-জাৰি চা -- বিবেচনা কৰ, চিন্তা কৰি চা।

ফঁহিয়া -- বিশ্লেষণ কৰা, সৰু সৰু চকল কৰি কটা, চহীয়া।

পৰ্য্যটক -- ভ্ৰমণকাৰী।

চালে চকু ৰোৱা -- ধুনীয়া, চকু ঘূৰাই আনিব নোৱাৰা, চাই থাকিবৰ মন যোৱা।

বিনন্দীয়া -- সৌন্দৰ্য্যশালী, বিতোপন

হাতবাউলি -- হাতৰ ঠাৰেৰে ওচৰলৈ মাত।

আওকাণ -- অবজ্ঞা, অৱহেলা।

উৰ্বৰ -- সাৰুৱা।

উপেক্ষা -- অৱহেলা।

ত্ৰি-কালজ্ঞ -- অতীত, বৰ্তমান আৰু ভবিষ্যত সম্পৰ্কে জ্ঞান থকা।

আবিৰ্ভাৱ -- জন্ম হ, দেখা দিয়া।

অনুপ্ৰাণিত -- উৎসাহিত।

আধ্যাত্মিক -- আত্মাসম্বন্ধীয়, ব্ৰহ্ম সম্বন্ধীয়।

অহং -- অহংকাৰ ভাব, নিজৰ বিষয়ে, আপোন ভাব।

জ্বল্‌ জ্বল্‌ পট্‌পট্‌ - স্পষ্ট, সহজে চকুত পৰা।

অৰিহণা - প্ৰদান, দান, বৰঙণি।

ধৰ্ম আৰু আচাৰ ভিন্ন হলেও মাতৃভাষাই তেওঁলোকক একতাৰ ডোলেৰে বান্ধি ৰাখিছে।

চতুৰ্থতে, বেলেগ বেলেগ ভাৰতীয় ভাষাত ৰচিত অগণন গ্ৰন্থৰাজি প্ৰথম দৃষ্টিত বেলেগ বেলেগ যেন লাগে; কিন্তু সেইবোৰক অতি ওচৰৰ পৰা চালি জাৰি চালে বিষয় আৰু ভাৱৰ ঐক্য জল্‌ জল্‌ পট্‌পট্‌ কৈ ভাহি উঠে। বেদ, উপনিষদ, গীতা-ভাগৱত, ৰামায়ণ, মহাভাৰত আদি গ্ৰন্থয়ো মনত নপৰা কালৰে পৰা ভাৰতবাসীৰ চিন্তাধাৰা আৰু আদৰ্শৰ ক্ষেত্ৰত ঐক্যভাব গঢ়াত সহায়ক হৈছে। প্ৰাচীন কালত সংস্কৃত ভাষাই এই ঐক্য সাধনত বিশেষ অৰিহণা আগবঢ়াইছিল। ই্য়েই পূব-পশ্চিম, উত্তৰ দক্ষিণ সকলো দিশকে সামৰি ঐক্য আৰু সম্প্ৰীতিৰ একেডাল এনাজৰীৰে বান্ধি ৰাখিছিল।

## 23.2.5 আলোচনা

সমাজ আৰু সংস্কৃতিৰ এবিধ অন্যতম উপাদান হ'ল ভাষা। আন আন উপাদান সমূহৰ দৰে ভাষায়ো ভাৰতবৰ্ষক বিচিত্ৰ ৰূপত দাঙি ধৰিছে। বিদেশৰ কেবাগৰাকী ভাষাবিজ্ঞানীয়ে ভাষা অধ্যয়নৰ ক্ষেত্ৰত ভাৰতক ভূ-স্বৰ্গ বুলি অভিহিত কৰিছে। ১৬৫২ টা ভাষাৰে সমৃদ্ধ ভাৰতবৰ্ষৰ ১৮ টা সংবিধান স্বীকৃত ভাষাক দ্বিতীয় ভাষা হিচাপে প্ৰশিক্ষণ দিয়াৰো ব্যৱস্থা কৰা হৈছে। ইয়াৰ সহায়ত দেশৰ জাতীয় ঐক্য সৌষ্ঠৱশালী কৰি তোলাৰ আশা পোষণ কৰা হৈছে। জাতিগত, সাংস্কৃতিক, ভাষিক বৈচিত্ৰ্যলৈ লক্ষ্য কৰি মনত প্ৰশ্ন জাগে-- ইমানবোৰ অমিলৰ মাজতো ভাৰতবৰ্ষৰ লোক এটা জাতি ৰূপে বৰ্তি আছে কেনেকৈ? এই প্ৰশ্নৰ সমিধান বিভিন্ন দিশ ফঁহিয়াই চাই যুক্তি সহকাৰে দিবৰ প্ৰয়াস কৰা হৈছে। প্ৰাকৃতিক সৌন্দৰ্য্য, ব্যৱসায়ৰ সা-সুবিধা, কৃষিৰ অনুকূল পৰিবেশ, ভাৰতীয় দৰ্শনৰ বিশ্ব-ভাতৃত্বৰ আদৰ্শ আৰু ধৰ্মগুৰুসকলৰ উদাৰ বাণীয়ে ইয়াকে সম্ভৱ কৰি তুলিছে। তাৰ উপৰি ভাষা-সাহিত্যৰ নৈৰ্ব্যক্তিক তান আৰু চিন্তাৰ ঐক্যই সকলো ধৰণৰ বৈষম্যক নেওচা দি ভাৰতীয় সাহিত্য আৰু কলাক বহুৰঙী সূতাৰে বোৱা আতকধুনীয়া ফুলাম গামোচা এখনহে যেন কৰি তুলিছে। তেনেকৈ বেদ, উপনিষদ, গীতা-ভাগৱত, ৰামায়ণ আদি গ্ৰন্থৰ আদৰ্শই ঐক্যৰ বান্ধ কট্‌কটীয়া হোৱাত সহায় কৰিছে।

## 23.2.6 দ্বিতীয় পাঠভাগৰ প্ৰশ্নাৱলী

১১। ভাৰতত কিমানটা ভাষা কোৱা হয়?

১২। সংবিধান স্বীকৃত ভাষা কেইটা আছে?

১৩। বৈচিত্ৰ্যসমূহলৈ লক্ষ্য কৰোঁতে সততে মনলৈ অহা প্ৰশ্নকেইটা কি কি?

১৪। বৈচিত্ৰ্যৰ মাজত ঐক্য বিচৰাৰ প্ৰথম যুক্তিটো কি?

১৫। বিদেশীসকলক কিহৰ আকৰ্ষণে বান্ধি ৰাখিলে?

১৬। বিভিন্ন দিশত থকা বৈষম্যই আকৌ কেনেকৈ ঐক্য আনিব পাৰে?

১৭। কোন কোন গ্ৰন্থই ভাৰতীয় ঐক্য প্ৰতিষ্ঠাত প্ৰেৰণা যোগাই আহিছে?

১৮। কেনে শক্তিয়ে ভাৰতৰ উত্তৰ-দক্ষিণ, পূব-পশ্চিমক একেডাল ডোলেৰে বান্ধি ৰাখিছে?

## 23.2.7 মূল পাঠ

### মুদ্ৰিত প্ৰতিলিপিৰ তৃতীয় ভাগ

ঐক্য স্থাপনৰ ক্ষেত্ৰত সুকুমাৰ কলা আৰু সংস্কৃতিৰো যে এটা গুৰুত্বপূৰ্ণ ভূমিকা আছে তাক নুই কৰিব নোৱাৰি। ভাৰতীয় সঙ্গীত, চিত্ৰকলা, স্থাপত্য, ভাস্কৰ্য্য আদিয়ে অতীজৰে পৰা ভাৰতবাসীক একতাৰ বান্ধোনেৰে বান্ধি ৰাখিছে। সুৰ বা গায়ন ভঙ্গীত বিসদৃশ যেন লগা দাক্ষিণাত্যৰ কৰ্ণাটকী সঙ্গীতৰ সুৰ লহৰ, তাল-মান-লয়ৰ লগত হিন্দুস্থানী সংঙ্গীতৰ তাল মানৰ বহুখিনি মিল আছে। তেনেকৈ স্থাপত্য-ভাস্কৰ্য্য আদিও যে ঐক্যৰ বাহক হব পাৰে তাক কৰ্ণাটকৰ বেলুৰ-হালেবিদ আৰু ওড়িশাৰ কোনাৰকৰ পালৰ গতিকো আওকাণ কৰি হেলাৰঙে মূৰ তুলি থকা সূৰ্য্যমন্দিৰ নেদেখিলে বুজিব নোৱাৰি। প্ৰাচীন ভাৰতৰ কৌণিক আকাৰৰ মূধচ, প্ৰবেশদ্বাৰ থকা গৃহ নিৰ্মাণ কৌশলৰ লগত মোগলৰ গম্বুজাকাৰ মূধচ আৰু তোৰণাকৃতিৰ প্ৰবেশ দ্বাৰৰ নিৰ্মাণ কৌশল মিলি ভাৰতীয় স্থাপত্যত সোণত সুৱগা চৰাইছে। তেনেকৈ প্ৰাসাদ আৰু মঠ-মন্দিৰৰ বেৰত খোদিত দেৱ-দেৱীৰ মূৰ্তিৰ লগত মোগলৰ প্ৰিয় ফুল, গছ-লতিকা আৰু জীৱ-জন্তুৰ মূৰ্তি খোদাই কৰাৰ পদ্ধতি ভাৰতীয় ভাস্কৰ্যৰ মিশ্ৰণৰ অন্য এক নমুনা।

ভাৰতীয় সংস্কৃতি এক সমন্বয়ৰ বস্তু। নিজ নিজ সংস্কৃতিক খামুচি ধৰি কত কালৰ পৰা কত জাতি-উপজাতি আহি ভাৰতত প্ৰৱেশ কৰিছে। অথচ সময়ৰ সোঁতত কোনেও কাৰো নিজৰ বৈশিষ্ট্যৰে পৰিবৰ্তনক ৰোধ কৰিব পৰা নাই। গ্ৰহণ আৰু বৰ্জনৰ মাজেৰে পৰস্পৰে পৰস্পৰৰ লগত মিলি গৈছে। অতীজৰে পৰা বৈ থকা বিবাট সাংস্কৃতিক প্ৰৱাহত সেই বৈচিত্ৰ্য ক্ৰমে লীন গৈ এক নিপোটল সৰ্বভাৰতীয় সংস্কৃতিত পৰিণত হৈছে।

মুঠতে কব পাৰি যে ভাষাগত, ধৰ্মীয় আৰু সাংস্কৃতিক বিভেদ থকা

**শব্দাৰ্থ ঃ**

- সুকুমাৰ -- কোমল মনৰ, সৌন্দৰ্যময়।
- গায়ন -- গোৱা, গান পৰিবেশন কৰা
- বিসদৃশ -- অমিল।
- লহৰ -- উঠা নমা ঢৌ।
- বাহক -- যি বহন কৰি আনে।
- আওকাণ -- অৱজ্ঞা, অৱহেলা।
- হেলাৰঙে -- অনায়াসে, কোনো যত্ন নকৰাকৈ।
- মূধচ -- ঘৰৰ চালৰ ওখ জোঙা অংশ।
- সোণত সুৱগা চৰা -- সৌন্দৰ্য্য বৃদ্ধি কৰা।
- খোদাই কৰা -- শিলত কাটি কৰা কাম।
- ভাস্কৰ্য্য -- মূৰ্তি আদি তৈয়াৰ কৰা কলা, শিল্প।
- নমুনা -- চিন, চানেকি, আৰ্হি।
- নিপোটল -- পুষ্ট, সমানে সুস্থ।
- স্থাপত্য -- সুবিশাল ভৱন, দলং আদি নিৰ্মাণ কৌশল।

সত্ত্বেও ভাৰতীয় লোকৰ মাজত এটি এৰাব নোৱাৰা মিল আছে, সেই মিল পৰম্পৰক মানি লোৱা, গ্ৰহণ কৰিব পৰা মানসিকতাৰ মিল, সহনশীলতাৰ মিল। মানুহৰ মনৰ ভাবনাৰ উৎকৰ্ষ সাধন হলে বিৰোধৰ ভাব আঁতৰি মনত প্ৰশান্তি বিৰাজ কৰে। পাহাৰৰ যিমানে ওপৰলৈ বগাই যোৱা হয়, তলৰ ওখ-চাপৰ, খলা বমাবোৰ সিমানেই ক্ৰমে অস্পষ্ট হৈ শেষত নাইকিয়া হৈ যোৱাৰ দৰে বিচিত্ৰ ভাৰতবৰ্ষৰো বৈচিত্ৰ্য জন মানসৰ উৎকৰ্ষ সাধিত হোৱাৰ লগে লগে ক্ৰমে ক্ৰমে অস্পষ্ট হৈ শেষত একাকাৰ হৈ মিলি যায়। এনে মিলেই হ'ল সাংস্কৃতিক মিল। এই মিলৰ কাৰণেই ভাৰতৰ যি কোনো গোষ্ঠীৰ এজন ব্যক্তি পৃথিৱীৰ যি কোনো ঠাইতে নাথাকক লাগিলে নিজক ভাৰতীয় বুলিহে পৰিচয় দিয়ে। এনেদৰে জাতি, ধৰ্ম, ভাষা, সংস্কৃতিৰ বিচিত্ৰ ৰং-ৰূপ ৰসে জকমকীয়া কৰি ৰাখিলেও সেইবোৰ একসূত্ৰে বান্ধ খাই আছে; তাৰ স্বৰূপ হ'ল আমাৰ জনমভূমি ভাৰতবৰ্ষ —ত্যাগ, মৈত্ৰী, উদাৰতা আৰু আধ্যাত্মিকতাৰ আলোকেৰে চিৰ সমুজ্জ্বল।

## 23.2.8 তৃতীয় পাঠভাগৰ প্ৰশ্নাৱলী

১৯। সুকুমাৰ কলাই সংহতি সাধনত কেনে ধৰণে সহায় কৰে?

২০। ওড়িশাৰ কলাকৃতিত সমৃদ্ধ মন্দিৰ কোণটো? ভাৰতৰ আন কোন মন্দিৰৰ লগত তাৰ মিল আছে?

২১। ভাষা বৈচিত্ৰ্যক সমন্বয় সাধনৰ আহিলা হিচাবে ব্যৱহাৰ কৰিব পাৰিনে? কেনেকৈ?

২২। কিহৰ বাবে বিভিন্ন গোষ্ঠীৰ লোকে ভাৰতত একেলগে থাকিব পাৰিছে?

২৩। মানসিক উদাৰতা কি উপায়ে বিকশিত হব পাৰে?

২৪। ভাৰতীয় বুলিলে আমি কাক বুজোঁ?

২৫। বিদেশত থাকিও বেলেগ বেলেগ গোষ্ঠীৰ মানুহে নিজক ভাৰতীয় বুলি পৰিচয় দিয়ে কেনেকৈ?

## 23.3 টোকা

**কোল, মুণ্ডা/ চাওতাল :** এই তিনিওটা জন গোষ্ঠী অষ্ট্ৰিক জনগোষ্ঠীৰ শাখা-প্ৰশাখা। এইটোৱে ভাৰতত প্ৰাচীন / আদিম গোষ্ঠী। কেম্বোডিয়া / কাম্পুছিয়াৰ অধিবাসীসকলো এই গোষ্ঠীৰ লোক। অসমতো অষ্ট্ৰিক গোষ্ঠীৰ লোক এসময়ত বাস

কৰিছিল যদিও আজিকালি নাই বুলি নৃতত্ববিদসকলে কয়। অৱশ্যে এই গোষ্ঠীৰ ভাষাৰ প্ৰতিনিধি ৰূপে মেঘালয়ৰ খাচী ভাষাটো এতিয়াও জীয়াই আছে।

দ্ৰাবিড় : বৰ্তমান দক্ষিণ ভাৰত মালভূমি অঞ্চলত বাস কৰা স্থানীয় লোকসকলেই হ'ল দ্ৰাবিড় গোষ্ঠীৰ লোক। আৰ্য্যসকল ভাৰতত প্ৰবেশ কৰাৰ আগতে তেওঁলোকে বিন্ধ্য পৰ্বতলৈ বসতি বিস্তাৰ কৰিছিল। আৰ্য্যসকলে তেওঁলোকক দাক্ষিণাত্যলৈ ঠেলি দিয়ে।

বাল্মীকি : ৰামায়ণ মহাকাব্য প্ৰণেতা বাল্মীকিক আদিকবি বুলিও আখ্যা দিব পাৰি। সৎ চিন্তাৰে কেনেকৈ মানুহৰ মানসিক উৎকৰ্ষ সাধিত হৈ জগতত খ্যাতি লাভ কৰিব পাৰে তাৰে এটি উদাহৰণ মহাকবি বাল্মীকি। দস্যু ৰত্নাকৰৰ পৰা তপস্যাৰ বলত বাল্মীকিলৈ তেওঁৰ উত্তৰণ ঘটিছিল।

ব্যাস : ব্যাসদেৱ এজন ঋষি আছিল। তেৱেঁই মহাকাব্য মহাভাৰত প্ৰণয়ন কৰিছিল। বেদ, বেদান্ত আদি বিখ্যাত গ্ৰন্থসমূহো তেওঁৰে সৃষ্টি বুলি মানুহৰ মুখে মুখে প্ৰচলিত।

মহাবীৰ : জৈন ধৰ্মৰ প্ৰতিষ্ঠাতা গুৰু মহাবীৰৰ জন্ম হয় খৃঃ পূঃ ৫৯৯ চনত। বৈশালী নগৰৰ কুণ্ডাগ্ৰাম নামে ঠাইৰ সিদ্ধাৰ্থ তেওঁৰ পিতৃ আৰু ত্ৰিশনা দেৱী মাতৃ। ত্ৰিশ বছৰ কাল মগধ, মিথিলা আদি ৰাজ্যত ধৰ্ম প্ৰচাৰ কৰাৰ পাছত খৃঃ পূঃ ৫২৭ চনত পাযনাৰ ওচৰৰ পাৰাপুৰত মহাবীৰৰ জীৱনাবসান ঘটে।

শঙ্কৰাচাৰ্য্য : হিন্দু ধৰ্মক এটা বিশিষ্ট ৰূপ দিওঁতা শঙ্কৰাচাৰ্য্য দক্ষিণ দেশীয় এজন পণ্ডিত। কিন্তু তেওঁৰ ধৰ্মমতে গোটেই ভাৰততে প্ৰভাৱ বিস্তাৰ কৰে।

ৰামানুজ : এজন বৈষ্ণৱ পণ্ডিত।

কবীৰ : দাক্ষিণাত্যৰ পণ্ডিত কবি ৰামানন্দই প্ৰবৰ্তন কৰা ভক্তি ধৰ্মক উত্তৰ ভাৰতত লোকপ্ৰিয় কৰি তোলে কবীৰে। জন্মত মুছলমান কবীৰে হিন্দু আৰু ইচলাম ধৰ্মৰ মাজত সমন্বয় স্থাপন কৰিছিল। তেওঁ ৰচনা কৰা গীতবোৰ দোহা নামে জনাজাত।

**নানক :** শিখ ধৰ্মৰ প্ৰবৰ্তক গুৰু নানকৰ ১৮৬৯ খৃঃত তালবন্দী গাঁৱত জন্ম হয়। তেওঁৰ মতে ঈশ্বৰ এক অদ্বিতীয় আৰু নিৰাকাৰ। হিন্দু মূৰ্তিপূজা আৰু জাতিভেদত তেওঁৰ বিশ্বাস নাছিল। তেওঁৰ ধৰ্মৰ দুৱাৰ সকলোলৈকে খোলা আছিল।

**বেলুৰ হালেবিদ :** কৰ্ণাটক ৰাজ্যৰ বেলিৰ-হালেবিদ নামৰ ঠাই স্থাপত্য আৰু ভাস্কৰ্য্যৰ অপূৰ্ব সমন্বয় ঘটাই নিৰ্মাণ কৰা মন্দিৰে আজিও দৰ্শকক আনন্দ দি আছে। তাত খোদিত মূৰ্তিসমূহ দেখিলে এনেহেন লাগে যেন এতিয়াই ওলাই আহি মাত লগাব।

**কোনাৰক / কোনাৰ্ক :** ওড়িশা ৰাজ্যৰ পুৰী জিলাৰ বঙ্গোপসাগৰৰ কাষতে প্ৰায় দ্বাদশ শতিকামানত নিৰ্মিত কোনাৰ্কৰ সূৰ্য্যমন্দিৰে আজিও দৰ্শকৰ / পৰ্য্যটকৰ মনত আনন্দ দি আছে। এই মন্দিৰৰ কাৰু শিল্প বেলুৰ মন্দিৰৰ শিল্পকলাৰ লগত বেচ মিল থকা। সাগৰৰ লুণীয়া বতাহৰ কোবত ক্ৰমে উৱলি যাব ধৰা লুণীয়া মন্দিৰটোৰ গাত খোদিত মূৰ্তিসমূহে এতিয়াও অতীতৰ হেৰাই যাব খোজা সৌন্দৰ্য্যৰ চানেকি বহন কৰি আছে।

## 23.4 সাধাৰণ অনুশীলনী

### 23.4.1 বোধজ্ঞান অনুশীলনী

২৬। তলৰ মন্তব্য কেইটা শুদ্ধনে অশুদ্ধ '✓' বা 'X' চিন দি বুজোৱা।

ক) অইন দেশৰ তুলনাত ভাৰতবৰ্ষত জ্ঞানৰ পোহৰ পৰে বহু পিচত।

খ) প্ৰাচীন সভ্যতাৰ প্ৰাণকেন্দ্ৰ ভাৰত সকলোৰে প্ৰেৰণাৰ উৎস।

গ) ভাৰতৰ প্ৰাকৃতিক অৱস্থিতি বৈচিত্ৰ্যহীন।

ঘ) মানুহ আগতে গছৰ খোৰোঙত বাস কৰিছিল।

ঙ) চাওতালসকল আৰ্য্যগোষ্ঠীৰ লোক।

চ) আৰ্যসকল ভাৰতৰ আদিম অধিবাসী।

ছ) হিন্দু ধৰ্মক বৈদিক ধৰ্মও বোলা হয়।

জ) ধৰ্ম বৈচিত্ৰ্যই বেশ-ভূষা, খাদ্য আদিৰো পৰিবৰ্তন আনি দিয়ে।

ঝ) ভাৰতৰ সকলো ভাষা সংবিধান স্বীকৃত।

ঞ) বিভিন্ন দিশত অমিল বস্তুবোৰো ঐক্যৰ সেঁতু হৈ পৰে।

## ২৭। তলৰ প্ৰশ্নকেইটাৰ চমু উত্তৰ দিয়া।

ক। বৰ্তমান কোন কোন জাতিক ভাৰতৰ আদিম অধিবাসী বোলা হয়?

খ। দ্ৰাবিড় জাতিৰ উত্তৰ পুৰুষ কোন কোন?

গ। আন লোকগোষ্ঠীৰ লগত আৰ্য্যসকলৰ অমিল কিহত?

ঘ। আৰ্য্যসকলৰ পাছত অহা কোন কোন লোকসমষ্টিয়ে ভাৰতত শাসন চলাইছিল?

ঙ। ধৰ্মৰ ভিত্তিত পৃথক লোকসকলৰ মাজত কেনে ধৰণৰ অমিল দেখা যায়?

চ। নানা বৈচিত্ৰ্যৰ মাজতো ঐক্য আনিব পৰা এটি উপাদানৰ কথা উল্লেখ কৰা।

ছ। বিভিন্ন ধৰ্মীয় গোষ্ঠীৰ মাজতো ঐক্য আনি দিব পৰা শক্তি / উপাদানটো কি?

জ। ঐক্য স্থাপনত সুকুমাৰ কলাৰ ভূমিকা কি?

ঝ। কি শক্তিয়ে বিভিন্ন গোষ্ঠীৰ মানুহৰ মাজত সামূহিক মিল আনি দিব পাৰে?

ঞ। এই প্ৰবন্ধটিৰ আলমত অসমৰ সামাজিক বিচিত্ৰতাৰ চমু আভাস দিয়া।

ট। তোমাৰ গাঁৱৰ চুবুৰীত থকা বেলেগ জাতি / ধৰ্মৰ মানুহৰ লগত তোমাৰ সম্পৰ্ক আছেনে? কিহৰ কাৰণে আছে বুলি ভাবা?

## ২৮। তলত দিয়া বাক্যকেইটাৰ লগত মিল খোৱাকৈ শুদ্ধ বিকল্প কোনটো বাছি উলিওৱা। প্ৰতিটোতে তিনিটাকৈ বিকল্প দিয়া আছে। শুদ্ধটো বাছি লৈ '✓' চিন দিয়া।

১। আমাৰ জনমভূমি ভাৰতবৰ্ষ এখন –

ক) দুখীয়া দেশ।

খ) বৈচিত্ৰ্যপূৰ্ণ দেশ।

গ) উন্নত দেশ।

২। প্ৰাক্ ঐতিহাসিক ভাৰতৰ লোকসকল --

ক) অট্টালিকাত বাস কৰিছিল।

খ) গাঁতত বাস কৰিছিল।

গ) গছৰ খোৰোঙ বা জঙ্গলত বাস কৰিছিল।

৩। দক্ষিণ ভাৰতৰ তামিল, তেলেগু আদি লোকসকল --

ক) আৰ্য্য গোষ্ঠীৰ উত্তৰ পুৰুষ।

খ) দ্ৰাবিড় গোষ্ঠীৰ উত্তৰ পুৰুষ।

গ) তিব্বত-বৰ্মী গোষ্ঠীৰ উত্তৰ পুৰুষ ।

৪। আৰ্য্যসকলে সমাজৰ লোকসকলৰ ৪ টা বৰ্ণত ভগাইছিল --

ক) ব্যক্তিগত যোগ্যতাৰ ভিত্তিত।

খ) শাৰীৰিক শক্তিৰ ভিত্তিত।

গ) ধন ঐশ্বৰ্য্যৰ ভিত্তিত।

৫। নানা ধৰ্ম গ্ৰহণ কৰা লোকসকলৰ --

ক) স্বভাৱ-চৰিত্ৰ সুকীয়া।

খ) আচাৰ-নীতি সুকীয়া।

গ) শৰীৰৰ গঠন সুকীয়া।

৬। ভাৰতীয় মানুহৰ জাতি, ধৰ্ম আদিৰ বৈচিত্ৰ্যৰ কথা ভাবিলে প্ৰশ্ন জাগে --

ক) এওঁলোকে যুদ্ধ নকৰিবনে?

খ) এওঁলোক এক ভাৰতীয় হৈ আছে কেনেকৈ?

গ) এওঁলোকে বিহু উৎসৱ পালন কৰেনে?

৭। অসমৰ হিন্দু, মুছলমান আদি লোকসকলক ভিন্নধৰ্মী হলেও এক অসমীয়া জাতি ৰূপে বান্ধি ৰাখিছে —

ক) এটা ৰাজনৈতিক দলে।

খ) ব্ৰহ্মপুত্ৰ / অসমৰ প্ৰকৃতিয়ে।

গ) মাতৃভাষা অসমীয়াই।

৮। ভাৰতৰ বিভিন্ন জাতি-উপজাতি পৰস্পৰে পৰস্পৰৰ লগত মিলি গৈছে --

ক) ৰাজনৈতিক বুজা পৰাৰ মাজেদি।

খ) বাধ্য হৈ

গ) গ্ৰহণ আৰু বৰ্জনৰ মাজেদি।

## ২৯। চমু টোকা লিখা ঃ

কোনৰ্ক মন্দিৰ, দ্ৰাবিড়, কবীৰ, শঙ্কৰদেৱ, ৰামানন্দ, মহাবীৰ।

## ৩০। খালী ঠাই পূৰণ কৰা।

১। এফালে দ্বীপমালা ................ জলাশয়।

২। আদিম লোকসকল গছৰ .............. বা জঙ্গলত বাস কৰিছিল।

৩। পৃথিবীৰ বহুদেশ জ্ঞানৰ পোহৰ লাভ কৰাৰ পৰা ................ আছিল।

৪। এফালে ডেই ............... নিয়া গ্ৰীষ্মৰ প্ৰবলতা;

৫। ভাৰতবৰ্ষ ................ ভাষা- সংস্কৃতিৰে নদন বদন।

৬। কি শক্তিয়ে ভাৰতক এক কৰি ৰাখিছে কোৱা .............।

৭। চকু জুৰোৱা এই .................. সৌন্দৰ্য্যৰ প্ৰতি সকলো আকৰ্ষিত।

৮। সংস্কৃত ভাষাই ঐক্য সাধনত যথেষ্ট ............. যোগাইছে।

## ৩১। বাক্যত ব্যৱহাৰ কৰা।

নেওচা দে, সাকয়া, বাৰেবৰণীয়া, নদন বদন, নেৰানেপেৰা, চকুজুৰোৱা.

খিতাপি ল, নিগাজি হ, থুপ খা, সোণত সুৱগা চৰা, আওকাণ, খেও ধৰি।

23.5 **বৈয়াকৰণিক অনুশীলনী**

৩২। তলৰ শব্দকেইটাক 'তা' বা 'য়' যোগ কৰি বিশেষ্য পদলৈ পৰিবৰ্তন কৰা। এটা আৰ্হি দিয়া হ'ল।

'বিচিত্ৰ + তা = বিচিত্ৰতা'

সৰল, সভ্য, মিত্ৰ, পৃষ্ঠপোষক, যোগ্য, জাতীয়, নম্ৰ, বিশিষ্ট, সহিষ্ণু, বিষম।

### ৩৩। তলৰ শব্দ কেইটা বিশেষণ পদলৈ ৰূপান্তৰ কৰা ঃ

সামাজিক, বিচিত্ৰতা, প্ৰাবল্য, মৰম, সমূহ, সাহস, সৌন্দৰ্য্য, ধৰ্ম, ভাৰত, মনোৰম।

### ৩৪। বিপৰীত শব্দ লিখা ।

পাৰ্থক্য, পাহাৰ, পৰাক্ৰমী, বিজেতা, সৰহভাগ, প্ৰবেশ, জনবহুল, নদনদী বদন, দুৰূহ।

### ৩৫। তলৰ জটিল বাক্যটোলৈ চোৱা আৰু তেনে বাক্য পাঁচটা লিখাঁ।

'যিবোৰে বিভিন্ন দিশত বৈচিত্ৰ্য আনিছে সেইবোৰে ঐক্যৰ সেতু নিৰ্মাণ কৰিছে।

### ৩৬। তলৰ বাক্য কেইটাক ভাঙি সৰল বাক্যলৈ ৰূপান্তৰ কৰা।

ক) সেই বৈচিত্ৰ্য ক্ৰমে ম্লান পৰি, সমন্বয় সাধনত সহায়ক হ'ল।

খ) মানুহৰ মনৰ উৎকৰ্ষ সাধন হ'লে বিৰোধ আঁতৰি মনত প্ৰশান্তি বিৰাজ কৰে।

গ) বিজেতাসকলৰ সৰহভাগেই ভাৰতবৰ্ষক আপোন কৰি লৈ আন ভাৰতীয়ৰ লগত মিলি গৈছিল।

ঘ) আৰ্যসকলে দ্ৰাবিড়সকলক দক্ষিণ ভাৰতলৈ খেদি পঠিয়াই আৰু গোটেই উত্তৰ ভাৰত দখল কৰে।

ঙ) ভাৰতলৈ অহা বিদেশীসকলে নিজৰ দেশক পাহৰি এই দেশক আপোন বুলি সাৱটি লৈছে।

## 23.6 পঠন অনুশীলনী

৩৭। পাঠটিৰ কোন কোন অংশ তোমাৰ ভাল লাগিল চোৱা।

৩৮। ভাল লগা অংশটি আকৌ এবাৰ পঢ়ি ভাল লগা বাক্য কেইটা বাছি উলিওৱা।

৩৯। কোন গদ্যাংশটো তোমাৰ মনঃপুত হৈছে চোৱা। সেইখিনি আকৌ এবাৰ পঢ়া।

৪০। নতুন যেন লগা বাক্যকেইটা চিনাক্ত কৰা।

৪১। প্ৰবন্ধটোৰ মূল ভাৱটো বুজিবলৈ চেষ্টা কৰা।

৪২। জটিল বাক্য সৰ্বমুঠ কিমানটা আছে বাছি উলিওৱা।

৪৩। প্ৰবন্ধটোত থকা সংস্কৃতীয়া শব্দবোৰ বাছি উলিওৱা।

৪৪। প্ৰবন্ধটোত কি বিশেষ বিশেষ কথা কোৱা হৈছে লক্ষ্য কৰা।

৪৫। নতুনকৈ পোৱা শব্দ কিমানটা আছে বাছি উলিওৱা।

৪৬। অসমৰ ভৌগোলিক পৰিস্থিতি, ধৰ্মীয়-সামাজিক বৈচিত্ৰ্য কিবা আছেনেকি ভাবি চোৱা।

## 23.7 লেখন অনুশীলনী

৪৭। অসমৰ ভৌগোলিক পৰিস্থিতি সম্পৰ্কে কি জানা লিখাঁ।

৪৮। অসমৰ মানুহে ব্যৱহাৰ কৰা সাজ-পোছাক, আ-অলঙ্কাৰ আদিৰ মাজত থকা বৈচিত্ৰ্যৰ বিষয়ে লিখাচোন।

৪৯। ভাৰতৰ ভাষাসমূহ কোন কোন গোষ্ঠীৰ ভিতৰত পৰে লিখাঁ।

৫০। বৈচিত্ৰ্যৰ মাজত ঐক্য স্থাপন হব পৰা কাৰণ কি কি?

৫১। কি কি উপাদানে ঐক্য স্থাপনত সহায় কৰিব পাৰে?

৫২। সঙ্গীতৰ মাজেৰে ঐক্য কিহৰ ওপৰত ভিত্তি কৰি হব পাৰে?

৫৩। ভাৰতৰ জনগোষ্ঠী সম্পৰ্কে এটা গদ্যাংশ লিখাঁ।

৫৪। প্ৰবন্ধটো পাঢ়ি তোমাৰ কি ধাৰণা হৈছে তাকে সহজ ভাষাত লিখা।

৫৫। আহাৰ আৰু পোছাকে বৈচিত্ৰ্যৰ মাজত ঐক্য স্থাপনত কেনেদৰে সহায় কৰিছে আলোচনা কৰা।

## 23.7.1 উত্তৰ সংকেত

ওপৰত দিয়া অনুশীলনীবোৰ তলত দিয়া উত্তৰৰ লগত মিলাই চোৱা। মন কৰিবা যে বৰ্ণনাত্মক প্ৰশ্নবোৰৰ উত্তৰ দিয়া হোৱা নাই।

## 23.7.2 বোধজ্ঞান অনুশীলনী

(১) X , (২) ✓, (৩) X , (৪) ✓, (৫) X , (৬) X , (৭) ✓, (৮) ✓, (৯) X , (১০) ✓

১। (খ), ২। (গ), ৩। (খ), ৪। (ক), ৫। (খ), ৬। (খ), ৭। (গ), ৮। (গ),

১। আনফালে, ২। খোৰোঙ, ৩। বঞ্চিত, ৪। পুৰি, ৫। ভিন্নৰূপী, ৬। দুৰূহ, ৭। বিনন্দীয়া, ৮। অৰিহণা।

## 23.8 বৈয়াকৰণিক অনুশীলনী

সৰলতা, সভ্যতা, মিত্ৰতা, পৃষ্টপোষকতা, যোগ্যতা, জাতীয়তা, নম্ৰতা

সামাজিক, নিতিএ, প্ৰবল, মৰ্মান্তিক, ভাৰতী, মনোৰম,

মিল, সৌন্দৰ্য, দুৰ্বল, পৰাজিত, কম, প্ৰস্থান, জনাকীৰ্ণ / জনহীন, খালী উদং, সহজ.

## 23.9 অতিৰিক্ত পঠনৰ পৰামৰ্শ

১। ভাৰতৰ বৈচিত্ৰ্যৰ মাজত ঐক্য -- ড০ হেমন্ত কুমাৰ শৰ্মা

২। সমাজ অধ্যয়ন (৬ষ্ঠ আৰু অষ্টম ভাগ) -- অসম পাঠ্যপুথি নিগম

৩। অসমৰ সাজপাৰ - আব্দুছ ছাত্তাৰ

৪। আহোমসকলৰ কথা --- জ্যোতি প্ৰসাদ আগৰৱালা।

## 23.10 ছাত্র-ছাত্রীক প্রশ্ন কৰিবলৈ দিয়া সংকেত

তোমাৰ মনলৈ অহা আসোঁৱাহ বা সন্দেহৰ ভাব উল্লেখ কৰি শিক্ষক বা পাঠ্যক্রম পঠোৱা সংস্থালৈ লিখিত প্রশ্ন পঠাব পাৰা । তাৰ বাবে তোমাক উৎসাহিত কৰা হ'ল।

———— x ————

পাঠ 24

# বন্যপ্ৰাণী আৰু ইয়াৰ সংৰক্ষণ

ৰচনা : বিপুল কুমাৰ বৰুৱা

## 24.1 পাতনি আৰু উদ্দেশ্যাৱলী

বহু বিৱৰ্তনৰ পিছত মানৱ সভ্যতাই বৰ্তমান অৱস্থা পাইছে। এই সভ্যতাৰ আদিম পৰ্যাত মানৱ জাতি বন্য সমাজৰ ওপৰতে সম্পূৰ্ণ নিৰ্ভৰশীল আছিল। ক্ৰমান্বয়ে বাঢ়ি অহা আধুনিকীকৰণৰ কাৰণে বন্যপ্ৰাণীৰ ওপৰতে অধিক হেঁচা পৰিবলৈ ধৰিছে। বাহিক আৰু আভ্যন্তৰীণ দুয়ো ধৰণে প্ৰতিকূল পৰিৱেশত পৰি বন্যপ্ৰাণী দ্ৰুতগতিত লুপ্ত হৈ আহিবলৈ ধৰিছে। সেয়ে জীৱ বিজ্ঞানীসকলে প্ৰকৃতিৰ ভাৰসাম্যৰ কথা চিন্তা কৰি বন্যপ্ৰাণীৰ সংখ্যা বৃদ্ধি কৰিবলৈ বন্যপ্ৰাণী সংৰক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। কিন্তু বন্যপ্ৰাণী সংৰক্ষণ চৰকাৰী নীতি-নিয়মৰ দ্বাৰাই সম্ভৱ নহয়। বেচৰকাৰী সংস্থান, সচেতন ব্যক্তি, বাতৰি কাকত আদিৰ দ্বাৰা প্ৰচাৰ অভিযান চলাই এক জনজাগৰণ সৃষ্টি কৰিব পাৰিলেহে বন্যপ্ৰাণী সংৰক্ষণ কাৰ্যকৰী হ'ব।

এই পাঠটি অধ্যয়ন কৰিলে তুমি জানিবলৈ পাবা :-

- বন্যপ্ৰাণী প্ৰকৃতিৰ কেনে এবাৰ নোৱাৰা অংগ,
- মানৱজাতিৰ ভৱিষ্যত নিৰপত্তাৰ বাবে বন্যপ্ৰাণী সংৰক্ষণ কিমান প্ৰয়োজনীয়,
- বন্যপ্ৰাণীয়ে কেনেধৰণে জীৱ-জগতৰ আৰু প্ৰকৃতি জগতৰ ভাৰসাম্য ৰক্ষা কৰিছে,
- মানুহৰ অজ্ঞতা আৰু অৰ্থলোভে কেনে ধৰণে বন্যপ্ৰাণীৰ ধ্বংসত অবিহনা যোগাইছে,
- বন্যপ্ৰাণী সংৰক্ষণৰ কাৰণে জন-জাগৰণৰ প্ৰয়োজনীয়তাৰ কথা।

## 24.2 মূলপাঠ

### 24.2.1 মুদ্রিত প্ৰতিলিপিৰ প্ৰথমভাগ

শব্দাৰ্থ

বিলুপ্ত (বি) ঃ লোপ পোৱা, একেবাৰে নাইকিয়া হোৱা।

সংকুচিত (বিণ) ঃ হ্ৰাসপ্ৰাপ্ত

সন্ত্ৰাসিত (বিণ) ঃ ভয়ত আকুল,অতিশয় ভীত

**আৰম্ভণী ঃ** সভ্যতাৰ আদিম ৰ'দ কাঁচলিৰ পৰাই মানৱ জাতি জীৱ-জন্তুৰ ওপৰত নিৰ্ভৰশীল হৈ আহিছে। সেই সময়ত মানৱ সমাজে জীৱিকা নিৰ্বাহৰ বাবে চিকাৰ পদ্ধতি অৱলম্বন কৰিছিল। তেওঁলোকে খাদ্য-বস্ত্ৰ হিচাপে জীৱ-জন্তুৰ মঙহ আৰু ছাল ব্যৱহাৰ কৰিছিল। অতীজতে জীৱ-জন্তুৰ লগত মানৱ সমাজৰ কেনে নিবিড় সম্বন্ধ আছিল তাৰ নিদৰ্শন পোৱা যায় গুহাচিত্ৰ আৰু মঠ-মন্দিৰবোৰত অঁকা চিত্ৰসমূহত। মানুহৰ সান্নিধ্য ভালপোৱা কুকুৰে যেতিয়া বশ মানি পোহনীয়া হ'বলৈ আৰম্ভ কৰিলে তেতিয়া মানৱ আৰু বন্যজন্তুৰ মাজত সম্পৰ্কৰ এক নতুন দিগন্তৰ সুচনা হ'ল। সেই সম্পৰ্ক আৰু গাঢ় হ'ল গৰু-ম'হ, ঘোঁৰা আদি জন্তুক পোহ মনোৱাৰ জৰিয়তে।

প্ৰথম অৱস্থাত মানুহৰ সংখ্যা সীমিত থকা বাবে বন্যজীৱকুলৰ ওপৰত বৰ হেঁচা পৰা নাছিল, কিন্তু ক্ৰমাৎ এই মানুহৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰাত সি বন্যজগতৰ প্ৰতি ভাবুকি যেন হৈ পৰিছে; কাৰণ মানৱ জাতিৰ জনবিস্ফোৰণ আৰু তেওঁলোকৰ প্ৰয়োজনীয়তা যি হাৰত বৃদ্ধি পায়, জীৱ-জন্তুৰ সংখ্যা তেনে হাৰত বৃদ্ধি নাপায়। তাৰ কাৰণ কেইবাটাও। সিংহ, বাঘ আদি কিছুমান মূল্যৱান জীন-জন্তুৰ জন্ম হাৰ কম আৰু সিহঁতৰ বেমাৰ-আজাৰৰ চিকিৎসাৰ বিশেষ কোনো ব্যৱস্থা নাই। মানুহেও অৰ্থলোভত বা অন্ধবিশ্বাসৰ বলি হৈ সততে বনৰ জীৱ-জন্তু নিধন কৰে। তদুপৰি [illegible] উদ্যোগীকৰণ, আৰু কৃষি ভূমিৰ সম্প্ৰসাৰণৰ কাৰণে বন্যজীৱৰ আবাস অঞ্চল [illegible] হৈ পৰিছে। [illegible] বতৰ আৰু বানপানীৰ নিচিনা প্ৰাকৃতিক দুৰ্যোগ, খাদ্যৰ [illegible] আওহেলা [illegible] কাৰণেও বন্যপ্ৰাণী সমূহ বিলুপ্ত হ'ব ধৰিছে। কথাতে কয়—'হৰিণা [illegible] বৈৰী [illegible] লোভত হৰিণা, মেথুন, ময়ুৰ আদি মানুহে বিনা বিচাৰে বধ কৰিয়েই আছে। চোৰাং চিকাৰীয়ে খড়্গ (খৰ্গ)ৰ কাৰণে গঁড়, দাঁতৰ বাবে হাতী, ছালৰ কাৰণে বাঘ আদি নিধন কৰি বন্যপ্ৰাণীৰ সংখ্যা হ্ৰাস কৰি আনিছে। কিছুমান জীৱক মানুহে শত্ৰু হিচাপে গণ্য কৰাৰ ফলতে ইতিমধ্যে পৃথিৱীৰ পৰা বহুতো দুৰ্লভ প্ৰাণী নাইকিয়া হৈছে। গৱেষণাগাৰত নানা ধৰণৰ পৰীক্ষা-নিৰীক্ষা কৰা খেল দেখুৱাবলৈ জীৱ-জন্তুক ব্যৱহাৰ কৰা, এনেকি কৃত্ৰিম আৰু অস্বাস্থ্যকৰ পৰিবেশত চিৰিয়াখানাত জীৱ-জন্তু ৰখাৰ ফলতো বন্যপ্ৰাণীৰ সংখ্যা হ্ৰাস পাব ধৰিছে। এনে অৱস্থা উপলব্ধি কৰি বন্যপ্ৰাণীক নিৰাপত্তা প্ৰদানৰ আৱশ্যকতা আহি পৰিছে। ফলত পৃথিৱীৰ প্ৰায় সকলো দেশতে বন্যপ্ৰাণী সংৰক্ষণৰ ধাৰণাই

জনপ্ৰিয়তা লাভ কৰিছে।

ভাৰত চৰকাৰে ১৯৫৮ চনত ' ভাৰতৰ বন্যপ্ৰাণী সংৰক্ষণ সংস্থা' আৰু ১৯৯৩ চনত অনুষ্ঠিত হোৱা 'পক্ষী সংৰক্ষণ' সন্মিলনে বন্যপ্ৰাণী জগতক ধ্বংসৰ গৰাহৰ পৰা ৰক্ষা কৰিবৰ বাবে আঁচনি হাতত লৈছে। সম্প্ৰতি সমগ্ৰ ভাৰততে বন্যপ্ৰাণী সংৰক্ষণৰ সপক্ষে এক জাগৰণ গঢ়ি উঠা দেখা গৈছে। চৰকাৰী আইন অনুসৰি বৰ্তমান ভাৰতবৰ্ষত থকা সংৰক্ষিত বনাঞ্চল, অভয়াৰণ্য আৰু জাতীয় উদ্যান আদিত বন্যপ্ৰাণী সংৰক্ষণৰ ব্যৱস্থা কৰিছে। এনে অঞ্চলসমূহত বন্যপ্ৰাণী ধৰা বা হত্যা কৰা দণ্ডনীয়।

দুৰ্লভ (বিণ) ঃ পাবলৈ টান

সংৰক্ষণ বুলিলে প্ৰাকৃতিক পৰিবেশৰ ভাৰসাম্য ৰক্ষা কৰিবলৈ কোনো এবিধ বা তাতোধিক প্ৰাণীক ধ্বংসৰ মুখৰ পৰা ৰক্ষা কৰাকে বুজায়। সংৰক্ষণৰ মুখ্য উদ্দেশ্য তিনিটা ঃ এক, - বন্যপ্ৰাণীবোৰক নিজা পৰিবেশত স্বাভাৱিক বিকাশ আৰু বিবৰ্তনৰ ধাৰা অব্যাহত ৰখা, দুই,- ইহঁতৰ দ্বাৰা পৰিবেশৰ ভাৰসাম্য স্থিৰ বিন্দুত ৰখা, তিনি,- পৰিকল্পিত ভাৱে ইহঁতক কামত খটুওৱা।

বন্যপ্ৰাণীসমূহৰ নিৰাপত্তাৰ বাবে সংৰক্ষিত বনাঞ্চল অতি প্ৰয়োজন। কিয়নো কিছুমান নিৰ্দ্দিষ্ট প্ৰাণীৰ কাৰণে যেনে ধৰণৰ পৰিবেশ বা আবাসভূমিৰ প্ৰয়োজন তেনেধৰণৰ সুবিধাজনক ঠাই নাপালে প্ৰাণী লুপ্ত হোৱা স্বভাৱিক। কেতিয়াবা উপযুক্ত পৰিবেশৰ অন্বেষণত প্ৰাণীসমূহ দিক্‌ভ্ৰষ্ট হৈ জনবসতিপূৰ্ণ অঞ্চলত প্ৰৱেশ কৰি নিজৰ বিপদ মাতি আনে। অৰণ্য আৰু বন্যজীৱসমাজ এটা আনটোৰ লগত এৰাব নোৱাৰা সম্বন্ধ। কিছুমান জন্তু নিৰ্দ্দিষ্ট কিছুমান পৰিবেশতহে দীৰ্ঘজীৱী হয়। ঠিক তেনেদৰে কিছুমান নিৰ্দ্দিষ্ট গছত বাঁহ সাজে আৰু নিৰ্দ্দিষ্ট গছৰ পৰা আহাৰ আহৰণ কৰে। তেনে গছ কাটিলে পক্ষীৰো বিলুপ্তি ঘটে। গতিকে প্ৰাণী সংৰক্ষণ বুলিলে এনেধৰণৰ বন্যভূমি সংৰক্ষণৰ কথাও আহি পৰে।

সংৰক্ষণ (বি) ঃ ভালকৈ, বিশেষ গুৰুত্ব দি ৰখা কাৰ্য্য

## 24.2.2 আলোচনা

বন্যপ্ৰাণী আৰু মানৱজাতিৰ নিবিড় সম্বন্ধ আছে। পৰস্পৰে পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল। জনসংখ্যা বিস্ফোৰণ বন্যজগতৰ প্ৰতি ভাবুকি স্বৰূপ হৈ পৰিছে। মানৱজাতিয়ে নিজৰ বিকাশৰ বাবে অৰ্থাৎ ব্যক্তিৰ শাৰীৰিক, মানসিক, আধ্যাত্মিক আৰু অৰ্থনৈতিক চাহিদাপূৰণৰ বাবে জীৱ-জন্তুক ব্যৱহাৰ কৰি থাকে। বৰ্তমান শতিকাত বন্যপ্ৰাণীৰ ওপৰত চলোৱা মানুহৰ ভয়াবহ শোষণে এনে এক পৰিস্থিতিৰ সৃষ্টি কৰিছে যে বন্যপ্ৰাণী বিভিন্ন কাৰণত ধ্বংসৰ গৰাহত পৰে। মানুহৰ অৰ্থলোভ, অজ্ঞতা,

নগৰীকৰণ, কৃষি ভূমি সম্প্ৰসাৰণ আদি বিভিন্ন কাৰণত বন্যজগত লোপ পাবৰ আশংকাই দেখা দিছে। আজি বিশ্বজুৰি বন্যপ্ৰাণী সংৰক্ষণৰ মনোভাৱ জনপ্ৰিয় হৈ পৰিছে। বন্য প্ৰাণীৰ দুৰৱস্থাৰ কথা উপলব্ধি কৰি চৰকাৰে কিছু নীতি-নিয়ম প্ৰচলন কৰিছে। বন্যপ্ৰাণী নিধন কৰিলে আইন মতে দণ্ডনীয় বুলি ঘোষণা কৰিছে। এনেধৰণৰ বন্যজগতৰ প্ৰাণীক ৰক্ষণা-বেক্ষণক 'বন্য প্ৰাণী সংৰক্ষণ' বুলিব পাৰি। এনে বিধিব্যৱস্থা কোনোবাই উলংঘা কৰিলে তেওঁ আইন মতে দণ্ডনীয় হ'ব। এনে সংৰক্ষণ অৱস্থাত বন্য জীৱ-জন্তু চৰাই-চিৰিকতিয়ে নিজা পৰিবেশত জীয়াই থকাৰ আৰু নিৰ্দ্দিষ্ট ঠাইত মুক্ত বিচৰণৰ সুযোগ পায় আৰু পৰিকল্পিত ব্যৱস্থাৰ দ্বাৰাহে বন্যজীৱকুলক ব্যৱহাৰ কৰিব পাৰিব।

## 24.2.3 প্ৰথমভাগ পাঠৰ প্ৰশ্নাৱলী

ওপৰৰ পাঠাংশৰ কিছু প্ৰশ্ন আলোচনা কৰি নিজৰ প্ৰগতি পৰীক্ষা কৰি চোৱা-

১। মানৱজাতিয়ে জীৱিকা নিৰ্বাহৰ বাবে কি উপায় অৱলম্বন কৰিছিল?

২। বন্য প্ৰাণীৰ প্ৰতি ভাবুকি স্বৰূপ হৈ পৰা মুখ্য কাৰক কি?

৩। বন্যসংৰক্ষণত কোনবিলাক প্ৰাণীয়ে গুৰুত্ব লাভ কৰিছে?

৪। সংৰক্ষণৰ উদ্দেশ্য কি?

৫। বন্যজীৱৰ বাবে অৰণ্যৰ প্ৰয়োজন আছেনে?

৬। কি কি চনত ভাৰত চৰকাৰে বন্য প্ৰাণী সংৰক্ষণৰ ব্যৱস্থা কৰে?

## 24.2.4 মূল পাঠ

### মুদ্ৰিত প্ৰতিলিপিৰ দ্বিতীয় ভাগ

ভাৰতবৰ্ষৰ উত্তৰ-পূৰ অঞ্চল বিশেষকৈ অসমত বিভিন্ন ধৰণৰ বন্যপ্ৰাণী দেখা যায়। পৃথিৱীৰ বহুতো আপুৰুগীয়া বন্যপ্ৰাণী ইয়াতে পোৱা যায়। সুউচ্চ হিমালয় পৰ্বতৰ পাদদেশ হিচাপে এই তৰাইঅঞ্চল বিভিন্ন শ্ৰেণীৰ বন্যজীৱ-জন্তুৰ স্বৰ্গ স্বৰূপ। প্ৰকৃতিৰ লীলাভূমি এই অঞ্চলত সকলো পৰ্যটকৰে আকৰ্ষণৰ কেন্দ্ৰ বিন্দু।

বন্যজীৱজগতৰ ভিতৰত বিহগ শ্ৰেণীয়ে সততে সকলোৰে মন পুলকিত

কৰে। বহুতো গৱেষণা কৰি দেখা গৈছে যে কেবাবিধো বিৰল প্ৰজাতিৰ চৰাই লুপ্ত হোৱাৰ পথত। অসমৰ নদ-নদী, জলাহ আদি আদ্ৰভূমি পৰ্যাপ্ত পৰিমাণে থকা বাবে বিহগ শ্ৰেণীৰ থকাৰ সুবিধা আছে। কিয়নো আদ্ৰভূমিসমূহৰ সৈতে জলবিলাসী পক্ষীসমূহৰ এক নিবিড় সম্পৰ্ক আছে। দেওঁহাঁহ, ঘিলাহাঁহ, মূৰ্গীহাঁহ, নেজাল হাঁহ, শিৰহাঁহ, শৰালী, হাড়গিল্লা, উলুম'ৰা, ভেল্লা, ধনেশ আদি বিভিন্ন আটক ধুনীয়া পৰিভ্ৰমী আৰু স্থানীয় মূল্যবান, পক্ষীসমূহৰ কলৰৱৰ দ্বাৰা আদ্ৰভূমিসমূহ মুখৰিত হৈ থাকে, অসমৰ এনে বিলবোৰক স্থানীয় হাঁহৰ একো একোটা 'হাঁহ কাৰখানা' বুলি আখ্যা দিব পাৰি। এই বিলবোৰত আৰু উত্তৰ কাছাৰ জিলাত জাতিংগাত শীতৰ কালছোৱাত পৰিভ্ৰমী আৰু স্থানীয় চৰাইৰ এনে ভীৰ হয় যে বিশ্বৰ পক্ষীবিজ্ঞানীসকলৰ দৃষ্টি আকৰ্ষণৰ লগতে সৌন্দৰ্য্য প্ৰেমী সকলকো হাত-বাউল দি মাতে। কিন্তু পৰিতাপৰ বিষয় যে এনেভাৱে একত্ৰিত হোৱা চৰাই সমূহক মানুহে ধনৰ লোভত বা খাদ্যৰ কাৰণে নিদাৰুণ ভাৱে বধ কৰে। এনেকৈয়ে পক্ষীকুল সততে বিপৰ্য্যয়ৰ সন্মুখীন হয়। আমি সচৰাচৰ দেখিবলৈ পোৱা প্ৰকৃতিৰ চাফাইকাৰী শগুণ, কাউৰী ক্ৰমান্বয়ে নাইকিয়া হৈ আহিছে। এনে পক্ষীবোৰে প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষা কৰে। ঠিক এনেদৰে বিভিন্ন চৰাইসমূহে আমাক বিভিন্ন দিশত উপকাৰ কৰি মানৱ সমাজক সহায় কৰে। ইয়াৰ উপৰিও বৰ্তমান প্ৰায়বোৰ জলাহ অঞ্চল ভয়ংকৰভাৱে প্ৰদুষিত হ'বলৈ আৰম্ভ কৰিছে। জল আৰু স্থলভাগ এনেভাৱে প্ৰদূষিত হ'বলৈ ধৰিছে যে -পক্ষীকূলৰ বাবে জীয়াই থকাই অসম্ভৱ হৈ পৰিছে।

পাদদেশ (বি) পৰ্বতৰ নামনি ঠাই

বিহগ (বি) ঃ চৰাই

পক্ষীকূলৰ দৰে কিছু বন্যজন্তুও বিলুপ্তি হ'ব ধৰিছে। অসমৰ বিখ্যাত এশিঙীয়া গঁড়, মণিপুৰৰ নাচনী পহু (চাংগাই) নলগাহৰি, বনৰীয়া ম'হ, সোণালী হনুমান, গাৰিনেজীয়া বান্দৰ, হাতী. সোণালী মেকুৰী, বিভিন্ন শ্ৰেণীৰ বাঘ, দেও ছাগলী, উদ বনবৌ, শিহু, লাজুকী বান্দৰ আদি ইয়াৰ উপৰিও গুজৰাটৰ সিংহ আদি বহুতো জন্তু ক্ৰমান্বয়ে সংখ্যা লঘিষ্ঠ হৈ পৰিছে। এটা সমীক্ষাৰ পৰা দেখা গৈছে এনেদৰে বন্যপ্ৰাণী নোহোৱা হৈ গৈ থাকিলে এই শতিকাৰ মাজভাগ মানতেই পৃথিৱীৰ পৰা প্ৰায় ৬ হাজাৰৰো অধিক জাতৰ জীৱ-জন্তু নোহোৱা হ'ব পাৰে.

আদ্ৰ (বিশ) ঃ সেমে...

## সংৰক্ষণ কৰাৰ উপায়

এনে দুৰ্দশা দেখি প্ৰশ্ন হয়- বন্যপ্ৰাণী সংৰক্ষণৰ প্ৰতি মানুহৰ সচেতনতা নোহোৱা হৈছে নেকি? জীৱ-জন্তুৰ প্ৰতি মানুহৰ মৰম-চেনেহৰ প্ৰয়োজনীয়তা বা কৰ্তব্য নাইনে? এই বিপন্ন বন্যপ্ৰাণীসকলৰ বাবে মানুহে কৰিব পৰা কাম হৈছে- সিহঁতৰ দুৰ্দশা মানুহে অনুভৱ বা স্বীকাৰ কৰা। চৰকাৰী আইন প্ৰণয়নেও চোৰাংভাৱে

প্ৰাচুৰ্য্য (বি) ঃ বহুত ,যথেষ্ট।

বন্যপ্ৰাণী হত্যা কৰা ৰোধিব পৰা নাই। এনে হৃদয়হীনতাৰ বাবে 'অহিংসাই পৰম ধৰ্ম'- হিচাপে গ্ৰহণ কৰা বৌদ্ধ ধৰ্মাৱলম্বী মহামতি সম্ৰাট অশোকে খৃষ্টীয় ৩য় শতিকাতে ডাঙৰ আৰু মূল্যবান জন্তু আৰু অৰণ্য সুৰক্ষিত কৰি ৰাখিবৰ বাবে কিছুমান নীতি শিলৰ স্তম্ভত লিপিবদ্ধ কৰাই জনসাধাৰণৰ মাজত জীৱ-প্ৰেম জগাই তুলিবলৈ প্ৰয়াস কৰিছিল। বন্যপ্ৰাণীৰ প্ৰতি মানৱতাবোধ জগাই তুলিবৰ বাবেই হয়তো মহাপুৰুষ শংকৰদেৱে উপদেশ দিছিল - 'কুকুৰ শৃগাল গৰ্দভৰো আত্মাৰাম, জানিয়া সবাকো পৰি কৰিবা প্ৰণাম'। মন কৰিলে দেখা যায়-হিন্দু ধৰ্মৰ বিভিন্ন দেৱ-দেৱীৰ লগত পূজিত হোৱা বিভিন্ন জীৱ-জন্তুবোৰৰ স্থিতিয়ে বন্যজীৱ-জন্তুক অতি আদৰ কৰাকে সূচায়। তদুপৰি মন্দিৰৰ বেৰত জীৱ-জন্তুৰ মূৰ্তি খোদিত কৰাটোৱেও পুৰণি কালৰ মানুহৰ জীৱ-প্ৰীতি ঘোষণা কৰে।

ভাৱসাম্য (বি) : বিভিন্ন গুৰুত্বৰ ক্ষমতা

জীৱ-জগতৰ প্ৰতি মানৱতাবোধ জাগ্ৰত কৰিবলৈ হ'লে একেবাৰে নিম্নশ্ৰেণীৰ পাঠ্যক্ৰমত 'জীৱ-প্ৰেম' বিষয়টো অন্তৰ্ভুক্ত কৰাটো বাঞ্ছনীয়। তদুপৰি ডাঙৰেও শিশুৰ মনত অবুজ জীৱৰ প্ৰতি মায়া-মমতাৰ বীজ অংকুৰিত কৰি এটা সুস্থ পৰিৱেশ গঢ়ি তুলিব পাৰে।

বিপৰ্যয় (বি) : বিপদ, অভাৱনীয় পৰিস্থিতি

জীৱ-জন্তুৰ প্ৰতি পশ্চিমীয়া ধনীদেশবোৰ বৰ সজাগ। তেওঁলোকৰ ডাঙৰ-সৰু, ঘৰচীয়া সকলো ধৰণৰ জীৱৰ প্ৰতি এনে মানৱীয় মূল্যবোধ যে সেয়া সকলোৰে অনুকৰণীয়। তেওঁলোকে জীৱ-জন্তুৰ যত্নত এনে ধৰণে গুৰুত্ব বা মূল্য আৰোপ কৰে যে কোনো এখন সাধাৰণ দেশৰ নাগৰিকেও তেনে ধৰণৰ সেৱা সাধাৰণতে নাপায়। ফ্ৰান্সত জীৱ-জন্তুক অনাদৰ কৰি বাটে-ঘাটে এৰি দিয়াতো আইন মতে নিষিদ্ধ। তাতে ঠায়ে ঠায়ে জীৱ-জন্তুক নিয়মিত ভাৱে গা-পা ধুৱায়, বেমাৰত ভুগি থকা জন্তুৰ শুশ্ৰূষাৰ কাৰণে চাৰ্ভিছ ষ্টেচন আছে। পৃথিৱীৰ উন্নত দেশবোৰত এনে জীৱ-প্ৰেম সচৰাচৰ ঘটনা।

## সামৰণি

বন্যপ্ৰাণী মানুহৰ পৰম সুহৃদ। এই পৃথিৱীত সকলো নিৰীহ জীৱ-জন্তুৰে জীয়াই থকাৰ সমান অধিকাৰ আছে। মানৱ সমাজে নিজৰ নিৰাপদ ভৱিষ্যত আৰু বন্য প্ৰাণীৰ সুৰক্ষাৰ কথা চিন্তা কৰি কাৰ্য্যপন্থা হাতত লোৱা উচিত। কিন্তু এই ধাৰণা সৰহ সংখ্যকলোকে হৃদয়ংগম নকৰিলে সংৰক্ষণৰ ক্ষেত্ৰত আশানুৰূপ ফল পোৱা নাযাব। বিভিন্ন প্ৰচাৰ মাধ্যমৰ জৰিয়তে বন্যপ্ৰাণীৰ গুৰুত্ব আৰু সংৰক্ষণ সম্পৰ্কে

জলাহ (বি) : বছৰৰ সৰহ ভাগ সময় পানীত তল গৈ থকা দ ঠাই।

প্ৰতিজন ব্যক্তিকে কিছু সচেতন কৰি তুলিব নোৱাৰিলে বন্যপ্ৰাণীৰ ভবিষ্যত আৰু তাৰ লগে লগে মানৱ জাতিৰো ভৱিষ্যত অন্ধকাৰছন্ন হৈ পৰা আশংকাই দেখা দিছে। পৃথিৱীত যিদৰে মূল্যৱান প্ৰাচীন মঠ-মন্দিৰ ধ্বংস হ'লে তাক পুনৰাই আগৰ দৰে গঠন কৰি উলিয়াব নোৱাৰি, অনুৰূপভাৱে কোনো জীৱ-জন্তুৰ সঁচ পৃথিৱীৰ পৰা বিলুপ্ত হ'লে তাকো সৃষ্টি কৰি উলিয়াব নোৱাৰি।

## 24.2.5 আলোচনা

এইবাৰ আমি পাঠৰ দ্বিতীয় ভাগৰ কিছু কথা আলোচনা কৰোঁহক।

প্ৰয়াস (বি) ঃ যত্ন বা চেষ্টা কৰা।

অসম ৰাজ্য বন্যপ্ৰাণী প্ৰাচুৰ্য্যতাত পৃথিৱী বিখ্যাত। ইয়াত বিভিন্ন ধৰণৰ হাঁহ, চৰাই, মূল্যবান জন্তু আদিৰে ভৰি আছে। কিন্তু এই আপুৰুগীয়া তথা মূল্যবান জীৱ-জন্তুবোৰ মানুহৰ অত্যাচৰ আৰু শোষণৰ বলি হৈ ক্ৰমাৎ পৃথিৱীৰ পৰা নিঃচিহ্ন হোৱাৰ পথত। সৰুৰে পৰা জীৱৰ প্ৰতি দয়া মৰম উদ্ৰেক হ'বলৈ হ'লে প্ৰাথমিক শিক্ষাকালতে 'জীৱৰ প্ৰতি মৰম' বিষয় হিচাপে পাঠ্যক্ৰমত অন্তৰ্ভূক্ত হোৱাটো উচিত। প্ৰাচীন কালৰে পৰাই জীৱ-জন্তুৰ উপকাৰিতা উপলব্ধি কৰি ৰজা-মহাৰজা আৰু মহাপুৰুষসকলেও জনসাধাৰণৰ উদ্দেশ্যে উপদেশ দিছিল। 'যত্ৰ জীৱ তত্ৰ শিৱ'- কথাষাৰ অতি সঁচা। জীৱ-জন্তু, ঘৰচীয়াই হওঁক বা বনৰীয়াই হওঁক, ই মানৱজাতিৰ অতি নিকটতম বন্ধু। গতিকে এনে 'প্ৰিয় বন্ধুক ধ্বংসৰ গৰাহৰ পৰা ৰক্ষা কৰি মানৱীয়তাবোধৰ পৰিচয় দি নিজৰো ভৱিষ্যত নিৰাপদ কৰাটো উচিত।

## 24.2.6 দ্বিতীয়ভাগ পাঠৰ প্ৰশ্নাৱলী

এইবাৰ আমি এই পাঠাংশৰেই কিছু চমু প্ৰশ্ন আলোচনা কৰি নিজৰ প্ৰগতি পৰীক্ষা কৰি চাওঁহক।

**নিজৰ প্ৰগতিৰ পৰীক্ষা কৰাৰ দ্বিতীয় পদক্ষেপ**

৭। বৰ্তমান বিৰল হোৱা চৰাই চাৰি বিধৰ নাম লিখা?

৮। শিক্ষাৰ কোন পৰ্য্যায়ত 'জীৱ-প্ৰেম' বিষয়টো অন্তৰ্ভূক্ত হোৱাতো উচিত?

৯। সম্ৰাট আশোক কোন আছিল?

১০। পশ্চিমীয়া উন্নতদেশবোৰে জীৱ-জন্তুক কেনে ব্যৱহাৰ কৰে?

১১। 'প্ৰিয় বন্ধু' বুলি কাক বুজাইছে?

## 24.3 সাৰাংশ

এতিয়া আহা, আমি গোটেই পাঠটোৰ সাৰাংশ আলোচনা কৰোহঁক।

জীৱ-জগতৰ বাসিন্দা হিচাপে জীৱ-জন্তুবোৰৰো এই পৃথিৱীত সুখ-শান্তিৰে জীয়াই থকাৰ অধিকাৰ আছে। কিন্তু মানৱকুল, প্ৰাকৃতিক পৰিবেশ আৰু দুৰ্যোগৰ বাবে এই নিৰীহ জীৱ-জগত আজি বিপদগ্ৰস্ত। সভ্যতাৰ আধুনিকীকৰণৰ নামত বন্যজীৱৰ ধ্বংস তৰান্বিত হৈ পৰিছে। সেয়ে এনে দুৰ্যোগ পূৰ্ণ অৱস্থাৰ সংস্কাৰ সাধনৰ বাবে চৰকাৰে কিছু নীতি-নিয়ম গ্ৰহণ কৰিছে। জীৱ-জন্তুবোৰে যাতে বনত স্বাধীন আৰু নিৰাপত্তাৰ মাজেৰে দিন অতিবাহিত কৰিব পাৰে তাৰ বাবে 'বন্যপ্ৰাণী সংৰক্ষণ পৰিষদ' গঠন কৰিছে। এই পৰিষদে সংৰক্ষিত বনাঞ্চল, অভয়াৰণ্য আৰু জাতীয় উদ্যান চিনাক্তকৰণ কৰিছে। সংৰক্ষণৰ ক্ষেত্ৰত এইবিলাকৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে।

পৃথিৱীৰ কিছুমান বিৰল প্ৰজাতিৰ জীৱ-জন্তু অসমত পোৱা যায়। এই বিলাকে বিদেশী পৰ্য্যটকক আকৰ্ষণ কৰে। কিন্তু স্বাৰ্থান্ধ, লোভীলোকে চৰকাৰী নীতি-নিয়ম উলংঘা কৰি বন্যপ্ৰাণী জগতৰ ক্ষতি সাধনো কৰিছে। গতিকে অকল চৰকাৰী ব্যৱস্থাৰ ওপৰতে সন্তুষ্ট নাথাকি আমি প্ৰত্যেকজনে বন্যপ্ৰাণী নিৰাপত্তাৰ বাবে উঠি-পৰি লগাটো উচিত। তেতিয়াহে মানুহৰ প্ৰকৃত বন্ধু জীৱ-জন্তুবোৰৰ লুপ্তপ্ৰায় অৱস্থা ৰোধ কৰিব পৰা যাব। বন্যপ্ৰাণী কমি অহাৰ অন্যতম কাৰণ পৰিবেশৰ আমূল পৰিবৰ্তন যদিও মানুহে কৰা দ্বিধাহীন অন্যায় আৰু হত্যাও বন্যপ্ৰাণী কমি অহাৰ আন এটা প্ৰধান কাৰণ। প্ৰকৃতিয়ে পৃথিৱীৰ ভাৰসাম্য ৰক্ষাৰ বাবে প্ৰত্যেক জীৱৰ দ্বাৰা কিছুমান কাম কৰাই আছে। যদি কোনো কাৰণবশতঃ এই কামত বিজুতি ঘটে তেতিয়া প্ৰকৃতিত দেখা দিয়ে বিশৃংখলতাই। কিন্তু এটা কথা, প্ৰকৃতিৰ পৰা পোৱা বস্তুবোৰ একেবাৰে ব্যৱহাৰ নকৰিলেও আন সমস্যাই দেখা দিব পাৰে। সংৰক্ষণৰ অৰ্থ হ'ল- আমি প্ৰকৃতিৰ পৰা সম্পদবোৰক সঠিক ভাৱে বিচাৰ কৰি উৎপাদন কাৰ্য্যৰ ফালে লক্ষ্য ৰাখি মিতব্যয়িতাৰে তাক ব্যৱহাৰ কৰা। অৰ্থাৎ মূল উৎপাদন বৃদ্ধি কৰি লাভৰ অংশহে ব্যৱহাৰ কৰাতো উচিত। অন্যথা বন্যপ্ৰাণী নিৰাপত্তাৰ দিশত মানুহ ৰ লোভ, স্বাৰ্থপৰতা আৰু অজ্ঞানীহাই নিজৰ দুখৰ দিন আমন্ত্ৰণ কৰি আনিব।

## 24.4 চমুটোকা

**ভাৰতীয়বন্য প্ৰাণী পৰিষদ ঃ** হাবিত সৰু-ডাঙৰ বিভিন্ন প্ৰাণী থাকে। এইবিলাক

সংৰক্ষণৰ প্ৰয়োজন। সংৰক্ষণৰ কাৰণে 'বৰ্ড বা সমিতি' গঠন কৰা হয়। 'ভাৰতীয় বন্য প্ৰাণী পৰিষদে মাছ আৰু পোক-পতংগৰ বাহিৰে ডাঙৰ আৰু মূল্যবান জন্তু আৰু চৰাই-চিৰিকতিক ৰক্ষণাবেক্ষণৰ বাবে কিছু নীতি প্ৰণয়ন কৰে।

**সম্ৰাট অশোক ঃ** তৃতীয় শতিকাত সম্ৰাট অশোকে বৰ্তমানৰ উৰিষ্যা দেশৰ অঞ্চলত ৰাজত্ব কৰিছিল। ডেকা বয়সত যুদ্ধপ্ৰিয় আছিল যদিও এবাৰ কলিংগ যুদ্ধত হতাহতৰ সংখ্যাৰে তেজৰ নৈ বোৱাত মনৰ পৰিবৰ্তন হৈ বৌদ্ধ ধৰ্ম গ্ৰহণ কৰে আৰু তেতিয়াৰে পৰা তেওঁ দেশত জীৱহত্যাৰ বিৰুদ্ধে বহুতো ব্যৱস্থা গ্ৰহণ কৰে।

**বৌদ্ধ ধৰ্ম ঃ** ভগৱান বুদ্ধই প্ৰচাৰ কৰা ধৰ্ম। বুদ্ধদেৱে 'অহিংসাই পৰম ধৰ্ম'- বুলি বাণী প্ৰচাৰ কৰিছিল। এই ধৰ্ম মতে কোনো প্ৰাণীকে হত্যা বা হিংসা নকৰাই হ'ল মানৱ জীৱৰ শ্ৰেষ্ঠ ধৰ্ম।

**শংকৰদেৱ ঃ** মহাপুৰুষ শংকৰদেৱে একশৰণ 'ভাগৱতী ধৰ্ম' প্ৰচাৰ কৰে। শংকৰদেৱৰ মহামূল্যবান অৱদানেৰে অসমৰ সাহিত্য-ভঁৰাল আৰু জাতীয় জীৱন চহকী হৈ আছে।

**বন্যজগত ঃ** বনৰ জীৱ-জন্তুবোৰকে লৈ বনৰ জগত। গছ-গছনিও জীৱজগতৰ ভিতৰত পৰে। গতিকে জীৱ-জন্তু, গছ-গছনি আদি আপুৰুগীয়া বনজ সম্পদক বন্যসমাজ বুলিব পাৰি।

## 24.5 সাধাৰণ অনুশীলনী

**আমাৰ পাঠটো পঢ়া শেষ হ'ল, -এতিয়া আহা আমি কিছু প্ৰশ্ন অনুশীলন কৰি চাওঁ।**

**১১। পাঠটোৰ ভিত্তিত তলত দিয়া মন্তব্যবোৰৰ শুদ্ধ-অশুদ্ধ বিচাৰ কৰা।**

ক) মানৱজাতি প্ৰত্যক্ষ বা পৰোক্ষভাৱে জীৱ-জন্তুৰ লগত সহাৱস্থান কৰে।

খ) জনসংখ্যা বৃদ্ধিয়ে বন্যপ্ৰাণীৰ প্ৰতি ভাবুকি আহি পৰা নাই।

গ) 'ভাৰতীয় বন্যপ্ৰাণী বৰ্ডে' বন্যপ্ৰাণী সংৰক্ষণ নকৰে।

ঘ) কিছুমান জন্তু নিৰ্দ্দিষ্ট কিছুমান পৰিবেশতহে দীৰ্ঘজীৱী হয়।

ঙ) বিহগশ্রেণীয়ে সততে মানৱকুলৰ মন আকৰ্ষণ কৰে।

চ) প্ৰদূষণৰ কাৰণে বন্যপ্ৰাণী লুপ্ত হ'ব ধৰিছে।

ছ) শিক্ষাত 'জীৱ-প্ৰেম' বিষয়টো প্ৰয়োজনীয়।

জ) পশ্চিমীয়া দেশবোৰে জীৱ-জন্তুক বৰ মূল্য দিয়ে।

**১২। এইবাৰ, তলত দিয়া প্ৰশ্নকেইটাৰ একোটা বাক্যত উত্তৰ দিয়া।**

ক) কোনবিধ প্ৰাণীয়ে পোনপ্ৰথমবাৰৰ বাবে বনৰীয়াৰ পৰা ঘৰচীয়া হ'বলৈ আৰম্ভ কৰিলে?

খ) মানৱীয় মূল্যবোধ কি?

গ) ভাৰতবৰ্ষত চৰকাৰী আইন অনুসৰি কেনেদৰে বন্যপ্ৰাণী সংৰক্ষণৰ ব্যৱস্থা কৰিছে?

ঘ) অসমৰ বিলবোৰক স্থানীয় হাঁহৰ কি আখ্যা দিব পাৰি?

ঙ) অসমৰ মূল্যৱান জন্তু দুবিধৰ নাম লিখা?

চ) 'অহিংসাই পৰম ধৰ্ম' মানে কি বুজা?

এইবাৰ কেইটামান খালী ঠাই পূৰণ কৰি চোৱাচোন।

১৩।

ক) বন্য প্ৰাণীসমূহৰ নিৰাপত্তাৰ বাবে ......... .......অতি প্ৰয়োজন।

খ) কিছুমান জন্তু নিৰ্দ্দিষ্ট .......... পৰিবেশতহে .............হয়।

গ) বন্যজীৱ জগতৰ .......... সততে ............ মন আকৰ্ষণ কৰে।

ঘ) ........... ............. গৰ্দভৰো আত্মাৰাম।

ঙ) ........... ............. প্ৰতি পশ্চিমীয়া ধনীদেশবোৰ বৰ..............।

চ) ফলশ্ৰুতিত প্ৰকৃতি হৈ উঠে ............. আৰু ..........।

ছ) অন্যথা বন্যপ্ৰাণী নিৰাপত্তাৰ দিশত...........লোভ, স্বাৰ্থপৰতা আৰু .........
নিজৰে দুখৰ দিন আমন্ত্ৰণ কৰি আনিব।

## 24.6 বৈয়াকৰণিক অনুশীলনী

১৪। এতিয়া ব্যাকৰণৰ জ্ঞান আহৰণ কৰিবলৈ কিছু ব্যাকৰণ অনুশীলন কৰি চাওঁহক।

তলত পাঠৰ আলোচনাৰ এটা পৰিচ্ছেদ দিয়া হৈছে। তুমি 'যতি চিন' ব্যৱহাৰ কৰি পৰিচ্ছেদটো সম্পূৰ্ণ শুদ্ধ কৰা।

সৰুৰে পৰা জীৱৰ প্ৰতি দয়া মৰম উদ্ৰেক হ'বলৈ হলে প্ৰাথমিক শিক্ষা কালতে জীৱৰ প্ৰতি মৰম বিষয় হিচাপে পাঠ্যক্ৰমত অন্তৰ্ভূক্ত হোৱাটো উচিত প্ৰাচীন কালৰে পৰাই জীৱ-জন্তুৰ উপকাৰীতা উপলব্ধি কৰি ৰজা মহাৰজা আৰু মহাপুৰুষসকলেও জনসাধাৰণৰ উদ্দেশ্যে উপদেশ দিছিল। যত্ৰ জীৱ তত্ৰ শিৱ কথাষাৰ অতি সঁচা জীৱ-জন্তু ঘৰচীয়াই হওঁক বা বনৰীয়াই হওঁক ই মানৱ জাতিৰ অতি নিকটতম বন্ধু।

১৫। এইবাৰ তুমি তলত দিয়া পৰিচ্ছেদটোত দীঘল বাক্য কেনেদৰে অন্য শব্দ ব্যৱহাৰৰ দ্বাৰা তিনিটা বাক্যত চুটিকৈ লিখিব পাৰি- অভ্যাস কৰি চোৱাচোন।

'এনেধৰণৰ হৃদয়হীনতাৰ বাবে 'অহিংসাই পৰম ধৰ্ম' হিচাপে গ্ৰহণ কৰা বৌদ্ধ ধৰ্মী মহামতি সম্ৰাট অশোকে খৃষ্টীয় ৩য় শতিকাত ডাঙৰ আৰু মূল্যবান জন্তু আৰু অৰণ্য সুৰক্ষিত কৰি ৰাখিবৰ বাবে কিছুমান নীতি শিলৰ স্তম্ভত লিপিবদ্ধ কৰাই জনসাধাৰণৰ মাজত জীৱপ্ৰেম জগাই তুলিবলৈ চেষ্টা কৰিছিল।'

১৬। আহা, কেইটামান প্ৰত্যয়ৰ উদাহৰণ দিওঁ। প্ৰত্যয়ৰ যোগত নতুন নতুন শব্দ গঠন কৰিব পাৰি, যেনে- ধান+অনি=ধাননি,

তুমি তলৰ শব্দকেইটাৰ প্ৰত্যয় ভাঙি কি কি প্ৰত্যয় যোগ হৈ আছে তাক ভাঙি অভ্যাস কৰি চোৱাচোন।

দীৰ্ঘজীৱী, বিজ্ঞানী, মানৱীয়তা, প্ৰাকৃতিক, পশ্চিমীয়া, নাচনী, লোভী, দণ্ডনীয়, নাগৰিক।

১৭। কেতিয়াবা শব্দবোৰ সন্ধি হৈ থাকে। এইদৰে শব্দবোৰ যোৱা লগাব পাৰি আৰু ভাঙিব পাৰি। কেইটামান উদাহৰণ দি দেখালে তোমাৰ বুজাত সহজ

হ'ব। যেনে -

বিদ্যা + আলয় = বিদ্যালয়

যথাৰ্থ = যথা + অৰ্থ

তৃষ্ণা + আতুৰ = তৃষ্ণাতুৰ

ধাৰণা + অতীত = ধাৰণাতীত।

তলৰ শব্দবোৰতো এইদৰে সন্ধিযোৰা লগোৱা বা ভাঙি দেখুৱাব পাৰি। কৰি দেখুওৱাচোন—

সংকুচিত, বনাঞ্চল, সন্ত্ৰাসিত, অন্যান্য, মানৱে, উল্লাস,

অভয়+ অৰণ্য, হিম +আলয়, বিপদ + আপন্ন, সম + বাট

24.6.1 **বোধজ্ঞান অনুশীলনী**

১৮। এইবাৰ সম্পূৰ্ণ পাঠটি পঢ়ি লোৱা আৰু তলত দিয়া চমু প্ৰশ্ন (প্ৰথমভাগ), (দ্বিতীয় ভাগ) কেইটাৰ উত্তৰ লিখিবলৈ যত্ন কৰা।

ক) অতীজতে মানৱসমাজৰ লগত বন্যপ্ৰাণীৰ সম্পৰ্ক আছিল তাৰ প্ৰমাণ কিহৰ দ্বাৰা পোৱা গৈছে?

খ) বনাঞ্চল ধ্বংস হোৱাৰ প্ৰকৃত কাৰণ কি?

গ) বন্যপ্ৰাণীৰ বাবে চৰকাৰে কেনেদৰে ব্যৱস্থা গ্ৰহণ কৰিছে?

ঘ) ভাৰতবৰ্ষৰ কোন অঞ্চলত অসম দেশ অৱস্থিত?

ঙ) চৰকাৰী নীতি-নিয়মৰ ওপৰত সন্তুষ্ট থাকিলে বন্যপ্ৰাণী ৰক্ষা পৰিবনে?

১৯। পাঠটোত কিছু শব্দ পুনৰাবৃত্তি হৈ ব্যৱহৃত হৈ আছে। দুটা উদাহৰণ দিয়া হ'ল। তুমি পাঠটোত থকা তেনে ধৰণৰ শব্দ কেইটামান লিখি চোৱাচোন। উদাহৰণ- বস্তু-সামগ্ৰী, জীৱ-জন্তু।

## 24.7 সৃষ্টিধৰ্মী প্ৰশ্ন

২০। পাঠটোৰ পৰা দীঘল প্ৰশ্নোত্তৰ লিখিব পাৰি। এনেদৰে নিজাকৈ প্ৰশ্নোত্তৰ কৰিলে নিজৰ সৃষ্টিধৰ্মী মনোভাব প্ৰকাশ কৰিবলৈ সহজ হয়। তলত প্ৰশ্ন কেইটামান দিয়া হ'ল, অভ্যাস কৰি চোৱাচোন।

ক) প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষা কৰাৰ বাবে মানুহক কেনেধৰণে সজাগ কৰিব পাৰি?

খ) 'যত্ৰ জীৱ তত্ৰ শিৱ'- কথাষাৰ কিমান দূৰ সত্য, বিচাৰ কৰা।

গ) 'অহিংসাই পৰম ধৰ্ম' — ভাব বহলাই লিখা।

ঘ) নিৰীহ অবুজ বন্যপ্ৰাণীৰ অধিকাৰ-অটুট ৰখাৰ প্ৰতি তোমাৰ দায়িত্ব কিমান বুলি ভাবা? আলোচনা কৰা।

ঙ) 'কুকুৰ শৃগাল গৰ্দভৰো আত্মাৰাম'— ৰচক কোন? ইয়াৰ দ্বাৰা ৰচকে কি অন্তৰ্নিহিত ভাব ব্যক্ত কৰিব বিচাৰিছে?

## 24.8 চমু প্ৰশ্নৰ উত্তৰ সংকেত

এতিয়া পাঠটোত দিয়া চমু প্ৰশ্নবোৰৰ উত্তৰৰ সংকেত দিয়া হ'ল।

১। চিকাৰ পদ্ধতি অৱলম্বন কৰিছিল।

২। মানৱ সভ্যতাই বন্য প্ৰাণীৰ প্ৰতি মুখ্য ভাবুকি স্বৰূপ হৈ পৰিছে।

৩। ডাঙৰ আৰু মূল্যবান প্ৰাণীসমূহে বিশেষ গুৰুত্ব লাভ কৰিছে।

৪। সংৰক্ষণৰ উদ্দেশ্য হ'ল বন্যপ্ৰাণীক নিৰাপত্তা দিয়া।

৫। অৰণ্যবাসীক অৰণ্যৰ অতি প্ৰয়োজন।

৬। ১৯৫৮, ১৯৯৩ চন।

৭। দেও হাঁহ, হাড়গিলা, ভেল্লা চৰাই, ধনেশ।

৮। প্ৰাথমিক শিক্ষাৰ স্তৰতে 'জীৱ-প্ৰেম' বিষয়টো অন্তৰ্ভুক্ত হোৱা উচিত।

৯। মগধ ৰাজ্যৰ (উৰিষ্যা) ৰজা মহামতি অশোক।

১০। পশ্চিমীয়া উন্নত দেশবোৰে জীৱ-জন্তুক অতি গুৰুত্ব দিয়ে।

১১। বন্য প্ৰাণীকে 'প্ৰিয় বন্ধু' বুলি কৈছে।

এতিয়া সাধাৰণ অনুশীলনীত থকা প্ৰশ্নৰ উত্তৰ সংকেত দিয়া হ'ল।

১২। ক) শুদ্ধ, খ) অশুদ্ধ গ) অশুদ্ধ
ঘ) শুদ্ধ ঙ) শুদ্ধ চ) শুদ্ধ
ছ) শুদ্ধ জ) শুদ্ধ

১৩। ক) কুকুৰে পোন প্ৰথমে বনৰীয়াৰ পৰা ঘৰচীয়া হ'বলৈ আৰম্ভ কৰিছিল।

খ) মানুহৰ অন্তৰত আনৰ প্ৰতি থকা দয়া,মৰম, সহানুভূতি আদিকে মানবীয় মূল্যবোধ বুলিব পাৰি।

গ) ভাৰত চৰকাৰে 'বন্যপ্ৰাণী সংৰক্ষণ বৰ্ড' স্থাপন কৰি কঠোৰভাৱে বন্য প্ৰাণী সংৰক্ষণৰ ব্যৱস্থা কৰিছে।

ঘ) অসমৰ বিলবোৰক স্থানীয় 'হাঁহৰ কাৰখানা' আখ্যা দিব পাৰি।

ঙ) অসমৰ বিখ্যাত এশিঙীয়া গঁড়, আৰু হাতী।

চ) কোনো জীৱ-জন্তুকে হিংসা বা হত্যা নকৰাই জীৱনৰ শ্ৰেষ্ঠ ধৰ্ম।

১৩। ক) সংৰক্ষিত, বনাঞ্চলৰ

খ) কিছুমান, দীৰ্ঘজীৱী

গ) বিহগ শ্ৰেণীয়ে, মানৱকুলৰ

ঘ) কুকুৰ, শৃগাল

ঙ) জীৱ-জন্তুৰ, সজাগ।

চ) কঠোৰ, কৃপণ

ছ) মানুহৰ, অনীহাই

১৪। উত্তৰ দিয়া হোৱা নাই

১৫। দীঘল পৰিচ্ছেদ চুটি বাক্যত ভাঙি দেখুওৱা

'অহিংসাই পৰম ধৰ্ম' সেয়ে বৌদ্ধ ধৰ্ম গ্ৰহণ কৰা সম্ৰাট অশোকে জীৱ-জন্তু সুৰক্ষাৰ বাবে শিলৰ স্তম্ভত কিছুমান নীতি লিখাইছিল। ইয়াৰ দ্বাৰা জনগণৰ অন্তৰত জীৱৰ প্ৰতি মৰম জগাই তুলিবলৈ যত্ন কৰিছিল।

**১৬। প্ৰত্যয় ঃ**

দীৰ্ঘজীৱ + ঈ, বিজ্ঞান + ঈ, মানৱীয় + অতা, প্ৰকৃতি + ইক (ষ্ণিক), পশ্চিম + ঈয়া, নাচ্ + অনী, লোভ + ঈ, দণ্ড + অনীয়, নগৰ + ইক (ষ্ণিক)।

**১৭। সন্ধি ঃ**

সম+ কুচিত, বন+অঞ্চল, সন্ত্ৰাস + ইত, অন্য+ অন্য, মানৱ+এ, উৎ+লাস, অভয়াৰণ্য, হিমালয়, বিপদাপন্ন, সম্ৰাট।

১৮ নং আৰু ১৯ নং প্ৰশ্নৰ উত্তৰ দিয়া হোৱা নাই। এই দীঘল প্ৰশ্নবোৰৰ উত্তৰ নিজে লিখাৰ অভ্যাস কৰা।

## 24.9 অতিৰিক্ত পঠন উপদেশ

'বন্যপ্ৰাণী' সম্পৰ্কে অধিক জানিবৰ বাবে জীৱ-জন্তুৰ ওপৰত সৰু-বৰ অসংখ্য কিতাপ পোৱা যায়। তাৰ ভিতৰত দুই চাৰিখন চাবা। তেনকিতাপবোৰ হ'ল-

১। বনে বনে- যোগেশ দাস

২। ৰুদ্ৰ প্ৰায়াগৰ বাঘ- জিম কৰবেট

৩। পৃথিৱীৰ মৰম - যোগেন্দ্ৰ নাথ বৰগোঁহাই

৪। বিভিন্ন আলোচনী

ইয়াৰ উপৰিও নেছনেল জোগ্ৰাফী চেনেলত তুমি প্ৰতিদিনে পৃথিৱীৰ নানা

ঠাইৰ নানা তৰহৰ জীৱ-জন্তুৰ চাল-চলন, গতিবিধি, মানুহে কৰা আদৰ যত্নৰ বিষয়ে চলচিত্ৰত দেখিবলৈ পাবা।

## 24.10 ছাত্ৰ-ছাত্ৰীক প্ৰশ্ন সুধিবলৈ দিয়া সংকেত

ওপৰৰ পাঠটো পঢ়ি তুমি বন্যপ্ৰাণী সম্পৰ্কে ধাৰণা কৰিব পাৰিছা। ইয়াতকৈয়ো তুমি বেছি জানিব বিচাৰিব পাৰা। গতিকে তেনে ধৰণৰ কৌতুহল জনক প্ৰশ্ন তুমি আমালৈ সুধি লিখি পঠিয়াব পাৰা।

গোট 25

# সম্পাদকলৈ চিঠি

ৰচনা ঃগোপীকান্ত তালুকদাৰ

## 25.1 পাতনি আৰু উদ্দেশ্যাৱলী

### চিঠি কি ?

নিজৰ খবৰ জনাবলৈ ,আনৰ খবৰ জানিবলৈ, বিভিন্ন আভাব-অভিযোগ আৰু পৰিস্থিতিৰ চিত্র প্রদর্শন কৰিবলৈ আনক সম্বোধন কৰি যিবোৰ কথা লিখা হয় সেয়ে চিঠি।

নানা বিষয়ৰ ওপৰত চিঠি লিখিব পৰা যায়। চিঠিত লিখকৰ মনৰ প্রতিচ্ছবি ফুটি উঠে। চিঠি প্রধানকৈ দুই প্রকাৰৰ— ব্যক্তিগত আৰু সমূহীয়া বা ৰাজহুৱা। ব্যক্তিগত চিঠিবোৰ সাধাৰণতে আপোনজনলৈ, বন্ধু-বান্ধৱ, ইষ্ট-কুটুম্বলৈ লিখাৰ উপৰিও বিশেষ কাৰণবশতঃ সমূহীয়া বা ৰাজহুৱা স্বার্থকলৈও চিঠি লিখা হয়। এনে চিঠি এজনে ৰাইজৰ হকে অথবা কেইবাজনো লগ লাগি লিখিব পাৰে।

চিঠিৰ ভাব আৰু ভাষা ভিন্ন সুৰীয়া হ'ব পাৰে। আনন্দ, অভিনন্দন, ক্রোধ, ক্ষোভ আদিও চিঠিৰ ভাষাৰে আনক জনোৱা হয়। মুঠতে চিঠিৰ কোনো নির্দিষ্ট স্থিতি নাই।

## 25.1.1 উদ্দেশ্যাৱলী

এই চিঠি পঢ়াৰ লগে লগে তুমি জানিব পাৰিবা

- **ৰাজহুৱা চিঠিৰ প্রকাশ ভংগীৰ কৌশল,**
- **শব্দৰ প্রয়োগ বিধি,**
- **খণ্ডবাক্য আৰু জতুৱা ঠাঁচৰ ব্যৱহাৰ,**

◆ মনৰ ভাব প্ৰকাশৰ আদব-কায়দা,

◆ ঘৰুৱা শব্দৰ প্ৰয়োগ,

25.2 **মূল পাঠ**

## সম্পাদকলৈ চিঠি

### বিষয় — যাতায়াতৰ দুৰৱস্থা

সম্পাদক ডাঙৰীয়া,

অসমৰ বাতৰি কাকত সমূহত প্ৰকাশ পোৱা তথ্যমতে বৰ্তমান অসমৰ প্ৰায়ভাগ ৰাস্তা আৰু দলঙেই যাতায়াতৰ অনুপযোগী হৈ পৰিছে। এই প্ৰসংগত হাজো-নলবাৰী পথটোৰ দুৰৱস্থাৰ কথাকেই আঙুলিয়াব খুজিছোঁ।

হাজো-নলবাৰী পথটো অতিশয় ব্যস্ত পথ। উক্ত পথেৰে চাইকেল, ৰিক্সা, ঠেলা, গৰুগাড়ী, ঘোঁৰা গাড়ী, মটৰ চাইকেল, মটৰ গাড়ী আদি অবিৰাম গতিৰে চলাচল কৰে। বেগী যান-বাহনক বাট এৰি দিবলৈ গৈ বাট কৰা সকলৰ থৰকা ছুটি হেৰোৱা অৱস্থা হয়। সেয়েহে যান-বাহনৰ সংখ্যা অনুপাতে উক্ত পথ যথেষ্ট আহল-বহল হোৱা আৱশ্যক। উল্লেখযোগ্য যে পথটোৰ ঠায়ে ঠায়ে বহুতো পুখুৰী সদৃশ গাঁতৰ সৃষ্টি হৈছে আৰু পথটোৰ কোনো কোনো অংশ ঘোৰ বাৰিষাৰ বানপানীৰ প্ৰকোপত জহি খহি গৈছে। ফলত যাত্ৰীসকলৰ নাজল-নাথল অৱস্থা হৈছে। উল্লেখযোগ্য যে এখন বাহন সাৱধানে অতিক্ৰম কৰিব খোজোঁতেই অন্য এখন বাহনৰ মুখামুখি হৈ আকস্মিক সংঘৰ্ষ হোৱাটো একো অস্বাভাৱিক কথা নহয়। দ্বিতীয়তে পূৰ্ব নিৰ্মিত ঠেক কাঠৰ দলংবোৰো ৰাইজক আভুৱাভাঁৰি সাধাৰণ ভাৱে মেৰামতি কৰি থকাৰ বাবে এতিয়া থৰক-বৰক লৰক-ফৰক হৈ পৰিছে। মুঠতে সেই আওপুৰণি দলংবোৰ নিৰাপদ হৈ থকা নাই। ফলস্বৰূপে বছৰে বছৰে বহুতো আকস্মিক দুৰ্ঘটনা সংঘটিত হোৱাটো এটা নিয়মত পৰিণত হৈছে। তথাপিও দেখিছোঁ কাৰো কাণসাৰ নাই। কোনো জন-আন্দোলনেও গা কৰি উঠা নাই। সময়ে সময়ে ৰাজনৈতিক নেতাসকলক ৰাইজৰ দুৰ্গতি মোচনৰ বাবে কাবৌ কোকালি কৰিও এতিয়ালৈকে কাৰো গা লৰাব পৰা নাই। সেয়েহে উল্লিখিত পথটো আহল-বহল কৰি, মাটিৰে

**শব্দাৰ্থ**

**দুৰৱস্থা** (বি) ঃ বেয়া অৱস্থা

**লক্ষ্য** (বি) ঃ স্থিৰ দৃষ্টি

**অতিক্ৰম** (বি) ঃ পাৰ হৈ যোৱা কাৰ্য্য

**আকস্মিক** (বিণ) ঃ হঠাৎ

**সংঘৰ্ষ** (বি) ঃ যুঁজ, মুখামুখিকৈ হোৱা খুন্দিয়া খুন্দি

**নিৰ্মিত** ( বিণ) ঃ তৈয়াৰী, সজা

**দুৰ্গতি**(বি) ঃ দুখ

**আওপুৰণি** (বিণ) ঃ অতিশয় পুৰণি

**থৰ-কাছুটি** (বি) ঃ বিতত, বিবুদ্ধি

**কাবৌ-কোকালি** (বি) ঃ কাকুতি-মিনতি

**আভুৱা- ভাঁৰ** ঃ বেয়াকৈ কাম কৰি ভাওন কৰা

**নাজল-নাথল** ঃ আলাই আথানি, নিৰাশ্ৰয়

**কাণসাৰ** (বি) ঃ কথাত মনোযোগ কৰা, কাণপতা কাৰ্য্য

**টঙালি বান্ধ** (ক্ৰি) ঃ সাজু হ

**জীয়াতু ভোগ** (ক্ৰি) ঃ অতিশয় কষ্ট পোৱা

পূৰাই ওখ আৰু পকী কৰাৰ লগতে কাঠৰ দলংবোৰ গুচাই পকী দলং নির্মান কৰাৰ বাবে অহা বাৰিষাৰ আগতে কংকালত টঙালি বান্ধি উঠি পৰি লাগিবলৈ আপোনাৰ জনপ্ৰিয় তথা বহুমূলীয়া কাকতৰ যোগেৰে বিভাগীয় কৰ্তৃপক্ষলৈ আহ্বান জনালোঁ।

১৪ মাঘ, ১৯১৩ শক — শ্ৰীনিভাজ কলিতা
অৰবা, নলবাৰী,

## 25.2.1 সংযোগ পত্ৰ

প্ৰতি,

মাননীয় সম্পাদক,

কল্পতৰু, গুৱাহাটী

মহোদয়,

নমস্কাৰ ল'ব। আশাকৰোঁ সংশ্লিষ্ট 'যাতায়াতৰ দুৰৱস্থা' শীৰ্ষক চিঠিখন আপোনাৰ সৰ্বজনপ্ৰিয়, বহুমূলীয়া কাকতখনৰ 'সম্পাদকলৈ চিঠি' শিতানত সোনকালে প্ৰকাশ কৰাৰ ব্যৱস্থা কৰি যাতায়াতৰ দুৰৱস্থাৰ বাবে জীয়াতু ভুগি থকা দুখীয়া ৰাইজৰ দুৰ্গতি মোচনত সহায় কৰিব।

ভৱদীয়

শ্ৰীনিভাজ কলিতা

অৰবা, নলবাৰী

তৰিখ ১৫ মাঘ ১৯১৩ শক

## 25.2.2 সাধাৰণ অনুশীলনী

১। চিঠিখন কাৰ যোগেদি কাক উদ্দেশ্য কৰি লিখা হৈছে?

২। চিঠিখনত কোনটো পথক প্ৰাধান্য দিয়া হৈছে?

৩। পথটোৰে সাধাৰণতে কোনবোৰ বাহন চলাচল কৰে?

৪। দলংবোৰৰ অৱস্থা কেনেকুৱা হৈছে আৰু কিয়?

৫। কঁকালত টঙালি বান্ধি উঠি পৰি লাগিবলৈ কাক কোৱা হৈছে?

৬। চিঠিত উল্লেখ কৰা পথটোৰ কেনে অৱস্থা হৈছে?

৭। 'তথাপিতো কাৰো কাণসাৰ নাই'— ইয়াত কাৰো শব্দৰে লিখকে কাক বুজাইছে?

৮। পত্ৰ লিখকৰ চিঠি লিখাৰ মূল উদ্দেশ্য কি?

৯। পত্ৰ লিখকৰ সম্পূৰ্ণ নাম আৰু ঠিকনা উল্লেখ কৰা?

১০। এই পাঠটো কোনে ৰচনা কৰিছে আৰু সজাইছে?

## 25.3 সৃষ্টিধৰ্মী প্ৰশ্নাৱলী

**তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা**

১১। সম্পাদকলৈ লিখা চিঠিখনৰ আৰ্হিত অন্য পৰিস্থিতিক লৈ এখন চিঠি লিখি দেখুওৱা।

১২। ৰাইজৰ খোৱা পানীৰ অভাৱ দূৰীকৰণৰ বাবে বাতৰি কাকতৰ সম্পাদকৰ জৰিয়তে বিভাগীয় কৰ্তৃপক্ষলৈ এখন চিঠি লিখা?

১৩। তোমাৰ ওচৰৰ চৰকাৰী চিকিৎসালয়ৰ খা-খবৰ জনাই বাতৰি কাকতৰ সম্পাদকলৈ এখন চিঠি লিখা।

১৪। ধৰিলোৱা, বাতৰি কাকতত প্ৰকাশ কৰিবলৈ তুমি এটা প্ৰবন্ধ পঠাইছা। সম্পাদকৰ লগত যোগাযোগ কৰা সংযোগ পত্ৰখন কেনেধৰণে লিখিছা তাৰ এটি নমুনা দাঙি ধৰা?

১৫। নিভাজ কলিতাৰ চিঠিৰ ফলাফল কেনেকুৱা হ'ব পাৰে বুলি তুমি ভাবা?

25.4

## ব্যাকৰণগত অনুশীলনী

## বিপৰীতাৰ্থক শব্দ

১৬। তলত দিয়া শব্দবোৰৰ বিপৰীতাৰ্থক শব্দ লিখা।

| | |
|---|---|
| ক) বহুত | খ) অনুপযোগী |
| গ) অবিৰাম | ঘ) আৱশ্যক |
| ঙ) সৃষ্টি | চ) সাৱধান |
| ছ) ঠেক | জ) সাধাৰণ |
| ঝ) বেগী | ঞ) নিয়ন্ত্ৰণ |
| ট) সোনকালে | ঠ) বাবিষা |

## সন্ধি

১৭। তলৰ শব্দবোৰৰ সন্ধি ভাঙা

| | |
|---|---|
| ক) যাতায়াত | খ) দুৰৱস্থা |
| গ) চলাচল | ঘ) যথেষ্ট |
| ঙ) নিৰ্মিত | চ) নিৰাপদ |
| ছ) দুৰ্গতি | জ) নিৰ্মাণ |
| ঝ) নমস্কাৰ | ঞ) দুৰ্ঘটনা |

## প্ৰত্যয়

১৮। তলৰ শব্দ কেইটাৰ প্ৰত্যয়ভাঙি দেখুৱা

| | |
|---|---|
| ক) ডাঙৰীয়া | খ) ৰাজনৈতিক |
| গ) স্বাভাৱিক | ঘ) বাটৰুৱা |
| ঙ) বহুমলীয়া | চ) বিভাগীয় |
| ছ) বেগী | জ) দুখীয়া |

ঝ) টঙালি　　　　ঞ) আকস্মিক

## খণ্ডবাক্য আৰু জতুৱা ঠাঁচ

**১৯**। তলত দিয়া খণ্ডবাক্য আৰু জতুৱা ঠাঁচেৰে অৰ্থ প্ৰকাশ হোৱাকৈ বাক্য সাজা।

ক) থৰকা ছুটি হেৰা　　　　খ) না জল না থল

গ) জহি খহি যা　　　　ঘ) মুখামুখি হ

ঙ) থৰক বৰক　　　　চ) গা কৰ

ছ) লৰক-ফৰক　　　　জ) কাণসাৰ নাই

ঝ) কাৰো কোনালি　　　　ঞ) গা লৰ

ট) কঁকালত টঙালি বান্ধ　　　　ঠ) আভুৱা ভাঁৰ

ড) ঔয়াতু ভোগ　　　　ঢ) উঠি পৰি লাগ

25.5

## উত্তৰ সংকেত

**১**। বাতৰি কাকতৰ সম্পাদকৰ যোগেৰে বিভাগীয় কৰ্তৃপক্ষলৈ

**২**। হাজো-নলবাৰী পথক

**৩**। চাইকেল, ৰিক্সা,ঠেলা, গৰু গাড়ী, ঘোঁৰা গাড়ী, মটৰ চাইকেল মটৰ গাড়ী আদি।

**৪**। ঠেক কাঠৰ দলংবোৰ থৰক-বৰক, লৰক-ফৰক হৈ পৰিছে, কাৰণ সাধাৰণভাৱে মোৰামতি কৰি থাকে।

**৫**। বিভাগীয় কৰ্তৃপক্ষক।

**৬**। ঠায়ে ঠায়ে বহুতো পুখুৰী সদৃশ গাঁতৰ সৃষ্টি হৈছে, কোনো কোনো অংশ বানপানীৰ প্ৰকোপত জহি খহি গৈছে।

**৭**। জনসাধাৰণ আৰু বিভাগীয় কৰ্তৃপক্ষক।

**৮**। পথটো আহল-বহল আৰু ওখ কৰা, কাঠৰ দলংবোৰ পকী দলঙত পৰিণত কৰা।

৯। শ্ৰী নিভাজ কলিতা, গাওঁ- অৰৰা, জিলা নলবাৰী (অসম)

১০। গোপীকান্ত তালুকদাৰে।

১১, ১২, ১৩, ১৪ আৰু ১৫ নম্বৰ প্ৰশ্নৰ উত্তৰ দিয়া হোৱা নাই।

| | |
|---|---|
| ১৬। ক) অলপ | খ) উপযোগী |
| গ) বিৰাম | ঘ) অনাৱশ্যক |
| ঙ) ধ্বংস | চ) অসাৱধান |
| ছ) বহল | জ) অসাধাৰণ |
| ঝ) মন্থৰ | ঞ)অনিয়ন্ত্ৰণ |
| ট) পলমকৈ | ঠ) খৰালি |
| ১৭। ক) যাত + আয়াত | খ) দুৰ + অৱস্থা |
| গ) চল + অচল | ঘ) যথা + ইষ্ট |
| ঙ) নিঃ + মিত | চ) নিঃ + আপদ |
| ছ) দুঃ + গতি | জ) নিঃ + মান |
| ঝ) নমঃ + কাৰ | ঞ) দুঃ + ঘটনা |
| ১৮। ক) ডাণ্ডৰ + ঈয়া | খ) ৰাজনীতি + ইক |
| গ) স্বভাৱ + ইক | ঘ) বাট + অৰুৱা |
| ঙ) বহুমূল + ঈয়া | চ) বিভাগ + ঈয়া |
| ছ) বেগ + ঈ | জ) দুখ + ঈয়া |
| ঝ) টঙালি + ই | ঞ) অকস্মাৎ + ইক |

১৯। ক) বানপানীৰ কবলত পৰি গাবৰ মানুহবোৰৰ থৰকাছুটি হেৰাল।

খ) দেউতাকৰ মৃত্যুৰ পিচত ৰাণীহঁতৰ নাজল-নাথল অৱস্থা হ'ল।

গ) জহি খহি যাব ধৰা ঘৰ-দুৱাৰবোৰ দেখি বুঢ়ীজনীৰ চকুপানী ওলাল।

ঘ) ইদল সৈন্যৰ লগত সিদল মুখামুখী হ'ল।

ঙ) বৃদ্ধ কালত মানুহবোৰ থৰক-বৰক হয়।

চ) পানীৰ সোঁতত দলং উটি যোৱাত যাতায়াতৰ সমস্যাই গা কৰি উঠিল।

ছ) সাৱধানে যাবা। দলংখন লৰক-ফৰক হৈছে।

জ) পথটো মেৰামতি কৰাৰ ক্ষেত্ৰত কাৰো কাণসাৰ নাই।

ঝ) ইমানকৈ কাবৌ কোকালি কৰাৰ পিচতো সি আমাৰ ঘৰলৈ নাহিল।

ঞ) গৰুৱে ধানবোৰ খাই শেষ কৰিলে এতিয়াহে বিপুলৰ গা লৰিছে।

ট) লাচিত বৰফুকনে মোগলৰ লগত কঁকালত টঙালি বান্ধি যুঁজিছিল।

ঠ) বিভাগীয় কৰ্তৃপক্ষই ৰাইজক আভু ৰা ভাঁৰি সাধাৰণ ভাবে বাট -পথ আৰু দলং মেৰামতি কৰায়।

ড) বছৰে বছৰে প্ৰবল বানপানীয়ে জনসাধাৰণক জীয়াতু ভোগায়।

ঢ) সমাজৰ সকলো মানুহ উঠি পৰি লগাৰ কাৰণেহে ৰাস্তাটো ভাল হ'ল।

## 25.6 অতিৰিক্ত পঠন উপদেশ

'সম্পাদকলৈ চিঠি' সম্পৰ্কীয় বিস্তৃত জ্ঞান আহৰণ কৰিবলৈ হ'লে বাতৰি কাকত সমূহত প্ৰকাশ হোৱা বিভিন্ন বিষয়ক লৈ লিখা চিঠিবোৰ মনোযোগেৰে পঢ়িব লাগিব। নিম্নলিখিত বাতৰি কাকত কেইখন নিয়মিত ভাবে পঢ়িলে চিঠি লিখাৰ আদব-কায়দা আৰু কৌশল আয়ত্ত কৰিব পাৰিবা—

আমাৰ অসম, দৈনিক অসম, আজিৰ অসম, দৈনিক জনমভূমি, অসমবাণী,দৈনিক অগ্ৰদূত, অসমীয়া প্ৰতিদিন, আজি ইত্যাদি।

## 25.7 ছাত্ৰ-ছাত্ৰীক প্ৰশ্ন কৰিবলৈ দিয়া সংকেত

এই চিঠি পঢ়ি তোমাৰ মনত নানা প্ৰশ্নৰ উদয় হ'ব পাৰে, তুমি জানিব বিচ্ৰৰিব পাৰা -ব্যক্তিগত চিঠি লিখাৰ গত, সম্পাদকীয় আৰু সম্পাদকলৈ দিয়া চিঠিৰ ভেদ; এনে চিঠিত উপমা, খণ্ডবাক্য, আদি দিয়াৰ কাৰণ, চিঠিত 'তুমি' 'আপুনি' আদি শব্দ ব্যৱহাৰ কৰা নকৰাৰ হেতু ইত্যাদি। এনে ধৰণৰ প্ৰশ্ন বহলাই আমালৈ লিখি পঠাব-পাৰা।

গোট 26

# মোৰ-দেশ

ৰচনা ঃহীৰেণ ভট্টাচাৰ্য্য

## 26.1 পাতনি আৰু উদ্দেশ্যাৱলী

আগৰ খণ্ডকেইটাত তুমি আধুনিক ৰোমাণ্টিক-কবিতা আৰু পুৰণি অসমীয়া, বিশেষকৈ, ব্ৰজবুলি লিখা বৰগীতৰ লগত পৰিচিত হৈছা। এইবাৰ তুমি বিংশ শতিকাৰ শেষ ভাগত লিখা এটা বাস্তৱধৰ্মী আধুনিক কবিতা পঢ়িবলৈ পাবা। আহা, কবিতাটো পঢ়িবলৈ লোৱাৰ আগতে তেনে কবিতা ৰচনাৰ পটভূমি সম্পৰ্কে অকণমান আলোচনা কৰোঁ।

সাহিত্য সমাজৰ দাপোণ। সমাজৰ বাস্তৱ জীৱন সাহিত্যত প্ৰতিফলিত হয়। ফৰাচী বিপ্লৱৰ সাম্য, মৈত্ৰী আৰু স্বাধীনতাৰ বাণী আৰু ৰুচোৰ জীৱন দৰ্শনে সমগ্ৰ মানৱ জাতিৰ অন্তৰ কঁপাই তুলিলে, এক আলোড়ন সৃষ্টি কৰিলে। কবি-সাহিত্যিকসকল পোনতে থকা অলিক কল্পনা ৰাজ্যৰ পৰা নামি আহিল বাস্তৱ জীৱনলৈ। সৰ্বসাধাৰণ মানুহৰ সুখ-দুখ, আশা-আকাংক্ষাক তেওঁলোকে সূক্ষ্মদৃষ্টিৰে চাই সাহিত্যত ঠাই দিবলৈ ধৰিলে। এইখিনিতে দ্বিতীয় মহাযুদ্ধৰ বিভীষিকাই মানৱ জাতিক কঠোৰ বাস্তৱতাৰ সন্মুখীন কৰালে। জীৱনৰ সমস্যাই মানুহক যেন হাঁহি-তামাচা, প্ৰেম-প্ৰীতিৰ পৰা আঁতৰাই আনিলে। ইয়ে কবি- সাহিত্যিকৰ চিন্তাধাৰাৰ মোট সলালে আৰু তাৰ ফলতেই নতুন সুৰৰ আধুনিক কবিতাৰ সৃষ্টি হ'ল। অকল ভাৱধাৰাতেই যে এই পৰিবৰ্তন দেখা গ'ল তেনে নহয়, কবিতাৰ ছন্দ, প্ৰতীক, ব্যঞ্জনা, অলংকাৰ আৰু শব্দচয়নৰ ক্ষেত্ৰতো ই প্ৰকাশ পালে।

অসমীয়া কবিতা কাননত এই আধুনিক কবিতাৰ পোন প্ৰথম সৃষ্টি হয় কবি অমূল্য বৰুৱাৰ হাতত। তাৰ পাছত একাধিক কবিয়ে এনে কবিতা সৃষ্টিকৰে যদিও কবি হীৰেন ভট্টাচাৰ্য্যৰ কবিতাত এক নতুন সুৰ শুনা যায়। তেখেতৰ দ্বাৰা ৰচিত 'মোৰ দেশ' কবিতাটিত আমি বৰ্তমান সমাজৰ ক্ৰুৰ-কুটিল ৰীতি-নীতিৰ প্ৰতি কবিৰ ভ্ৰূকুটি লগতে দেশপ্ৰেমৰ ভাৱধাৰা ফুটি উঠা দেখা পাওঁ।

এই কবিতাটো পঢ়িলে তুমি জানিবলৈ পাবা—

◆ আধুনিক কালৰ বাস্তৱধৰ্মী কবিতাৰ বিষয়বস্তু কেনেকুৱা হয়,

◆ এনে কবিতা কেনে লয় প্ৰধান হয়,

◆ এনে কবিতা কেনে ধৰণে পুৰণিকলীয়া ছন্দৰ বান্ধোনৰ পৰা মুক্ত হৈ ধ্বনি হৈ পৰিছে;

◆ কবিতাৰ ভাৱ কেনে সূক্ষ্ম অথচ অন্তঃস্পৰ্শী হয়

## 26.2 লেখক পৰিচিতি

কবি শ্ৰীহীৰেণ ভট্টাচাৰ্য্যদেৱৰ ১৯৩২ খ্ৰীষ্টাব্দত যোৰহাটত জন্ম হয়। গুৱাহাটীৰ কটন কলেজিয়েট স্কুলৰ পৰা মেট্ৰিক পৰীক্ষা আৰু বি বৰুৱা কলেজৰ পৰা আই এ পাছ কৰাৰ পাছত তেখেতৰ শিক্ষা জীৱনৰ অন্ত পৰে। ইয়াৰ পাছত তেওঁ ব্যৱসায়ৰ দ্বাৰা জীৱিকা নিৰ্বাহ কৰিবলৈ আৰম্ভ কৰে আৰু তাৰ লগে লগে কবিতাও ৰচনা কৰি যায়। এওঁ ৰোমান্তিক আৰু আধুনিক যুগৰ সন্ধিক্ষণৰ কবি। সেই হেতু তেওঁৰ আধুনিক কবিতাবোৰৰ মাজতো এক ৰোমান্তিক সুৰ শুনা যায়।

ভট্টাচাৰ্য্যদেৱৰ প্ৰকাশিত কবিতা পুথিবোৰ হ'ল 'ৰৌদ্ৰকোমল', 'সুগন্ধি পখিলা', 'মোৰ দেশ', 'তোমাৰ বাঁহী', 'বিভিন্ন দিনৰ কবিতা' ইত্যাদি। ইয়াৰ বাহিৰেও আমাৰ বিভিন্ন আলোচনী আৰু বাতৰি কাকতত তেখেতে ৰচনা কৰা অগণন কবিতা সিঁচৰিত হৈ আছে। 'চিত্ৰবন' 'মনন' আৰু 'আন্তৰিক' নামৰ তিনিখন কাকত শ্ৰীভট্টাচাৰ্যদেৱে সম্পাদনা কৰে।

শ্ৰীভট্টাচাৰ্য্যদেৱৰ কবিতাৰ প্ৰধান সুৰ হৈছে— প্ৰেম, সৌন্দৰ্য আৰু স্বদেশপ্ৰেম। জাপানী 'হাইকু' কবিতাৰ চাপ তেওঁৰ কবিতাত পোৱা যায়।

উচ্চমানৰ ৰচনাৰ বাবে তেওঁ কেইবাবাৰো পুৰস্কৃত হৈছে। ২০০০ চনত তেওঁ 'ব্ৰহ্মপুত্ৰ উপত্যকা' সাহিত্যিক বঁটাৰে সন্মানিত হৈছে। সাহিত্য একাডেমীৰ দ্বাৰাও তেওঁ পুৰস্কৃত হয়।

## 26.3 মূলপাঠ

### 26.3.1 মুদ্ৰিত প্ৰতিলিপিৰ প্ৰথম ভাগ

মোৰ প্ৰাণৰো প্ৰাণৰ, মোৰ গানৰো গানৰ, মোৰ দেশ।
মোৰ প্ৰতিটো কামে, মোৰ প্ৰতিটো চিন্তাই এই দেশৰ বুকুত ৰচে
শইচ-সোণোৱালী ভৱিষ্যতৰ সপোন। মোৰ জীৱনৰ আঁহে আঁহে,
মোৰ যৌৱনৰ কোঁহে কোঁহে সেই সপোনৰ কলৰোল।

দেশে দেশে দেশ আছে। এনে বহু দেশৰ অৰণ্ডে-দৰণ্ডে
মই ঘূৰিছোঁ। বহু বন্ধুৰ সতে হাতে হাত ধৰি ফুৰিছোঁ
কেতিয়াবা সাগৰ পাৰত, কেতিয়াবা খেজুৰ তলত, নতুবা
পাহাৰতলিত খন্তেক জিৰাইছোঁ। বন্ধুৰ সতে প্ৰাণ খুলি প্ৰাণৰ
কথা পাতিছোঁ। তাৰ পিছত আকৌ আৰম্ভ কৰিছোঁ নতুন যাত্ৰা।

এনে বহু যাত্ৰাৰ শেষ মোৰ দেশ। যাৰ বুকুৰ উমে মোক দিছে
ভালপোৱাৰ আনন্দ, যৌৱনৰ প্ৰচুৰ্য্য। জীৱনৰ নতুন অৰ্থ।
এই দেশৰ প্ৰতিটো পুৰাই মোলৈ লুকাই আনে ঐশ্বৰ্য্যৰ বিপুল সম্ভাৰ
প্ৰতিটো সন্ধিয়াই বৈ আনে স্নিগ্ধ ফুলৰ সুবাস। প্ৰতিটো ঋতুৱে
মোক দি যায় জীৱনৰ আশীৰ্বাদ।

শব্দাৰ্থ

শইচ-সোণোৱালী (বিণ) ঃ শস্যৰ দৰে সোণোৱালী।

কলৰোল (বি) ঃ ধ্বনি, শব্দ

অৰণ্ডে-দৰণ্ডে (ক্ৰি. বিণ) ঃ পাহাৰে- পৰ্বতে, অলিয়ে-গলিয়ে।

উম (বি) ঃ উত্তাপ

প্ৰাচুৰ্য্য (বি) ঃ প্ৰয়োজনতকৈ বেছি থকা অৱস্থা।

বিপুল (বি) ঃ প্ৰচুৰ, বহুতো

সম্ভাৰ (বি) ঃ সামগ্ৰী, উপাদান

সুবাস (বি) ঃ ভাল গন্ধ।

### 26.3.2 আলোচনা

কবিৰ বাবে তেওঁৰ নিজৰ দেশখন অতি আপোন। তেওঁৰ দেশখন হ'ল ভাৰতবৰ্ষ। কবিজনা অসমৰ হলেও ই ভাৰতৰ এটা অংগহে। সেয়েহে কবিয়ে সামগ্ৰীকভাৱে ভাৰতবৰ্ষক ভাল পায়। এইদেশ তেওঁৰ প্ৰাণতকৈয়ো অতি আপোন, গানতকৈয়ো মধুৰ। সেয়ে তেওঁৰ সকলো কাম, সকলো চিন্তা-ভাৱনা এই দেশখনকে কেন্দ্ৰ কৰি আবৰ্তিত হয়। কবিৰ চিন্তাই সোণোৱালী শস্যৰে ভৰা পথাৰখনৰ দৰেই এক উজ্বল ভৱিষ্যতৰ সপোন ৰচে। সেই সপোন তেওঁৰ জীৱন-যৌৱনৰ সতে ওতঃপ্ৰোতভাৱে জড়িত।

কবিয়ে পৃথিৱীৰ প্ৰান্তেৰে প্ৰান্তৰে থকা বিভিন্ন দেশ ভ্ৰমি ফুৰিছে। কেতিয়াবা সাগৰৰ পাৰত অৰ্থাৎ ক'ৰবাত তেওঁ বন্ধুৰ হাতত হাত মিলাই ফুৰিছে। কেতিয়াবা

সাগৰৰ-পাৰত অৰ্থাৎ মহাসাগৰৰ তীৰস্থ দেশত, কেতিয়াবা খেজুৰ তলত অৰ্থাৎ আৰবীয় মৰুত আৰু কেতিয়াবা পাহাৰৰ পাদদেশত পৰ্বতাবৃত স্থানত জিৰণি লৈছে। বন্ধুৰ সতে আনন্দত প্ৰাণখুলি কথা পাতিছে। তাৰ পাছত পুনৰ আন এখন দেশলৈ গতি কৰিছে।

এইদৰে দেশে দেশে ফুৰিও কবিয়ে ক'তো প্ৰকৃত শান্তি পোৱা নাই। নিজৰ দেশখনে তেওঁক বাৰে বাৰে আকৰ্ষণ কৰি আছে। দেশৰ বুকুৰ উমে কবিক ভালপোৱাৰ আনন্দ, যৌৱনৰ প্ৰাচুৰ্য্য আৰু জীৱনৰ এক নতুন অৰ্থ আনি দিয়ে। কবিয়ে নিজৰ দেশখনক ইমানেই ভাল পায় যে ইয়াৰ প্ৰতিটো ৰাতিপুৱাই তেওঁৰ বাবে ঐশ্বৰ্য্যৰ বিপুল সম্ভাৰ, প্ৰতিটো সন্ধিয়াই স্নিগ্ধ ফুলৰ সুবাস আৰু প্ৰতিটো ঋতুৱে তেওঁক জীৱনৰ আশীৰ্বাদ দি যায় যেন অনুভৱ কৰে।

মুঠতে কবিৰ প্ৰবল স্বদেশ প্ৰেমৰ ভাৱ এই অংশ কবিতাৰ মাজেৰে প্ৰকাশ পাইছে।

## 26.3.3 প্ৰথম পাঠভাগৰ প্ৰশ্নাৱলী

১। নিজ দেশখন কবিৰ মনত কেনেকুৱা?

২। কবিৰ প্ৰতিটো চিন্তাই কি সপোন ৰচনা কৰে?

৩। ভ্ৰমণ কালত কবিয়ে কি কি কৰিছে?

৪। কবিৰ মতে তেওঁৰ ভ্ৰমণৰ শেষ ক'ত আৰু তাত তেওঁ কি বিচাৰি পাইছে?

## 26.3.4 মুদ্ৰিত প্ৰতিলিপিৰ দ্বিতীয় ভাগ

এই দেশৰ বাবে মই জীয়াই আছোঁ। এই দেশৰ বাবে মই
জীয়াই থাকিবলৈ মৰণ পণ কৰিছোঁ। ৰণুৱা, বনুৱা, হালোৱা
এই সকলোৰে মাজত মই আছোঁ— মোৰ দেশৰ বাবে। অনৈক্যৰ
মাজত ঐক্য হৈ, বিৰোধৰ মাজত সংহতিৰ সম্ভাৱনা হৈ মই আছো।
জীৱনে-মৰণে, শয়নে-সপোনে এই দেশৰ আহ্বান মই শুনিছো।
শত্ৰু-মিত্ৰ সকলোকে মই চিনিছোঁ। সিহঁতৰ অন্তৰ মই বিশ্বাসেৰে
জিনিছো। শান্তিৰ চৰাইযুৰিক আঁজলি ভৰাই মই দিছোঁ— ভঁৰালৰ

**শব্দাৰ্থ**

মৰণ-পণ (বি) ঃ মৰণ পৰ্য্যন্ত কোনো কাম কৰিবলৈ কৰা সিদ্ধান্ত।

হালোৱা (বি) ঃ হাল বাওঁতা, কৃষক

অনৈক্য (বি) ঃ বিভেদ

ঐক্য ( বি) ঃ একতা

এমুঠি ধান, পৰাণৰ একোটি গান।
আৰুতো মোৰ একো নাই !
মোৰ দেশ —মোৰ কল্লোলিত সপোনৰ উত্তাল তৰংগই
মোক লৈ যায় গভীৰৰপৰা গভীৰতৰলৈ, আদৰ্শৰ
কঠিন পৰ্বত-মূললৈ.......

সংহতি (বি) ঃ একতাৰ ভাব

আঁজলি (বি) ঃ দুহাত লগ লগাই কৰা দোং, অঞ্জলি।

তৰংগ (বি) ঃ ঢৌ

## 26.3.5 আলোচনা

কবিয়ে দেশখনক ইমানেই ভাল পায় যে তেওঁ কাৰো বাবে নহয়, কেৱল দেশখনৰ বাবেই জীয়াই আছে। দেশৰ বাবে জীয়াই থাকিবলৈকে কবিয়ে মৰণ-পণ কৰিছে। তেওঁৰ সত্তা ৰণুৱা, বনুৱা, হালোৱা সকলোৰে মাজত আছে। দেশৰ বাবে ৰণ কৰিবলৈ, কাম কৰিবলৈ, পথাৰত ভবিষ্যতৰ সোণোৱালী শইচ উৎপাদন কৰিবলৈ কবিয়ে হাল বাবলৈকো সাজু আছে। অনৈক্যৰ মাজত ঐক্য স্থাপন, বিৰোধৰ মাজত সংহতি ৰক্ষা কৰিবলৈ তেওঁ প্ৰয়াস কৰিছে। কবিৰ সত্তা দেশৰ সতে এনেদৰে জড়িত হৈ আছে যে জীৱন-মৰণ, শয়ন-সপোন সকলো সময়তে তেওঁ দেশৰ আহ্বান শুনি আছে। দেশৰ প্ৰতিজন শত্ৰু-মিত্ৰক তেওঁ চিনি পায়। একমাত্ৰ বিশ্বাসেৰেহে শত্ৰু-মিত্ৰ উভয়কে জিনিব পাৰি। কবিয়েও তেওঁৰ সৰল অন্তৰত বিশ্বাসেৰে সকলোৰে মন জয় কৰিবলৈ সমৰ্থ হৈছে। ইয়াৰ ফলত দেশৰ শান্তি বিৰাজ কৰিব। সেই শান্তিক কবিয়ে জীয়াই ৰাখিবলৈ, পেট ভৰাই খাবলৈ তেওঁ ভঁৰালৰ ধান উলিয়াই দিব। আনন্দেৰে জীয়াই থাকিবলৈ প্ৰাণৰ গান শুনাব। কবিৰ সপোনৰ দেশৰ কল্লোলিত, উত্তাল তৰংগই যেন তেওঁক দেশৰ গভীৰতম কেন্দ্ৰলৈ লৈ যাব। তাতে পাব তেওঁ পৰম শান্তি।

## 26.3.6 দ্বিতীয় পাঠভাগৰ প্ৰশ্নাৱলী

৫। কবিয়ে 'মোৰ দেশ' কবিতাটোত নিজক কি বুলি পৰিচয় দিছে?

৬। কবি কাৰ বাবে জীয়াই আছে?

৭। সকলো সময়তে এক আহ্বান কবিয়ে শুনি আছে। সেই আহ্বান কাৰ?

৮। শান্তিৰ চৰাইযুৰিক কবিয়ে কি দিছে আৰু কিয় দিছে?

৯। 'সিহঁতৰ অন্তৰ মই ......... জয় কৰিছো।' কবিয়ে কাৰ অন্তৰ কেনেকৈ জয় কৰিছে?

১০। সপোনৰ তৰংগই কবিক ক'লৈ লৈ যায়?

## 26.4 কবিতাটোৰ মূলভাৱ

কবিৰ দেশ ভাৰতবৰ্ষ। এই দেশখন তেওঁৰ বাবে অতি আপোন। তেওঁৰ প্ৰাণতকৈয়ো প্ৰাণৰ, গানতকৈয়ো বেছি আপোন। সেয়ে তেওঁ এই দেশৰ উন্নতিৰ অৰ্থে সদায় কাম কৰে। তেওঁৰ জীৱনৰ সকলো চিন্তা, সকলো কৰ্মই যেন একমাত্ৰ আপোন দেশখনক কেন্দ্ৰ কৰিয়েই সম্পন্ন হয়। এখন সুন্দৰ ভবিষ্যতৰ আশা বুকুত বান্ধি কবিয়ে সুচিন্তাৰ দ্বাৰা পৰিচালিত হৈ কৰ্ম কৰে। কবিৰ জীৱনৰ আঁহে আঁহে সোমাই থকা গভীৰ চিন্তাই তেওঁৰ জীৱন আৰু যৌৱনক উল্লাসিত কৰি তোলে। কবিৰ চিন্তাই ভবিষ্যতৰ সোণোৱালী সপোন ৰচে। কবিয়ে সেই সপোনবোৰক বাস্তৱত পৰিণত কৰিবলৈ কাম কৰে। কবিয়ে পৃথিৱীৰ দেশে দেশে ঘূৰি ফুৰিছে। কেতিয়াবা সাগৰীয় দেশত, কেতিয়াবা মৰু অঞ্চলত বা পাহাৰৰ পাদদেশত অৰ্থাৎ পৰ্বতাবৃত দেশত কবিয়ে জিৰাইছে। সেইবোৰ ঠাইৰ প্ৰাকৃতিক সৌন্দৰ্য্য উপভোগ কৰিছে। কিন্তু ইবোৰৰ পৰা কবিয়ে যেন প্ৰকৃত শান্তি পাব পৰা নাই। তেওঁৰ অন্তৰে নিজৰ দেশৰ বুকুৰ উম বিচাৰি ফুৰিছে। কবিৰ বাবে তেওঁৰ দেশৰ প্ৰতিটো ৰাতিপুৱাই, প্ৰতিটো সন্ধিয়াই কঢ়িয়াই আনে জীৱনৰ মহান আশীৰ্বাদ। সেয়ে কবিয়ে তেওঁৰ দেশৰ বাবে জীয়াই আছে- যি দেশত জীৱনৰ এক নতুন অৰ্থ তেওঁ বিচাৰি পাইছে। দেশৰ হকে, দেশৰ জনগণৰ হকে কাম কৰি জীয়াই থাকিবলৈ কবিয়ে আপ্ৰাণ যত্ন কৰিছে। তেওঁ শত্ৰু-মিত্ৰ সকলোৰে অন্তৰ জয় কৰিব পাৰিছে।

## 26.5 টোকা

**সপোনৰ কলৰোল ঃ** সপোনত উকমুকনি লগা। কোনো অনুষ্ঠানত বিশেষকৈ সৰু ল'ৰা-ছোৱালীৰ ক্ষেত্ৰত যেতিয়া বহুতবোৰ আহি একগোট খায় তেতিয়া হাই-উৰুমি হয়। তাকেই কলৰোল বোলা হয়। সেইবাবে কবিৰ কল্পনাৰ স্থান মনোজগতত যেতিয়া বহুতো ভাৱে জুমুৰি দি ধৰে তেতিয়া কোনোটোকে নিৰ্দিষ্ট বুলি ধৰিব নোৱাৰি। ই এটি অভিব্যঞ্জনাহে। বিভিন্ন ভাৱৰ আলোড়নকে ইয়াত 'সপোনৰ কলৰোল' বোলা হৈছে।

**শইচ-সোণোৱালী ঃ** পকা ধানে পথাৰখনত সোণোৱালী ৰহন চবাই উজ্বল কৰি তোলে। পকা ধানৰ এই উজ্বলতাই কৃষকসকলৰ মনত আশা জগাই তোলে। কৃষকৰ আশা-ভৰষাৰ থলি পথাৰখন যেতিয়া সোণোৱালী হৈ পৰে, তেতিয়া তেওঁৰ মনত আনন্দ উপচি পৰে। সেইদৰে কবিৰ আশাবাদী সপোনবোৰেও তেওঁৰ মনত আনন্দৰ ভাব জগাই তোলে।

**ঐশ্বৰ্য্যৰ বিপুল সম্ভাৰ ঃ** স্বদেশপ্ৰেমী কবিয়ে অনুভৱ কৰে যে তেওঁৰ দেশৰ প্ৰতিটো ৰাতিপুৱাই তেওঁলৈ কঢ়িয়াই আনে ঐশ্বৰ্য্যৰ বিপুল সম্ভাৰ। এই বাক্যাংশৰ অৰ্থ জীয়াই থকাৰ সম্বল। মানুহে জীৱন নিৰ্বাহ কৰি জীয়াই থাকিবলৈ সম্বলৰ দৰ্কাৰ। জীয়াই থাকিবলৈ পাৰ্থিৱ সম্বলৰ উপৰি উৎসাহ উদ্দীপনাৰো দৰ্কাৰ। কবিয়ে নিজদেশৰ প্ৰতিটো ৰাতিপুৱাত জীয়াই থকাৰ এক নতুন উৎসাহ উদ্দীপনা পায়। এই উৎসাহে কবিক কৰ্ম কৰিবলৈ অনুপ্ৰেৰণা জগায়।

**শান্তিৰ চৰাই যুৰি ঃ** কবিসকল শান্তি-প্ৰিয়। তেওঁলোকে সহজ-সৰল নিকা এখন সমাজ বিচাৰে— য'ত দন্দ্ব-হাই, বিৰোধ নাই। চৰাইবোৰ অতি নিমাখিত আৰু শান্তি প্ৰিয়। সেয়ে কবিয়ে তেওঁ বিচৰা শান্তিৰ এযুৰি চৰাইৰ লগত ৰিজাইছে। এটি যেন কবিৰ বাবে মানসিক শান্তি আৰু আনটি হ'ল শাৰীৰিক শান্তিৰ চিন।

**খেজুৰ তল ঃ** কবিয়ে ইয়াত খেজুৰ শব্দ প্ৰতীক হিচাপে ব্যৱহাৰ কৰিছে। খেজুৰ সাধাৰণতে মৰু অঞ্চলত হয়। খেজুৰ মৰুভূমিৰ প্ৰতীক। মধ্য-প্ৰাচ্য মৰু অঞ্চল। কবি খেজুৰ তলত জিৰাইছে মানে মধ্য-প্ৰাচ্যৰ মৰু অঞ্চলত অকণমান জিৰণি লৈছে।

**জীৱনৰ আশীৰ্বাদ ঃ** শান্তি সমৃদ্ধিৰে জীয়াই থাকিবলৈ মানুহক স্নেহাশীষ লাগে। জন্মভূমি নিজৰ মাতৃ স্বৰূপ। মাকে যিদৰে সন্তানক সদায় ভালদৰে জীৱন কটাবলৈ আশীৰ্বাদ দিয়ে কবিৰ মতে জন্মভূমিয়েও যেন তেওঁক জীৱনৰ আশীৰ্বাদ দিয়ে।

## 26.6 সাধাৰণ অনুশীলনী

### কিছু পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ কৰি চোৱাচোন

১১। মোৰ দেশ কবিতাটোত কবিয়ে নিজৰ দেশখনক কি কাৰণে ভাল বুলি কৈছে আলোচনা কৰা।

১২। 'মোৰ দেশ' কবিতাটোত কবিয়ে জীয়াই থকাৰ সাৰ্থকতা কি বুলি বৰ্ণনা কৰিছে লিখা?

১৩। ব্যাখ্যা কৰা ঃ

ক) দেশে দেশে দেশ আছে। এনে বহু দেশৰ অৰঙে-দৰঙে মই ফুৰিছো।

খ) যাৰ বুকুৰ উমে মোক দিছে, ভালপোৱাৰ আনন্দ, যৌৱনৰ প্ৰাচুৰ্য্য। জীৱনৰ নতুন অৰ্থ।

গ) এই দেশৰ বাবে মই জীয়াই আছো। এই দেশৰ বাবে মই জীয়াই থাকিবলৈ মৰণ-পণ কৰিছোঁ।

ঘ) এই দেশৰ প্ৰতিটো পুৰাই মোলৈ লুকাই আনে ঐশ্বৰ্য্যৰ বিপুল সম্ভাৰ।

ঙ) অনৈক্যৰ মাজত ঐক্য হৈ, বিৰোধৰ মাজত সংহতিৰ সম্ভাৱনা হৈ মই আছোঁ।

১৪। নিজ দেশক কবিয়ে কিদৰে ভাল পায়?

১৫। কবিৰ বহুতো যাত্ৰাৰ পৰিসমাপ্তি ক'ত ঘটিছে?

১৬। নিজ দেশৰ বুকুৰ উমে কবিক কি দিছে?

১৭। কবিয়ে 'মোৰ দেশ' বুলি কোনখন দেশৰ কথা কৈছে?

১৮। কবিয়ে ভবিষ্যতৰ সুখ কেনেকৈ লাভ কৰাৰ আশা কৰিছে?

১৯। 'দেশে দেশে দেশ আছে'— বুলিয়ে কবিয়ে কি কৈছে?

২০। কবিক স্বদেশে কি কি দিছে?

২১। ঋতুবোৰে কবিক কি দিছে?

২২। কবি ভট্টাচাৰ্য্যদেৱৰ কি কাৰণে জীয়াই আছে বুলি কবিতাটিত কৈছে?

২৩। কবিয়ে 'মোৰ দেশ' কবিতাটিত নিজক কি বুলি পৰিচয় দিছে?

২৪। শত্ৰু-মিত্ৰৰ অন্তৰ কবিয়ে কিহৰ দ্বাৰা জয় কৰিছে?

২৫। 'মোৰ দেশ' কবিতাটিত কবিয়ে ব্যৱহাৰ কৰা প্ৰতীকবোৰ উল্লেখ কৰা?

২৬। কবিয়ে শান্তিৰ চৰাইযুৰিক কি দিছে?

২৭। জীৱনে-মৰণে, শয়নে-সপোনে কবিয়ে কি শুনিছে?

২৮। কবিয়ে নিজৰ অস্তিত্ব ক'ত দেখা পায়?

২৯। কবি হীৰেণ ভট্টাচাৰ্য্যক কি কবি বুলি জনা যায়?

## 26.7 ব্যাকৰণগত অনুশীলনী

### খালী ঠাই পূৰণ

৩০। তলত দিয়া বাক্যবোৰৰ খালীঠাইসমূহ কবিতাত থকা শব্দৰে পূৰণ কৰা ঃ

ক) এই দেশৰ বাবে মই জীয়াই থাকিবলৈ মৰণ..... কৰিছোঁ।

খ) বহু বন্ধুবসতে হাতে হাতে ........... ধৰি ফুৰিছোঁ।

গ) মোৰ প্ৰতিটো.........., মোৰ প্ৰতিটো চিন্তাই এইদেশৰ ........ ৰচে শইচ সোণোৱালী........... সপোন।

ঘ) ভালপোৱাৰ আনন্দ, যৌৱনৰ..........।

ঙ) সিহঁতৰ অন্তৰ মই............ জিনিছোঁ।

চ) বন্ধুৰ সতে প্ৰাণ খুলি ............. কথা পাতিছোঁ।

## 26.7.1 বাক্য ৰচনা

৩১। তলৰ প্ৰতিটো শব্দৰ অৰ্থ লিখি একোটাকৈ অৰ্থ-প্ৰকাশক বাক্য ৰচনা কৰা ঃ

ক) উত্তাল-তৰংগ, খ) কলৰোল, গ) অৰঙে-দৰঙে, ঘ) শয়নে-সপোনে, ঙ) জীৱনে-মৰণে, চ) সংহতি, ছ) উম, জ) সুবাস, ঝ) আঁহে-আঁহে, ঞ) মৰণ-পণ, ট) আঁজলি ভৰাই।

## 26.7.2 শব্দৰ বুৎপত্তি বিচাৰ

৩২। তলত দিয়া শব্দবোৰৰ মূলৰূপ কি আছিল লিখা ঃ

ক) শইচ, খ) কলৰোল, গ) মৰণ, ঘ) আঁজলি, ঙ) পৰাণ।

## 26.8 চমু প্ৰশ্নৰ উত্তৰ সংকেত

১। উত্তৰ দিয়া হোৱা নাই।

২। কবিৰ প্ৰতিটো চিন্তাই দেশৰ বুকুত শইচ-সোণোৱালী সপোন ৰচনা কৰে।

৩। উত্তৰ দিয়া হোৱা নাই।

৪। নিজ দেশত। ইয়াত কবিয়ে ভালপোৱাৰ আনন্দ, যৌৱনৰ প্ৰাচুৰ্য্য আৰু জীৱনৰ নতুন অৰ্থ বিচাৰি পাইছে।

৫। এজন সৰ্বহাৰা দেশপ্ৰেমিক কৰ্মী হিচাপে।

৬। তেওঁৰ দেশৰ বাবে।

৭। কবিৰ নিজৰ দেশৰ আহ্বান।

৮। ভঁৰালৰ এমুঠি ধান আৰু তেওঁৰ পৰাণৰ একোটি গান। কবিয়ে শান্তিৰ চৰাইযুৰিক জীয়াই ৰাখিবলৈ অৰ্থাৎ দেশত শান্তি বোজাই ৰাখিবলৈ ধান আৰু গান দিছে।

৯। কবিয়ে শত্ৰু-মিত্ৰ সকলোৰে অন্তৰ বিশ্বাসেৰে জয় কৰিছে।

১০। গভীৰৰ পৰা গভীৰতালৈ, আদৰ্শৰ -কঠিন উচ্চ শৃংগলৈ।

১১। উত্তৰ দিয়া হোৱা নাই।

১২। উত্তৰ দিয়া হোৱা নাই।

১৩। উত্তৰ দিয়া হোৱা নাই।

১৪। উত্তৰ দিয়া হোৱা নাই

১৫। নিজ দেশত

১৬। ভালপোৱাৰ আনন্দ। যৌৱনৰ প্ৰাচুৰ্য্য আৰু জীৱনৰ এক নতুন অৰ্থ।

১৭। ভাৰতবৰ্ষৰ কথা কৈছে।

**১৮। গঠনমূলক চিন্তা আৰু উন্নয়নমূলক কামৰ যোগেদি।**

**১৯। পৃথিবীৰ প্ৰান্তৰে প্ৰান্তৰে থকা দেশবোৰৰ কথা কৈছে।**

২০। ভালপোৱাৰ আনন্দ, যৌৱনৰ প্ৰাচুৰ্য্য আৰু জীৱনৰ নতুন অৰ্থ। ইয়াৰ প্ৰতিটো ৰাতিপুৱাই কবিৰ বাবে ঐশ্বৰ্য্যৰ বিপুল সম্ভাৰ আনে, প্ৰতিটো সন্ধিয়াই স্নিগ্ধ ফুলৰ সুবাস বৈ আনে।

২১। জীৱনৰ আশীৰ্বাদ দিছে।

২২। নিজৰ দেশৰ বাবে কবি জীয়াই আছে।

২৩। ৰণুৱা, বনুৱা আৰু হালোৱা অৰ্থাৎ দেশৰ কৰ্মীসকলৰ মাজৰ এজন সৰ্বহাৰা স্বদেশপ্ৰেমিক কৰ্মী হিচাপে নিজৰ পৰিচয় দিছে।

২৪। বিশ্বাসেৰে।

**২৫। পুৱা,সন্ধিয়া, বনুৱা, হালোৱা, শান্তিৰ চৰাই, সাগৰ, খেজুৰ, পাহাৰৰ** তলি ইত্যাদি।

২৬। ভঁৰালৰ এমুঠি ধান আৰু তেওঁৰ পৰাণৰ একোটি গান।

২৭। দেশৰ আহ্বান।

**২৮। ৰনুৱা, বনুৱা, আৰু হালোৱাৰ মাজত অৰ্থাৎ দেশৰ কৰ্মীসকলৰ** মাজত।

**২৯। 'সুগন্ধি পখিলা'ৰ কবি।**

| | |
|---|---|
| **৩০। ক) পণ** | **খ) হাত** |
| গ) কামে, বুকু, ভবিষ্যতৰ। | ঘ) প্ৰাচুৰ্য্য |
| ঙ) বিশ্বাসেৰে | চ) প্ৰাণৰ |

৩১। ক) উচ্চ শব্দকাৰী ঢৌ

| | |
|---|---|
| খ) ধ্বনি বা শব্দ | গ) অলিয়ে-গলিয়ে |

ঘ) প্ৰতিমুহূৰ্ততে, সকলো সময়তে ঙ) সমগ্ৰ জীৱনব্যাপি

চ) সম্প্ৰীতি ছ) কোমল উত্তাপ

জ) সুগন্ধি গোন্ধ ঝ) আঁহিডালে প্ৰতি, সম্পূৰ্ণকৈ

ঞ) মৃত্যু-পৰ্যন্ত শপত। ট) দুইহাত খোল কৰি ভৰাই।

**৩২।** ক) শস্য (সংস্কৃত 'শস্য') খ) কল্লোল (সংস্কৃত 'কল্ল' )

গ) মৃত্যু (সংস্কৃত 'মৃ') ঘ) অঞ্জলি, অঞ্জ।

ঙ) প্ৰাণ

## 26.9 অতিৰিক্ত পঠন উপদেশ

ওপৰৰ কবিতাটো পঢ়ি তোমাৰ নিশ্চয় একেধৰণৰ আন কবিতা পঢ়িবলৈ মন যাব। আধুনিক অসমীয়া কবিতাৰ বিষয়ে আৰু বেছি জানিবলৈ তুমি তলত উল্লেখ কৰা কবিতা পুথি কেইখন পঢ়িব পাৰা। ইয়ে তোমাৰ আধনিক কবিতাৰ বিষয়ে জ্ঞান বঢ়াব আৰু কবিতা পঢ়াৰ আগ্ৰহ বঢ়াব।

ক) অচিনা —অমূল্য বৰুৱা
খ) সুগন্ধি পখিলা — হীৰেণ ভট্টাচাৰ্য্য
গ) ৰৌদ্ৰ কামনা— ঐ
ঘ) তোমাৰ বাঁহী — ঐ

## 26.10 প্ৰশ্ন সোধা শিতান

এই কবিতাটো পঢ়াৰ পাছত তোমাৰ মনত নিশ্চয় ইয়ে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। কবিতাটি, লিখক নাইবা এনে ধৰণৰ আন কবিতাৰ বিষয়ে তোমাৰ মনত যদি কিবা প্ৰশ্ন উদয় হয় আমালৈ লিখিবা। আমি উত্তৰ দিবলৈ সদায় সাজু আছো।

গোট 27

# খৰাং বতৰ, বানপানী আৰু অসম

## (সম্পাদকীয়)

ৰচনা ঃ ড° ভৃগুমোহন গোস্বামী

## 27.1 পাতনি আৰু উদ্দেশ্যাৱলী

প্ৰতিখন বাতৰি কাকত, আলোচনীৰ একোজন সম্পাদক আছে। তেওঁ বা-বাতৰি, প্ৰবন্ধ, গল্প, কবিতা আদি চাইচিতি কাকতত প্ৰকাশ কৰাৰ উপৰি সম্পাদকীয় লিখে। বাতৰি কাকত বা আলোচনীৰ সম্পাদকজন দূৰদৰ্শী, চিন্তাশীল, উদাৰ, নিৰপেক্ষ আৰু স্বাৰ্থশূন্য হ'ব লাগে। অন্যথাই মিছা বা অতিৰঞ্জিত বাতৰি প্ৰচাৰ কৰি পাঠকৰ মনত ভ্ৰান্ত ধাৰণা সৃষ্টি কৰিব পাৰে। স্বাধীন মনৰ আৰু চিন্তাশীল সম্পাদকে বহুত কামেই কৰিব পাৰে। তেওঁৰ একোটা চিন্তাশীল সম্পাদকীয়ই দেশৰ বা এটা জাতিৰ কল্যাণ সাধন কৰিব পাৰে। সম্পাদকীয়ই বাতৰি কাকতৰ পাঠকক বিভিন্ন চিন্তাৰ খোৰাক দিয়ে। যি কাম টকা পইচাৰে কৰিব নোৱাৰে, সম্পাদক একোজনৰ বলীষ্ঠ সম্পদকীয়ই সেই কাম অতি সহজে কৰিব পাৰে। সেই বাবেই তুমি বাতৰি কাকত বা আলোচনীত বাতৰি, প্ৰবন্ধ, গল্প , কবিতা, খেলৰ বাতৰি আদি পঢ়াৰ উপৰি সম্পাদকীয়টো পঢ়িবলৈ নাপাহৰিবা। এই সম্পাদকীয় পাঠটো এটা দৃষ্টান্ত হিচাপে দিয়া হৈছে।

**এই পাঠ পঢ়িলে তুমি জানিবলৈ পাবা—**

- সম্পাদকীয় লেখা কেনেকুৱা বলিষ্ঠ, যুক্তিপূৰ্ণ আৰু সংহত হয়,
- লেখাৰ জৰিয়তে কেনেকৈ পাঠকৰ চেতনা আৰু অন্তৰানুভূতি জগাই তুলিব পাৰি।
- সম্পাদকীয়ত কেনে ধৰণৰ সমসাময়িক ঘটনাৰ সন্ধান আৰু তাৰ প্ৰতিকাৰৰ উপায় থাকে,

- বিশ্লেষণ কেনেকুৱা নিৰপেক্ষ আৰু নিৰ্ভীক হয়,
- সম্পাদকীয়ত কেনেধৰণে ঐতিহাসিক বা সমসাময়িক ঘটনাৰ খেও ধৰি আলোচ্য বিষয় প্ৰভাৱশালী কৰি তোলা হয়, আৰু
- প্ৰবচন, খণ্ডবাক্য আৰু জতুৱা শব্দাৱলী ব্যৱহাৰ কৰি ভাষা আৰু বিষয়বস্তু দুয়োটাকে প্ৰভাৱশালী কৰি তোলা হয়।

## 27.2 মূল পাঠ

### 27.2.1 মুদ্ৰিত প্ৰতিলিপিৰ প্ৰথম ভাগ

খৰাং বতৰ আৰু বানপানীৰ সমস্যা আজিৰ সমস্যা নহয়। এই সমস্যা যুগ যুগ ধৰি চলি আহিছে। জেঠুৱা খৰৰ কথা আমাৰ সকলোৰে বিদিত। সেইদৰে আহাৰ শাওন মাহৰ বানপানীৰ কথাও নজনা মানুহ কোনো নাই। কিন্তু প্ৰতিবছৰে এনেকৈ বানপানী হৈ আছে যে বানপানী অসমৰ এটা স্থায়ী সমস্যা হৈ পৰিছে। সাম্প্ৰতিক কালত খৰাং বতৰ আৰু বানপানী এটা নিৰ্দিষ্ট মাহত নহয়। খৰাং বতৰ আৰু বানপানীৰ সময়-অসময় নোহোৱা হৈছে। কেতিয়াবা জেঠ মাহত আৰু কেতিয়াবা আহিন, কাতি মাহত বতৰ খৰাং হৈ খেতি-বাতি সমূলি উচ্ছন্ন কৰি খেতিয়কৰ কঁকাল ভাঙি দিয়ে। তেওঁলোকে মনে খনা পুখুৰীত পানী খাবলৈ নাপাই কক্ বকাই থাকিব লগা হয়। কৃষক সমাজ ক্ষতিগ্ৰস্ত হ'লে অকল তেওঁলোকেই নহয়, সমস্ত দেশবাসীয়েই দুৰ্দ্দশাগ্ৰস্ত হয়। বয়-বস্তু মহাৰ্ঘ হয়; চাৰিওফালে অভাৱ-অনাটনে জুমুৰি দি ধৰে। দেশৰ অৰ্থনৈতিক প্ৰগতিত বাধা জন্মায়।

বৰ্তমান খৰাং বতৰ আৰু বানপানী বহু পৰিমাণে মানুহৰেই সৃষ্টি। এই ক্ষেত্ৰতে আমি আফ্ৰিকাৰ ইথিয়পিয়াত হোৱা খৰাং বতৰৰ কথা উল্লেখ কৰিব পাৰোঁ। মানুহৰ ভুলৰ ফলত ইথিয়পিয়াত মানুহ দুৰ্ভিক্ষৰ কৰাল গ্ৰাসত পৰিছে। জধে-মধে গছ-গছনি কটাৰ ফলত ইথিয়পিয়াত বৰষুণ নোহোৱা হৈছে। তাৰ ফলত তাত খেতি-বাতি নোহোৱা হৈছে আৰু তাত হেজাৰ হেজাৰ লোক অনাহাৰত মৃত্যু মুখত পৰিছে। আমাৰ ইয়াতো ইথিয়পিয়াৰ দৰে ঘটনা যে নঘটিব তাক ন দি ক'ব নোৱাৰি। মানুহে প্ৰকৃতিৰ ওপৰত সদায় নিৰ্ভৰ কৰি আহিছে। ধনৰ লোভত মানুহে জধে-মধে অবিবেচকৰ দৰে প্ৰকৃতিৰ ওপৰত নিৰ্মম অত্যাচাৰ চলাই আহিছে। হকে-বিহকে মানুহে গছ-গছনি কাটিছে, পাহাৰ-বননি ধ্বংস কৰিছে, পৰ্বতৰ শিল ভাঙি আনি পৰ্বতৰ অবক্ষয় ঘটাইছে। তাৰ ফলত প্ৰতিকূল ভৌগোলিক পৰিবেশৰ সৃষ্টি হৈছে।

**শব্দাৰ্থ**

মহাৰ্ঘ (বিণ) : যিহৰ দাম চৰা; মৰগ

জুমুৰি দি : হেচা দি

জধে মধে (ক্ৰি. বিণ) যেনেকৈ তেনেকৈ, ভালবেয়া নিবিচৰাকৈ

হকে-বিহকে (ক্ৰি বিণ) : হোৱাই-নোহোৱাই

মৌচুমী বতাহক আগবদৰে বাধা দিব নোৱাৰাত প্ৰয়োজনীয় সময়ত বৃষ্টিপাত নহয়। ফলত খৰাং হয়। মাজে মাজে খৰাং বতৰৰ প্ৰকোপ ইমান বাঢ়ে যে কেৱল খেতি-বাতিয়েই নহয়, জীৱ-জন্তু —এনেকি মানুহো মৃত্যুৰ কৰাল গ্ৰাসত পৰে।

অৱক্ষয় (বি) ঃ বিনাশ; বিলোপ; বিধ্বংস; লাহে লাহে ক্ষয় হোৱা।

## 27.2.2 আলোচনা

এই পাঠটোত তুমি পঢ়িবলৈ পাবা অসমত স্থায়ীভাৱে দেখা দিয়া খৰাং বতৰ আৰু বানপানীৰ কথা। খৰাং বতৰ আৰু বানপানীৰ সমস্যা অসমত আগতেও আছিল। যুগ যুগ ধৰি এই সমস্যা চলি আহিছিল। জেঠ মাহত প্ৰখৰ খৰাং হৈছিল। এটা বছৰৰ ভিতৰত আহাৰ-শাওন মাহত বানপানী হৈছিল। কিন্তু এতিয়া খৰাং বতৰ আৰু বানপানীৰ নিৰ্দিষ্ট সময় নোহোৱা হৈছে। আহিন কাতি মাহতো বতৰ খৰাং হৈ খেতিয়কক বিপদত পেলায়। খেতিয়কসকলক দুৰ্দশাই বেঢ়ি ধৰিলে দেশৰ আন আন মানুহৰো অভাৱ-অনাটন হয়।

বৰ্তমানৰ খৰাং বতৰ আৰু বানপানী বহু পৰিমাণে মানুহে সৃষ্টি কৰিছে। তাৰ এটা জ্বলন্ত উদাহৰণ আফ্ৰিকাৰ ইথিয়পিয়া। ইথিয়পিয়াৰ মানুহে ভাল-বেয়া বিচাৰ নকৰাকৈ গছ-গছনি কটাৰ ফলত তাত বৰষুণ নোহোৱা হৈছে। খৰাং বতৰ হৈ হেজাৰ হেজাৰ মানুহৰ প্ৰাণ নাশ হৈছে।

আমি প্ৰকৃতিৰ ওপৰত সদায় নিৰ্ভৰ কৰি আহিছোঁ। কিন্তু হোৱাই নোহোৱাই বাচ-বিচাৰ নকৰাকৈ আমি গছ-গছনি কাটিছোঁ, পাহাৰ কাটিছোঁ, পৰ্বতৰ শিল ভাঙি আনি পৰ্বতৰ ক্ষতি সাধন কৰিছোঁ। ইয়াৰ ফলত অনিষ্টকাৰী ভৌগোলিক পৰিৱেশ সৃষ্টি হৈছে।

## 27.2.3 পাঠ ভিত্তিক প্ৰশ্নাৱলী

এতিয়া এই পাঠাংশৰ ওপৰত নিৰ্ভৰ কৰি তুমি কেইটামান চুটি প্ৰশ্নৰ উত্তৰ কৰা।

১। কি খৰৰ কথা সকলোৰে বিদিত?

২। বৰ্তমান খৰাং বতৰ আৰু বানপানীৰ নিৰ্দ্দিষ্ট মাহ আছেনে?

৩। বৰ্তমানৰ খৰাং বতৰ আৰু বানপানী বহু পৰিমাণে কাৰ সৃষ্টি বুলি ভাবা?

৪। আফ্ৰিকাৰ ইথিয়পিয়াত বৰষুণ নোহোৱাৰ কাৰণ কি?

## 27.2.4 মূল পাঠ

### মুদ্ৰিত প্ৰতিলিপিৰ দ্বিতীয় ভাগ

কোনো কোনো সময়ত বছৰৰ খৰাং বতৰ, আনফালে আহাৰ শাওন মাহত প্ৰায়ে প্ৰলয়ংকাৰী বানপানী হৈ হাজাৰ হাজাৰ হেক্টৰ মাটিৰ খেতি-বাতি ধুই-পখালি নিয়ে, হাজাৰ হাজাৰ গৰু ম'হক মৃত্যুৰ মুখলৈ ঠেলি দিয়ে, সময়ে সময়ে মানুহ-দুনুহ পানীৰ সোঁতত উটি যায়। বানপানীৰ পিছত হোৱা মহামাৰী আৰু দুৰ্ভিক্ষত শ শ মানুহ আৰু গৰু-ম'হ মৃত্যুৰ মুখত পৰে। আগতে এনে প্ৰলয় লীলা আহাৰ শাওনত হৈছিল যদিও আজিকালি কেতিয়াবা ভাদ, আহিন মাহতো হয়। বানপানীৰ কাৰণ সম্বন্ধে ইতিমধ্যে বহুত চিন্তা-চৰ্চা হৈছে। বহুতেই গছ-গছনি কাটি পৰ্বত-পাহাৰ টকলা কৰাটোকেই ইয়াৰ প্ৰধান কাৰণ বুলি সাব্যস্ত কৰে। আন বহুতে আকৌ মানুহে কৰা কাম-কাজৰ শুভ -অশুভৰ পৰিণাম বুলি ঠাৱৰ কৰে।

**শব্দাৰ্থ**

টকলা (বিণ) ঃ উদং

সাব্যস্ত (বিণ) ঃ নিৰ্ণয় কৰা

ঠাৱৰ (বিণ) ঃ নিৰ্ণয় কৰা

চলন্ত সাগৰ সদৃশ বিশাল ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনদীসমূহৰ তলিভাগ ওপৰলৈ উঠি আহিছে। তাৰ এটা কাৰণ হ'ল ১৯৫০ চনৰ ভূমিকম্প; এই ভূমিকম্পত ব্ৰহ্মপুত্ৰৰ তলিভাগ কিছুপৰিমাণে ওপৰলৈ উঠি আহে। তদুপৰি যোৱা শতিকাৰ পঞ্চম দশকৰ পৰা ব্যাপকভাৱে আৰম্ভ কৰা মথাউৰি প্ৰকল্পৰ ফলত ব্ৰহ্মপুত্ৰকে আদি কৰি অন্যান্য নদীসমূহৰ পলস বাহিৰলৈ ওলাই যোৱাৰ ফলত নদীৰ তলিভাগ সমন্বিতে দুই মথাউৰিৰ মাজৰ সমুদায় অংশ ওপৰলৈ উঠি-আহিছে। তাৰ ফলত নদীসমূহে ঘোৰ বাৰিষা কালত পৰ্য্যাপ্ত পৰিমাণে পানী বহন কৰিব নোৱাৰে। একেৰাহে কেইদিনমান ধাৰাষাৰ বৰষুণ হ'লে নৈৰ পানী উপচি দুই মথাউৰিৰ মাজভাগ একোখন চলন্ত সাগৰত পৰিণত হয়। এনে দুকূল টোকা পানীৰ কোবত নদীসমূহে প্ৰতি বছৰে ঠায়ে ঠায়ে মথাউৰি ভাঙি প্ৰবল বানপানীৰ সৃষ্টি কৰে আৰু জনসাধাৰণৰ মাজত বিভীষিকাৰ সৃষ্টি কৰে।

পৰ্য্যাপ্ত (বিণ) ঃ প্ৰচুৰ; যথেষ্ট

দুকূল টোকা ঃ নৈৰ দুই পাৰ উপচি পৰা

বিভীষিকা (বি) ঃ আতঙ্ক, ভয়

যোৱা শতিকাৰ সপ্তম দশকৰ শেষৰ ফালে দূৰদৰ্শী সিংহ চৰকাৰে কৌটি টকা খৰচ কৰি ব্ৰহ্মপুত্ৰৰ বুকু খান্দি দ কৰিবলৈ দুখন বিশাল ড্ৰেজাৰ কিনি আনিছিল; কিন্তু ৰাজনৈতিক বাতাৱৰণৰ সলনি হোৱাৰ ফলত আৰু কাৰিকৰী আৰু অৰ্থনৈতিক সম্বলৰ অভাৱত পিছৰ অসম চৰকাৰে এই ড্ৰেজাৰ দুখনৰ সদ্‌উপযোগ কৰিব নোৱাৰিলে। তাৰ ফলত দুখীয়া ৰাইজৰ তেজক পানী কৰি হাড়ক মাটি কৰি ঘটা ধন পানীত পৰিল।

খৰাং বতৰ আৰু বানপানী এই জ্বলন্ত সমস্যা দুটাৰ সমাধান বহুলাংশে ৰাইজৰ

হাতত্তেই আছে। আমি গছ-গছনি, হাবি-বন সংৰক্ষণত চকু দিব লাগে। পৰ্বত-পাহাৰত গছ-গছনি কাটি উদং কৰা ঠাইবোৰত পুনৰ বৃক্ষ ৰোপণ কৰাৰ কাৰণে আমি ৰাজহুৱাভাৱে পদক্ষেপ গ্ৰহণ কৰিব পাৰোঁ। দুৰ্নীতি পৰায়ণ বন-বিষয়া আৰু দুষ্ট ৰাজনৈতিক নেতাই যাতে ধনৰ লোভত অধে-মধে গছ-গছনি চোৰাং কাৰবাৰীৰ হাতত অৰ্পণ নকৰে তাৰ প্ৰতিও ৰাইজে সতৰ্ক দৃষ্টি ৰাখিব লাগে। এটা চৰকাৰী পৰিসংখ্যামতে চৰকাৰে স্বীকাৰ কৰিছে যে আমাৰ দেশত বছৰি এক নিযুত হেক্টৰ বনাঞ্চল কমি আহিছে। এনে অৱস্থা হ'লে প্ৰকৃতিৰ ৰাজ্যত বিশৃংখলাই দেখা নিদিবনে? নিশ্চয় দিব। সেয়ে, সময় থাকোতে ৰাইজ সজাগ হ'ব লাগে।

আমি পৰ্বত-পাহাৰৰ মাটি কটাতকৈ যদি ব্ৰহ্মপুত্ৰৰ বালিৰে আমাৰ ঘৰৰ ভেটি বান্ধো, দ ঠাই পোতো, ৰাস্তা বান্ধো তেনেহ'লে, এই নদীৰ তলি ভাগ কিছু পৰিমাণে হ'লেও দ হ'ব। প্ৰকৃতিৰো ভাৰসাম্য ৰক্ষা পৰিব।

## 27.2.5 আলোচনা

বছৰৰ কোনো কোনো মাহত খৰাং বতৰ, আনফালে আহাৰ শাওন মাহৰ উপৰি ভাদ, আহিন মাহতো বানপানী হৈ মানুহ আৰু জীৱ-জন্তুৰ প্ৰাণ হানি হৈছে। হাজাৰ হাজাৰ হেক্টৰ মাটিৰ খেতি বানপানীয়ে ধুই পখালি নিছে।

অধে-মধে গছ-গছনি কাটি পৰ্বত-পাহাৰ টকলা কৰাটো বানপানীৰ এটা কাৰণ। ১৯৫০ চনৰ ভূমিকম্পত ব্ৰহ্মপুত্ৰৰ তলিভাগ ওপৰলৈ উঠি অহা বানপানীৰ অন্যতম কাৰণ। আনহাতে যোৱা শতিকাৰ পঞ্চম দশকৰ পৰা ব্যাপকভাৱে আৰম্ভ কৰা মথাউৰি নিৰ্মাণ কৰাত নদীসমূহৰ পলস বাহিৰলৈ ওলাই যাব নোৱাৰি নদীৰ তলিত জমা হোৱাত নদীৰ তলিভাগ ওপৰলৈ উঠি আহিছে। সেয়ে অলপ বৰষুণতে বানপানীৰ সৃষ্টি হয়। বানে মথাউৰি ভাঙি জনসাধাৰণক বিপদত পেলায়।

যোৱা শতিকাৰ সপ্তম দশকৰফালে শৰৎ চন্দ্ৰ সিংহ মুখ্যমন্ত্ৰী থকা কালৰ চৰকাৰে দুখন ড্ৰেজাৰ কিনি আনি ব্ৰহ্মপুত্ৰৰ বুকুখান্দি দ কৰাৰ যি প্ৰচেষ্টা লৈছিল সিও পাছৰ ফালে ব্যৰ্থ হ'ল। ড্ৰেজাৰ দুখনৰ সদ্ব্যৱহাৰ কৰিব নোৱাৰাত ৰাইজৰ ধন পানীত পৰে।

খৰাং বতৰ আৰু বানপানী এই জ্বলন্ত সমস্যা দুটা আমি চেষ্টা কৰিলে কিছুপৰিমাণে সমাধান কৰিব পাৰোঁ। আমি গছ-গছনি; হাবি-বন সংৰক্ষণত চকু দিব লাগে। পৰ্বত-পাহাৰ, গছ-গছনি কটা ঠাইত পুনৰ বৃক্ষ ৰোপণ কৰিব লাগে। দুৰ্নীতি

পৰ্য়ায়ণ বন-বিষয়া আৰু দুষ্ট ৰাজনৈতিক বিষয়াই যাতে ধনৰ লোভৰ গছ-গছনি চোৰাং ব্যৱসায়ীৰ হাতত অৰ্পণ কৰিব নোৱাৰে তাৰ বাবে ৰাইজে চোকা নজৰ দিব পাৰে।

পৰ্বত-পাহাৰৰ মাটি কটাতকৈ যদি ব্ৰহ্মপুত্ৰৰ বালিৰে আমাৰ ঘৰৰ ভেটি বান্ধা, বাট-পথ সজা, দ ঠাই পোতা কাম কৰোঁ, তেনেহ'লে নদীৰ তলি কিছু পৰিমাণে দ হ'ব। প্ৰকৃতিৰো ক্ষয়-ক্ষতি নহ'ব।

## 27.2.6 পাঠ ভিত্তিক প্ৰশ্নাৱলী

৫। বানপানীৰ পিছত সাধাৰণতে কেনে বিপৰ্যয় হয়?

৬। নদীসমূহৰ পলস বাহিৰলৈ ওলাই যাব নোৱৰাৰ কাৰণ কি বুলি ভাবা?

৭। খৰাং বতৰ আৰু বানপানী— এই জলন্ত সমস্যা দুটাৰ সমাধান বহুলাংশে কাৰ হাতত আছে?

৮। এটা চৰকাৰী পৰিসংখ্যামতে আমাৰ দেশত বছৰি কিমান হেক্টৰ বনাঞ্চল অবৈধভাৱে কটা যায়।

## 27.3 মূল পাঠৰ সাৰাংশ

খৰাং বতৰ আৰু বানপানীৰ সমস্যা এদিনীয়া নহয়, এই সমস্যা যুগ যুগ ধৰি চলি আহিছে। কিন্তু বৰ্তমানৰ খৰাং বতৰ আৰু বানপানী বহু পৰিমাণে মানুহে সৃষ্টি কৰিছে। ইয়াৰ জ্বলন্ত নিদৰ্শন আফ্ৰিকাৰ ইথিয়পিয়া। মানুহে জধে-মধে গছ-গছনি কটাৰ ফলত ইথিয়পিয়াত বৰষুণ নহৈ খৰাং বতৰ হোৱাত হাজাৰ হাজাৰ মানুহ অনাহাৰত মৃত্যু মুখত পৰিছে। আমাৰ ইয়াতো ইথিয়পিয়াৰ দৰে ঘটনা ঘটাৰ উপক্ৰম হৈছে। হোৱাই-নোহোৱাই মানুহে গছ-গছনি কাটিছে, পাহাৰ কাটিছে, পৰ্বতৰ শিল ভাঙি আনি পৰ্বতৰ অৱক্ষয় ঘটাইছে। তাৰ ফলত প্ৰতিকূল ভৌগোলিক পৰিৱেশ সৃষ্টি হৈছে। মৌচুমী বতাহৰ প্ৰৱাহত বাধা সৃষ্টি হোৱা নাই। ইয়াৰ ফলত একেবাৰে বৰষুণ নহৈ খৰাং বতৰ হৈছে, নতুবা সময় অসময় নোহোৱাকৈ বৰষুণ হৈ বানপানীৰ সৃষ্টি হৈছে। আজিক-কালি ভাদ আহিন মাহতো বানপানী হয়।

প্ৰতিকূল (বিশ) : অনিষ্টকাৰী

বানপানী হোৱাৰ অন্য কাৰণ ১৯৫০ চনৰ ভূমিকম্পত ব্ৰহ্মপুত্ৰৰ তলিভাগ

ওপৰলৈ উঠি অহা আৰু মথাউৰি সজাত নদীৰ পলস বাহিৰলৈ ওলাই যাব নোৱাৰি নদীৰ গৰ্ভত জমা হৈ নদীৰ তলি ওপৰলৈ উঠি অহা।

খৰাং বতৰ আৰু বানপানীৰ এই জ্বলন্ত সমস্যা দুটাৰ সমাধানৰ উপায় কিছুপৰিমাণে ৰাইজৰ হাততে আছে। আমি গছ-গছনি, হাবি-বন সংৰক্ষণত চকু দিব লাগে। পৰ্বত পাহাৰত গছ-গছনি কটা ঠাইত বৃক্ষৰোপণ কৰিব লাগে। পৰ্বত-পাহাৰৰ মাটি কটাতকৈ ব্ৰহ্মপুত্ৰৰ বালিৰে ঘৰৰ ভেটি বন্ধা, বাট পথ সজা, দ-ঠাই পোতা কাম কৰিলে নদীৰ তলি কিছুপৰিমাণে দ হ'ব। প্ৰকৃতিয়ো ভাৰসাম্য ৰ'ব।

## 27.4 সাধাৰণ অনুশীলনী

৯। কৃষক সমাজ ক্ষতিগ্ৰস্ত হ'লে সমস্ত দেশবাসীৰ অৱস্থা কেনে হয় তাৰ বৰ্ণনা দিয়া।

১০। কি কাৰণে বৰ্তমান প্ৰতিকূল ভৌগোলিক পৰিবেশ সৃষ্টি হৈছে লিখা।

১১। এই পাঠটোৰ সহায়ত বানপানী হোৱাৰ কাৰণ প্ৰদৰ্শন কৰা।

১২। অসমৰ বানপানীৰ সমস্যা সমাধানৰ অন্য কিবা উপায় তুমি জনাত আছেনে?

১৩। বাতৰি কাকতৰ সম্পাদকীয় পঢ়াৰ উদ্দেশ্য কি লিখা?

## 27.5 খণ্ডবাক্য আৰু জতুৱা ঠাঁচ

তলৰ খণ্ড-বাক্য আৰু জতুৱা ঠাঁচ কেইটাৰ অৰ্থ দিয়া আছে। সেই অৰ্থৰ প্ৰতি দৃষ্টি ৰাখি খণ্ডবাক্য আৰু জতুৱা ঠাঁচ কেইটিৰে একোটা বাক্য ৰচনা কৰা ঃ

মনেখনা পুখুৰীত পানী খা (কল্পনা কৰি ঠিক সময়মতে ফল নাপাব)

কক্‌বকাই থাক (উপায় বিচাৰি উপায় নাপা)

কঁকাল ভাঙ ( দুৰ্বল কৰ)

জেঠুৱা খৰ (জেঠমাহত হোৱা প্ৰখৰ খৰ)

ন দি ক (ডাঠি ক)

তেজক পানী হাড়ক মাটি কৰা (বহুত পৰিশ্ৰম কৰা )

## 27.6 চমু প্ৰশ্নৰ উত্তৰ সংকেত

১। জেঠুৰা খবৰ কথা সকলোৰে বিদিত।

২। বৰ্তমান খৰাং বতৰ আৰু বানপানীৰ নিৰ্দ্দিষ্ট মাহ নাই।

৩। বৰ্তমানৰ খৰাং বতৰ আৰু বানপানী বহুপৰিমাণে মানুহৰ সৃষ্টি।

৪। জধে-মধে গছ-গছনি কটাৰ ফলত আফ্ৰিকাৰ ইথিয়পিয়াত বৰষুণ নোহোৱা হৈছে।

৫। বানপানীৰ পিছত সাধাৰণতে মহামাৰী আৰু দুৰ্ভিক্ষত শ শ মানুহ, গৰু-ম'হ মৃত্যু মুখত পৰে।

৬। মথাউৰি প্ৰকল্পৰ ফলত ব্ৰহ্মপুত্ৰকে আদি কৰি নদীসমূহৰ পলস বাহিৰলৈ যাব নোৱাৰে।

৭। খৰাং বতৰ আৰু বানপানী এই জ্বলন্ত সমস্যা দুটাৰ সমাধান বহুলাংশে ৰাইজৰ হাতত আছে।

৮। এটা চৰকাৰী পৰিসংখ্যা মতে আমাৰ দেশত বছৰি এক নিযুত হেক্টৰ বনাঞ্চল অবৈধভাৱে কাটে।

৯ নম্বৰৰ পৰা ১৩ নম্বৰ প্ৰশ্নৰ উত্তৰ তুমি নিজে কৰা।

## 27.7 অতিৰিক্ত পঠন উপদেশ

তুমি এই পাঠৰ সম্পাদকীয় পঢ়ি নিশ্চয় উপকৃত হৈছা আৰু সম্পাদকীয় পঢ়িবলৈ মন গৈছে। সেয়ে, তুমি নিয়মমতে বাতৰি কাকত আৰু আলোচনীৰ সম্পাদকীয় পঢ়িবলৈ অভ্যাস গঢ় দি ল'বা।

## 27.8 ছাত্ৰ-ছাত্ৰীক প্ৰশ্ন কৰিবলৈ দিয়া সংকেত

তোমাৰ মনত সম্পাদকীয় পঠনৰ বিষয়ে বিভিন্ন প্ৰশ্ন উঠিব পাৰে। সেই বিষয়ে কিবা জানিবলৈ যদি ইচ্ছা কৰা আমালৈ লিখিব পাৰা।

গোট 28

# কম্পিউটাৰ

সংগৃহীত

## 28.1 পাতনি আৰু উদ্দেশ্যাৱলী

এইটি বিজ্ঞান বিষয়ক পাঠ। বৰ্তমান বিজ্ঞানৰ শেহতীয়া আৰু উৎকৃষ্ট অৱদান 'কম্পিউটাৰ' বা 'স্বয়ংক্রিয় গণনযন্ত্র'ৰ ওপৰত লিখা। আমাৰ সাধাৰণ পাঠ্যপুথিবোৰত বিজ্ঞান বিষয়ক জ্ঞান দানৰ বাবে উদাসীন মনোভাৱ থকা দেখা যায়। প্ৰত্যেক ব্যক্তিয়ে লওঁ বুলিও বিজ্ঞানৰ জ্ঞান অৰ্জন কৰাৰ সুবিধা বা সুযোগ নাপাবও পাৰে। গতিকে সাধাৰণ পাঠ্যক্ৰমৰ জৰিয়তে দৈনন্দিন জীৱনত প্ৰয়োজন হোৱা বিজ্ঞান-সম্বন্ধীয় কিছু জ্ঞানৰ ধাৰণা দিয়াটো উচিত। এই উদ্দেশ্য আগত ৰাখি এই পাঠটো অন্তৰ্ভূক্ত কৰা হৈছে।

এই পাঠটি পঢ়াৰ পিছত তুমি জানিবলৈ পাবা

- কম্পিউটাৰ নামক যন্ত্ৰটি কেনেদৰে নিৰ্মিত হয়,
- বৰ্তমান অভিনৱ যন্ত্ৰটিয়ে আমাক কেনে ধৰণে সহায় কৰে,
- এই যন্ত্ৰটিৰ ব্যৱহাৰে কেনেকৈ আমাৰ কাৰ্যক্ষমতা বঢ়াই তোলে,
- আহিব ধৰা দিনবোৰত কম্পিউটাৰ কেনেভাৱে অপৰিহাৰ্য;
- বিজ্ঞান বিষয়ক ৰচনাৰ ভাষা আৰু ৰচনাশৈলীৰ জ্ঞান লাভ

এই পাঠটিত আমি কম্পিউটাৰৰ বিষয়ে অধ্যয়ন কৰিমহঁক। ই এটি বিজ্ঞান বিষয়ক পাঠ। পঠনৰ সুবিধাৰ বাবে আমি ইয়াক দুটা ভাগত ভাগ কৰি লওঁহক।

এতিয়া পাঠৰ প্ৰথমভাগ পঢ়ি চাওঁহক।

## 28.2 মূল পাঠ

### 28.2.1 মুদ্রিত প্ৰতিলিপিৰ প্ৰথমভাগ

বহুল (বিণ) ঃ সৰহ, ব্যাপক

তুমি হয়তো ৰেল আবক্ষণ কেন্দ্ৰত, বেংকত আৰু অন্যান্য কাৰ্য্যালয়ত 'কম্পিউটাৰ' নামৰ যন্ত্ৰটিৰ বহুল প্ৰচলন দেখিবলৈ পাইছা। ই বিজ্ঞানৰ অভিনৱ আবিষ্কাৰ। ই মানুহৰ সময় তথা শ্ৰম লাঘৱ কৰে।

ৰবট (বি) ঃ মানৱ আকৃতিৰ যন্ত্ৰ বিশেষ

আজিৰ পৰা প্ৰায় ৬০।৭০ বছৰ আগতে ভাৰতৰ মানুহে কল্পনাও কৰিব পৰা নাছিল যে — অনুগত ভৃত্যৰ দৰে আদেশ মানি কাম কৰা 'ৰবট' অৰ্থাৎ 'যন্ত্ৰ মানৱ' এদিন আবিষ্কাৰ হ'ব। তাৰ পিছতেই প্ৰযুক্তি বিদ্যাৰ আশ্চৰ্য্যজনক অৱদান হ'ল ই 'যন্ত্ৰ মস্তিস্ক অৰ্থাৎ 'স্বয়ং ক্ৰিয় গণন যন্ত্ৰ' বা কম্পিউটাৰ। ই প্ৰকৃততে মানৱ মস্তিস্কতকৈ বহু গুণে শক্তিশালী।

#### উদ্ভাৱন আৰু বিকাশ

১৮ শ শতিকাৰ ৩য় দশকত কম্পিউটাৰ উদ্ভাৱনাৰ সংকেত দিয়াৰ গৌৰৱ অৰ্জন কৰে বৃটিছ গণিতবিদ্ চাৰ্লছ বেবেজে। এই মহান বিজ্ঞানী গৰাকীয়ে পৰিকল্পনা কৰা গণনযন্ত্ৰটোৰেই পৰবৰ্তীকালত আধুনিক কম্পিউটাৰৰ ৰূপ পৰিগ্ৰহণ কৰে।



পিছত বিজ্ঞানীসকলে তেওঁৰ পৰাই অনুপ্ৰেৰণা লাভ কৰে। সেই হেতুকে চাৰ্লছবেবেজকে কম্পিউটাৰৰ জনক বুলি কোৱা হয়। প্ৰায় এক শতাব্দীৰ পিছত ইলেক্ট্ৰনিক আৰু প্ৰযুক্তিবিদ্যাৰ সেতু -বন্ধনৰ ফলত মানৱজাতিয়ে লাভ কৰিলে আধুনিক কম্পিউটাৰ। মানুহৰ মগজুৰ যিখিনি কৰাৰ ক্ষমতা আছে, বৰ্তমান কম্পিউটাৰে তাতকৈ শ শ গুণ বেছি কৰিব পাৰে, তাকো অতিশয় দ্ৰুতগতিত।

## কম্পিউটাৰৰ ভাগ

কম্পিউটাৰৰ প্ৰধান অংশ তিনিটা, সেইবোৰ হ'ল—

নিমিষ (বি) ঃ চকুৰ পলকতে

(ক) কেন্দ্ৰীয় সংসাধন গোট (Central Processing Unit) বা কেন্দ্ৰীয় প্ৰস্তুতকাৰী গোট (C P U)

(খ) নিৰিষ্ট নিগম গোট (Input-Output Unit) বা বিতৰণ গোট

(গ) স্মৃতি (Memory)

কেন্দ্ৰীয় প্ৰস্তুতকাৰী গোটটোৱে মগজুৰ দৰে কাম কৰে। ই প্ৰদত্ত সকলো তথ্য সংৰক্ষণ কৰিব পাৰে, তথ্যৰ যোগ-বিয়োগ কৰিব পাৰে, প্ৰদত্ত তথ্যৰ সহায়ত নতুন তথ্য প্ৰস্তুত কৰিব পাৰে।

ইয়াৰ কাৰ্য্যপ্ৰণালীক আকৌ তিনিটা শাখাত ভাগ কৰিব পাৰি ঃ

- ◆ তথ্য সংগ্ৰহ বা স্মৰণ কেন্দ্ৰ (Memory)
- ◆ নিয়ন্ত্ৰণ গোট (Control Unit)
- ◆ গাণিতিক বা যুক্তি সম্পৰ্কীয় গোট (Arithmatical or Logical Unit)

প্ৰথম শাখাটোৱে সংগৃহীত তথ্য সংৰক্ষণ কৰে.

দ্বিতীয় শাখাটোৱে ইয়াৰ কাৰ্য্য প্ৰণালীবোৰ সামগ্ৰীক ভাৱে নিয়ন্ত্ৰণ কৰে।

তৃতীয় গাণিতিক ভাগটোৱে হিচাপ-নিকাচ, হৰণ-পূৰণ, যোগ-বিয়োগ আদি যুক্তি আৰু গণিত সম্পৰ্কীয় গণনাবোৰ কৰে। ই তথ্যক নানা ধৰণৰ তালিকাত ভৰাব পাৰে। ইয়াক যদি বহুতো শব্দ সানমিহলিকৈ দিয়া হয়, ই মুহূৰ্তৰ ভিতৰতে সেইবোৰ

আভিধানিক ক্ৰমত সজাব পাৰে। ই শব্দবোৰ ভাঙি মূল আৰু বিভক্তি বেলেগ কৰিব পাৰে।

কাৰ্য্যসূচী আৰু তথ্য সামগ্ৰীবোৰ কামত লগাবৰ বাবে কম্পিউটাৰত এখন 'কী ব'ৰ্ড'(Key board) থাকে। এই 'কী ব'ৰ্ড' বা ছাবি ফলকখন 'মুদ্ৰালিখন যন্ত্ৰ'ৰ ছাবিফলকৰ নিচিনা, তাত থকা ছাবিবোৰতকৈ ইয়াত আন কিছুমান অতিৰিক্ত ছাবিও থাকে। যিবোৰ যাৱতীয় কাৰ্য্যলৈ কম্পিউটাৰে কামবোৰ কৰে, তাক 'তথ্য' (Data) আৰু যি ক্ৰমবিন্যাস পদ্ধতিত কামবোৰ কৰে, তাক "প্ৰোগ্ৰাম' (Program) বোলা হয়।

মহাজগতিক (বিণ) ঃ বিশ্ব-ব্ৰহ্মাণ্ড

কম্পিউটাৰে দুই প্ৰকাৰে তথ্য যোগান ধৰে। মুদ্ৰালিখন যোগে অথবা চাৰিচুকীয়া ফলক (Floppy) এখনত পূৰ্বতে লিপিবদ্ধ বিষয়বস্তু চি পি ইউ লৈ স্থানান্তৰিত কৰি বা তাত নকল কৰি। এইখিনিতে এটা কথা হ'ল— কম্পিউটাৰ চলাবলৈ হ'লে অবিৰত বিজুলী শক্তিৰ সৰবৰাহ লাগে। কিন্তু বিজুলী সৰবৰাহ ক্ষন্তেকৰ কাৰণেও ব্যাহত হ'লেও ইয়াত ভৰাই থোৱা সকলো তথ্য মচ খাই যায়। গতিকে ইয়াক চলাবলৈ হ'লে বিজুলি ক্ষমতা সাঁচি ৰাখিব পৰা যন্ত্ৰ (U P S) এটাৰ লগত ইয়াক সংযোগ কৰি ৰাখিব লাগে। বিজুলী সৰবৰাহ বন্ধ হ'লে ব্যৱহাৰকাৰীয়ে ততালিকে 'সংৰক্ষণ কৰ' (Save) নামৰ ছাবি ঘূৰাই তথ্য সংৰক্ষণ কৰিব পাৰে।

## 28.2.2 আলোচনা

এতিয়া এই পাঠাংশখিনি কিছু আলোচনা কৰি হৃদয়ংগম কৰিবলৈ চেষ্টা কৰোঁহক।

বৈজ্ঞানিক অগ্ৰগতিত কম্পিউটাৰে এখন আসন দখল কৰি আছে। কম্পিউটাৰে কাম-কাজ তুলনাহীন ভাৱে ক্ষিপ্ৰ গতিত সমাধা কৰে। বৰ্তমান প্ৰগতি আৰু প্ৰতিযোগিতাৰ দিনত যিমান পাৰি সোনকালে কাৰ্য্য সম্পাদন কৰাৰ বাবে কম্পিউটাৰৰ ব্যৱহাৰ অপৰিহাৰ্য্য হৈ পৰিছে। মূলবস্তু চি পি ইউটো এটা বাকচৰ দৰে। ইয়াৰ লগত টি ভি চেটৰ নিচিনা একোটা বাকচ সংযোগ কৰা থাকে। ইয়াক 'মনিটৰ' বোলে। ইয়াৰ পৰ্দাত কম্পিউটাৰত সংৰক্ষিত তথ্যবোৰ এটা এটাকৈ চাব পাৰি। সেইটো আকৌ এখন 'কী বৰ্ড' বা ছাবি ফলকৰ লগত সংযোগ কৰা থাকে। ইয়াত থকা কিছুমান বুটামৰ দৰে ছাবিৰ দ্বাৰা কম্পিউটাৰ সঞ্চালিত কৰি কাৰ্য্য সম্পাদন কৰা হয়। তাৰ উপৰি 'মাউছ' নামৰ সৰু চালক হাত যন্ত্ৰৰদ্বাৰাও কম্পিউটাৰৰ কাম-

কাজ চলাব পাৰি। কম্পিউটাৰ চলাবৰ কাৰণে বিজুলী সৰবৰাহ অপৰিহাৰ্য্য। বিজুলী সংৰক্ষণ কৰিবৰ বাবে বিজুলী সংৰক্ষণ (U P S) বাকচ এটাও সদায় কম্পিউটাৰত সংযোগ কৰি ৰাখিব লাগে।

## 28.2.3 প্ৰথম পাঠভাগৰ প্ৰশ্নাৱলী

এতিয়া এই পাঠাংশখিনিৰ কিছু প্ৰশ্নালোচনা কৰি নিজৰ প্ৰগতি পৰীক্ষা কৰি চোৱাহঁক।

১। বিজ্ঞানৰ জয়যাত্ৰা কেতিয়াৰ পৰা সূচনা হয় বুলিব পাৰি?

২। কম্পিউটাৰ উদ্ভাৱক কোন?

৩। কম্পিউটাৰৰ মূলভাগ কেইটা আৰু কি কি?

৪। কম্পিউটাৰ চলাবৰ কাৰণে কি কি লাগে?

৫। কম্পিউটাৰৰ সহায়ত কি কি কাম কৰিব পাৰি?

## 28.2.4 মূল পাঠ

## মুদ্ৰিত প্ৰতিলিপিৰ দ্বিতীয় ভাগ

বৰ্তমান তথ্যপ্ৰযুক্তি বিদ্যা ব্যাপক প্ৰয়োগৰ সময়ত কম্পিউটাৰ এটা এৰাব নোৱাৰা আহিলা। 'কম্পিউটাৰ'ক মানৱ সমাজৰ এক নিৰ্ভৰযোগ্য বন্ধু আখ্যা দিব পাৰি। বাবে বাৰে কৰিবলগীয়া সংখ্যা গণনা, তথ্য সংগ্ৰহ আৰু তথ্য গণনা কামত কম্পিউটাৰৰ ব্যাপক প্ৰয়োগ হ'ব ধৰিছে। ই মানুহক বাৰে পতি কৰিবলগীয়া আমনিদায়ক কামৰ পৰা অব্যাহতি দিয়ে। কম্পিউটাৰৰ কাৰ্য্যবিধি মানুহৰ মগজুতকৈ দ্ৰুত আৰু নিৰ্ভুল। ই বৃহৎ বৃহৎ সংখ্যাৰ অংক নিমিষতে সমাধান কৰিব পাৰে। আগতে কম্পিউটাৰত ভৰাই থোৱা অজস্ৰ শব্দ বা তালিকাৰ পৰা প্ৰয়োজনীয় শব্দটো বা তথ্যটো তৎক্ষণাৎ বিচাৰি উলিয়াব পাৰি। শিল্পোদ্যোগসমূহৰ উৎপাদনৰ পৰিকল্পনা কৰিবলৈ ধৰিছে। শিক্ষাৰ ক্ষেত্ৰত যি ব্যাপক প্ৰয়োগ হৈছে সেয়া বৰ্ণনাতীত। উদাহৰণ স্বৰূপে পুথিভঁড়ালত অসংখ্য কিতাপ-আলোচনী আদি থাকে। কিতাপবোৰ বহুদিন হৈ গলে নষ্ট হয় বা সেইবোৰ চোৱা-চিতা কৰিবৰ বাবে যথেষ্ট ধনৰ আৱশ্যক হয়।

কিন্তু কম্পিউটাৰ যোগে **কিতাপসমূহ লিপিবদ্ধ কৰি** সময়, ঠাই, ধন অপচয়ৰ পৰা হাত সাৰি চলিব পাৰি। **পুথিভঁড়ালৰ কোনখন** কিতাপ কোন থাকত আছে, তাৰ লিখক, প্ৰকাশক কোন, কেতিয়া প্ৰকাশিত, তাত কি কি বিষয় আছে, কিতাপখনৰ মূল্য কিমান ইত্যাদি কথা কম্পিউটাৰৰ বুটাম টিপিলেই 'মনিটৰ'ত ভাহি উঠে। তদুপৰি ডাঙৰ আৰু দুষ্প্ৰাপ্য গ্ৰন্থসমূহ 'Compact Disk'ত (C.D.) সংৰক্ষণ কৰিব পাৰি।

কম্পিউটাৰ যোগে ইয়াত থাকি পৃথিবীৰ যিকোনো ঠাইলৈকে অতি কম খৰচতে তৎক্ষণাৎ চিঠি প্ৰেৰণ কৰিব পাৰি। এনেধৰণৰ ব্যৱস্থাক 'ই-মেইল' বোলা হয়। ঠিক একেদৰে বেংক, বেপাৰ - বণিজৰ ক্ষেত্ৰতো 'ই-কমাৰ্ছ'ৰ দ্বাৰা উপভোক্তাসকল অতিটক উপকৃত হৈছে। পৰিবহন ব্যৱস্থাত বিশেষকৈ ৰেলৰ আসন আৰক্ষণ আদিৰ ক্ষেত্ৰত কম্পিউটাৰৰ কাৰ্য্য চমকপ্ৰদ। যিকোনো ঠাইৰ পৰা যিকোনো ঠাইলৈকে অৰ্থাৎ আমি আজি গুৱাহাটী ৰেল আৰক্ষণ কেন্দ্ৰতে দিল্লী, মুম্বাই, পুৰী, চেন্নাই **আদিৰ বাবে আসন** সংৰক্ষণ কৰি ৰেলত ফুৰিব পাৰো। ইয়াৰ উপৰিও আমোদ-**প্ৰমোদ, মহা**জাগতিক কাৰ্য্যসম্পাদন অৰ্থাৎ ৰকেট নিক্ষেপণ, প্ৰতিৰক্ষা ব্যৱস্থা, **দৈনন্দিন** ঘৰুৱা কাম-কাজ, বিজ্ঞানৰ ব্যৱস্থা, বিভিন্ন ধৰণৰ অপৰাধী বিচাৰি উলিওৱা কাৰ্য্য, ছপাশালৰ ছপাৰ কাম আদি কম্পিউটাৰৰ সহায়ত অনায়াসে আৰু নিয়াৰিকৈ কৰিব পাৰি। অতি সূক্ষ্ম যান্ত্ৰিক কাম-কাজো আজি কম্পিউটাৰৰ সহায়ত কৰিব পৰা যায়। চিকিৎসাৰ ক্ষেত্ৰতো ইয়াৰ গুৰুত্ব অপৰিসীম। সূক্ষ্মাতিসূক্ষ্ম পৰীক্ষা-নিৰীক্ষা ইয়াৰ সহায়ত কৰাহয়। ইয়াৰ উপৰিও শৈল্য চিকিৎসা কক্ষত ৰোগী শুৱাই থৈ 'ইনটাৰনেট'ৰ যোগে বিদেশী বিশেষজ্ঞৰ লগত আলোচনা কৰি আনকি ৰোগীৰ ৰঞ্জন ৰশ্মিৰ চিত্ৰপট (X-RAY) প্ৰদৰ্শন কৰি, সুকলমে অস্ত্ৰোপচাৰ সম্পূৰ্ণ কৰিব পৰা হৈছে। বাতৰি কাকতত প্ৰায়ে পঢ়িবলৈ পোৱা যায় যে - কেনেদৰে ইনটাৰনেটৰ যোগে **কৰা পৰামৰ্শৰ ফলত** মৃতপ্ৰায় ৰোগী ভুল চিকিৎসাৰ পৰা ৰক্ষা পৰে। তদুপৰি কৃষি পদ্ধতিৰ উন্নতি সাধনৰ ক্ষেত্ৰতো কম্পিউটাৰৰ ভূমিকা লেখত লবলগীয়া। গতিকে দেখাগৈছে যে কম্পিউটাৰে আজি সৰ্বত্ৰই অপ্ৰতিৰোধ্য আধিপত্য বিস্তাৰ কৰি অদ্বিতীয় আসন লাভ কৰিছে। সঁচাকৈয়ে, আধুনিক জীৱনত কম্পিউটাৰ এক লাগতিয়াল আহিলাই নহয় ই অপৰিহাৰ্য্য অংগস্বৰূপ হৈ পৰিছে।

## ভাৰতত কম্পিউটাৰৰ আগমন

**১৯৫৫** চনত প্ৰথমবাৰৰ বাবে কম্পিউটাৰ ভাৰতবৰ্ষত প্ৰচলন হয় আৰু **১৯৭৭** চনৰ পৰা ইয়াৰ প্ৰয়োগ ক্ৰমাৎ বৃদ্ধি পাবলৈ ধৰে। আজি-কালি ইয়াৰ প্ৰয়োগ ইমানে

বৃদ্ধি পাইছে যে — কম্পিউটাৰ যন্ত্ৰটিৰ বিভিন্ন যন্ত্ৰাংশ এতিয়া ভাৰততে প্ৰস্তুত কৰা হয়। আগতে এনে সামগ্ৰী বিদেশৰ পৰা আমদানি কৰা হৈছিল।

## বিপৰীত দৃষ্টিভংগী

সকলো বস্তুৰে ভাল-বেয়া থকাৰ দৰে কম্পিউটাৰৰো সুফল আৰু কুফল দুয়োটাই আছে। কম্পিউটাৰ মানৱ মগজুৰ বিকল্প নহয়। কম্পিউটাৰৰ নিজাববীয়াকৈ কোনো সিদ্ধান্ত লোৱাৰ ক্ষমতা নাই। পূৰ্বে অপৰিচিত বা আগতে জমা নকৰা কোনো বিষয়তে কম্পিউটাৰে সহায় কৰিব নোৱাৰে। এটা কম্পিউটাৰে একে সময়তে বহুলোকৰ কাম অতি কম সময়ৰ ভিতৰত সম্পাদন কৰিব পাৰে। তাৰ ফলত চৰকাৰী আৰু বেচৰকাৰী উভয়খণ্ডৰ কাৰ্য্যালয়ত মানুহৰ নিযুক্তি হ্ৰাস পাব। হিচাপ-নিকাচ, ক্ৰম নিৰ্দ্ধাৰণ, মনত পোলোৱা, বিচাৰি উলিওৱা, যুক্তিযুক্ততা দাঙি ধৰা, উত্তৰ কাকত পৰীক্ষা কৰা আদি কাম কম্পিউটাৰে কৰিবলৈ লোৱাত আমাৰ মগজুৰ তীক্ষ্ণতা ক্ৰমশঃ কমি আহিব। ইয়াৰ অধিক ব্যৱহাৰত চকুৰ বিষ, গলধনৰ বিষ, পিঠিৰ বিষ, আদি ৰোগৰ প্ৰকোপ বঢ়াব। এনে ধৰণৰ ভয়তেই হ'বলা বিংশ শতিকাৰ সপ্তম দশকত ৰেল বিভগত কম্পিউটাৰ ব্যৱহাৰ কৰিবলৈ যাওঁতে দেশজুৰি প্ৰতিবাদৰ ঢৌ উঠিছিল। কিন্তু আজি সময় সলনি হৈছে। বৰ্তমান কম্পিউটাৰৰ অশুভ ফলৰ বিষয়ে কোনো চিন্তিত নহয়। আজি কম্পিউটাৰৰ অবিহনে দৈনন্দিন জীৱন নিৰ্বাহ সম্পূৰ্ণ দুৰূহ।

## উপসংহাৰ

সভ্যতাৰ ৰথৰ চকা জানো কোনোবাই স্তব্ধ কৰিব পাৰে? আমি বিজ্ঞান নিৰ্ভৰী নতুন যুগৰ যাত্ৰী হ'ব নোৱাৰিলে আধুনিক সুখ-সম্পদ সকলো আমাৰ হস্তচ্যুত হ'ব। আধুনিক জীৱনৰ অপ্ৰতিৰোধ্য গতিয়ে কম্পিউটাৰক গ্ৰহণ কৰি ল'বই লাগিব। অন্যথা অপৰিণামদৰ্শীতাৰ বাবে ভৱিষ্যতৰ প্ৰজন্মই বৰ্তমানৰ প্ৰজন্মক কেতিয়াও ক্ষমা নকৰিব। এই দিশৰ পৰা বিচাৰ কৰি চালে দেখা যায় কম্পিউটাৰ মানৱ সভ্যতাৰ বহুমূলীয়া সম্পদহে, অভিশাপ নহয়।

## 28.2.5 আলোচনা

বৰ্তমান আধুনিক সভ্যতা যি গতিত আগবাঢ়িছে তালৈ চাই 'কম্পিউটাৰ' দৈনন্দিন ব্যৱহাৰিক কাৰ্য্যত অতি প্ৰয়োজনীয় আহিলা স্বৰূপ হৈ পৰিছে। সময় অমূল্য ধন। কম্পিউটাৰে এই মূল্যবান সময়ক যথোচিত ব্যৱহাৰ কৰিব পাৰিছে।

সকলো বস্তুৰে ভাল-বেয়া দুটা দিশ থকাৰ দৰে কম্পিউটাৰৰো দুয়োটা দিশেই আছে। কিন্তু ইয়াৰ ভাল বা লাভজনক দিশটোলৈ চাই বেয়া দিশটো তেনেই নগণ্য বা সামান্য। ই মানৱৰ কল্যাণ কাৰক সম্পদহে, বিপদ নহয়। আমি আজি কম্পিউটাৰক আদৰ কৰিব নেজানিলে আমি প্ৰগতিৰ জখলা বগাব নোৱাৰিম, আমাৰ উত্তৰ পুৰুষে আমাক ক্ষমা নকৰিব।

## 28.2.6 দ্বিতীয় পাঠভাগৰ প্ৰশ্নাৱলী

এতিয়া এইখিনি পাঠাংশৰ কিছু চমু প্ৰশ্ন আলোচনা কাৰি নিজৰ প্ৰগতি পৰীক্ষা কৰি চোৱাহঁক।

৬। শিল্পউদ্যোগৰ কিহৰ ক্ষেত্ৰত ই পৰিকল্পনা আৰু নিয়ন্ত্ৰণ কৰে?

৭। কোন চনত কম্পিউটাৰ ভাৰতলৈ আহে?

৮। কম্পিউটাৰে পুথিভঁৰালৰ কামত কেনে ধৰণে সহায় কৰে?

৯। যোগাযোগৰ ক্ষেত্ৰত ইয়াৰ ভূমিকা কি?

১০। চিকিৎসাৰ ক্ষেত্ৰত কম্পিউটাৰে আমাক কেনেধৰণে সহায় কৰিছে?

## 28.3 মূলপাঠৰ সাৰাংশ

বৰ্তমান কম্পিউটাৰ নেদেখা বা নাম নুশুনা মানুহ খুব কমেই ওলাব। যদিও ১৮ শ শতিকাত 'কম্পিউটাৰ' উদ্ভাৱনাৰ সূচনা হৈছিল, প্ৰকৃততে ১৯৪৭ চনতহে পৰিপূৰ্ণ কম্পিউটাৰ সাজি উলিয়ায় বা আবিষ্কাৰ হয়। যোৱা শকিতাৰ ই এক অবিস্মৰণীয় ঘটনা। 'কম্পিউটাৰ' এটা আটোম টোকাৰীকৈ ৰখা বাকচ, যি নানা তথ্য, চিত্ৰ, ধ্বনি আদি ধৰি ৰাখিব পাৰে। ইয়াৰ লগতে যুক্ত কৰা থাকে দূৰদৰ্শনৰ দৰে বাকচ সদৃশ এটা যন্ত্ৰ। তাৰ লগত টাইপ ৰাইটাৰৰ 'কী-বৰ্ড' বা ছাবিপটা, আৰু টো অকণমান চুইছ সদৃশ যন্ত্ৰ যাৰ নাম 'মাউছ'। ইয়াক দূৰবীণৰ লগত সংযোগ কৰি 'ই-মেইল' পঠাব পাৰি বা ইনটাৰনেট চাব পাৰি। এই যন্ত্ৰৰ বিবিধ ভাগ থাকে। সেইবোৰে বিভিন্ন কাৰ্য্য সম্পাদন কৰে। অৰ্থাৎ মানুহে যোগান ধৰা তথ্যপাতিৰ সংৰক্ষণ কৰিব পাৰে আৰু বিশ্লেষণো কৰিব পাৰে। এঠাইৰ তথ্য আন ঠাইলৈ পঠাব পাৰে। গণিতৰ আৰু বাৰে বাৰে কৰিবলগীয়া আমনিদায়ক কামবোৰ ই অনায়াসে

কৰিব পাৰে। পুথিভঁৰালৰ অধ্যয়ন, আন্তৰ্জাতিক বাৰ্ত্তাপ্ৰেৰণ, যুদ্ধত ক্ষেপনাস্ত্ৰৰ দুৰত্ব লক্ষ্য নিৰ্দ্ধাৰণ আদি কামত ইয়াৰ দক্ষতা অতুলনীয়। তাৰোপৰি কম্পিউটাৰৰ কাম-কাজ মানুহতকৈ শুদ্ধ আৰু ক্ষিপ্ৰ। অৱশ্যে কম্পিউটাৰে নিৰনুৱাৰ সৃষ্টি কিছু কৰিব পাৰে অথবা দুই-এটা ৰোগৰো কাৰণ হ'ব পাৰে। কিন্তু ইয়াৰ অপকাৰৰ তুলনাত উপকাৰেই বেছি। সেয়ে ই মানৱৰ সম্পদহে, অভিশাপ নহয়।

## 28.4 চমুটোকা

**ই-মেইল (E-mail)**:-'ই-মেইল' যোগে পৃথিৱীৰ যিকোনো দিশত চিঠি, চুক্তি আদিৰ আদান-প্ৰদান অতি সোনকালে, কম খৰচতে যোগান ধৰাৰ ব্যৱস্থা কৰিব পাৰে এই 'ই-মেইল' ব্যৱস্থাৰ বাবে কম্পিউটাৰ অপৰিহাৰ্য্য।

**ই-কমাৰ্ছ (E-Commerce)**:-তথ্য-প্ৰযুক্তি বিদ্যাই কঢ়িয়াই অনা এক অভিনৱ বিপ্লৱ। এই বিপ্লৱ মুক্ত প্ৰতিযোগিতামূলক অৰ্থনীতিত এক নৱতম, উজ্জ্বলতম পদক্ষেপ। নতুন শতিকাৰ অৰ্থনীতিৰ বজাৰত ইয়াৰ ভূমিকা আৰু সম্ভাৱনা প্ৰচুৰ। এই ব্যৱস্থাত এজন ক্ৰেতাই পৃথিৱীৰ যিকোনো প্ৰান্তৰ বজাৰত জনাই দিব পাৰে নিজৰ পচন্দ বা অভিৰুচি। দৰ-দামো কৰিব পাৰিব নিজৰ সামৰ্থ্য অনুযায়ী।

**কী-বৰ্ড (Key-Board) ছাবি থাপনা**:-টাইপ ৰাইটাৰ বা মুদ্ৰালিখন যন্ত্ৰৰ বৰ্ণমালাবোৰ স্প্ৰিং লগোৱা ছাবিৰ ওপৰত থাকে। প্ৰায়োজনৰ সময়ত বৰ্ণবোৰ টিপিদিলেই আখৰবোৰ কাগজত দেখা যায়। কম্পিউটাৰতো এনে ধৰণৰ ছাবি থাকে, যিটো টিপি দিলহে আখৰ বা বৰ্ণবোৰ মনিটৰত দেখা যায়।

**ইনপুট-আউটপুট (Input-Output)**:- কম্পিউটাৰত এনে ধৰণেই ব্যৱহাৰ হয়। ইংৰাজী প্ৰতিশব্দ হিচাপে আহৰণ আহিলা আৰু বিতৰণ আহিলা হিচাপে ব্যৱহাৰ কৰিব পাৰি। 'ইন পুটে' তথ্য গ্ৰহণ আৰু আউটপুটে তথ্য দৃশ্য প্ৰকাশ কৰে।

**C.D.- Compact Disc**:-সূক্ষ্মাতিসূক্ষ্মকৈ তথ্য সংৰক্ষণৰ ব্যৱস্থা। গ্ৰামফোন ৰেকৰ্ডৰ দৰে যদিও ই অতি মিহি, পাতল আৰু সৰু। এলুমিনিয়াম আৰু পাতল প্লাষ্টিকেৰে তৈয়াৰী পদাৰ্থৰ দ্বাৰা ইয়াক তৈয়াৰ কৰা হয়। সংগীতৰ বাবে ইয়াৰ বহুল ব্যৱহাৰ হয়।

**তথ্য প্ৰযুক্তি (Information Technology)**:-ই আধুনিক বিজ্ঞানৰ অবদান। কম্পিউটাৰ, টেলিকমিনিউকেশ্বন (দূৰসঞ্চাৰ- দূৰ সংযোগ) আৰু

মাইক্ৰোইলেকট্ৰনিক (সূক্ষ্ম-বৈদ্যুতিক) - এই তিনিটা বিষয় লৈ তথ্য-প্ৰযুক্তি বিভাগ।

## 28.5 সাধাৰণ অনুশীলনী

### 28.5.1 পাঠভিত্তিক অনুশীলনী

পাঠটো সম্পূৰ্ণকৈ পঢ়া হ'ল যেতিয়া গোটেই পাঠটোৰ ওপৰত কিছু প্ৰশ্ন অনুশীলনী কৰা উচিত হ'ব। তলৰ প্ৰশ্নকেইটাৰ উত্তৰ দিবলৈ যত্ন কৰাচোন।

**১২।** কম্পিউটাৰৰ চি পি ইউ আৰু মনিটৰটো দেখিবলৈ কেনেকুৱা?

**১৩।** কম্পিউটাৰ 'টাইপ ৰাইটাৰৰ নামান্তৰ' - যুক্তি- যুক্ততা বিচাৰ কৰা।

**১৪।** কম্পিউটাৰে ছাত্ৰ-ছাত্ৰীক কেনেদৰে সহায় কৰে?

**১৫।** কম্পিউটাৰৰ পৰা কেনে ধৰণৰ ৰোগ সৃষ্টি হ'ব পাৰে?

**১৬।** কম্পিউটাৰে নিবনুৱা সৃষ্টি কৰাত অৰিহণা যোগায়নে?

**১৭।** মানুহৰ চিকিৎসাত কম্পিউটাৰ কেনেধৰণৰ সহায়ক?

### 28.5.2 বোধজ্ঞানমূলক অনুশীলনী

এতিয়া তলৰ পৰিচ্ছেদটো পঢ়ি চোৱা আৰু লগত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিবলৈ চেষ্টা কৰি চোৱাচোন।

**'আধুনিক সভ্যতাৰ এই বৰ্তমান যুগটোত 'কম্পিউটাৰ' নেদেখা বা নাম নুশুনা মানুহ খুব কমেই ওলাব। যদিও ১৮ শ শতিকাত 'কম্পিউটাৰ' উদ্ভাৱনৰ সূচনা আৰম্ভ হৈছিল, প্ৰকৃততে ১৯৪৭ চনত কম্পিউটাৰৰ আবিষ্কাৰৰ যোৱা শকিতাৰ এক অবিস্মৰণীয় ঘটনা বুলিব পাৰি। 'কম্পিউটাৰ' এটা বাকচৰ সদৃশ আটক ধুনীয়া বস্তু আৰু দূৰদৰ্শনৰ বাকচ সদৃশ যন্ত্ৰৰ সমন্বয়; তাৰ লগতে টাইপ ৰাইটাৰৰ ছাবিযুক্ত যন্ত্ৰ বিশেষ সংলগ্ন থাকে। এই যন্ত্ৰৰ বিভিন্ন ভাগে বিভিন্ন কৰিবলগীয়া কাৰ্য্য সম্পাদন কৰে। অৰ্থাৎ মানুহে যোগান ধৰা তথ্যপাতিৰ সংৰক্ষণ, সেইবোৰৰ বিশ্লেষণ, ভাগে ভাগে মনত ৰখা আদি কাম কৰে। এই যন্ত্ৰই এঠাইত জমা ৰখা তথ্য প্ৰয়োজনীয় স্থানলৈ যোগান ধৰে। কম্পিউটাৰে কাম-কাজ মানুহতকৈ শুদ্ধকৈ আৰু কম সময়তে**

কৰিব পাৰে। জনৰব উঠা মতে কম্পিউটাৰে নিবনুৱাৰ সৃষ্টি কৰিব পাৰে, যদিও এই ধাৰণা ভ্ৰান্ত- ই মানৱৰ আপুৰুগীয়া সম্পদহে।

ক) কম্পিউটাৰ জনসাধাৰণে সহজতে দেখা বস্তু নে?

খ) কোন শতিকাৰ কোন চনত কম্পিউটাৰ আৱিষ্কাৰ হৈছিল।

গ) কম্পিউটাৰ দেখিবলৈ কেনেকুৱা?

ঘ) কম্পিউটাৰৰ কাম-কাজ মানুহৰ দৰে নে?

ঙ) কম্পিউটাৰে নিবনুৱাৰ সৃষ্টি কৰাৰ সম্ভাৱনা আছে নে?

চ) কম্পিউটাৰ মানুহৰ বাবে কি?

২০। তলত দিয়া প্ৰশ্নত দুটাকৈ বিকল্প উত্তৰ দিয়া আছে। তাৰে শুদ্ধ উত্তৰটো✓ চিনেৰে চিহ্নিত কৰাচোন।

ক) কম্পিউটাৰৰ প্ৰধান অংশ কেইটা?
দুটা/ তিনিটা

খ) কম্পিউটাৰে কাৰ্য্য এটা সম্পাদন কৰোঁতে কিমান সময় লয়?
এঘণ্টা/ ক্ষন্তেক সময়

গ) বিশুদ্ধ কম্পিউটাৰ কেতিয়া ওলায়?
১৯৪৭/ ১৮ শ শতিকাত

ঘ) কম্পিউটাৰ যি কৰ্ম বিন্যাসত কাম কৰে তাক
প্ৰোগ্ৰাম/ কী- বৰ্ড বোলে।

ঙ) কেন্দ্ৰীয় সংসাধন গোটটোৱে কিদৰে কাম কৰে?
মগজুৰ দৰে/ হাতৰ দৰে

## 28.5.3 বৈয়াকৰণিক অনুশীলনী

এতিয়া আহা, আমি এই পাঠটিৰ কিছু ব্যাকৰণৰ কথা আলোচনা কৰো।

**২১।** সংক্ষেপ লিখন ঃ কিছুমান কথা অযথা দীঘল নকৰি সংক্ষেপতে লিখি মনৰ ভাৱ স্পষ্টকৈ প্ৰকাশ কৰিব পাৰি। তলৰ প্ৰতিটো বাক্য সংক্ষেপতে লিখি চোৱাচোন।

ক) বৰ্তমান বিজ্ঞানৰ শেহতীয়া আৰু উৎকৃষ্ট অৱদানবোৰৰ ভিতৰত 'কম্পিউটাৰ' বা স্বয়ং ক্ৰিয় গণনযন্ত্ৰ' এক উল্লেখযোগ্য যন্ত্ৰ বিশেষ।

খ) আমেৰিকা, জাপান, ৰাছিয়া আদি দেশত একেবাৰে নিম্ন শ্ৰেণীৰ পৰাই ছাত্ৰ-ছাত্ৰীক কম্পিউটাৰৰ প্ৰয়োগ আৰু কাৰ্য্যকাৰিতাৰ জ্ঞান দান কৰে।

গ) আমাৰ প্ৰত্যেক ব্যক্তিয়ে লওঁ বুলিলেও বিজ্ঞানৰ জ্ঞান অৰ্জন কৰাৰ সুবিধা বা সুযোগ নাপাবও পাৰে।

ঘ) গতিকে সাধাৰণ পাঠ্যক্ৰমৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক দৈনন্দিন জীৱনত প্ৰয়োজন হোৱা বিজ্ঞান সম্বন্ধীয় কিছু জ্ঞানৰ ধাৰণা দিয়াটো উচিত।

**২২।** তলত দিয়া শব্দবোৰৰ ইংৰাজী বা অসমীয়া প্ৰতিশব্দ লিখি চোৱা। ইংৰাজী শব্দবোৰ লিখোতে অসমীয়া আখৰ ব্যৱহাৰ কৰিবা—

| ইংৰাজী | অসমীয়া |
|---|---|
| কী- বৰ্ড | ............... |
| .... ......... | তথ্য |
| কম্পিউটাৰ | ............... |
| ............... | কেন্দ্ৰীয় সংসাধন গোট |
| ইনপুট | ............... |
| ............... | স্মৃতি |
| আউট পুট | ............... |
| ............... | বিদ্যুত |
| টাইপ | ............... |

**২৩।** এইবাৰ কিছু শব্দ খণ্ডবাক্যত ব্যৱহাৰ কৰি বাক্য গঠন কৰি

চোৰাচোন।

স্বয়ং ক্রিয়, দ্রুত, ক্ষিপ্র, মহাজাগতিক, আমোদ-প্রমোদ, যাৱতীয়, নিয়ন্ত্রণ, যুক্তি সম্পৰ্কীয়, অৱদান, প্রজন্ম।

## 28.6 চমু প্রশ্নৰ উত্তৰ সংকেত

এইবাৰ চমু প্রশ্নৰ (১ম ২য় ভাগ) উত্তৰ সমূহ দিয়া হ'ল।

১। শিল্পবিপ্লৱৰ পাছৰ পৰাই বিজ্ঞানৰ জয়যাত্রাৰ সূচনা হয়।

২। বৃটিছ গণিতবিদ চাৰ্লছ বেবেজ।

৩। কম্পিউটাৰৰ মূলভাগ তিনিটা। সেয়া হ'ল (ক) কেন্দ্রীয় সংসাধন গোট বা কেন্দ্রীয় প্রস্তুতকাৰী গোট (খ) নিবিষ্ট নিগম গোট বা বিতৰণ গোট, (গ) স্মৃতি

৪। কম্পিউটাৰ চলাবৰ কাৰণে 'কী- ব'ৰ্ড' বিজুলী সৰবৰাহৰ প্রয়োজন হয়।

৫। কম্পিউটাৰৰ দ্বাৰা তথ্য সংগ্ৰহ কৰা, হিচাপ-নিকাচ, গাণিতিক কৰ্মৰাশি ইত্যাদি বহুতো কাম কৰিব পাৰে।

৬। শিল্প উদ্যোগৰ উৎপাদন আৰু বিতৰণ আদি সকলো কাৰ্য্যতে কম্পিউটাৰ অপৰিহাৰ্য্য।

৭। ১৯৫৫ চনত।

৮। কম্পিউটাৰে পুথিভঁৰালত থকা কিতাপ পত্রৰ হিচাপ, কিতাপৰ লিখক, প্রকাশক, প্রকাশৰ চন, তাৰিখ, মূল্য ইত্যাদিৰ কথা কম খৰচতে অৱগত কৰায়।

৯। যোগাযোগৰ ক্ষেত্রত কম্পিউটাৰে পৃথিৱীৰ যিকোনো ঠাইলৈকে অতি কম খৰচতে, কম সময়তে 'ই-মেইল'ৰ দ্বাৰা খবৰ সৰবৰাহ কৰে।

১০। চিকিৎসাৰ ক্ষেত্রত কম্পিউটাৰৰ ভূমিকা উল্লেখনীয়। সূক্ষ্মাতি-সূক্ষ্ম পৰীক্ষা-নিৰীক্ষা, শল্যচিকিৎসাৰ ক্ষেত্রত ইন্টাৰনেট যোগে চিকিৎসা সম্পাদন ইত্যাদি।

১১। কম্পিউটাৰৰ চি পি ইউটো এটা বাকচ সদৃশ্য আৰু মনিটৰটো দূৰদৰ্শনৰ

(T.V) নিচিনা।

দীঘলীয়া প্ৰশ্নোত্তৰসমূহ তোমালোকে নিজে লিখিবলৈ চেষ্টা কৰিচোৱাচোন।

**১২।** এটা ব্যাখ্যা লিখি চোৱাচোন ঃ 'কম্পিউটাৰ মানৱ জীৱনৰ সম্পদহে, বিপদ নহয়।'

## 28.7 অতিৰিক্ত পঠন উপদেশ

'কম্পিউটাৰ' বিষয়টো পঢ়ি তোমালোকে নিশ্চয় আনন্দ পাইছা। ইয়াৰ বিষয়ে বহুতো কথা জানিবলৈ মন যাব। কিয়নো ওপৰৰ পাঠত কম্পিউটাৰৰ বিষয়ে কিছু ধাৰণাহে দিয়া হৈছে। তোমালোকে কম্পিউটাৰৰ কোনো অনুষ্ঠানত ইয়াৰ বিশদজ্ঞান হাতে-কামে লাগি, অভ্যাস কৰি শিকিব পাৰিবা। তদুপৰি কম্পিউটাৰৰ ওপৰত বহুতো কিতাপ ওলাইছে, তাৰো দুই এখন পঢ়িব পাৰা। লগতে অভিজ্ঞলোকক সুধিও উপকৃত হ'ব পাৰিবা।

## 28.8 প্ৰশ্ন কৰাৰ সংকেত

পাঠটো পঢ়াৰ পাছত তোমালোকৰ মনত বহুতো প্ৰশ্ন জাগিব পাৰে। ইয়াৰ ছবি, সফলতা-বিফলতা আদিৰ বিষয়ে জানিব বিচাৰিলে আমালৈ প্ৰশ্ন সুধি পঠিয়াবা। দোকানত, নিজৰ ঘৰত বা বেংকত কম্পিউটাৰ কেনেধৰণে ব্যৱহাৰ হয় তোমাৰ জানিবৰ মন যাব পাৰে। সেই সম্পৰ্কে আমালৈ প্ৰশ্ন লিখি পঠাবা।

গোট 29

# প্ৰতিশোধ
# (গল্প)

ৰচনা ঃ মহিম বৰা

## 29.1 পাতনি আৰু উদ্দেশ্যাৱলী

চুটিগল্প সম্পৰ্কে আগৰ পাঠত ইতিমধ্যে আলোচনা কৰা হৈছে। এই পাঠত আধুনিক অসমীয়া সাহিত্যৰ এজনা প্ৰসিদ্ধ সাহিত্যিক শ্ৰীমহিম বৰাদেৱৰ গল্পএটি সন্নিবিষ্ট কৰা হৈছে। সাৰ্থক চুটিগল্পৰ অন্যতম গুণ এটি হ'ল- পাঠকৰ মনত কৌতুহল সৃষ্টি কৰা। ইয়াতো গল্পৰ আৰম্ভণিতে কেনেকৈ পাঠকৰ উৎকণ্ঠা জগাই তুলিব লাগে সেই কথা বৰাদেৱৰ গল্প পঢ়িলেই বুজা যায়। 'প্ৰতিশোধ'- এটা সামাজিক পটভূমিৰ ওপৰত লিখা চুটিগল্প। এই গল্পত সমাজত থকা ভুল ৰীতি-নীতি, হিংসা-কপটতাৰ প্ৰতি আঙুলিয়াই দি শুদ্ধ পথ গ্ৰহণ কৰাৰ অনুপ্ৰেৰণা জগোৱা হৈছে। সমাজত পূৰ্বৰে পৰা চলি থকা হিংসা-প্ৰতিহিংসা আৰু পৰিণতিৰ ছবি অংকন কৰি লিখকে এক সুদূৰ প্ৰসাৰী ভাৱ ব্যক্ত কৰিবলৈ সক্ষম হৈছে।

এই পাঠটি পঢ়িবলৈ দিয়াৰ উদ্দেশ্য হ'ল—

- ভাতৃত্ববোধ জগাই তোলা,
- ভাল-বেয়া কামৰ ফলশ্ৰুতিৰ জ্ঞান অৰ্জন কৰা,
- উপমা আৰু অলংকাৰসূচক আৰু বাক্য গাঁথনিৰ লগত পৰিচয় কৰোৱা,

আৰু

- প্ৰতীক ধৰ্মী গল্প অধ্যয়নৰ আনন্দ লাভ কৰা।

## 29.2 লেখক পৰিচিতি

**মহিম বৰা ঃ** 'ৰামধেনু' যুগত আত্মপ্ৰকাশ কৰা মহিম বৰাই অসমীয়া সাহিত্য

জগতত এখন বিশেষ আৰু সুকীয়া আসন দখল কৰিবলৈ সক্ষম হৈছে। তেওঁৰ জন্ম হৈছিল ১৯২৬ চনত দৰং জিলাত। দেউতাক গজেন্দ্র বৰা আৰু মাক চন্দ্রকান্তি বৰা। ১৯৪৮ চনত কটন কলেজৰ পৰা স্নাতক আৰু ১৯৫২ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়াত এম এ পাছ কৰে। তেওঁ ৰচনা কৰা সাহিত্যৰাজি হ'ল— কাথনি বাৰীৰ ঘাট, দেহা গৰকা প্ৰেম, বহুভূজী ত্ৰিভূজ, এখন নদীৰ মৃত্যুত বৰযাত্ৰী আদি গল্প সংকলন, হেৰোৱা দিগন্তৰ মায়া-উপন্যাস, বহুতো শিশু গ্ৰন্থ, 'চিন্তা বিচিত্ৰা' সাহিত্য বিচিত্ৰা, আদি প্ৰবন্ধ সংকলন, ৰাজা ৰামমোহন ৰায় নামৰ জীৱনী অনুবাদ আদি।

## 29.3 মূলপাঠ

### 29.3.1 মুদ্ৰিত প্ৰতিলিপিৰ প্ৰথম ভাগ

**শব্দাৰ্থ**

মোকৰ্দমা (বি) ঃ গোচৰ

সীমা মুৰলিত (বিণ) ঃ ঘৰটিৰ সীমামূৰ, সীমাৰ ওচৰত থকা মাটি

বাকযুদ্ধ (বি) ঃ তৰ্ক যুদ্ধ.

কাজিয়াখন আহি দ্বিতীয় পুৰুষতে ভৰি দিলেহি।ধৰ্মকান্ত আৰু নবেশ্বৰৰ ঘৰ গাঁৱৰ দুই মূৰত। কিন্তু বাঁহবাৰী আৰু পথাৰৰ দুবিঘা মাটি সীমা মূৰলিত। কলিকালত কলি বোলে মাটিৰ সীমাতে থাকে। তাতে ধৰ্মকান্তৰ সীমাঠেলাৰ বদনাম এটা লাগিয়ে আছে। হাতত কোবখন লৈ ধৰ্মকান্ত যেতিয়া বাঁহবাৰী তামোল-পাণৰবাৰীৰ সীমাৰ বনজাবৰ চুৰুকিবলৈ ওলাই যায়, সেইদিনা চুবুৰীয়াৰ বাৰীৰ সীমা মুৰলিৰ এক আঙুল মাটি হ'লেও নিজৰ সীমাৰ ভিতৰত সোমাই যায়। এইদৰে বছৰি ৩।৪ আঙুলকৈ সীমাত সোমোৱাৰ পিছত এদিন হয়তো একহাত সীমা সোমাই আহিল। গাঁৱৰ মানুহে প্ৰত্যেক কথাতে মগুল আনিব নোৱাৰে আৰু সিমানবিলাক জা-জঞ্জালেলৈ সোমাবও নোখোজে। সেই কাৰণে প্ৰায়ে ঈশ্বৰকে সাক্ষী মানি, নোৱাৰাত গাঁৱৰ দুই চাৰিজনক দেখুৱায় আৰু একেবাৰে অসহ্য হ'লে বাকযুদ্ধত সীমাৰ গণ্ডগোলবিলাক শেষ হয়। একেবাৰেই তেজ গৰম হোৱাৰ ক্ষেত্ৰতে মৰামৰি মুৰ-ফলাফলি হয় যেতিয়া বাঁহ-কাঠ বা কোনো মূল্যবান গছ আদি সীমা ঠেলাৰ কোবত আনজনৰ সীমাত সোমাই পৰে। নবেশ্বৰেও বহুদিন ধৰ্মক গুণি থাকিল। কিন্তু এবাৰ যেতিয়া নিজৰ সীমাৰ এহাত ভিতৰত সোমাই গ'ল তেতিয়া আৰু গা মৰমৰাই উঠিল। প্ৰথমে তৰ্কাতৰ্কি , শেষত এদিন হতাহতি, তাৰ পাছত মেল গোটোৱা আৰু অৱশেষত মগুল অনাৰ ব্যৱস্থা হ'লগৈ! ধৰ্মকান্ত অলপ চালাক-চতুৰ, কাছাৰীঘৰত প্ৰায়ে সঁচা-মিছা সাক্ষী দিয়া, হাকিম উকিলৰ লগত দেখাশুনা থকা মানুহ। মগুলক হাতকৰি লৈ অলপ ঘোচ-ঘাচ দি আমজোপাসহ প্ৰায় এহাত মাটি জোখত নিজৰ কৰি পেলালে। সাতামপুৰুষীয়া সীমা এটাক নোহোৱা কৰি নতুন সীমা এটা গজাই লোৱাতে গাঁৱৰ সকলো অবাক হ'ল। কিন্তু চৰকাৰী কথা-কি কৰে! মানি ল'বই লাগিব।

নৰেশ্বৰে কিন্তু মানি ল'ব নোৱাৰিলে। গছজোপা পৈত্ৰিক সম্পত্তি, ইমান এটা অন্যায় কিয় মানি ল'ব। গতিকে, এদিন ছেগ বুজি ধৰ্মকান্ত কাৰোবাৰ মোকৰ্দমাৰ সাক্ষী গৈ টাউনলৈ যোৱাৰ দিন এটাত গছজোপা কটাই পেলালে আৰু দুডোখৰমান ঘৰলৈও লৈ গ'ল। ধৰ্মকান্তই সাক্ষী-বাদী লৈ মোকৰ্দমা থিয় কৰালে।

নৰেশ্বৰে জীৱনত এই প্ৰথম কাছাৰীঘৰ, হাকিম-উকীল আদি বস্তুবোৰৰ পৰিচয় পালে আৰু আচামী হৈ কাছাৰীঘৰত উঠিল। বহুত ধন-ভৰণি হোৱাৰ পিছত নৰেশ্বৰেই দোষী প্ৰমাণিত হ'ল। ক্ষতিপূৰণ আৰু জৰিমনা ভৰিব লগা হ'ল।

সাতামপুৰুষীয়া (বিণ)ঃ বহুদিনীয়া পুৰণি, যেন সাত পুৰুষৰ আগৰ,

আচামী (বি) ঃ দোষী,

বৰফৰ লাৰু বোলে বাগৰি যাওঁতে যাওঁতে বৰফ গোটাই গোটাই শকত হৈ লাধুমাটো হৈ পৰে। গাঁৱৰ সৰু-সুৰা ঘটনা একোটাই ক্ৰমাৎ বহল হৈ হৈ একোটা পুৰুষ-পৰম্পৰাৰ সৃষ্টি কৰে। প্ৰধানকৈ তৃতীয় পক্ষ সোমাই পৰিলে এই ঘটনা ক্ৰমে জটিল হৈ পৰে। দুঘৰৰ কাজিয়াৰ মাজত সোমাই ইঘৰক সিঘৰৰ বিৰুদ্ধে উচতাই নিজৰ কেতিয়াবা দুই-এটা সৰু-সুৰা স্বাৰ্থ সিদ্ধি কৰি লোৱা মানুহ সকলোতে আছে। কেতিয়াবা স্বাৰ্থ নাথাকিলেও নিজৰ অলপ গুৰুত্ব বঢ়াবলৈকে হ'লেও ক্ষমতাশালী পক্ষৰ লগলোৱা মানুহো থাকে। সেইবিলাক একো উদ্দেশ্য নহ'লেও লোকৰ কন্দলত ৰং চাই ৰস উপভোগ কৰা মানুহৰো দেশত আকাল নাই। গতিকে, নৰেশ্বৰ আৰু ধৰ্মকান্তৰ কাজিয়া গৈ দুটা বংশৰ কাজিয়াত পৰিণত হ'ল আৰু সামান্য চেলু লৈয়ে গাঁৱৰ খেলখনো দুভাগ হ'ল।

টিলিকি (বি)ঃ সৰু জাতৰ আম,

ইয়াৰ পিছত সৰু-সুৰা ঘটনা দুই-এটা ঘটিছিল, যিবিলাক তেওঁলোকৰ জীৱনৰ কাৰণে গুৰুত্বপূৰ্ণ হ'লেও বৰ্তমান গল্পত নধৰ্তব্য। পাঁচটা বছৰ পাৰ হ'ল। বেমাৰী নৰেশ্বৰেও এদিন চকু মুদিলে। ধৰ্মকান্ত শকত-আৱত পালোৱান মানুহ, বয়সত নৰেশ্বৰতকৈ বহুত সৰু। গতিকে, ধৰ্মকান্ত প্ৰায় একেদৰেই থাকিলে। নৰেশ্বৰৰ পুতেক দোলন এতিয়া ডেকা, খেঁতিবাতি, ঘৰ চলোৱাৰ ভাৰ নিজে ল'লে।

বাপেকৰ মৃত্যুৰ সময়ত সি প্ৰতিজ্ঞা কৰিলে - ধৰ্মকান্তৰ ওপৰত সি যদি বাপৰ বেটা হয়, তেনেহ'লে প্ৰতিশোধ ল'ব। বাপেকে (নৰেশ্বৰে) কিন্তু কাজিয়া-পেচাল নকৰিবলৈ আৰু বুজনি দি গ'ল। ধৰ্মকান্তৰ ডাঙৰ ছোৱালীজনীয়েই ডাঙৰ সন্তান, ল'ৰা এটা আছে, তিনিজনী ছোৱালীৰ তলৰ। ডাঙৰ ছোৱালীজনী সাবিত্ৰী, বয়স ১৬।১৭ হ'ব। ছোৱালীজনীক ব'হাগতে বিয়া দিব লাগে। ৬ মাইলমান দূৰ'ৰ গাঁও এখনত মণ্ডল কামত নতুনকৈ সোমোৱা ল'ৰা এটা আছে। সেই ল'ৰাটোৰ কাৰণেই ধৰ্মকান্তই মানুহ লগাইছে। ল'ৰাৰ ইমান সোনকালে বিয়া পতাৰ ইচ্ছা নাই, কাৰণ কামটোত মূৰ সুমুৱাইছে মাথোন। ধৰ্মকান্তই সকলো খৰচ-ভৰচ দিবলৈ ৰাজি। ল'ৰাটো ভাল, স্বাস্থ্যবান, তাতে মণ্ডল এটা জোঁৱাই পালে, মাটি-বাৰী থকা মানুহ

চকু মুদা (ক্ৰি) ঃ মৃত্যু হোৱা,

জৰিমনা (বি) ঃ টকাৰ ভৰণি

ভৱিষ্যতলৈ সা-সুবিধা আছে।

## 29.3.2 আলোচনা

এতিয়া ওপৰৰ পাঠাংশৰ কিছু আলোচনা কৰা হ'ব। পাঠটোৰ বিষয় দুজনে ওচৰ-চুবুৰীয়াৰ মাটিৰ সীমালৈ লগা কাজিয়া। কাজিয়াখন দুটা পিৰি ধৰি চলি আহিছে। কোনেও ইয়াৰ সমিধান কৰি দিয়া নাই। কেওফালে লোকৰ বেয়া চাই আনন্দ পোৱা লোক ভৰি আছে। মাটিৰ সীমালৈ নগৰ-চহৰ সকলোতে কাজিয়া-পেচাল হয় যদিও গাঁৱত ইয়াৰ প্ৰবলতা আৰু ব্যাপকতা বেছি। সীমালৈ হতা-হতি, মৰামৰি প্ৰায়ে হৈয়ে থাকে। এই সীমালৈ লগা মতান্তৰবোৰ কেতিয়াবা বংশানুক্ৰমে চলি আহি থাকে-কোনো সমাধান নোহোৱাকৈ। ধৰ্মকান্ত আৰু নৰেশ্বৰো একেই হ'ল। আজি অলপ কালি অলপকৈ যেতিয়া ধৰ্মকান্তই নৰেশ্বৰৰ সীমাৰ মাটি ঠেলি টিলিকা আমজোপা নিজৰ সীমাৰ ভিতৰত সুমুৱালে। এদিন ছেগ বুজি নৰেশ্বৰে সেইডাল খণ্ডতে কাটি থৈ আহিল। এইলৈ দুয়োৰে কাজিয়া লগাত দুয়োকে কেন্দ্ৰ কৰি গাঁওখন দুটা ভাগত ভাগ হ'ল। সমস্যা সমাধান নকৰাকৈয়ে নৰেশ্বৰৰ মৃত্যু হ'লত ডেকা পুতেক দোলনে ঘৰ, মাটি-বাৰী আদিৰ দায়িত্ব চম্ভালি ল'লে। তেওঁ ধৰ্মকান্তৰ ওপৰত প্ৰতিশোধ লোৱাৰ মানসেৰে সুবিধাৰ প্ৰতীক্ষাত ৰ'ল। ধৰ্মকান্তয়ো গাভৰু জীয়েক সাবিত্ৰীক মণ্ডলৰ ল'ৰালৈ বিয়া দি নিজৰ ভৱিষ্যত নিৰাপদ কৰি ৰখাৰ বাৰে মনতে পাঙিলে।

## 29.3.3 প্ৰথমভাগ পাঠৰ প্ৰশ্নাৱলী

ওপৰৰ পাঠাংশৰ কিছু প্ৰশ্ন আলোচনা কৰি নিজৰ প্ৰগতি পৰীক্ষা কৰি চোৱাহঁক

১। দ্বিতীয় পুৰুষ মানে কি?

২। ধৰ্মকান্তই সীমা কেনেকৈ ঠেলি সোমায়?

৩। নৰেশ্বৰ কোন?

৪। সাবিত্ৰী কাৰ ছোৱালী?

৫। দোলন কোন?

৬। মৰিবৰ সময়ত নৰেশ্বৰে পুতেকক কি বুলি বুজনি দিছিল?

৭। কোনে আৰু কিয় টিলিকি আমজোপা কাটি থৈ আহিল?

29.3.4

## মূল পাঠ

### মুদ্ৰিত প্ৰতিলিপিৰ দ্বিতীয়ভাগ

মাঘমাহ। ধৰ্মকান্ত পথাৰে পথাৰে ৬ মাইল আতঁৰৰ গাঁওখনৰ পৰা নিজৰ গাঁৱলৈ আহি আছে। দোলন ওলাই গৈছিল পথাৰলৈ হাতত যাঠি এডাল লৈ। যাঠি নিছিল এই কাৰণেই যে, দুদিনমানৰ পৰা ওচৰৰ গাওঁবিলাকত বনৰীয়া গঁড় এটা ওলাই ঘূৰি ফুৰিছে। ৰাতি বোলে গিৰি মাষ্টৰ ক'ৰবাৰ পৰা চাইকেলত আহোতে ভাগ্যেহে মৰা নাই। চাইকেল পেলাই জাঁপমাৰি গছত উঠিল, কিন্তু চাইকেলখন গঁড়ে গুৰা কৰি পেলালে। মানুহ-দুনুহৰ ফুৰা-চকা বন্ধ হৈ গ'ল। কাৰণ গঁড় আৰু ভুঁইকপ একে বস্তু। কোন টিলিকত কেনি আহে আৰু কেতিয়া কোনখিনি পাইগৈ কোনেও ধৰিব নোৱাৰে। সেইদিনা দুপৰীয়া ওচৰৰ আন এখন গাঁৱত গঁড় ওলাইছে বুলি খবৰ শুনি দোলনহঁতৰ গাঁৱৰ ল'ৰা ডেকা-বুঢ়া সেই গাওঁ পালেগৈ। তাত শুকান খাল এটাত গঁড়টো শুই আছিল। গছৰ ওপৰৰ পৰা মানুহে দলি ফৰ্মুটি মাৰি খেদাবৰ চেষ্টা কৰি আছে। মানুহৰ চিয়ৰ-বাখৰ দোলনহঁতৰ গাঁৱতো ভালদৰে শুনা যায়। সেইকাৰণে দোলনে গঁড় খেদিবলৈ বুলি হাতত যাঠিডাল লৈ পাছফালৰ পথাৰেদি ওলাইছিল। কিন্তু দেখিলে সিফালৰ পৰা গুজুপ-গুজুপকৈ আহি আছিল ধৰ্মকান্ত। আচল গঁড়টোৱেহে চকুৰ আগতে ওলালহি। দোলনে মিটমিটিয়াৰ আঁৰ হৈ বহি পৰিল। ভাবিলে মানুহটো আঁতৰ হৈ যাওঁক। কিয়নো, একে৷৷ৰীয়া অৱস্থাত দুয়ো মুখামুখী হ'লে অপ্ৰস্তুত হ'ব লাগিব; কিন্তু আবেলিৰ পথাৰত কোনোফালে জন-মানৱ নথকা অৱস্থাত হাতত যাঠিডাল লৈ থকা দোলনৰ অকস্মাৎ গাটো জিকাৰ খাই উঠিল। এয়েতো সুযোগ— ইয়াতকৈ আৰু সোণালী সুযোগ ভগৱানে দ্বিতীয়বাৰ দোলনক আনি নিদিয়ে। এনে নিজান মুকলি পথাৰত মুকলি আকাশৰ তলত মানুহৰ মন আকাশৰ দৰে বিৰাট যেনেকৈ হ'ব পাৰে তেনেকৈ -তেনেকৈ অৱস্থাভেদে আদিম পশুত্বলৈ মনটো সংকুচিত হৈ পৰিব পাৰে। কিবা এটা ভবাৰ বৈদ্যুতিক স্পৰ্শই দোলনক তালুৰ পৰা তলুৱালৈ সিৰসিৰণি দি গ'ল। তালুখনে ঢপ্‌ঢপাবলৈ ধৰিলে, চকু-মুখ সকলোতে যেন একুৰাকৈ দপদপীয়া জুই জ্বলি উঠিল। বনৰীয়া গঁড় ওলোৱা সম্পৰ্কত কেবাদিনো মানুহবিলাক উত্তেজিত হৈ আছিল। দোলনো। গঁড়ৰ হিংস্ৰ প্ৰকৃতিৰ নিষ্ঠুৰতাৰ লগত প্ৰতিদ্বন্দ্বিতা কৰিবৰ কাৰণেই হয়তো মানুহৰ এই উন্মাদনাবিলাকত বন্য আদিমতাৰ প্ৰভাৱ আহি পৰিছিল। দোলনৰো। এই মুহূৰ্তত দোলনৰ এই হিংস্ৰ উন্মাদনা তাৰ তেজ মঙহৰ শত্ৰু ধৰ্মকান্তক দেখি তাৰ দেহৰ সিৰাই সিৰাই কুঁহিয়াৰৰ থালিৰ ফুট উঠা গুৰৰ দৰে টগবগাবলৈ ধৰিলে। পাহৰি গ'ল গঁড়ৰ ভয়, পাহৰি গ'ল প্ৰাণৰ ভয়। চকুৰ আগত দপদপাই জ্বলি গ'ল তাহানিৰ

শব্দাৰ্থ

প্ৰতিশোধ (বি) ঃ ধাৰ শুজা কাৰ্য, পোটক

টিলিকি আমৰ তলৰ দৃশ্য, পথাৰৰ আলি ভঙাৰ দৃশ্য,- তাৰ দেউতাক, তাৰ দুৰ্বল দেহৰ দেউতাকৰ বেদনাক্লিষ্ট মুখখন-মৃত্যুশয্যাৰ সেই শান্ত, কৰুণ মুখখন-সি-সি - প্ৰতিশোধ-প্ৰতিশোধ, আজিয়েই সেই প্ৰতিশোধৰ দিন, এয়েতো সময়। প্ৰায় বাহ্যজ্ঞানশূন্য অৱস্থাত দোলনে যাঠিডাল জোৰেৰে মুঠি মাৰি ধৰিলে। গোটেই মানুহটো ঘামি গ'ল। কেনিও ক'তো মানুহ নাই- গাঁৱৰ মানুহো গঁড় খেদাত ব্যস্ত। সি যদি ধৰ্মকান্তক বধ কৰি হাবিৰ মাজত পেলাই থৈ যায় কোনেও নেদেখিব, কোনেও নাজানিব। সকলোৱে ভাবিব মানুহটোক গঁড়েই খুন্দিয়াই মাৰিলে।

বেলি লাহে লাহে পৰি আহিছে। ধৰ্মকান্তই আন এটা বাটেদি গাঁৱৰ আলিবাট ওলাবলৈ কোব লৈছে। বাটতে এডোখৰ হাবিও পাব। সেই হাবিৰ আঁৰত দোলন লুকাই ৰৈ থাকিব আৰু অতৰ্কিতে তাৰ যাঠিয়ে ধৰ্মকান্তৰ ডিঙি শালি ধৰিব। মিটমিটিয়াৰ তলে তলে দোলন আগবাঢ়ি গ'ল- চকুত তাৰ জুই যদিও সমুখত অন্ধকাৰ। জিভা শুকাই গৈছে-দাঁতত দাঁত লাগি গৈছে- উশাহবিলাকে পেটত গৈ যাঠিৰ দৰে খোচ ধৰিছে। ধৰ্মকান্ত আগবাঢ়িল- মিটমিটিয়াৰ আঁৰে আঁৰে। হঠাৎ সিখন পথাৰৰ কোঢ়াল আৰু হৈ চৈ বোৰ একেবাৰে কাণৰ ওচৰ পালেহি। দোলন চক খাই গ'ল। হৈ হুলস্থুল চিয়ৰৰ মাজত এটা শব্দ কাণত পৰিল-গঁড় গঁড় গঁড় গৈছে গৈছে।

ধৰ্মকান্ত উভতি উধাতু খাই লৰ মাৰিলে। শকত মানুহ হাতত ছাটি আৰু লাঠি, গাত কোট এটা আৰু তাৰ ওপৰত এডোখৰ চাদৰ এখন। মানুহটোৱে ছাটি পেলাই দিলে-কেনি দৌৰিব লাগে তাকে ক'ব নোৱাৰে। দোলনে শুনিলে ক'ৰবাত যেন ভূমিকম্প এটা হৈছে আৰু ভূমিকম্পটো যেন সেইফাললৈকে লৰি আহিছে। তাৰ হাতৰ যাঠি সৰি পৰিল। মিটমিটিয়াখিনি তিনি দেওকৰি ধৰ্মকান্তৰ কাষেদিয়ে লৰ মাৰিলে। পথাৰৰ মাজতে অকলশৰীয়া জামু গছ এজোপা আছিল— সেইজোপা তাৰ লক্ষ্য। ধৰ্মকান্তই ভাবিলে সেইটোৱে গঁড় 'মাৰিলেহঁক ঐ' বুলি দিলে আটাহ পাৰি। কিন্তু সেই মাত শুনোতা পথাৰত কোনো নাই। কাৰণ দুৰ'ৰ কোঢ়াল বিলাক একেবাৰে ওচৰ চাপি আহিল। চেঙেৰাডেকা দোলন গৈ একেজাপে জামুজোপাত উঠি ডাল এটাত ধৰি থকথক কৰে কঁপিবলৈ ধৰিলে। ধৰ্মকান্তই মানুহটো চিনিব নোৱাৰিলেও বলিয়াৰ দৰে তাৰ পিছে পিছে লৰি গ'ল। কিন্তু ইতিমধ্যে এক মাৰাত্মক ঘটনা ঘটি গ'ল। লৰ দিওঁতে ধৰ্মকান্তৰ গাৰ এড়ি চাদৰখন বতাহলগা নাৱৰ পালখনৰ দৰে ফিন্দ খাই গ'ল। আৰু মানুহৰ চিয়ৰ-বাখৰ দলি ফৰ্মুটিবোৰত তত নাপাই লৰি অহা গঁড়টোৱে পথাৰৰ এমূৰত তাৰ মূৰটো উলিয়ালে। পিছে পিছে বহুত আঁতৰত অসংখ্য মানুহৰ চিয়ৰ-বাখৰ। গঁড়টো যিপিনে ওলাইছিল সেইপিনে গুচি যোৱা হ'লে ধৰ্মকান্ত বা দোলন বহু আঁতৰত থাকি যায়। কিন্তু কাপোৰখন মেলখাই যোৱাত গঁড়ে সেইটোৱে তাৰ শত্ৰু বুলি লক্ষ্য লৈ খৰ্গ পোন কৰি আগবাঢ়িব। অতি সাহসী মানুহ

শব্দাৰ্থ

গুজুপ-গুজুপ (বি) ঃ মুখৰ ভিতৰতে কিবা কথা কৈ থকাৰ দৰে শব্দ।

অতৰ্কিতে (ক্ৰি বিণ) ঃ তৰ্কিব পৰাৰ আগতে অৰ্থাৎ বুজি পোৱাৰ আগতে।

হ'লে গঁড়টো ওচৰ পোৱালৈ বাট চাই ঠাইতে বাগী দিলে সাৰি যাব পাৰে। ধৰ্মকান্তই নাজানে গঁড়ে তেওঁকে লক্ষ্য কৰি লৈছে। দোলনে গছৰ পৰা দেখিলে আৰু চিয়ৰিবলৈ গৈ সেহাবলৈ ধৰিলে। কাৰণ জিভাখন তাৰ যাঠিডালৰ দৰে ঠৰঙা হৈ গ'ল। তাৰ পিছত হাত জোকাৰিবলৈ ধৰিলে। ধৰ্মকান্তই কিবা এটা বুজি পাই এবাৰ পিছলৈ চাই দেখে যে গঁড়টো সেইফাললৈকে তাৰ গালৈকে আহিব লাগিছে। কি এক শুভবুদ্ধিৰ ফলত বা লৰাৰ কোৰতে এড়ি চাদৰখন খহি পৰিল। কি এক অলৌকিক ক্ষমতাৰ বলত মানুহটো আহি গছডালৰ গুৰি পালেহি। ওপৰলৈ চাই দেখে দোলনে জিভা মেলি সেহাব লাগিছে। দোলনে দেখে ধৰ্মকান্তৰ জিভা প্ৰায় এবেগেত বাহিৰ ওলাইছে। আৰু হাতেৰে কিবা কাওবাও কৰিছে। অৰ্থাৎ গছত উঠিব নাজানে ধৰ্মকান্তই। ইতিমধ্যেই গঁড় আহি পেলাই অহা এড়ি চাদৰখন গছকি মোহাৰি ডোখৰ ডোখৰ কৰি পেলালে। গছডাললৈ বেছি দূৰ নাই।

## 29.3.5 আলোচনা

গাৰৰ বনৰীয়া গঁড় এটা ওলোৱা বাবে দোলনে পথাৰলৈ যাওঁতে হাতত যাঠি লৈ গৈছিল। এনেতে সি বিপৰীত ফালৰ পৰা ধৰ্মকান্তক আহি থকা দেখা পালে। দেখা মাত্ৰকে গাৰত ওলোৱা গঁড়টো একেকোবেই দোলনৰ মনৰ মাজত সোমাল আৰু ধৰ্মকান্তক মাৰিবলৈ সাজু হ'ল। তাৰ দেউতাকৰ দুখৰ কথাবোৰ মনত পৰি প্ৰতিশোধৰ ভাৱ দুগুণে চৰিল। সি ধৰ্মকান্তৰ কাৰণে খাপ্ লৈ থকিল। ইতিমধ্যে আন্ধাৰ হৈ আহিবলৈ ধৰিলে। হঠাতে গঁড়টোক লৈ মানুহৰ কোলাহল বাঢ়ি আহিবলৈ ধৰিলে। মানুহৰ চিয়ৰত ধৰ্মকান্তয়ো থৰকাঁচুতি হেৰুৱাই দৌৰিব ধৰিলে, দোলনে একেজাপে পথাৰৰ মাজৰ জামুজোপাত উঠিল। ধৰ্মকান্ত গাৰ পৰা উৰি পৰা এড়ী কাপোৰখন গঁড়টোৱে নেফা-নেফ্ কৰিলে। ধৰ্মকান্ত দৌৰি আহি দোলন উঠা গছজোপাৰ কাষ পালেহি। মানুহৰ অন্তৰত মনুষ্যত্ব আৰু পশুত্ব দুয়োটা ভাৱ লগা-লগিকৈ থাকে। সময় সুবিধা পালে ভাগে ভাগে কাম কৰে। দোলন যদিও ভাল ল'ৰা, তাৰ অন্তৰ্নিহিত হৈ থকা পশুত্বভাৱটো ধৰ্মকান্তক দেখা মাত্ৰকে জাগি উঠিছিল। সি হিতা-হিত জ্ঞান হেৰুৱাই প্ৰতিশোধ পৰায়ণ হৈ পৰিছিল। কিন্তু বিপদৰ আশংকাই তাৰ প্ৰতিশোধ পৰায়ণ ভাৱটো দমন কৰে। ধৰ্মকান্তৰো গঁড়ৰ ভয়ত অন্তৰত থকা অহংকাৰ ভাৱটো উৰি গৈ বিতত হৈ সহায়ৰ বাবে দোলনলৈ চাইছে। ততালিকে দোলনৰ মনৰ ভিতৰত থকা ভাল মানুহটো জাগ্ৰত হৈ উঠিল আৰু ধৰ্মকান্তৰ প্ৰতি

তাৰ অন্তৰ সহানুভূতিশীল হৈ উঠিল।

## 29.3.6 দ্বিতীয়ভাগ পাঠৰ প্ৰশ্নাৱলী

ওপৰৰ পাঠাংশৰ কিছু প্ৰশ্ন আলোচনা কৰি নিজৰ প্ৰগতি পৰীক্ষা কৰা

৮। দোলনে পথাৰলৈ যাওঁতে হাতত কি নিছিল আৰু কিয়?

৯। ধৰ্মকান্তক দেখি দোলনৰ কালৈ মনত পৰিছিল?

১০। দোলনৰ খংটো দুগুণ হ'ল কিয়?

১১। ধৰ্মকান্তৰ গাৰ পৰা কি খহি পৰিছিল আৰু কেনেকৈ?

১২। মানুহৰ মনৰ মাজত শুই থকা আদিম ভাৱটো কি?

১৩। গঁড়টোৱে খেদি অহা দেখি ধৰ্মকান্তৰ কেনে অৱস্থা হৈছিল?

## 29.3.7 মূল পাঠ

### মুদ্ৰিত প্ৰতিলিপিৰ তৃতীয় ভাগ

এইবাৰ আহা পাঠৰ শেষ তথা তৃতীয় ভাগ পঢ়ি চাওঁহক

দোলনে মুহূৰ্ততে মাটিৰ ওপৰৰ ফেৰেঙণিটোত এটা ভৰি দি এটা হাতে ডাল এটাত ধৰি আনটো ভৰি নমাই দিলে আৰু আনটো হাতেৰে ধৰ্মকান্তৰ কোটৰ কলাৰত ধৰি প্ৰাণৰ কাতৰে টানি দিলে। দোলনৰ ভৰিত খোপনি পুতি ধৰ্মকান্ত গৈ ফেৰেঙণি পালেগৈ। দুয়ো খপজ্‌পাই ফেৰেঙণিৰ খোৰোং এটাত ডাল এটাৰ আঁৰত বহি লৈ দুয়োকে প্ৰাণৰ কাতৰে সাৱটি প্ৰায় অচেতন অৱস্থাত মাংসপিণ্ডৰ দৰে হৈ পৰিল। ইতিমধ্যে গঁড়টোৱে আহি একো একোটা খুন্দাত জামু গছজোপা ভূঁইকপৰ দৰে জোকাৰি পেলাবলৈ ধৰিলে। ফেৰেঙণিটো সি ঢুকি নাপায়। তাতে সৰু টিলা এটাৰ ওপৰত গছজোপা থকাৰ কাৰণে গঁড়ৰ খুন্দাবোৰ জামুজোপাৰ গুৰিত মাত্ৰ পৰিছে। বহু আঁতৰৰ পৰা মানুহবোৰে বলিয়াৰ দৰে 'মাৰিলে মাৰিলে' 'খালে খালে' আদি নিঃসহায় আৰ্তনাদ কৰিবলৈ ধৰিলে। গুলী কৰিব নোৱাৰে বা দলি-ফৰ্মুটিও মাৰিব' নোৱাৰে। কাৰণ দুটা মানুহ গছত উঠা সিহঁতে দেখিছে।

শব্দাৰ্থ

বাহ্যজ্ঞান শূন্য (বিণ) ঃ হিতাহিত জ্ঞান নোহোৱা, বাহিৰৰ জ্ঞান হেৰুৱা।

বাকযুদ্ধ (বি) ঃ তৰ্কযুদ্ধ, কথাৰ যুঁজ।

চাৰি-পাঁচটামান খুন্দা মাৰি ঢাপটোৰ বহুত ভৰিৰ খুন্দাত এৰুৱাই গঁড়টোৱে হয়তো বুজিলে যে এইটো তাৰ শত্ৰু নহয়-নহয়তো ভাবিলে যে তাৰ শত্ৰুৱে ভাল এসেকা পাই গৈছে। তাৰপিছত সি জামুৰ কিনাৰে দিয়ে ৰেলৰ ইঞ্জিনটোৰ দৰে দুপদুপাই ফোঁচফোঁচাই লৰ মাৰিলে। মানুহ আহি দুয়োটাকে প্ৰায় অচেতন অৱস্থাত নমাই আনিলে। বহু কষ্টৰে ইটোৰ গাৰ পৰা সিটোৰ হাত এৰুৱাব লগা হ'ল। ধৰ্মকান্তক প্ৰায় দাং-দোলাকৈ আৰু দোলনক ধৰাধৰিকৈ পথাৰে পথাৰে নি গাঁৱৰ মূৰ পালেগৈ। গাঁৱৰ মূৰতে ধৰ্মকান্তৰ ঘৰ। দোলনকো ধৰ্মকান্তৰ ঘৰলৈ নি চকীত বহুৱাই পানী ঢালিবলৈ লাগিল। ঘৰত তেতিয়াহে কান্দোনৰ ৰোল উঠিল। ঘটনাটো কি হ'ল কোনেও ভালকৈ নাজানে, কাৰণ আগবছোৱা কোনেও ক'ব নোৱাৰে। পানী, চৰ্বত, গৰম গাখীৰ, শেহত চাহ খাই দোলন সম্পূৰ্ণ সুস্থ হ'ল। কিন্তু ধৰ্মকান্তৰ মূৰত তেতিয়াও পানী ঢালিয়েই থাকিল। বহুত সময়ৰ মূৰত এবাৰ চাই লৈ 'খালেঔ' বুলি আকৌ মূছ-কঁছ গ'ল। ঘৰত আকৌ কান্দোনৰ ৰাউচি উঠিল। ধৰ্মকান্তৰ ঘৈণীয়েক, ডাঙৰ জীয়েক সাবিত্ৰী, ধাচ্‌ধাচকৈ মাটিত লুটি খাই পৰিল। গাঁৱৰ সকলো মানুহ দোলনহঁতৰ ঘৰৰ আৰু বংশৰো সকলো আহি গোট খালেহি। এঘণ্টামানৰ মূৰত চেতনা পোৱাত গৰম গাখীৰ এগিলাচ খাই ধৰ্মকান্তই দৃষ্টিহীন চকু দুটা চাৰিওফালে ঘূৰাই অৱশ ভাৱে ওচৰত থিয় হৈ থকা দোলনৰ ওপৰত থলে। লাহে লাহে যেন চকুহাললৈ দৃষ্টিশক্তি ঘূৰি আহিল। চকুৰ পৰ্দাত যেন দোলনৰ মূৰ্তিটো ক্ৰমাৎ সুস্পষ্ট, সুপৰিস্ফুট হৈ পৰিল। এক ব্যাকুলতাই চকুহাল চল্‌চল্ কৰি তুলিলে। চকুহালৰ সেই নীৰৱ ভাষা দোলনে বুজিলে কেইঘণ্টামানৰ আগতে জামু গছৰ গুৰিত এইহাল চকু দি দেখিছিল। বিমূঢ় দোলনে চকুহালৰ দৃষ্টি এবাৰলৈ গৈ দেখে যে তাৰ থিক ওচৰতে অপলক বিস্ময়েৰে তালৈ চাই থিয় হৈ আছে সাবিত্ৰী। বাকী ঘৰ ভৰা মানুহবিলাক পুতলাৰ দৰে নিৰ্বাক, স্পন্দনহীন।

অলৌকিক (বিশ)ঃ ঐশ্বৰিক, মানুহৰ ক্ষমতাৰ বাহিৰৰ।

নিৰ্বাক (বিশ) ঃ বাক্যহীন

মূছকঁছ যা (ক্ৰি) ঃ অচেতন হোৱা

ঝাগি মিযা ( বিশ) ঃ বাগ সজাই অৰ্থাৎ কৌশলেৰে ফন্দি কাটি।

29.3.8

## আলোচনা

দোলনৰ মনৰ ভিতৰত থকা ভাল মানুহটো জাগি উঠিল। সি কষ্টৰে, বুদ্ধিৰে হাতত ধৰি ধৰ্মকান্তক গছৰ ওপৰত তুলিলে। গঁড়টোৱে আহি গছ জোপাৰ গুৰিত খুন্দিয়াব ধৰিলে। দুয়ো ভয়ত পেপুৱা লাগিল। ইটোৱে -সিটোক সাৱটি ধৰি অচেতন হৈ ফেৰেঙণিতে লাগি থাকিল। বিফল হৈ গঁড়টো ঘূৰি গুচি গ'ল। মৃতপ্ৰায় দোলন ধৰ্মকান্তক মানুহবোৰে ঘৰলৈ আনিলে। নানান শুশ্ৰূষাৰ অন্তত সিহঁতৰ উৰি যোৱা ধাতু উভতি আহিল। ধৰ্মকান্তৰ জ্ঞানৰ উদয় হ'ল। প্ৰকৃততে মানুহবোৰ ভালেই। ক্ৰোধ আৰু জেদৰ বাবেহে নানান কাম কৰি ক'ব নোৱাৰাকৈয়ে মনোকষ্ট পাই থাকে। কিন্তু বিপদৰ সময়ত মানুহৰ সকলো দুৰ্বুদ্ধি লোপ পায়। মৃত্যু ভয়েই হ'ল মানুহৰ

ডাঙৰ ভয়। যমদূত সদৃশ গঁড়ৰ পৰা হাত সাৰিবলৈ দুয়ো সহায়ৰ প্ৰয়োজন অনুভৱ কৰিছে আৰু নজনাকৈয়ে দুয়ো দুয়োকে সহায় কৰিছে। শেষত অনুশোচনাত দগ্ধ হৈ ধৰ্মকান্ত আৰু দোলনে দুয়ো নিকা মনৰ পৰিচয় দিছে। এইদৰে ইজনে সিজনৰ প্ৰতি সহানুভূতিশীল হ'লে আৰু পৰস্পৰে সহৃদতা স্থাপন কৰিব পাৰিলে পৃথিৱীখন সুন্দৰ হৈ পৰিব, য'ত থাকিব কেৱল আনন্দ আৰু আনন্দ।

## 29.3.9 তৃতীয় ভাগ পাঠৰ প্ৰশ্নাৱলী

এই পাঠাংশখিনিৰ কিছু সাম্ভাব্য প্ৰশ্ন আলোচনা কৰি নিজৰ প্ৰগতি পৰীক্ষা কৰা—

১৪। ধৰ্মকান্ত কেনেদৰে গছজোপাৰ ওচৰ পালে?

১৫। গঁড়টোৱে গছজোপা কেনেদৰে জোকাৰিছিল?

১৬। গঁড়টোৱে কি ভাবি অৰণ্যলৈ গ'ল?

১৭। মানুহবিলাকে দোলন আৰু ধৰ্মকান্তক কেনেকৈ ঘৰলৈ আনিলে?

১৮। ধৰ্মকান্তৰ পৰিয়ালে কেনেদৰে কান্দিছিল?

১৯। দোলনক অপলক নয়নেৰে কোনে চাই আছিল আৰু কিয়?

২০। ঘৰৰ বাকীবিলাক মানুহ কিয় পুতলাৰ দৰে হৈ পৰিছিল?

## 29.4 সাৰাংশ

ধৰ্মকান্ত আৰু নৰেশ্বৰ গাঁৱৰ দুইমুৰে থাকে যদিও বাৰীখন আৰু খেতিৰ মাটি ওচৰা-ওচৰি। ধৰ্মকান্তই সুবিধা বুজি প্ৰায়ে নৰেশ্বৰৰ মাটিৰ সীমা ঠেলে। এইদৰে সীমা ঠেলোঁতে ঠেলোঁতে এবাৰ নৰেশ্বৰৰ টিলিকি আমজোপা ধৰ্মকান্তৰ সীমাৰ ভিতৰ সোমালগৈ। নৰেশ্বৰে সহ্য কৰিব নোৱাৰি এদিনাখন আমজোপা কাটি থৈ আহিলগৈ। তাৰ বাবে মেল- মোকৰ্দমাত পৰি নৰেশ্বৰ খৰচান্ত হ'ব লগাত পৰিল। ইতিমধ্যে নৰেশ্বৰৰ মৃত্যু হ'ল। দেউতাকে কাজিয়া নকৰিবলৈ কৈ গৈছিল যদিও দোলনৰ মনত কিন্তু প্ৰতিশোধৰ অগ্নি জ্বলিয়ে আছিল। মাঘমাহৰ সময়ত এবাৰ গাঁৱত এটা বনৰীয়া গঁড় ওলাল। গঁড়টোক খেদিবলৈ গাঁৱৰ মানুহখিনিয়ে হৈ চৈ

লগালে। দোলেনেও গঁড়টোক খেদিব বুলিয়ে হাতত যাঠি এডাল লৈ পথাৰমুৱা হ'ল। ইতিমধ্যে মধ্যবয়সীয়া ধৰ্মকান্তও ছাতি, এড়ি চাদৰ লৈ দোলনৰ বিপৰীত ফালৰ পৰা আহি আছিল। ধৰ্মকান্তক দেখা পোৱা মাত্ৰকে দোলনেও ধৰ্মকান্তৰ পৰা আৰঁ হৈ ধৰ্মকান্তক পাৰহৈ যাবলৈ সুযোগ দিব বিচাৰিলে। কিন্তু হঠাতে দোলনৰ প্ৰতিশোধ ভাৱটো জাগ্ৰত হৈ পৰিল। সি ধৰ্মকান্তক যাঠিৰে মাৰিবলৈ সাজু হ'ল। হঠাতে গঁড়টোৱে সেইফালে খেদি অহাত দোলন একেজাপে গছত উঠিল। ধৰ্মকান্তও দৌৰিব ধৰিলে। গাৰ পৰা এড়ী কাপোৰ খন উৰি গৈ পৰিল। খঙতে অহা গঁড়টোৱে এড়ীকাপোৰখন ফালি পেলালে। ধৰ্মকান্ত আহি দোলন উঠা গছজোপাৰ কাষ পালেহি। আতুৰ ধৰ্মকান্তক দেখি দোলনে খং পাহৰি গৈ হাত আগবঢ়াই ধৰ্মকান্তক টানি গছত তুলিলে। গঁড়টোৱে মনৰ খঙতে গছজোপাৰ গুৰিত জাৰি বনলৈ উলটি গ'ল। মৃতপ্ৰায় দোলন ধৰ্মকান্তক গাঁৱৰ ৰাইজে ধৰি-মেলি নি সুস্থ ২ৰিে.। ধৰ্মকান্তৰ জ্ঞান চকু মুকলি হ'ল। জীৱনৰ সংকট মুহূৰ্তত আক্ৰোশ বা প্ৰতিহিংসাতকৈ জীয়াই থকাৰ তাড়নাহে অধিক সত্য। ধৰ্মকান্তৰ চকুত দোলনলৈ প্ৰীতি ভাৱ ফুটি উঠিল। ধৰ্মকান্তৰ জীয়েক সাবিত্ৰীয়ে যেন এই আকাংক্ষিত মুহূৰ্তলৈকে অপেক্ষা কৰি আছিল।

## 29.5 সাধাৰণ অনুশীলনী

পাঠটো সম্পূৰ্ণকৈ পঢ়া হ'ল যেতিয়া গোটেই পাঠটোৰ ওপৰত কিছু প্ৰশ্ন অনুশীলন কৰা উচিত হ'ব। তলৰ প্ৰশ্নবোৰৰ চমু উত্তৰ দিবলৈ যত্ন কৰাচোন—

২১। বৰফৰ লাৰু কি ? ই বাগৰি গ'লে কি হয়?

২২। বাপেকৰ মৃত্যুত দোলনে কি প্ৰতিজ্ঞা কৰিছিল?

২৩। দোলনে কিয় আৰু ক'লৈ যাঠিডাল লৈ গৈছিল?

২৪। গঁড়টোক মানুহবোৰে কিয় মাৰিব বা খেদিব পৰা নাছিল?

২৫। গঁড়টোৱে গছত কিয় খুন্দা মাৰিছিল?

২৬। দোলনে কোবাও বুলিও কিয় ধৰ্মকান্তক কোবাব নোৱাৰিলে?

২৭। দোলনৰ প্ৰতিহিংসাৰ ভাৱ কিয় নোহোৱা হ'ল?

## 29.5.1 বৈয়াকৰণিক অনুশীলনী

পাঠটোত কিছু সমাসযুক্ত শব্দ আছে। সমাসে দীঘল বাক্যত প্ৰকাশিত কথা

এটা বা দুটা শব্দত প্ৰকাশ কৰে। তলত সমাস ভাঙি দেখুওৱা হ'ল আৰু সমাসৰ নামো দিয়া হ'ল। যেনে ঃ বাঁহবাৰী — বাহৰ বাৰী যি — ৬ষ্ঠী তৎপুৰুষ সমাস।

মৰামৰি-দুজনৰ মাজত ইজনে সিজনৰ মৰা কাৰ্য্য— ব্যতিহাৰ বহুব্ৰীহি।

ফলাফলি- দুজনৰ মাজত ইজনে সিজনৰ মুৰ ফলা কাৰ্য্য—ব্যতিহাৰ বহুব্ৰীহি।

তৰ্কাতৰ্কি-দুজনৰ মাজত ইজনে সিজনৰ লগত তৰ্ক কৰা কাৰ্য্য—ব্যতিহাৰ বহুব্ৰীহি।

মুখামুখি - দুজনৰ মাজত ইজনে সিজনৰ আগত থিয় দি পৰস্পৰ মুখলৈ চোৱা—ব্যতিহাৰ বহুব্ৰীহি।

**২৮। এতিয়া তলত দিয়া শব্দবোৰৰ সমাস ভাঙি দেখুওৱা**

নধৰ্তব্য, তৃতীয় পক্ষ, দুঘৰ, ডেকা-বুঢ়া, বাঁহ-কাঠ, তামোল-পাণ, অপ্ৰস্তুত, অলৌকিক, নিঃসহায়, ধৰাধৰি,

**২৯। পাঠটোত কিছুমান ভ্ৰমাত্মক শব্দ আছে।** যিবোৰৰ উচ্চাৰণ আৰু বানান একে যেন লাগে কিন্তু আচলতে একে নহয়। বহুতে এই বোৰ ভুলকৈয়ে ব্যৱহাৰ কৰে। দুটা উদাহৰণ দিয়া হ'ল— বাহ-চৰাইৰ বাহ, বাঁহ - বাঁহ গছ নহয়, ই এক প্ৰকাৰ বন, এতিয়া তুমি কৰা — গঁড়-গড়, ছাটি-চাতি, টিলিকি-টিলিকা, গতা-গোটা, বাৰী-বাঁৰী।

**৩০। বাক্য পৰিবৰ্তন ঃ** তলৰ বাক্য কেইটা ভাঙি দেখুওৱা। এটা উদাহৰণ দিয়া হ'ল। উদাহৰণ ঃ নবেশ্বৰে জীৱনত এই প্ৰথম কাছাৰী ঘৰ, হাকিম-উকীল আদি বস্তুবোৰৰ পৰিচয় পালে আৰু আচামী হৈ কাছাৰী ঘৰত উঠিল। উত্তৰ হ'ব ঃ জীৱনত প্ৰথমবাৰৰ বাবে নৱেশ্বৰে কাছাৰী ঘৰ, হাকিম-উকীল আদিৰ পৰিচয় পালে। সি আচামী হৈ কাছাৰী ঘৰত উঠিবলগাহ'ল।

নিজে চেষ্টা কৰি চোৱা— হাতত কোৰখন লৈ ধৰ্মকান্ত তামোল-পানৰ বাৰীত সোমালত সীমা মুৰলিত এক আঙুল মাটি হ'লেও নিজৰ সীমাত সোমাই পৰিল। (দুটা বাক্য গঠন কৰা)

খ)চেঙেৰা ডেকা দোলন গৈ একেজাপে জামুজোপাত উঠি ডাল এটাত ধৰি থকথককৈ কঁপিবলৈ ধৰিলে। (দুটা বাক্য গঠন কৰা)

গ) এঘণ্টামানৰ মূৰত চেতনা পোৱাত গৰম গাখীৰ এগিলাচ খাই ধৰ্মকান্তই দৃষ্টিহীন চকুদুটা চাৰিওফালে ঘূৰাই অৱশভাৱে ওচৰত থিয় হৈ থকা দোলনৰ ওপৰত থ'লে (চাৰিটা বাক্য গঠন কৰা)

**৩১। যৌগিক বাক্য বিশ্লেষণ ঃ** বাক্য গঠনৰ আৰু এটা ৰূপ আছে। পাঠৰ পৰা এটা উদাহৰণ দিয়া হ'ল— 'গঁড়টোৱে হয়তো বুজিলে যে এইটো তাৰ শত্ৰু নহয়-নহয়তো ভাবিলে যে তাৰ শত্ৰুৱে ভাল এসেকা পাই গৈছে। তুমি এই ধৰণৰ দুটা বাক্য গঠন কৰা।

**৩২। বাক্য ৰচনা ঃ** পাঠটোত বহুতো খণ্ডবাক্য আৰু জঁতুৱা শব্দ আছে। তলত দিয়া জঁতুৱা শব্দ বা খণ্ডবোৰ ব্যৱহাৰ কৰি বাক্য গঠন কৰি চোৱা —জা-জঞ্জাল, সাতমপুৰুষীয়া, ক্ষমতাশালী, শকত-আৱত, বাপৰ বেটা, দপ্‌দপীয়া, বাহ্যজ্ঞান শূণ্য, কাও-বাও, দাং-দোলা, মুছকছ যোৱা, অতৰ্কিতে, বাগি-দি,

## 29.5.2 বোধজ্ঞানমূলক প্ৰশ্নাৱলী

৩৩। তলত দিয়া চমু প্ৰশ্ন কেইটাৰ উত্তৰ দিয়া।

ক) গাৱঁত সাধাৰণতে কিহক লৈ সততে কাজিয়া-পেচাল থাকে?

খ) নৰেশ্বৰৰ ধনৰ ভৰণি কি কাৰণে হ'ল?

গ) 'মাৰিলে, মাৰিলে, খালে, খালে' বুলি কোনে চিয়ঁৰিছিল আৰু কিয়?

ঘ) গঁড়ৰ স্বভাৱ কেনেকুৱা?

ঙ) 'যদি বাপেৰ বেটা হয় তেনেহ'লে সি প্ৰতিশোধ ল'বই'— বাপেৰ বেটা হোৱাৰ অৰ্থ কি?

চ) 'বতাহ লগা নাওঁৰ পালখনৰ দৰে' ইয়াত কিহৰ কিহৰ লগত তুলনা কৰিছে?

ছ) 'লাঠিডালৰ দৰেই ঠৰঙা হৈ গ'ল' কি ঠৰঙা হ'ল? কিয়?

## 29..6 সৃষ্টিধৰ্মী প্ৰশ্ন

২৪। পাঠটোৰ ভিত্তিত তলত দিয়া চিন্তামূলক প্ৰশ্নবোৰৰ উত্তৰ দিয়া

ক) পাঠটোৰ মূল বক্তব্য কি?

খ)পাঠটো পঢ়ি কি শিক্ষা পালা? ইয়াৰ অন্তৰ্নিহিত ভাব কি?

গ) 'লাহে লাহে যেন চকুহাললৈ 'দৃষ্টি ঘূৰি' আহিল- কাৰ দৃষ্টি শক্তিৰ কথা কৈছে? দৃষ্টিশক্তি শব্দটোৱে কি কথা বুজাব খুজিছে?

ঘ) 'কাজিয়াখন ' আহি দ্বিতীয় পুৰষত ভৰি দিলেহি'— কি কাজিয়াৰ কথা উল্লেখ কৰিছে? 'দ্বিতীয় পুৰুষ, বুলি ইয়াত কি অৰ্থত ব্যৱহাৰ হৈছে?

ঙ) দুই পুৰুষৰ পুৰণি কাজিয়াখনৰ শেষ পৰিণতি কি হ'ল?

চ) 'গাওঁত ওলোৱা গঁড়টো একেবাৰেই দোলনৰ মনৰ মাজত সোমাই'— ইয়াত গড়শব্দটো কি অৰ্থত ব্যৱহাৰ হৈছে?

ছ) গড়ে সাধাৰণতে কেনেকৈ শত্ৰুক আক্ৰমণ কৰে?

জ) লেখকৰ সাহিত্যিক কৰ্মৰ পৰিচয় দাঙি ধৰা?

## 29.7 চমু প্ৰশ্নৰ উত্তৰ সংকেত

এতিয়া চমু প্ৰশ্নবোৰৰ উত্তৰ সংকেত দিয়া হ'ল। দীঘল প্ৰশ্নবোৰৰ উত্তৰ দিয়া হোৱা নাই। নিজে চেষ্টা কৰিবা।

১। প্ৰজন্মৰ দ্বিতীয় পুৰুষ অৰ্থাৎ পিতৃৰ পিছত পুত্ৰ।

২। বাৰীৰ বনজাবৰ চিকুনোৱাৰ ছলেৰে অলপ অলপকৈ মাটি ঠেলি সোমায়।

৩। ধৰ্মকান্ত গাৱঁৰ লোক, ধৰ্মকান্তৰ প্ৰতিদ্বন্দী

৪। সাবিত্ৰী ধৰ্মকান্তৰ ছোৱালী।

৫। নৰেশ্বৰৰ ল'ৰা দোলন।

৬। মৰিবৰ সময়ত নৰেশ্বৰে কাজিয়া নকৰিবলৈ দঢ়াই দঢ়াই বুজনি দিছিল।

৭। নৰেশ্বৰে মনৰ জ্বালাত ধৰ্মকান্তই ঠেলি নিজৰ বাৰী সোমোৱা টিলিকি আমজোপা কাটি থৈ আহিছিল।

৮। দোলনে পথাৰলৈ যাওঁতে হাতত যাঠি এপাত নিছিল।

৯। ধৰ্মকান্তক দেখি দোলনৰ দুখী মৃত দেউতাকলৈ মনত পৰিছিল।

১০। ধৰ্মকান্তক দেখি দোলনৰ পুৰণি কথাবোৰ মনত পৰিল আৰু মৃত দেউতাকৰ কথা সুঁৱৰি তাৰ মনৰ মাজত থকা আদিম ভাৱটো সাৰ পাই উঠিছিল।

১১। ধৰ্মকান্তৰ গাৰ পৰা এড়ী চাদৰখন খহি পৰিছিল আৰু সেইখন পালতৰা নাৱত বতাহ লাগিলে যেনেদৰে ফিন্দখাই উঠে, থিক তেনেদৰে ফিন্দ্ খাই উঠিছিল।

১২। মানুহৰ মনৰ মাজত শুই থকা আদিম ভাৱটো হ'ল- পশুত্ব।

১৩। গঁড়টোৱে খেদি অহা দেখি ধৰ্মকান্তৰ ভয়ত থৰকাচুতি হেৰাইছিল।

১৪। ধৰ্মকান্তই গঁড়টো তেওঁৰ ফালে অহা দেখা পাই এক অলৌকিক ক্ষমতাৰ বলত গছজোপাৰ কাষ পালেহি।

১৫। গঁড়টোৱে গছজোপা ভুঁইকপ জোকোৰা দি জোকাৰিছিল।

১৬। গঁড়টোৱে ভাবিলে যে তাৰ খুন্দাত শত্ৰুৱে ভাল এসেকা পাইছে আৰু সেইয়া তাৰ শত্ৰু নহ'বও পাৰে বুলি অৰণ্যলৈ গুচি গ'ল।

১৭। মানুহবিলাকে দোলন আৰু ধৰ্মকান্তক ধৰা-ধৰিকৈ গছৰ পৰা নমাই আনিলে আৰু দাংদোলাকৈ ঘৰলৈ লৈ আহিল।

১৮। ধৰ্মকান্তৰ পৰিয়ালে ধাচ্ধাচকৈ মাটিত পৰি কান্দিছিল।

১৯। দোলনক অপলক নয়নেৰে সাবিত্ৰীয়ে চাই আছিল।

২০। ধৰ্মকান্ত আৰু দোলনৰ এনেদৰে শুভবুদ্ধি উদয় হোৱাত ঘৰৰ বাকী বিলাক মানুহে পুতলাৰ দৰে নিৰ্বাক স্পন্দনহীন অৱস্থাত আছিল।

২১। বোধজ্ঞান আৰু সৃষ্টিধৰ্মী দীঘল প্ৰশ্নবোৰৰ উত্তৰ দিয়া নাই। নিজে অভ্যাস কৰিবা।

## 29.8 অতিৰিক্ত পঠন উপদেশ

চুটিগল্প পঠন বৰ আনন্দদায়ক। গতিকে চুটিগল্প পঢ়িবলৈ যত্ন কৰিবা। তুমি আলোচনী পাতত চুটিগল্প শিতানটো নিয়মিত ভাবে পঢ়িবা। প্ৰকাশন পৰিষদৰ 'আধুনিক চুটিগল্প সংকল' পুথিখন পঢ়িব পাৰা।

## 29.9 ছাত্ৰ-ছাত্ৰীক প্ৰশ্ন সুধিবলৈ দিয়া সংকেত

ওপৰৰ পাঠটো পঢ়ি চুটিগল্প সম্পৰ্কে কিছু জ্ঞান লাভ কৰিছা। বৰাদেৱৰ গল্পৰ বিষয়েও জানিবলৈ পাইছা। ইয়াতকৈয়ো বেছি জানিবলৈ ইচ্ছা কৰিব পাৰা। যদি তোমাৰ মনত কোনো প্ৰশ্ন উদ্ৰেক হয়, তেতিয়া হ'লে আমালৈ প্ৰশ্ন সুধি পঠিয়াব পাৰা।

গোট 30

# গড়গাওঁ

বচনা ঃবিনন্দচন্দ্ৰ বৰুৱা

## 30.1 পাতনি আৰু উদ্দেশ্যাৱলী

### কবিতা কি ?

পূৰ্ব পাঠত অৰ্থাৎ প্ৰথম খণ্ডৰ ১ নং গোটত কবিতা সম্পৰ্কে লিখা কথাখিনি নিশ্চয় পঢ়িছা। এই খণ্ডৰ বাবেও সি প্ৰযোজ্য হ'ব।

### অসমীয়া কবিতাৰ চমু আভাস

পূৰ্ব পাঠত অৰ্থাৎ প্ৰথম খণ্ডৰ ১ নং গোটত অসমীয়া কবিতাৰ চমু আভাস দাঙি ধৰা হৈছে। তোমালোকে নিশ্চয় পঢ়িছা। এই খণ্ডৰ বাবেও সি প্ৰযোজ্য হ'ব।

### উদ্দেশ্যাৱলী

এই গোট অধ্যয়ন কৰিলে তুমি

- ছন্দোবদ্ধ ৰোমাণ্টিক কবিতা সম্বন্ধে মনত এটি ধাৰণা কৰিব পাৰিবা,
- কবিতা পঢ়াৰ লগে লগে কাব্যিক ৰসৰ সোৱাদ পাবা,
- ৰোমাণ্টিক কবিতাৰ ছন্দ সজ্জাৰ কৌশল জানিবলৈ পাবা,
- কবিতাত শব্দ চয়ন আৰু উপস্থাপন পদ্ধতিৰ লগত পৰিচিত হ'ব পাৰিবা,
- আহোম স্বৰ্গদেউসকলৰ শাসন কালৰ কিছু আভাস পাবা আৰু
- অনুপ্ৰাস ছন্দ প্ৰয়োগ সম্পৰ্কে সম্যক জ্ঞান আহৰণ কৰিব পাৰিবা।

## 30.2 কবি পৰিচিতি

এই কবিতাটি ৰচনা কৰিছে কবি বিনন্দচন্দ্ৰ বৰুৱাই। তেওঁ ১৯৫০ চনত যোৰহাটৰ টিয়কত জন্ম গ্ৰহণ কৰে। বি. এ. পাছ কৰি হাইস্কুলত শিক্ষকতা কৰা বৰুৱাদেৱে প্ৰধান শিক্ষক হিচাপে অৱসৰ গ্ৰহণ কৰে। বৰুৱাদেৱ ছাত্ৰাৱস্থাৰ পৰাই সাহিত্য সেৱাৰ প্ৰতি অনুৰাগী আছিল। তেওঁ বহুতো দেশপ্ৰেম উদ্দীপক কবিতা লিখে। তেওঁৰ কবিতা পুথি 'শংখধ্বনি', 'প্ৰতিধ্বনি' আৰু 'জয়ধ্বনি'। 'শৰাইঘাট' আৰু 'পাৰ্থ-সাৰথি' নামৰ দুখন নাটক লিখাৰ উপৰি তেওঁ ৰাজস্থানৰ গল্প, 'মহাৰাজ নৰনাৰায়ণ' আদি শিশু উপযোগী পুথি ৰচনা কৰে। তেওঁ 'মিলন' নামৰ এখন কাকতো সম্পাদনা কৰে। ধ্বনি শব্দ-যুক্ত কবিতা পুথি লিখা কাৰণে তেওঁক 'ধ্বনি কবি' বোলা হয়। তেওঁ অসম সাহিত্য সভাৰ সভাপতি ৰূপেও কাৰ্য্য-নিৰ্বাহ কৰিছিল।

## 30.3 মূল পাঠ

### 30.3.1 মুদ্ৰিত প্ৰতিলিপিৰ প্ৰথম ভাগ

গড়গাওঁ, গড়গাওঁ, কথা শুনি তল যাওঁ, বাট দেখি পিছলে যে পাৰ;
দিখৌৰ সোঁতত যোৱা, ভটীয়নি বল পোৱা, উভতিব খোজে মাৰ নাওঁ
— ওচৰতে দেখি গড়গাওঁ।

ওলট্-পালট্ দেশ,কথাৰে নহয় শেষ, কটাৰীৰো ডাবে তাৰে কাটে;
বাঘ-গৰু হালে হালে, একে ঘাটে পানী খালে, নগৰৰ দেওলগা ঘাটে;
— দেও তাত ফুৰে হাটে-বাটে।

বিদেশীৰ চকু থিৰ, স্বদেশীৰ ওখ শিৰ, দেওলগা মানুহৰ দেশ,
উজুটিত ভাগে দাঁত, কোঢ়ালত হৰে মাত, অহা-যোৱা নাই তাত শেষ;
— জনে জনে ভিন্ ভিন্ বেশ।

সকলোৰে আছে কাম, নোহোৱাৰ নাই নাম, কাপুৰুষে সদা পায় লাজ;
নাই দিন, নাই ৰাতি, নাই পানী, নাই মাটি, আদেশ মাথোন হয় 'সাজ'।
- ইচ্ছা যেন স্বৰ্গ মহাৰাজ।

বিলত নগৰ হয়, নগৰত নৈ বয়, ধোদে তাৰ বান্ধে ৰাজ আলি;

**শব্দাৰ্থ**

পাৰ (বি) ঃ ভৰি, ঠেং

ভটীয়নি (বি) ঃ ভটিয়াই যোৱা সোঁত

ডাব (বি) ঃ মোকোটাই কটাৰী সুমাই থোৱা নাল।

দেও (বি) ঃ ভূত পিশাচ

কোঢ়াল (বি) ঃ হাই উৰুমি

সাজ (ক্ৰি) ঃ নিৰ্মাণ কৰ

ধোদ (ক্ৰি) ঃ অকামিলা লোক, এলেহুৱা

লালী (বি) ঃ লানী, শাৰী

কাৰেঙ্গৰ দেও ইটা, শিল যেন চটা চটা, গাঁথে তাৰ হাঁহকণী ফালি;
— বনুৱাৰ নিছিগেই লালী।

30.3.2 **আলোচনা**

অকণমান উভতি চাওঁ আহা,

অসমৰ গড়গাওঁ আহোম স্বৰ্গদেউসকলৰ প্ৰাচীন ৰাজধানী। কবিয়ে সেই ইতিহাস প্ৰসিদ্ধ গৌৰৱৰঞ্জিত গড়গাৱঁৰ বলিষ্ঠ ভূমিকা আৰু মহান অৱদানৰ কথা নিয়াৰিকৈ ব্যক্ত কৰিছে। লগতে সময়ৰ চাকনৈয়াত পৰি ধ্বংস স্তুপত পৰিণত হোৱা একালৰ প্ৰতিপত্তিশালী গড়গাৱঁৰ অতীত সুঁৱৰি কবি শোকাভিভূত হৈ পৰিছে।

আহোম ৰাজধানী গড়গাৱৰ ৰূপসৌন্দৰ্যত মোহিত হৈ দিখৌ নৈৰে ভটীয়াই যোৱা মাৰ নাওখনো উভতি আহিব খোজে। বাঘ আৰু গৰুৱে একে ঘাটে পানী খোৱাৰ দৰে গড় গাৱৰ প্ৰভাৱশীল ৰজাৰ শাসনত শত্ৰু-মিত্ৰ একেলগে উঠা বহা কৰিছিল। গড়গাঁৱৰ উন্নত অৱস্থা দেখি বিদেশীসকলৰ চকু থিয় হৈছিল। আগণনলোকৰ সমাগমত গড়গাওঁ উখল-মাখল লাগি পৰিছিল। বাৰে বৰণীয়া সাজ-পাৰ পৰিধান কৰি মানুহে অহা যোৱা কৰিছিল। দিনে নিশাই কৰ্ম ব্যস্ত মানুহ। এলেহুৱাই লজ্জাবোধ কৰিছিল। সকলোৱে স্বৰ্গদেউৰ আদেশ মানি বিল পুতি নগৰ নিৰ্মাণ কৰিছিল। নগৰ নৈৰে সংযোগ কৰিছিল। ঢোদসকলে ৰাজআলি বান্ধিছিল। অসংখ্য বনুৱাই শিল, ইটা আৰু হাঁহকণীৰ জোলেৰে তৈয়াৰী মচলাৰে কাৰেংঘৰ নিৰ্মাণ কৰিছিল।

30.3.3 **প্ৰথম পাঠভাগৰ প্ৰশ্নাৱলী**

এইবাৰ আমি এই কবিতাংশৰেই কিছু চমু প্ৰশ্ন আলোচনা কৰি নিজৰ প্ৰগতি পৰীক্ষা কৰি চাওঁহক।

১। গড়গাওঁ দেখি মাৰ নাওঁ উভতিব খোজাৰ কাৰণ কি?

২। বাঘ আৰু গৰুৱে একে ঘাটে পানী খোৱা কথাষাৰে কি বুজাইছে?

৩। বিদেশী চকু থিৰ হোৱাৰ কাৰণ কি?

৪। 'আদেশ মাথোন হয় 'সাজ'— ইয়াত কোনে কি সাজিবলৈ কৈছে?

৫। কাৰেং কেনেকৈ নিৰ্মাণ কৰা হৈছিল?

৬। ধোদে বন্ধা ৰাজ আলিটোক কি বোলা হয়?

30.3.4 **মূল পাঠ**

## মুদ্ৰিত প্ৰতিলিপিৰ দ্বিতীয় ভাগ

শাৰীশাৰী চোংঘৰ, দাঁতিত মাটিৰ গড়, আছে ভৰি সেনা জাক জাক;
একেৰাহে দিনৰাতি, চন্তৰি বাব খাটি, নগৰত মাৰে ঘনে পাক;
— সৰু বৰ বুলিবানো কাক?

পুৰঠ ভীমৰ কায়, ভ্ৰান্তি অকণো নাই, যুঁজৰ কুকুৰা যেন দেখি;
কুহম-বুলীয়া পাগ, শিৰে সতে কৰে আগ, ৰজাক জীৱন দিলে লেখি;
— বৰ ভাল লাগে সাহ দেখি।

একে একে সকলোটি, বান্ধে গড়, খানে মাটি, জাঁত জাঁত মাৰে বৰ নাও;
ব'ঠা নাই আছে হাত, দা নাই আছে দাঁত, এনে সেনা ৰাখে গড়গাওঁ
— সেই দেখি শুনি তল যাওঁ।

যুঁজৰ বাংৰি পাসে, হেংদান তুলি ললে, জাকে জাকে বাঢ়ি গ'ল আগ;
ল'লে ঘোঁৰা, ল'লে হাতী, হিলৈ, বৰষা, যাঠি, যাৰ যেনে আছে পতা ভাগ;
— শাৰী শাৰী দেখি মাথো পাগ।

গি ৰিপ্ গাৰাপ্‌কৈ গড়গাওঁ পাৰ হৈ, যায় সেনা হৈ ধ্বনি কৰি;
ভৱতি শুকায় নৈ, শিল যায় ধূলি হৈ, বসুমতী যায় যেন লৰি;
— ৰণছালি কোবে কোবে চৰি।

ঢোলত চাপৰ মাৰে, ডবাত একোব পৰে, ভোৰতালে খাওঁ খাওঁ কৰে;
মূৰত মথুৰা পাগ, বিষয়াটি বাঢ়ে আগ, ৰণুৱাই ৰণছালি ধৰে,
— গড়গাওঁ টল্‌মল্ কৰে।

বেৰে ছালে আছে কাণ, গড়গাওঁ নোহে আন, দ্ৰোহীয়াৰ মূৰ কটা যায়;
ৰজাৰ কুশল হকে, প্ৰজা আহি বলি যাচে, নিজ নিজ দেহটি শোধাই;
— এনে ৰজা পাবলৈকে নাই।

**শব্দাৰ্থ**

চোংঘৰ (বি) ঃ সৈন্য থকা ঘৰ

চন্তৰি (বি) ঃ প্ৰহৰী

বাব (বি) ঃ বিষয়

পাক (বি) ঃ ঘূৰণ

কায় (বি) ঃ দেহ, শৰীৰ

ভ্ৰান্তি (বি) - ভ্ৰম

কুহম (বি) ঃ হালধীয়া

জাঁত জাঁত (ক্ৰি বিণ) ঃ ভৰিৰে গোৰোহানি মৰা শব্দ।

হেংদাং (বি) ঃ তৰোৱাল

যাঠি (বি) ঃ শূল

ভোৰ তাল (বি) ঃ এবিধ ডাঙৰ তাল

মথুৰা পাগ (বি) ঃ ডাঙৰ পাগুৰি

টলমল (বিণ) ঃ অস্থিৰ, কম্পিত

## 30.3.5 আলোচনা

আকৌ উভতি চাওঁ আহা;

ৰাজধানী গড়গাৱঁৰ চোংঘৰবোৰ শাৰী শাৰীকৈ সজোৱা হৈছিল। সৈন্য সামন্তৰে গড় ভৰি আছিল। চন্তৰীবোৰে নগৰত দিনে নিশাই ঘূৰি ফুৰিছিল। ৰাজধানীত উচ্চ-নীচ ভোদাভেদ নাছিল। স্বাস্থ্যবান ৰাজবিষয়াসকলে মূৰত কুসুম ৰঙৰ পাগুৰি মাৰি সাহসেৰে আগ বাঢ়িছিল। তেওঁলোকে ৰাজ্যৰক্ষাৰ বাবে জীৱন পণ কৰিছিল। ৰাজধানী গড়গাওঁ সুৰক্ষিত কৰাৰ কাম সকলোৱে ঐক্যবদ্ধ ভাৱে গড়বন্ধা কামত লাগিছিল। সৈন্যসকলৰ কোনো কোনোৱে গড় বান্ধিছিল, কোনোবাই মাটি খান্দিছিল আৰু কোনোবাই নাও বাইছিল। যুদ্ধৰ সময়ত হাতত তৰোৱাল লৈ হাতী, ঘোঁৰা, হিলৈ, বৰষা, যাঠি আদি লৈ শৃংখলাবদ্ধভাৱে সাহসেৰে আগ বাঢ়িছিল। সৈন্যবাহিনী ইমান ডাঙৰ আছিল যে ৰণুৱাসকলৰ দপ্দপনিত শিলবোৰ ধূলি হৈছিল, পৃথিৱী কঁপিছিল আৰু ভৰিৰ খোজত ভৰা নৈৰ পানীও শুকাই গৈছিল। ৰণুৱাৰ ৰণচালিত গড়গাওঁ টলমল কৰিছিল। ৰজাক দাঁৰৰ বাতৰি দাঁৰে দিবলৈ চোৰাংচোৱা বাহিনী আছিল। ৰাজদ্ৰোহী সকলৰ শিৰচ্ছেদ কৰিছিল। ৰজাৰ মংগলৰ হকে প্ৰজাই স্বেচ্ছাই আত্ম বলিদান দিবলৈ আগ বাঢ়িছিল। এয়া আছিল প্ৰজাসকলৰ ৰাজভক্তি।

## 30.3.6 দ্বিতীয় পাঠভাগৰ প্ৰশ্নাৱলী

এইবাৰ আমি এই কবিতাংশৰেই কিছু চমু প্ৰশ্ন আলোচনা কৰি নিজৰ প্ৰগতি পৰীক্ষা কৰি চাওঁহক ঃ

৭। গড়ৰ দাঁতিত কোন আছিল আৰু তেওঁলোকে কি কৰিছিল ?

৮। যুঁজৰ কুকুৰাৰ লগত কাক তুলনা কৰা হৈছিল ? আৰু কিয় ?

৯। যুঁজৰ বাহিৰেও সৈন্যসকলে কি কৰিছিল ?

১০। যুঁজৰ বাতৰি পোৱাৰ লগে লগে সৈন্যসকলে কি কৰিছিল ?

১১। গড়গাঁও পাবহৈ সৈন্যসকল কেনেকৈ গৈছিল ?

> ১২। দ্ৰোহীসকলক কি শাস্তি দিয়া হৈছিল?
>
> ১৩। ৰজাৰ কুশলৰ হকে প্ৰজাসকলে কি কৰিছিল?
>
> ১৪। নগৰত চন্তৰীসকলৰ কি কাম আছিল?

## 30.3.7 মূল পাঠ

### মুদ্ৰিত প্ৰতিলিপিৰ তৃতীয় ভাগ

ৰাজসভা কিনো চাবা, স্বৰগ হাততে পাবা, চাই চকু জল্ মল্ কৰে;
পিতলৰ দাপোনত, এটি মাথো মানুহত, চাৰি পাঁচ গোট হৈ পৰে;
— দেখি বুকু ঘনকৈ লৰে।

জালিকটা সুৰুঙ্গাই, ভয়ে ভয়ে সুমুৰাই বেলিয়েও পোহৰৰ ছাটি;
বাৰৰ ফুলত পৰি, বতাহত লৰি লৰি, ওৰে দিন দিয়ে ভাগ খাটি;
— যাব পাৰে আহিলেই ৰাতি।

শাৰীশাৰী থাকে পৰা, পাটী-খেৰ-খংগা-চৰা, মানে মানে বহে মান- খোৱা;
কটকী-দুৱৰী থাকে, ডাংধৰা জাকে জাকে, ৰাজসভা চালে চকু যোৰা,
— আছে কত অহা আৰু যোৱা।

স্বৰ্গদেৱ মহাৰাজ, পিন্ধিলে ৰজাৰ সাজ, সোণচৰা সিংখাপ চোলা;
হাতে তুলি হেংদান, দেশৰ ৰাখিব মান, জুৰি বহে আসনৰ কোলা
— সুকোমল কপাহৰ জোলা।

দেশৰ বাতৰি লৈ, কটকী চোৱাৰী গৈ, আঠুকাঢ়ি সেৱাৰে জনালে;
মন্ত্ৰণা সভা কৰি, দণ্ড হাতত ধৰি, ৰাজ-কাজ সকলো কৰিলে:
— ৰাজসভা জিলিকি উঠিলে।

সপোনৰ শেষ ৰাতি, গড়গাঁও গ'লউটি, কাল সাগৰত ঢৌ খেলি;
কোনো জনে সাৰ পায়, কোনোৱে উভতি চায়, একে থৰে আছে চকু মেলি;
— ভাগে মোহ দিলে লোকে ঠেলি।

গড়গাওঁ আজি তাত, জিলিৰ শুনিবা মাত, ভাবি চালে পিছলিব পাৱ;
নোলটেও ভয় খাই, দিখৌৰেদি যোৱা নাই, ভটীয়নি, সোঁতে মাৰ নাওঁ

**শব্দাৰ্থ**

জলমল (বিশ্ব) : জিৰবিৰ

জালিকটা (বি) : জালৰ পাহিৰ দৰে ফুটা থকা

সুৰুংগা (বি) : জলঙা, সৰুফুটা বা বিন্ধা

কটকী (বি) : ৰাজদূত

দুৱৰী (বি) : দুৱাৰৰ ৰখীয়া

জোলা (বি) : কপাহৰ ফুটা

মাৰনাও (বি) : দুখন ডাঙৰ নাও যোৰ লগাই কৰা বিশাল বেপাৰৰ নাও।

চোৱাৰী (বি) : ঘোঁৰাত উঠালোক।

বিতুৰ্তি (বিণ) : আচৰিত হোৱা

শাঁত (বিণ) - জুৰ, চেঁচা

লীন (বিণ) : আন বস্তুৰে সৈতে মিলি এক হোৱা

— ভবি ভাবি বিচুৰ্তি যে খাওঁ।

নাই সেনা, নাই হাট, নাই পানী, নাই বাট, নাই ৰজা, ৰাজসভা তাত;
কাৰেঙৰ চিন আছে, দেৱে তাত ৰাতি নাচে, মৰণৰ মেলা আছে হাত,
— গড়গাওঁ পৰি গ'ল শাঁত।

শ্মশান-বলিয়া কবি, শোকৰ বিচাৰি ছবি, আছে তাত বহি ৰাতি দিন;
হুমুনিয়া এটি পাই, বতাহেও লৈ যায়, তাকে আনি দিয়ে মাথো চিন;
— বাকী সকলোটি কালে লীন।

পগলা কবিৰ গাত, মাৰে যেন চাট্ চাট্ কাৰেঙৰ ইটা খহি আহি;
শ্মশান বিচাৰি ফুৰা, লাগে মাথো জুই কুৰা, থাকিব যে নোৱাৰে সি নাহি,
— শ্মশানতো ফুলে ফুলে পাহি।

## 30.3.8 আলোচনা

আকৌ উ ভতি চাওঁ আহা;

ৰজাৰ ৰাজসভা চালে চকুৰোৱা ধৰণৰ আছিল। সভাগৃহৰ চৌপাশৰ বেৰত লগোৱা পিতলৰ ফলিবোৰে দাপোণৰ কাম কৰিছিল; তাত একোজন মানুহকেই চাৰি-পাঁচ যেন দেখা গৈছিল। সভাঘৰত থকা জালিকটা সুৰুঙাৰে পোহৰ নিক্ষেপ কৰিবলৈ যেন বেলিয়েও ভয় কৰিছিল! সভাগৃহত শাৰী শাৰীকৈ বিভিন্ন ধৰণৰ বহা আসনৰ ব্যৱস্থা আছিল। কটকী-দুৱৰী, ডাং ধৰা আদিয়ে ৰাজসভা সুৰক্ষিত কৰিছিল। মানুহৰ সঘন -যাতায়াত আছিল। স্বৰ্গদেৱে ৰাজকীয় সাজপাৰ পৰিধান কৰি হাতত তৰোৱাল লৈ সুকোমল আসনত বহিছিল। কটকী চোৰাৰীসকলে দেশৰ বা-বাতৰি ৰজাৰ ওচৰত আঠু লৈ জনাইছিল। সেইমৰ্মে পৰিষদবৰ্গৰ লগত আলোচনা কৰি ৰজাই যথাবিহিত ৰাজকাৰ্য্যত ব্ৰতী হৈ পৰিছিল। সকলো দিশৰ পৰাই ৰাজসভা জাতিষ্কাৰ হৈ পৰিছিল।

কালৰ কুটিল চক্ৰত পৰি সেই ঐতিহ্যমণ্ডিত গড়গাওঁ ধ্বংসপ্ৰাপ্ত হ'ল। ৰাজধানী গড়গাঁৱৰ প্ৰতি সকলোৰে মোহ ভংগ হৈ পৰিল। দীন-হীন গড়গাঁৱৰ কাৰেঙৰ ধ্বংসাৱশেষ আছে আৰু আছে ভয়ৰ আশংকা। গড়গাওঁ আজি নিমাত নিস্তব্ধ। গড় গাঁৱৰ শোকাবহ দৃশ্য দেখি কবিয়ে দিনে ৰাতিয়ে দুখৰ হুমুনিয়াহ কাঢ়িছে। শোকত হিয়াভঙা কবিয়ে শ্মশানৰ তুল্য পুনৰুত্থান আশা কৰিছে।

তুমি মন কৰিছা নে কবিতাটো কেনে ধ্বনি প্ৰধান? ইয়াৰ প্ৰত্যেকটো শাৰীয়েই

স্পন্দিত। প্ৰতিশাৰীতে একে ধ্বনিৰে শেষ হোৱা একাধিক শব্দ থকাৰ উপৰি শব্দবোৰ পুনৰাবৃত হোৱাত কবিতাটোৱে সাংগীতিক লয় সৃষ্টি কিৰিছে।

## 30.3.9 তৃতীয় পাঠভাগৰ প্ৰশ্নাৱলী

এইবাৰ আমি এই কবিতাংশৰেই কিছু কিছু প্ৰশ্ন আলোচনা কৰি নিজৰ প্ৰগতি পৰীক্ষা কৰি চাওঁহক।

১৫। ৰাজসভা দেখি বুকু ঘনকৈ লবাৰ কাৰণ কি?

১৬। সভাগৃহত শাৰী শাৰীকৈ কি পৰা থাকে?

১৭। কেৰিয়ে ৰাজসভাখনৰ প্ৰতি কেনেধৰণৰ ব্যৱহাৰ কৰে বুলি কবিয়ে কৈছে?

১৮। স্বৰ্গদেউৱে কেনে বেশভূষা পিন্ধি সিংহাসনত বহে?

১৯। স্বৰ্গদেউৰ আসনখন কেনে আছিল?

২০। গড়গাঁৱত এতিয়া কিহৰ মাত শুনিবলৈ পোৱা যায়?

২১। গড়গাঁৱত এতিয়া কিহৰ চিন আছে?

## 30.4 মূলপাঠৰ সাৰাংশ

কবিয়ে গড়গাঁও কবিতাটোৰ মাজেৰে একালৰ আহোম ৰাজধানী গড়গাঁওৰ ঐতিহ্যমণ্ডিত ৰূপ সুন্দৰভাৱে ফুটাই তুলিছে। ৰাজধানী নগৰখনৰ বাহিৰৰ চৌদিশে মানুহ তল যোৱা ধৰণৰ আহল-বহল গড়খাৱৈ খন্দা আছিল। ৰাজধানীখন ইমান আকৰ্ষণীয় হৈ উঠিছিল যে তাৰ বাট-পথ দেখিলেই ভৰি থমকি ৰব খোজে— ভটীয়াই যোৱা মাৰ নাওঁখনো গড়গাঁৱৰ আকৰ্ষণত উজাই আহিব খোজে। প্ৰভাৱশীল স্বৰ্গদেউৰ শাসনত শত্ৰু-মিত্ৰ একেলগে থাকিব পাৰিছিল।

ৰাজধানী গড়গাঁৱলৈ বিদেশীৰ শেন দৃষ্টি। নগৰ ৰক্ষাৰ বাবে সদায় সেনানী সষ্টম। তাত বিভিন্ন বেশধাৰীলোকৰ অবিৰত যাতায়াত আৰু হাইউৰুমি। বনুৱাসকল ৰাতি দিনেই নগৰ নিৰ্মাণত ব্যস্ত। ঢোদেও ৰাজআলি বান্ধে। ৰাজমিস্ত্ৰীয়ে চোংঘৰ বোৰ

শাৰীশাৰীকৈ সজাইছে। সৈন্য-সামন্তই গড় বান্ধিছে। নগৰ ৰক্ষা কৰিবলৈ যুদ্ধৰ বাবে সাজু হৈ আছে । চন্তৰিসকলে দিনে ৰাতিয়ে পহৰা দি আছে। যুদ্ধৰ ইংগিত পালে অস্ত্র-শস্ত্রলৈ সৈন্যসকলে ঘোঁৰা, হাতী, হিলৈ, বৰষা, যাঠি আদি ভাগে ভাগে লৈ প্রবল বিক্রমেৰে জয়ধ্বনি কৰি যুদ্ধত জপিয়াই পৰে। ঢোল আৰু ভোৰতালৰ ধ্বনিয়ে গড়গাওঁ মুখৰিত কৰে। প্রজাসকলে ৰজাৰ মংগলৰ বাবে আত্ম বলিদান দিবলৈ তৎপৰ। জালিকটা সুৰুঙাৰে বেলিৰ পোহৰ সোমোৱাবলৈ ভয় কৰে। ৰাজসভা সুসজ্জিত দুৱৰী, ডাংধৰা আদিৰে সুৰক্ষিত। মুঠতে ৰাজসভাখন স্বৰ্গ সদৃশ হৈ পৰে। ৰজাই সিংখাপৰ চোলা পিন্ধি হাতত তৰোৱাল লৈ কপাহৰ কোমল আসনত বহে। কটকীয়ে দেশৰ খবৰ দিয়ে। মন্ত্রণা সভাত আলোচনা চলে। কালৰ সোঁতত সেই ঐতিহ্যমণ্ডিত গড়গাওঁ ধ্বংস হৈ গ'ল। এতিয়া তাত জিলিৰ মাত শুনিবলৈ পোৱা যায়।

## 30.5 কাব্যিক সৌন্দৰ্য্য

গড়গাওঁ কবিতাটোত গড়গাঁও নগৰৰ উন্নতি-অৱনতিৰ চিত্র প্রকাশ কৰাৰ কৌশল প্রশংসনীয়। কবিতাটোত বিষয়বস্তুৰ সুষমা আছে। অনুপ্রাসৰ যথেষ্ট ব্যৱহাৰ হৈছে; যেনে, পাৰ, নগৰৰ দেওলগা ঘাটে, উজুটিত ভাগে দাঁত, কোঢালত হৰে মাত; বিলত নগৰ হয়, নগৰত নৈ বয়; পূৰঠ ভীমৰ কায়, বেৰে ছালে আছে কাণ, গড়গাওঁ নোহে আন, ৰাজসভা কিনো চাবা , স্বৰগ হাততে পাবা; সোণ চৰা সিংখাপ চোলা; শ্মশান বিচাৰি ফুৰা, লাগে মাথো জুই কুৰা; বেৰৰো কাণ আছে ইত্যাদি প্রবাদ বাক্যসমূহে কবিতাটোৰ সোণত সুৱগা চৰাইছে। সেইবাবে কবিতাটো পাঠকৰ মনোগ্রাহী হৈ পৰিছে।

কবিতাটোত আহোম স্বৰ্গদেউসকলৰ সমন্বয়সূচক শাসন ব্যৱস্থা, শত্রু-মিত্রৰ সহঅবস্থান, নিৰ্ভীকতা আৰু স্বদেশ প্রেমৰ কথাও প্রকট হৈ উঠিছে। শব্দচয়ন আৰু উপস্থাপন ৰীতি আকর্ষণীয় হৈছে। ৰজাৰ ৰাজসভাৰ হুবহু বৰ্ণনা কবিতাটোৰ মাজেৰে স্পষ্টভাৱে ফুটি উঠিছে। এসময়ৰ চালে চকুৱোৱা গড়গাঁও নগৰৰ করুণ পৰিণতিৰ বৰ্ণনা বাস্তৱধর্মী আৰু হৃদয়স্পর্শী হৈ উঠিছে।

আহোম ৰাজত্বকালৰ ইতিহাস প্রসিদ্ধ গড়গাঁও হেন এখন পুৰণি নগৰৰ ঐতিহ্যৰ বাস্তৱ তথ্য স্খলিত দৃষ্টিভংগীৰে ছন্দোবদ্ধ কৰি পঢ়ুৱৈৰ জ্ঞান, চিন্তা আৰু অনুভূতিৰ খোৰাক যোগাব পৰাত কবি বৰুৱাদেৱ কৃতকাৰ্য্য হ'ব পাৰিছে। কবিতাটোত মিত্রাক্ষৰ ছন্দ প্রয়োগ হৈছে, ইয়াৰ শব্দচয়ন আৰু বৰ্ণনাৰ লালিত্যই পাঠক মাত্রৰে হৃদয়ত ঝংকাৰ তুলি থৈ যায়। এনে ধ্বনি প্রধান কবিতা অসমীয়াত বিৰল।

## 30.6 টোকা

**গড়গাঁও ঃ** গড়গাওঁ অসমৰ শিৱসাগৰ জিলাৰ নাজিৰা চহৰৰ ওচৰৰ এখন ঠাই। ই আছিল আহোম যুগৰ স্বৰ্গদেউসকলৰ পুৰণি সমৃদ্ধিশালী ৰাজধানী। চালে চকুৱোৱা ৰাজধানী গড়গাওঁ স্থায়ী ৰাজধানীত পৰিণত হৈছিল। **১৫৩৯** খৃষ্টাব্দত স্বৰ্গদেউ চুক্লেনমুঙে ওচৰৰে দিখৌ নৈৰ পাৰলৈ ৰাজধানীখন তুলি নিছিল। পিচত উক্ত ৰাজধানীখনেই ৰংপুৰ নামে জনাজাত হয়।

**মথুৰাপাগ ঃ** দাঙৰ পাগুৰি। আহোম স্বৰ্গদেউসকলৰ ৰাজবিষয়াসকলে মূৰত এনেকুৱা পাগুৰি মাৰিছিল।

**দ্ৰোহীয়া ঃ** বিদ্ৰোহী লোক। আহোম স্বৰ্গদেউসকলৰ দিনত বিদ্ৰোহ কৰা লোকসকলৰ শিৰচ্ছেদ কৰা হৈছিল।

**ডাংধৰা ঃ** আহোম স্বৰ্গদেউসকলৰ পহৰা দিয়া লোক। ৰাজসভা বহাৰ সময়ত ডাংধৰাসকলে পহৰা দি থাকে।

**সিংখাপ চোলা ঃ** সোণৰ গুণাৰে ফুল তোলা আঠুলৈকে বৈ পৰা ঢিলা ৰেছমৰ চোলা। এনে চোলা আহোম স্বৰ্গদেউসকলে পৰিধান কৰিছিল।

**ৰণ-চালি ঃ** ৰণ কৰিবলৈ যোৱাৰ আগতে আখৰা কৰোঁতে ধৰা চেও।

**ধোদৰ আলি ঃ** আহোম ৰাজত্বকালত ধোদসকলে নিৰ্মাণ কৰা আলি বা বাট-পথ।

**চোং ঘৰ ঃ** আহোম ৰাজত্ব কালত নগৰ ৰক্ষাৰ কাৰণে সৈন্য ৰখা ঠাই।

**যুঁজৰ কুকুৰা ঃ** যুঁজৰ বাবে ফেপেৰি পাতি থকা।

**অনুপ্ৰাস ঃ** একে বা সমান স্থানৰ পৰা উচ্চাৰিত বৰ্ণৰ ওচৰা-উচৰিকৈ একাধিকবাৰ প্ৰয়োগ হোৱা সাহিত্যৰ শব্দালংকাৰ বিশেষ।

## 30.7 সাধাৰণ অনুশীলনী

### 30.7.1 পাঠভিত্তিক প্ৰশ্নাৱলী

**২২। তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়া ঃ**

ক) কবি বিনন্দচন্দ্ৰ বৰুৱাক কি কবি বুলি জনা যায়? কিয়?

খ) কবি বিনন্দচন্দ্ৰ বৰুৱাৰ কবিতা পুথি দুখনৰ নাম লিখা।

গ) ৰজাৰ ৰাজকাৰেং কেনেকুৱা আছিল?

ঘ) ৰজাৰ সৈন্যবাহিনীৰ সাহপিত কেনে আছিল?

ঙ) 'উভতিব খোজে মাৰ নাওঁ'— মাৰ নাও কিয় উভতিব খোজে?

চ) 'সপোনৰ শেষ ৰাতি, গড়গাঁও গ'ল উটি'— ইয়াৰ দ্বাৰা কবিয়ে কি বুজাইছে?

ছ) গড়গাঁওৰ ওচৰত থকা নৈ খনৰ নাম কি?

জ) 'কুহুমবুলীয়া পাগ; শিৰে স'তে কৰে আগ,— কুহুমবুলীয়া পাগ কোনে মাৰিছিল?

ঝ) 'গড়গাঁও' কবিতাটোত কবিয়ে কোনটো যুগৰ কথা উল্লেখ কৰিছে?

ঞ) কাৰেংঘৰটো কিহেৰে নিৰ্মিত আছিল?

ট) ৰাজসভাখনৰ এটা চমু বৰ্ণনা দিয়া।

**২৩। তলত উল্লেখ কৰা কবিতা কেইশাৰী গদ্যত লিখা।**

ক) বিলত নগৰ হয়, নগৰত নৈ বয়, ধোদে তাৰ বান্ধে ৰাজ আলি;

খ) গিৰিপ্ গাৰাপ্কৈ, গড়গাওঁ পাৰহৈ, যায় সেনা হৈ ধ্বনি কৰি,

গ) নাই সেনা,নাই ঘাট, নাই পানী, নাই বাট, নাই ৰজা, ৰাজসভা তাত;

কাৰেঙৰ চিন আছে, দেৱে তাত ৰাতি নাচে, মৰণৰ মেলা আছে হাত, গড়গাঁও পৰি গ'ল শাঁত।

**২৪। তলৰ খালী ঠাইবোৰত উপযুক্ত শব্দ বহুৱাই পূৰ কৰা।**

ক) বিলত .......... হয়, নগৰত..........বয়, ............ তাৰ বান্ধে ৰাজ আলি।

খ) শাৰী শাৰী........., দাঁতিত মাটিৰ......., আছে ভৰি...........জাক জাক

গ) বেৰে ছালে আছে......, গড় গাঁও নোহে........., মূৰ কটা যায়।

ঘ) দেশৰ বাতৰি লৈ ......... চোৰাৰী গৈ,...........সেৱাৰে জনালে।

ঙ) শ্মশান........... ফুৰা, লাগে........ জুইকুৰা, থাকিব .........নোৱাৰে সি নাহে।

**২৫। কবিতাটো পঢ়া আৰু আবৃত্তি কৰা।**

**২৫ ক) এটা শব্দ বা এটা খণ্ড বাক্যত প্ৰকাশ**

২৬। কিছুমান বাক্য বা খণ্ড বাক্য এটা শব্দত প্ৰকাশ কৰিব পাৰি। তলত দিয়া বাক্যকেইটাৰ লগত বৰ্জিতা খোৱা শব্দকেইটা মূল পাঠৰ পৰা বাছি উলিওৱা ঃ

ক) ভটীয়াই যোৱা সোঁত

খ) পানীৰে যোৱা কাঠেৰে নিৰ্মিত বাহন

গ) বিদেশৰ পৰা অহা লোক

ঘ) নিজ দেশত থকা লোক

ঙ) বন কৰা লোক

চ) কুহুমৰ দৰে বোল যাৰ

ছ) দ্ৰোহ আচৰণ কৰা লোক

জ) ডাং ধৰি পহৰা দিয়ে যি

ঝ) দুৱাৰৰ কাষত থকা লোক

ঞ) কাম কাজ কৰিব নোখোজা লোক

## খ) সমাৰ্থক আৰু বিপৰীতাৰ্থক শব্দ

২৭। তলৰ  শব্দবোৰৰ সমাৰ্থক শব্দ লিখাঁ ঃ

ক) শিৱ        খ) কায়        গ) হাতী

ঘ) বসুমতী        ঙ) জুই        চ) কুশল

ছ) বেলি        জ) পোহৰ        ঝ) সাগৰ

ঞ) হেংদান

**২৮। তলৰ শব্দবোৰৰ বিপৰীতাৰ্থক শব্দ লিখাঁ ঃ**

ক) পিছল        খ) বিদেশী        গ) থিৰ

ঘ) ওখ        ঙ) ইচ্ছা        চ) স্বৰ্গ

ছ) শেষ        জ) স্বৰগ

## গ) খণ্ডবাক্য আৰু জতুৱা ঠাঁচ

২৯। তলত উল্লেখ কৰা খণ্ডবাক্য আৰু জতুৱা ঠাচৰ প্ৰত্যেকটিৰে একোটিকৈ অৰ্থ প্ৰকাশক  বাক্য সাজা ঃ

ক) ওলট-পালত        খ) হাতে-বাটে        গ) যুঁজৰ কুকুৰা

ঘ)কুহুমবুলীয়া        ঙ) গিৰিপ্-গাৰাপ্        চ) টল্‌মল্ কৰ

ছ) জল্‌মল্ কৰ        জ) ভটীয়নি সোঁত        শ) বিচুৰ্তি খা।

## ঘ) প্ৰত্যয় বিন্যাস

**৩০। তলত দিয়া শব্দকেইটাৰ প্ৰত্যয় ভাঙি দেখুৱা ঃ**

ক) ভটীয়নি        খ) দ্ৰোহীয়া        গ) বনুৱা

ঘ) আঠুকাঢ়ি        ঙ) স্বদেশী        চ) ৰণুৱা

ঙ)

## শব্দৰ শ্ৰেণী পৰিবৰ্তন

**৩১। বিশেষ্যক বিশেষণ আৰু বিশেষণক বিশেষ্যলৈ নিয়া ঃ**

| | | | |
|---|---|---|---|
| পানী | স্বদেশী | লাজ | |
| স্বৰ্গ | নগৰ | শিল | |
| ভ্ৰান্ত | বুলীয়া | সাহ | |
| ফুল | ঢোল | দ্ৰোহীয়া | ৰণুৱা |

## 30.8 চমু প্ৰশ্নৰ উত্তৰ সংকেত

### 30.8.1 মুদ্ৰিত প্ৰতিলিপিৰ প্ৰথমভাগৰ প্ৰগতি পৰীক্ষাৰ উত্তৰ

১। গড়গাঁৱৰ সৌন্দৰ্য্য দেখি।

২। শত্ৰুমিত্ৰৰ [illegible] অৱস্থান বুজাইছে।

৩। গড়গাঁৱৰ উন্নত অৱস্থা দেখি।

৪। নগৰ সজাৰ কথা কৈছে।

৫। শিল, ইটা আৰু হাঁহ কণীৰ জোলেৰে।

৬। ধোদৰ আলি।

### 30.8.2 মুদ্ৰিত প্ৰতিলিপিৰ দ্বিতীয় ভাগৰ প্ৰগতি পৰীক্ষাৰ উত্তৰ

৭। মাটিৰ গড় ভৰি থকাসেনাৰ জাক। তেওঁলোকে দিনে ৰাতিয়ে নগৰত পাক মাৰিছিল।

৮। সেনা সকলক।

৯। সৈন্যসকলে গড়বন্ধা, মাটি খন্দা আৰু নাও বোৱা কাম কৰিছিল।

১০। হাতত তাৰোৱাল লৈ নিজৰ নিজৰ ঘোঁৰা, হাতী, হিলৈ বৰষা যাঠি সহ শাৰী পাতি সাজু হৈ থাকে।

১১। জয়ধ্বনি কৰি।

১২। শিৰচ্ছেদ কৰা হৈছিল।

১৩। আত্ম বলিদান দিছিল।

১৪। নগৰখন চোৰাচিতা কৰা।

## 31.8.3 মুদ্রিত প্রতিলিপিৰ তৃতীয় ভাগৰ প্রগতি পৰীক্ষাৰ উত্তৰ

১৫। চকু জল্‌মলায়, পিতলৰ দাপোনত এজন মানুহকেই চাৰি-পাঁচজন দেখি।

১৬। পাটী, খেৰ, থংগা, ঢাৰি আদি আসন।

১৭। চালে চকু ৰোৱা বুলি কৈছে।

১৮। সোণচৰা সিংখাপ চোলা।

১৯। সুকোমল কপাহৰ জোলা আছিল।

২০। জিলিৰ মাত

২১। কাৰেঙৰ চিন।

২২, ২৩, আৰু ২৫ নম্বৰ প্ৰশ্নৰ উত্তৰ দি য়া হোৱা নাই

২৪। খালী ঠাই পূৰণ ঃ

ক) নগৰ, নৈ, ঢোদে

খ) চোংঘৰ, গড়, সেনা

গ) কাণ, আন, দ্ৰোহীয়াৰ

ঘ) কটকী, আঠুকাঢ়ি

ঙ) বিচাৰি, মাথো, যে

**২৫। ক) এটা শব্দত বা এটা খণ্ড বাক্যত প্ৰকাশ ঃ**

২৬। ক) ভটীয়নি　　খ) নাও　　গ) বনুৱা

ঘ) স্বদেশী　　ঙ) বনুৱা　　চ) কুহুমবুলীয়া

ছ) দ্ৰোহী　　জ) ডাংধৰা　　ঝ) দুৰৱী

**খ) সমাৰ্থক আৰু বিপৰীতাৰ্থক শব্দ ঃ**

২৭। ক) মুৰ　　খ) দেহ, শৰীৰ　　গ) গজ, ঐৰাৱত

ঘ) পৃথিৱী, ধৰণী　　ঙ) অগ্নি　　চ) মংগল

ছ) সূৰ্য্য, দিবাকৰ　　জ) আলো　　ঝ) সমুদ্ৰ

ঞ) তৰোৱাল

২৮। ক) খহটা　　খ) স্বদেশী　　গ) অথিৰ

ঘ) চাপৰ　　ঙ) অনিচ্ছা　　চ) মৰ্ত্ত্য

ছ) আদি　　জ) মৰত

**গ) খণ্ডবাক্য আৰু জতুৱা ঠাঁচ**

২৯।

(১) নতুন বিষয়াজন আ　কাৰ্য্যালয়ৰ নথি-পত্ৰবোৰ ওলট-পালত কৰি পেলালে।

(২) লক্ষ্যহীনভাৱে হাটে-বাটে ঘূৰি ফুৰা মানুহৰ কেতিয়াও উন্নতি নহয়।

(৩) যুঁজৰ ক কৰাই সদায় যুঁজ কৰি থাকিবলৈ ভাল পায়।

(৪) কুহুমবুলীয়া সাজপাৰ দেখিবলৈ শুৱনি।

(৫) যুদ্ধৰ সৈনিকসকলে গিৰিপ্-গাৰাপ্কৈ অহা-যোৱা কৰে।

(৬) ৰ'দত যুদ্ধৰ তৰোৱালবোৰ টলমলকৈ উঠা দেখা যায়।

(৭) বেলিৰ পোহৰে পানীত জলমল্ কৰে।

(৮) ভটীয়নি সোঁতেৰে নাও চলাই নিয়া বৰ সহজ।

(৯) ঐতিহ্যমণ্ডিত গড়গাৱৰ ধ্বংসাৱশেষ দেখি কবিয়ে বিচুৰ্তি খাই উঠিছে।

ঘ) প্ৰত্যয় বিন্যাস ঃ

| | | |
|---|---|---|
| ৩০। ভাটী+অনি | দ্ৰোহ +ঈয়া | বন + উৱা |
| আঠুকাঢ়+ই | স্বদেশ+ঈ | ৰণ+উৱা |

ঙ) শব্দৰ শ্ৰেণী পৰিবৰ্তন ঃ

৩১। পনীয়া, স্বদেশ, লাজকুৰীয়া, স্বৰ্গীয়, নগৰীয়া, শৈল, ভ্ৰান্ত, বোল, সাহিয়াল, ঢুলীয়া, ফুলাম দ্ৰোহ, ৰণ।

## 30.9 অতিৰিক্ত পঠন উপদেশ

অসমীয়া কবিতা সম্পৰ্কে বিস্তৃতভাৱে জানিবলৈ হলে তোমালোকে বাতৰি কাকত আৰু আলোচনীত প্ৰকাশ পোৱা কবিতা সম্পৰ্কীয় প্ৰবন্ধসমূহ অধ্যয়ন কৰাৰ উপৰি নিম্নোক্ত কিতাপ কেইখন পঢ়িব পাৰা ঃ

১। এশ বছৰৰ অসমীয়া কবিতা- হোমেন বৰগোহাঞিঃ

২। সঞ্চয়ন - ড° মহেশ্বৰ নেওঁগ

৩। নতুন কবিতা - ড° মহেন্দ্ৰ বৰা

## 30.10 ছাত্ৰ-ছাত্ৰীক প্ৰশ্ন কৰিবলৈ দিয়া সংকেত

গড়গাঁও বা আহোম ৰাজধানী সম্পৰ্কে কিবা জানিব খুজিলে প্ৰশ্ন পঠাবা।

# মানৱ অধিকাৰ

ৰচনা ঃ সুৰেন্দ্ৰ মোহন ঠাকুৰীয়া

## 31.1 পাতনি আৰু উদ্দেশ্যাৱলী

আগৰ পাঠসমূহ পঢ়ি তুমি কবিতা, গল্প, জীৱনী, কাৰ্য্যালয়ৰ টোকা, ৰাজহুৱা বিভাগৰ নথিপত্ৰ, বিজ্ঞান আদি বিভিন্ন বিষয়ৰ ৰচনা পঢ়িবলৈ পাইছা। এই পাঠৰ যোগেদি তুমি সমাজ-বিজ্ঞান তথা ৰাজনৈতিক-বিজ্ঞান সম্পৰ্কীয় বিষয় এটাৰ লগত পৰিচিত হ'বা।

মানৱ অধিকাৰ সম্পৰ্কে তুমি নিতৌ কাগজে-পত্ৰই পঢ়িবলৈ পাইছা। এই বিষয়ে কিছুকথা জানিলেও সকলো কথা তোমাৰ মনত স্পষ্ট নহ'ব পাৰে। এই প্ৰবন্ধই তোমাৰ মনত মানৱ অধিকাৰ সম্পৰ্কে এটা স্পষ্ট ধাৰণা দিব। মানুহ হিচাপে পৃথিৱীত জন্ম-গ্ৰহণ কৰিলেই আমি এক প্ৰকাৰ স্বত্বৰ অধিকাৰী হওঁ। এই অধিকাৰসমূহ সাৰ্বজনীন; পৃথিৱীৰ সকলো মানুহেই এই অধিকাৰৰ গৰাকী। কিছুমান মানৱ অধিকাৰ সম্পূৰ্ণ গ্ৰাহ্য কৰিলে ৰাষ্ট্ৰ অসুবিধাৰ সন্মুখীন হয়; যেনে- এই অধিকাৰসমূহ অনুসৰি বিনা বিচাৰে ব্যক্তিক আটক কৰি ৰাখিব নোৱাৰি; অথচ আমাৰ দেশত উগ্ৰপন্থী চৰিওফালে এনেকৈ পিয়াপি দি থাকে যে সন্দেহকযুক্ত লোকক বিনা বিচাৰে কিছুদিন আটক কৰি নাৰাখিলে দেশ চলিব নোৱাৰে। এই কাৰণে আমাৰ দেশে মানৱ অধিকাৰৰ তৰ্তালিকাৰ কিছু দফা কাৰ্যাকৰী নকৰিবলৈ সিদ্ধান্ত কৰিছে।

এই পাঠ পঢ়িলে তুমি

- ◆ মানৱ অধিকাৰ সম্পৰ্কে ভালদৰে জানিবলৈ পাবা,
- ◆ মানৱ অধিকাৰ আন্দোলনৰ ইতিবৃত্ত জানিবলৈ পাবা,
- ◆ মানুহৰ প্ৰতি সহৃদয়তা, সহানুভূতি অনুভৱ কৰিবা,
- ◆ মানৱ অধিকাৰৰ নিয়ন্ত্ৰণ-বিহীন প্ৰয়োগে কেনেকৈ ৰাষ্ট্ৰক বিমোৰত পেলায়, তাকো জানিবলৈ পাবা,

◆ কিছুমান সমাজ-বিজ্ঞান সম্পৰ্কীয় শব্দ, খণ্ডবাক্য আৰু সাধাৰণ খণ্ডবাক্যৰ লগত পৰিচিত হ'বা।

## 31.2 মূলপাঠ

### 31.2.1 মুদ্ৰিত প্ৰতিলিপিৰ প্ৰথমভাগ

#### মানৱ অধিকাৰৰ সংজ্ঞা

'মানৱ' মানে মানুহ বা মনুষ্য। 'অধিকাৰ' মানে শাসন, ৰাজত্ব, আধিপত্য, দখল, আক্ৰমণ, প্ৰভুত্ব স্থাপন কৰা, পাৰ্গতালি, জ্ঞান, স্বত্ব, ক্ষমতা ইত্যাদি। ইয়াত 'মানৱ অধিকাৰ' মানে মানুহৰ স্বত্বক বুজোৱা হৈছে।

যিবোৰ অধিকাৰ মানৱ সমাজৰ প্ৰত্যেক ব্যক্তিয়েই উপভোগ কৰি সমাজত মৰ্যাদাপূৰ্ণভাৱে জীৱন যাপন কৰিব পাৰে, সেই অধিকাৰসমূহেই হ'ল মানৱ অধিকাৰ। উদাহৰণ স্বৰূপে- প্ৰত্যেক ব্যক্তিৰেই স্বাধীনভাৱে নিজকে ৰক্ষা কৰি জীৱন ধাৰণ কৰাৰ স্বত্ব আছে। সমাজৰ ব্যক্তি, অনুষ্ঠান, বা সামাজিক দলে যাতে কোনো ব্যক্তি তথা সমাজক অনিষ্ট কৰিব নোৱাৰে, তাৰ বাবে নীতি বা আইন কৰা হৈছে আৰু সেই আইন মতে চৰকাৰে ব্যক্তি আৰু সমাজক সমাজ-বিৰোধী শক্তিৰ পৰা ৰক্ষা কৰে; তথাপি, জন্ম, স্থান আদিক লৈ ভেদা-ভেদৰ সৃষ্টি হয়, সংঘৰ্ষ গঢ়ি উঠে আৰু তাৰ ফলত দুৰ্বল ব্যক্তি আৰু সমাজৰ অনিষ্ট ঘটে। এই অনিষ্টকাৰী শক্তিৰ হাতৰ পৰা মানুহৰ মৰ্যাদা ৰক্ষা পৰাৰ ধাৰণাই হ'ল মানৱ অধিকাৰৰ উৎস।

#### মানৱ অধিকাৰ জাগৰণৰ ইতিবৃত্ত

পুৰণি কালত 'ধৰ্ম' আৰু প্ৰাকৃতিক নিয়মৰ ভেটিতেই প্ৰাকৃতিক অধিকাৰৰ সূত্ৰপাত হয়। প্ৰাকৃতিক অধিকাৰৰ ধাৰণাৰ পৰাই মানৱ অধিকাৰৰ ধাৰণাই মানুহৰ মনত ঠাই পাইছে বুলি পণ্ডিতসকলে মতামত দিছে। মানৱ জীৱনৰ পূৰ্ণ বিকাশৰ বাবে তেৰশ শতিকাৰ আগছোৱাতেই ইংলেণ্ডত এখন 'মহাচনদ' ঘোষণা কৰা হৈছিল, এই চনদত থকা অধিকাৰৰ বীজেই প্ৰৱাহিত হৈ বৰ্তমানৰ 'মানৱ অধিকাৰ'ত পৰিণত হৈছে। তদুপৰি সোতৰশ শতিকাৰ শেষ ভাগত 'বিল অৱ ৰাইটচ', ১৭৮৯ চনৰ ফৰাচী বিপ্লৱ, আমেৰিকাৰ স্বাধীনতা সংগ্ৰাম আদিক মানৱ অধিকাৰৰ বাটকটীয়া আৰু সাৰ্থক প্ৰচেষ্টা বুলি কোৱা হৈছে। মানৱ অধিকাৰৰ ধাৰণা প্ৰাচীন হ'লেও প্ৰকৃতপক্ষে দ্বিতীয় মহাসমৰৰ পাছৰ পৰাহে ই অধিক শক্তিশালী হৈ উঠে।

**শব্দাৰ্থ**

আধিপত্য (বি) ঃ প্ৰভুত্ব, কৰ্তৃত্ব, ৰাজত্ব।

মৰ্যদা, মৰ্য্যাদা (বি) ঃ মান সম্ভ্ৰম, গৌৰৱ

অনুষ্ঠান (বি) ঃ ধৰ্ম, কৰ্ম, শিক্ষা আদিৰ স্থান

সংঘৰ্ষ (বি) ঃ পৰস্পৰ ঘৰ্ষণ বা আঘাত, ধাক্কা খুন্দা, কাজিয়া

উৎস (বি) ঃ উৎপত্তি ঠাই।

ধৰ্ম (বি) ঃ সৎকৰ্ম, সদাচাৰ, পুণ্য কৰ্ম, কৰ্ম, কৰ্ত্তব্য।

বিকাশ (বি) ঃ প্ৰকাশ, অভিব্যক্তি, ওলোৱা কাৰ্য্য।

বাটকটীয়া (বিণ) ঃ পথ-প্ৰদৰ্শক, বাট দেখুৱাওঁতা।

দ্বিতীয় মহাসমৰৰ ধ্বংসলীলাই সমগ্ৰ মানৱ জতিৰ অস্তিত্বলৈ ভাবুকি দিলে। তাৰ ফলত ১৯৪৫ চনৰ ২৬ জুনত গৃহীত হোৱা ৰাষ্ট্ৰসংঘৰ চনদৰ প্ৰথম অনুচ্ছেদতে ঘোষণা কৰা হ'ল ঃ

'বিশ্বৰ মানৱ জাতিৰ মাজত জাতি, ধৰ্ম, লিংগ আৰু ভাষাৰ ভিত্তিত কোনো ভেদাভেদ নাৰাখি আন্তৰ্জাতিক সহযোগিতা আদায়, তথা মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ উন্নতি আৰু উদ্‌গনিৰ প্ৰতি সন্মান জনাই এই চনদ গ্ৰহণ কৰা হ'ল।'

কিন্তু এই চনদৰ প্ৰস্তাৱসমূহ কাৰ্য্যকৰী কৰাৰ বাবে ৰাষ্ট্ৰসংঘৰ তেনে কোনো সংস্থা নাছিল। গতিকে প্ৰস্তাৱ ভংগকাৰী ৰাষ্ট্ৰৰ ওপৰত কোনো অনুশাসনমূলক ব্যৱস্থা লোৱা সম্ভৱ হোৱা নছিল। এই কাৰণে ১৯৪৮ চনৰ ১০ ডিচেম্বৰ তাৰিখে ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে 'মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণা-পত্ৰ' গৃহীত কৰে। তেতিয়াৰ পৰাই ১০ ডিচেম্বৰ তাৰিখটো প্ৰতি বছৰে 'মানৱ অধিকাৰ দিৱস' হিচাপে সমগ্ৰ বিশ্বতে পালন কৰি অহা হৈছে। ৰাষ্ট্ৰসংঘৰ অধীনত কোনো প্ৰাধিকাৰী গঠিত নোহোৱাৰ ফলত মানৱ অধিকাৰ কাৰ্য্যকৰী কৰাত বেমেজালিয়ে দেখা দিয়ে। সেয়েহে ১৯৬৬ চনত ৰাষ্ট্ৰসংঘই দুখন 'কভেনেণ্ট' অৰ্থাৎ 'ব্যৱস্থাঘোষণা- পত্ৰ' গৃহীত কৰে, সেই দুখন হ'ল—

১। অসামৰিক আৰু ৰাজনৈতিক 'কভেনেণ্ট' আৰু

২। অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক 'কভেনেণ্ট'।

ইয়াৰে প্ৰথমখন 'ব্যক্তি'ৰ ক্ষেত্ৰত পোনপটীয়াকৈ আৰু দ্বিতীয়খন ৰাষ্ট্ৰসমূহৰ উন্নতিৰ ক্ষেত্ৰত কৰ্য্যকৰী হয়, এই কভেনেণ্ট দুখনৰ যোগে বিভিন্ন ৰাষ্ট্ৰক মানৱঅধিকাৰ ৰক্ষাৰ বাবে নিজা নিজা বিধেয়ক প্ৰণয়নৰ বাবে নিৰ্দেশনা আগ বঢ়োৱা হ'ল। অৱশ্যে আঠাইশ বছৰ পিছতহে কভেনেণ্ট দুখন বলবৎ কৰা হয়। আৰম্ভণিতে মাত্ৰ ৩৫ খন ৰাষ্ট্ৰহে ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ সুৰক্ষা গোটৰ সদস্য আছিল। বৰ্তমান ১০০ ৰো অধিক ৰাষ্ট্ৰ ইয়াৰ সদস্য। ভাৰত ৰাষ্ট্ৰ ১৯৭৯ চনত ইয়াৰ সদস্য হয়।

কুৰি শতিকাৰ পঞ্চাশ আৰু ষাঠিৰ দশকত ইউৰোপ, আমেৰিকা আৰু এচিয়াত মানৱ অধিকাৰ সুৰক্ষা কৰাৰ এটা শক্তিশালী হৈ অহা উচ্ছল ঢৌৱে সমগ্ৰ পৃথিৱীকে বিচৌত কৰা দেখিবলৈ পোৱা যায়।

১৯৪৮ চনৰ সাৰ্বজনীন ঘোষণা পত্ৰখনেই হ'ল মানৱ অধিকাৰৰ লাইখুটা। ইয়াত ৩০ টা অনুচ্ছেদ আছে।

অস্তিত্ব (বি) ঃ স্থিতি, সত্তা, থকা অৱস্থা
ভাবুকি (বি) ঃ ভীতি-প্ৰদৰ্শন।
অনুচ্ছেদ (বি) ঃ এটা ছেদৰ ভাগ বা অংশ।

আন্তৰ্জাতিক (বিণ) ঃ সকলো জাতি বা ৰাষ্ট্ৰ সম্পৰ্কীয়।
মৌলিক ( বি) ঃ মূলীভূত, মৌল, যিটো প্ৰথমে উদ্ভাৱন কৰা হৈছে।
চনদ (বি) ঃ অনুমতি-পত্ৰত ৰজাৰ হুকুম বা আদেশ থকা পত্ৰ।
সংস্থা (বি) ঃ কোনো উদ্দেশ্য লৈ গঠিত সমিতি, প্ৰতিষ্ঠান।
অনুশাসন (বি) ঃ আদেশ, উপদেশ, বিধান।
সাৰ্বজনীন (বি) ঃ সকলো ৰাইজ সম্বন্ধীয়, ৰাজহুৱা, বাৰোৱাৰি

প্ৰাধিকাৰী (বি) ঃ একতিয়াৰ, ক্ষমতাপত্ৰ
বেমেজালি (বি) ঃ খেলি-মেলি, বিশৃংখলা।
প্ৰচেষ্টা (বি) ঃ প্ৰয়াস, যত্ন।

প্ৰণয়ন (বি) ঃ ৰচনা, নিৰ্মাণ।
বলবৎ (বিণ) ঃ বাহাল , কাৰ্য্যত পৰিণত কাৰ্যকৰী।
সুৰক্ষা (বি) ঃ বিঘ্নি নোহোৱকৈ কৰা ৰক্ষা।
উচ্ছল (বিণ) - ওফন্দি উঠা, সকলোতে বিয়পি পৰা।

লাইখুটা (বি) - ঘৰ সাজোতে প্ৰথমে পোতা ঘাই খুটা । প্ৰথম কাৰ্যকৰী আৰু দৃঢ় পদক্ষেপ।

## ৰাষ্ট্ৰসংঘ

ৰাষ্ট্ৰসংঘ বিশ্বৰ কিছুমান ৰাষ্ট্ৰৰ এটি সংগঠন। ৰাষ্ট্ৰৰ এই সংঘ গঠিত হয় ১৯৪৫ চনত। এই সংঘৰ চনদখন আমেৰিকাৰ চান ফ্ৰান্সিস্কোত বহা পঞ্চাশখন ৰাষ্ট্ৰৰ সন্মিলিত সভাত ১৯৪৫ চনৰ ২৬ জুনত স্বাক্ষৰ কৰা হয়। ভাৰতৰ প্ৰতিনিধি আছিল পণ্ডিত জৱাহৰলাল নেহৰু। দ্বিতীয় মহাসমৰত নেজী (জাৰ্মান সমাজ সংস্কাৰকৰ দল)ৰ বিৰুদ্ধে এই সংঘ গঠিত হয়। চনদখনৰ আঁচনি ১৯৪৪ চনত বহা ডাম্বাৰ্টন ওৱাকচ্ অধিৱেশনত ফ্ৰেংকলিন ডি ৰুছভেল্ট, জোচেফ ষ্টেলিন আৰু উইনষ্টন চাৰ্চিল- এই তিনি গৰাকী প্ৰখ্যাত নেতাই কৰে।

বিশ্বশান্তি স্থাপন আৰু অভয়দানেৰে পৰবৰ্তী বিশ্বৰ ভবিষ্যত বংশধৰসকলক যুদ্ধৰ ধ্বংসাত্মক কবলৰ পৰা ৰক্ষা কৰা,

মানবৰ মৌলিক অধিকাৰ আৰু মৰ্যাদাৰ ওপৰত বিশ্বাস ৰখা,

সামূহিক প্ৰচেষ্টাৰে দুৰ্ভিক্ষ, নিৰক্ষৰতা নাইকিয়া কৰি আৰু ৰোগ, ভগ্নস্বাস্থ্য নিৰাময় কৰি সকলো ৰাষ্ট্ৰৰ মুনিহ-তিৰোতাক সম অধিকাৰ দান কৰা, সমাজৰ উন্নতি সাধন কৰা, আৰু জীৱনৰ মান উন্নত কৰা— চনদত অন্তৰ্ভুক্ত কৰা হয়।

আনুষ্ঠানিকভাৱে ৰাষ্ট্ৰসংঘ প্ৰতিষ্ঠিত হ'ল—১৯৪৫ চনৰ ২৪ অক্টোবৰত আল্টাত(yalta)ৰাষ্ট্ৰসংঘৰ মুখ্য কাৰ্য্যালয় আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিউইয়ৰ্ক চহৰত স্থাপন কৰা হ'ল।

ৰাষ্ট্ৰসংঘৰ কাৰ্য্যালয়ৰ ভাষা হ'ল ইংৰাজী, ফৰাচী, ৰাচিয়া, আৰবী আৰু স্পেনীয়, কিন্তু ইংৰাজী আৰু ফৰাচী ভাষাতহে কাম কাজ চলোৱা হয়।

## 31.2.2 আলোচনা

তুমি শুনিছা, বা টিভিৰ পৰ্দাত বাঘ, সিংহ আদি বলী জন্তুৱে দুৰ্বল প্ৰাণী পহু, জেব্ৰা, গাহৰী আদি দুৰ্বল প্ৰাণীক হত্যা কৰা ঘটনা দেখিছা। অতি পুৰণি কালত মানুহো হাবি-জংগলত বাস কৰিছিল, তেতিয়া মানুহৰ প্ৰকৃতিও তেনেই আছিল। কালক্ৰমত মানুহ সভ্য হ'ল, মানুহৰ সমাজ হ'ল, দেশ-মহাদেশ গঠিত হ'ল। তথাপি সদায় শক্তিশালী লোক বা ৰাষ্ট্ৰই দুৰ্বলীক অত্যাচাৰ কৰা ঘটনা চলি থাকিল...

দুৰ্বলীবোৰৰ ৰক্ষা আৰু উন্নতিৰ উপায় মানুহে চিন্তা কৰিব ধৰিলে। ইতিমধ্যে প্ৰকৃতিৰ পৰাও এনে ৰক্ষাৰ আভাস মানুহে পালে। মানুহৰ মনলৈ মানৱ অধিকাৰৰ ধাৰণা আহিল। তেৰশ শতিকাৰ শেষভাগতে ইংলেণ্ডত 'মহাচনদ' ঘোষণা কৰা হ'ল। সোতৰ শতিকাৰ শেষভাগত প্ৰস্তুত হোৱা 'বিল অৱ ৰাইটচ', ১৭৮৯ চনৰ ফৰাচী বিপ্লৱ, আমেৰিকাৰ স্বাধীনতা যুদ্ধ আদি মানৱ অধিকাৰ প্ৰতিষ্ঠা কৰাৰ কাৰ্য্যকৰী প্ৰচেষ্টা। এই চেষ্টা বেছি শক্তিশালী হ'ল দ্বিতীয় মহাসমৰৰ পৰাহে।

দ্বিতীয় মহাসমৰত আমেৰিকাই এটম বোমেৰে জাপানৰ নাগাচাকি আৰু হিৰোচিমা দ্বীপ দুটাৰ মানুহ, ঘৰ আদি সকলো চিৰদিনৰ বাবে নিৰ্মুল কৰিলে। এই ধ্বংসই পৃথিৱীৰ সকলো মানুহকে বাৰুকৈয়ে ভয় খুৱালে। সেয়েহে মানৱ জাতিৰ ৰক্ষাৰ বাবে ১৯৪৫ চনৰ ২৫ জুনত ৰাষ্ট্ৰসংঘ গঠিত হ'ল। আৰু এই সংঘৰ চনদৰ প্ৰথম অনুচ্ছেদতে মানুহৰ মৌলিক অধিকাৰৰ ব্যৱস্থা লিপিবদ্ধ কৰা হ'ল। সেইবাবে মানুহৰ জাতি-ধৰ্ম-লিংগ-ভাষা লৈ কোনো ভেদাভেদ থাকিব নোৱাৰে। এই ব্যৱস্থা ৰক্ষা বা মানৱৰ ৰক্ষা আৰু উন্নতিৰ বাবে এই চনদযোগে একত্ৰিত হোৱা সকলো ৰাষ্ট্ৰই সহযোগিতা আগবঢ়াব লাগিব।

কিন্তু ৰাষ্ট্ৰসংঘৰ প্ৰস্তাৱসমূহ কাৰ্য্যকৰী কৰাৰ বাবে কোনো সংস্থা গঠিত নহ'ল, সেয়েহে ১৯৪৮ চনলৈ প্ৰস্তাৱ ভংগকাৰী ৰাষ্ট্ৰৰ ওপৰত শাসনমূলক ব্যৱস্থা লোৱা সম্ভৱ হোৱা নাছিল। ১৯৪৮ চনৰ ১০ ডিচেম্বৰতহে ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে 'মানৱ অধিকাৰ'ৰ সাৰ্বজনীন ঘোষণাপত্ৰ' গ্ৰহণ কৰে। তেতিয়াৰ পৰা ১০ ডিচেম্বৰ তাৰিখটো মানৱ অধিকাৰ দিৱস হিচাপে বিশ্বত পালন কৰা হৈ আহিছে।

মানৱ অধিকাৰৰ প্ৰস্তাৱ নিয়মিতৰূপে কাৰ্য্যকৰী কৰাৰ উদ্দেশ্যে ১৯৬৬ চনত ৰাষ্ট্ৰসংঘই দুখন ব্যৱস্থা-ঘোষনা-পত্ৰ (কভেনেণ্ট) গ্ৰহণ কৰে ঃ সেই দুখন হ'ল ঃ

১। অসামৰিক আৰু ৰাজনৈতিক ব্যৱস্থা ঘোষণা-পত্ৰ আৰু

২। অৰ্থনৈতিক, সমাজিক আৰু সাংস্কৃতিক ব্যৱস্থা ঘোষণা পত্ৰ।

ইয়াৰে প্ৰথমখন ব্যক্তি আৰু দ্বিতীয়খন ৰাষ্ট্ৰসমূহৰ উন্নতিৰ অৰ্থে গঠিত। এই ব্যৱস্থা-ঘোষণা পত্ৰযোগে ৰাষ্ট্ৰসমূহে নিজা নিজা বিধেয়ক প্ৰণয়নৰ ক্ষমতা পালে। প্ৰথমে ইয়াৰ সদস্য ৰাষ্ট্ৰ ৩০ খন আছিল যদিও এতিয়া ১০০ ৰো অধিক সদস্যৰাষ্ট্ৰ হৈছে। ভাৰতো ইয়াৰ ভিতৰত আছে।

যোৱা শতিকাতে ইউৰোপ, আমেৰিকা আৰু এচিয়া মহাদেশত মানৱ অধিকাৰ ৰক্ষাৰ বাবে জাগৰণ হয়। সকলো চেষ্টাৰ ভিতৰত ১৯৪৮ চনৰ সাৰ্বজনীন ঘোষণা পত্ৰখনেই মানৱ অধিকাৰৰ সৰল আৰু সাৰ্থক পদক্ষেপ। ইয়াত ৩০ টা অনুচ্ছেদ আছে।

## 31.2.3 মুদ্ৰিত প্ৰতিলিপিৰ প্ৰথমভাগৰ প্ৰশ্নাৱলী

১। মানৱ অধিকাৰ মানে কি তিনিটামান বাক্যৰ ভিতৰত বুজাই লিখাঁ।

২। ব্যক্তি আৰু সমাজক কাৰ হাতৰ পৰা, কোনে, কি উপায়েৰে ৰক্ষা কৰে?

৩। সমাজত কি কি বিষয়ৰ ক্ষেত্ৰত অতীতৰ পৰা ভেদাভেদ সৃষ্টি হৈ আহিছে আৰু সেই ভেদাভেদ দূৰ কৰাৰ কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে?

৪। মানৱ অধিকাৰৰ ধাৰণাৰ কিদৰে উদ্ভৱ হ'ল চমুকৈ প্ৰকাশ কৰা।

৫। দ্বিতীয় মহাসমৰত ধ্বংস হোৱা দ্বীপ দুটা কি কি আছিল?

৬। ৰাষ্ট্ৰসংঘৰ চনদ কোন চনৰ, কোন তাৰিখে গৃহীত হয়?

৭। ৰাষ্ট্ৰসংঘৰ চনদৰ প্ৰথম অনুচ্ছেদৰ সাৰমৰ্ম চমুকৈ লিখাঁ।

৮। মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰ কোন চনত গৃহীত হয়?

৯। মানৱ অধিকাৰ দিৱস কোন তাৰিখে পালন কৰা হয়?

১০। ৰাষ্ট্ৰসংঘই গৃহীত কৰা কভেনেন্ট (ব্যৱস্থা-ঘোষণাপত্ৰ) দুখন কি কি?

১১। ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ সুৰক্ষা গোটৰ সদস্য প্ৰথমতে কেইখন ৰাষ্ট্ৰ আছিল?

১২। মানৱ অধিকাৰৰ জাগৰণ প্ৰথমতে কোন কোন মহাদেশত হৈছিল?

১৩। সাৰ্বজনীন ঘোষণা পত্ৰত কেইটি অনুচ্ছেদ আছে?

31.2.4

# মূল পাঠ

## মুদ্রিত প্ৰতিলিপিৰ দ্বিতীয়ভাগ

## মানৱ অধিকাৰসমূহৰ বিৱৰণ

মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰত থকা অনুচ্ছেদ কেইটাক তিনিটা ভাগত ভগোৱা হৈছে। এই তিনিটা ভাগ হৈছে ঃ

(১) ২ ৰ পৰা ২১ অনুচ্ছেদলৈ,

(২) ২২ ৰ পৰা ২৭ অনুচ্ছেদলৈ,

(৩) ২৮ নং অনুচ্ছেদ

প্ৰথমভাগৰ অধিকাৰসমূহ হ'ল ঃ স্বাধীনতাৰ অধিকাৰ, জীৱন আৰু স্বতন্ত্ৰতাৰ অধিকাৰ, দাসত্বৰ বিৰুদ্ধে অধিকাৰ, অমানৱীয় নিষ্ঠুৰ শাস্তিৰ বিৰুদ্ধে অধিকাৰ, আইনৰ ওচৰত ব্যক্তি হিচাপে গণ্য হোৱাৰ অধিকাৰ, সমতাৰ অধিকাৰ, উপায় গ্ৰহণৰ অধিকাৰ, অন্যায়ভাৱে কৰায়ত্ব কৰাৰ বিৰুদ্ধে প্ৰতিবাদ কৰাৰ অধিকাৰ, নিৰ্দোষ প্ৰমাণৰ অধিকাৰ, গোপনীয়তাৰ অধিকাৰ, মুক্ত বিচৰণ আৰু বসবাসৰ অধিকাৰ, বিদেশ ভ্ৰমণ আৰু স্বদেশ প্ৰত্যাগমনৰ অধিকাৰ, বিদেশত আশ্ৰয় গ্ৰহণ কৰাৰ অধিকাৰ ,জাতীয়কৰণৰ অধিকাৰ, বিবাহৰ অধিকাৰ, শান্তিপূৰ্ণভাৱে সমবেত হোৱাৰ অধিকাৰ, চৰকাৰ গঠনত অংশগ্ৰহণ কৰা আৰু চৰকাৰী চাকৰি কৰাৰ অধিকাৰ, ইত্যাদি।

শব্দাৰ্থ

প্ৰত্যাগমন (বি) ঃ উলটি বা ঘূৰি অহা কাৰ্য

সমৱেত (বি) ঃ সম্মিলিত

দ্বিতীয় ভাগৰ অধিকাৰসমূহ হ'ল ঃ সামাজিক নিৰাপত্তা, কামৰ উপযুক্ত পাৰিশ্ৰমিক আৰু শ্ৰম সংগঠন কৰাৰ অধিকাৰ, জিৰণি, শিক্ষা আৰু সজজীৱন যাপন কৰাৰ অধিকাৰ আদিয়েই প্ৰধান।

নিৰাপত্তা (বিণ) ঃ বিপদ-বিঘিনি বিহীন

পাৰিশ্ৰমিক (বি) ঃ পৰিশ্ৰমৰ মূল্য, মজুৰি।

তৃতীয় ভাগৰ অধিকাৰসমূহ হ'ল ঃ শান্তি, উন্নতি আৰু পৰিষ্কাৰ পৰিৱেশ আদি সংৰক্ষণৰ সামগ্ৰিক অধিকাৰসমূহ।

## ভাৰতীয় সংবিধানত মানৱ অধিকাৰ

কোনো ৰাষ্ট্ৰৰ সংবিধানত মানৱ অধিকাৰসমূহ অন্তৰ্ভুক্ত কৰিলে, সেই অধিকাৰসমূহক মৌলিক অধিকাৰ বুলি কোৱা হয়। ভাৰতত স্বাধীনতা লাভৰ আগৰ পৰাই এনে ধৰণৰ মৌলিক অধিকাৰসমূহক স্বীকৃতি দি অহা হৈছে। সেই

সংবিধান (বি) ঃ ৰাষ্ট্ৰ পৰিচালনাৰ নিয়মাৱলী, ৰাষ্ট্ৰ-ব্যৱস্থাৰ বিধি।

অধিকাৰসমূহক সাধাৰণতে দুটা পৰ্য্যায়ত বিশ্লেষণ কৰিব পাৰি ঃ

১। প্ৰাক্ স্বাধীনতা সংগ্ৰামৰ আৰু

২। স্বৰাজোত্তৰ কালৰ অধিকাৰ।

স্বাধীনতা (বি) ঃ স্বাধীনতা (পোৱা)ৰ পৰৱ (সময়)

ইয়াৰ উপৰি স্বাধীনতাৰ পিছত ভাৰতীয় সংবিধানে আন আন কিছুমান অধিকাৰ সামৰি লৈছে।

## স্বাধীনতা সংগ্ৰামৰ আগৰে পৰা থকা মৌলিক অধিকাৰৰ স্বৰূপ

**১৮৯৫** চনৰ 'ভাৰত চৰকাৰ বিল'তে মৌলিক অধিকাৰৰ স্বৰূপ দেখা যায়। এই বিলত নাগৰিকৰ মত প্ৰকাশৰ স্বাধীনতা, সমতাৰ অধিকাৰ, সম্পত্তিৰ অধিকাৰ, ব্যক্তিগত স্বতন্ত্ৰতা আৰু মুক্ত শিক্ষাৰ অধিকাৰক স্বীকৃতি দিয়া হয়। ইয়াৰ পিছত **১৯১৭** চনৰ পৰা **১৯১৯** চনলৈ এই সম্পৰ্কত এক ধাৰাবাহিক প্ৰস্তাৱ গ্ৰহণ কৰা হয়। কুৰি শতিকাৰ মধ্যভাগত জাতীয় কংগ্ৰেছ আৰু ভাৰতীয় নেতাসকলে, মণ্টেগু চেইমচ্‌ফৰ্ড' সংস্কাৰৰ বিৰোধিতা কৰাৰ ফল স্বৰূপে উইলচন চাহাবে মহাত্মা গান্ধীৰ নেতৃত্বত ভাৰতবৰ্ষৰ বাবে আত্ম নিয়ন্ত্ৰণৰ অধিকাৰক সমৰ্থন জনায়। এই বিলৰ ৪ নং অনুচ্ছেদত ৭ টা মৌলিক অধিকাৰৰ স্বীকৃতি দিয়া হৈছিল; সেই কেইটা হ'ল ঃ

স্বতন্ত্ৰতা, স্বতন্ত্ৰ্য (বি) ঃ স্বাধীনতা

সংস্কাৰ (বি) ঃ পৰিশোধন, শুদ্ধি কৰণ, শুচিকৰণ

আত্ম-নিয়ন্ত্ৰণ (বি)ঃ আত্ম-দমন, নিজকে কৰা শাসন

১। ব্যক্তি স্বতন্ত্ৰতা, সম্পত্তি আৰু বাসস্থানৰ নিৰাপত্তা,

২। বিবেক আৰু ধৰ্মৰ অনুশীলন আৰু উপাসনাৰ অধিকাৰ,

৩। মতামত প্ৰকাশ, সমবেত হোৱা আৰু সংস্থা গঠনৰ অধিকাৰ,

৪। মুক্ত প্ৰাথমিক শিক্ষা,

আদালত (বি) ঃ বিচাৰকে সোধপোছ কৰা ঠাই

৫। পথ, আইন-আদালত আৰু ৰাজহুৱা ঠাইৰ ব্যৱহাৰৰ অধিকাৰ,

৬। জাতিৰ ভেদাভেদ নোহোৱাকৈ আইনৰ চকুত সমতাৰ অধিকাৰ, আৰু

৭। লিংগৰ সমতা।

ইয়াৰ পিছত **১৯৩১** চনত জাতীয় কংগ্ৰেছ মহাসভাত লোৱা কৰাচী প্ৰস্তাৱ আৰু **১৯৪৬** চনৰ কেবিনেট মিছন আদিৰ প্ৰস্তাৱতো এনে মৌলিক অধিকাৰ সন্নিবিষ্ট হৈছিল।

## 31.2.5 আলোচনা

১৯৪৮ চনত গ্ৰহণ কৰা সাৰ্বজনীন ঘোষণা-পত্ৰখনত ৩০ টা অনুচ্ছেদ আছে। পাঠত সেইকেইটাৰ তিনিটা ভাগ কৰাৰ কথা কোৱা হৈছে কিন্তু সেই ভাগকেইটাক কি নাম দিয়া হৈছে, তাক উল্লেখ কৰা নাই। তোমাৰ জ্ঞানৰ অৰ্থে ইয়াতেই সেই কথা কোৱা হ'ল ঃ ২ ৰ পৰা ২১ নং অনুচ্ছেদলৈ যি কেইটা অনুচ্ছেদ আছে সেই কেইটাক 'প্ৰথম প্ৰজন্ম' বা ধনাত্মক অধিকাৰ হিচাপে অভিহিত কৰা হৈছে। সেইদৰে ২২ ৰ পৰা ২৭ নং অনুচ্ছেদক 'দ্বিতীয় প্ৰজন্ম' বা ধনাত্মক অধিকাৰ আৰু ২৮ নং অনুচ্ছেদক 'তৃতীয় প্ৰজন্ম' বা ধনাত্মক অধিকাৰ বোলা হৈছে।

প্ৰথম প্ৰজন্মৰ অধিকাৰ মতে প্ৰত্যেক ব্যক্তিয়ে স্বাধীনভাৱে জীৱন-যাপন কৰিব পাৰে। কোনো লোককে কোনোৱে দাসৰূপে থাকিবলৈ বাধ্য কৰাব নোৱাৰে। কোনোৱে কাকো কঠোৰ শাস্তি দিব নোৱাৰে। আইনে প্ৰত্যেক লোককে ব্যক্তি হিচাপে গণ্য কৰিব লাগিব। সকলো ব্যক্তি, সমাজ আৰু আইনৰ দৃষ্টিত সমান। প্ৰত্যেক ব্যক্তিৰে বাচি থকা, কৰ্ম কৰি খোৱা আদি বিভিন্ন ক্ষেত্ৰত উপায়ৰ অধিকাৰ আছে কোনো লোকে কোনো লোকক অন্যায়ভাৱে হাত কৰি ললে, তাৰ বিৰুদ্ধে প্ৰতিবাদ কৰাৰ স্বাধীনতা আছে। কোনোলোকে কোনো লোকক যুক্তিহীনভাৱে দোষী বুলি আৱদ্ধ কৰিলে, আইনযোগে সেইলোকে নিজকে নিৰ্দোষী বুলি প্ৰমাণ কৰাৰ স্বত্ব লাভ কৰিছে। প্ৰত্যেকে নিজৰ নিজৰ ব্যক্তিগত কথা গোপনে ৰাখিব পাৰে। প্ৰত্যেক লোকৰে মুক্তভাৱে ফুৰা-চকা কৰাৰ স্বাধীনতা আছে আৰু প্ৰত্যেকে আনৰ অন্যায় নোহোৱাকৈ নিজৰ সুবিধা থকা ঠাইত বাস কৰাৰ অধিকাৰ আছে। প্ৰত্যেক লোকে বিদেশলৈ যাব পাৰে, তাৰ পৰা উভতি আহিব পাৰে নাইবা বিদেশত আশ্ৰয় ল'ব পাৰে। তদুপৰি বিবাহ কৰা, ধৰ্ম গ্ৰহণ কৰা, নিজৰ বিবেকৰ ব্যৱহাৰ কৰা, নিজা নিজা মত প্ৰকাশ কৰা, শান্তিপূৰ্ণভাৱে লগ লগা বা সমাজ গঠন কৰা, চৰকাৰ গঠনত অংশ গ্ৰহণ কৰা, চৰকাৰী চাকৰি লোৱা, জাতীয়ত্ব লোৱা আদিৰ স্বাধীনতা সকলোৱে লাভ কৰিছে।

দ্বিতীয় প্ৰজন্মৰ অধিকাৰ মতে সকলোৱে সমতাৰ লোক হিচাপে বিপদ-বিঘিনিৰ পৰা ৰক্ষা পবাৰ অধিকাৰ পাইছে। পৰিশ্ৰম কৰিলে প্ৰত্যেকেই উপযুক্ত মজুৰি পাব। কোনো ডাঙৰ বা জটিল কামৰ বাবে বা শ্ৰমৰ পৰা জিৰণি লোৱা, শিক্ষা লাভ কৰা, সহজভাৱে জীৱন যাপন কৰা আদিৰ স্বাধীনতা সকলো নাগৰিকৰে আছে।

তৃতীয় প্ৰজন্মৰ অধিকাৰ মতে ব্যক্তি বা সমাজৰ শান্তি, উন্নতি, পৰিষ্কাৰ

পৰিৱেশ সৃষ্টি আৰু সংৰক্ষণ কৰাৰ সকলোৰে স্বাধীনতা আছে।

## ভাৰতৰ সংবিধানত মানৱ অধিকাৰৰ স্থান

কোনো ৰাষ্ট্ৰৰ সংবিধানত মানৱ অধিকাৰসমূহ সোমালে, সেই অধিকাৰসমূহ মৌলিক অধিকাৰ বুলি অভিহিত কৰা হয়।

বিদেশী চৰকাৰৰ দিনৰে পৰা অৰ্থাৎ ভাৰত স্বাধীন নোহোৱাতেই ভাৰতীয় সংবিধানত এনে অধিকাৰ অন্তৰ্ভুক্ত কৰা হৈছে। সেই অধিকাৰ মতে প্ৰত্যেক নাগৰিকে নিজৰ নিজৰ স্বাধীনতা, সম্পত্তি আৰু থকা ঠাইৰ নিৰাপত্তা লাভ কৰে। প্ৰত্যেক নাগৰিকে নিজৰ বিবেকৰ ব্যৱহাৰ, নিজে গ্ৰহণ কৰা ধৰ্মৰ চৰ্চা, আৰু উপাসনা কৰিব পাৰে, প্ৰত্যেক ব্যক্তিয়ে নিজৰ নিজৰ মত প্ৰকাশ কৰিব পাৰে, আৱশ্যকমতে একাধিক ব্যক্তি লগ হ'ব পাৰে আৰু সংস্থা গঠন কৰিব পাৰে। প্ৰাথমিক শিক্ষা সকলোৰে বাবে মুক্ত। ৰাজহুৱা পথ, ঠাই আৰু আইন-আদালত সকলোৱেই ব্যৱহাৰ কৰিব পাৰে। বিভিন্ন জাতিৰ মাজত ভেদাভেদ বিচৰা লোকৰ বিৰুদ্ধে, তাৰ বাবে যাৰ অনিষ্ট হৈছে, সেইলোকে আইনযোগে সমতা লাভ কৰাৰ স্বাধীনতা লাভ কৰে আৰু স্ত্ৰী-পুৰুষৰ মাজৰ উচ্চ-নীচ, সৰু-ডাঙৰ ভেদাভেদ উঠাই দিয়া হয়।

31.2.6 **মূল পাঠ**

## মুদ্ৰিত প্ৰতিলিপিৰ দ্বিতীয়ভাগৰ প্ৰশ্নাৱলী

১। মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণা-পত্ৰত থকা অনুচ্ছেদ কেইটাক কেইটা ভাগত ভগোৱা হৈছে?

২। মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণা-পত্ৰৰ অন্তৰ্গত প্ৰথম ভাগৰ অধিকাৰসমূহৰ এখনি তালিকা প্ৰস্তুত কৰা।

৩। মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণা-পত্ৰৰ দ্বিতীয় ভাগত থকা অধিকাৰসমূহ কি কি?

৪। মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণা-পত্ৰত থকা তৃতীয়ভাগত কি কি মানৱ অধিকাৰ আছে?

৫। মৌলিক অধিকাৰ কাক বোলে বুজাই লিখা?

৬। ভাৰতৰ সংবিধানৰ অন্তৰ্ভুক্ত মৌলিক অধিকাৰসমূহক কেইটা ভাগত ভগোৱা হৈছে, আৰু সেই ভাগ কেইটা কি কি?

৭। স্বাধীনতা সংগ্ৰামৰ আগৰ হোৱা সময়ৰ সংবিধানত সংশ্লিষ্ট মৌলিক অধিকাৰৰ এটি আভাস দিয়াঁ।

31.2.7

## মূল পাঠ

## মুদ্রিত প্ৰতিলিপিৰ তৃতীয়ভাগ

স্বৰাজোত্তৰ কালৰ বাবে সংবিধান ৰচনাকাৰী কমিটিয়ে এখন খচৰা প্ৰস্তাৱ প্ৰস্তুত কৰি মৌলিক অধিকাৰক স্বীকৃতি দিবৰ বাবে এখন উপ-সমিতি গঠন কৰি দিয়ে। এই উপ-সমিতিয়ে বিভিন্ন তৰ্ক-বিতৰ্ক কৰাৰ অন্তত মৌলিক অধিকাৰসমূহক ন্যায়সংগতভাৱে সংবিধানৰ তৃতীয় অধ্যায়ত অন্তৰ্ভুক্ত কৰে। আনহাতে কিছুমান মানৱ অধিকাৰক সংবিধানৰ চতুৰ্থ অধ্যায়ত সোমাই **'ৰাষ্ট্ৰৰ নিৰ্দ্দেশাত্মক নীতি'** হিচাপে গ্ৰহণ কৰা হয়।

মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণা-পত্ৰ গ্ৰহণৰ সময়তে ভাৰতৰ সংবিধানখনৰ খচৰা প্ৰস্তুত কৰা হৈছিল। সেয়েহে ভাৰতৰ সংবিধানত উক্ত সাৰ্বজনীন ঘোষণা-পত্ৰৰ বিষয়-বস্তুত সোমাই পৰে। ভাৰতৰ সংবিধানখন **১৯৫০** চনৰ **২৬** জানুৱাৰীৰ পৰা বলবৎ কৰা হয়। আন্তৰ্জাতিক 'কভেনেণ্ট'ৰ বিষয়-বস্তুৰ প্ৰায়ভাগকে ভাৰতীয় সংবিধানত সামৰি লোৱা হৈছে।

### মানৱ অধিকাৰৰ চৰ্তাৱলীৰ আংশিক বাতিলকৰণ

আজি কেইবাদশক জুৰি উগ্ৰপন্থী দল কিছুমানে ভাৰত-- জুৰুলা কৰি আহিছে। মানৱ অধিকাৰৰ সকলো চৰ্ত গ্ৰহণ কৰিলে উগ্ৰপন্থী নিয়ন্ত্ৰণ কৰা অসম্ভৱ হৈ উঠিব। সেয়েহে ভাৰতে মানৱ অধিকাৰ চনদৰ কেইটামান দফা ভাৰতৰ ক্ষেত্ৰত অপ্ৰযোজ্য বা বাতিল কৰিহে মানৱ অধিকাৰ চনদ গ্ৰহণ কৰিছে, অৰ্থাৎ আত্ম-নিয়ন্ত্ৰণৰ অধিকাৰ আৰু অন্যান্য কিছু বিষয়ত ভাৰতে সংৰক্ষণ ৰাখিহে **১৯৭৯** চনৰ মাৰ্চ মাহত 'কেভেনেণ্ট'ত স্বাক্ষৰ কৰিছে।

আন্তৰ্জাতিক অসামৰিক আৰু ৰাজনৈতিক অধিকাৰ মতে অন্যায়ভাৱে আটক বা বন্দী কৰা ব্যক্তিৰ ক্ষেত্ৰত ক্ষতিপূৰণ দিয়াৰ কথা কৈছে; কিন্তু ভাৰতত এনে ব্যৱস্থা প্ৰৱৰ্তন কৰা হোৱা নাই।

ইয়াৰ উপৰি বিদেশী অপসাৰণৰ ক্ষেত্ৰত জনমত, স্বাধীনতাৰ অধিকাৰ আৰু চৰকাৰী চাকৰি সংৰক্ষণ আদিত ভাৰতে সংৰক্ষণ আৰোপ কৰিছে।

**শব্দাৰ্থ**

স্বৰাজোত্তৰ ঃ স্বৰাজ(স্বাধীনতা) পোৱাৰ পিছৰ (সময়)
খচৰা (বি) ঃ পাণ্ডুলিপি, আঁচনি

নিৰ্দ্দেশনা (বি) ঃ বিধান, আদেশ, দেখুৱাই দিয়া কাৰ্য্য

উগ্ৰপন্থী (বিণ) ঃ ভয়ানক উপায় অবলম্বনকাৰী
জুৰুলা (বিণ) ঃ দুৰ্বল
অপ্ৰযোজ্য (বিণ) ঃ প্ৰয়োগ কৰিবৰ যোগ্য নোহোৱা
বাতিল (বিণ) ঃ অগ্ৰহ্য, পৰিত্যক্ত

প্ৰৱৰ্তন (বি) ঃ স্থাপন, প্ৰচলন

অপসাৰণ (বি) ঃ আন ঠাইলৈ গমন, আঁতৰা কাৰ্য্য

## সামৰণি

মানৱ অধিকাৰৰ উন্নতি, ৰক্ষণাবেক্ষণ আৰু কাৰ্য্যকৰীকৰণৰ ক্ষেত্ৰত আন্তৰ্জাতিক হওঁক বা ৰাষ্ট্ৰীয় পৰ্য্যায়তেই হওঁক বলবৎকাৰী ব্যৱস্থাৰ অতিশয় অভাৱ হৈছে। ক্ষমতাশালীৰ বাবে ক'লা আইনৰ প্ৰচলন, অন্যায়ভাৱে আটক কৰণ, মহিলা অপদস্থ হোৱা, ভুৱা সংঘৰ্ষৰ সৃষ্টি, জিম্মা, নিৰ্য্যাতন আৰু মৃত্যু, অনাহাৰ মৃত্যু, শিশু শ্ৰমিক নিয়োগ, অক্ষমলোকৰ জীৱিকাহীনতা, ভগনীয়া সমস্যা, খিলঞ্জীয়াৰ অস্তিত্বৰ সংকট আদি নানান সমস্যাই মানৱ অধিকাৰক বাৰুকৈয়ে ক্ষুণ্ণ কৰিছে। শান্তিৰ অধিকাৰ, উন্নয়ণৰ অধিকাৰ, পৰম্পৰাৰ অধিকাৰ, স্থিতিৰ অধিকাৰ, মানৱীয় সহায়ৰ অধিকাৰ আৰু উপযুক্ত স্বাস্থ্যকৰ পৰিবেশৰ অধিকাৰ, 'কভেনেণ্ট'ত অন্তৰ্ভুক্ত কৰাৰ জৰুৰী প্ৰয়োজন হৈছে।

মানৱ অধিকাৰ সম্পৰ্কীয় গোচৰবিলাকৰ নিষ্পত্তিৰ বাবে এখন সুকীয়া আন্তৰ্জাতিক মানৱ অধিকাৰ আদালতৰ প্ৰয়োজন হৈছে। প্ৰত্যেক মানুহেই ভোগ কৰি পৰা নূন্যতম মানৱ অধিকাৰখিনিৰ সম্পৰ্কত সংবাদপত্ৰ আৰু অন্যান্য প্ৰচাৰ মাধ্যমৰ জৰিয়তে জনমত গঠন কৰিব লগে। মানৱ অধিকাৰৰ উলংঘন নকৰিবলৈ অৰ্থনৈতিক বৈষম্য, আদৰ্শগত সংঘাত আৰু বাহ্যিক, আভ্যন্তৰীণ দিশবোৰৰ প্ৰতি দিয়া ভাবুকি আঁতৰ কৰিব লাগিব। বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ পৰা হোৱা পৰিবেশ প্ৰদূষণ আৰু অৱনতি, নিবনুৱা সমস্যা, গোপনীয়তা, স্বাস্থ্য আৰু সাংস্কৃতিক মূল্যবোধৰ সংকট আদিৰ প্ৰতিকাৰ কৰিব লাগিব। এইদৰে মানৱ অধিকাৰৰ ওপৰত এক গ্ৰহণযোগ্য বাতাবৰণ সৃষ্টি কৰিব লাগিব।

মানৱ অধিকাৰ সংৰক্ষণৰ অৰ্থে ভাৰতীয় সংবিধানখন সংশোধন হোৱাৰ তথা নতুনকৈ লিখাৰ প্ৰয়োজন হৈ পৰিছে। সমগ্ৰ দেশতে এখন মানৱ অধিকাৰৰ আদালত লগা হৈছে। ক'লা আইনসমূহ অতি শীঘ্ৰেই বাতিল হোৱা উচিত।

আইন বলবৎ কৰাৰ এটি ঘটনাই বিশ্বক বিমোহিত কৰিছে; বৃটিছ প্ৰধান মন্ত্ৰী ব্লেয়াৰৰ নাবালক পুত্ৰই মদ খাই বাটত পৰি আছিল। আইনমতে পুলিচ বিষয়াই তেওঁৰ পুত্ৰক লৈ গ'ল আৰু ব্লেয়াৰ আৰু তেওঁৰ পত্নীক পুলিচ বিষয়াৰ কাৰ্য্যালয়ত উপদেশ দিলে যে ষোল বছৰৰ কম বয়সৰ, তেওঁৰ ল'ৰাই কৰা কাম বেয়া হৈছে, তেনে কাম যাতে ভৱিষ্যতে নকৰে, তাৰ বাবে ব্লেয়াৰ আৰু তেওঁৰ পত্নীয়ে যত্ন ল'ব। ব্লেয়াৰে বিনা প্ৰতিবাদে সেই উপদেশ গ্ৰহণ কৰে। মানৱ অধিকাৰ ভংগৰ গোচৰৰ ক্ষেত্ৰত এই আদৰ্শ গ্ৰহণযোগ্য।

অতিশয় (বিণ) ঃ বৰ বেছি

ভিন্ন (বি) ঃ তত্বাৱধান, দায়িত্ব

নিৰ্যাতন (বি) ঃ উৎপীড়ন

খিলঞ্জীয়া (বিণ) ঃ চিৰদিনীয়া, বহুকাল একে ঠাইতে থকা, বহুপুৰুষে ভোগ কৰা, প্ৰাচীন

অস্তিত্ব (বি) ঃ স্থিতি, বিদ্যমানতা

সংকট (বি) ঃ দোষ দূৰীকৰণ, শোধন

পৰম্পৰা (বি) ঃ অবিচ্ছিন্ন ধাৰা, অনুক্ৰম।

জৰুৰী (বিণ) ঃ বৰ আৱশ্যকীয়, সোনকালে লগা।

গোচৰ (বি) ঃ দোষী মানুহৰ বিৰুদ্ধে সুবিচাৰ পাবৰ বাবে বিচাৰকৰ আগত কৰা নিবেদন প্ৰাৰ্থনা।

নূন্যতম (বিণ) ঃ যিমান কম হ'ব পাৰে সিমান কম।

সংবাদ-পত্ৰ (বি) ঃ বাতৰি-কাকত

প্ৰদূষণ (বি) ঃ প্ৰবলভাৱে দূষিত হোৱা কাৰ্য, ভ্ৰষ্টতা, অপবিত্ৰতা, চোকা

সংশোধন (বি) দোষ দূৰীকৰণ, শোধন

নিৰ্দেশ (বি) ঃ আজ্ঞাবোধক, আদেশ-সম্পৰ্কীয়, বিধানবোধক

উগ্ৰ (বিণ) ঃ চোকা, ভয়ানক, তীব্ৰ, কঠোৰ, খঙাল, প্ৰবল।

পন্থা (বি) ঃ বাট। উপায়

সংঘাত (বি) ঃ দ্বন্দ্ব, আঘাত

দূৰণ (বি) ঃ দোষ ধৰা বা দোষ দিয়া কাৰ্য

## 31.2.8 আলোচনা

তুমি জানা যে আমাৰ দেশে **১৯৪৭** চনৰ **১৫** আগষ্টত বৃটিছ চৰকাৰৰ পৰা পূৰ্ণ স্বাধীনতা লাভ কৰে। নিজৰ চৰকাৰে দেশ শাসন কৰিবলগীয়া হোৱাত এখন সংবিধান লগা হ'ল। এই সংবিধানখনৰ পাণ্ডুলিপি এটি লিখি উলিয়াবলৈ এটি উপ-সমিতি গঠন কৰা হ'ল, সেইমতে সেই সমিতিয়ে আলোচনা-বিলোচনাৰ মাজেৰে সংবিধানখনৰ খচৰা প্ৰস্তুত কৰিলে। বেছিভাগ মানৱ অধিকাৰ সংবিধানখনৰ তৃতীয় অধ্যায়ত সোমাল। কিছুমান মানৱ অধিকাৰ সংবিধানৰ চতুৰ্থ অধ্যায়ত অন্তৰ্ভুক্ত কৰি সেইবোৰক 'ৰাষ্ট্ৰৰ নিৰ্দ্দেশাত্মক নীতি' হিচাপে গণ্য কৰা হ'ল।

মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণা-পত্ৰখনৰ সমসাময়িক হোৱা বাবে আমাৰ দেশৰ সংবিধানখনত তাৰ প্ৰভাৱ পৰে। ভাৰতৰ সংবিধান কাৰ্য্যকৰী কৰা হয় **১৯৫০** চনৰ **২৬** জানুৱাৰীতহে। তুমি জানাই **২৬** জানুৱাৰীক গণতন্ত্ৰ দিৱস হিচাপে আমাৰ দেশত পালন কৰা হয়। আন্তৰ্জাতিক 'কভেনেণ্ট'ৰ কথা আগত উল্লেখ কৰা হৈছেই। তাৰ অধিকভাগ মানৱ অধিকাৰে ভাৰতীয় সংবিধানত ঠাঁই পাইছে।

সংবিধানত যদিও যথেষ্ট মানৱ অধিকাৰ সোমোৱা হ'ল, কাৰ্য্যতঃ সেইবোৰ আখৰে আখৰে পালন কৰা টান হৈ পৰিল, কিয়নো ভাৰতত কিছুমান উগ্ৰপন্থীয়ে এনেকৈ গা-কৰি উঠিল যে, সেই দলবোৰে দেশৰ কোনো আইন নামানি তেওঁলোকৰ দলীয় স্বাৰ্থৰ বাবে চৰকাৰ তথা সমাজ-বিৰোধী কাম কৰিব ধৰিলে। সেয়েহে বিনা বিচাৰে কোনো লোকক আটক কৰি ৰাখিব নোৱাৰা আধিকাৰটো বাতিল কৰিব লগীয়া হ'ল, এনে নকৰিলে অনৈতিক কাম কৰা বুলি সন্দেহ কৰা লোকক দোষী-নিৰ্দোষী প্ৰমাণৰ অৰ্থে আটক কৰিব পৰা নহ'লহেঁতেন। ভাৰত এখন ধৰ্মনিৰপেক্ষ, সমাজবাদী-গণতান্ত্ৰিক দেশ। এই দেশত জনমত গ্ৰহণ কৰা আৰু জনমতৰ ভিত্তিত বিদেশী বহিষ্কাৰ কৰা, চাকৰিৰ ক্ষেত্ৰত সংৰক্ষণ ৰখা, ব্যক্তিৰ স্বাধীনতা ৰক্ষা কৰা চৰকাৰৰ কৰ্তব্য।

## 31.3 সাৰাংশ

এতিয়া কথা হ'ল, নীতিবোৰ সংবিধানত লিখা থাকিলে নহয়, সেইবোৰ কাৰ্য্যকৰী কৰিলেহে তাৰ মূল্য থাকে। কাৰ্য্যকৰী কৰাৰ বাবে তেনে ব্যৱস্থা বা সংস্থা গঠন হোৱা নাই, সেয়েহে অধিক মানৱ অধিকাৰ কাকতৰ পাততেই আছে। ইয়াৰ উপৰি ক্ষমতা পাই থকা লোকৰ স্বাৰ্থৰ বাবে কিছুমান সংঘৰ্ষৰ সৃষ্টি হৈছে। বহুত

ক্ষেত্রত মহিলাৰ স্বাধীনতা খৰ্ব হৈছে। একো নাইকিয়া লোক অনাহাৰত মৰিছে। শিশু শ্রমিক ক্ষমতাশালীলোকে নিয়োগ কৰিছে। স্থায়ীলোকৰ নিজত্ব ৰক্ষিত হোৱা নাই। পৰম্পৰাও ৰক্ষা পৰা নাই। আৱশ্যকমতে নাগৰিকৰ বাবে সুস্বাস্থ্যৰ পৰিবেশ ৰচনা হোৱা নাই, ইত্যাদি, ইত্যাদি। এই সমস্যাবোৰ দুৰ কৰাৰ ব্যৱস্থা শীঘ্রে লবই লাগিব।

মানৱ অধিকাৰ সম্পৰ্কীয় গোচৰবোৰ দম খাইছে সেইবোৰৰ বিচাৰ সাধাৰণ আদালতে কৰাটো অসম্ভৱ হৈ পৰিছে। তাৰ বাবে আন্তৰ্জাতিক মানৱ অধিকাৰ আদালত গঠন কৰাৰ অতি প্রয়োজন।

অতি কমেও যিখিনি মানৱ অধিকাৰ নহ'লে মানুহ বাচি থাকিব নোৱাৰে, সেইখিনি সাধাৰণলোকে জনাৰ বাবে বা জনমত প্রকাশৰ বাবে সংবাদ-পত্র এখনি লাগে। ক্ষমতাশীললোকে মানৱ অধিকাৰ অর্থহীন কৰাৰ যি কাৰ্য্য চলিছে, সেইবোৰৰ প্রতিকাৰ কৰিবৈ লাগিব। বৈজ্ঞানিক যন্ত্ৰৰ ব্যৱহাৰৰ বাবে বায়ু দূষিত হৈছে , মানুহে সহ্য কৰিব নোৱাৰা শব্দৰ সৃষ্টি হৈছে (শব্দ-প্রদূষণ), সেইবোৰ নিৰাময় কৰিব লাগিব। মুঠতে মানৱ অধিকাৰ ৰক্ষাৰ বাবে সকলো মিলি, বিশেষকৈ সুশিক্ষিত আৰু জ্ঞানীলোকৰ সেৱামূলক কৰ্মৰ জৰিয়তে এই অনুকূল পৰিবেশৰ সৃষ্টি হ'ব লাগিব। এই উদ্দেশ্যে ভাৰতীয় সংবিধানখনতো সংশোধনৰ উদ্দেশ্যে জোৰা-তাপলি মৰাতকৈ নতুনকৈ এখন সংবিধান ৰচনা কৰাটোই উচিত বুলি বোধ হয়।

বৃটিছ প্রধান মন্ত্রী ব্লেয়াৰে কৰা আইনমতে পুলিচ বিষয়াই ব্লেয়াৰৰ নাবালক পুত্ৰই মদখাই বাটত পৰি থকা অসামাজিক কামৰ বাবে ব্লেয়াৰ আৰু তেওঁৰ পত্নীক পুলিচ বিষয়াৰ কাৰ্য্যালয়লৈ আনি উপদেশ দিয়ে; আইন বলবৎ কৰাৰ ক্ষেত্রত বৃটিছ প্রধানমন্ত্রীৰ এইটো আদৰ্শস্থানীয় ঘটনা; মানৱ অধিকাৰ ৰক্ষাৰ বাবে এইদৰে আইন বলবৎ কৰাটো নিতান্তই উচিত।

## 31.4 প্রশ্নাৱলী

১। ভাৰতৰ সংবিধানখনৰ খচৰা কোনে প্রস্তুত কৰে?

২। ভাৰতৰ সংবিধানৰ কোন অধ্যায়ত মানৱ অধিকাৰসমূহ অন্তৰ্ভুক্ত কৰা হৈছে?

৩। ভাৰতৰ সংবিধানৰ কোন অধ্যায়ত নিৰ্দেশাত্মক নীতি আছে?

৪। ভাৰতৰ সংবিধানখন কোন চনৰ, কোন তাৰিখে বলবৎ কৰা হয়?

৫। ভাৰত চৰকাৰে কি কাৰণত মানৱ অধিকাৰ চনদৰ কেইটিমান দফা বাতিল কৰিব লগীয়া হৈছে?

৬। কি চৰ্ত্তত ভাৰতে, কেতিয়া 'কভেনেন্ট'ত স্বাক্ষৰ কৰে?

৭। আন্তৰ্জাতিক অসামৰিক আৰু ৰাজনৈতিক অধিকাৰৰ কোনটো অধিকাৰ ভাৰতে ব্যক্তিক দিয়া নাই?

৮। ভাৰতে মানৱ অধিকাৰৰ কোন কোন ক্ষেত্ৰত সংৰক্ষণ আৰোপ কৰিছে?

৯। মানৱ অধিকাৰ সম্পূৰ্ণৰূপে বলবৎ নোহোৱাৰ কাৰণ কি বুলি লেখকে কৈছে?

১০। মানৱ অধিকাৰ কি কি বিষয়ৰ সমস্যাই ক্ষুণ্ণ কৰিছে?

১১। কি কি অধিকাৰক 'কভেনেন্ট'ত অন্তৰ্ভুক্ত কৰাৰ জৰুৰী প্ৰয়োজন হৈছে?

১২। মানৱ অধিকাৰ সংৰক্ষণৰ বাবে প্ৰয়োজনীয় কি কি ব্যৱস্থা স্থাপন কৰিবলৈ লেখকে পৰামৰ্শ আগ বঢ়াইছে?

১৩। আইন বলবৎ কৰাৰ বিশ্ব বিমোহিত কৰা ঘটনাটো কি?

## 31.5 চমু টোকা

**নিৰ্দ্দেশাত্মক নীতি ঃ** নিৰ্দ্দেশাত্মক নীতিক চৰকাৰৰ মৌলিক নীতি বুলি অভিহিত কৰা হৈছে। এই নীতি আদালতৰ আইন প্ৰয়োগৰ দ্বাৰা বলবৎ কৰা নহয়। এই নীতিত কোৱা হৈছে যে ৰাষ্ট্ৰই সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক জীৱনত ব্যক্তি আৰু সমাজক ন্যায় প্ৰতিষ্ঠাৰে সুৰক্ষিত কৰিব আৰু তেওঁলোকৰ কল্যাণৰ বাবে যত্ন কৰিব। তদুপৰি এই নীতিয়ে (ক) পুৰুষ-মহিলা নিৰ্বিশেষে নাগৰিকৰ প্ৰচুৰ জীৱিকা দিয়া, (খ) স্ত্ৰী-পুৰুষ মজদুৰক সমান সমান পৰিশ্ৰমৰ বাবে সমান সমান মজুৰি দিয়া, (গ) সম্পত্তিৰ সম-বিতৰণ কৰা, (ঘ) শিশু আৰু প্ৰাপ্ত বয়স্ক মজদুৰক শোষণ কৰাৰ পৰা বাধা দিয়া, (ঙ) জীয়াই থকাৰ বাবে মজুৰিৰ অধিকাৰ দিয়া, (চ) গাওঁ পঞ্চায়ত গঠন কৰা, আৰু (ছ) নিবনুৱা, বৃদ্ধ, ৰোগী আৰু শাৰীৰিকভাৱে বাধাপ্ৰাপ্ত লোকক কৰ্ম, শিক্ষা আৰু ৰাজহুৱা সহায়- পোৱাৰ অধিকাৰ নিশ্চিত কৰে।

ৰাষ্ট্ৰই বিশ্বশান্তি, পৰস্পৰ ৰাষ্ট্ৰৰ পৰা নিৰ্ভয় লাভ, উচিত আৰু সন্মানজনক সম্পৰ্ক স্থাপনৰ বাবে চেষ্টা কৰিব।

মৌলিক অধিকাৰ আৰু নিৰ্দ্দেশাত্মক নীতিৰ মাজত এয়েই পাৰ্থক্য যে মৌলিক অধিকাৰ আদালতৰ জৰিয়তে বলবৎ হয় আৰু ন্যায়সংগত কৰা হয়, নিৰ্দ্দেশাত্মক নীতি আইন-আদালতযোগে ন্যায়সংগত কৰা আৰু বলবৎ কৰা নহয়।

## 31.6 সাধাৰণ অনুশীলনী

**১। তলত দিয়া চন কেইটিত কি কি উল্লেখযোগ্য ঘটনা ঘটে বুলি পাঠটোত কোৱা হৈছে?**

| | | | |
|---|---|---|---|
| ১৭৮৯ | ১৮৯৫ | ১৯৩১ | ১৯৪৫ |
| ১৯৪৬ | ১৯৪৮ | ১৯৬৬ | ১৯৭৯ |

**২। পাঠত থকা আৱশ্যকীয় শব্দেৰে খালী ঠাই পূৰণ কৰা ঃ-**

ক) ইয়াত 'মানৱ অধিকাৰ' মানে মানুহৰ .......... বুজোৱা হৈছে।

খ) পুৰণি কালত 'ধৰ্ম' আৰু প্ৰাকৃতিক নিয়মৰ ...........প্ৰাকৃতিক অধিকাৰৰ সূত্ৰপাত হয়।

গ) দ্বিতীয় মহাসমৰৰ ধ্বংসলীলাই সমগ্ৰ মানৱ জাতিৰ অস্তিত্বলৈ ........দিলে।

ঘ) কিন্তু এই চনদৰ প্ৰস্তাৱসমূহ কাৰ্যকৰী কৰাৰ বাবে ৰাষ্ট্ৰসংঘৰ তেনে কোনো............. নাছিল।

ঙ) তেতিয়াৰ পৰাই ১০ ডিচেম্বৰ তাৰিখটো প্ৰতি বছৰে .......... ........... হিচাপে সমগ্ৰ বিশ্বতে পালন কৰি অহা হৈছে।

চ) কোনো ৰাষ্ট্ৰৰ সংবিধানত মানৱ অধিকাৰসমূহ অন্তৰ্ভুক্ত কৰিলে, সেই অধিকাৰসমূহক ............ ........... বুলি কোৱা হয়।

**৩। সন্ধি ভাঙা ঃ-**

তদুপৰি, অনুচ্ছেদ, তথাপি, আৰ্ন্তজাতিক, সংস্থা, প্ৰাধিকাৰী, সংস্কৃতি, উচ্ছল, নিৰ্দোষ, প্ৰত্যাগমন, পৰিষ্কাৰ, সংৰক্ষণ, অন্তৰ্ভুক্ত, স্বৰাজোত্তৰ, সংস্কাৰ, মহাত্মা, নিৰ্দ্দেশাত্মক, উন্নতি, সংযোগ, অন্তৰ্গতি,

**৪। তলত দিয়া শব্দকেইটাৰে অৰ্থপ্ৰকাশক বাক্য ৰচনা কৰা ঃ -**

আধিপত্য, পাৰ্গতালি, প্ৰভুত্ব, বাটকটীয়া, ভাবুকি, উদ্‌গনি, সংস্থা, অনুশাসন, সাৰ্বজনীন, প্ৰাধিকাৰী, বেমেজালি, প্ৰণয়ন, বলবৎ, নিৰ্দেশনা, উচ্ছল, লাইখুটা, স্বতন্ত্ৰতা, প্ৰত্যাগমন, সমৱেত, নিৰাপত্তা, পাৰিশ্ৰমিক, সংস্কাৰ, খচৰা, বাতিল, প্ৰৱৰ্তন অপসাৰণ, আৰোপ, খিলঞ্জীয়া, পৰম্পৰা, প্ৰদূষণ, সংকট।

৫। যিবিলাক অধিকাৰ সমাজৰ সকলো মানুহে পাইছে সেই বিলাক নাপালে—

ক) সমাজত শৃঙ্খলা থাকিলহেঁতেন নে?

খ) দুৰ্বল মানুহৰ কি অৱস্থা হ'লহেঁতেন?

৬। 'মানৱ অধিকাৰ' নামৰ পাঠটি পঢ়ি তোমাৰ যি যি উপকাৰ হোৱা বুলি বুজিলা, সেই কেইটি চমুকৈ লিখাঁ?

## 31.7 চমু প্ৰশ্নৰ উত্তৰ সংকেত

পাঠটোৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় ভাগৰ যিবোৰ প্ৰশ্ন যথাক্ৰমে তিনিওটা ভাগৰ শেষত দিয়া হৈছে, সেই প্ৰশ্নবোৰৰ উত্তৰ পাবলৈ হ'লে প্ৰত্যেকটি ভাগতে বিচাৰি চালে পাবা।

সাধাৰণ অনুশীলনীৰো ১ম আৰু ২য় প্ৰশ্নৰ উত্তৰ পাঠটো ভালকৈ পঢ়িলেই উলিয়াব পাৰিবা।

সাধাৰণ অনুশীলনীৰ ৩নং প্ৰশ্নৰ উত্তৰৰ বাবে তলত সন্ধিৰ কেইটিমান উদাহৰণ দিয়া হ'ল, তুমি সেইবোৰৰ আভাস লৈ সন্ধি কেইটা কৰা ঃ

অ+উ = ও  অ+অ = আ  আ + অ = আ

সৎ + উপায় = সদুপায়  প্ৰশ্ন + উত্তৰ = প্ৰশ্নোত্তৰ

| | |
|---|---|
| উৎ + মত্ত = উন্মত্ত | যুদ্ধ + উত্তৰ = যুদ্ধোত্তৰ |
| পৰি + ছেদ = পাৰিচ্ছেদ | বহিঃ + ভুক্ত = বৰ্হিভুক্ত |
| সম্ + কৃত = সংস্কৃত | সম্ + যত = সংযত |
| সম্ + বাদ = সংবাদ | সম্ + স্থাপন = সংস্থাপন |
| বহিঃ + কাৰ = বহিষ্কাৰ | প্ৰাতঃ + ভোজন = প্ৰাতৰ্ভোজন |

তোমাক সহায় কৰাৰ উদ্দেশ্যে কেইটিমান সন্ধি বিচ্ছেদ কৰি দেখুৱা হ'ল ঃ-

| | |
|---|---|
| প্ৰতি + আগমন = প্ৰত্যাগমন | তথা + অপি = তথাপি |
| প্ৰ + অধিকাৰী = প্ৰাধিকাৰী | নিৰ্দ্দেশ + আত্মক = নিৰ্দ্দেশাত্মক |

৫ ম আৰু ৬ ষ্ঠ প্ৰশ্নৰ উত্তৰ নিজে ভাবি-গুণি লিখাঁ।

## 31.8 অতিৰিক্ত পঠন উপদেশ

এই পাঠটোত 'মানৱ অধিকাৰ'ৰ এটি আভাস পালা, এই সম্পৰ্কে বেছিকৈ জানিবলৈ হ'লে এই বিষয়ে ৰচনা কৰা বিভিন্ন লেখকৰ গ্ৰন্থ পঢ়িবা। তোমাক সহায় কৰাৰ উদ্দেশ্যে তলত এখন কিতাপৰ নাম উল্লেখ কৰা হ'ল ঃ

**মানৱ অধিকাৰ**
**(নীতি আৰু প্ৰয়োগ)**
লেখক— ক্ষীৰেশ্বৰ বৰা,
মুদ্ৰক- মেচাৰ্ছ জে ডি প্ৰডাক্টচ্,
ছাত্ৰীবাৰী, বিল পাৰ, গুৱাহাটী-৭৮১০০৮

## 31.9 ছাত্ৰ-ছাত্ৰীক প্ৰশ্ন কৰিবলৈ দিয়া সংকেত

মানৱ অধিকাৰ সম্পৰ্কে বুজ্রাত কিবা অসুবিধা পালে বা কিবা প্ৰশ্ন থাকিলে লেখকক পত্ৰযোগে সুধিব পাৰিবা।

গোট নং 32

# লতাকটা ৰণ

( 'তুংখুঙ্গীয়া বুৰঞ্জীৰ' পৰা)

## 32.1 পাতনি আৰু উদ্দেশ্যাৱলী ঃ

'লতা কটা ৰণ' শীৰ্ষক পাঠটো শ্ৰীনাথ বৰবৰুৱাই লেখোৱা 'তুংখুঙ্গীয়া বুৰঞ্জী'ৰ পৰা চয়ন কৰা। অসমীয়া ভাষা সাহিত্যলৈ আহোমসকলৰ সৰ্বশ্ৰেষ্ঠ অৱদান হ'ল - বুৰঞ্জী সাহিত্য। অসমীয়া ভাষাত সংস্কৃতৰ 'ইতিহাস'ৰ প্ৰতিশব্দ 'বুৰঞ্জী' আহোম ভাষাৰপৰা অহা বুলি পণ্ডিত সকলে অভিমত দিছে। টাই-আহোম ভাষাত 'বু' মানে মূৰ্খ, 'ৰণ' মানে শিক্ষা আৰু 'জী' মানে ভঁৰাল; অৰ্থাৎ বুৰঞ্জী মানে মূৰ্খ বা অজ্ঞৰ জ্ঞানৰ ভঁৰাল। সময় অনুক্ৰমিক ভাৱে কথাবস্তু লিখি ৰখাটোৱে হ'ল বুৰঞ্জী সাহিত্যৰ মূল কথা। আদিতে বুৰঞ্জীবোৰ আহোম ভাষাত লিখা হৈছিল যদিও আহোম স্বৰ্গদেৱসকলে অসমীয়া ভাষা আৰু সংস্কৃতিক আঁকোৱালি লোৱাৰ পিছৰে পৰা বুৰঞ্জীবোৰ অসমীয়া ভাষাত লিখাৰ ৰীতি প্ৰচলিত হয়। আলোচকসকলে বহলভাৱে বুৰঞ্জীসমূহ দুটা ভাগত ভগাইছে - ক) অসম ৰাজ্যৰ বুৰঞ্জী আৰু খ) আহোম ৰাজ্যৰ বাহিৰৰ ওচৰ-চুবুৰীয়া আন ৰাজ্যৰ বুৰঞ্জী, বুৰঞ্জীসমূহ কথিত ভাষাত ৰচিত। ধৰ্ম বিষয়ক ভাষাৰ দৰে ইয়াৰ ভাষাত কৃত্ৰিমতা পোৱা নাযায়। কথিত ভাষাত ৰচিত হ'লেও পিছে বুৰঞ্জীসমূহ ঐতিহাসিক ঘটনাৰ নীৰস ধাৰাবাহিক বিৱৰণৰ দিনলিপি নহয়। ঐতিহাসিক পণ্ডিত ড০ সূৰ্য্যকুমাৰ ভূঞা ডাঙৰীয়াই ক'বৰ দৰে -- 'বুৰঞ্জীৰ কথা শুকান হাড়- ছাল নহয়; তাত ভাবৰ সমাৱেশ আৰু আবেগৰ সৌৰভ লক্ষ্য কৰিব পাৰি। সেইদেখি এই বুৰঞ্জীসমূহক বুৰঞ্জীৰ শাৰীৰ পৰা আনি বিশুদ্ধ সাহিত্যৰ অংগীভূত কৰা হৈছে। বুৰঞ্জী আৰু সাহিত্যৰ এনে সংগম বৃটিছৰ পূৰ্বযুগৰ কোনো ভাৰতীয় সাহিত্যতে দেখিবলৈ পোৱা নাযায় বুলি ক'লেও সত্যৰ অপলাপ নহয়।'

বুৰঞ্জীসমূহ সাধাৰণতে ৰাজমন্ত্ৰী অথবা আন পাত্ৰসকলৰ তত্বাৱধানত দেওধাই পণ্ডিতসকলৰ দ্বাৰা ৰচিত হৈছিল। বহুসময়ত ডা-ডাঙৰীয়াসকলে নিজৰ বাবেও বুৰঞ্জী ৰচনা কৰিছিল। পুৰণি অসমত ৰচিত হোৱা বুৰঞ্জীৰ সংখ্যা অনেক। বৰ্তমানলৈকে মাত্ৰ কেইখনমানহে বুৰঞ্জী পোহৰলৈ আহিছে। প্ৰকাশ

পোৱা বুৰঞ্জীসমূহৰ ভিতৰত 'পুৰণি অসম বুৰঞ্জী', তুংখুঙ্গীয়া বুৰঞ্জী', 'দেওধাই অসম বুৰঞ্জী', 'ত্ৰিপুৰা বুৰঞ্জী', 'কছাৰী বুৰঞ্জী', জয়ন্তীয়া বুৰঞ্জী', সুকুমাৰ মহন্তৰ ঘৰত পোৱা 'অসম বুৰঞ্জী', 'ত্ৰিপুৰা বুৰঞ্জী', কামৰূপৰ বুৰঞ্জী', পাদশ্যাহ বুৰঞ্জী', 'সাতসাৰ অসম বুৰঞ্জী', প্ৰভৃতি প্ৰখ্যাত। অধিকাংশ বুৰঞ্জীয়ে অষ্টদশ শতিকাত চূড়ান্ত ৰূপ পায়।

বুৰঞ্জীৰ পাঠাংশ আমাৰ পাঠ্যৰ অন্তৰ্গত কৰাৰ উদ্দেশ্য হ'ল --

◆ পুৰণি অসমীয়া বাস্তৱবাদী গদ্যৰ সৈতে ছাত্ৰ-ছাত্ৰীক পৰিচয় কৰাই দিয়া। বুৰঞ্জীক লৈ অসমীয়া সাহিত্যই সদায় গৌৰৱ কৰি আহিছে। যি কালত ভাৰতৰ আন আন ভাষাবোৰত কবিতাতহে সাহিত্য ৰচিত হৈছিল, সেই কালতেই অসমত কথিত ভাষাত ৰচিত হৈছিল বুৰঞ্জীসমূহ। ব্যক্তিগত ৰুচি অভিৰুচি বিসৰ্জন দি নিৰপেক্ষ ভাৱে ৰাজনৈতিক কথাসমূহ বিভিন্ন কথোপকথনৰ মাজেদি কেনে সলসলীয়া ভাৱে বুৰঞ্জীৰ সংকলকসকলে বৰ্ণনা কৰিব পাৰিছিল, তাৰ লগত তুমি পৰিচয় হোৱাটো অতি প্ৰয়োজন।

◆ বুৰঞ্জীসমূহে ৰাজনৈতিক ঘটনাৰ সবিশেষ জনোৱাৰ লগতে পুৰণি অসমৰ সামাজিক ৰীতি-নীতিতো এচেৰেঙা পোহৰ পেলায়। সেই চেৰেঙা পোহৰৰ সৈতে তোমাৰ দৰে কোমল বয়সীয়া ছাত্ৰ-ছাত্ৰীক পৰিচয় কৰাই দিয়া পাঠটোৰ আন এটি উদ্দেশ্য।

◆ বুৰঞ্জীবোৰত তৎসম, অৰ্ধতৎসম আৰু তদ্ভৱ শব্দৰ লগতে আৰবী-ফাৰ্চী শব্দৰো পয়োভৰ থকা বুলি কোৱা হয়। তুংখুঙ্গীয়া বুৰঞ্জীত কেনে ধৰণৰ শব্দ প্ৰয়োগ হৈছে, তাৰ এটি আভাস দিয়াটো পাঠাংশৰ এটি অন্যতম উদ্দেশ্য।

## 32.2 লেখক পৰিচিতি

বুৰঞ্জীবোৰত সাধাৰণতে লেখকৰ নাম পোৱা নাযায়। অৱশ্যে বুৰঞ্জী লেখোৱা ৰাজমন্ত্ৰী অথবা পাত্ৰসকলৰ নাম পোৱা যায়। আমাৰ আলোচ্য 'তুংখুঙ্গীয়া বুৰঞ্জী' বা 'শ্ৰী শ্ৰী তুংখুঙ্গীয়া ' ৰ বংশাৱলী' খন দুৱৰাজনা বৰবৰুৱাই লেখোৱা। বৰবৰুৱাজন হ'ল -- ৰঙাচিলা দুৱৰাৰ বংশৰ শ্ৰীনাথ। হৰনাথ সেনাপতি ফুকনৰ ভাতৃ শ্ৰীনাথে কেবাতৰপ ৰাজবিষয় খোৱাৰ পিছত বৰবৰুৱা হয় আৰু সুদীৰ্ঘ সোতৰ বছৰ কাল বৰবৰুৱাৰ বিষয় খায়।

## 32.3 মূলপাঠ

### 32.3.1 মুদ্রিত প্ৰতিলিপিৰ প্ৰথম ভাগ

পাচে সেনাপতি ভিতৰুৱাল সকল সৈন্য-সেনা সহিতে দুই নৈৰ মুখে সোমাই পৰ্ব্বত খন্দিয়েক দেই তাতে বাটৰ দিঙমোহ হৈ উজাই গৈ চৰাইদেও পৰ্ব্বতৰ পোন পালেগৈ। মণিপুৰীয়া দেশলৈ পথ একোৰূপে নাপাই হাবিত ফুৰন্তে মানুহ খাবলৈ নাপাই আঠু-মূৰ ডাঙ্গৰ হ'ল, বনকলৰ ৰসহে পানী হৈছিল। চাউল টেমী-মূৰৰ জোখাত ৰূপ টকাকৈ হৈছিল। সমনীয়াও যাব নোৱাৰে, নগাই কাটে। হাবি কাটি কাটি পথ কৰি গৈছে। নগায়ো পথ নিদি বহু মানুহ কাটিলে আৰু অনেকৰ জ্বৰ, গ্ৰহণী হৈ মৰিল। সাপ-মকৰাই খাইও অনেক মৰিল। পূৰ্ব্বে মণিপুৰীয়া ৰজাই বাট পোনাই নিম বুলি গাত লৈ নিলে, পৰে হাবি সোমাই ভু হৰাল।

এনেতে সেনাপতি ফুকনকে মোক্ষ কৰি সকলো সমালোচন হৈ একোৰূপে দিশ-বিদিশ নাপাই ˚ লৈ সকলো বৃত্তান্ত কথা জনাই পঠালে বোলে -- "নগায়ো অনেক মানুহ কাটিলে আৰু অন্নৰো বৰ বিকল হ'ল। জ্বৰ-গ্ৰহণীয়েও ধৰি অনেক মৰিল। আমি বন্দীহঁতে উপায় নাপাইহে জনাইছোঁ।" এইৰূপে বৰবৰুৱাত কলেহি। বৰবৰুৱায়ো ˚ লৈ জনালে। পাচে ˚ এ শুনি সকলকো আনিব দিলে জেঠ মাসত। পৰে আষাঢ়ত পালেহি; মানুহ আহিলাপাতি দুই ভাগ নান হানি পালে, এভাগহে আহিল। ওলাই আহিবৰ সময়ত বাড়কা নদীত ভূৰ বান্ধি মণিপুৰীয়া ৰজাক পাৰকৈ থৈ আহিল। আষাঢ় মাসত পালেহি।

**হৰনাথ ফুকনৰ অপৰাধ ঃ** ৰংপুৰ পালত ˚ এ বৰদুৱাৰৰ মুখৰ হাতীশালতে থাকিব দিলে। পৰে ˚ ৰ আজ্ঞাৰে সেনাপতি ফুকনত দায় ধৰি সুধিলে বোলে -- "মোৰ এতেখনি মানুহ, আলাপতি কিয় হানি কৰিলেগৈ? আৰু নগা ৪ টাকৈ মাৰি কাটি বাট মোকোলাই যাব নোৱাৰিলে? অ' জানিলোঁ, মোৰ কাৰ্য্যত সি হেলা কৰিলে।"

**ফুকনৰ উত্তৰ ঃ** এইৰূপে দায় ধৰিলত ফুকনেও ˚ লৈ প্ৰাৰ্থনা কৰি জনাই পঠালে, বোলে ---" ˚ এ যে মই বন্দীক দায় ধৰিছে, মই বন্দী দায়ৰ ভিতৰ। ˚ ৰ বুঢ়া বন্দী পিতৃ-পিতামহসকলেও দায় সাৰি যাব পৰা নাই। এতেকে মই কেনেকৈ এৰাম? তথাপি পূৰ্ব্বে মণিপুৰীয়া ৰজাই বাট দেখাই নিম বুলিলে, এতেকে আমিও গলোঁ। পাচে হাবি সোমাই একোৰূপে বাটপথ নেপালোঁ। তাতে অনেক মানুহৰ খৰ-গ্ৰহণী ধৰি মৰিল আৰু চাউলৰো বিকল হ'ল। সমনি-নিয়াও নাই আৰু নগায়ো বাট এৰি নিদিয়ে, পৰ্ব্বতৰ পৰা শিল বগৰাই

মাৰে। এক মাসৰ পথ হাবি কাটি গলে, তথাপি বাট-পথৰ একো উদিশ নাপালে। এতেকেহে মই বন্দী দায়ত পৰিছোঁ। যদি বাট দেখাই নিওঁতা হলহঁতে, মই নগে ˚ ৰ কাৰ্য্যত হেলা কৰিলোঁহতেঁ, তেতিয়াহে বন্দী দায়ব ভিতৰ। আৰু যদি পাচত চাউল-পাত সোধাওঁতে হলহতেঁ, তেও এইমান মানুহ হানি নহয়; তথাপি ˚ ৰ দাই-অপৰাধ কিৰূপে এৰাম? মই বন্দী দণ্ডৰ ভিতৰ।"

এইৰূপে ফুকনৰ প্ৰাৰ্থনা ˚ ত জনালত ˚ৰেও দাই-অপৰাধ ক্ষমা কৰি ফুকনক বহাঘৰলৈ যাব দিলে। পৰে কিছুদিন থাকি পৰো সোমাব দিলে। পাচে সেই ৰণৰ নাম হ'ল লতা-কটা।

পাচে সেনাপতি ভিতৰুৱাল ফুকনে সকল সৈন্য-সেনা সহিতে দুই নৈৰ মুখে সোমাই পৰ্বত খনদিয়েক দেই তাতে বাটৰ দিঙমোহ হৈ উজাই গৈ চৰাইদেও পৰ্বতৰ পোন পালেগৈ। মণিপুৰীয়া দেশলৈ পথ একো ৰূপে নাপায় হাবিত ফুৰন্তে মানুহ খাবলৈ নাপাই আঠু-মুৰ ডাঙৰ হ'ল। বনকলৰ ৰসহে পানী হৈছিল। চাউলৰ টেমী মূৰৰ জোখাত ৰূপ টকাকৈ হৈছিল। সমলীয়াও যাব নোৱাৰে, নগাই কাটে। হাবি কাটি কাটি পথ কৰি গৈছে। নগায়ো পথ নিদি বহু মানুহ কাটিলে, আৰু অনেকৰ জ্বৰ-গ্ৰহণী হৈ মৰিল। সাপ-মকৰাই খাইও অনেক মাৰিলে। পূৰ্বে মণিপুৰীয়া ৰজাই বাট পোনাই নিম বুলি গাত লৈ নিলে, পৰে হাবি সোমাই ভূ হেৰাল।

এনেতে সেনাপতি ফুকনকে মোক্ষ কৰি সকলো সমালোচন হৈ একোৰূপে দিশ-বিদিশ নাপাই ˚ লৈ সকলো বৃত্তান্ত কথা জনাই পঠালে, বোলে — "নগায়ো অনেক মানুহ কাটিলে আৰু অন্নৰো বৰ বিকল হ'ল। জ্বৰ-গ্ৰহণীয়েও ধৰি অনেক মৰিল। আমি বন্দীইঁতে উপায় নাপাইহে জনাইছোঁ।" এইৰূপে বৰবৰুৱাত ক'লেহি। বৰবৰুৱায়ো ˚ লৈ জনালে। পাচে ˚ এ শুনি সকলকো আনিব দিলে জেঠ মাসত। পৰে আষাঢ়ত পালেহি। মানুহ আহিলা-পাতি দুই ভাগ মান হানি পালে, এভাগহে আহিল। ওলাই আহিবৰ সময়ত বাড়কা নদীত ভূৰ বান্ধি মণিপুৰীয়া ৰজাক পাৰকৈ থৈ আহিল। আষাৰ মাহত পালেহি।

**হৰনাথ ফুকনৰ অপৰাধ -**

ৰংপুৰ পালত ˚ এ বৰদুৱাৰৰ মুখৰ হাতীশালতে থাকিব দিলে। পৰে ˚ ৰ আজ্ঞাৰে সেনাপতি ফুকনত দায়ধৰি সুধিলে, বোলে -- মোৰ এতেখনি মানুহ, আহিলাপাতি কিয় হানি কৰিলেগৈ? আৰু নগা ৪ টাকৈ মাৰি কাটি বাট মোকোলাই যাব নোৱাৰিলে? অ' জানিলোঁ, ইয়াৰ কাৰ্য্যত সি হেলা কৰিলে।

শব্দাৰ্থ ঃ

সকল = সকলো।
সহিতে = সৈতে।
খনদিয়েক = কেইখনমান।
দেই = পাৰ হৈ।
দিঙমোহ = বাট ভুল কৰি।
চৰাইদেও = এখন পৰ্বতৰ নাম।
ফুৰন্তে = ফুৰোঁতে।
আঠু মুৰ ডাঙৰ হ'ল = শুকাই খীনাই যোৱা।
বনকল = হাবিত হোৱা কল বিশেষ।
টেমী = টেমি, টিনৰ বা আন ধাতুৰ চুণ থবলৈ ব্যৱহাৰ কৰা সৰু পাত্ৰ।
সমলীয়া = খোৱা বস্তুৰ যোগান ধৰোঁতা।
নগা = নগাভূমিৰ বাসিন্দা।
বাট পোনাই নিয়া = বাট দেখুৱাই নিয়া।
ভূ হেৰাল = ভুল কৰিলে, বাট হেৰাল।
মোক্ষ = মুখ্য।
সমালোচন হৈ = আলোচনা কৰি।
বিকল = বিজুতি ঘটা।
˚ লৈ = স্বৰ্গদেৱলৈ।
জেঠ মাস = জেঠ মাহ।
আষাঢ় = আহাৰ মাহ।
বৰদুৱাৰ = মুখ্য দুৱাৰ।
হাতীশাল = হাতী বন্ধা ঠাই।
এতেখনি = ইমানখিনি।

## 32.3.2 মুদ্রিত প্ৰতিলিপিৰ প্ৰথম ভাগৰ আধুনিক অসমীয়া

সেনাপতি ভিতৰুৱাল ফুকনে সমস্ত সৈন্য-সামন্তৰ সৈতে (মণিপুৰ অভিমুখে যাত্ৰা কৰি) দুই নৈৰ মুখেদি সোমাই খনদিয়েক পাহাৰ পাৰ হৈ চৰাইদেও পৰ্বতৰ পোন পালেগৈ। মণিপুৰ দেশলৈ যোৱাৰ পথ একোৰূপে বিচাৰি নাপাই হাবিত ঘূৰি ফুৰোঁতে খাবলৈ নাপাই তেওঁলোকৰ আঠু-মূৰ ডাঙৰ হ'ল। (অৰ্থাৎ মানুহবোৰ খীনাই গ'ল)। বনকলৰ ৰস খাই প্ৰাণ ধাৰণ কৰিব লগাত পৰিল। একটেমি চাউলৰ দাম ৰূপ এটকালৈ উঠিল। যোগনীয়াৰ যাব পৰা নাছিল; কাৰণ নগাই কাটে। (ফুকনৰ সৈতে যোৱা সৈন্যসকলে) হাবি কাটি পথ কৰি গৈছিল। নগাসকলে বাট এৰি নিদি বহুত মানুহ কাটিলে। অনেক লোক জ্বৰ-গ্ৰহণী হৈ ঢুকাল। হাবিত থকা সাপ-মকৰাৰ দংশনতো অনেক মৰিল। মণিপুৰীয়া ৰজাই পথ দেখুৱাই লৈ যাম বুলিছিল যদিও হাবিত সোমাই তেৰোঁ বাট-পথ পাহৰি গ'ল।

সেনাপতি ফুকনকে মুখ্য কৰি সকলোৱে আলোচনা কৰি একো উপায় নাপাই স্বৰ্গদেৱলৈ সমস্ত বৃত্তান্ত জনাই পঠালে ---"নগাসকলে বহুতো সৈন্য কাটিলে আৰু ভাত-পানীৰো বৰ অভাৱে দেখা দিলে। জ্বৰ-গ্ৰহণীতো অনেক লোক মৰিল। আমি বন্দীহঁতে উপায় নাপাইহে জনাবলৈ বাধ্য হৈছো" -- এই বুলি বৰবৰুৱাক কলেহি। বৰবৰুৱায়ো স্বৰ্গদেৱক জনালে। স্বৰ্গদেৱে কথা শুনি মানুহবোৰক ঘূৰাই আনিবলৈ নিৰ্দেশ দিলে - জেঠ মাহত। তেওঁলোক আহাৰ মাহত পালেহি। মানুহ আৰু আহিলা-পাতি দুভাগমান নষ্ট হ'ল -- এভাগহে ঘূৰি আহিল। ওলাই আহিবৰ কালত বাড়কা নদীত ভূৰ বান্ধি মণিপুৰীয়া ৰজাক পাৰ কৰি থৈ আহিল। আহাৰ মাহত ঘূৰি আহিলহি।

**হৰনাথ ফুকনৰ অপৰাধ** ---

সেনাপতি ফুকনক মানুহ বিলাকৰ সৈতে স্বৰ্গদেৱে বৰদুৱাৰৰ মুখৰ হাতী-শালত থাকিবলৈ দিলে। স্বৰ্গদেৱে সেনাপতি ফুকনক দায় ধৰি সুধিলে -- 'মোৰ ইমানবিলাক সেনা আৰু যুদ্ধৰ আহিলাপাতি কিয় হানি কৰিলে? নগা চাৰিটাকৈ মাৰি কাটি বাট মোকোলাই যাব নোৱাৰিলে নে? জানিছোঁ, মোৰ কাৰ্য্যত তেওঁ হেলা কৰিছে।'

## 32.3.3 আলোচনা

আহোম স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহৰ দিনত কছাৰী ৰজাৰ উপৰি মণিপুৰীয়া ৰজা জয়সিংহই আহোম স্বৰ্গদেৱৰ শৰণাপন্ন হয়। সেনাপতি হৰনাথ ফুকনৰ নেতৃত্বত এদল সৈন্য বাহিনী দি ৰজা জয়সিংহক মণিপুৰত সংস্থাপন কৰিবলৈ

নির্দেশ দিয়ে। ৰজাৰ আদেশ মর্মে সেনাপতি হৰনাথ ফুকনে সৈন্য-সামন্ত আৰু মণিপুৰীয়া ৰজাক লৈ যাত্রা কৰি দুই নৈৰ মুখেদি সোমাই কেইখনমান পর্বত অতিক্রম কৰাৰ পিছত বাট ভুল কৰি উজাই গৈ চৰাইদেও পর্বতৰ পোন পালেগৈ। তেওঁলোকে মণিপুৰ ৰাজ্যলৈ যোৱাৰ পথ বিচাৰি নোপোৱাত পৰিল মণিপুৰৰ ৰজা জয়সিংহয়ো আপোন ৰাজ্যলৈ যোৱা পথ ভুল কৰিলে। তেওঁলোকৰ খাদ্যৰ নাটনি হ'ল। যোগনীয়াৰ যাব নোৱাৰে — উপাহীন হৈ হাড়ে-ছালে লগা সৈন্যসকলে কলৰ ৰস খাইহে জীৱন ধাৰণ কৰিব লগাত পৰিল। তাতে ভূতৰ ওপৰত দানহৰ দৰে নগাবোৰেও ভালেখিনি অসমীয়া সেনা কাটিলে। কিছু সংখ্যক সেনা জ্বৰ আৰু গ্ৰহণী হৈ ঢুকাল। কিছুমানক বিষাক্ত মকৰা আৰু সাপে দংশন কৰি মাৰিলে। সেনাসকলে এমাহ কাল বাটৰ হাবি লতা আদি কাটিয়ো বাটৰ একো সন্ধান নাপালে। সেইবাবে সেনাপতি হৰনাথ ফুকন জগৰত পৰিব লগাত পৰিল। পৰিবৰ কথাইঙ্গ কিয়নো তেওঁযে নেতৃত্ব দিছিল। পিছে ইচ্ছাকৃতভাৱে তেওঁ জগৰৰ জালত পৰিবলৈ বিচৰা নাছিল। বাটদেখুৱাই নিয়াজনক তেওঁ অকলশৰে সৈন্যসকলৰ লগত পঠিয়াই দি স্বৰ্গদেৱৰ আদেশ অমান্য কৰা নাছিল। তেওঁ এইখিনি কথা স্পষ্টভাৱে স্বৰ্গদেৱক জনাইছিল। ইয়াতেই হৰনাথ ফুকনৰ স্পষ্টবাদৰ পৰিচয় পোৱা যায়।

## 32.3.4 প্ৰথম ভাগৰ চমু প্ৰশ্নমালা

(১) 'লতাকটা ৰণ' পাঠটো কোনখন বুৰঞ্জীৰ পৰা চয়ন কৰা হৈছে?
(২) আহোম ভাষাত 'বুৰঞ্জী' শব্দৰ অৰ্থ কি?
(৩) মণিপুৰৰ ৰজাজনৰ নামটো কি আছিল?
(৪) মণিপুৰৰ ৰজাক তেওঁৰ নিজৰ ৰাজ্যত সংস্থাপন কৰিবলৈ কাক আদেশ দিছিল?
(৫) হৰনাথ ফুকন কোন?
(৬) 'মোৰ এতেখনি মানুহ আহিলাপাতি কিয় হানি কৰিলেগৈ?' - এই উক্তিটো কাৰ?
(৭) 'আঠু-মুৰ ডাঙৰ হ'ল' - কথাষাৰৰ তাৎপৰ্য্য কি?
(৮) 'নাগায়ো অনেক মানুহ কাটিলে আৰু অন্নৰো বৰ বিকল হ'ল' - কথাষাৰ কোনে কাক কৈছিল?

## 32.3.5 মুদ্ৰিত প্ৰতিলিপিৰ দ্বিতীয় ভাগ ঃ

### ফুকনৰ উত্তৰ ঃ

এইৰূপে দায় ধৰিলত ফুকনেও ˚ লৈ প্ৰাৰ্থনা কৰি জনাই পঠালে. বোলে, ˚ এ যে মই বন্দীক দায় ধৰিছে, মই বন্দী দায়ৰ ভিতৰ। ˚ ৰ বুঢ়া

বন্দী পিতৃ পিতামহ সকলেও দায় সাৰি যাব পৰা নাই। এতেকে মই কেনেকৈ এৰাম? তথাপি পূৰ্বে মণিপুৰীয়া ৰজাই বাট দেখাই নিম বুলিলে, এতেকে আমিও গ'লো। পাচে হাবি সোমাই একো ৰূপে বাট-পথ নেপালোঁ। তাকে অনেক মানুহৰ খৰ-গ্ৰহণী ধৰি মৰিল; আৰু চাউলৰো বিকল হ'ল। সমলিনিয়াও নাই আৰু নাগায়ো বাট-পথৰ একো উদিশ নাপালে। এতেকেহে মই বন্দী দায়ত পৰিছোঁ। যদি বাট দেখাই নিওঁতা, মই নগৈ ˚ ৰ কাৰ্য্যত হেলা কৰিলোঁহঁতে, তেতিয়াহে বন্দী দায়ৰ ভিতৰ। আৰু যদি পাচত চাউল-পাত সোধাওঁতা হলহঁতে, তেওঁ এইমান মানুহ হানি নহয়; তথাপি ˚ ৰ দাই অপৰাধ কি ৰূপে এৰাম? মই বন্দী দণ্ডৰ ভিতৰ।'

শব্দাৰ্থ ঃ
সাৰি যাব = এৰান।
খৰ-গ্ৰহণী = তেজ-গ্ৰহণী।
ৰোগ বিশেষ, সমলিনিয়া = যোগান ধৰোঁতা।
উদিশ = উৱাদিহ।
দায় = দোষ।
কৰিলোহতেঁ = কৰিলোঁহেঁতেন।
ফুকন = আহোম শাসন ব্যৱস্থাৰ বিষয়া বিশেষ।

এইৰূপে ফুকনৰ প্ৰাৰ্থনা ˚ ত জনালত ˚ ৱেও দাই অপৰাধ ক্ষমা কৰি ফুকনক বহাঘৰলৈ যাবলৈ দিলে। পৰে কিছুদিন থাকি পৰে সোমাব দিলে। পাচে সেই ৰণৰ নাম হ'ল — 'লটাকটা।'

## 32.3.6 মুদ্ৰিত প্ৰতিলিপিৰ দ্বিতীয় ভাগৰ আধুনিক অসমীয়া ঃ

**ফুকনৰ উত্তৰ ঃ**

এনেদৰে দোষ ধৰাৰ পিছত ফুকনে স্বৰ্গদেৱলৈ প্ৰাৰ্থনা কৰি জনাই পঠালে এনেদৰে — 'স্বৰ্গদেৱে যে মই বন্দীক দায় ধৰিছে, মই বন্দী সেই দায়ৰ ভিতৰতে। স্বৰ্গদেৱৰ দায় জগৰৰ পৰা (ফুকনৰ) বৃদ্ধ পিতৃ-পিতামহ সকলেও সাৰি যাব পৰা নাই। গতিকে মই কেনেকৈ এৰাম? আগতে মণিপুৰীয়া ৰজাই বাট দেখুৱাই নিম বুলিছিল। সেইবাবে আমি গ'লোঁ। পিছে হাবিত সোমাই একোৰূপে বাট-পথ নোপোৱা হ'লোঁ। তাতে অনেক সৈন্য জ্বৰ আৰু গ্ৰহণী হৈ ঢুকাল। চাউলৰ অভাৱতো কিছুমান মৰিল। যোগনিয়াৰো যাব নোৱাৰিলে, কাৰণ নগাই বাট এৰি নিদিয়ে। সিহঁতে পৰ্বতৰ পৰা শিল বগৰাই দি যোগনিয়াৰক বধকৰে। এমাহৰ পথ হাবি কাটি গ'লোঁ, তথাপি বাটৰ একো উৱাদিহ নাপালোঁ। সেইবাবে বন্দী দায়ত পৰিছোঁ। যদি বাট দেখাই দিওতাজন গ'লহেঁতেন আৰু মই নগৈ স্বৰ্গদেৱৰ কাৰ্যত হেলা কৰিলোঁহেঁতেন, তেনেহলে মই দোষী হলোঁহেঁতেন। তেওঁলোকৰ পিছত যদি চাউল-পাত যোগাওঁতাসকল যাব পাৰিলেহেঁতেন, তেতিয়াহ'লেও ইমানখিনি মানুহৰ হৰণ ভগন নহ'লহেঁতেন। তথাপি স্বৰ্গদেৱৰ দোষ-অপৰাধ কেনেকৈ এৰাম? মই বন্দী দণ্ডৰ যোগ্য।'

এইদৰে ফুকনৰ প্ৰাৰ্থনা স্বৰ্গদেৱত জনালত স্বৰ্গদেৱে দায়-দোষ মাৰ্জনা কৰি ফুকনক বহাঘৰলৈ যাবলৈ দিলে। কিছুদিন পিছত ঘৰো সোমাবলৈ দিলে। সেই ৰণখনৰ নামেই হ'ল — 'লটাকটা'।

## 32.3.7 আলোচনা

আত্মপক্ষ সমৰ্থনৰ বাবে হৰনাথ ফুকনে যিকেইটা যুক্তি আগবঢ়াইছিল,সেই আটাইকেইটা যুক্তিয়ে সত্যৰ ওপৰত প্ৰতিষ্ঠিত। মণিপুৰলৈ যোৱাৰ পথ ফুকনে চিনি নাপায়। মণিপুৰীয়া ৰজাই পথ-প্ৰদৰ্শকৰ ভূমিকা লোৱাৰ কথা আছিল; কিন্তু উক্ত ৰজাজনে নিজৰ কৰ্তব্য পালন কৰিবলৈ সমৰ্থ নহ'ল। ফলত ফুকনৰ সেনাসকল দিশহাৰা হৈ হাবিত ঘূৰিব লগাত পৰিল। দ্বিতীয়তে, প্ৰকৃতিৰ পৰিবেশো নাছিল অনুকূল। সেইবাবে বহুতো লোক জ্বৰ আৰু তেজ গ্ৰহণী হৈ মৃত্যুমুখত পৰিল। তৃতীয়তে, খাবলৈ নাপায়ো কিছু লোকে প্ৰাণ এৰে। ৰচদ পাতি লৈ যোগনিয়াৰ যোৱাৰ কথা আছিল যদিও নগাই বাট ভেটি ধৰাত তেওঁলোক যাবলৈ নোৱাৰিলে। নগাইতে পাহাৰৰ ওপৰৰ পৰা শিল বগৰাই দি ভালেকেইজন যোগনিয়াৰৰ প্ৰাণ লয়। চতুৰ্থতে, সীমাহীন বিপদকো আওকাণ কৰি ফুকনে সৈন্যসকলক লৈ এমাহ কাল লতা-বন কাটি আগবাঢ়িলে যদিও তেওঁ প্ৰকৃত পথৰ সন্ধান উলিয়াব নোৱাৰিলে। পঞ্চমতে, যদি বাট দেখুৱাই নিয়াজন গ'লহেঁতেন আৰু স্বৰ্গদেৱৰ আদেশ অমান্য কৰি ফুকন নগ'লহেঁতেন, তেতিয়াহ'লে ফুকন দোষৰ ভাগী হ'লহেঁতেন।' ফুকনৰ স্পষ্টবাদিতাত স্বৰ্গদেৱে সন্তুষ্টি প্ৰকাশ কৰে আৰু তেওঁৰ দোষ ক্ষমা কৰে।

সাধাৰণতে যুঁজ লাগে শত্ৰুৰ লগত। যুদ্ধত সেনা বাহিনীৰ বহুতো লোক হতাহত হয়। শান্তি সংস্থাপনৰ বাবে ওলোৱা আহোমৰ বহু সৈন্য মৃত্যু মুখত পৰে। তেওঁলোকে শত্ৰুৰ বিৰুদ্ধে ৰণ কৰাৰ বিপৰীতে বন-লতাৰ বিৰুদ্ধেহে তৰোৱাল চলাব লগাত পৰিছিল। সেইবাবেই উক্ত ৰণখন বুৰঞ্জীত 'লতাকটা ৰণ' ৰূপে চিহ্নিত হয়।

## 32.3.8 দ্বিতীয় ভাগৰ প্ৰশ্নাৱলী

(৯) স্বৰ্গদেৱে ফুকনক দোষী সাব্যস্ত কৰাৰ পিছত দোষমুক্ত হ'বলৈ তেওঁ আগবঢ়োৱা যুক্তিসমূহৰ এটা বা দুটা যুক্তি দাঙি ধৰা।

(১০) লতা-কটা ৰণ কাৰ কাৰ মাজত হৈছিল?

(১১) ৰণখনক 'লতা-কটা' বোলাৰ কাৰণ কি?

(১২) স্বৰ্গদেৱে ফুকনৰ দায়-অপৰাধ মাৰ্জনা কৰি তেওঁক ক'লৈ যাবলৈ দিছিল?

## 32.4 মূল পাঠৰ সাৰাংশ

স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহৰ দিনত 'লটাকটা ৰণ' হৈছিল। সেনাপতি হৰনাথ ভিতৰুৱাল ফুকনৰ নেতৃত্বত এদল সেনা দি স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহই জয়সিংহক মণিপুৰত সংস্থাপন কৰিবলৈ নিৰ্দেশ দিছিল। পিছে মণিপুৰলৈ যাত্ৰা কৰি গভীৰ অৰণ্যৰ মাজত তেওঁলোকে বাট হেৰুৱাই পেলালে। নগাসকলেও বহু সেনা কাটিলে। জ্বৰ, তেজ গ্ৰহণী হৈয়ো কিছু লোক মৰিল। তেওঁলোক খাদ্যৰ নাটনিতো পৰিল। উপায়হীন হৈ সেনাপতি ফুকনে লগৰ সেনাসকলৰসৈতে আলোচনা কৰি সকলো কথা স্বৰ্গদেৱলৈ কৈ পঠালে। ফুকন স্বৰ্গদেৱৰ ৰোষত পৰিল। ফুকনে তেতিয়া অকাট্য যুক্তিৰে নিজা সৈন্য-সামন্ত নিধন হোৱাৰ কাৰণ দৰ্শোৱাত স্বৰ্গদেৱ সন্তুষ্ট হয় আৰু সেনাপতিক দায়মুক্ত কৰে।

## 32.5 সাধাৰণ অনুশীলনী

**32.5.1 'লতাকটা ৰণ' পাঠটোৰ ভিত্তিত তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া। প্ৰতিটো প্ৰশ্নৰ উত্তৰৰ বাবে তিনিটাকৈ বিকল্প দিয়া আছে। শুদ্ধকৈ বাচিলৈ ✓ চিন দিয়া।**

(১৩) ভিতৰুৱাল ফুকনে সৈন্য-সেনা লৈ বাট হেৰুৱাই উজাই গৈ

(ক) চৰাইদেও পৰ্বত পালেগৈ।

(খ) ৰংপুৰ পালেগৈ।

(গ) মণিপুৰ পালেগৈ।

(১৪) সমলীয়াও যাব নোৱাৰে, কাৰণ

(ক) মণিপুৰীয়াই কাটে।

(খ) নগাই কাটে।

(গ) স্বৰ্গদেৱে কাটে।

(১৫) ভিতৰুৱাল ফুকনে লগত নিয়া সৈন্য-সেনাৰ অনেক

(ক) জ্বৰ-গ্ৰহণী হৈ মৰিল।

(খ) খাবলৈ নাপাই মৰিল।

(গ) নৈত পৰি মৰিল।

(১৬) আহোম সেনাপতিক মণিপুৰলৈ বাট দেখুৱাই নিম বুলি কোনে গাত লৈছিল?

(ক) সৈন্য-সামন্তবোৰে।

(খ) লিগিৰাইংতে।

(গ) মণিপুৰীয়া ৰজাই।

(১৭) আহোম সৈন্যসকলে কোন নদীত ভুৰ বান্ধি মণিপুৰীয়া ৰজাক পাৰত থৈ আহিছিল?

(ক) দিখৌ নদী।

(খ) বৰাক নদী।

(গ) কলং নদী।

(১৮) স্বৰ্গদেৱে ফুকনৰ দোষ ক্ষমা কৰি তেওঁক ক'লৈ যাবলৈ অনুমতি দিয়ে?

(ক) শোৱনি ঘৰলৈ।

(খ) বাট-চৰালৈ।

(গ) বহাঘৰলৈ।

## 32.5.2 'লতাকটা ৰণ' পাঠটোৰ ভিত্তিত তলৰ মন্তব্যবোৰ শুদ্ধ নে অশুদ্ধ বিচাৰ কৰা।

(১৫) চাউলৰ টেমী মূৰৰ জোখাত ৰূপ টকাকৈ হৈছিল।

(২০) মণিপুৰীয়া ৰজাই বাট পোনাই নিম বুলি গাত লৈছিল।

(২১) অসমীয়া সেনা এজনো জ্বৰ-গ্ৰহণীত মৰা নাছিল।

(২২) ৰংপুৰ পোৱাৰ পিছত বৰফুকনক জয়জয়তে হাতীশালত থাকিবলৈ দিছিল।

(২৩) আহোম সৈন্যই এবছৰ কাল লতা-বন কাটিছিল।

(২৪) অৱশেষত স্বৰ্গদেৱে হৰনাথ ফুকনক মৃত্যুদণ্ড দিছিল।

## 32.5.3 তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ একেটা বাক্যতে লিখা ঃ

(২৫) হাবিত ঘূৰি ফুৰোঁতে খাবলৈ নাপাই আহোম সেনা সকলৰ আঠু-মূৰ কেনে হৈছিল?

(২৬) বাট ভুল কৰি আহোম সেনাসকল কোন পৰ্বতৰ পোন পাইছিল গৈ?

(২৭) ঁ লৈৰ উচ্চাৰণ কি?

(২৮) সেনাপতি হৰনাথ ফুকনে মণিপুৰীয়া বজাক নদী পাৰ কৰি থৈ কোন মাহত ৰংপুৰ পাইছিল?

(২৯) 'মোৰ কাৰ্য্যত সি হেলা কৰিলে' -- উক্তিটো কাৰ?

## 32.6 বৈয়াকৰণিক অনুশীলনী

**৭.৬.১.** অসমীয়া ভাষাত মূল অৰ্থত গুৰুত্ব দিবলৈ পদৰ একেবাৰে শেষত কিছুমান প্ৰত্যয় ব্যৱহাৰ কৰা হয়। এনেবোৰ প্ৰত্যয়ক 'স্বাৰ্থিক প্ৰত্যয়' কোৱা হয়। ইবোৰক ক্ৰিয়াবাচক পৰসৰ্গও বুলিব পাৰি। এইবোৰে বাক্যৰ অৰ্থ বঢ়োৱাৰ উপৰি অনিশ্চয়তা, সন্দেহ, সম্ভাৱনা আদি ভাৱো প্ৰকাশ কৰে। দুটামান উদাহৰণ ---

- হি (শেষ বা সম্পূৰ্ণ সূচোৱা) = আবাঢ় মাহত পালেহি, সি ভাত খালেহি ইত্যাদি।

এতিয়া তলত দিয়া স্বাৰ্থিক প্ৰত্যয় কেইটা প্ৰয়োগ কৰি একোটাকৈ বাক্য ৰচনা কৰা --

- গৈ
- চাগৈ
- তো
- দেই
- দেখোঁ
- নে
- হঁক
- হঁতে

### 32.6.1 তলৰ শব্দবোৰৰ কিছুমান শব্দ শুদ্ধ আৰু কিছুমান অশুদ্ধ। অশুদ্ধ কেইটা শুদ্ধকৈ লিখা —

| | | | |
|---|---|---|---|
| অঞ্জলি | উৎকৰ্যতা | যদ্যাপি | সমজুৱাসকল |
| অগ্রণী | ঐক্যতা | যোৱাকালি | |
| অত্যাধিক | নাইকিয়া | ৰুক্মিণী | |
| অৰুন | প্রৱন্ধ | শ্রেষ্ঠতম | |

## সমাৰ্থক বা প্রতিশব্দ ঃ

এটা শব্দ বা.. বাৰে বাক্যত ব্যৱহাৰ কৰিলে শুনিবলৈ আমনিদায়ক হয়। এনে আমনি আঁতৰাবলৈ লিখকসকলে একে অৰ্থ বিশিষ্ট বেলেগ বেলেগ শব্দ ব্যৱহাৰ কৰে। এক অৰ্থযুক্ত শব্দবোৰৰ নাম সমাৰ্থক বা প্রতিশব্দ। দুটামান উদাহৰণ --

অগ্নি -- অনল, আতশ, জুই, পাবক, বহ্নি, হুতাশন,

নাৰী - অঙ্গনা, কুমাৰী, বণিতা, বামা, ভামিনী, মহিলা, বসনী, ললনা।

এতিয়া তলত দিয়া শব্দকেইটাৰ সমাৰ্থক শব্দ লিখা -

অন্ত, অন্তৰীক্ষ, অন্ধ, ঈশ্বৰ, কিংকৰ, হাতী, চন্দ্ৰ, পদুম, সাপ।

### 32.7 সৃষ্টিধৰ্মী প্ৰশ্ন

(ক) অসমীয়া বুৰঞ্জী সাহিত্যৰ এটা পৰিচয় দিয়া।

(খ) হৰনাথ ফুকনৰ চাৰিত্ৰিক বৈশিষ্ট্য লিখা।

(গ) বুৰঞ্জীৰ গদ্যৰসৈতে আধুনিক অসমীয়াৰ পাৰ্থক্য কিমানখিনি, বিচাৰ কৰা।

(ঘ) প্ৰত্যক্ষ উক্তিয়ে বুৰঞ্জীৰ গদ্যক কেনে প্ৰাণৱন্ত কৰি তুলিছে, আলোচনা কৰা।

### 32.8 চমু প্ৰশ্নমালাৰ উত্তৰ সংকেত

(১) 'লতা কটা বণ' পাঠটো তুংখুংঙ্গীয়া বুৰঞ্জীৰ পৰা চয়ন কৰা।

(২) আহোম ভাষাত বুৰঞ্জীৰ অৰ্থ হ'ল -- মূৰ্খ বা অজ্ঞৰ জ্ঞানৰ ভঁৰাল,

(৩) মণিপুৰৰ ৰজাজনৰ নামটো আছিল – জয়সিংহ।

(৪) মণিপুৰীয়া ৰজাক তেওঁৰ নিজৰ ৰাজ্যত সংস্থাপন কৰিবলৈ সেনাপতি হৰনাথ ফুকনক আদেশ দিছিল।

(৫) হৰনাথ ফুকন আহোম স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহৰ সেনাপতি আছিল।

(৬) এইটো স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহৰ উক্তি।

(৭) 'আঠু-মুৰ ডাঙৰ হ'ল' - কথাষাৰৰ তাৎপৰ্য্য হ'ল -- খাবলৈ নাপাই শুকাই খীনাই যোৱা।

(৮) উক্ত কথাষাৰ সেনাপতি হৰনাথ ফুকনে ৰাজেশ্বৰ সিংহ স্বৰ্গদেৱক কৈছিল।

(৯) (ক) বাট দেখুৱাই নিবলৈ প্ৰতিশ্ৰুতি দিয়া মণিপুৰীয়া ৰজাই নিজৰ কথা ৰাখিব নোৱাৰিলে।

(খ) বহুতো লোক জ্বৰ আৰু খৰ-গ্ৰহণী হৈ ঢুকাল।

(১০) ৰণ সাধাৰণতে দুটা দলৰ মাজত হয়; কিন্তু লতাকটা ৰণ দুই দলৰ মাজত সংঘটিত হোৱা নাছিল। মণিপুৰীয়া ৰজাক তেওঁৰ ৰাজ্যত সংস্থাপন কৰিবলৈ সেনাপতি হৰনাথ ফুকনে সৈন্য-সামন্ত লৈ গৈ এমাহ জুৰি লতা-বন কাটি ভালে সংখ্যক সেনা হেৰুৱাব লগা হৈছিল।

(১১) লতাকাটি যুদ্ধ যাত্ৰা কৰা গুণে তাক 'লতাকটা ৰণ' বোলে।

(১২) স্বৰ্গদেৱে সেনাপতিৰ দায়-অপৰাধ ক্ষমা কৰি ফুকন সেনাপতিক বহাঘৰলৈ যাবলৈ আদেশ দিছিল।

(১৩) ক, (১৪) খ, (১৫) ক, (১৬) গ, (১৭) খ, (১৮) গ

(১৯) শুদ্ধ (২০) শুদ্ধ, (২১) অশুদ্ধ, (২২) শুদ্ধ, (২৩) শুদ্ধ, (২১) অশুদ্ধ,

(২৫) হাবিত ঘূৰি ফুৰোঁতে আহোম সেনাসকলৰ আঠু-মুৰ ডাঙৰ হৈছিল।

(২৬) বাট ভুল কৰি আহোম সেনাসকল চৰাইদেও পৰ্বতৰ পোন পাইছিল গৈ।

(২৭) ˚ লৈৰ উচ্চাৰণ হ'ল – স্বৰ্গদেৱলৈ।

(২৮) সেনাপতি হৰনাথ ফুকনে আহাৰ মাহত ৰংপুৰ পাইছিল।

(২৯) স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহৰ।

- গৈ ঃ সি থাকিল গৈ।

- তো ঃ তেওঁ দিবতো।

- দেই ঃ আহিব দেই।

- দেখো ঃ সি গ'ল দেখো।

- নে ঃ তুমি কবানে?

- হঁক ঃ আমি যাওঁহক।

- হঁতে ঃ যদি বাট দেখাই নিওঁতা হ'লহঁতে।

**শুদ্ধৰূপবোৰ**

অঞ্জলি, অত্যাধিক, নাইকিয়া, প্ৰবন্ধ, অগ্ৰণী, অৰুণ, ৰুক্মিণী, যদ্যপি, উৎকৰ্ষ, ঐক্য, সমজুৱা, কালি, শ্ৰেষ্ঠ।

অন্ত ঃ- ইতি, অৱশেষ, উপসংহাৰ, ক্ষয়

অন্তৰীক্ষ ঃ- অম্বৰ, আকাশ, গগন, নভঃ, নভলোক, শূণ্য

অন্ধ ঃ- কণা, চকুহীন, জন্মান্ধ, দৃষ্টিহীন

ঈশ্বৰ ঃ- অনাদি, অনাদিপুৰুষ, ঈশ, নিৰঞ্জন, পৰমেশ্বৰ, পৰমপিতা

কিংকৰ ঃ- অনুচৰ, চাকৰ. দাস, ভৃত্য

হাতী ঃ- কৰী, গজ, দ্বিপ, বাৰণ, হস্তী

চন্দ্ৰ ঃ- জোন, জোনবাই, নিশাকৰ, নিশাপতি, শশধৰ, হিমাংশু

পদুম ঃ- অব্জ, অৰবিন্দ, কমল, কমলিনী, নলিনী, পঙ্কজ

সাপ ঃ- অহি, বিষধৰ, ফণধৰ, ফণাকৰ, ভুজগ, ভুজংগ।

## 32.9 অতিৰিক্ত পঠন উপদেশ

তোমালোকে বুৰঞ্জীৰ গদ্যৰ সৌন্দৰ্য্য চাবলৈ বিচাৰিলে ড০ সূৰ্য্যকুমাৰ ভূঞাই সম্পাদনা কৰা 'তুংখুঙ্গীয়া বুৰঞ্জী,', 'দেওধাই অসম বুৰঞ্জী', 'সাতসৰি অসম বুৰঞ্জী', আদি গ্ৰন্থ পঢ়ি চাব পাৰা। অসমীয়া বুৰঞ্জী সাহিত্যৰ সবিশেষ জানিবলৈ ড০ লীলা গগৈৰ 'বুৰঞ্জী সাহিত্য' পঢ়া প্ৰয়োজন।

গোট নং ৩৩

# শৰৎ বৰ্ণনা

ৰচনা ঃ বৈকুণ্ঠ নাথ ভাগৱত ভট্টাচাৰ্য্য

## ৩৩.1 পাতনি আৰু উদ্দেশ্যাৱলী

তুমি আগতেই পাই আহিছা যে অসমীয়া সাহিত্যৰ দীঘলীয়া বুৰঞ্জীক চমুকৈ দুটা ভাগত ভগোৱা হৈছে ঃ (ক) পুৰণি অসমীয়া সাহিত্য আৰু (খ) আধুনিক অসমীয়া সাহিত্য।

এইখিনিতে পুনৰ উনুকিয়াই থওঁ যে – পুৰণি অসমীয়া সাহিত্যৰ দীঘলীয়া ইতিহাসক তিনিটা উপ বিভাগত ভাগ কৰা কথাও ইতিমধ্যে তুমি পঢ়ি আহিছা। মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱৰ দ্বাৰা প্ৰৱৰ্তিত নৱ বৈষ্ণৱ ধৰ্মৰ প্ৰসাৰৰ লগে লগে পুৰণি অসমীয়া সাহিত্যয়ো সমৃদ্ধিৰ পথত আগবাঢ়ে। পুৰণি অসমীয়া ঘাইকৈ অনুবাদমূলক। গদ্য আৰু পদ্য উভয়তে পুৰণি অসমীয়া সাহিত্য ৰচিত হোৱাটো উল্লেখযোগ্য। মহাকাব্য ৰামায়ণ আৰু মহাভাৰতৰ উপৰি ভাগৱত পুৰাণৰো মনোৰম ভাঙনি পুৰণি অসমীয়া সাহিত্যত পোৱা যায়। পুৰণি অসমীয়া সাহিত্যত পদ পুথিৰ সংখ্যাই সৰহ। উত্তৰ শংকৰ যুগৰ সাহিত্যৰ এটা বিশেষ বৈশিষ্ট্য হ'ল -- গদ্য সাহিত্যৰ প্ৰৱৰ্তন। পুৰণি অসমীয়া গদ্য লিখকসকলৰ ভিতৰত বৈকুণ্ঠ নাথ ভাগৱত ভট্টাচাৰ্য্য, গোপালচৰণ দ্বিজ, হৰিদেৱ, ৰঘুনাথ মহন্ত, শিষ্ট ভট্টাচাৰ্য্য আদি প্ৰখ্যাত। এই পাঠটোত তুমি পুৰণি অসমীয়া গদ্যৰ চানেকি হিচাপে 'ভট্টদেৱ'ৰ লেখাৰ অংশ বিশেষ পঢ়িবলৈ পাবা।

এই পাঠ অধ্যয়ন কৰিলে তুমি পাবা ঃ-

- পুৰণি অসমীয়া গদ্যৰ সোৱাদ।
- ভাগৱত পুৰাণৰ দৰে তত্ত্বগধুৰ পুৰাণ এখনি আজিৰ পৰা পাঁচ শ বছৰ পূৰ্বে অসমীয়া ভাষাত কিমান সহজ-সৰল ভাৱে ভাঙনি কৰিবলৈ সমৰ্থ হৈছিল, তাৰ আভাস,
- পুৰণি অসমীয়া গদ্যশৈলীৰ আভাস আৰু
- পুৰণি অসমীয়া গদ্য সাহিত্যত প্ৰয়োগ হোৱা শব্দাৱলীৰ চানেকি।

## 33.2 লেখক পৰিচিতি

এতিয়া 'শৰৎ বৰ্ণনা' পাঠটিৰ ৰচয়িতাৰ সৈতে তোমালোকক পৰিচয় কৰাই দিওঁ। 'শৰৎ বৰ্ণনা'ৰ লেখক হ'ল বৈকুণ্ঠ নাথ ভাগৱত ভট্টাচাৰ্য্য। 'ভট্টদেৱ' ৰূপেও তেওঁক জনা যায়। বৰ্তমানৰ বৰপেটা জিলাৰ (আগৰ কামৰূপ) বৰনগৰ অঞ্চলৰ ভেৰাগ্ৰাম নিবাসী চন্দ্ৰ ভাৰতীৰ তেওঁ দ্বিতীয় পুত্ৰ। পিতৃৰ নিৰ্দেশত তেওঁ দামোদৰ দেৱৰ শৰণ লয়। ভাগৱত শাস্ত্ৰত বিশেষ ব্যুৎপত্তি আৰু বিভিন্ন শাস্ত্ৰৰ ব্যাখ্যাত অগাধ পাণ্ডিত্যৰ বাবে তেওঁ পণ্ডিত সমাজৰ পৰা 'কবিৰত্ন' আৰু 'ভাগৱত ভট্টাচাৰ্য্য' -- উপাধি দুটা লাভ কৰে। গুৰুৰ আদেশ মতে ভট্টদেৱে সৰ্বসাধাৰণে বুজিব পৰাকৈ এক বিশেষ গদ্যশৈলীত 'ভাগৱত-কথা', গীতা-কথা আৰু 'ৰত্নাৱলী-কথা' ৰচনা কৰে। বহুতে ভট্টদেৱক অসমীয়া গদ্যৰ জন্মদাতা বুলিব খোজে। তেওঁ অসমীয়া ভাষাত 'শৰণ মালিকা', 'গুৰুবংশাৱলী', 'প্ৰসংগমালা', 'সাত্বত তন্ত্ৰ', 'দামোদৰ ব্যাখ্যান', 'বিষ্ণু সহস্ৰনাম', 'নন্দোৎসৱ' আৰু 'শ্ৰীশ্ৰীকৃষ্ণলীলাকীৰ্ত্তন' ৰচনা কৰে। সংস্কৃতত লিখা তেওঁৰ উল্লেখযোগ্য গ্ৰন্থ কেইখন হ'ল -- 'ভক্তি বিবেক', 'শৰণ-সংগ্ৰহ' আৰু 'ভক্তিসাৰ'। ভট্টদেৱৰ পূৰ্বে কোনো উত্তৰ ভাৰতীয় ভাষাতে গদ্যত পুথি ৰচিত হোৱা নাছিল। অৱশ্যে তেওঁৰ গদ্য বুৰঞ্জী অথবা গুৰুচৰিত কথাৰ ভাষাৰ দৰে কথিত ভাষা নহয়। তেওঁৰ সময়ত কাব্যত ব্যৱহাৰ হোৱা ভাষাকেই গদ্যৰ সাঁচত ঢালি ভট্টদেৱ অসমীয়া সাহিত্যত অমৰ হয়। তেওঁ ৰচনা কৰা 'গীতাকথা'ৰ মুদ্ৰিত ৰূপ পঢ়ি বংগদেশৰ প্ৰখ্যাত পণ্ডিত আচাৰ্য্য প্ৰফুল্ল চন্দ্ৰ ৰায়ে কৈছিল--

"ভট্টদেৱৰ ষোল শতিকাত লিখা গীতাকথাৰ গদ্য বাস্তৱতে অতুলনীয়। এই পুথি খনিৰ এটি অতি উত্তম তাঙৰণ দেখা পোৱাৰ সুযোগ ঘটিছিল। ..... ই এক অমূল্য সম্পদ। সুদূৰ ষোড়শ শতাব্দীতে অসমীয়া কথা সাহিত্য এনে এক স্তৰলৈ উত্তৰণ কৰিছিল, যিটি স্তৰ ইংলেণ্ডৰ হুকাৰ আৰু লেটিমাৰৰ লেখাৰ বাহিৰে পৃথিৱীৰ আন কোনো সাহিত্যই পোৱা নাছিল।"

## 33.3 মূল পাঠ

### 33.3.1 মুদ্ৰিত প্ৰতিলিপিৰ প্ৰথম ভাগ

শৰৎ কাল হৈল। যাত মেঘ দূৰ গৈল, জলো নিৰ্মল পৰিল, শীতল বায়ুয়ো বহিল। যেন ভ্ৰষ্ট যোগীৰ চিত্ত যোগ সেৱায়ে নিৰ্মল হয়, তেমনে শৰৎকালে জলক নিৰ্মল কৰিল যেন ব্ৰহ্মচাৰীৰ গুৰু সেৱা দুখ, গৃহস্থৰ পুত্ৰ-ভাৰ্য্যা সংগ, দুস্থ, বানপ্ৰস্থৰ মলধাবনাদি দুস্থ, সন্ন্যাসীৰ কাম বাসনা দুস্থ, কৃষ্ণ ভক্তি দূৰ কৰে, তেমনে শৰৎ কালেও আকাশৰ মেঘ, প্ৰাণীৰ একত্ৰবাস, পৃথিৱীৰ পঙ্ক, জলৰ মল দূৰ কৰিল। যেন মুনিসবে সকল বাঞ্ছা এৰি, শুদ্ধশান্ত

শব্দাৰ্থ ঃ
হৈল -- হ'ল।
বহিল -- বৱলৈ ধৰিলে।
গৈল -- গ'ল।
ভ্ৰষ্টযোগী -- অধঃপাতে যোৱা যোগী।
চিত্ত -- মন।
ব্ৰহ্মচাৰী -- উপনয়নৰ পিছত গুৰুঘৰত পঢ়ি থকা দ্বিজ পুত্ৰ।
গুৰুসেৱা দুখ -- ব্ৰহ্মচাৰী শিষ্যক গুৰুদেৱে পানী অনা, সমিধ আহৰণ কৰা আদি কামত লগোৱা দুখ।

হয়া, প্ৰকাশ কৰন্ত, তেমনে মেঘসবো জল পৰিত্যাগ কৰি, শুক্ল বৰ্ণ হয়া প্ৰকাশ কৰিল। যেন জ্ঞানীসবে জ্ঞানামৃতক কুনু ঠাই কহে কুনুঠাই নকহে, তেমনে পৰ্বতৰ কুনু-ঠাই নিঝৰা বহে, কুনু ঠাই নবহে। যেন মহা মুঢ় গৃহস্থসবে আপুনাৰ আয়ুক্ষয় নজানে, তেমনে অল্পজলৰ মৎস্যসবো জলক্ষয় নজানিল। যেন দাৰিদ্ৰ গৃহস্থে, গৃহত থাকি নানা দুস্খ পাৱে, তেমনে দোঙাৰ মৎস্যসবো, আদিত্যৰ তাপ পাইল। যেন ধীৰসবে দেহাতিত অহংকাৰ সমকাৰ কিছো কিছো কৰি এৰে, তেমনে স্থলসবো লতাসবো পঙ্কক মল পৰিত্যাগ কৰিল। যেন মুনি আত্মবোধ হৈলে শাস্ত্ৰ অভ্যাস এৰে, তেমনে শৰৎকালত সাগৰো নিশ্চল হৈল।

বানপ্ৰস্থ— বুঢ়া; বয়সত গৃহস্থী ধৰ্ম এৰি ; ঈশ্বৰ চিন্তাৰ অৰ্থে বনলৈ গমন কৰা আশ্ৰম।
দুস্খ -- দুখ।
বাসনা-- কামনা,অভিলাষ।
পঙ্ক -- বোকা।
শুক্ল -- বগা।
কুনু -- কোনো।
নিঝৰা -- নিজৰা।
অল্পজল -- কমপানী।
মৎস্য -- মাছ।
জলক্ষয় -- পানী কমি অহা।

### 33.3.2 এতিয়া উদ্ধৃত পাঠাংশক আধুনিক অসমীয়ালৈ ৰূপান্তৰ কৰোঁ আহা ঃ

শৰৎ কাল আহিল। মেঘ দূৰলৈ গ'ল, পানী নিৰ্মল হ'ল, শীতল বায়ু বলৈ ধৰিলে। যেনেকৈ ভ্ৰষ্ট যোগীৰ চিত্ত যোগসেৱাৰ দ্বাৰা নিৰ্মল হয়, তেনেদৰে শৰত কালেও পানী নিৰ্মল কৰিলে। যেনেকৈ ব্ৰহ্মচাৰীৰ গুৰুসেৱা দুখ, গৃহস্থৰ পুত্ৰ ভাৰ্য্যা সংগ দুখ, বানপ্ৰস্থৰ মলধাৰণাদি, সন্ন্যাসীৰ কাম-বাসনা দুখ কৃষ্ণ ভক্তিয়ে আঁতৰ কৰে, তেনেকৈ শৰৎকালেও আকাশৰ মেঘ, প্ৰাণীৰ একত্ৰ বাস, পৃথিৱীৰ বোকা আৰু পানীৰ মল দূৰ কৰিলে। যেনেকৈ মুনিসকলে সকলো বাঞ্ছা এৰি শুদ্ধ শান্ত হৈ প্ৰকাশ কৰে, তেনেকৈ মেঘমালায়ো পানী পৰিত্যাগ কৰি, শুকুলা বৰণ ধৰি প্ৰকাশ পাইছে। যেনেদৰে জ্ঞানীসকলে জ্ঞানৰূপ অমৃতক কোনো ঠাইত কয়, কোনো ঠাইত নকয়, তেনেকৈ পৰ্বতৰ কোনো ঠাইত নিজৰা বয়, কোনো ঠাইত নবয়। যেনেকৈ মহামুঢ় গৃহস্থসকলে ঘৰত থাকি নানা দুখ পায়, তেনেকৈ অলপ পানীৰ মাছবোৰে পানী কমি অহাৰ গমকে নাপায়। যেনেকৈ দুখীয়া গৃহস্থই ঘৰত থাকি নানা দুখ পায়, তেনেকৈ দোঙাৰ মাছবোৰেও সূৰ্য্যৰ তাপ পালে। যেনেকৈ ধীৰসকলে দেহাতিত অহংকাৰ সমকাৰ অলপ অলপকৈ এৰে, তেনেকৈ শৰৎকালত মাটিৰ লতাবোৰে বোকা-মল পৰিত্যাগ কৰে। আত্মবোধ হোৱাৰ পিছত মুনিয়ে শাস্ত্ৰৰ অভ্যাস এৰাৰ দৰে শাৰদীয় সাগৰো নিশ্চল হ'ল।

### 33.3.3 আলোচনা

'শৰৎ বৰ্ণনা'ৰ পঠনীয় পাঠাংশত শৰৎ ঋতুৰ প্ৰাকৃতিক সৌন্দৰ্য্য আৰু গুণৰ বিষয়ে বৰ্ণনা কৰা দেখা যায়। সৌন্দৰ্য্য বৰ্ণনাৰ ক্ষেত্ৰত ভট্টদেৱে উপমা আৰু ৰূপকৰ সহায় লোৱাটো উল্লেখযোগ্য। দৃষ্টান্ত স্বৰূপে, শৰৎকালৰ পানী নিৰ্মল হোৱা কথাষাৰ বুজাবলৈ ভ্ৰষ্টযোগীৰ চিত্তৰ লগত তুলনা কৰা হৈছে। যোগসেৱাই ভ্ৰষ্টযোগীৰ চিত্ত নিৰ্মল কৰাৰ দৰে শৰতকালেও পানী নিৰ্মল কৰে। এই পাঠাংশৰ আন উপমাবোৰ হ'ল --

ক) কৃষ্ণ ভক্তিয়ে ব্ৰহ্মচাৰী শিষ্যৰ গুৰুসেৱা দুখ অৰ্থাৎ গুৰুজনাৰ বাবে পানী অনা, সমিধ আহৰণ কৰা আদি দুখ, গৃহস্থৰ পুত্ৰ, ভাৰ্য্যাদিৰ প্ৰতি আসক্তিৰ প্ৰতি হোৱা দুখ, বানপ্ৰস্থীয়ে শৰীৰত মলধাৰণ কৰি পোৱা দুখ আৰু সন্ন্যাসীৰ কামনা-বাসনা যুক্ত দুখ আঁতৰ কৰাৰ দৰে শৰতে আকাশৰ মেঘ, প্ৰাণীৰ একত্ৰ বাস, পৃথিৱীৰ বোকা আৰু পানীৰ মল আঁতৰায়।

খ) মুনিসকলে সকলো বাঞ্ছা পৰিত্যাগ কৰি শুদ্ধ-শান্ত ৰূপ প্ৰকাশ কৰাৰ দৰে মেঘেও পানী পৰিত্যাগ কৰি শুকুলা ৰূপ লয়।

গ) জ্ঞানীসকলে জ্ঞানৰ কথা পাত্ৰ চাই কোনোবাক কয়; কোনোবাক নোকোৱাৰ দৰে পৰ্বতবো কোনো ঠাইত নিজৰা বয়, আন কোনো ঠাইত নবয়।

ঘ) মহা মুৰ্খসকলে নিজৰ পৰমায়ু টুটি অহাৰ কথা গম নোপোৱাৰ দৰে অলপ পানীৰ মাছবোৰেও পানী টুটি অহা গম নাপায়।

ঙ) 'মহাদুখী কুটুম্বী মনুষ্যে' ঘৰত থাকি নানা দুখ পোৱাৰ দৰে দোঙাৰ মাছবোৰেও সূৰ্য্যৰ তাপত কষ্ট পায়।

চ) জ্ঞানীসকলে গৃহৰূপ শৰীৰৰ অহংকাৰ -- মমকাৰ আদিৰ কিছু অংশ পৰিত্যাগ কৰাৰ দৰে শৰতত মাটি, লতা প্ৰভৃতিয়ে বোকা মল পৰিত্যাগ কৰে।

ছ) আত্মবোধ হোৱাৰ পিছত মুনিসকলে শাস্ত্ৰৰ অভ্যাস এৰাৰ দৰে শৰত কালৰ সাগৰো নিশ্চল হৈ পৰে।

### 33.3.4 প্ৰথম ভাগৰ চমু প্ৰশ্নাৱলী

এইবাৰ কেইটামান চুটি প্ৰশ্নৰ উত্তৰ কৰোঁ আহা ---

১। শৰৎ কালৰ পানী নিৰ্মল হোৱা কথাষাৰ বুজাবলৈ ভট্টদেৱে কাৰ লগত তুলনা কৰিছে?

২। কৃষ্ণ ভক্তিয়ে ব্ৰহ্মচাৰী শিষ্যৰ গুৰু-সেৱা দুখ আঁতৰ কৰাৰ দৰে শৰতে কি আঁতৰ কৰে?

৩। বানপ্ৰস্থীয়ে শৰীৰত মল ধাৰণ কৰি পোৱা দুখ কৃষ্ণ ভক্তিয়ে আঁতৰ কৰাৰ দৰে শৰতে কি আঁতৰায়?

৪। কৃষ্ণভক্তিয়ে সন্ন্যাসীৰ মনৰ কামনা-বাসনা আদিৰপৰা উৎপন্ন হোৱা দুখ আঁতৰোৱাৰ দৰে শৰতে কি আঁতৰ কৰে বুলি লেখকে কৈছে?

৫। শৰতৰ মেঘে কি ৰূপ লয়?

৬। অলপ পানীৰ মাছে কি গম নাপায়?

৭। গৃহস্থীলোকে ঘৰত থাকি কষ্টপোৱাৰ দৰে দোঙাৰ মাছে কিহত কষ্ট পায়?

৮। শৰতৰ মাটি, লতা আদিয়ে কি পৰিত্যাগ কৰে?

৯। শৰতৰ সাগৰৰ এটি বৰ্ণনা দিয়া।

## 33.3.5 মুদ্ৰিত প্ৰতিলিপিৰ দ্বিতীয় ভাগ

যোগীসবে ইন্দ্ৰিয়ক জ্ঞানক ৰক্ষা কৰে, তেমনে কৃষকসবে দৃঢ় আলি বান্ধি জল ৰাখিল। যেন মুকুন্দে ব্ৰজ স্ত্ৰীসবৰ তাপ দূৰ কৰা, তেমনে লোকৰ আদিত্যৰ তাপক চন্দ্ৰে দূৰ কৰা। যেন সত্ত্ব গুণত চিত্তে বেদাৰ্থ ভগৱন্তক জানি শোভা কৰে, তেমণে মেঘ বিনে নিৰ্মল নক্ষত্ৰ সমে, আকাশ প্ৰকাশিল। যেন যদুবংশে আবৃত হয়া, শ্ৰীকৃষ্ণ প্ৰকাশ কৰন্ত; তেমনে নক্ষত্ৰসমে পূৰ্ণচন্দ্ৰ প্ৰকাশিল। যেন মুকুন্দত চিত্ত দিয়া গোপীসবে তাপ নপাৰে, তেমনে শীতল সুগন্ধ বায়ু পায়া লোকে তাপ এৰাইল। যেন ঈশ্বৰাৰ্পিত কৰ্ম বাঞ্ছা নকৰিলেও ফলধৰে, তেমনে পশুপক্ষীসব অনিচ্ছাতো গৰ্ভৱতী হৈল। ৰাজাৰ উদয়ে দস্যুবিনে লোকসব নিৰ্ভয় হয়, তেমনে সূৰ্য্যৰ উদয়ে কুমুদ বিনে পদ্মসবে প্ৰফুল্লিত হৈল। যেন ৰাধাকৃষ্ণ অৱতাৰে গোকুল শোভা কৰে, তেমনে ধন-ধান্য হৈলেও ভূমি প্ৰকাশ কৰিল। যেন যোগীসবে দেহ এৰি যোগ সিদ্ধি পাৱে, তেমনে বনিজসব বৰ্ণিজ্য কৰিল, মুনিসব সুচন্দে লড়িল, ৰাজা সবো দিগ্বিজয় কৰিল।

**শব্দাৰ্থ ঃ**

তেমনে --- তেনেকৈ।
মুকুন্দ - শ্ৰীকৃষ্ণ।
আদিত্য --সূৰ্য্য।
সত্ত্ব -- ত্ৰিগুণৰ অন্যতম গুণ।
প্ৰকাশিল -- প্ৰকাশ পালে।
পূৰ্ণচন্দ্ৰ -- পূৰ্ণিমাৰ চন্দ্ৰ।
এৰাইল -- এৰিলে।
ধান্য -- ধান।

## 33.3.6 এতিয়া উদ্ধৃত পাঠাংশক আধুনিক অসমীয়ালৈ ৰূপান্তৰ কৰোঁ আহা ঃ

যোগীসকলে যেনেকৈ ইন্দ্ৰিয়ক দমন কৰি জ্ঞানক ৰক্ষা কৰে, তেনেকৈ কৃষকসকলে ডাঙৰকৈ আলি দি পানী ৰখাৰ ব্যৱস্থা কৰিলে। যেনেদৰে শ্ৰীকৃষ্ণই ব্ৰজৰস্ত্ৰীসকলৰ তাপ আঁতৰ কৰে, তেনেদৰে ভূলোকৰ সূৰ্য্যৰ উত্তাপ চন্দ্ৰই আঁতৰ কৰে। যেনেকৈ সত্ত্বগুণত চিত্তই বেদাৰ্থ ভগৱন্তক জানি শোভা কৰে, তেনেদৰে মেঘ নথকা বাবে আকাশত নক্ষত্ৰসমূহে দেখা দিয়ে। যেনেকৈ যদুবংশত আবৃত হৈ শ্ৰীকৃষ্ণই প্ৰকাশ পায়, তেনেদৰে নক্ষত্ৰ সমূহৰসৈতে চন্দ্ৰ প্ৰকাশ পালে। শ্ৰীকৃষ্ণৰ ওচৰত চিত্ত অৰ্পণ কৰি গোপীসকলে তাপ আঁতৰ কৰাৰ দৰে শীতল সুগন্ধ বায়ু পাই জগতে দুখ আঁতৰালে। যেনেকৈ ঈশ্বৰত অৰ্পণ কৰা কৰ্ম্মই বাঞ্ছা নকৰিলও ফল ধৰে, তেনেদৰে পশু-পক্ষীবোৰ অনিচ্ছাতো গৰ্ভৱতী হ'ল। ৰজাৰ আগমনত দস্যুক বাদ দি আনলোকসকল নিৰ্ভয় হোৱাৰ দৰে সূৰ্য্যৰ উদয়ত ভেটফুলক বাদ দি পদুমবোৰ বিকশিত হ'ল।

**ৰাম-কৃষ্ণ অৱতাৰে গোকুল শোভা কৰাৰ দৰে ধন-ধান্য থকা সত্ত্বেও মাটি ওলাল। যেনেকৈ যোগীসকলে দেহ এৰি যোগসিদ্ধি পায়, তেনেকৈ বণিকবোৰে বাণিজ্য কৰে, মুনিসকল আনন্দৰে চলাফুৰা কৰে আৰু ৰজাসকল দিগ্বিজয়লৈ যাত্ৰা কৰিলে।**

## 33.3.7 আলোচনা

এতিয়া আহা, ওপৰৰ পাঠাংশৰ কথাখিনি আকৌ এবাৰ জুকিয়াই চাওঁ। 'শৰৎ বৰ্ণনা'ৰ এই অংশতো বিভিন্ন উপমাৰ সংযোগেৰে শৰতৰ ৰূপ-সৌন্দৰ্য্য বৰ্ণনা কৰা দেখা যায়। কাৰণ ---

ক) খেতিয়ক সকলে আলি দি পথাৰত পানী ৰখা চিনাকি চিত্ৰটো লেখকে উপমাৰে আঁকিছে এনেদৰে ঃ

**যোগীসকলে ইন্দ্ৰিয়ক দমাই জ্ঞান ৰক্ষা কৰাৰ দৰে কৃষক সকলেও ডাঙৰকৈ আলি দি পথাৰত পানী ৰখাৰ ব্যৱস্থা কৰিছে।**

খ) শ্ৰীকৃষ্ণই ব্ৰজধামৰ ব্ৰজনাৰীসকলৰ মনৰ দুখ আঁতৰ কৰাৰ দৰে পৃথিৱীত সূৰ্য্যৰ তাপক্লিষ্ট মানুহৰ দুখ চন্দ্ৰই হৰণ কৰিছে।

গ) সত্ত্বগুণৰ ফলত চিত্তই বেদাৰ্থ ভগৱানক জানি শোভা কৰাৰ দৰে মেঘশূন্য আকাশত নক্ষত্ৰ সমূহে দেখা দিছে।

ঘ) যদুবংশত আবৃত হৈ শ্ৰীকৃষ্ণ প্ৰকাশ পোৱাৰ দৰে নক্ষত্ৰসমূহৰ লগতে চন্দ্ৰও প্ৰকাশ পাইছে।

ঙ) শ্ৰীকৃষ্ণৰ ওপৰত চিত্ত অৰ্পণ কৰি গোপীসকলে মনৰ তাপ আঁতৰ কৰাৰ লেখিয়াকৈ শীতল সুগন্ধ বায়ুৱে জগতৰ দুখ আঁতৰালে।

চ) ঈশ্বৰত অৰ্পণ কৰা কামে অবাঞ্চিত ভাৱে ফল প্ৰদান কৰাৰ দৰে পশু-পক্ষীবোৰ নিজৰ অনিচ্ছা সত্ত্বেও গৰ্ভৱতী হ'ল।

ছ) ৰজাৰ আগমনত দস্যুখিনিক বাদ দি আনসকলো লোক নিৰ্ভয় হোৱাৰ দৰে সূৰ্য্যৰ আগমনত ভেট ফুলক বাদ দি সমস্ত পদুম বিকশিত হ'ল।

জ) বলৰাম আৰু শ্ৰীকৃষ্ণৰ অৱতাৰে গোকুল ভূমি শোভা কৰাৰ দৰে ধানেৰে উপচি থকা সত্ত্বেও মাটিবোৰ দেখা গ'ল।

ঝ) যোগীসকলে দেহ এৰি যোগসিদ্ধি পোৱাৰ লেখিয়াকৈ শৰত কালত বণিক সকলে বাণিজ্য আৰম্ভ কৰিলে, মুনিসকল আনন্দৰে চলাফুৰা কৰিব পৰা হ'ল আৰু ৰজাসকলো দিগ্বিজয়ত ওলাল।

## 33.3.8 দ্বিতীয় পাঠভাগৰ প্ৰশ্নাৱলী

১০। কৃষক সকলে ডাঙৰকৈ আলি দি পথাৰত পানী ৰখা কথাষাৰ ভট্টদেৱে কিহৰ সৈতে তুলনা কৰিছে?

১১। ভূলোকৰ সূৰ্য্যৰ তাপ কিহে আঁতৰায়?

১২। শৰতৰ মেঘহীন আকাশ কিহেৰে সৈতে প্ৰকাশ পায়?

১৩। অনিচ্ছাতো পশু-পক্ষীবোৰ গৰ্ভৱতী হোৱা দৃশ্যটো লেখকে কিহেৰে ৰিজনি দিছে?

১৪। সূৰ্য্যৰ আগমনত কি ফুল জঁয় পৰে আৰু কি ফুল ফুলে?

১৫। ৰাম-কৃষ্ণ অৱতাৰে ক'ত শোভা কৰিছিল?

১৬। শৰত কালত বণিক, মুনি আৰু ৰজাসকলে কি কৰে?

## 33.4 সাৰাংশ

শৰতৰ আগমনৰ লগে লগে বৰষাৰ মেঘ আঁতৰে, পানী পৰিষ্কাৰ হয় আৰু শীতল বতাহ বলৈ আৰম্ভ কৰে। মেঘে বুকুৰপৰা পানী আঁতৰাই শুকুলা ৰূপ লয়। পৰ্বতত থকা কোনো কোনো নিজৰা শুকাই যায় -- কোনো নিজৰাহে প্ৰবাহিত হয়। পানী শুকাই অহাত মাছবোৰৰ কষ্ট হয়। এই কালত সাগৰ নিশ্চল হৈ পৰে। শৰত কালত কৃষক সকলে ডাঙৰকৈ আলি দি পানী ৰখাৰ ব্যৱস্থা কৰে। পৃথিৱীত সূৰ্যৰ উত্তাপ চন্দ্ৰই আঁতৰ কৰে, মেঘহীন আকাশত নক্ষত্ৰমণ্ডলীয়ে শোভা পায় আৰু নক্ষত্ৰৰ লগতে চন্দ্ৰয়ো দেখা দিয়ে। এই কালত পশু-পক্ষী গৰ্ভৱতী হয় আৰু পদুমো ফুলে। ধানেৰে পৰিপূৰ্ণ খেতিপথাৰবোৰ প্ৰকাশ পায়, মুনিসকল যাত্ৰালৈ ওলায় আৰু ৰজাসকলে দিগ্বিজয়লৈ যাত্ৰা কৰে।

## 33.5 সাধাৰণ অনুশীলনী

### 33.5.1 পাঠভিত্তিক প্ৰশ্নাৱলী ঃ শুদ্ধ / অশুদ্ধ বিচাৰ ঃ

'শৰত বৰ্ণনা' পাঠটোৰ ভিত্তিত তলত দিয়া প্ৰশ্নকেইটাৰ উত্তৰ দিয়া।

উত্তৰৰ বাবে তিনিটাকৈ বিকল্প দিয়া আছে। শুদ্ধটো বাছি লৈ (✓) চিন দিয়া।

১৭। শৰত কালত ---

ক) মেঘ আঁতৰে,

খ) বৰষুণ আঁতৰে.

গ) কুঁৱলী আঁতৰে।

১৮। শৰতকালে --

ক) পানী নির্মল কৰে.

খ) মাটি পৰিষ্কাৰ কৰে,

গ) মেঘ আঁতৰ কৰে।

১৯। শৰত কালত পৰ্বতৰ কোনো কোনো ঠাইত

ক) নিজৰা বয়,

খ) বৰষুণ পৰে.

গ) জুই লাগে।

২০। শৰত কালত অলপ পানীৰ মাছে --

ক) জলক্ষয়ৰ কথা নাজানে.

খ) জলবৃদ্ধিৰ গম নাপায়,

গ) অসুখৰ গম নাপায়।

২১। দৰিদ্ৰ গৃহস্থই আপোন ঘৰত থাকি -

ক) অতি আনন্দিত হয়,

খ) নানা দুখ পায়,

গ) ঈশ্বৰ চিন্তা কৰে।

২২। মুনিসকলৰ আত্মবোধ হ'লে --

ক) সংসাৰ ত্যাগ কৰে,

খ) শাস্ত্ৰ অভ্যাস এৰে,

গ) গৃহস্থী ধৰ্ম গ্ৰহণ কৰে।

২৩। শৰত কালত সাগৰ --

ক) শুকাই যায়,

খ) পানীবে উপচি পৰে,

গ) নিশ্চল হয়।

২৪। যোগীসকলে ইন্দ্ৰিয়ক দমাই --

ক) জ্ঞান ৰক্ষা কৰে,

খ) মৃত্যু বৰণ কৰে,

গ) যোগত বহে।

২৪। শৰৎ কালত বেলিৰ তাপ --

ক) চন্দ্ৰই দূৰ কৰে,

খ) ডাৱৰে আঁতৰায়,

গ) বৰষুণে দূৰ কৰে।

২৬। শৰৎ কালত ৰজাসকলে --

ক) ৰাজসভা পাতে,

খ) ধৰ্মসভা অনুষ্ঠিত কৰে,

গ) দিগ্বিজয়লৈ যায়।

## 33.5.2 পাঠভিত্তিক বৰ্ণনাত্মক প্ৰশ্ন ঃ

**তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ একেটা বাক্যতে লিখা --**

২৭। শৰৎকালে কি কি দূৰ কৰে?

উ ঃ

২৮। শৰৎ কালত দোঙাৰ মাছে কি পায়?

উ ঃ

২৯। শৰৎ কালত খেতিয়ক সকলে আলি দি কি ৰাখে?

উ ঃ

৩০। যোগীসকলে দেহ এৰি কি পায়?

উ ঃ

## 33.5.3 সংক্ষেপ কৰণ বা বাক্‌সংহতি ঃ

অৰ্থৰ পৰিবৰ্তন নঘটাকৈ বহুকেইটা শব্দই প্ৰকাশ কৰা অৰ্থক এটা শব্দৰ সহায়ত প্ৰকাশ কৰিব পাৰি।

যেনে -- একে মাকৰ পুতেক = সহোদৰ

শাৰো নাম নধৰাকৈ পৰা গালি = গুৱালগালি।

এইদৰে কেইবাটাও শব্দই প্ৰকাশ কৰা অৰ্থক এটা শব্দৰ সহায়ত প্ৰকাশ কৰা পদ্ধতিক বাক্-সংহতি বা সংক্ষেপকৰণ বোলো হয়।

তলত দিয়া বাক্যবোৰ এটা শব্দত প্ৰকাশ কৰা --

৩২। অনেক বাদ্যৰ মাত মিল কৰি বজোৱা বাজনা

৩৩। আনৰ ভাল দেখিব নোৱাৰা লোক

৩৪। কাপোৰত ফুল বাছিব পৰা তিৰোতা

৩৫। গধূলি বা ৰাতি চকুৰে নেদেখা মানুহ

৩৬। জানিবৰ ইচ্ছা

৩৭। তিৰোতা মৰা বা বিয়া নকৰোৱা মানুহ

৩৮। দুবছৰত পোৱালি দিয়া গাই

৩৯। বং ৰঙিগাল বা ধেমেলীয়া তিৰোতা

৪০। বহাগ বিহুৰ কালত বলা ধুমুহা

৪১। ভাতখোৱাৰ পিছত ধৰা ঘুমটি

৪২। ভাল বেয়া গণনা কৰা তিৰোতা

৪৩। যি উপকাৰীৰ উপকাৰ স্বীকাৰ কৰে

৪৪। যাক বুজিব নোৱাৰি

৪৫। সন্তান নোহোৱা তিৰোতা

৪৬। যাৰ কোনো আশ্ৰয় নাই

## 33.6 সৃষ্টিধৰ্মী প্ৰশ্ন

৪৭। মূলপাঠৰ কথাখিনি পঢ়ি চোৱা আৰু নিজৰ কথাৰে চমুৱাই লিখা।

৪৮। শৰৎ কালত প্ৰকৃতিৰ বুকুত যিবোৰ পৰিবৰ্তন দেখা দিয়ে, সেই পৰিবৰ্তন সমূহ তোমাৰ ভাষাত লিখা।

৪৯। 'শৰৎ বৰ্ণনা' লেখাটোত শৰৎকালৰ বৰ্ণনাৰ ক্ষেত্ৰত ভট্টদেৱে প্ৰয়োগ কৰা কেইটামান তুলনাৰ সৈতে তোমাৰ পৰিচয় প্ৰদৰ্শন কৰা।

## 33.7 চমু প্ৰশ্নৰ উত্তৰ সংকেত

১। যোগভ্ৰষ্ট যোগীৰ চিত্ত যোগসেৱাৰ দ্বাৰা নিৰ্মল হোৱাৰ লগত

২। শৰতে আকাশৰ মেঘ দূৰ কৰে।

৩। শৰতে পৃথিৱীৰ বোকা আঁতৰ কৰে।

৪। শৰতে পানীৰ মল দূৰ কৰে।

৫। শৰতৰ মেঘে শুকুলা বৰণ ধৰি প্ৰকাশ পায়।

৬। অলপ পানীৰ মাছে পানী কমি অহাৰ গমকে নাপায়।

৭। দোঙাৰ মাছে সূৰ্য্যৰ তাপত কষ্ট পায়।

৮। শৰতৰ লতা আদিয়ে পংক মল ত্যাগ কৰে।

৯। শৰৎ কালত সাগৰ নিশ্চল হয়।

১০। যোগীসকলে ইন্দ্ৰিয়ক দমন কৰি জ্ঞানক ৰক্ষা কৰাৰ সৈতে

১১। ভূলোকৰ সূৰ্য্যৰ তাপ চন্দ্ৰই আঁতৰ কৰে।

১২। সত্বগুণত চিত্তই বেদাৰ্থ ভগৱন্তক জানি শোভা কৰাৰ সৈতে

১৩। অনিচ্ছাতো পশু-পক্ষীসৱ গৰ্ভৱতী হোৱা দৃশ্যটো লেখকে ঈশ্বৰত সমৰ্পিত কৰ্মই বাঞ্ছা নকৰিলেও ফল ধৰা কথাটোৰে ৰিজাইছে।

১৪। সূৰ্য্যৰ আগমনত ভেটফুল জঁয় পৰে আৰু পদুম ফুল ফুলে।

১৫। ৰাম-কৃষ্ণ অৱতাৰে গোকুল শোভা কৰিছিল।

১৬। শৰৎ কালত বেপাৰীসকলে বাণিজ্য কৰে, মুনিসকল আনন্দেৰে চলা-ফুৰা কৰে আৰু ৰজাসকল সাজু হয় — দিগ্বিজয়লৈ।

১৭। ক,  ১৮। ক,  ১৯। ক,  ২০। ক,  ২১। খ,

২২। খ,  ২৩। গ,  ২৪। ক,  ২৫। ক,  ২৬। গ,

২৭। আকাশৰ মেঘ, প্ৰাণীৰ একান্ত বাস, পৃথিবীৰ বোকা আৰু জলৰ মল দূৰ কৰে।

২৮। দোঙাৰ মাছবোৰে সূৰ্য্যৰ তাপ পায়।

২৯। শৰৎ কালত খেতিয়কসকলে আলি দি পানী ৰাখে।

৩০। শ্ৰীকৃষ্ণ যদুবংশত উপজিছিল।

৩১। যোগীসকলে দেহ এৰি যোগসিদ্ধি পায়।

৩২। ঐক্যতান।

৩৩। চকুচৰহা, পৰশ্ৰীকাতৰ।

৩৪। ফুলতী।

৩৫। কুকুৰী কণা।

৩৬। জিজ্ঞাসা।

৩৭। বৰলা।

৩৮। দুৰ্ৱচী।

৩৯। ৰাংঢালী।

৪০। বৰদৈচিলা।

৪১। ভাতঘুমটি।

৪২। মণ্ডলতী।

৪৩। কৃতজ্ঞ।

৪৪। অবোধগম্য।

৪৫। বাঁজী।

৪৬। নিৰাশ্ৰয়।

## ৩৩.৪ অতিৰিক্ত পঠন উপদেশ

মহাপুৰুষ শংকৰদেৱেও 'দশম'ৰ অনুবাদ কৰোঁতে 'শৰৎ বৰ্ণনা' অংশ অসমীয়ালৈ ভাঙিছিল। সেই ভাঙনি গদ্যতকৈও সোৱাদ লগা। তোমালোকে উক্ত পাঠটো পঢ়ি চালে উপকৃত হ'বা আৰু পুৰণি অসমীয়াৰো কিছু সৌন্দৰ্য্য উপভোগ কৰিব পাৰিবা। দুটামান স্তৱকৰ উদ্ধৃতি তলত দিয়া হ'ল—

ৰাজাক সম্মুখি কহে শুকে যেবে বাৰিষা সময় গৈল।
শৰত কালৰ যত মহা গুণ সবেও বিদিত ভৈল।।
গগণ নিৰ্মল স্বচ্ছ ভৈল জল দূৰ গৈল মেঘগণ।
মহাসুখকৰ সুৰভি শীতল বহে বায় সৰ্বক্ষণ।।

## 33.9 ছাত্ৰী-ছাত্ৰীক প্ৰশ্ন কৰিবলৈ দিয়া সংকেত

ইতিমধ্যে তুমি 'শৰৎ বৰ্ণনা' পাঠটো পঢ়িলা। মহাপুৰুষ শংকৰদেৱে লিখা 'শৰৎ বৰ্ণনা'ৰ কথাও কোৱা হ'ল। অসমীয়া সাহিত্যত শৰৎ ঋতুক বৰ্ণনা কৰি লেখা ভালেখিনি পঠনীয় পাঠ পোৱা যায়। সেই সম্পৰ্কে পঢ়া-শুনা কৰাৰ পিছত তুমি কেনেধৰণৰ প্ৰশ্ন কৰিব পাৰা, কৰি চোৱাছোন।

———— x ————

# সংক্ষেপন লেখন প্ৰণালী
## *(PRECIS WRITTING)*

34. উদ্দেশ্যাৱলী

সাধাৰণতে সংক্ষেপন বুলিলে সাৰাংশ বুলি ভাবিব পাৰি যদিও প্ৰকৃততে ইয়াৰ মাজত কিছু পাৰ্থক্য পৰিলক্ষিত হয়। সাৰাংশ লিখনিত পাঠৰ সাৰমৰ্ম খিনি বিচাৰি উলিয়াই লিখা হয়। আনপিনে সংক্ষেপনত গোটেই পাঠখিনি থুল-মুলকৈ লিখা হয়। ইয়াৰ উপৰিও সংক্ষেপনৰ লিখাত পাঠটোৰ এটা অৰ্থ প্ৰকাশক নামো দিব লাগে।

লেখকসকলে তেখেত সকলৰ লেখনি উৎকৃষ্ট কৰিবৰ বাবে বিভিন্ন অলংকাৰ, উপমা আদি ব্যৱহাৰ কৰে। পাঠকে সেইবোৰ সহজ-সৰল, শুৱলা ভাষাৰে প্ৰকাশ কৰে।

সংক্ষেপন লেখিবলৈ যোৱাৰ আগতে কেইটামান কথা মনতৰাখিব লগীয়া হয়। যেনে--

(১) উদ্ধৃত কথাখিনি কেইবাবাৰো পঢ়ি বুজিবলৈ চেষ্টা কৰিব লাগে।

(২) মনৰ ভিতৰৰ সজাই লোৱা ধাৰণাখিনি পৰিপাটিকৈ একাদিক্ৰমে সৰল ভাষাৰে লিখিব লাগে।

(৩) উদ্ধৃত কথাখিনি বাৰে বাৰে চাই নাথাকিলে ভাল। নহ'লে নিজৰ লিখাখিনিত তাৰ ছাঁ পৰিব পাৰে।

(৪) এবাৰ জুকিয়াই লৈ লেখা কথাখিনি পঢ়ি চাই পুনৰ তাতকৈ আৰু সংক্ষিপ্ত কৰিব পাৰি নেকি বুলি চিন্তা কৰি আকৌ এবাৰ লেখিব পাৰিলে বৰ ভাল।

(৫) ১ নং লিখাখিনিতকৈ ২ নং লিখাখিনি যদি বেছি ভাল হোৱা যেন লাগে তেতিয়া ১ নং খিনি মাত্ৰ এডাল আঁচ টানি কাটি দিব লাগে।

(৬) লেখাখিনিৰ এটা সুন্দৰ, আকৰ্ষণীয় নাম দিব লাগে।

(৭) নিজে লেখা কথাখিনি কোনো কাৰণতে যাতে উদ্ধৃত কথাখিনিতকৈ দীঘল নহয় তালৈ বিশেষ লক্ষ্য ৰাখিব লাগে।

34.1 তলত এটি গল্পৰে উদাহৰণ দিয়া হ'ল যদিও ভাৱ গধুৰ বিষয়- বস্তুৰো সংক্ষেপন লিখিবলৈ দিয়া হয়।

**উদাহৰণঃ**

এটা কুকুৰ আছিল। সি এদিনাখন এটুকুৰা মঙহ বাটত পালে। সি মুখত মঙহ টুকুৰা লৈ অকলশৰীয়াকৈ খাবলৈ বুলি অলপ আচুতীয়া ঠাই বিচাৰি এখন নদীৰ ওপৰ পালে। নদীখনৰ ওপৰত এখন দলং আছিল। সি আপোন-বিভোৰ হৈ দলংখনৰ ওপৰেৰে পাৰ হ'বলৈ আৰম্ভ কৰিলে। সি দলঙেৰে আহি নদীখনৰ মাজভাগ পালেহি। এনেতে সি দেখিলে নদীৰ পানীত আন এটা কুকুৰ। তাৰ বৰ খং উঠিল আৰু হিংসাও লাগিল। সি ভাবিলে তাৰ মুখৰ মঙহ টুকুৰা খাবলৈ ক'ৰবাৰ দুষ্ট কুকুৰ এটা আহি ওলাল। তাৰ সহ্য নহ'ল। সি স্বভাৱজাত ভঙ্গীৰে মুখখন মেলি নদীৰ পানীত দেখা কুকু ৰটোক

আক্ৰমণ কৰিবলৈ থিৰাং কৰোতেই তাৰ মুখৰ মঙহ টুকুৰা নদীৰ পানীত পৰি গ'ল। কুকুৰটোৱে তেতিয়াহে বুজিব পাৰিলে যে সিটো আচল কুকুৰ নহয়, সেয়া তাৰ ছাঁহে। সি মনত বৰ দখ পালে। উপায় নাপাই ঠোঁট মুখ চেলেকি তাৰ পৰা সেমেনা সেমেনিকৈ ক'ৰবালৈ গুচি গ'ল।

উত্তৰ ঃ (১) লুভীয়া কুকুৰ নাইবা অতি লোভৰ পৰিণাম, নাইবা আপোনপেটীয়া কুকুৰ।

এদিন এটা লুভীয়া কুকুৰে এটুকুৰা মঙহ মুখতলৈ আপোনমনে খাবলৈ বুলি নদীৰ সিপাৰে যাবলৈ ঠিক কৰিলে। সি নদীত থকা দলংখনেৰে নদী পাব হ'বলৈ ধৰোঁতেই দেখিলে যে তলত আন এটা কুকুৰ। তাৰ ভাগৰ বস্তু খাবলৈ অহা বুলি ভাবি নদীৰ কুকুৰটোক ভুকিবলৈ ধৰোঁতেই কুকুৰটোৰ মুখৰ পৰা মঙহটুকুৰা সৰি পানীত পৰিল। তেতিয়াহে সি বুজি পালে সেয়া তাৰ ছাঁহে। সি মনতে দুখ পাই ক'ৰবালৈ গুচি গ'ল।

তোমালোকে এইদৰে ৰচনা কিতাপৰ পৰা সংক্ষিপ্তকৰণ কৰাৰ অভ্যাস কৰি চাব পাৰা।

—o—

# ভাৱ-সম্প্ৰসাৰণ লেখন প্ৰণালী
## *(AMPLIFICATION)*

### 35.1 উদ্দেশ্যাৱলী

লেখকৰ মনৰ ভাৱক সম্প্ৰসাৰিত অৰ্থাৎ বহলাই লিখাকে ভাৱ-সম্প্ৰসাৰণ বোলে। লেখকৰ চিন্তা গধুৰ ভাৱক ইংগিতময় ভাষাত আৰু কম কথাৰে প্ৰকাশ কৰে। সেই ভাৱত অন্তৰ্নিহিত বহুতো কথাই লুকাই থাকে। বিহঙ্গমৰ দৃষ্টিৰে চালে তেনেকৈ একো ধৰিবই নোৱাৰি। কিছু চিন্তা আৰু গভীৰভাৱে অধ্যয়ন কৰি চালেহে তাৰ আভ্যন্তৰীণ ভাৱক উপলব্ধি কৰিব পাৰি। গুণমালা পুথি খনৰ বিষয় বস্তুৰ ভিতৰত ভাগৱতখনৰ বিষয় বস্তুৰ জ্ঞান সোমাই থকাৰ দৰে। কেতিয়াবা লেখক সকলে যিবোৰ ভাৱ ব্যৱহাৰ কৰে ওপৰে ওপৰে চালে তাক একো ধৰিব নোৱাৰি। যেনে-'অভ্যাসৰ নৰ কৰ্ণ পথে কৰে শৰ', 'অতি ভক্তি চোৰৰ লক্ষণ', 'অচিন কাঠৰ থোৰা' ইত্যাদি এইবোৰ ফকৰা-যোজনা বাহ্যিক দৃষ্টিত সাধাৰণ কথা যেন লাগে যদিও ইয়াৰ ভিতৰত গূঢ়াৰ্থ নিহিত হৈ আছে।

সাহিত্যক প্ৰধানকৈ গদ্য আৰু পদ্যত ভাগ কৰা হয়। লেখক সকলে এই গদ্য আৰু পদ্য সৃষ্টিত নানান উক্তি, নীতি-বচন, প্ৰবচন বা ফকৰা-যোজনা, অলংকাৰ, উপমা আদি প্ৰয়োগ কৰি সাহিত্যত ৰস সৃষ্টি কৰে। কেতিয়াবা এনে ভাৱ বোধগম্য হয় আৰু কেতিয়াবা সহজে হৃদয়ঙ্গম কৰিব নোৱাৰি। তেতিয়া তেনে ভাৱ যথেষ্ট চিন্তাৰে বিচাৰি বিশ্লেষণ কৰি উলিয়াব লগা হয়। এনে ভাব-চিন্তাবোৰক, ফঁহিয়াই লিখিবলৈ লোৱাকে ভাৱ-সম্প্ৰসাৰণ বুলিব পাৰি। বহলাই ভাৱ-সম্প্ৰসাৰণ কৰা হয় যদিও কম কথাৰে ব্যাপক ভাৱ দেখুৱাব লাগে। সম্প্ৰসাৰণ মানেই একেটা কথাকে পেৰি পেৰি লেখি থকাটো নুবুজায়।

লেখকসকলে তেখেতসকলৰ ৰচনা-সৃষ্টিত ভাৱ সহজ-সৰলকৈ প্ৰকাশ বা বৰ্ণনা কৰিবলৈ যায় যদিও সকলো ক্ষেত্ৰতে সেয়া সম্ভৱ নহয়। তেতিয়াই সংক্ষিপ্তকৈ মনৰ ভাৱৰাশিক ব্যক্ত কৰিবৰ বাবে অথবা পাঠকক মানসিক আলোড়ন তুলিবৰ বাবেও ভাৱৰ সংক্ষিপ্তকৰণ কৰিব লগা হয়। তদুপৰি গদ্যৰ বিভিন্ন বৈশিষ্ট্যৰ ভিতৰত আন এটা বৈশিষ্ট্য বা গুণ হ'ল-সংক্ষিপ্ততা। গতিকে লেখকৰ উদ্দেশ্য হ'ল বক্তব্য পাঠকৰ ও চৰত প্ৰকাশ কৰা আৰু পাঠকৰ লক্ষ্য হ'ল সেই বক্তব্য গ্ৰহণ কৰা। পাঠকক ভবাই তুলিব পৰাটো উৎকৃষ্ট লেখনিৰ প্ৰধান গুণ। গতিকে তেনে লেখনি বুজিবলৈ হ'লে ভাৱ-সম্প্ৰসাৰণ অতি আৱশ্যক।

গদ্যতকৈ পদ্যত ভাৱৰ সংক্ষিপ্তকৰণ বেছি। তদুপৰি কবিতাৰ বৈশিষ্ট্যই হৈছে ইংগিতময় ভাৱৰ প্ৰকাশ। গদ্যতকৈ পদ্যৰ ভাৱ কিছু পৰিমানে জটিল। কিয়নো কবিয়ে মনৰ কল্পনা,সৌন্দৰ্য্য বা ভাৱৰাশি বিভিন্ন ব্যঞ্জনাৰদ্বাৰা প্ৰকাশ কৰে। কবিৰ ব্যঞ্জনা বাহ্যিক প্ৰকাশ গভীৰ অনুভৱৰদ্বাৰাহে হৃদয়ঙ্গম কৰিব পাৰি।

ভাৱ-সম্প্ৰসাৰণ প্ৰদত্ত কথাতকৈ উত্তৰ লিখোঁতে দীঘলীয়া হয়। ভাৱ-সম্প্ৰসাৰণ কৰিবলৈ যোৱাৰ আগতে উদ্ধৃত ভাবটো কেইবাবাৰো পঢ়ি গভীৰভাৱে হৃদয়ঙ্গম কৰি লৈ পিচত নিজৰ ভাৱ-ভাষাৰে সহজ-সৰলকৈ লিখিব লাগে। টান শব্দ আদি পাৰিলে বৰ্জন কৰাই ভাল।

35.2 তোমালোকৰ সুবিধাৰ বাবে তলত এটা গদ্যৰ আৰু এটা পদ্যৰ ভাৱ-সম্প্ৰসাৰণৰ নমুনা দাঙি ধৰা হ'ল—

**ঃ পুথি অধ্যয়ন বিদ্যা আৰ্জনৰ ঘাই উপায় ঃ**

উক্তিটি অতি সত্য আৰু শুদ্ধ। কিয়নো বিদ্যা আৰ্জন কৰিবলৈ হ'লে পুথি পঢ়িবই লাগিব। যেনে তেনে চেলেং পেতেংকৈ পঢ়িলে নহ'ব। অধ্যয়ন কৰিব লাগিব। অৰ্থাৎ মনপুতি, সজাগ দৃষ্টি ৰাখি অধ্যয়ন কৰিব লাগিব। বিদ্বান পণ্ডিতসকলে পুথি অধ্যয়ন কৰি আৰ্জিত জ্ঞানৰ দ্বাৰাহে বিখ্যাত হ'ব পাৰিছে। পুথি নপঢ়িলে কোনেও কেতিয়াও বিদ্যা আৰ্জন কৰিব পৰা নাই আৰু কৰিবও নোৱাৰে। পুথিত বিদ্বান, জ্ঞানীলোকসকলে অতি কষ্টেৰে তেওঁলোকৰ সঞ্চিত তথা আৰ্জিত জ্ঞান লিপিবদ্ধ কৰে। গতিকে তেনে মূল্যবান গ্ৰন্থ অধ্যয়ন কৰিলে বিদ্যা আৰ্জন তথা জ্ঞান লাভ কৰিব পাৰি।

ঃ অধ্যয়ন-- পঢ়ন, পঠন অভ্যাস বা মনপুতি পুংখানুপুংখ ভাৱে পঢ়া।

শেষত এনেদৰে দিব পাৰিলে ভাল।

35.3 পদ্য ঃ

কৰা কৰা পূজা পাদ্য অৰ্ঘ লই
জয় জয় মানৱ দেৱ।

এই বিশ্ব-ব্ৰহ্মাণ্ডখন ভগৱানৰ সৃষ্টি । ভগৱানৰ মহিমা অসীম। এই অসীম শক্তিৰ অধিকাৰী বাবেই ভগৱানক আমি পূজা কৰো। ভগৱানক বিভিন্ন বস্তু সামগ্ৰীৰে পূজা-অৰ্চনাৰদ্বাৰা ভক্তি প্ৰদৰ্শন কৰি ভক্তই মানসিক শান্তি লাভ কৰে। কিন্তু ইয়াত মানৱ অৰ্থাৎ মানুহকেই পূজা কৰাৰ কথা প্ৰকাশ কৰিছে। কাৰণ এই পৃথিৱীত কোনো মানুহেই স্থায়ীভাৱে বসবাস কৰিবলৈ নাহে। কিছুদিন লীলা খেলা কৰি মানুহ পুনৰ ভগৱানৰ ওচৰলৈ গুচি যায়। গতিকে এই ক্ষন্তেকীয়া জীৱনত ভগৱান সৃষ্ট মানৱক মৰম-স্নেহ, ভালপোৱাৰ আদান-প্ৰদান কৰি এক বিশ্বপ্ৰেম ভাৱ জগাই তুলি পৃথিৱীখনত শান্তি বিৰাজ কৰাব পাৰি। যিহেতু মানৱ জীৱন অস্থায়ী গতিকে ইজনে সিজনৰ লগত বিদ্বেষ ভাৱ নাৰাখি মানৱৰ ভালৰ নিমিত্তে জীৱনটো উৎসৰ্গ কৰাটো উচিত। এই পৃথিৱীত মানুহ জীৱন্ত ভগৱান। জীৱন্ত ভগৱানক সেৱা শুশ্ৰূষা কৰিলে ভগৱানক পূজা কৰা হয়। গতিকে ভগৱানক পূজা কৰাদি মানুহকেই পূজা-অৰ্চনা কৰাটো উচিত।

ওপৰৰ ভাৱ-সম্প্ৰসাৰণ দুটা উদাহৰণহে। তোমালোকে ইয়াতকৈয়ো নিশ্চয় ভাল ভাৱ-সম্প্ৰসাৰণ কৰিব পাৰিবা। পাঠ্যপুথিৰ বাহিৰেও অন্যান্য কিতাপ-আলোচনী আদি পঢ়ি নিজৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰিলে তোমালোকৰ শব্দৰ-ভাণ্ডাৰ বেছি হ'ব আৰু তেতিয়া তোমালোকৰ লেখনিও সুন্দৰ হ'ব।

সাধাৰণতে ফকৰা-যোজনাবোৰকে ভাৱ-সম্প্ৰসাৰণৰ বাবে গ্ৰহণ কৰা হয়।

—০—

## FUNDAMENTAL DUTIES

***Part IV A (Article 51 A)***

It shall be the duty of every citizen of India -

(a) to abide by the Constitution and respect its ideals and institutions, the National Flag and the National Anthem;

(b) to cherish and follow the noble ideals which inspired our national struggle for freedom

(c) to uphold and protect the sovereignty, unity and integrity of India;

(d) to defend the country and render national service when called upon to do so;

(e) to promote harmony and the spirit of common brotherhood amongst all the people of India transcending religious, linguistic and regional or sectional diversities; to renounce practices derogatory to the dignity of women;

(f) to value and preserve the rich heritage of our composite culture;

(g) to protect and improve the natural environment including forests, lakes, rivers and wild life, and to have compassion for living creatures;

(h) to develop the scientific tempre, humanism and the spirit of inquiry and reform;

(i) to safeguard public property and to abjure violence;

(j) to strive towards excellence in all spheres of individual and collective activity so that the nation constantly rises to higher levels of endeavour and achievement.

## A brief Guide to NIOS web site

The success of open learning and distance education very much depends upon the harnessing of the new and latest technology. The emerging Internet and Web technology help in effective dissemination of knowledge breaking all geographical boundaries. The web-site is a dynamic source of latest information and is also electronic information guide. The contents in the **NIOS** web site are open to all.

The learners can have an access to NIOS web-site at the following address:

**http:/www.nios.org**

Clicking this site address will bring the user to NIOS Home Page that will further guide them to visit different information pages of **NIOS**. NIOS is also developing a school network through Internet known as **Indian Open Schooling Network (IOSN)**. The network will provide a common communication platform for learners and educators. NIOS is offering **Certificate in Computer Application (CCA)** through selected AVI. This course is also offered through Internet on NIOS Web-Site.

**NOT FOR SALE**